মহাপুৰুষ শ্ৰীমন্তশংকৰদেৱৰ ধৰ্মৰ সিদ্ধান্তমূলক অভিৱৰ্ত্তনৰ গ্ৰন্থ

বৰপেটা সত্ৰ

Directorate of Library Services
No.......
ASSAM GUWAHATI

সম্পাদনা—

তিলক দাস

[illegible]কুমৰ দাস

অৰুণ চন্দ্ৰ কাকতি

সাধুচৰণ দাস

দয়াল কৃষ্ণ বৰা

প্ৰকাশক :

মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱৰ ধৰ্মৰ সিদ্ধান্তমূলক অভিৱৰ্ত্তনৰ আদৰণি সমিতিৰ হৈ শ্ৰীপ্ৰমোদ চন্দ্ৰ দাসৰ দ্বাৰা প্ৰকাশিত।

প্ৰথম প্ৰকাশ :

৫৪০ শঙ্কাৰাব্দ—

মূল্য--চল্লিশ টকা মাত্ৰ

প্ৰচ্ছদ পট—
অবিনাশ শৰ্মা

মুদ্ৰক :

উদয়ন মুদ্ৰণালয়

গুৱাহাটী—৭৮১০০৯

লেটপাট মুদ্ৰণ—বীনাপাণি প্ৰিণ্টিং ৱৰ্কচ

অভ্যৰ্থনা সমিতিৰ সাধাৰণ সম্পাদকৰ দুআষাৰ—

বৰ্ত্তমান অসমত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্মমতৰ নানা ব্যাখ্যা দি নানা ধৰ্ম মনৰ অৱতাৰণা কৰা দেখি সাধাৰণ মানুহৰ মনত ভাৱ হয় সঁচাকৈ মহাপুৰুষৰ ধৰ্মমত বহুতো নেকি ? নে ইয়াৰ শুদ্ধ পথ কিবা আছে ? তাক বিচাৰ কৰি কোনে দিব ? এনেবোৰ প্ৰশ্নৰ সমীচিন উত্তৰ বৰপেটা বাসীয়েও বিচাৰে ।

ইতিমধ্যে বৰপেটা সত্ৰই অসম সত্ৰ সংঘৰ অধিবেশন বৰপেটাত পতাৰ বাবে আমন্ত্ৰণ জনাবলৈ ইংৰাজী ১৯৮৭ চনৰ ৫ জানুৱাৰী তাৰিখে সত্ৰৰ এখন সাধাৰণ সভা আহ্বান কৰে । ওপৰোক্ত প্ৰশ্নটোৰে সিদ্ধান্ত বিচাৰি সাধাৰণ সভাত ... হয় যে অকল সত্ৰ সংঘকে আমন্ত্ৰণ নকৰি লগতে মহাপুৰুষৰ ধৰ্ম প্ৰচাৰকৰ ... আটাইবিলাক অনুষ্ঠান লগতে অসমৰ বিশিষ্ট ভক্ত পণ্ডিত ব্যক্তি সকলোকো ... কৰা হওঁক ।

সেই উদ্দেশ্যে সত্ৰৰ বুঢ়া সত্ৰীয়া প্ৰভুক সভাপতি আৰু সত্ৰৰ সাধাৰণ সম্পাদকক কাৰ্যকৰী সভাপতি হিচাবে লৈ উক্ত সাধাৰণ সভাতে এখন ৫১ জনীয়া ...ৰ্থনা সমিতি গঠন কৰি দিয়া হয় । এই অভ্যৰ্থনা সমিতিত আৰু কিছুমান ... ব্যক্তিক অন্তৰ্ভুক্ত কৰি ৮১ জনীয়া কমিটিলৈ বৰ্দ্ধিত কৰা হয় আৰু সত্ৰৰ সত্ৰীয়া প্ৰভুক বিশেষ উপদেষ্টা হিচাবে লোৱা হয় ।

অভ্যৰ্থনা সমিতিয়ে ১৩৯৪ চনৰ বহাগৰ ১৪ তাৰিখৰ পৰা ১৯ তাৰিখলৈ ৬ দিনীয়া অভিবৰ্ত্তন পাতিবলৈ স্থিৰ কৰি অসম সত্ৰ সংঘৰ লগতে অসমৰ চাৰি সংহতিৰ আটাই বিলাক সত্ৰ, অসম শ্ৰীমন্তশংকৰদেৱ সংঘ, একশৰণ ভাগৱতী সমাজ, অসমৰ আটাই বিলাক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নামত প্ৰতিষ্ঠিত অনুষ্ঠান আৰু অসমৰ আটাইবিলাক ভক্ত পণ্ডিতক অভিবৰ্ত্তনৰ বিষয়ে অৱগত কৰিবলৈ চিঠিৰে আগতীয়াকৈ জনোৱা হয় । পিছত তেখেত সকললৈ আলোচনাৰ বিষয় আৰু অভিবৰ্ত্তনৰ নীতি নিৰ্দেশনাৰ চপোৱা অনুলিপি আদিও পঠোৱা হয় ।

কিন্তু এই অভিবৰ্ত্তনত সত্ৰ সংঘকৈলৈ কেইখামনো সত্ৰ আৰু কেইজনো বিশিষ্ট ব্যক্তিয়ে যোগদান নকৰিলে । ইয়াৰ ভিতৰত কিছুমানে অৱশ্যে চিঠিযোগে

যোগদান কৰিব নোৱাৰাৰ কাৰণ জনাইছিল। অৱশেষত এই অভিবৰ্ত্তনত আগ-ভাগলৈ থকা বৰপেটাৰ শংকৰদেৱ সমাজেও যোগদান কৰাৰ পৰা বিৰত থাকিল।

এই অভিবৰ্ত্তনৰ প্ৰথম দিনাখন (১৩৯৪ চনৰ ১৪ বহাগ) বিশ্ববিখ্যাত পণ্ডিত শ্ৰীমহেশ্বৰ নেওগ দেৱে প্ৰথম বিষয়ৰ সঞ্চালনাৰ দায়িত্ব লয়। বিষয় আলোচনাৰ আগভাগ লয় একশৰণ ভাগৱতী সমাজৰ আচাৰ্য শ্ৰীইলাৰাম দাস দেৱে।

এই অনুষ্ঠান নিতৌ তিনিবাৰকৈ অনুষ্ঠিত হয়—ৰাতিপুৱা ৯ বজাৰ পৰা ১২ বজালৈ, দুপৰীয়া ২ বজাৰ পৰা ৪ বজালৈ আৰু আবেলী ৫ বজাৰ পৰা ৭ বজালৈ।

দ্বিতীয় বিষয়ৰ সঞ্চালনাৰ দায়িত্ব লয় শলগুৰি সত্ৰৰ সত্ৰাধিকাৰ, প্ৰাক্তন আৰক্ষী অধীক্ষক শ্ৰীপ্ৰেমকান্ত মহন্ত দেৱে।

তৃতীয় বিষয় সঞ্চালনা কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য শ্ৰীজীতেন্দ্ৰ নাথ দাস দেৱে।

চতুৰ্থ বিষয়ৰ সঞ্চালন শ্ৰীকৃষ্ণানন্দ ব্ৰহ্মচাৰীদেৱেই কৰা কথা আছিল যদিও তেখেতে বাৰ্দ্ধক্যজনিত কাৰণত অসমৰ্থ প্ৰকাশ কৰাত সমিতিৰ অনুৰোধত শ্ৰীপ্ৰেমকান্ত মহন্ত দেৱেই সঞ্চালনৰ দায়িত্ব লয়।

এই অভিবৰ্ত্তন ছয়দিন অনুষ্ঠিত হয় আৰু অভিবৰ্ত্তনৰ শেষ দিনাখন বৰপেটা সত্ৰৰ বুঢ়াসত্ৰীয়াদেৱৰ সভাপতিত্বত এখন মুকলি অধিবেশন অনুষ্ঠিত হয়। তাত হেজাৰ হেজাৰ লোকৰ উপস্থিতিত অসমৰ উপস্থিত থকা সকলো বিলাক সত্ৰ আৰু অনুষ্ঠানৰ সত্ৰাধিকাৰ, মুৰব্বী ব্যক্তি সকলে নিজ নিজ ভাষণ প্ৰদান কৰে।

সেই সভাত সকলো গোষ্ঠীৰ ভকত সকলে এটা সৰ্বসন্মত সিদ্ধান্ত উলিওৱাত জোৰ দি এই উদ্দেশ্যে সকলো দিশ খৰচি মাৰি চাবলৈ আৰু ভাব বিনিময় কৰিবলৈ এখন সমন্বয় সমিতিৰ আৱশ্যকতাৰ ভাব প্ৰকাশ কৰে।

আদৰণি সমিতিয়ে অভিবৰ্ত্তনৰ ভাষণবোৰ যথাসম্ভৱ লিপিবদ্ধ কৰি সম্পাদনাৰ বাবে এখনি উপসমিতি গঠন কৰি দিয়ে। সেই সমিতিয়ে এই পুথি সম্পাদনা কৰি উলিয়াই দিয়াত আমি তেখেত সকলক আমাৰ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

বৰ্ত্তমান গুৱাহাটী নিবাসী গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন পঞ্জীয়ক শ্ৰীযুত চিদানন্দ দাস যদিও বিশেষ কাৰণত অধিবেশনত উপস্থিত থাকিব নোৱাৰিলে তথাপি আগডোখৰত আমাক নানা কামত সহায় কৰি উৎসাহ প্ৰদান কৰাৰ বাবে আমি তেখেতৰ ওচৰত কৃতজ্ঞ।

বৰপেটা সমষ্টিৰ বিধায়ক শ্ৰীকুমাৰ দীপক দাস আৰু দুজন বৰ্তমান গুৱাহাটী নিবাসী শ্ৰীসুৰেন্দ্ৰ নাথ চৌধুৰী আৰু শ্ৰীপ্ৰমেশ তালুকদাৰে আমাক নানা কামত সহায়ৰ হাত আবঢ়োৱা বাবে তেখেত সকলৰ ওচৰতো আমি কৃতজ্ঞ।

শেষত এই অভাজনক এনে এখন বৃহৎ অভিবৰ্দ্ধনৰ আয়োজনৰ কাৰণে সম্পাদকৰ দায়িত্ব দিয়াত বৰপেটা সত্ৰৰ সমূহ ৰাইজলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে যি সকল ব্যক্তি, সংঘ, সত্ৰ, সমাজ আদিৰ মুৰব্বী লোকসকল, সত্ৰাধিকাৰ প্ৰভুসকল আহি অভিবৰ্দ্ধন সাফল্যমণ্ডিত কৰাত অৰিহণা যোগালে আৰু সদাশয় লোক সকলে দান বৰঙণিৰে আমাক সহায় কৰিলে সেই সকললৈকে এই অভাজনে কৃতজ্ঞতা জনালোঁ। ইতি—

শ্ৰীপ্ৰমোদ চন্দ্ৰ দাস
সাধাৰণ সম্পাদক

সম্পাদনা সমিতিৰ সম্পাদকৰ প্ৰতিবেদন—

১৩৯৪ চনৰ ১৪ বহাগৰ পৰা ১৯ বহাগলৈ বৰপেটা সত্ৰৰ সমূহে গঠন কৰি দিয়া "মহাপুৰুষীয়া ধৰ্মৰ সিদ্ধান্ত মূলক অভিৱৰ্ত্তনৰ আদৰণি সমিতিয়ে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্মৰ বিভিন্ন সত্ৰ, সংঘ, সমাজ আদিক আনুষ্ঠানিক ভাৱে নিমন্ত্ৰণ কৰি মহাপুৰুষীয়া ধৰ্মত নৈতিক আদৰ্শগত ধৰ্মীয় বিধি ব্যৱস্থামূলক কাৰ্যপ্ৰণালীত বিসঙ্গতি আৰু পৰস্পৰ বিৰোধী কাৰ্যপন্থা প্ৰচলিত হোৱাৰ পৰিপ্ৰেক্ষিতত কেইটামান অপৰিহাৰ্য বিষয়ত সুস্থ, বিভেদবিহীন সিদ্ধান্তত উপনীত হোৱাৰ মানসেৰে সিদ্ধান্তমূলক অভিৱৰ্ত্তন এখন আহ্বান কৰে। এই ক্ষেত্ৰত সমিতিয়ে অভিৱৰ্ত্তন খন নিয়াৰিকৈ পৰিচালনা কৰাৰ উদ্দেশ্যে "নীতি নিৰ্দেশনা" প্ৰস্তুত কৰি লৈ প্ৰত্যেক সত্ৰ, সংঘ আৰু সমাজক নিমন্ত্ৰণী পত্ৰৰ লগতে উক্ত নীতি-নিৰ্দেশনাৰ একোটা নকল গাঠি দিয়ে। এই নীতি-নিৰ্দেশনা খনে সঞ্চালক মহোদয় সকলক যথেষ্ট সকাহ দিয়াৰ লগতে অভিৱৰ্ত্তনৰ আলোচ্য নিৰ্দিষ্ট বিষয় সমূহ সু-শৃঙ্খল ভাৱে আলোচনা কৰাতো যথেষ্ট অৰিহনা যোগায়।

অভিৱৰ্ত্তনৰ সামৰণিৰ পাচত সাধাৰণ সভাত আলোচ্য বিষয় সমূহৰ ওপৰত প্ৰতিনিধি বৃন্দই আলোক পাত কৰি যি বক্তব্য দাঙি ধৰিছিল বা লিখিত ভাষণ পাঠ কৰিছিল সেইবোৰ বিষয় বস্তুৰ ক্ৰমানুসাৰে একত্ৰিত কৰি গ্ৰন্থ ৰূপত প্ৰকাশ কৰিবলৈ এখন "সম্পাদনা সমিতি" গঠন কৰি দিয়ে। এই সম্পাদনা সমিতিত শ্ৰীতিলক চন্দ্ৰ দাস দেৱক সভাপতি, এই অভাজনক সম্পাদক আৰু শ্ৰদ্ধেয় শ্ৰীহৰেকৃষ্ণ দাস, শ্ৰীদয়াল কৃষ্ণ বৰা আৰু শ্ৰীসাধুচৰণ দাসক সদস্য নিৰ্বাচন কৰি দিয়ে। আন্তৰিক ইচ্ছা থকা স্বত্তেও চৰকাৰী কামৰ এৰাব নোৱাৰা প্ৰবল হেঁচাৰ বাবে বৰপেটা চহৰৰ বাহিৰত থাকিব লগা হোৱাত শ্ৰীসাধুচৰণ দাসে আমাৰ লগত সহায় সহযোগ কৰিব নোৱাৰি বৰ দুঃখিত অনুভৱ কৰিছে।

প্ৰাথমিক পৰ্যায়ত দেখা দিয়া কেইটামান জটিল পৰিস্থিতিৰ বাবেই গ্ৰন্থখন সময় মতে প্ৰকাশ কৰি উলিয়াব পৰা নগ'ল। কেছেট কেইটা সময় মতে নোপোৱাত আৰু পোৱাৰ পিচতো তাক ক্ৰমাগত ভাৱে সজাই লোৱাত কিছু সময় লাগে। এই ক্ষেত্ৰত অভ্যৰ্থনা সমিতিৰ সম্পাদক শ্ৰীপ্ৰমোদ দাস, বিত্ত বিভাগৰ সভাপতি শ্ৰীবিলাস ভড়ালী আৰু সম্পাদক শ্ৰীহৰিনাথ দাসে আমাক বিশেষ ভাৱে সহায় কৰে, তাৰ বাবে তেওঁলোকৰ ওচৰত আমি নথৈ কৃতজ্ঞ। কেছেটবোৰ সম্পূৰ্ণ সজাই

লৈ আমি অসমীয়া ষ্টেনোত প্ৰশিক্ষণ প্ৰাপ্ত কেইজনমান অসমীয়া ল'ৰা ছোৱালীক নিৰ্দিষ্ট মাননীৰ বিনিময়ত কেছেটৰ পৰা লিখি উলিয়াই দিয়া দায়িত্ব দিছিলো। কিন্তু তেওঁলোকে কেইদিনমান ৰাখি নোৱাৰো বুলি ওভতাই দিয়ে। কোনো ৰকমৰ বিকল্প নেদেখি আমিয়ে কৰিব লগা হোৱাত এই বিষয়ত যথেষ্ট সময় লগে। এই বিষয়ত শ্ৰীযুত দয়াল কৃষ্ণ বৰাই যথেষ্ট কষ্ট স্বীকাৰ কৰি লিখি উলিয়াই। সেইবোৰ আকৌ প্ৰেছত দিয়াৰ বাবে দুটাকৈ কপি লিখি উলিয়াব লগা হোৱাত সময় লগাতো স্বাভাৱিক, ইয়াৰোপৰি "মহাপুৰুষীয়া ধৰ্মানুষ্ঠান সমন্বয় সমিতিয়ে" পাণ্ডুলিপিখিনি চাই দিয়াৰ কথা আছিল। কিন্তু তিনিবাৰ থুল নোহোৱাৰ অসুবিধাত তেওঁলোকে ৰাখিবলৈ অমান্তি হয়। শেষত উপায়ন্ত হৈ সমন্বয় সমিতিৰ অন্যতম সদস্য শ্ৰীপ্ৰেমকান্ত মহন্ত দেৱক চাই দিবলৈ কোৱা হয়। মহন্ত দেৱে এমাহ ৰাখি ওভতাই দিয়ে। ইয়াতেই প্ৰায় সাত মাহ সময় লয়। ছপাৰ ক্ষেত্ৰত পলম হোৱাৰ বাবে বহুতে কৰা অভিযোগ খণ্ডন কৰাৰ কাৰণে আমি আমাৰ অসুবিধাৰ বিষয়ে জনোৱাত তেওঁলোকে আমাৰ প্ৰতি সহানুভূতি শীল অনুপ্ৰেৰণা যোগাইছিল।

সম্পাদনা সমিতিয়ে প্ৰতিনিধি বৰ্গৰ ভাষণ বা লিখনীৰ ওপৰত কোনো ৰকমৰ হাত বুলনী লগোৱা নাই। য'ত দ্বিৰুক্তি বা বানানৰ ইফাল সিফাল হৈছে তেনে স্থলত শুধৰাই ঠিক কৰি লোৱা হৈছে। কিছুমান ক্ষেত্ৰত মূল শ্লোক, ঘোষা বা পদৰ অৰ্থৰ তাৰতম্য দেখিলেও সেইবোৰ তেনেদৰেই ৰাখি বক্তাৰ অনুবাদ বা বাখ্যা সমূহ প্ৰকাশ কৰা হৈছে। অশেষ যত্ন কৰা স্বত্বেও ছপাশালৰ ভূতৰ পৰা ৰক্ষা নাপালো। পিচৰ সংস্কৰণত ইয়াক শুদ্ধ কৰিবলৈ যত্ন কৰিম।

অসুস্থতা বশতঃ সভাপতিদেৱ কোনো কোনো বৈঠকত অনুপস্থিত থাকিলেও শ্ৰদ্ধেয় সদস্য বি, টি, মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত হৰেকৃষ্ণ দাস মহাশয়ে কেন্দ্ৰীয় শক্তিৰূপে থাকি সম্পাদনাত বিশেষ ভাৱে অৰিহনা যোগাইছিল। এই গ্ৰন্থ অন্যতম সদস্য শ্ৰীদয়াল কৃষ্ণ বৰাৰ আন্তৰিক প্ৰচেষ্টা আৰু কষ্ট সহিষ্ণুতাৰ মূৰ্ত্তপ্ৰতীক। সভাপতিদেৱৰ বহুতো মূল্যবান সৎ আৰু কাৰ্যকৰী উপদেশে গ্ৰন্থৰ সৌষ্ঠৱ বঢ়াইছে। ইয়াৰোপৰি স্থানীয় কেইজনমান সুধী ব্যক্তিয়ে সহায় সহযোগিতা আৰু উৎসাহ-উদ্দীপনা আগ বঢ়োৱা বাবে মই আটাইবে ওচৰত আন্তৰিক কৃতজ্ঞতা প্ৰকাশ কৰি মোৰ চমু প্ৰতিবেদন সামৰণী মাৰিলো। ইতি—

শ্ৰীঅৰুণ চন্দ্ৰ কাকতি
বৰপেটা।

পৰিশিষ্ট

[আদৰণি সমিতিয়ে অভিবৰ্তন উপলক্ষে প্ৰকাশ কৰা গোহাৰী, চিঠি, নীতি নিৰ্দেশনা আৰু কাৰ্যসূচী তলত ছপা কৰা হ'ল।]

॥ জয় জগতগুৰু শ্ৰীমন্ত শঙ্কৰ ॥

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্মৰ সিদ্ধান্তমূলক অভিৱৰ্ত্তন— বৰপেটা সত্ৰ।

জগতগুৰু শ্ৰীমন্ত শঙ্কৰদেৱ প্ৰৱৰ্ত্তিত সত্য শুদ্ধ সনাতন মহাপুৰুষীয়া ধৰ্ম তেৰাৰ পৰৱৰ্ত্তী কালৰ পৰা পৰিৱৰ্ত্তিত ভাবাদৰ্শৰ সৃষ্টি হৈ আমাৰ সমাজত অনৈক্যৰ সূত্ৰপাত হোৱা পৰিলক্ষিত হৈছে। তাৰ পৰিণতি স্বৰূপে একেই মহাপুৰুষীয়া ধৰ্মত বিভিন্ন মতাৱলম্বী সমাজ, সংগঠন আদিৰ সৃষ্টি হৈ জগত গুৰুৰ শুদ্ধ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰত বাধা, লগতে অসমীয়া জাতিৰ বৃহত্তৰ স্বাৰ্থত আঘাত পৰা দেখা গৈছে। এই পৰিপ্ৰেক্ষিতত গুৰুজনাৰ ধৰ্মাদৰ্শত ঐক্য স্থাপনৰ জৰিয়তে আমাৰ সমাজৰ সংহতি সাধন কৰি সকলোকে এক শুদ্ধ মতত জীৱন অতিবাহিত কৰিবলৈ সক্ষম কৰাৰ উপৰিও তেৰাৰ পবিত্ৰ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰত যথাযথ অৰিহণা যোগোৱাৰ উদ্দেশ্য আগত ৰাখি দুজনা গুৰুৰ স্মৃতিৰে বিধৌত আৰু বিমণ্ডিত বৰপেটা সত্ৰৰ সৌজন্যত-- অহা ব'হাগ মাহৰ ১৪ৰ পৰা ১৯ তাৰিখলৈ ১৯০৯ শক (ইং ২৮, ২৯, ৩০ এপ্ৰিল ১, ২, ৩, মে)ত এখনি সিদ্ধান্ত মূলক অভিৱৰ্ত্তন পাতিবলৈ আয়োজন কৰা হৈছে। গুৰুজনাৰ অনাবিল সনাতন ধৰ্মৰ লগতে অসমীয়া জাতিৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত উক্ত অভিৱৰ্ত্তন অত্যন্ত জৰুৰী হৈ পৰিছে। এই প্ৰসঙ্গত সংশ্লিষ্ট ধৰ্মানুষ্ঠানৰ, সত্ৰ সমূহৰ প্ৰতিনিধি বৰ্গ আৰু বৰেণ্য পণ্ডিত মণ্ডলীক আমন্ত্ৰণ কৰি তেখেত সকলৰ মূল্যৱান মন্তব্য আৰু ভাববিনিময়ৰ মন্থনত সুনিশ্চিত পথ উদ্‌ঘাটিত হব বুলি আশা কৰা হৈছে। সেয়েহে এই অভিৱৰ্ত্তন সাফল্যমণ্ডিত কৰি তুলিবলৈ সকলোৰে সৰ্বতো প্ৰকাৰে সহায় সহযোগ কামনা কৰা হ'ল। উদ্দেশ্যৰ মহত্ব আৰু গুৰুত্ব বুজি ভক্তপ্ৰাণ ৰাইজে আমাক গঠনমূলক দিহা পৰামৰ্শ আগবঢ়াই ৰাইজৰ এই ফেৰা সেৱাত ব্ৰতী হবলৈ সুযোগ দিয়াৰ কামনা কৰিলো। আপোনালোকৰ প্ৰয়োজনীয় উপদেশ বাজি তলৰ ঠিকনাত যোগাযোগ কৰিলে পৰম কৃতাৰ্থ হ'ম।

সেৱাৰে—

সভাপতি শ্ৰীচন্দ্ৰকান্ত মিশ্ৰ, বুঢ়া সত্ৰীয়া, বৰপেটা সত্ৰ।

কাৰ্যকৰী সভাপতি—শ্ৰীসদানন্দ দাস, সম্পাদক, বৰপেটা সত্ৰ পৰিচালনা সমিতি।

উপ সভাপতিদ্বয় শ্ৰীতিলক দাস, সাহিত্যিক পেঞ্চনাৰ।

শ্ৰীৰাধাকান্ত তালুকদাৰ, বিদ্যালয় সমূহৰ প্ৰাক্তন উপ পৰিদৰ্শক।

সাধাৰণ সম্পাদক -শ্ৰীপ্ৰমোদ চন্দ্ৰ দাস।

সহকাৰী সম্পাদক—শ্ৰীভূমিধৰ দাস, অধ্যাপক বি, টি, কলেজ বৰপেটা।

কোষাধ্যক্ষ—ডাঃ কামেশ্বৰ দাস।

—প্ৰচাৰ আৰু যোগাযোগ—

সভাপতি -শ্ৰীহৰেকৃষ্ণ দাস, অধ্যক্ষ বি, টি, কলেজ, বৰপেটা

যুটীয়া সম্পাদক—শ্ৰীদয়ালকৃষ্ণ বৰা

শ্ৰীসাধুচৰণ দাস।

—বিত্ত—

সভাতি—শ্ৰীবিলাস চন্দ্ৰ ভৰালী।

যুটীয়া সম্পাদক—শ্ৰীহৰিনাথ দাস।

ডাঃ গুৰুচৰণ দাস।

—ব্যৱস্থাপনা—

সভাপতি—শ্ৰীপ্ৰসন্ন কুমাৰ চৌধুৰী।

যুটীয়া সম্পাদক—শ্ৰীমন্দিৰ দাস।

শ্ৰীহৰেকৃষ্ণ দাস।

—খাদ্য আৰু যোগান—

সভাপতি—শ্ৰীবিশ্ববন্ধু দাস।

যুটীয়া সম্পাদক—শ্ৰীচক্ৰপাণি দাস।

শ্ৰীউপেন দাস (জনতা)

কাৰ্যালয় সম্পাদক—শ্ৰীবাণীকান্ত দাস।

—: সদস্য সকল :—

শ্ৰীঅৰুণ চন্দ্ৰ কাকতি
শ্ৰীচন্দ্ৰ কান্ত দাস
শ্ৰীসত্যনাথ পাটোৱাৰী
শ্ৰীধনঞ্জয় ভৰালী
শ্ৰীভূপেন ওজা
শ্ৰীসুধন দাস
শ্ৰীভাৰত দাস
শ্ৰীনাৰায়ণ গায়ন
শ্ৰীধীৰেন দাস
শ্ৰীঘনশ্যাম দাস
শ্ৰীদয়াল চন্দ্ৰ পাঠক
শ্ৰীশশীমোহন দাস
শ্ৰীহৰিদেৱ দাস
শ্ৰীশ্ৰীহৰি তালুকদাৰ
শ্ৰীমহাদেৱ বায়ন
শ্ৰীধৰ্মকান্ত দাস
শ্ৰীকিৰণ চন্দ্ৰ খাটনীয়াৰ
শ্ৰীকনক দাস
শ্ৰীচিদানন্দ বায়ন
শ্ৰীদেৱেন্দ্ৰ পাঠক
শ্ৰীবাজিন নাথ
শ্ৰীকমলেশ্বৰ দাস
শ্ৰীঅশ্বিনী কুমাৰ দাস
শ্ৰীহৰিৰাম বায়ন
শ্ৰীমুনিন্দ্ৰ দাস
শ্ৰীশঙ্কৰ চৰণ দাস
শ্ৰীযোগেন্দ্ৰ নাথ
শ্ৰীতাৰা নাথ দাস
শ্ৰীৰমেশ দাস
শ্ৰীবনমালী পাঠক

শ্ৰীতপোধন বায়ন
শ্ৰীৰাধানাথ বায়ন
শ্ৰীঅচ্যুত দাস
শ্ৰীধনঞ্জয় দাস
শ্ৰীভবহাৰী বায়ন
শ্ৰীপ্ৰভাত ওজা
শ্ৰীবশিষ্ঠ শৰ্মা
শ্ৰীহৰিনাথ দাস
শ্ৰীবীৰেন্দ্ৰ নাথ সূত্ৰধৰ
শ্ৰীকুমুদ চন্দ্ৰ দাস
শ্ৰীৰামকৃষ্ণ দাস
শ্ৰীহৰেন্দ্ৰ নাথ দাস (১)
শ্ৰীদ্বাৰিকা নাথ দাস
শ্ৰীৰমনীমোহন গায়ন
শ্ৰীউপেন্দ্ৰ নাথ দাস
শ্ৰীঅমৃতলাল পাঠক
শ্ৰীহৰেন্দ্ৰ নাথ দাস (২)
শ্ৰীতৰণী কান্ত দাস
শ্ৰীজগন্নাথ বায়ন
শ্ৰীলৰকান্ত দাস
শ্ৰীথানুৰাম আতৈ বুঢ়াভকত
শ্ৰীপ্ৰদীপ তালুকদাৰ
শ্ৰীহৰ্ষ দাস (অধিবক্তা)
শ্ৰীত্ৰৈলোক্য দাস
শ্ৰীসতীশ চন্দ্ৰ দাস
শ্ৰীবিদুৰ চন্দ্ৰ দাস
শ্ৰীশ্ৰীমুকুন্দ দাস
শ্ৰীকাৰ্ত্তিক চন্দ্ৰ কাকতি
শ্ৰীহৰেন্দ্ৰ নাথ দাস
শ্ৰীগিৰিধাৰী দাস

—::—

জয় জগত গুৰু শ্ৰীমন্ত শঙ্কৰ !

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্মৰ সিদ্ধান্তমূলক অভিবৰ্ত্তন

আদৰণি সমিতি

বৰপেটা সত্ৰ।

সভাপতি—শ্ৰীচন্দ্ৰকান্ত মিশ্ৰ,

বুঢ়া সত্ৰীয়া, বৰপেটা সত্ৰ।

কাৰ্যকৰী সভাপতি—

শ্ৰীসদানন্দ দাস, সম্পাদক,

বৰপেটা সত্ৰ পৰিচালনা সমিতি।

উপসভাপতিদ্বয়

শ্ৰীতিলক দাস

সাহিত্যিক পেঞ্চনাৰ

শ্ৰীৰাধাকান্ত তালুকদাৰ,

বিদ্যালয় সমূহৰ প্ৰাক্তন উপপৰিদৰ্শক।

সাধাৰণ সম্পাদক—

শ্ৰীপ্ৰমোদ চন্দ্ৰ দাস

সহকাৰী সম্পাদক—

শ্ৰীভূমিধৰ দাস,

অধ্যাপক, বি, টি, কলেজ, বৰপেটা।

কোষাধ্যক্ষ— ডাঃ কামেশ্বৰ দাস।

প্ৰচাৰ আৰু যোগাযোগ সমিতি

সভাপতি—শ্ৰীহৰেকৃষ্ণ দাস,

অধ্যক্ষ বি, টি, কলেজ, বৰপেটা।

যুটীয়া সম্পাদক—

শ্ৰীদয়াল কৃষ্ণ বৰা।

শ্ৰীসাধু চৰণ দাস।

বিত্ত সমিতি

সভাপতি—

শ্ৰীবিলাস চন্দ্ৰ ভৰালী।

দিনাঙ্ক—

প্ৰতি—

প্ৰসঙ্গ—

শ্ৰদ্ধাভাজনেষু—

জগতগুৰু শ্ৰীমন্ত শঙ্কৰদেৱ প্ৰবৰ্ত্তিত শুদ্ধ সনাতন একশৰণ নাম-ধৰ্মত তেৰাৰ পৰৱৰ্ত্তী কালত উদ্ভৱ হোৱা অনৈক্যৰ পৰি-প্ৰেক্ষিতত গুৰুজনাৰ ধৰ্ম আদৰ্শত ঐক্য সংহতি স্থাপন কৰাৰ উদ্দেশ্যে দুজনাগুৰুৰ লিখনিৰ ওপৰত ভিত্তি কৰি এক সুস্থ সিদ্ধান্তত উপনীত হব পৰা আশাৰে অহা বহাগ মাহৰ ১৪ তাৰিখৰ পৰা ১৯ তাৰিখ-লৈকে (ইং ২৮ এপ্ৰিলৰ পৰা ৩ মে' '৮৭ লৈ) বৰপেটা সত্ৰত এখন সিদ্ধান্তমূলক অভি-বৰ্ত্তন অনুষ্ঠিত কৰিবলৈ স্থিৰ কৰা হৈছে।

আপোনাক/আপোনাৰ অনুষ্ঠানক উক্ত অভিবৰ্ত্তনত যোগদান কৰি এই পবিত্ৰ কাৰ্যত সহায় সহযোগ কৰিবলৈ শ্ৰদ্ধাৰে নিমন্ত্ৰণ জনোৱা হ'ল। অনুগ্ৰহ কৰি আপুনি/আপোনাৰ অনুষ্ঠানৰ ··· ··· জন প্ৰতিনিধিয়ে যোগদান কৰি আমাক কৃতাৰ্থ কৰে যেন। অনুষ্ঠানৰ পৰা নিৰ্বাচিত প্ৰতিনিধিয়ে লগত অনুষ্ঠানটোৰ প্ৰতি-

যুটীয়া সম্পাদক—

শ্ৰীহৰিনাথ দাস।

ডাঃ গুৰু চৰণ দাস।

ব্যৱস্থাপনা সমিতি

সভাপতি—

শ্ৰীপ্ৰসন্ন কুমাৰ চৌধুৰী।

যুটীয়া সম্পাদক—

শ্ৰীমন্দিৰ দাস।

শ্ৰীহৰেকৃষ্ণ দাস।

খাদ্য আৰু যোগান সমিতি

সভাপতি—

শ্ৰীবিশ্ববন্ধু দাস।

যুটীয়া সম্পাদক—

শ্ৰীচক্ৰপাণি দাস।

শ্ৰীউপেন দাস।

কাৰ্যালয় সম্পাদক—

শ্ৰীবাণী কান্ত দাস।

নিধিত্বৰ প্ৰমাণ পত্ৰ লৈ আহিবলৈ অনুৰোধ জনালোঁ। ইতি—

সেৱাৰে—

শ্ৰীপ্ৰমোদ চন্দ্ৰ দাস

সম্পাদক, আদৰণি সমিতি

বিঃ দ্ৰঃ—উক্ত বিষয়ক গোহাৰি পত্ৰও জ্ঞাতাৰ্থে পঠোৱা হ'ল। চিঠিৰ প্ৰাপ্তি আৰু যোগদানৰ সন্মতি অন্ততঃ অভিবৰ্ত্তনৰ ১৫ দিনৰ আগতে পোৱাকৈ জনাই আমাক কৃতাৰ্থ কৰিব।

যোগাযোগৰ ঠিকনা

শ্ৰীপ্ৰমোদ চন্দ্ৰ দাস

সম্পাদক, আদৰণি সমিতি

কাৰ্যালয়—বৰপেটা সত্ৰ।

ডাকঘৰ—বৰপেটা-৭৮১৩০১

জয় জগত গুৰু শ্ৰীমন্ত শঙ্কৰ ।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্মৰ সিদ্ধান্তমূলক অভিৱৰ্ত্তন

আদৰণি সমিতি

বৰপেটা সত্ৰ ।

দিনাঙ্ক—

প্ৰতি

পৰম শ্ৰদ্ধাভাজনেষু—

জগতগুৰু শ্ৰীমন্ত শঙ্কৰদেৱ প্ৰৱৰ্ত্তিত শুদ্ধ সনাতন একশৰণ নামধৰ্মত তেওঁৰ পৰৱৰ্ত্তী কালত উদ্ভৱ হোৱা অনৈক্যৰ পৰিপ্ৰেক্ষিতত গুৰুজনাৰ ধৰ্ম আদৰ্শত ঐক্য সংহতি স্থাপন কৰাৰ উদ্দেশ্যে দুজনা গুৰুৰ লিখনিৰ ওপৰত ভিত্তি কৰি এক শুদ্ধ সিদ্ধান্তত উপনীত হব পৰা আশাৰে অহা বহাগ মাহৰ ১৪ তাৰিখৰ পৰা ১৯ তাৰিখলৈকে (ইং ২৮ এপ্ৰিলৰ পৰা ৩ মে' '৮৭ লৈ) বৰপেটা সত্ৰত এখন সিদ্ধান্ত মূলক অভিৱৰ্ত্তন অনুষ্ঠিত কৰিবলৈ আয়োজন কৰা হৈছে ।

আপোনাক / আপোনাৰ অনুষ্ঠানক উক্ত অভিৱৰ্ত্তনত যোগদান কৰি এই পৱিত্ৰ কাৰ্যত সহায় সহযোগ কৰিবলৈ শ্ৰদ্ধাৰে নিমন্ত্ৰণ জনোৱা হ'ল। অনুগ্ৰহ কৰি আপুনি/আপোনাৰ অনুষ্ঠানৰ ··· ··· জন প্ৰতিনিধিয়ে যোগদান কৰি আমাক কৃতাৰ্থ কৰে যেন ।

আলোচ্য বিষয় সমূহ—

(১) মহাপুৰুষীয়া ধৰ্ম আদৰ্শমতে একশৰণ তত্ত্ব বিচাৰ ।

(২) ভক্তিমাৰ্গ আৰু ইয়াৰ লগত জড়িত নিত্য নৈমিত্তিক কৰ্ম্ম ।

(৩) মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ-মাধৱদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ পৰৱৰ্ত্তী কালত এই ধৰ্মত সৃষ্টি হোৱা বিভিন্ন মতাদৰ্শৰ কাৰণ বিচাৰ আৰু প্ৰতিকাৰ ।

(৪) মহাপুৰুষ গুৰু দুজনাৰ আদৰ্শ আগত ৰাখি বিশাল অসম গঢ়াৰ প্ৰতিশ্ৰুতিৰে তথা মানৱ সমাজৰ কল্যাণ কামনাৰে এই ধৰ্মৰ সংগঠন, বহুল প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে কাৰ্যকৰী আঁচনি গ্ৰহণ। ইতি—

যোগাযোগৰ ঠিকনা—

শ্ৰীপ্ৰমোদ চন্দ্ৰ দাস
সম্পাদক, আদৰণি সমিতি।
কাৰ্যালয়—বৰপেটা সত্ৰ।
ডাকঘৰ—বৰপেটা-৭৮১৩০১

সেৱাৰে—

শ্ৰীপ্ৰমোদ চন্দ্ৰ দাস
সম্পাদক, আদৰণি সমিতি।

বিঃ দ্ৰঃ · (১) প্ৰতিনিধি সকলে লগত বিচনা পত্ৰ লৈ আহে যেন।

(২) এই অভিৰণ্ডন সাফল্য মণ্ডিত কৰাৰ বাবে আপোনালোকে আগবঢ়োৱা বৰঙণি শ্ৰদ্ধা সহকাৰে গ্ৰহণ কৰা হব।

জয় জগত গুৰু শ্ৰীমন্ত শংকৰ

মহাপুৰুষ শ্ৰীমন্তশঙ্কৰদেৱৰ ধৰ্মৰ সিদ্ধান্ত মূলক অভিবৰ্ত্তনৰ

—কাৰ্য-সুচী—

১৩ বহাগ (২৭-৪-৮৭ ইং) তাৰিখ সোমবাৰ—ৰাতিপুৱা ৯-৩০ বজাত ধৰ্মধ্বজা উত্তোলন—উত্তোলন কৰিব, শ্ৰীচন্দ্ৰকান্ত মিশ্ৰ, বুঢ়া সত্ৰীয়া, বৰপেটা সত্ৰ, সভাপতি, আদৰণি সমিতি।

আবেলি ৪ বজাত প্ৰতিনিধি শিবিৰ মুকলি—মুকলি কৰিব, শ্ৰীইষ্টদেৱ নবিশ, ডেকা সত্ৰীয়া, বৰপেটা সত্ৰ।

১৪ বহাগ (২৮-৪-৮৭ ইং) তাৰিখ মঙ্গলবাৰ—ৰাতিপুৱা ৯ বজাৰ পৰা ১২ বজালৈ আৰু আবেলি ২ বজাৰ পৰা ৭ বজালৈ প্ৰতিনিধি সভা—

আলোচ্য বিষয়—“মহাপুৰুষীয়া ধৰ্ম আদৰ্শমতে একশৰণতত্ব বিচাৰ”।

সঞ্চালক—ডঃ মহেশ্বৰ নেওগ।

১৫ বহাগ (২৯-৪-৮৭ ইং) তাৰিখ বুধবাৰ—ৰাতিপুৱা ৯ বজাৰ পৰা ১২ বজালৈ আৰু আবেলি ২ বজাৰ পৰা ৭ বজালৈ প্ৰতিনিধি সভা—

আলোচ্য বিষয়—“ভক্তিমাৰ্গ আৰু ইয়াৰ লগত জড়িত নিত্য-নৈমিত্তিক কৰ্ম।” সঞ্চালক—শ্ৰীপ্ৰেমকান্ত মহন্ত।

১৬ বহাগ (৩০-৪-৮৭ ইং) ৰাতিপুৱা ৯ বজাৰ পৰা ১২ বজালৈ আৰু আবেলি ২ বজাৰ পৰা ৭ বজালৈ প্ৰতিনিধি সভা—

আলোচ্য বিষয়—‘মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ-মাধৱদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ পৰৱৰ্ত্তীকালত এই ধৰ্মত সৃষ্টি হোৱা বিভিন্ন মতাদৰ্শৰ কাৰণ বিচাৰ আৰু প্ৰতিকাৰ”। সঞ্চালক—শ্ৰীজীতেন্দ্ৰ নাথ দাস।

১৭ বহাগ (১-৫-৮৭ ইং) তাৰিখ শুক্ৰবাৰ—ৰাতিপুৱা ৯ বজাৰ পৰা ১২ বজালৈ আৰু আবেলি ২ বজাৰ পৰা ৭ বজালৈ প্ৰতিনিধি সভা—

আলোচ্য বিষয়—‘মহাপুৰুষ গুৰু দুজনাৰ আদৰ্শ আগত ৰাখি বিশাল অসম গঢ়াৰ প্ৰতিশ্ৰুতিৰে তথা মানৱ সমাজৰ কল্যাণ কামনাৰে এই

ধৰ্মৰ সংগঠন, বহুল প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে কাৰ্যকৰী আঁচনি গ্ৰহণ।" সঞ্চালক—শ্ৰীমৎ স্বামী কৃষ্ণানন্দ ব্ৰহ্মচাৰী।

১৮ বহাগ (২-৫-৮৭ ইং) তাৰিখ শনিবাৰ—ৰাতিপুৱা ৯ বজাৰ পৰা ১২ বজালৈ আৰু আবেলি ২ বজাৰ পৰা ৭ বজালৈ প্ৰতিনিধি সভা— আধকৰা বিষয় আলোচনা।

১৯ বহাগ (৩-৫-৮৭ ইং) তাৰিখ ৰবিবাৰ—আবেলি ২ বজাত ৰাজহুৱা সভা।

সেৱাৰে—

শ্ৰীপ্ৰমোদ চন্দ্ৰ দাস

সাধাৰণ সম্পাদক

আদৰণি সমিতি

: জয় জগতগুৰু শ্ৰীমন্ত শংকৰ :

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্মৰ সিদ্ধান্তমূলক অভিবৰ্ত্তন।

বৰপেটা সত্ৰ।

নীতি নিৰ্দেশনা

১। আদৰণি সমিতিয়ে আমন্ত্ৰণ কৰা সত্ৰ, সঙ্ঘ, অনুষ্ঠান, প্ৰতিষ্ঠান আৰু ব্যক্তি-সকলেহে সিদ্ধান্তমূলক আলোচনাত অংশ গ্ৰহণ কৰিব পাৰিব।

২। প্ৰতিনিধি সকল অভিবৰ্ত্তনলৈ আহোঁতে নিজ নিজ অনুষ্ঠানৰ স্বীকৃতি পত্ৰ লৈ আহিব। এই স্বীকৃতি পত্ৰ অনুষ্ঠানৰ সম্পাদক বা সভাপতিৰ পৰা আনুষ্ঠানিক চীল, মোহৰৰ সৈতে লৈ আহিব।

৩। বিভিন্ন সত্ৰৰ প্ৰতিনিধি সকলে নিজ নিজ সত্ৰৰ সত্ৰাধিকাৰৰ পৰা স্বীকৃতি পত্ৰ লৈ আহিব। বাকী নিমন্ত্ৰিত অভ্যাগত সকলৰ প্ৰমাণ পত্ৰ আদৰণি সমিতিয়ে দিব।

৪। অনুষ্ঠান সমূহে অংশ গ্ৰহণ কৰিবলৈ আহোঁতে নিজ অনুষ্ঠানৰ একোজন দলপতি নিৰ্বাচন কৰি লৈ আহিব।

৫। আলোচনাত প্ৰতিটো অনুষ্ঠানে এটা বিষয়ত কুৰি মিনিটকৈ আলোচনা কৰিবলৈ সময় পাব।

৬। আলোচনাৰ দ্বিতীয় পৰ্য্যায়ত উক্ত অনুষ্ঠান সমূহে নিজৰ নিজৰ মত দাঙি ধৰিবলৈ পোন্ধৰ মিনিটকৈ সময় পাব।

৭। আলোচনাৰ বিষয় বস্তু প্ৰবন্ধ আকাৰেও নিৰ্দিষ্ট সময়ৰ ভিতৰত পাঠ কৰিব পাৰিব।

৮। যোৱা ৪-১-৮৭ ইং তাৰিখৰ মঠৰ চোতালত অনুষ্ঠিত হোৱা সমূহ ভকতৰ বৈঠকৰ সিদ্ধান্ত মৰ্মে অভিবৰ্ত্তনৰ আলোচনাত দুজনা গুৰুৰ (শংকৰদেৱ-মাধৱ-দেৱ) লিখনি সমূহ আলোচনাৰ ভিত্তি হব। এই ক্ষেত্ৰত গুৰুদুজনাৰ লিখনিৰ প্ৰসঙ্গত গীতা, ভাগৱত, বেদ আৰু আন আন বৈষ্ণৱ শাস্ত্ৰ সমূহকো আলো-চনাত অন্তৰ্ভুক্ত কৰিব পাৰিব কিন্তু চূড়ান্ত সিদ্ধান্ত গ্ৰহণত দুজনা গুৰুৰ লিখনিহে গ্ৰহণ যোগ্য হব।

৯। কোনো প্ৰতিনিধিয়ে তেওঁৰ ভাষণ প্ৰসঙ্গত কোনো অনুষ্ঠান, প্ৰতিষ্ঠান নাইবা ব্যক্তিক আক্ৰমণাত্মক শব্দ বা বাক্য প্ৰয়োগ কৰিব নোৱাৰিব।

১০। অভিবৰ্ত্তনত অংশ গ্ৰহণ কৰা প্ৰতিনিধিসকলে অভিবৰ্ত্তনৰ আটাইকেইদিনত উপস্থিত থকাতো বাঞ্ছনীয়।

১১। প্ৰতিনিধি সকলে অভিবৰ্ত্তনত পাঠ কৰা প্ৰবন্ধ সমূহ অভিবৰ্ত্তনৰ আগতে বা পিচত নিজা ৰবীয়াকৈ ছপা কৰি বা আন প্ৰকাৰে প্ৰচাৰ কৰিব নোৱাৰিব।

১২। কোনো বিষয়ৰ ওপৰত সিদ্ধান্ত লোৱাৰ সন্দৰ্ভত অভিবৰ্ত্তনৰ সঞ্চালকে কোনো ব্যক্তি বিশেষক প্ৰয়োজন সাপেক্ষে তৃতীয় বাৰৰ বাবে তেওঁৰ ভাষণ দাঙি ধৰিবলৈ পাঁচ মিনিট সময় দিব পাৰিব।

১৩। কোনো প্ৰতিনিধিয়ে এই নীতি নিৰ্দেশনাৰ বিপৰীতে ধৰ্মীয় আলোচনা আৰম্ভ কৰিলে সেই প্ৰতিনিধিজনৰ ভাষণ দিয়াটো বাতিল কৰিবলৈ সঞ্চালকৰ কৰ্তৃত্ব থাকিব।

১৪। সঞ্চালকে আন আন প্ৰতিনিধিৰ দৰে নিজৰ ভাষণ আগবঢ়াব পাৰিব কিন্তু কোনো সিদ্ধান্ত দিব নোৱাৰিব।

১৫। প্ৰতিনিধিবৰ্গ অভিবৰ্ত্তনত উপস্থিত হোৱাৰ পাচত অভিবৰ্ত্তনৰ মূল লক্ষ্য সাফল্য মণ্ডিত কৰাৰ বাবে যদি কিবা নতুন নীতি-নিৰ্দেশনা সংযোজনা কৰিব বিচাৰে আৱশ্যক বোধে আদৰণি সমিতিয়ে বিবেচনা ক্ৰমে এই সংযোজনা কৰিব পাৰিব।

শ্ৰীচন্দ্ৰ কান্ত মিশ্ৰ, বুঢ়া সত্ৰীয়া, বৰপেটা সত্ৰ
সভাপতি, আদৰণি সমিতি,
বৰপেটা সত্ৰ।

শ্ৰীপ্ৰমোদ চন্দ্ৰ দাস
সাধাৰণ সম্পাদক, আদৰণি সমিতি,
বৰপেটা সত্ৰ।

বুঢা সত্ৰীয়া

শ্ৰীচন্দ্ৰ কান্ত মিশ্ৰ

ডেকা সত্ৰীয়া

শ্ৰীইষ্টদেব নবিশ





অভিবৰ্ত্তনত ভাগ লোৱা প্ৰতিনিধি সকলৰ একাংশ

আদৰণি সমিতি

বাওঁফালৰ পৰা মাটিত বহি থকা— সৰ্বশ্ৰী ৰাজেন নাথ, শংকৰ দাস, হৰিনাথ দাস, অচ্যুত দাস, সদানন্দ দাস, বশিষ্ঠ শৰ্মা, প্ৰমোদ দাস, উপেন দাস (জনতা), ৰামকৃষ্ণ দাস, হৰেকৃষ্ণ দাস, মহাদেৱ দাস। বহি থকা মাজৰ বাওঁফালৰ পৰা—সৰ্বশ্ৰী হৰেণ দাস, ঘনশ্যাম দাস, চিদানন্দ দাস, ঠানুৰাম বুঢ়াভকত আতৈ, সত্ৰাধিকাৰ চন্দ্ৰকান্ত মিশ্ৰ, ডেকা সত্ৰাধিকাৰ ইষ্টদেৱ নবিশ, হৰেকৃষ্ণ দাস, তিলক দাস, বিশ্ববন্ধু দাস, ভৱাহৰি বায়ন, বনমালী পাঠক, উপেন দাস। থিয় হৈ থকা বাওঁফালৰ পৰা— সৰ্বশ্ৰী হৰিনাথ দাস, দয়ালকৃষ্ণ বৰা, জগন্নাথ বায়ন, শ্ৰীহৰি তালুকদাৰ, অৰুণ চন্দ্ৰ কাকতি, সুখন দাস, ডাঃ কামেশ্বৰ দাস, লৰ চন্দ্ৰ দাস, কিৰণ খাটনিয়াৰ, শশী কান্ত দাস, বিলাস চন্দ্ৰ ভড়ালী। ওপৰত থিয় হৈ থকা বাওঁফালৰ পৰা—সৰ্বশ্ৰী ধৰ্মকান্ত দাস, কুমুদ দাস, ধীৰেণ দাস, গিৰিধাৰী দাস, বানীকান্ত দাস, প্ৰসন্ন কুমাৰ চৌধুৰী।

সম্পাদনা সমিতি :



বাওঁফালৰ পৰা সৰ্ব্বশ্ৰী দয়াল কৃষ্ণ বৰা, তিলক চন্দ্ৰ দাস, হৰেকৃষ্ণ দাস, অৰুণ চন্দ্ৰ কাকতি।

"মহাপুৰুষীয়া ধৰ্ম আদৰ্শমতে একশৰণ তত্ত্ববিচাৰ"

১৩ বহাগ (ইং ২৭।৪।৮৭) পুৱা ৯-৩০ বজাত তিনিও ৰাজ্যৰ বন্দনী স্থান বৰপেটা সত্ৰৰ পুৱাৰ প্ৰসঙ্গ আকাশে বতাহে প্ৰতিধ্বনিত কৰি শেষ হৈছে। প্ৰসঙ্গলৈ অহা সকলো ভকত আৰু আদৰণী সমিতিৰ সকলো সদস্য মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱৰ ধৰ্মৰ সিদ্ধান্ত মূলক অভিবৰ্ত্তনৰ থানত আহি উপস্থিত হয়। বৰপেটা সত্ৰৰ কীৰ্ত্তন ঘৰৰ চৌহদত দৌলৰ সমুখত অতিথি সকলক চাউল ভজনা দিয়া বিশাল ঘৰটো চাৰিও ফালে টিনপাতেৰে বেৰ দি লোৱা হয় অভিবৰ্ত্তনৰ কাৰণে। তাৰেই পুৱত বৰদলা পদ্ম আতাৰ ভিঠাৰ পশ্চিমত ধৰ্মধ্বজা উত্তোলনৰ স্থান। বৰপেটা সত্ৰৰ বুঢ়া সত্ৰাধিকাৰ সকলো ভকতৰ উপস্থিতিত আদৰণী সমিতিৰ প্ৰচাৰ আৰু যোগাযোগ বিভাগৰ সম্পাদক শ্ৰীদয়াল কৃষ্ণ বৰাৰ অনুৰোধত বুঢ়া সত্ৰীয়া তথা আদৰণী সমিতিৰ সভাপতি শ্ৰীযুত চন্দ্ৰ কান্ত মিশ্ৰদেৱে পীত-বস্ত্ৰত শৰাইত ভাগৱত, তাৰ দুইফালে ধূপ-ধূনা আৰু বন্তি প্ৰজ্বলিত হৈ থকা ছবি আৰু ওপৰেদি 'জয় জগতগুৰু শ্ৰীমন্ত শংকৰ'' লিখা থকা ধৰ্মধ্বজা উত্তোলন কৰোতে ৰাইজৰ তৰফৰ পৰা জয়ধ্বনি ঘোষণা কৰা হ'ল। "শ্ৰীমন্ত শংকৰ দেৱৰ জয়" "শ্ৰীমাধৱ দেৱৰ জয়", "দুজনা গুৰুৰ জয়" আৰু হৰিধ্বনি। ইয়াৰ লগে লগে ভকত সকলে প্ৰসঙ্গধ্বনি আৰম্ভ কৰিলে—

হৰিভক্তি দান দিয়া জগতক
তাৰিলা সংসাৰ সিন্ধু।
হেনয় কৃপালু শংকৰ বিনাই
নাই নাই আৰ বন্ধু॥

প্ৰসঙ্গৰ শেষত বুঢ়া সত্ৰীয়া দেৱে উপস্থিত ৰাইজক সম্বোধন কৰি অভিবৰ্ত্তন সাফল্য মণ্ডিত কৰিবলৈ সকলোকে সহযোগ কৰিবলৈ আহ্বান জনায়। আৰু তাৰ কাৰণে ভগৱানৰ ওচৰত কৃপা প্ৰাৰ্থনা কৰি প্ৰাৰ্থে। শেষত –

শ্ৰীমন্ত শংকৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।

তাহান্ত বিনাই   নাই নাই নাই

আমাৰ পৰম গুৰু ॥

প্ৰাৰ্থনা গায় ধৰ্মধ্বজা উত্তোলন পৰ্ব সামৰণি মৰা হয়।

আবেলি ৪ বজাত সত্ৰৰ অতিথি শালাত ইতিমধ্যে আহি উপস্থিত হোৱা প্ৰতিনিধি সকল, সত্ৰৰ ভকত সকল আৰু আদৰণি সমিতিৰ কাৰ্যকৰ্ত্তা সকলৰ উপস্থিতিত ডেকা সত্ৰীয়া শ্ৰীযুত ইষ্টদেৱ নবিশ দেৱে প্ৰতিনিধি শিবিৰ উদ্বোধন কৰে, প্ৰচাৰ বিভাগৰ সম্পাদক শ্ৰীদয়াল কৃষ্ণ বৰাৰ অনুৰোধ ক্ৰমে।

উদ্বোধনী ভাষণত শ্ৰীযুত নবিশ দেৱে তুজনা গুৰুৰ ধৰ্ম এই অভিৱৰ্ত্তনৰ মাধ্যমেৰে পাহাৰে কন্দৰে বিয়পি যাওক আৰু তাৰ কাৰণে এটা শুদ্ধ ব্যৱস্থা প্ৰৱৰ্ত্তন হওক তাৰ কামনা কৰে।

শেষত—

বলি নিগদতি যত্নপতি   ৰাম ৰাম ৰাম ৰাম ৰাম

কিনো কৃপা মোক কৰিলাহা নাৰায়ণ।

দেৱৰ দুৰ্লভ আতিশয়   ৰাম ৰাম ৰাম ৰাম ৰাম

গৃহতে থাকিয়া দেখিলো তয়ু চৰণ ॥

গায় সামৰণি মাৰে।

১৪ বহাগ (ইং ২৮।৪।৮৭) পুৱা ৯ বজাত সকলো প্ৰতিনিধি আহি নিজ নিজ আসন গ্ৰহণ কৰে। মাজত গুৰু আসন স্থাপন কৰি বন্তি প্ৰজ্বলন কৰা হয়। শুৰু গম্ভীৰ পৰিবেশ। আদৰণি সমিতিৰ সাধাৰণ সম্পাদক শ্ৰীপ্ৰমোদ চন্দ্ৰ দাসে অভিৱৰ্ত্তনৰ কাৰ্যসূচী আৰু অভিৱৰ্ত্তন আৰম্ভ হোৱা ঘোষণা কৰাৰ লগে লগে বৰপেটাৰ বিশিষ্ট ভাগৱতী শ্ৰীবশিষ্ঠ শৰ্মাৰ নেতৃত্বত সত্ৰৰ ভকত সকলৰ প্ৰসঙ্গ আৰম্ভ হ'ল। প্ৰসঙ্গৰ শেষত সকলো প্ৰতিনিধিকে অভিনন্দন জনাই অভিৱৰ্ত্তনৰ উদ্দেশ্য ব্যাখ্যা কৰি আন্তৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন, পণ্ডিত প্ৰৱৰ ডঃ মহেশ্বৰ নেওগ দেৱক সঞ্চালকৰ আসন গ্ৰহণ কৰিবলৈ আদৰণি সমিতিৰ উপ সভাপতি সাহিত্যিক পেলনাৰ শ্ৰীতিলক দাসে প্ৰস্তাৱ দাঙি ধৰে। প্ৰস্তাৱ সমৰ্থন কৰে বিদ্যালয় সমূহৰ প্ৰাক্তন উপ-পৰিদৰ্শক তথা আদৰণি সমিতিৰ অন্যতম উপ সভাপতি শ্ৰীৰাধা কান্ত তালুকদাৰে। সঞ্চালক ডঃ নেওগদেৱে সকলোকে ধন্যবাদ জনায় কয়—

আজি আমি প্ৰত্যেকজন ব্যক্তি ইয়াত কিয় গোট খাইছো তাক আমি সকলোৱে জানো। আশাকৰো আমাৰ ধৰ্মৰ মাজত যি জটিলতা সোমাই পৰিছে তাক দূৰ কৰি সৰল কৰিব পাৰিম হক। মহাপুৰুষ গুৰু জনাই যি ধৰ্ম প্ৰচাৰ কৰিছিল সেই ধৰ্মৰ এটা মূল সূত্ৰ হৈছে শৰণ। অসমৰ জনসাধাৰণে এই ধৰ্ম গ্ৰহণ কৰিছিল আৰু এটা নতুন সংস্কৃতিৰ সন্ধান পাইছিল। যদি এই ধৰ্মত কিবা আউল লাগে তেতিয়াহলে আমাৰ সংস্কৃতি আৰু জাতীয় জীৱনতো আউল লাগিব। কিবা যদি আউল লাগিছে তেনেহলে তাক আমাৰ মাজতেই দূৰ কৰিব লাগিব। সেই উদ্দেশ্যে বৰপেটাৰ গুণী-জ্ঞানী ব্যক্তিসকলে এই অনুষ্ঠানৰ পৰিকল্পনা আৰু আয়োজন কৰিছে। তাৰেই কাৰণে এই অভাজনক মাতি আনিছে। মই কব লাগিলে তাৰ কাৰণে মই মুঠেই যোগ্য নহয়। কাৰণ মই পণ্ডিতো নহয়, ভক্তও নহয়, একো নহয়। ইয়াৰ কাৰণে মহাপুৰুষৰ অপাৰ করুণা লাগিব। মহাপুৰুষে যি জীৱন্ত সংস্কৃতি দি থৈ গ'ল তাৰ মাজত কৃপা বিচাৰি লব লাগিব। তাৰ ফলতেই আজি আপোনাসকলক লগ পাইছো। মই আশা কৰো আজিৰ অনুষ্ঠান সুন্দৰভাৱে পৰিচালিত হব। এতিয়া আমাৰ সভাৰ কাম আৰম্ভ হব। এতিয়া পৰিচয় প্ৰদান। পৰিচয় প্ৰদানৰ পিছত বৰপেটা সত্ৰৰ বুঢ়া সত্ৰাধিকাৰ তথা আদৰণি সমিতিৰ সভাপতি শ্ৰীচন্দ্ৰকান্ত মিশ্ৰদেৱে আদৰণি ভাষণ পাঠ কৰে।

শ্ৰীচন্দ্ৰ কান্ত মিশ্ৰ : (বুঢ়া সত্ৰীয়া) বৰপেটা সত্ৰ।

শ্ৰীশ্ৰীহৰিঃ শৰণম্

জয়তি নিখিল বিশ্বদ্যোতকো বিশ্বমূৰ্ত্তিঃ
সকল ভুবন পালঃ সৰ্বদৈক স্বৰূপঃ
স্থিৰচৰ বৃজিনঘ্নো বুদ্ধি বৃত্তি প্ৰণেতা
ভৱ দৱ-দহনঃ শ্ৰীনন্দ গোপাল বালঃ
ওঁ নমো ভগৱতে পৰমহংসাস্বাদিত চৰণ-কমল
চিন্মকৰন্দায় শ্ৰীকৃষ্ণায়।

স্বস্ত্যস্তু বিশ্বস্য খলঃ প্ৰসীদতাম্
ধ্যায়ন্তু ভূতানি শিবং মিথো ধিয়া।
মনশ্চ ভদ্ৰং ভজতামধোক্ষজে,
আবেশ্যতাং নো মতিৰপ্যহৈতুকী॥
ভৱভয়ম পহন্তুং জ্ঞান বিজ্ঞান সাৰম্
নিগমকৃদুপজহ্ৰে ভৃঙ্গৱদ্‌বেদসাৰম্।
অমৃতমুদধিতশ্চাপায়য়দ ভৃত্য বৰ্গান্
পুৰুষমৃষভমাদ্যং কৃষ্ণসজ্ঞং নাতোঽস্মি

শ্ৰদ্ধাভাজন উদ্বোধক মহোদয়, সঞ্চালক মহোদয় সকল, মহামান্য সত্ৰীয়া, সত্ৰাধিকাৰী, সন্ত, মহন্ত সকল, বিশিষ্ট অতিথি বৃন্দ, আৰু আই-বাপু সকল।

আপোনাসবৰ দৰে সাধু বৈষ্ণৱ সকলৰ দৰ্শন কৰি পৰম কৃতাৰ্থ হৈছো।

আপোনাসবে দূৰ দূৰণিৰ পৰা অশেষ কষ্ট স্বীকাৰ কৰি এই মহতী সভাত যোগ দিয়া বাবে আপোনাসবক জয় জয়তে আমাৰ আন্তৰিক সম্ভাষণ আৰু আদৰণি আগবঢ়াইছো।

বাপ সকল, যি স্থানত আপোনাসবে সমবেত হৈছে এই স্থান মহাপুৰুষ গুৰুজনাৰ পৱিত্ৰ পদৰেণু ৰঞ্জিত পূত পুণ্যক্ষেত্ৰ। এই সত্ৰৰ আশে পাশে মহাপুৰুষ সকলৰ প্ৰতিষ্ঠাপিত সত্ৰ কেবাখনো আছে; তাৰে কিছুমান সত্ৰ কথমপি বৰ্ত্তী আছে। বিশেষতঃ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ স্থাপিত পাটবাউসী সত্ৰৰ পুতৌলগা অৱস্থা। এই ক্ষেত্ৰতেই মহাপুৰুষ শ্ৰীশংকৰদেৱে শেষ জীৱনত বহু কেইখন লেখত লবলগীয়া শাস্ত্ৰ প্ৰণয়ন কৰিছিল। এই স্থান বিশেষ মাহাত্ম্যপূৰ্ণ। ইয়াতেই শ্ৰীশংকৰদেৱক কেন্দ্ৰ কৰি শ্ৰীদামোদৰদেৱ, শ্ৰীহৰিদেৱ আদি গুৰু সৱৰ মিলন ক্ষেত্ৰ ৰচিত হৈছিল, য'ত শ্ৰীমদ্ভাগৱতকে আদি কৰি নানা শাস্ত্ৰৰ আলোচনা আৰু ব্যাখ্যা হৈছিল।

শ্ৰীমন্ত শংকৰদেৱ মহাপুৰুষ অৱতীৰ্ণ হৈছিল কলিমল কলুষিত দুৰ্ভগীয়া লোকসকলক সংসাৰ চক্ৰৰ নিকাৰৰ পৰা উদ্ধাৰ কৰাৰ বাবে। বেদৰ সাৰ শ্ৰীমদ্ভাগৱত, উপনিষদৰ সাৰ ভগৱদ্‌গীতা আদি ভক্তিৰস শাস্ত্ৰবিলাকৰ সাৰ উদ্ধাৰ কৰি আনি ভক্তি ধৰ্ম প্ৰচাৰ কৰিছে। ভাগৱতৰ পৰা অসমীয়া ভাষাত কীৰ্ত্তন, দশম আৰু ভাগৱতৰ বিশেষ বিশেষ অংশ পদ্যানুবাদ কৰিছিল। ইয়াৰে শ্ৰীকৃষ্ণৰ লীলা-চৰিত্ৰ শ্ৰৱণ কীৰ্ত্তন সকলোৰে কৰিব পৰা কৰি ভক্তিৰ পথ সুগম কৰিছে।

শ্ৰীশংকৰদেৱে প্ৰচাৰ কৰা ভক্তি ধৰ্ম সাৰ্বজনীন, কাৰণ এই ধৰ্ম আচৰণত সকলোৰে সমানে অধিকাৰ। উচ্চ নীচ আদি ভেদ্‌ভাৱ নাই।

সমস্তে ভূততে ব্যাপি আছো মই হৰি।
সবাকো মানিবা তুমি বিষ্ণু বুদ্ধি কৰি॥

মানৱ মাত্ৰেই এই ধৰ্মৰ অধিকাৰী। অহিংসাৰ ওপৰত এই ধৰ্ম প্ৰতিষ্ঠিত। শ্ৰেষ্ঠ মুনিয়েই হওক অথবা নীচ চণ্ডালেই হওক উভয়েই প্ৰেম ভক্তি লাভ কৰি এক পৰ্যায়ত উপনীত হব পাৰে।

শ্ৰীমন্ত শংকৰদেৱে তপোবনৰ আৰ্হিৰে সত্ৰ-সমাজ নিৰ্মাণ কৰিছিল। প্ৰাচীন যুগত যেনেকৈ তপোবনৰ পৰা ধৰ্ম-সংস্কৃতি আধ্যাত্মিক জ্ঞান-বিজ্ঞান লোকত প্ৰচাৰিত হৈছিল, তেনেদৰে সত্ৰ সমূহে ভগৱদ্ভক্তি প্ৰচাৰ কৰি লোক সমাজত নব যুগৰ সৃষ্টি কৰিছিল। তেওঁৰ সত্ৰ বিলাকত প্ৰচলিত সামূহিক উপাসনা পদ্ধতি অভিনৱ। এনে পদ্ধতি ভাৰতৰ আন কোনো ধৰ্মানুষ্ঠানতে দেখা নাযায়। এই সামূহিক উপাসনাৰ শ্ৰৱণ-কীৰ্ত্তন ভক্তিকেই প্ৰাধান্য দিয়া হৈছে।

এই সাধন সাৰ্বজনীন আৰু এই বাবে নব বিধ ভক্তিৰ মাজত শ্ৰৱণ কীৰ্ত্তনক মুখ্য স্থান দিয়া হৈছে। কীৰ্ত্তন আৰু স্মৰণ দেশ কাল পাত্ৰৰ নিয়মৰ অধীন নহয়। এই বাবে ইয়াক সৰ্বত্ৰ সৰ্বদা সাধন কৰিব পৰা যায়।

"কালৰ নিয়ম নিবিহিলা স্মৰণত"

দৈনন্দিন প্ৰসঙ্গত শ্ৰৱণ কীৰ্ত্তনৰ অনুষ্ঠান কৰা হয়। এই প্ৰসঙ্গত কেতবোৰ নিয়ম সংযম মানি চলাৰ আৱশ্যক আছে। পদ্ধতি মতে কীৰ্ত্তন ঘৰত প্ৰৱেশ কৰি মন নিয়মি নিজৰ নিজৰ আসনত বহিব। পাঠকে নাম ডাকিলে চিত্ত স্থিৰ কৰি ভগৱানৰ ৰূপ হৃদয়ত ধাৰণ কৰিব। ভকতে যদি প্ৰৱেশ নোকৰোতে পাঠকে নাম ডাকে, নাম ডাকা শেষ নোহোৱালৈকে স্থিৰ হৈ নাম ডাকা শুনিব, শেষ হলে সন্তৰ্পণে গৈ যথা স্থানত বহি কীৰ্ত্তনত যোগ দিব। নাম সম্বৰণ কৰাৰ পিছত পাঠ, ভাগৱত পাঠ শেষ নোহোৱালৈকে ভক্ত সকলে নিবিষ্ট মনে শ্ৰৱণ কৰিব লাগে। ধাই দেউৰীয়ে পাঠৰ আৰু ভাগৱত শাস্ত্ৰ সামৰি নিনিয়ালৈকে কোনো ভকতে আসন ত্যাগ কৰা নিয়ম নাই। প্ৰসঙ্গৰ সময় খিনিত কোনো প্ৰকাৰৰ আলাপ আদি কৰা বা বিশৃঙ্খলা হানিকৰ কৰ্ম কৰা দোষজনক। প্ৰসঙ্গৰ অন্তত আৱশ্যক হলে প্ৰসঙ্গত যোগ দিয়া ভকত সকলৰ সমাজ বহে, এই সমাজক বৈঠকী সমূহৰ সমাজ বোলে।

সমাজত কোনো ব্যক্তি যদি সামাজিক নীতি নিয়ম ভঙ্গ কৰা অপৰাধ কৰে তেন্তে এই সমাজে বিচাৰ কৰি দোষীক দণ্ড দিয়া নিয়ম। এতিয়াও এই নিয়ম চলি আছে।

প্ৰথমতে শ্ৰীশংকৰদেৱৰ মহাপুৰুষৰ কীৰ্তন পুথিৰে উপাসনা অনুষ্ঠিত হৈছিল। শ্ৰীমাধৱদেৱৰ মহাপুৰুষৰ নামঘোষা ৰচিত হোৱাৰ পাচত নাম ঘোষাৰ নাম ছন্দ আৰু শৰণ ছন্দৰ অংশও প্ৰসঙ্গত যোগ দিয়া হয়।

মহাপুৰুষ শ্ৰীশংকৰদেৱৰ কীৰ্তন এখন অনুপম, প্ৰায় স্বয়ংসম্পূৰ্ণ গ্ৰন্থ। ইয়াত একশৰণ ভাগৱতী ধৰ্মৰ মূল তত্ত্ব আৰু ভগবদুপাসনাৰ প্ৰণালী প্ৰায়েই সন্নিবিষ্ট আছে। বৈষ্ণৱ ধৰ্মৰ জানিব, বুজিব লগা বহু কথা আছে। তুলনাগুৰুৰ আন আৰ্য শাস্ত্ৰ বিলাক কীৰ্তনৰ পৰিপূৰক ভাবে ধৰিব পাৰি। শ্ৰীমাধৱদেৱে শ্ৰীশঙ্কৰ গুৰুৰ পদাঙ্ক অনুসৰণ কৰিয়েই ভক্তি সাধনৰ পৰি পূৰক গ্ৰন্থ স্বৰূপে নাম-ঘোষা ৰচনা কৰিছিল। নাম-ঘোষাৰ অন্য বৈশিষ্ট্যও আছে।

এটি আৰু বিশেষ মন কৰিবলগীয়া কথা—এই ভক্তি ধৰ্মৰ আন এটি নাম "নাম ধৰ্ম"।

"কৃষ্ণ সূৰ্য ভৈলন্ত উদিত নাম ধৰ্ম কৰিলা বিদিত"

শ্ৰীশঙ্কৰদেৱে নাম জপ আৰু আবৃত্তিৰে কৰা সাধন ভক্তিত প্ৰাধান্য দিয়া বুজা যায়।

'জপ ৰাম নাম অনুক্ষণ'

"ৰাম নাম ঘোষিয়োক চানি" ইত্যাদি।

এই বাবেই এই উপাসনা প্ৰণালী প্ৰসঙ্গত বহুল ভাৱে নাম আবৃত্তি হোৱাকৈ গোৱাৰ বিধান কৰিছে। কীৰ্ত্তনৰ ঘোষা প্ৰায়ে নাম প্ৰধান। এই ঘোষাবোৰ বাৰম্বাৰ আবৃত্তি কৰিব লগা ব্যৱস্থা আছে। ঘোষা আৰু পদৰ কীৰ্ত্তন কৰোতে বহু সংখ্যক নামৰ আবৃত্তি হৈ থাকে। ইয়াৰ লগতে নাম-ঘোষাৰ নাম ছন্দ অংশতো নামৰ আবৃত্তি বহুত হয়। এনেকৈ শ্ৰৱণ-কীৰ্তনৰে উপাসনা প্ৰণালী আবিষ্কাৰ তেওঁৰ বিচক্ষণতাৰ নিদৰ্শন।

পালনাম বা অখণ্ড কীৰ্তনত বিশেষ উপযোগী নামছন্দ আৰু শৰণ ছন্দ অংশ। কীৰ্ত্তন পুথিৰ সংযোগেৰে গোৱাটো অতিশয় চিত্তাকৰ্ষক আৰু মহৎ ফল দায়ক। শ্ৰীমাধৱদেৱৰ নাম-ঘোষাৰ নামছন্দ আৰু শৰণ-ছন্দ সাধক ভক্ত আৰু সিদ্ধ ভকতৰ পক্ষেও অতিশয় মূল্যবান আৰু প্ৰেমৰস পৰিপূৰ্ণ ভজন প্ৰণালী।

নাম ছন্দত নামৰ আবৃত্তিৰ চিত্তাকৰ্ষক নানা সুৰ লয়ত গীত হোৱাত ই অতি আনন্দদায়ক হয়। শৰণ ছন্দত মায়াৰ ক্ৰিয়াৰ পৰা উত্তৰ হোৱা সংসাৰৰ দুখ দুৰ্গতি আৰু নিকাৰৰ পৰা উদ্ধাৰৰ নিমিত্তে "মায়াক নিবাৰি দয়া কৰা'ৰ বাবে কাতৰ আৰু দৈন্য ভাৱে স্তুতি প্ৰাৰ্থনা। এয়েই কাৰ্পণ্য শৰণাগতি।

প্ৰসঙ্গৰ অৰ্থ হ'ল মহা মহন্ত ভক্ত সকলৰ সঙ্গ। ইসকলৰ সঙ্গত পৰম শ্ৰদ্ধাৰে হৰি কথা শ্ৰৱণ কীৰ্ত্তনকে প্ৰসঙ্গ বোলা হৈছে। সন্তৰ সঙ্গত কৃষ্ণ কথা আলাপন ভক্তিৰ প্ৰধান অঙ্গ।

সতাং প্ৰসঙ্গ ন্মম বীৰ্য সম্বিদো।
ভবন্তি হৃৎকৰ্ণ ৰচায়নাঃ কথাঃ ॥
তজ্জোষানা দাস্বপবৰ্গ বৰ্ত্ম'নি।
শ্ৰদ্ধা ৰতিৰ্ভক্তি ৰণুক্ৰমিষ্যতি ॥ (ভা)
কপিলে কহন্ত দেৱহূতিৰ আগত।
একান্ত বৈষ্ণৱ সমস্তৰ প্ৰসঙ্গত ॥
হোৱয় উত্তৰ মোৰ নিৰ্মল চৰিত।
তাকো যিটো পৰম শ্ৰদ্ধায়ে শুনে নিত ॥
মোক্ষ দাতা মই মোত শীঘ্ৰে অতিশয়।
অনুক্ৰমে শ্ৰদ্ধা ৰতি ভকতি মিলয় ॥

সময়ে সময়ে আতা পুৰুষসকল সত্ৰত আহি একত্ৰিত হলে তেৰাসকলে পৰস্পৰে হৰিকথা আলাপ আলোচনা পদ্ধতি প্ৰচলিত আছিল। এনেকৈ শ্ৰীকৃষ্ণৰ "যশ সভাজন" কৰি আনন্দত মগ্ন হৈছিল। ইয়াকে তেৰাসকলে সুখৰ কথা বুলিছিল।

বিৰল ভকত, জনৰ শুনিয়ো
যেন মুখ্য প্ৰয়োজন।
অন্যোন্যে এক, প্ৰাণ হুয়া কৰে
মোৰ যশ সভাজন ॥ (ৰত্নাৱলী)

এনেদৰে শ্ৰীমধুপুৰ সত্ৰত দহ মুকুতৰ সন্মেলন তেৰাসকলে আলাপন কৰা কথা চৰিত পুথিত পোৱা যায়। শ্ৰীমদ্ভগৱদ্গীতাত প্ৰেমিক ভক্তই পৰস্পৰে ভগৱানৰ লীলা চৰিত্ৰ শ্ৰৱণ-কীৰ্ত্তন কৰি আনন্দত মগ্ন হোৱা কথা পোৱা যায়। যেনে—

মচ্চিত্তাঃ মদ্গত প্ৰাণাঃ বোধয়ন্তঃ পৰস্পৰম্
কথায়ন্তশ্চ মাং নিত্যং তুষ্যন্তি চ ৰমন্তি চ। (গীঃ)
মোতেসে কেবলে দিয়া চিত্ত, মোতে মাত্ৰ প্ৰাণ অৰ্পিণিত
অন্যোন্যে মিলি মোকেসে বোধ কৰাৱে।
মোকে মাত্ৰ কহে সৰ্ব্বক্ষণে, পৰম সন্তোষ লভি মনে
আনন্দ সাগৰে মজিৰহে প্ৰেম ভাৱে॥ (নাম)

এক শৰণ-স্থিত প্ৰেমিক ভক্তৰ লক্ষণ এনেকুৱাই।

ৰজোগুণ তমোগুণ ময় বৃত্তি কেৱলে আসুৰী ভাৱ
শুদ্ধ সত্ব বৃত্তি দেৱৰ সম্পত্তি লৈয়া ভজা কৃষ্ণ পাৱ॥
"শুদ্ধ সত্ত্ব গুণতেসে সিদ্ধি মনুষ্যৰ।"

গুৰু উপদেশ লব্ধ শিষ্য সবে
উপদেশ সাৰ ধৰা।
যদি কৃষ্ণক পাইবা কদাচিত
বুদ্ধিক সত্বস্থ কৰা। (নাম)

আকৌ 'সাধুসঙ্গ অনুসৰা শ্ৰৱণ কীৰ্তন কৰা
পৰিহৰা পাষণ্ড আচাৰ"॥

আমি ভক্তি প্ৰতিবন্ধক দোষ বিলাকৰ প্ৰতি উদাসীন হৈছো। আমি কেনেকৈ ভক্তি কৰিম?

"নাৰায়ণ কাহে ভকতি কৰো তেৰা
মেৰি পামৰু মন মাধব ঘনে ধন ঘাতুক
পাপ না চোৰ॥"
"হৰি পাৱে ধৰ অন্যায় নকৰ
দুৰ্জন মন পামৰ।
ৰামকৃষ্ণ ৰামকৃষ্ণ বোলো ভাই এ
পৰম যতনে তেজিয়া যত অন্যায়

এতিয়া বৰপেটা সত্ৰৰ এটি চমু আভাষ দিয়াৰ যত্ন কৰা হ'ল। শ্ৰীমথুৰা দাস আতা পুৰুষৰ বিশেষ উদ্যমত মহাপুৰুষ শ্ৰীমাধৱদেৱে বৰপেটা সত্ৰ থাপে আৰু আৰম্ভৰ পৰায়ে ইয়াৰ পৰিচালনাৰ ভাৰ আতা পুৰুষৰ ওপৰতে ন্যস্ত কৰিছিল।

মহাপুৰুষ শ্ৰীমাধৱদেৱৰ তিৰোধানৰ কিছুকাল আগতে তেৰাই কোচবিহাৰত থকা সময়ত এই সত্ৰৰ অধিকাৰ পদত বুঢ়া আতা পুৰুষক অভিষিক্ত কৰি গুৰুভাৰ অৰ্পণ কৰি যায়। এই ভাৰ গ্ৰহণ কৰি ইয়াৰ সৰ্বাঙ্গীন উন্নতিৰ কল্পে তেৰাই অহোপুৰুষাৰ্থ কৰিছিল। বুঢ়া আতা পুৰুষে সত্ৰৰ নিত্য নৈমিত্তিক আদি সকলো ধৰ্মীয় অনুষ্ঠান আৰু উৎসৱ-পৰ্ব চলোৱাৰ নীতি নিয়ম নিৰ্বন্ধ কৰে। চৈধ্য প্ৰসঙ্গৰ নিয়ম-নীতি-নিৰ্বন্ধ চলাবলৈ বুঢ়া আতাই গুণী শিল্পী, গায়ন, বায়ন পাঠক আদি বিচাৰি আনি পাতে। তেৰাই মূল ভাগৱত পাঠ কৰা কথাও সত্ৰত প্ৰৱৰ্তন কৰায়। তাৰ কাৰণে ৰাম ৰাম গুৰুৰ নাতি ভবনাথ দেৱক ভাগৱতী নিযুক্ত কৰে। ৰঘুৰায়ে দান কৰা শ্ৰীশ্ৰীশ্যাম ৰায় বিগ্ৰহ প্ৰতিষ্ঠা কৰি সেৱা অৰ্চনৰ ভাৰ নৰসিংহ পূজাৰীক দিয়ে। এনেকৈ সত্ৰখনৰ পূৰ্ণতা আনে। এই পদ্ধতিৰে আজিলৈকে সত্ৰখন চলি আহিছে। কালক্ৰমত এই সত্ৰখন শ্ৰীমাধৱদেৱ মহাপুৰুষৰ আশীৰ্বাদতে অন্যতম শ্ৰেষ্ঠ সত্ৰৰূপে পৰিগণিত হৈছে। এই সত্ৰৰ গৌৰৱ আৰু সৌষ্ঠৱ বৃদ্ধিৰ ক্ষেত্ৰত বৰপেটা সমূহ ৰাইজৰ শ্ৰদ্ধা আৰু অৱিতণা প্ৰশংসনীয়। ধৰ্মৰ ক্ষেত্ৰতো বৰপেটা সত্ৰবাসী সকলৰ নিষ্ঠা আৰু সত্ৰৰ প্ৰতি আনুগত্য অটুত থাওক ইয়াকেই আমি ভগৱানৰ ওচৰত কামনা কৰো।

বাপ সকল, আপোনাসৱক আহ্বান কৰি অনাৰ উদ্দেশ্য এই—কিছুমান ধৰ্মানৈক্য লৈ আমাৰ ধৰ্মীয় সমাজত বিশেষকৈ মহাপুৰুষীয়া ধৰ্মীয় সমাজত বিভেদৰ সৃষ্টি হৈছে। ইমান দিনে এক ভাৱে চলি অহা মহাপুৰুষীয়া ধৰ্মৰ ভিতৰত যদি ভাগ ভাগ হোৱা অৱস্থা আহে তেন্তে সমগ্ৰ অসমৰ ধৰ্ম সমাজত ইয়াৰ প্ৰতিক্ৰিয়া হবই। ধৰ্মীয় আচৰণত বিশৃঙ্খলা আহিলে ঘোৰ অনিষ্ট হব। আপোনাসৱে সকলোৱে লগ লাগি শাস্ত্ৰ সকলৰ সম্যক ভাৱে আলোচনা কৰি কিবা এটি সমাধানৰ বাট মোকোলাব পাৰে বুলিয়েই এই আশাৰে আপোনাসৱৰ আশ্ৰয় লোৱা হৈছে। ভগৱান অন্তৰ্যামী পুৰুষ শ্ৰীকৃষ্ণ দেৱৰ চৰণত প্ৰাৰ্থনা, হৃষিকেশ প্ৰভুৱে যেন আমাক সকলোকে সুমতি দান কৰে।

ধৰ্মক জানোহো মই তথাপি প্ৰবৃত্তি নাই
অধৰ্মতো নিবৃত্তি নোহয়।
হৃদি স্থিত হুয়া স্বামী যেন কৰা বাহা তুমি
হৃষি কেশ কৰিব তেহয় ॥

সমশেষত, পুনঃ সবাকো আন্তৰিক শ্ৰদ্ধা আৰু শলাগ জনাই সকলো ৰঢ়া-টুতা দোষ অপৰাধৰ পৰা মুক্ত হম বুলি আশা কৰি নতশিৰে ক্ষমা মাগিছো।

অপৰাধ বিনাশন তযু নামে নাৰায়ণ
জানি নামে পশিলো শৰণ,
আন গতি নাহিকে মৰণে।
অপৰাধ ক্ষমা কৰি তুমি দয়াশীল হৰি
ৰাখিয়োক তোমাৰ চৰণে॥

সৰ্বে ভৱন্তু সন্তুষ্টাং
সৰ্বে সন্তু নিৰাময়াঃ।
দাৰিদ্ৰ্য দুখ হীনাশ্চ
ধৰ্ম প্ৰাণাঃ সুবৈষ্ণৱাঃ॥
ওঁ শান্তিঃ ওঁ শান্তিঃ শান্তি ৰোম্

★

পিছত বৰপেটা সত্ৰৰ ডেকা সত্ৰাধিকাৰ শ্ৰীইষ্টদেৱ নবিশদেৱে উদ্বোধনী ভাষণ পাঠ কৰে।

শ্ৰীইষ্টদেৱ নৰিশ : ডেকাসত্ৰীয়া বৰপেটা সত্ৰ

হে কৃষ্ণ হে বাসুদেৱ দৈৱকী নন্দন হৰি নমো নন্দ গোপৰ কুমাৰ।
কৃপাময় শ্ৰীগোবিন্দ তযু পদ অৰবিন্দ কৰোঁ মই লক্ষ নমস্কাৰ॥
জয় গুৰু শঙ্কৰ সৰ্ব গুণাকৰ যাকেৰি নাহিকে উপাম।
তোৰাহিঁ চৰণক ৰেণু শত কোটি বাৰেক কৰহু প্ৰণাম॥

পৰম শ্ৰদ্ধাস্পদ,

মহাপুৰুষ শ্ৰীমন্তশংকৰদেৱ গুৰুজনাৰ প্ৰৱৰ্ত্তিত এক শৰণ-হৰিনাম ধৰ্মৰ একান্ত অনুগামী তথা উত্তৰাধিকাৰী ভগৱত ভক্ত সুধী সজ্জন, সন্ত মহন্ত মহোদয় সকল, সঞ্চালক মহোদয়, বিশিষ্ট অতিথি বাপ সকল!

বৰপেটা সত্ৰৰ সমূহ ভকতৰ সাদৰ আমন্ত্ৰণ অনুসৰি আহি আপোনা-লোক ইয়াত সমবেত হৈছে—মহাপুৰুষ শ্ৰীমন্তশংকৰদেৱ গুৰুজনাৰ প্ৰৱৰ্ত্তিত একশৰণ

হৰিনাম ধৰ্মাৱলম্বী সমাজৰ মাজত তথা মহাপুৰুষীয়া সমাজৰ মাজত উদ্ভৱ হোৱা মতভেদ মূলক সমস্যা সম্বন্ধে আলোচনা কৰি এক শুদ্ধ সত্য বিচাৰত উপনীত হৈ সিদ্ধান্তমূলক সমাধানৰ ব্যৱস্থা কৰিবৰ উদ্দেশ্যে।

মহাপুৰুষ শ্ৰীমন্তশংকৰদেৱে আজিৰ পৰা ৫৩৮ বছৰ আগেয়ে আৱিৰ্ভাৱ হৈ মানৱ সমাজৰ ইহকাল পৰকালৰ পৰম কল্যাণ সাধনৰ উদ্দেশ্যে বেদ-বেদান্ত আদি সকলো শাস্ত্ৰৰেই সাৰ, সকলো ধৰ্মৰেই মূল বজ্ৰা স্বৰূপ একশৰণ হৰিনাম ধৰ্ম প্ৰৱৰ্ত্তন কৰি সম্পূৰ্ণ সাৰ্বজনীন ৰূপত প্ৰচাৰ কৰিলে।

এই একশৰণ হৰিনাম ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে শ্ৰীমন্ত শংকৰদেৱ গুৰু জনাই বহুত পুথি শাস্ত্ৰ, বৰগীত, ভটিমা, টোটয়, অঙ্কীয়া নাট আদি মতৃভাষাত ৰচনা কৰিলে। এই বৰগীত, নাটবোৰ গাব, বাব, প্ৰদৰ্শন কৰিব পৰাকৈ শিকাই বুজাই দি থান সত্ৰত চলোৱাৰ সম্পূৰ্ণ ব্যৱস্থা কৰি দিলে। গুৰু জনাই থান-সত্ৰ, কীৰ্ত্তন ঘৰ—নামঘৰ স্থাপনা কৰি তেৰাৰ প্ৰৱৰ্ত্তিত একশৰণ হৰিনাম ধৰ্ম অনুসৰি হৰিগুণ নাম শ্ৰৱণ কীৰ্ত্তনাদিৰে হৰি ভক্তি কৰি উদ্ধাৰ হৈ মনুষ্য জন্ম সাৰ্থক কৰি ইহকাল পৰকালৰ কল্যাণ সাধনৰ ব্যৱস্থা কৰি দিলে। শ্ৰীমন্ত শংকৰদেৱ গুৰু জনাই লিখা পুথি শাস্ত্ৰবোৰ পৰম ঈশ্বৰৰ লীলা চৰিত্ৰমূলক আখ্যান উপাখ্যান আদিৰে ভৰপুৰ। এই পবিত্ৰ গ্ৰন্থসমূহৰ আৰম্ভণিত আৰু অধ্যায়বোৰৰ শেষত মন্তব্যমূলক বাক্যবোৰ উপদেশ-প্ৰাৰ্থনা ভাৱে লিখি তেৰাৰ প্ৰৱৰ্ত্তিত একশৰণ হৰিনাম ধৰ্মৰ সিদ্ধান্ত সম্পূৰ্ণৰূপে নিৰূপণ কৰি দি গৈছে। বৰগীত, ভটিমা আদি তেৰাৰ সম্পূৰ্ণ নিজস্ব সিদ্ধান্ত বাক্যমূলক আৰু পৰম ঈশ্বৰৰ ৰূপ গুণ আদি বৰ্ণনাৰে হৰি ভক্তিৰ পথ-প্ৰদৰ্শক।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰিয়তম প্ৰধান শিষ্য মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱেও গুৰুজনাৰ প্ৰৱৰ্ত্তিত এই একশৰণ হৰিনাম ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে পুথি শাস্ত্ৰ লিখি, বৰগীত, ভটিমা, নাট আদি ৰচনা কৰি শিকাই বুজাই দি থান-সত্ৰ আদি স্থাপনা কৰি নানা ভাৱে ব্যৱস্থা কৰি দি গৈছে।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ-মাধৱদেৱৰ তিৰোধানৰ পিছত আৰু যথাক্ৰমে আতাসকলো তিৰোধান হোৱাৰ পিছত এই একশৰণ হৰিনাম ধৰ্মাৱলম্বী সমাজৰ তথা মহাপুৰুষীয়া সমাজৰ বাবে প্ৰায় এক শ ডেৰ শ বছৰ এক অন্ধকাৰ যুগ আছিল। মহাপুৰুষ শংকৰদেৱ-মাধৱদেৱৰ ৰচিত পুথি শাস্ত্ৰবোৰ হাতে লিখা অৱস্থাত পাণ্ডুলিপি হিচাপে থাকিল। আনহাতে মহাপুৰুষীয়া ভকতসকলৰ ভিতৰত হয়তো লিখা পঢ়া জনা শিক্ষিত ব্যক্তি বিশেষৰ অভাৱ হ'ল। এনে সময়ত হয়তো ৰক্ষণ-

শীল বিৰোধী লোকসকলৰ চেষ্টাত এই সম্প্ৰদায়ৰ মাজত একশৰণ বিৰোধী আচৰণ আহি সোমাল।

বিজ্ঞানৰ নব নব আবিষ্কাৰৰ ফলশ্ৰুতি হিচাপে পুথি শাস্ত্ৰবোৰ ছপা হৈ ওলাল। আৰু বিশ্ব ব্যাপক সাৰ্বজনীন লিখা পঢ়া শিক্ষাৰ প্ৰচাৰ ব্যৱস্থাৰ ফলত আমাৰ সকলো শ্ৰেণীৰ ল'ৰা-ছোৱালীবোৰ লিখা পঢ়া শিকি শিক্ষিত হোৱাত মহাপুৰুষৰ পুথি শাস্ত্ৰবোৰ অধ্যয়ন কৰি দেখিলে যে মহাপুৰুষে লিখা বাক্যমতে লোকসকল চলা নাই আৰু যেনেকৈ হ'ক অনেক একশৰণ ধৰ্ম বিৰোধী কাৰ্য আচৰণ ব্যৱস্থা আহি সোমায় মহাপুৰুষীয়া সমাজক দূষিত কৰিছে। তেতিয়া বিজ্ঞলোক সকলে সংগঠিত শুদ্ধ সত্য মতত চলাৰ কাৰণে চেষ্টা কৰি আগ বাঢ়ি প্ৰচাৰ কাৰ্য চলালে, প্ৰগতিশীল ব্যক্তি বিশেষৰ সংগঠিত সৎ প্ৰচেষ্টাৰ সত্যতা বুলি সমাজ ক্ৰমে শুদ্ধ সংগঠনৰ ফালে আগবাঢ়ি অহাত ৰক্ষণশীল ব্যক্তিসকলে বাধা দিব পৰা নাই।

এনেহেন এটা যুগসন্ধিত পুণ্যধাম বৰপেটা সত্ৰৰ সমূহ ভকতে এই অভি-ৱৰ্ত্তন পাতি আপোনালোক গুণী, জ্ঞানী, সুধী, সজ্জন ব্যক্তি সকলক সাদৰ আমন্ত্ৰণ জনাই মাতি আনিছে। আপোনাসবে আলোচনা কৰি শুদ্ধ সত্য সিদ্ধান্তত উপনীত হৈ মহাপুৰুষীয়া সমাজৰ এই মতভেদ দূৰ কৰি পথ প্ৰদৰ্শন কৰি শান্তি প্ৰদান কৰিব বুলি পৰম আশা কৰি প্ৰাৰ্থনা জনালো।

গীত—মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে গুৰু জনাই বৰগীত লিখিছে –

ওৰা সোৰা পন্থ নাহেৰি। কোটি কুৰম কায়, হৰিকো নাহি পায়, পৰল ভৱ বেৰি বেৰি ॥

পদ—জপ তপ তীৰিথ, কৰসি গয়া কাশী বাসী বয়স গোবাই:
জানি যোগ যুগুতি মতি মোহিত, বিনে ভকতি গতি নাই ॥
ৰাম নাম মহা, নিখিল পুণ্য ৰহ, ওহি নিগম তত্ত্ব বাণী।
কলিকো পৰম, ধৰম হৰিনাম, পঢ়ি পুনু মৰম নজানি ॥
কৃষ্ণ কিঙ্কৰ কহ, খনিক দেহা ৰহ, নৰতনু পুনুহু নপাই।
পৰম গৰব সব, দূৰ কৰি হৰি, চৰণ চিত্ত চিত্ত লাই ॥

বাপসকল এইখিনি নিবেদন কৰি সশ্ৰদ্ধ প্ৰণাম জনাই, এই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্মৰ সিদ্ধান্তমূলক অভিৱৰ্ত্তনৰ সভা উদ্বোধন কৰা হ'ল।

প্ৰাৰ্থনা—নমো নমো নাৰায়ণ প্ৰসন্ন হুয়োক হৰি কৰিয়োক মায়াক নিৰ্যাণ।
আপুনাৰ মহিমাক আপুনি বেকত কৰি জীৱক কৰিয়ো পৰিত্ৰাণ ॥

ডঃ মহেশ্বৰ নেওগ ঃ সঞ্চালকৰ দায়িত্ব গ্ৰহণ কৰি দিয়া ভাষণ।

এতিয়া ডেকা সত্ৰীয়া প্ৰভুৰ উদ্বোধনীৰ লগে লগে আমাৰ সভাৰ কাম আৰম্ভ হ'ল। ইতিপূৰ্বে আদৰণি সমিতিৰ তৰফৰ পৰা প্ৰকাশিত নীতি-নিৰ্দেশনা নামৰ এখনি কাগজ আপোনালোকৰ হাতলৈ গৈছে। আমাৰ সভাৰ কাম কেনেধৰণে আগ বাঢ়িব তাত সকলোবোৰ কথা আছে। এই নীতি নিৰ্দেশনা আমাৰ সকলোৰে কাৰণে প্ৰযোজ্য হব।

আজিৰ যিটো বিষয় আলোচনাৰ কাৰণে দিয়া আছে সেই বিষয়টো হৈছে—'মহাপুৰুষীয়া ধৰ্ম আদৰ্শ মতে একশৰণ তত্ত্ববিচাৰ।" এই বিষয়ে আলোচনা কৰাৰ আগতে কেইটামান কথা আলোচনা কৰা প্ৰয়োজন। তাৰে প্ৰথম কথা হ'ব - মই যিখিনি কথা ক'ম সেইখিনি কোনো সন্ত-মহন্ত বা যোগ্যজনৰ কথা ক'ম তেনে নহয়। মই বাহিৰৰ দৃষ্টিৰ পৰা যিটো বস্তু দেখিছো সেইটো কথাকে ক'ম। দ্বিতীয় কথাটো হ'ল আমাৰ যেতিয়া এনে ধৰণৰ ধৰ্মৰ সংঘ বহে, তেতিয়া সংঘৰ বা সমূহৰ কাৰ্য কি কি হয়? মহাপুৰুষীয়া ধৰ্মত দেখা দিয়া ব্যতিক্ৰম বা পৰিবৰ্ত্তন সমূহ আমি এক হৈ সেই পৰিবৰ্ত্তন বা ব্যতিক্ৰমবোৰ গুচাই পেলাব পাৰিম বা নোৱাৰিম সেইটো নকওঁ।

এটা কথা আমি দেখা পাইছো মহাপুৰুষে যি সুন্দৰ নীতি, যি সুন্দৰ ধৰ্ম প্ৰচাৰ কৰি গ'ল তাৰ ভৱিষ্যতে আমাৰ অসম দেশখন গঢ়ি থৈ গ'ল। অসমৰ সমাজখন গঢ়ি থৈ গ'ল, আমাৰ শৰীৰত শক্তি দি থৈ গ'ল। এই খিনি লৈয়ে আমি গৌৰৱ কৰো, আৰু সেই সংস্কৃতিৰ যি বিকাশ ঘটিছে আজি ৪ শ ৫ শ বছৰে সেই বিকাশৰ লগে লগে তাৰ মাজত কিবা বিকাৰ ঘটাতো অস্বীকাৰ নকৰিব লগীয়া কথা নহয়। তাৰ লগে লগে এই কথাটোও মন কৰিবলগীয়া কথা যে যোৱা ৪ শ বছৰে ইতিহাসত বহুত পৰিবৰ্ত্তন হৈ গ'ল আৰু সমাজখনো আগৰ দৰে হৈ থকা নাই। ৪ শ বছৰৰ আগতে যেতিয়া মহাপুৰুষ শংকৰদেৱ আছিল তেতিয়া মহাত্মাগান্ধী নাছিল। আজি মহাত্মা গান্ধীয়ে কৈছে—শংকৰদেৱে যিখিনি কাম কৰি থৈ গ'ল সেই কাম ডাঙৰ সংঘ বা মিছনেও কৰিব নোৱাৰে।

সমাজখন এনেধৰণে পবিত্ৰ কৰি থৈ গ'ল আৰু অস্পৃশ্যতা, কু-সংস্কাৰ বিহীন কৰি সমাজক এনেভাৱে শুদ্ধ নিকা কৰি থৈ গ'ল যে তাক ভাবিলে বিস্ময় মানিব লাগে। মহাত্মা গান্ধীয়ে যি ধৰ্ম- ধৰ্ম বুলিয়েই কৈছো -তেওঁ যি ৰাজনীতি আদি কৰিছিল সি ধৰ্মৰ লেখিয়াই প্ৰৱৰ্ত্তন কৰিছিল। সেই ধৰ্মৰ কাৰণে সমাজত উদাৰ ভাৱ সোমাই পৰিছিল। সেই উদাৰ ভাৱৰ কাৰণে আমাৰ মহাপুৰুষীয়া খিনিৰ মাজতে উদাৰতা সোমাই পৰিল আৰু অসমতো আগৰ উদাৰতাৰ লগতে এইখিনি উদাৰতা সোমাই পৰিল। সেইবোৰ আমি গুচাব পাৰিম নেকি? নে সেইবোৰ গুচোৱা উচিত হব নেকি?

জগতৰ যিমানবোৰ ধৰ্ম আছে সেইবোৰ যদি চোৱা যায় তেনেহলে দেখা যায় সকলো ধৰ্মৰে এটা দস্তুৰ আছে। সেই দস্তুৰটো হ'ল সি নিজকে ভাগ ভাগ কৰি দিয়া। বাহিৰৰ পৰা হয়তো মুছলমান সকলৰ যিটো ইচলাম ধৰ্ম তাক আমি একযেন দেখিছো। সি যে এটাহে তাত কোনো সন্দেহ নাই। ইচলাম এটা পোন বাট--সি তেনেকৈ থৈ আছে। কিন্তু আমি এইটো কথা নাজানো যে মুছলমান ধৰ্মৰ মাজতো নানা বিভেদ আছে। তাৰ মাজত তিনিশৰো ওপৰত সম্প্ৰদায় আছে। সেইদৰে শিখ ধৰ্ম। শিখ ধৰ্ম একে যুগৰ ধৰ্ম আৰু মহাপুৰুষৰ সমন্বয়ৰ ধৰ্ম। শিখ ধৰ্ম প্ৰচাৰ কৰিলে গুৰু নানক দেৱে। গুৰু নানক দেৱৰ মৃত্যুৰ পিছত তেওঁৰ নিজৰ পুত্ৰ গুৰু শ্ৰীচান দেৱে। তেওঁ ধৰ্মতো বেলেগ কৰিবৰ কাৰণে যত্ন কৰিলে। তেওঁ নিজৰ অধিকাৰ বিচৰাৰ গতিকে ধৰ্মটো বেলেগ হ'ল। আকৌ সেইদৰে পিছৰ গুৰু সকলৰ দিনটো হৈছিল। বিশেষকৈ তৃতীয়জনা গুৰু যাক তেওঁলোকে তৃতীয় পাটচাহ বুলি কয় তেওঁ হ'ল গুৰু অমৰ দাস। গুৰু অমৰ দাসে শিখ ধৰ্মৰ মাজত যিখিনি ব্ৰাহ্মণ্য ক্ৰিয়া কাণ্ড আছিল তাক তেওঁ গুচাই পেলালে। শিখ ধৰ্মৰ ভিতৰত ব্ৰাহ্মণ্য ক্ৰিয়া কাণ্ড একেবাৰে পৰিস্কাৰ কৰি গুচাই পেলালে। এইবিলাক পৰিবৰ্ত্তন হৈছে—তেওঁলোকৰ দহজন গুৰুক দহজন পাটচাহ বুলি কয় আৰু এই দহজন পাটচাহে যিখিনি কাম কৰিলে এই সকলোখিনি গোটাই তেওঁলোকৰ ধৰ্মটো হ'ল। সেই ধৰ্মটো যদি এটা বিন্দুও ধৰি লয়— আমি ধৰি লওঁ গুৰু নানকৰ দিনতে বা গুৰু অমৰ দাসৰ দিনতে বা অন্ত এজন তাওৰ গুৰু অৰ্জুন দেৱৰ দিনতে যদি এটা সীমা বান্ধি দিয়া যায় তেনেহলে শিখ ধৰ্মৰ ৰংটোৱে বেলেগ হৈ যাব। সেই ধৰ্ম আজিৰ শিখ ধৰ্ম আৰু নহব। সেই

দৰে আমাৰ যিখন সমাজ গুৰুজনে গঢ়ি থৈ গ'ল—এই সমাজখন মহাপুৰুষে কৰাৰ দৰে হয়তো চলি আছে আৰু মাজতে পৰিৱৰ্ত্তনো হৈছে। বৌদ্ধধৰ্ম ইতিহাসত কেইটামান একেধৰণৰ অনুষ্ঠানৰ কথা আছে। আজি যেনেকৈ আমি সমবেত হৈছো—আলোচনা কৰিবলৈ আহিছো যে আমাৰ ধৰ্মত যি কেৰোণ সোমাইছে সেইবোৰ গুচাই নিকা কৰি পেলাওঁ। বৌদ্ধধৰ্মতো তেনেধৰণৰ কেইটামান সংঘ হৈছিল। সেই সংঘ বিলাকক সংগীতি বুলি কোৱা হয়। তেনেকুৱা তিনিটা মহা-সংগীতি হৈছিল। তৃতীয় মহাসংগীতি মহাৰাজ অশোকৰ দিনত হৈছিল। সেই মহাসঙ্গীতি বিলাক হোৱাৰ ফল কি হৈছিল? যেতিয়া প্ৰথম মহাসংগীতি হয় তেতিয়া এটা কথা তেওঁলোকে ঠিক কৰিলে যে আমাৰ গুৰুৰ যি বাণী সেইবিলাক অলিখিত হৈ আছে। এইবোৰ লিখিত ৰূপলৈ আনিব লাগে। সেইবোৰ লিখিত ৰূপলৈ অনাৰ লগে লগে প্ৰভেদ সোমাল। তাতেই মহাজান আৰু হীনযান পন্থাৰ সৃষ্টি হ'ল। গতিকে অনেক সময়ত পবিত্ৰ কৰিবলৈ গৈ অপবিত্ৰ কৰিবলৈ যোৱাৰ দৰেও হয়। গতিকে সকলোখিনি চিন্তা কৰিব লাগে।

আজিৰ অসমীয়া সমাজখন এনেকুৱা দুৰ্বল হৈ পৰিছে—ৰাজনৈতিক ভাৱে দুৰ্বল, সামাজিক ভাৱে দুৰ্বল, অৰ্থনৈতিক ভাৱে দুৰ্বল। এই দুৰ্বল সমাজখনক আৰু যাতে আমি দুৰ্বল নকৰো এইটোৱে গুৰুসকলৰ ওপৰত মোৰ মিনতি। এইখিনি মোৰ ওপৰঞ্চি কথা।

ইয়াৰ পিছত আজিৰ আমাৰ যিটো বিষয় সেইটো হৈছে মহাপুৰুষীয়া ধৰ্ম আদৰ্শমতে একশৰণ তত্ত্ববিচাৰ। এই বিষয়ত মোৰ উত্তৰতো বৰ সহজ যেন লাগিছে এই কাৰণে যে মহাপুৰুষীয়া যিটো ধৰ্ম সেই ধৰ্মৰ নাম মহাপুৰুষীয়া কেতিয়া হ'ল? মহাপুৰুষৰ দিনত নিশ্চয় নাছিল। মহাপুৰুষীয়া ধৰ্ম মানে কি? সাধাৰণতে লৌকিক অৰ্থতে কৰা হয় মহাপুৰুষ শংকৰদেৱে, মহাপুৰুষ মাধৱদেৱে, দুয়োজনা মহাপুৰুষৰ ধৰ্ম সেই কাৰণে মহাপুৰুষীয়া ধৰ্ম। দামোদৰদেৱৰ ধৰ্ম নহয়। সেইটো ভ্ৰান্ত ধাৰণা। এই ধাৰণাৰ কাৰণেই কয় দামোদৰীয়া সকলৰ যিটো ধৰ্ম সেই ধৰ্ম মহাপুৰুষীয়া ধৰ্ম নহয়। এইটো বিভেদকামী মনোভাৱৰ পৰা সৃষ্টি হোৱা কথা। সেই বুৰঞ্জী-সত্য বুৰঞ্জী নহয়। সেই বুৰঞ্জী সুঅৰ্থযুক্ত বুৰঞ্জী নহয়। তেনেকুৱা ধৰণৰ বহুতো শব্দ পিছত যুগুত হৈছিল—আমি মহাপুৰুষৰ শব্দৰ দৰে প্ৰয়োগ কৰো। যেনে 'বৰগীত' শব্দটো। এইটোও মহাপুৰুষৰ যুগুত নাছিল। পিছত

প্ৰয়োগ কৰিছিল। সেইদৰে অঙ্কীয়া নাট। এই নামটোও আমি পিছত প্ৰয়োগ কৰিছো। অঙ্ক শব্দটো মহাপুৰুষৰ দিনত নাছিল। এইবোৰ নাম, এইবোৰ নামকৰণ নতুন নতুনকৈ আহি থাকে। নামকৰণ বিলাকেও অনেক সময়ত ভ্ৰান্তিৰ সৃষ্টি কৰে। মহাপুৰুষীয়া শব্দটো বিশেষ এটা অৰ্থত হুয়টো হব পাৰে। মহাপুৰুষ মাধৱদেৱৰ নামঘোষাৰ বিশেষ এটা ঘোষাৰ পৰা লোৱা হৈছে। য'ত কোৱা হৈছে--

তোমাক কহিবো সেহি মাত্ৰ।

তাক শুনিবাৰ তুমি পাত্ৰ ॥

"মহাপুৰুষৰ সেৱক তুমি সম্প্ৰতি" বুলি মহাৰাজ পৰিক্ষিতক শুকে শুনায়। শুকে পৰিক্ষিতৰ আগত ভাগৱত কৈছিল। ভাগৱতৰ যি তত্ত্ব সি অতি গভীৰ তত্ত্ব—যিকোনো লোকে তাক বুজিব নোৱাৰে। যেয়ে সেয়ে তাৰ ৰসো নাপায়। এইটো ৰসৰ বস্তু। ৰস নাপালে তত্ত্বও বুজি নাপায়। গতিকে এই বস্তুটো তুমি পাবৰ যোগ্য—তুমি যদি এই বস্তুটো পোৱা তেনেহলে তুমি মহাপুৰুষৰ সেৱক হবা। মূল শব্দও আছিল সংস্কৃত 'মহাপৌৰুষিকো ভবান্।" 'তদহং তেহভিধাস্যামি মহাপৌৰুষিকো ভবান্"। মহাপৌৰুষিকো মানে হ'ল মহাপুৰুষীয়া। মহাপুৰুষ মাধৱদেৱৰ সেৱকৰ (তুমি সম্প্ৰতি) পৰা মহাপুৰুষীয়া ধৰ্মৰ নাম হৈছে—সেইটো কথা কব নোৱাৰো। তাৰ ইঙ্গিত কিন্তু ইতিহাসে নিদিয়ে। সেইটো যিয়েই নহওঁক লাগে -মহাপুৰুষৰ যি ধৰ্ম তাৰ নাম মহাপুৰুষে নিজেই দিয়া আছে।

মহাপুৰুষে নিশ্চয় জানিছিল মহাপুৰুষৰ যিজন প্ৰপন্ন শিষ্য। মহাপুৰুষ মাধৱদেৱে নিশ্চয় জানিছিল তেৰাই কি বুলি কৈ গৈছে—

"একশৰণ হৰি নাম ধৰম কহো

ৰাজা কৰো পৰ কাশ।"

শংকৰদেৱৰ ধৰ্মৰ বিষয়ে তেওঁৰ সময়ৰ তেওঁৰ প্ৰিয় মানুহ এজনে কৈ গৈছে—এই ধৰ্মৰ নাম "একশৰণ নাম ধৰ্ম"। গতিকে এক শৰণ হৰি নাম ধৰ্ম কহো ৰাজা—সকলো ধৰ্মৰ ৰজা বুলি কৈছে। ডঃ বাণীকান্ত কাকতিয়ে এঠাইত লেখিছে—এই নাম হ'ল "একশৰণ নাম ধৰ্ম"। যি ধৰ্মটোৰ নামেই একশৰণ নামধৰ্ম—তেতিয়াহলে একশৰণ তাত ক'ত আছে, নে নাই তাত? নাই বুলি তাক কোনোবাই অস্বীকাৰ

কৰিব পাৰিব নেকি? যাৰ নাম এক শৰণ সি এক শৰণেই। এই কথাটো আমাৰ ভুল কৰা হয় আৰু অনেক যুক্তি শুনিব লগীয়া হয়। এক শৰণ বোলা বস্তুটো এটা স্তৰতহে আছে। কোৱা হয় যে প্ৰথম স্তৰত এক শৰণ বোলা বস্তুটো নাইকীয়া। যি সকলে এই ধৰ্মৰ ভিতৰলৈ সোমাই আছে সেই সকলে শৰণত সোমাব নালাগে। লাহে লাহে যেতিয়া উন্নত স্তৰ পায়গৈ তেতিয়াহে এক শৰণৰ ভিতৰলৈ আহে। ই আচলতে নহয়। এক শৰণ আদিতো আছে, মধ্যতো আছে, অন্ততো আছে। সকলোতে একে আছে। এই কথাটো বিশেষ মন কৰিবলগীয়া।

আপোনালোকৰ নীতি নিৰ্দেশনাত এটা কথা দেখা পাইছো—মহাপুৰুষ শংকৰদেৱ, মাধৱদেৱৰ যি গ্ৰন্থ আছে সেই গ্ৰন্থ বিলাকৰ নিৰ্দেশ আমি মানি ল'ম আৰু সেইমতে যদি আমি মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ গ্ৰন্থলৈ চাও আৰু বিশেষকৈ যি চাৰিখন গ্ৰন্থ প্ৰধান বুলি কোৱা হয়—চাৰি পুথি বুলি সাধাৰণ ভাৱে চলা কথা এইটো—কীৰ্ত্তন, দশম, নামঘোষা আৰু ৰত্নাৱলী। এই চাৰিখন পুথি যদি আমি হাতত লওঁ তাতেই সকলো কথা নিস্পত্তি হৈ যায়। ইয়াৰোপৰি মহাপুৰুষ শংকৰদেৱে পণ্ডিত সকলৰ কাৰণে সংস্কৃতত এখন পুথি লেখি থৈ গৈছে। তাৰ ৩৮ টা নিৰ্ণয় নামে অধ্যায় আছে। তাৰ অধ্যায়বোৰ মন কৰিবলগীয়া। প্ৰত্যেকটো অধ্যায়ৰ শেষত যিটো পুষ্পিকা আছে—সেই পুষ্পিকাত এটা কথা বাৰে বাৰে লেখা আছে যে—ইয়াত যিটো কথা কোৱা হ'ল, সেই কথাখিনি শুনি আমি বুজিলো যে একশৰণৰ দ্বাৰা গুৰুসেৱা কৰি, কীৰ্ত্তণ কৰি, শ্ৰৱণ কৰি ইত্যাদি ইত্যাদি আমি ভক্তি লাভ কৰিব পাৰো।

গতিকে একশৰণ বোলা বস্তুটোৰ নামেই একশৰণ সেই বস্তুৰ তিনিওতে (আদি, মধ্য, অন্ত) বস্তুটো আছে। ইয়াত কোনো প্ৰশ্ন কৰিব নালাগে। তুলনাৰ বাবে মই এটা কথাৰ ইংগিত দিব বিচাৰিছো।

সেইটো হ'ল— প্ৰথমে প্ৰণামো ব্ৰহ্মৰূপী সনাতন।
সৰ্ব অৱতাৰৰ কাৰণ নাৰায়ণ॥
তযু নাভি কমলত ব্ৰহ্মা ভৈলা জাত।
যুগে যুগে অৱতাৰ ধৰা অসংখ্যাত॥

এই চাৰিটা শাৰী বুজিবৰ কাৰণে মোৰ বুদ্ধিৰে সৈতে কতদিন যুঁজিব লগীয়া হৈছিল। বছৰ বছৰ যুঁজি তাৰ অৰ্থ পোৱা নাছিলো। যেতিয়া ভক্তি ৰত্নাকৰত ভাগৱতৰ ২য় স্কন্ধৰ নৱম অধ্যায়ৰ ১ম, ২য়, ৩য়, ৪ৰ্থ শ্লোকৰ উদ্ধৃতি কৰা চালো—

তাত এনে ধৰণে কৈছে ব্ৰহ্মাৰ ওচৰত নাৰায়ণে দেখা দিছিল। নাৰায়ণৰ যিটো ৰূপ সেই ৰূপটোৰ কথা তাত কোৱা হৈছে। সেই ৰূপ দেখি ব্ৰহ্মাইভক্তি কৰি কৈছে - তোমাৰ এই যি ৰূপ, সেইটোৱে সত্য ৰূপ আৰু ইয়াৰ বাহিৰে আন যিবোৰ ৰূপ আছে সেইবোৰ অসত্য। সেইবোৰ ৰূপ মায়াৰ সহায়েৰে সৈতে তাক তুমি কৰা। আন দেৱতা সকলৰ ৰূপো তাৰ ভিতৰত পৰিব। পৃথিৱীত কিমান আমি ৰূপ দেখা পাইছো—তৰু, তৃণ, লতিকালৈকে এই খিনি ৰূপ বোলে মায়াৰ ৰূপ। ভগৱানৰ ৰূপ কিন্তু সেইটো মায়াৰ ৰূপ। এই মায়া আঁতৰাবৰ কাৰণে যিখিনি আৰ্জি লাগে সেইখিনি হ'ল এই দেৱতাজনৰ প্ৰতি ভক্তি। এইখিনি কথা পিছত ক'ম। তাৰ আগতে কৈছো-- মায়াৰ পৰা আঁতৰত থকা তোমাৰ এই ৰূপ আজি মই দেখা পাইছো। এই ৰূপ দেখা পাবৰ কাৰণে মই বহুত দিন তপস্যা কৰিব লগীয়া হৈছো। আৰু তপস্যা কৰি আজি মই তোমাক দেখা পাইছো। তোমাৰ এই ৰূপ "অৱতাৰ শতৈক বীজম" ইয়েই এশ অৱতাৰৰ বীজ। ইয়াৰ পৰাই "যুগে যুগে অৱতাৰ ধৰা অসংখ্যাত" এই শাৰীটো আনিছে আৰু তোমাৰ এই ৰূপৰ নাভি কমলৰ পৰাই মই জন্ম হৈছো—ব্ৰহ্মাই কৈছে। তাকে মহাপুৰুষে কৈছে --"তয়ুনাভি কমলত ব্ৰহ্মাভৈল জাত।" আৰু এটা কথা হ'ল যিজন ভজনীয় দেৱতা তেওঁ ব্ৰহ্মশ্ৰী। "প্ৰথমে প্ৰণামো ব্ৰহ্মৰূপী সনাতন"। যিটো পৰম সত্য। যিটো সত্যৰ পৰাই এই জগৎখন স্ৰজন হৈছে। আমি যিবোৰ বস্তু দেখা পাইছো—যদিও বেদান্তৰ মতেদি এইবোৰ অসত্য—তথাপিতো এই সকলো বিসাকৰ ওপৰত—এই দেৱতাজন পৰম ভজনীয় দেৱতা। এই কথাটো নিৰ্ণয় কৰিছে—এই কেইটা শ্লোকৰ মাজেদি এইটো বৰ তাৎপৰ্য পূৰ্ণ কথা। ইয়াৰোপৰি একশৰণৰ বিষয়ে ভক্তি ৰত্নাকৰত নিগু'ণা ভক্তিৰ কথা কৈছে - তাৰ শেষৰ ফালে তিনিটা শ্লোকত—এইখন ভক্তি ৰত্নাকৰ গ্ৰন্থ। নিগু'ণা ভক্তিৰ যিটো অধ্যায় তাৰ শেষৰ ফালে এই কথাটো মই বৰ বিশেষ দৰকাৰী কথা বুলি ভাবিছো। সেই কাৰণে আপোনালোকৰ আগত মই স্থাপন কৰিছোঁ।

তস্মাত্বমুদ্ধৱোৎসৃজ্য নোদনাং প্ৰতি নোদনাম্।
প্ৰবৃত্তিঞ্চ নিবৃত্তিঞ্চ শ্ৰোতব্যং শ্ৰুতমেৱ চ॥
মামেকমেৱ শৰণাত্মানং সৰ্ব্ব দেহি নাম্।
যাহি সৰ্ব্বাত্মভাৱেন ময়া স্যাঃ হ্যকুতোভয়ঃ॥

এই দুইটি শ্লোক একাদশ স্কন্ধ ভাগৱতৰ দ্বাদশ অধ্যায়ৰ শ্লোক। ইয়াত ভগৱান শ্রীকৃষ্ণই উদ্ধৱক কৈছে যে শ্রুতি স্মৃতি প্রবৃত্তি শ্রুতব্য শ্রুতমেব আদি যিমান বোৰ কথা আছে এই আটাইবিলাক পৰিহাৰ কৰা আৰু সকলোবোৰ পৰিত্যাগ কৰি তুমি মোতেই শৰণ লোৱা। শৰণত তুমি অকুত ভয় হবা। কালৈকো শঙ্কা নকৰিবা যে তোমাৰ পতন বা নষ্ট হব। আন প্ৰকাৰৰ ভয় শঙ্কা আদি আতৰাই তুমি মোত শৰণ লোৱা। শেষত গীতাৰ ৰামানুজাচাৰ্যই যিটো শৰণ শ্লোক বুলি কৈছে সেইটো হৈছে—

সৰ্ব্বধৰ্ম্মান্ পৰিত্যজ্য মামেকং শৰণং ব্ৰজ।
অহংত্বাং সৰ্ব্ব পাপেভ্যো মোক্ষয়িস্যামি মা শুচঃ॥

সেইটো দি শেষ কৰিছে— সৰ্বধৰ্ম পৰিত্যাগ কৰা কৈ, সৰ্বধৰ্ম মানে সৰ্ব বৰ্ণ, সৰ্ব আশ্ৰমৰ যিবোৰ ধৰ্ম আছে, বেলেগ বেলেগ যিবোৰ আশ্ৰম আছে; ব্ৰহ্মচৰ্য, গাৰ্হস্থ্য, বানপ্ৰস্থ, সন্ন্যাস। সেইদৰে ব্ৰাহ্মণ, ক্ষত্ৰিয় বৈশ্য, শূদ্ৰ আদিৰ ধৰ্ম আছে— তাৰ শ্ৰুতি স্মৃতি বোৰৰ যিবোৰ বিধান আছে সেইবোৰ পৰিত্যাগ কৰা। এইবোৰ পৰিহাৰ কৰিলে কোনো শাস্ত্ৰই কব যে তোমাৰ দোষ হব প্ৰত্য বায় হব, সেই বিলাকৰ কাৰণে শঙ্কা কৰিব নালাগে। এই শঙ্কাৰ পৰা মই ৰক্ষা কৰিম। আমাৰ মাজত অসমীয়া সমাজত থকা এটা ঘোষা—

মাধৱে বোলন্ত শ্ৰুতি স্মৃতি মোৰ আজ্ঞা ৱাণী জানা নিষ্টি
যিটোজনে আক উলঙ্ঘিয়া প্ৰৱৰ্ত্তয়।
ভৈল সিটো মোৰ আজ্ঞা ছেদী মোক দ্বেষ কৰিলেক আতি
মোৰ ভক্ত হন্তো বৈষ্ণৱ সিটো নোহয়॥

এই চৰ্চা লৈ আমাৰ সমাজ বৰ হুলস্থুল কৰি থাকে। এইটো কথা কৈছে— যি সকলে শ্ৰুতি স্মৃতি নামানে তেওঁলোক মোৰ দ্বেষকাৰী মোৰ শত্ৰু হ'ল। মোৰ আজ্ঞাচ্ছেদ কৰা মানুহ হ'ল। সেই সকল ভক্ত হলেও বৈষ্ণৱ নহয়। ভক্ত হলে বৈষ্ণৱ নহব পাৰে নেকি? ভক্ত হলেই হ'ল নেকি বৈষ্ণৱ হব নালাগে নেকি? ভক্ত হলে বৈষ্ণৱ হবলৈ কিবা বাকী থাকে নেকি? এটা কথা বিশেষ মন কৰিবলগীয়া ভক্তিৰ কিছুমান সাধন আছে—সেই সাধন বিলাক হ'ল— নৱিধা ভক্তিৰ সাধন শ্ৰৱন, কীৰ্ত্তন, স্মৰণ, বন্দন ইত্যাদি এইবোৰ ভক্তিৰ সাধন। কিন্তু শ্ৰুতি আৰু স্মৃতিত যি দিয়া আছে সেই বিলাক ভক্তিৰ সাধন নহয়।

এই বিলাকৰ পৰা যদি কিবা দোষ হয় বৰঞ্চ এইবোৰ দোষ গুচাবৰ কাৰণে ভক্তিৰ সহায় লোৱা হয়। গতিকে ভক্তি সাধনৰ কাৰণে শ্ৰুতিও নালাগে, স্মৃতিও নালাগে। এইটো মনকৰিবলগীয়া ভক্তিৰ সাধন হয় শ্ৰৱণ, কীৰ্ত্তন আদিৰ পৰাই। ভক্তি, তাৰ পৰাই মুক্তি, তাৰ পৰাই তাৰো ওপৰলৈ যায়।

মই আৰু কৰলৈ নাযাওঁ। ইমান খিনি কৈয়েই আজিৰ আলোচনা আৰম্ভ কৰিলোঁ।

× × ×

আচাৰ্য ইলাৰাম দাস : একশৰণ ভাগৱতী সমাজ, অসম।

১৩৯৪ চন ১৪ বহাগত অভিবৰ্ত্তনৰ প্ৰথম দিনৰ অধিবেশনৰ বিষয় বস্তু "একশৰণ তত্ত্ব"ৰ ওপৰত সঞ্চালক শ্ৰদ্ধেয় ডঃ মহেশ্বৰ নেওগদেৱে দিয়া তত্ত্বগধূৰ ভাষণৰ পিছত একশৰণ ভাগৱতী সমাজৰ প্ৰতিনিধি আচাৰ্য শ্ৰীইলাৰাম দাসে বিষয়বস্তুটোৰ তাৎপৰ্য্য ব্যাখ্যা কৰি মুকলি কৰা ভাষণ :

"শ্ৰীমন্ত শংকৰ হৰি ভকতৰ
জানা যৈন কল্পতৰু
তাহান্ত বিনাই নাই নাই নাই
আমাৰ পৰম গুৰু"

পৰম শ্ৰদ্ধেয় তিনিও ৰাজ্যৰ বন্দনীয় পুণ্যক্ষেত্ৰ বৰপেটা থানত অনুষ্ঠিত আজিৰ এই অভিবৰ্ত্তনৰ সঞ্চালক মহোদয়, অসমৰ বিভিন্ন সত্ৰৰ সত্ৰাধিকাৰ প্ৰভুসকল, মহাপুৰুষৰ অনুগামী বিভিন্ন ধৰ্মীয় অনুষ্ঠানৰ পৰা অহা প্ৰতিনিধি বাপ-বান্ধৱ সকল আৰু আজিৰ এই অভিবৰ্ত্তনৰ উদ্যোক্তা তথা আদৰণি সমিতিৰ শ্ৰদ্ধেয় সেৱকসকল।

জয়জয়তে আপোনাসৱৰ শ্ৰীচৰণত এই অভাজনে অৱনত মস্তকে সেৱা জনাইছোঁ। সঞ্চালক মহোদয়ে যি বিষয়বস্তু মুকলি কৰি আমাক যি সিদ্ধান্ত দিছে, এই সিদ্ধান্তই যদি আজি আমাৰ অসমত প্ৰৱৰ্ত্তন হৈ থাকিলেহেঁতেন, আজি আমাৰ মাজত বিশৃংখলতাৰো সৃষ্টি নহয় আৰু আমাৰ মাজত বিভিন্ন দলৰো সৃষ্টি নহ'লহেঁতেন। এই একশৰণ তত্ত্বৰ ভুল ব্যাখ্যাৰ বাবেই আজি অসমত বিশৃঙ্খল অৱস্থাৰ সৃষ্টি হৈছে।

শৰণৰ বিষয়ে আলোচনা কৰাৰ আগতে চিন্তা কৰিব লাগিব শৰণ আগতে আছিল নে নাই। এইটো বিচাৰ কৰিব লাগিব। আজি যি শৰণৰ ব্যাখ্যা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অসমভূমিত দি গৈছে, সেই শৰণ ভাৰতীয় ঋষিমুনিসকলে বেদ-বেদান্তৰ যুগত প্ৰৱৰ্ত্তিত কৰিছিল নে নাই সেই কথা প্ৰথমে বিচাৰ কৰি চোৱা দৰ্কাৰ। প্ৰভুসকল, ভগৱান শ্ৰীকৃষ্ণই অৱতাৰ গ্ৰহণ কৰিলে কিয়? এই প্ৰশ্ন যদি আলোচনা কৰো তেন্তে তাত আমি দেখা পাম—

"পৰিত্ৰাণায় সাধুনাং বিনাশায় চ দুষ্কৃতাম্।
ধৰ্ম্মসংস্থাপনাৰ্থায় সম্ভৱামি যুগে যুগে ॥" গীতা—৪/৮

তেনেহলে ভগৱান শ্ৰীকৃষ্ণই কি ধৰ্মসংস্থাপন কৰিবলৈ আহিছিল, সেইটোৱে প্ৰথম বিচাৰৰ কথা। ইয়াৰ আগতে ভাৰতবৰ্ষত ধৰ্ম নাছিল নেকি? যদি আছিল সেই ধৰ্ম কি ৰূপত আছিল? এই কথা যদি চিন্তা কৰি চাও তেন্তে ভাৰতৰ ধৰ্মীয় ইতিহাস পৰম্পৰাত আমি পামগৈ ভাৰতবৰ্ষত বেদধৰ্ম আৰু তাৰ সত্য উদঘাটন কৰিবলৈ ঋষিসকলে অবিৰাম লাগি গ'ল আৰু তাতেই পালে বেদান্ত বা উপনিষদ ধৰ্মৰ চিন্তা চৰ্চাৰ মৌলিক অংকুৰ। তাৰো কেৱাটাও ভাগ হৈছিল। এই ভাগৰ ভিতৰত মহামুনি ব্যাসকো অৱতাৰ বুলি স্বীকৃতি দি, কপিলকো অৱতাৰ বুলি স্বীকৃতি দি দেৱতাসকলৰ মাজতো এই তত্ত্ব বস্তু লৈ বিভ্ৰান্ত ঘটাইছিল। এই সকলো কথা পণ্ডিতসকলে জানে। ভগৱান শ্ৰীকৃষ্ণই আহি কি কৰিলে, আমাক কি দিলে—

সৰ্বোপনিষদো গাৱো দোগ্ধা গোপাল নন্দনঃ।
পাৰ্থো ব্যাসঃ সুধীভোক্তা দুগ্ধঃ গীতামৃতং মহৎ ॥

সকলো উপনিষদ শাস্ত্ৰ একত্ৰ কৰি উপনিষদৰ সাৰতত্ত্ব নিৰূপণ কৰি গীতাৰূপে ব্যক্ত কৰিছে।

যি গীতা—

"একং শাস্ত্ৰং দেৱকীপুত্ৰগীতম্ একো দেৱ দেৱকীপুত্ৰ এৱ।
কৰ্মাপ্যেকং তস্য দেৱস্য সেৱা মন্ত্ৰোঽপ্যেকঃ তস্য দেৱস্য নাম" ॥

মহাপুৰুষে ইয়াকে ঘোষাত লিখিলে—

"একেখনি মাত্ৰ শাস্ত্ৰ নিষ্ঠ দৈৱকী নন্দনে কৈলা যাক
দেৱো একে মাত্ৰ দৈৱকী দেৱীৰ সুত।

দৈৱকী-পুত্ৰৰ পদ সেৱা কৰ্ম একে এহিমানে মাত্ৰ
মন্ত্ৰ একে তান নাম মাত্ৰ অদভুত ॥

মহাপুৰুষ গুৰুজনাই শাস্ত্ৰৰ উত্তম গীতা ভাগৱত বুলি কৈছে । সেই শাস্ত্ৰত উপনিষদ সমূহৰ যি সাৰতত্ব জুকিয়াই আনিলে মদ্ভাগৱৎ গীতাৰ অষ্টাদশ অধ্যায়ৰ ৬৩ নং শ্লোকত তাৰ শেষ কৰিছে । ভাৰতত যুগে যুগে যিমানবোৰ ধৰ্ম্মতত্ত্ব আলোচনা হৈছে, সকলো ধৰ্মৰ সেই সাৰমৰ্ম অষ্টাদশ অধ্যায়ৰ ৬৩ নং শ্লোকত তাৰ সমাপ্তি ঘটিছে । সেয়েহে অৰ্জুনক বুজাই কৈছে হে অৰ্জুন,

"ইতি তে জ্ঞানমাখ্যাতং গুহ্যাদ গুহ্যতৰং ময়া ।
বিমৃশ্যৈতদশেষেন যথেচ্ছসি তথা কুৰু ॥"

যিমানবোৰ গুহ্য আৰু গুহ্যতৰ কথা কলো তাৰ ভিতৰত তুমি যি ভাল দেখা তাকে কৰা । অৰ্জুন বিদগ্ধ পণ্ডিত । তেওঁ প্ৰশ্নৰ পিছত প্ৰশ্ন কৰিছে । তাৰ উত্তৰ স্বৰূপে দৈৱকীনন্দন কৃষ্ণই কোৱা গীতাৰ সৃষ্টি হৈছে । এইদৰে প্ৰশ্ন কৰি অৰ্জুন শেষত হতবাক্ হ'ল ।

ঈশ্বৰঃ সৰ্বভূতানাং হৃদ্দেশে অৰ্জুন তিষ্ঠতি ।
ভ্ৰাময়ন সৰ্ব্বভূতানি যন্ত্ৰাৰূঢ়ানি মায়য়া ॥

জীৱৰ অন্তৰদেশত এনে এটা শক্তি লুকাই আছে ; পানীৰ জাহাজ যেনেকৈ পাৰৰ পৰা আহি থকা দেখো কিন্তু নাবিকক নেদেখো সেইদৰে প্ৰত্যেক জীৱৰ ভিতৰত যি যান্ত্ৰিক লুকাই আছে সেই যান্ত্ৰিকেই হৈছে ঈশ্বৰ । তাৰ পিছত কলে—

"তমেৱ শৰণং গচ্ছ সৰ্ব্বভাৱেন ভাৰত ।
তৎপ্ৰসাদাৎ পৰাং শান্তিং স্থানং প্ৰাপ্সসি শাশ্বতম্ ॥"

হে অৰ্জুন, সমস্ত জীৱৰ ভিতৰত অন্তৰ্নিহিত শক্তিৰূপে যি যন্ত্ৰী লুকাই আছে, তেওঁতেই শৰণ লোৱা । তেওঁ তোমাক শান্তি দিব, তেওঁ তোমাক অব্যয় স্থান দিব । অৰ্জুন হতভম্ভ হ'ল, অৰ্জুনৰ মাত হৰিল । অৰ্জুন বাক্হীন পুতলা হোৱাৰ পিছত এই শ্লোক আহিছে । তেনেহলে মই গীতাৰ পৰিসমাপ্তি কৰিলো অৰ্জুন ।

ইতি তে জ্ঞানমাখ্যাতং গুহ্যাদ্ গুহ্যতৰং ময়া ।
বিমৃশৈতদশেষেন যথেচ্ছসি তথা কুৰু ॥

ইয়াৰ পিছত অৰ্জুনে প্ৰশ্ন কৰিব লাগিছিল । তুমি গুহ্য বা গুহ্যতৰ কথা মোক ক'লা । গুহ্যতম্ কিবা আছেনে ? কিন্তু সেই প্ৰশ্ন অৰ্জুনৰ কৰা নহ'ল । এতিয়া তেওঁ নিজে কৃপা কৰি কৈছে—

"সৰ্বগুহ্যতমং ভূয়ঃ শৃনু মে পৰমং ৱচঃ।
ইষ্টোঽসি মে দৃঢ়মিতি ততো ৱক্ষ্যামি তে হিতম্ ॥

সবাতকৈ যিটো গুহ্যতম তত্ত্ব সেইটো মই তোমাক কৃপা কৰি কও শুনা, যিহেতু তুমি মোৰ অতি প্ৰিয়। তেতিয়া একশৰণৰ কথা কৈছে-

"মন্মনা ভৱ মদ্ভক্তো মদ্‌যাজী মাং নমস্কুৰু।
মামেৱৈষ্যসি সত্যংতে প্ৰতিজানেপ্ৰিয়োঽসি মে ॥

এইটো ভগৱন্তৰ নিজৰ মুখ নিসৃত বুলি আটায়ে তাক একবাক্যে স্বীকাৰ কৰিছে। এই তত্ত্ব ভাৰতবৰ্ষত কোনো যুগতে কোনো ঋষিমুনিয়ে উদঘাটন কৰা নাছিল। সেই কাৰণে ই গুহ্যতকৈও পৰম গুহ্যতম। সেয়ে ভগৱান কৃষ্ণই কৈছে— 'হে অৰ্জ্জুন, মই সেই পৰম গুহ্যতম তত্ত্ব তোমাক কম। মোতে হৃদয় অৰ্পণ কৰা, মোকে পূজা, মোকে নমস্কাৰ কৰা, মই সত্য প্ৰতিজ্ঞা কৰি কৈছো তুমি মোকেই পাবা।" তাৰ পিছৰ শ্লোকত কৈছে—

সৰ্বধৰ্ম্মান্ পৰিত্যজ্য মামেকং শৰণং ব্ৰজ।
অহং ত্বাং সৰ্ব্বপাপেভ্যো মোক্ষয়িষ্যামি মা শুচঃ ॥

এই শ্লোকৰ অৰ্থ আমাৰ সঞ্চালক চাবে কৈ গৈছে। তথাপি মহাপুৰুষৰ ভাষাতে মই কব খুজিছোঁ। আমাৰ মাজত খেলিমেলি ইমানেই যে সৰ্বধৰ্ম্ম এৰিব লাগে। কিন্তু সৰ্বধৰ্ম এৰি একশৰণত প্ৰৱেশ কৰিবলৈ, একশৰণ হোৱাৰ পিছত সৰ্বধৰ্ম্ম এৰিব ? এইটো আমাৰ আটাইতকৈ ডাঙৰ সমস্যা। এক শ্ৰেণীৰ গুৰু, ভক্ত পণ্ডিত মণ্ডলীয়ে কৈছে আমাৰ যিমানবোৰ বিধিকিংকৰ ধৰ্ম্ম আছে বেদে বিধান কৰা যি ধৰ্ম আছে তাক এৰি যদি আমি ভগৱানৰ ওচৰলৈ যাও তেতিয়া একশৰণ হব। আজি সঞ্চালক মহোদয়ে কৈছে যে এই হৰিনাম ধৰ্ম আৰম্ভনিতে আছে, মাজতো আছে আৰু অন্তিমতো আছে।

শৰণৰ পিছত যে সাধন আছে এই কথা ঠিক। শৰণ লোৱাৰ পিছত তাৰ কাম শেষ হ'ল এনে কথা নহয়। তাৰ পিছত ভক্তি আছে। কিন্তু ভক্তি আৰম্ভ সৰ্বধৰ্ম এৰি যায় কৰিব কেনেকৈ ? সৰ্বধৰ্ম লগত লৈ ভক্তি কৰিব ? এইটোৱে আজিৰ প্ৰধান প্ৰশ্ন। এই কথাৰ উত্তৰত ভগৱন্ত কৃষ্ণই এই কথা কৈছে—

"সৰ্ব্বধৰ্ম্মান্ ইতিটীকা মদ্ভক্তৈৰ সৰ্ব্বং ভৱিষ্যতীতি
দৃঢ়বিশ্বাসেন বিধিকৈঙ্কাৰ্য্যং ত্যক্ত্বা মদেকশৰণো ভৱ ॥"

এইটো শ্লোকৰ অর্থ ইয়াত সুন্দৰকৈ অনুবাদ কৰিছে যে সর্বধর্ম ত্যাগ কৰি গলেহে আমি ভক্তিত আগবাঢ়িব পাৰিম।

সমস্ত গীতাৰ সাৰ উদ্ধাৰিয়া আনি।
অর্জ্জুনত কৃপায়ে কহন্ত চক্রপানি॥
বোলন্ত অর্জ্জুন শুনা বান্ধৱ পৰম।
কহো গুহ্যতমতো পৰম গুহ্যতম॥

কি গুহ্যতম তত্ত্ব ক'লে—

সুদৃঢ় বিশ্বাসে হেন কৰিয়া বুদ্ধিত।
সিজয় সমস্ত ধর্ম মোৰ ভকতিত॥
তেজি বিধি কিংকৰ যতেক ধর্মগণ।
মোতেহে কেৱল এক হয়োক শৰণ॥
কর্মত্যাগ নিমিত্তে সিজন পাপচয়।
ইটো শোক নকৰিবা তুমি ধনঞ্জয়।
যিহেতু আমাত তুমি লৈলাহা শৰণ।
সৱ পাপ হন্তে মই কৰিবো ৰক্ষণ॥

কাৰণ বিধি কিংকৰ ধর্মসমূহ ত্যাগ কৰিলে তোমাৰ পাপ হব বুলি যদি সন্দেহ কৰিছা, মোৰ চৰণত শৰণ লোৱাৰ বাবে মই তোমাক সমস্ত পাপৰ পৰা ৰক্ষা কৰিম। এই শ্লোকৰ অর্থ একাদশ স্কন্ধত অন্য এটা শ্লোকে ইয়াতকৈ সুন্দৰ উদাহৰণ ডাঙি ধৰিছে। উদাহৰণটো হৈছে—

আজ্ঞায়ৈবং গুণান্ দোষান্ময়াহ দিষ্টানপি স্বকান্,
ধর্ম্মান্ সন্তজ্য যঃ সর্ব্বান্ মাং ভজেত স সত্তমঃ।

ওপৰত কর্মভক্তি সাধকসকলৰ কথা কৈছে। প্রথমে কর্মভক্তি কৰিব পাৰে। তাত সন্দেহ নাই। ভাৰতত বিভিন্ন ভক্তি আছে। এই ভক্তিৰ মাজতো বহুত ধাৰা আছে। যাৰ মাজত কলি যুগৰ জীৱৰ বাবে অল্পজ্ঞান, অল্পমেধা, অল্পস্মৃতি সম্পন্ন লোকৰ বাবে এইটো কলে যে বেদবিহিত ধর্মবোৰ মোৰ আজ্ঞা বাণী হয়।

শুনা প্রাণ সখি বেদৰূপে মই
কহি আছো ধর্মগন।
আচৰিলে গুণ নাচৰিলে দোষ
জানি তাক যি জন॥

ভকতিত সবে ধৰ্ম্ম সিদ্ধ হৈবে
কৰিয়া দৃঢ় নিশ্চয় ।
তেজি ধৰ্ম যিটো মোক ভজে সিটো
সেই সাধু মহাশয় ॥

বেদধৰ্মৰ বিপৰীতে কোৱা হৈছে । বেদধৰ্ম ত্যাগ কৰি যদি মোৰ ভজনা কৰে সেহি সাধু মহাশয় । এই কথা একাদশ স্কন্ধ ভাগৱতত কোৱা হৈছে । সঙ্কালক চাবে এটি শ্লোক মাতিছে, সেই শ্লোকটি হ'ল—

মাধৱে বোলন্ত শ্ৰুতি স্মৃতি মোৰ আজ্ঞা বাণী জানা নিষ্টি
যিটোজনে আক উলঙ্ঘিয়া প্ৰৱৰ্ত্তয় ।
ভৈল সিটো মোৰ আজ্ঞা ছেদী মোক দ্বেষ কৰিলেক আতি
মোৰ ভক্ত হন্তো বৈষ্ণৱ সিটো নোহয় ॥

এই শ্লোকটো বৃহৎ বামণ পুৰাণৰ শ্লোক । এইটো বামণৰূপী ভগৱানে কোৱা শ্লোক ।

শ্ৰুতিস্মৃতি মমৈৱাজ্ঞে যস্তুল্লঙ্ঘ্য প্ৰৱৰ্ততে ।
আজ্ঞাচ্ছেদী মম দ্বেষী মদ্ভক্তোঽহপি ন বৈষ্ণৱঃ ॥
(বৃহদ্বামন পুৰাণ)

ভগৱন্তৰ অৱতাৰ সমূহৰ ভিতৰত কৃষ্ণক পূৰ্ণ অৱতাৰ বুলি কোৱা হৈছে—

মৎস্য কূৰ্ম নৰসিংহ বামণ পৰশুৰাম
হলিৰাম বৰাহ শ্ৰীৰাম ।
বুদ্ধ কল্কি নামে দশ আকৃতি ধৰিছা কৃষ্ণে
তযু পায়ে কৰহো প্ৰণাম ।

অংশ অৱতাৰ সমূহ পৃথিৱীলৈ আহি সেই সময়ৰ দেশ কালৰ লগত সম্পৰ্ক ৰাখি নীতি নিৰ্দেশনা দি থৈ গৈছে । কিন্তু ভগৱন্ত কৃষ্ণ শেহতীয়া অৱতাৰ । গতিকে বামণ পুৰাণৰ শ্লোকটো যদি কৃষ্ণৰ শ্লোকটোৱে খণ্ডন কৰে তেন্তে আমি কোনটো গ্ৰহণ কৰিম । ভগৱান কৃষ্ণই শ্লোক মাতিছে—

তস্মাৎত্বমুদ্ধৱোৎসৃজ্য নোদনাং প্ৰতিনোদনাম্ ।
প্ৰবৃত্তিঞ্চ নিবৃত্তিঞ্চ শ্ৰোতব্যং শ্ৰুতমেৱচ ॥

নোদনাং প্ৰতিনোদনাম্ শ্ৰুতিসমূহ আৰু স্মৃতিসমূহ । বেদবিহিত যিমান শ্ৰুতি স্মৃতি আৰু অন্যান্য যত গ্ৰন্থ আছে, এই চাৰিফাকি পদ শংকৰদেৱে হুবহু অনুবাদ

কৰিছে। তস্মাৎ এতেকে ত্বমুদ্ধবোৎসৃজ্য উদ্ধৱ তুমি ত্যাগ কৰা নোদনাম্ শ্ৰুতি-সমূহ আৰু প্ৰতিনোদনাম্ স্মৃতিসমূহ।

এতেকে উদ্ধৱ তুমি তেজা বেদ পন্থ।
যিবা জানা শুনা মানে এবা আন গ্ৰন্থ॥
এক মাত্ৰ মোত তুমি লৈয়োক শৰণ।
নকৰিবা ভয় মই কৰিবো ৰক্ষণ॥

এতেকে বামণ পুৰাণৰ শ্লোকে যদি শ্ৰুতি স্মৃতিৰ কথা কৈছে, মাধৱদেৱ পুৰুষে কৰা অৰ্থ অৱশ্যে বেলেগ হ'ব। সেই অৰ্থৰ ব্যাখ্যালৈ মই যোৱা নাই। পিছলৈ যদি সময় পাওঁ সেই সম্বন্ধে মই ব্যাখ্যা কৰিম। বামণ পুৰাণৰ শ্লোকত সেই সময়ৰ দেশ কাল পাত্ৰৰ ওপৰত ভিত্তি কৰি সকলো কথা চাইছিল। কলিযুগৰ জীৱৰ কাৰণে য'ত মানুহৰ বয়স নিচেই চুটি, শৌৰ্য, ধৈৰ্য নিচেই কম। মই বেছি কথা নকওঁ তথাপিও কব খুজিছোঁ যে এটা অন্ধকাৰ কোঠালীত প্ৰৱেশ কৰিবলৈ হলে প্ৰদীপ প্ৰজ্বলিত কৰি লব লাগিব। মহাপুৰুষৰ ধৰ্মৰ ভক্তি প্ৰদীপ জ্বলিছে ক'ত? যি শাস্ত্ৰত ভক্তিৰ সূত্ৰ আৰম্ভ হৈছে তাতেই ভক্তিৰ প্ৰদীপ জ্বলিছে। এই ভেটিৰ ওপৰত যদি জীৱ প্ৰতিষ্ঠিত নহয় ভক্তি প্ৰদীপ শাস্ত্ৰৰ মাজেৰে (মাধ্যমেৰে) যদি ভক্তি কৰিব নোৱাৰে তেন্তে তেওঁ কেতিয়াও ভক্তি কোঠালীত প্ৰৱেশ কৰিব নোৱাৰিব।

"সেহি একশৰণ ভজন অনুপাম।
কৰ্ণে নুশুনয় আন একো দেৱতাৰ নাম॥

প্ৰভু সকল ভগৱন্ত কৃষ্ণই অৰ্জুনক কৈছে—

একচিত্তে তুমি মোক মাত্ৰ কৰা সেৱ।
পৰিহৰা দূৰতে যতেক আন দেৱ॥
নলঙ্ঘিবা মোহোৰ বাক্যক মহাভাগ।
দেৱৰ ধৰ্মক মানে কৰা পৰিত্যাগ॥
হুয়োক শৰণাপন্ন একে মোত মাত্ৰ।
মোক ভজি হুইবা মোৰ মুকুতিৰ পাত্ৰ॥
নাম নুশুনিবা তুমি আন দেৱতাৰ।
যেনমতে নুহিকে ভকতি ব্যভিচাৰ॥ (ভক্তি প্ৰদীপ)

অৰ্জুনৰ ওচৰত কৰ্ম ভক্তিৰ সিদ্ধান্ত দিছিল। আজি অসমৰ সাধু সন্ত মহন্তসকলে বুজিব পৰাকৈ অৰ্জুনক ভগৱন্ত কৃষ্ণই কৈছিল।

"হেন শুনি প্ৰত্যুত্তৰ দিলন্ত মাধৱ।
শুনা ভাগৱত ধৰ্ম মধ্যম পাণ্ডৱ॥
হুয়া শৌচ কৰা নিত্যে মনক সংযম।
দিবা দান সমস্ততে বুদ্ধি কৰি সম॥
পৰৰ ধৰ্মক নিহিংসিবা কদাচিত।
কৰিবা ভূতক দায়া সকৰুণ চিত্ত॥
হুইবা শান্ত চিত্ত সৰ্ব ধৰ্মত বৎসল।
এহি ভাগৱত ধৰ্ম জানা মহাবল॥

এই কথা শুনি অৰ্জুনে চিন্তাত পৰি কলে—

"যি মতে দুষ্কৰ কৰি কহিলা সম্প্ৰতি।
ভাগৱত ধৰ্ম সমে যাইবো অধোগতি॥
পুত্ৰ দাৰা শৰীৰত আছে যাৰ মতি।
ই কৰ্ম কৰিবে পাৰে কাহাৰ শকতি॥
ভৈলো শিষ্য লৈলো তয়ু চৰণে শৰণ।
কহিয়ো সুগম পথ নাথ নাৰায়ণ॥

হে প্ৰভুসকল, যাৰ পুত্ৰ দাৰা, কন্যা, সংসাৰ দেহগেহত স্নেহ মমতা আছে, তেওঁ এই কঠোৰ কৰ্মভক্তি পালন কৰিব পাৰিব জানো? নোৱাৰে। গতিকে মোক সহজ উপায় দিয়া তাৰ উত্তৰত কৈছে·········

"এৰি বিধি কিংকৰ ধৰ্মৰ সৰ্বকাম।
সুদৃঢ় বিশ্বাসে স্মৰা মোৰ কৃষ্ণ নাম॥
মহাযজ্ঞ দান জপ তপ তীৰ্থ ব্ৰত।
পৰম ৰহস্য ধৰ্ম যাগযজ্ঞ যত॥
অশ্বমেধ ৰাজসূয় সুকৃতি পৰ্যন্তে—।
সমস্তে উপজে কৃষ্ণ কৃষ্ণ উচ্চাৰন্তে॥
কৃষ্ণ কৃষ্ণ মহা কৃষ্ণ বুলিয়া সুমৰে।
মহা সৰ্ব কোটি জনমৰে পাপ হৰে॥

হে প্ৰভুসকল সময় শেষ হৈ আহিল। এটা গধুৰ বিষয়ৰ ওপৰত ব্যাখ্যা দিবলৈ মাত্ৰ ২০ মিনিট সময় বান্ধি দিয়া হৈছে। ২০ মিনিট সময়ত এনে এটা গধুৰ বিষয়ৰ সকলো দিশ সামৰি লৈ বিচাৰ কৰাটো সম্ভৱপৰ নহয়। তথাপি

এই অভাজনকে যেতিয়া বিষয়টো মুকলি কৰিবলৈ দিলে, সময় বহুত কম হলেও দু-আষাৰ কলো। গুৰুসকল, যিয়েই নহওক, মূঠতে মই ইমানকে কব খুজিছো যে কলিযুগৰ ধৰ্ম বিচাৰ কৰিলেহে শংকৰদেৱৰ ধৰ্মৰ আঁত ওলাব। আদি সত্যযুগত এজন মুনিয়ে ১০০০ (এক হাজাৰ) বছৰ তপস্যা কৰিছিল। তেওঁৰ আগত শিৱই দিয়া বাণী এটাৰ অনুবাদ কৰি কেনেকৈ বুলি অনুবাদ সাহিত্যৰ পৰা সেই শ্লোক মাতা যায়?

"সংসাৰৰ বন্ধে হৈবা হীন।
তেবে চিত্ত মোতে যাইবা লীন ॥

ইয়ো ভগৱান কৃষ্ণৰ বাণী। কিন্তু কোন বাণী কাৰ কাৰণে। কৰ্ম ভক্তি সাধক সকলৰ বাবে। কলিযুগৰ জীৱৰ বাবে ধৰ্ম বিচাৰ কৰা লোকে কলিৰ যুগধৰ্ম নিৰ্ণয় কৰি লব লাগিব। মানুহৰ স্বভাৱ, চৰিত্ৰ, স্মৃতি, মেধা, আয়ুবল, শৌৰ্য বীৰ্য কিমান সেই কথা চিন্তা কৰিব লাগিব। গীতাৰ অষ্টাদশ অধ্যায়ত ১৮।৪৪।৪৭ নং শ্লোক-লৈকে ভগৱান শ্ৰীকৃষ্ণই জগতত জাতি ধৰ্ম প্ৰচাৰে কৰিছে। ব্ৰাহ্মণ সকলৰ কি কাম, ক্ষত্ৰিয় সকলৰ কি কাম আৰু বৈশ্যসকলৰ কি কাম। মাত্ৰ তেওঁলোকে গোপালন কৰা আৰু কৃষি কৰা। শূদ্ৰৰ কাম তেওঁলোকে পৰিচাৰ্যা কৰাৰ বাহিৰে কোনো ধৰ্মাচৰণ কৰাৰ আধিকাৰ নাই। কিন্তু পুনৰ কলে –

মাংহি পাৰ্থ ব্যাপাশ্ৰিত্য যেহপিস্যুঃ পাপযোনয়ঃ।
স্ত্ৰীয়ো বৈশ্যাস্তথা শুদ্ৰাস্তেহপি যান্তি পৰাং গতিম্ ॥

আমাৰ নিৰ্মল ভকতিত দুৰাচাৰো তবে কোন চিত্ত
আমাক ভজিয়া চাণ্ডালো তৰে সংসাৰ।
স্ত্ৰী শূদ্ৰ বৈশ্য আদি ৰ'ত বিষয়ত মাত্ৰ সদা ৰত
মোক ভজি সুখে ইসবো হোৱে উদ্ধাৰ ॥

বৈশ্য আৰু শূদ্ৰ এইসকল যুগে যুগে পতিত। তেওঁলোকে বেদ পঢ়িব নোৱাৰে।

মাধৱে বোলন্ত ধনঞ্জয় মহা দুৰাচাৰো আতিশয়
আন দেৱ তেজি মোকেহে মাত্ৰ ভজয়।
তাকেশে পৰম সাধু বুলি মানিবা মনত সৰ্বক্ষণে
যিহেতু সম্যকে কৰিলে মোক নিশ্চয় ॥

বেদ শব্দটোৱে আমাৰ মাজত আউল লগাইছে। বেদ দুই অৰ্থত ব্যৱহাৰ হৈছে। এটা শব্দই ঘোষণা কৰিছে জ্ঞানমাৰ্গ উপনিষদ সমূহক। অন্য বেদ শব্দই ঘোষণা কৰিছে কৰ্মকাণ্ডক। আমি যদি দুটা বেদ শব্দ বিচাৰ কৰো কোনটো বেদ শব্দই কৰ্মকাণ্ডক বুজাইছে? কোনটো বেদ শব্দই জ্ঞানকাণ্ডক বুজাইছে?

ইয়াক নির্ণয় নকৰি প্ৰতিটো বেদ শব্দই যদি কৰ্মকাণ্ডকে বুজোৱা বুলি ধৰো তেন্তে যুগধৰ্ম নিৰ্ণয়ত আমাৰ দিক ভ্ৰম হৈ যাব।

এতেকে গুৰুসকল, আজি আমি যি ধৰ্ম্ম আলোচনা কৰিব বিচাৰিছো, এই ধৰ্মটো হৈছে মহাপুৰুষে দিয়া অতুলনীয় দান।

"ভকতি ভাণ্ডাৰ দ্বাৰসব ছোড়ি
মুকুতি কয়লি উদাস।
একশৰণ হৰি নাম ধৰম কহোঁ
ৰাজা কৰু পৰকাশ॥"

মুক্তিৰ কাৰণে কামনা কৰি জীৱই ভকতি কৰে। কিন্তু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে মুক্তিৰ প্ৰতি জীৱক উদাসীন কৰিলে। মুক্তি গৌণ হৈ গ'ল। ভকতিৰ সকলো দুৱাৰ খুলি দিলে। দুই এখন দুৱাৰহে অন্য যুগত খোলা আছিল। কলি যুগত সকলো দুৱাৰ খুলি দিলে।

"সবধৰমকহোঁ ৰাজা কৰু পৰকাশ।"

সকলো ধৰ্মৰ ওপৰত ৰাজাধৰ্ম্ম। কলিৰ জীৱৰ কাৰণে একশৰণ হৰিনাম ধৰ্ম আনিলে। ঋষিসকলে ভাৰতবৰ্ষত যি শ্ৰুতিস্মৃতিৰ ব্যাখ্যা কৰিছে চাওক—

"আদিসত্য যুগে শুদ্ধধৰ্ম আছিলেক মাত্ৰ হৰিনাম
দেৱসৱে গুপ্ত কৰিলে কৰি কপট।
হেন হৰিনাম ব্যক্ত কৰি সমস্তে ক্লেশক উদ্ধাৰিলা।
শ্ৰীমন্তশংকৰে ভাঙিলা সবাৰো পট॥"

"মহা ব্ৰহ্মবধ যদি কৰে নৰে।
কৃষ্ণৰ সেৱাই তাক তাৰিবেক পাৰে॥

এই অৱস্থা দেখি ভকতি কেনেকৈ কৰিব তাৰ চিন্তা কৰিব ধৰিলে—

"কেনমতে কৃষ্ণৰ ভকতি হোৱে।"

অৱশেষত 'নাম মালিকাৰ' পদ দিছে। এই পদেৰে সংশোধন কৰি জীৱক পুনৰ ঈশ্বৰমুখী কৰাই মহাপুৰুষীয়া ধৰ্ম। মই মাত্ৰ বিষয়টো মুকলি কৰিলো। হে প্ৰভুসকল মই পণ্ডিত নহওঁ। গুৰু সত্ৰাধিকাৰ প্ৰভুসকলে আমাৰ ধৰ্মবস্তু দি আহিছে। তেখেতসকলক আমি অস্বীকাৰ কৰিব নোৱাৰো। প্ৰেম আৰু সাম্যভাৱে যি চৰম সত্য তাক যেন আমি সকলোৱে মিলি বিচাৰ কৰিব পাৰো। এই মহান উদ্দেশ্যত পৰমেশ্বৰে যেন আমাক সহায় কৰে। সৰ্বশেষত জগৎ গুৰুজনাৰ কৃপা বিচাৰি মোৰ ভাষণৰ সামৰণি মাৰিলো।

'জয় গুৰু শঙ্কৰ'

শ্ৰীগৌৰিকান্ত গোস্বামী : সত্ৰাধিকাৰ, জৰাবাৰী সত্ৰ।

একশৰণ বোলোতে কৃষ্ণৰ শৰণকেহে বোলে। বেদৰ জ্ঞানকাণ্ড কৰ্মকাণ্ড এই দুটাৰ ভিতৰত এটাৰো প্ৰয়োজন নাই। একশৰণ ধৰ্ম আজিৰ পৰা ৫০০ বছৰৰ আগতে পৰম মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনে যি দি থৈ গ'ল তাক আৰু আজি নেলেগে সিদ্ধান্ত কৰিবলগীয়া নাই। মহাপুৰুষীয়া ধৰ্মটো সংস্কাৰ কৰিবলৈ মাত্ৰ দুটা দিশ। কোনোবাই ব্যভিচাৰ কৰিছে তাক ত্যাগ কৰাটো নহয়—সংস্কাৰ কৰি লোৱাটোহে। শংকৰদেৱ মহাপুৰুষৰ একশৰণ ধৰ্মত এক কৃষ্ণত শৰণৰ বাহিৰে অন্যত শৰণ হব নালাগে। এক শব্দটো বুজিছেই—তাক নকওঁ। কেৱল এক কৃষ্ণত শৰণ। এই এক শৰণ ধৰ্ম কৃষ্ণদেৱে প্ৰচাৰ কৰিছে। ভাগৱতৰ একাদশ স্কন্ধত উদ্ধৱৰ আগত, গীতাত অৰ্জুনৰ আগত আৰু নাৰদৰ আগত শিৱই—এই তিনি ঠাইতেই আমি উল্লেখ পাইছো। যদিও বেদান্তত আমাৰ আচাৰ্য দাসদেৱে সামান্যভাৱে বেদান্তৰ কথা উল্লেখ কৰি গৈছে- ব্ৰহ্মৰ কথা কৈছে— "ব্ৰহ্মেতি পৰমাত্মেতি ভগৱানেতি শব্দতে" বুলি কৈছে। সেই ব্ৰহ্মক মহাপুৰুষ শংকৰদেৱে ধ্যান বা সমাধিৰ দ্বাৰাই আমাক উপাসনা কৰিব দিয়া নাই। কাৰণ—

মহাজ্ঞানী জনে ব্ৰহ্ম চিন্তে যদি
হৰিৰ নাম নলয়ে।
সিও ভ্ৰষ্ট হোৱা, নৰকত পৰে
চাৰি বেদে হেন কহে ॥

মহাপুৰুষৰ শৰণ ধৰ্ম লৈ যদি অনাচাৰৰ ওপৰত প্ৰবৰ্তিত হয়— সেইটো একশৰণ ধৰ্ম হব নোৱাৰে। গুৰুজনাৰ একশৰণ ধৰ্মত ঘাটে ঘাটে পানী খাই ফুৰিলে তাৰ সেইটো শৰণ নাথাকে। বাহিৰে আমি একশৰণৰ কথা কৈছো, টানত পৰিলে কোনো অসুবিধা হলে যেনিয়ে বা তেনিয়ে যোৱা যায় তেনেহলে সেইটো একশৰণ নহল। সেই একশৰণ ধৰ্ম ৰক্ষা কৰিবলৈ হলে শংকৰদেৱ মাধৱদেৱে যি পথ দি গৈছে— এক কৃষ্ণদেৱত শৰণ। কৃষ্ণদেৱত শৰণ হলেই হ'ল।

মোৰ ল'ৰা-ছোৱালী আছে— সিঁহতক ভকতীয়া কৰিব লাগিব। আত্ম-সংযম, ইন্দ্ৰিয় নিগ্ৰহ, নিজক বিবেকৰ দ্বাৰা, বৈৰাগ্যৰ দ্বাৰা চলাব লাগিব। এক-শৰণ ধৰ্ম কৰি থাকোতেই যদি ওলতি যাবলগীয়া হয় তেনেহলে একশৰণ ধৰ্ম নাথাকিব। এটা বস্ত্ৰ এৰিলেই একশৰণ হ'লনে? ক্ৰমান্বয়ে আগবাঢ়ি যাব লাগিব। কোনোবা

এজন যদি একশৰণৰ বাহিৰে যায় তেওঁ বাচিব নে ? তেওঁ মৰিব। তাক ভাল-দৰে মাতি আনিব লাগিব। অ' বোপাই এইফালে আহ। তাক বুজাই যাওঁতে যাওঁতে ক্ৰমান্বয়ে সি শুদ্ধ পথলৈ আহিব। যদি বাধ্য হয় তেন্তে তাৰ কলেবৰ বৃদ্ধি হব। সি কমি নাহি ভক্তি তাৰ বৃদ্ধি হব। তাক বাদ দি অন্য পথে যায় তেনে নহব।

সত্ৰীয়াসবৰ কথা - সত্ৰীয়াসকলে এক কৃষ্ণ দেৱ আৰু শংকৰদেৱৰ বাহিৰে আমি ভাবো অন্য কথা কব নোৱাৰে। যদি কোনোবাই কৈছে সেইটো সচ্চ হোৱা নাই। এই মহাপুৰুষীয়া ধৰ্ম কৃষ্ণদেৱ শংকৰদেৱৰেই মূল তত্ব বস্তু। শ্লোক পদ আমাৰ আচাৰ্যদেৱে গায়ে গৈছে— সেইবোৰ আৰু গায় থকাৰ প্ৰয়োজন নাই। গতিকে মহাপুৰুষীয়াসকলে শংকৰদেৱক ভাল পাওঁ, কৃষ্ণদেৱক আমি গ্ৰহণ কৰিছো। সেই কথাতে বৰ্ত্তি আছো। "কৃষ্ণৰ কথাত যিটো ৰসিক, ব্ৰাহ্মণ জন্ম তাৰ লগে কিক।" ইয়াত ব্ৰাহ্মণ কেলেই। ব্ৰাহ্মণ মুখেৰেহে হব পাৰে, উপাধি ব্ৰাহ্মণ নহয়। যদিও "ব্ৰহ্মক জানাতি ব্ৰাহ্মণ" বুলি কৈছে— ইয়াত বহুত কথা আছে। কৃষ্ণৰ চৰণ ঘনিষ্ট ভাবে চিন্তা কৰাৰ বাহিৰে অন্য কথা নাই।

আমাৰ সমাজখনত দল— এইয়া অমুকৰ দল এইয়া তমুকৰ দল এই বিভেদ সৃষ্টি কৰি দল হবলৈ হয়। সভা আদিৰ কাৰণে নানা ঠাইলৈ গৈছো। এই সভা বোৰতো বিভৎস ৰূপে কথা কৈ নানা ধৰণে বেয়া কথাৰে আক্ৰমণ কৰি কথা কলে আমাৰ সেইবোৰ কথাৰে হিন্দু সমাজ এক কৰিব পাৰিবনে ?

জ্ঞানৰ এটা সংস্কাৰ আছে। শংকৰদেৱে মাত্ৰ এটা কথা কৈছে। যেনেকৈ মহাত্মা গান্ধীয়ে কৈছে— "কুইট ইণ্ডিয়া।" শংকৰদেৱৰ মত যে মই যি ধৰ্ম্ম শাস্ত্ৰ সাৰ উদ্ধাৰ কৰি এক পৰম ধৰ্ম প্ৰকাশ কৰিছোঁ, যদি তোমালোকে এই ধৰ্ম গ্ৰহণ কৰিবলৈ আহা তেতিয়াহলে এক হৈ আহা। অইন প্ৰকাৰে এই ধৰ্ম গ্ৰহণ কৰিব নোৱাৰি। এই ধৰ্মৰ উদ্দেশ্য— দেৱতা এক কৃষ্ণ, বিষ্ণুময় বুলি সকলোকে নমস্কাৰ কৰে। ধৰ্ম নিৰ্ণয়ত এই ধৰ্মত কোনো পূজা-পাতল নাই— বিষ্ণুময় বুলি শ্ৰৱণ-কীৰ্ত্তণ, অৰ্চন-বন্দনাহে –

শ্ৰৱন কীৰ্ত্তন স্মৰণ বিষ্ণুৰ
অৰ্চ্চন পদ সেৱন।
দাস্য সখিত্ব বন্দন বিষ্ণুত
কৰিব দেহা অৰ্পন ॥

এই সকলো বিধ ভক্তিও বিষ্ণুতে কৰিব লাগিব। পাঠ উত্তম বুলি কৈছে।

গতিকে যাক বিষ্ণু বুলি সেৱা কৰা যায়, বন্দন কৰা যায়, তাৰ মাধ্যমটো কি ? আকৌ কৈছে—

তীৰ্থ বুলি কৰে জলত শুদ্ধি ।
প্ৰতিমাত কৰে দেৱতা বুদ্ধি ॥
বৈষ্ণৱত নাই ইসব মতি ।
গৰুতো অধম কৃষ্ণ বদতি ॥

এইবোৰ কথা কৈছে। সেইটো ভাৱ যদি নহয় তেতিয়াহলে প্ৰতিমা হবই ।

কৃষ্ণৰ প্ৰতিমা দেখে চক্ষুৰে ভকতৰ ॥
....
আনদেৱ সমস্তক নিন্দা নকৰয় ॥

আনদেৱতাক নিন্দা কৰিব কোৱা নাই। যদিও কোৱা নাই "শৰণ কালৰ পৰা বিধিৰ কিংকৰ শুচি কৰে সদা শ্ৰৱণ-কীৰ্ত্তন।" কিন্তু শৰণ কালৰ পৰা কৃষ্ণৰ শ্ৰৱণ কীৰ্ত্তন কৰিলে সেইটো হৈছে নে নাই ! এইটো হয়, শৰণ ধৰ্মত এইবোৰ নাই। কিন্তু লোক প্ৰৱৰ্ত্তনৰ কাৰণে। জ্ঞানোচা তেওঁলোক খালত পৰিব গৈ, ইটোও নহব সিটোও নহব। বিষ্ণু সেৱা পূজা কৰিলেই যেনে আপোনালোকৰ বৰপেটা সত্ৰ চিৰকালেই মানে শংকৰদেৱ মাধৱদেৱৰ দিনৰ কথা মই কোৱা নাই। বুঢ়া আতাৰ পৰবৰ্ত্তী কালৰ পৰাই এই নিয়ম আছিল। মাজতে অনুকূল নহ'ল—কি হ'ল— নানা দেৱ দেৱী পূজা-মন্ত্ৰ গাই একশৰণ ধৰ্ম ৰক্ষা নোহোৱাত পৰিল এইবোৰ কথা আলোচনা চলোতে চলোতে এটা সংস্কাৰ মেলিলে। এই গজালিটো ক্ৰমান্বয়ে বিস্তৃত হৈ এতিয়া নাম কীৰ্ত্তনৰ কামটো বেচি হ'ল। মই নিজে দেখা কথা কৈছো। ১০/১১ বছৰ মই ইয়ালৈ অহা নাই। ১১ বছৰৰ পৰা আজি ৭৫ বছৰলৈকে ঘূৰিছো, দেখিছো এইবোৰ দল, নানা প্ৰকাৰ কথা কাণ্ড। এইবোৰ আমাক নালাগে। নানা কথাৰ সংস্কাৰ আছে, দল নাই। মোৰ কথা হ'ল— এই শংকৰদেৱৰ ধৰ্মৰ একশৰণ ধৰ্মত এক কৃষ্ণদেৱক লৈ যেতিয়া যাব যাওঁতে যাওঁতে সি ক্ৰমোন্নতি হৈ এদিন এৰি পেলাব। যি ভাবে এৰিব লগীয়া নাই। ভক্তি যেতিয়া পৰিপক্ক হব তেতিয়া আপোনা আপুনি এৰা যাব।

একেবাৰে জাপ মাৰি যাব নালাগে। ক্ৰমান্বয়ে আগুৱাই যোৱাটোহে উচিত। ইয়াত কলিয়া ঠাকুৰ আছে। কলিয়া ঠাকুৰক যদি অন্য মন্ত্ৰেৰে গাধোৱায় বা পূজা কৰা হয়, তাক সংস্কাৰ কৰি লওঁক।

"অন্য দেৱী দেৱ নকৰিবা সেৱ
নখাইবা প্ৰসাদ তাৰ।
মূৰ্ত্তিকো নচাইবা গৃহো নপশিবা
ভক্তি হব ব্যভিচাৰ॥ বুলি কয়।

তাৰ পিছৰ পদফাঁকিয়ে কি কৈছে—

এক কৃষ্ণ দেৱ কৰিয়োক সেৱ
ধৰিয়ো তাহান নাম।
কৃষ্ণ দাস হুয়া প্ৰসাদ ভুঞ্জিয়া
হন্তেকবা তান কাম॥

এতেকে ত্যাগ কৰাটো নুবুজায়। অন্য দেৱতাকহে ত্যাগ, কৃষ্ণ ত্যাগ হব নোৱাৰে। কৃষ্ণৰ সদায় নাম লাগে, ৰূপ লাগে, ধ্যান লাগে, সকলো লাগে। সেই কাৰণেই মূৰ্ত্তি ল'লে। কাৰণ সত্ৰাধিকাৰৰ বাণী ল'লে—তেখেতক শ্ৰদ্ধা কৰিলে—সেইদৰে তেখেতক দেখিবলৈ পাব লাগে। তেখেতৰ ফটোখন দেখিয়েই প্ৰণাম জনাইছো। বোলে—

তাই মুখে বোলাৱাম হৃদয়ে ধৰাৰূপ।
এতেকে মুকুতি পাইবা কহিলো স্বৰূপ॥

তাৰোপৰি কীৰ্ত্তনৰ ধ্যান বৰ্ণনাত শংকৰদেৱে কৈছে—

মস্তকৰ পৰা পাদ পৰ্য্যন্তে।
নমাইবে মনক ভুলাই দেখন্তে॥

ইমানলৈকে কৈছে—

ধ্বজ বজ্ৰাঙ্কুশ পঙ্কজ যৰে।
প্ৰদক্ষিণ কৰি পৰিৰ পাৰে॥
এতেকে হৈৰেক পৰম সিদ্ধি।
হৰিসে জানা জগতৰ নিধি॥

এতেকে মুকুতি হব বুলি কৈছে। এইবোৰ দেখি-শুনি যদি আমি কাৰো-বাক নিন্দা কৰো বা আমাকো কোনোবাই নিন্দা কৰে তেনেহলে তকটি ৰক্ষাৰ কথা নহ'ব। অন্য দেৱী দেৱতাক ধৰি যদি কৃষ্ণকো ল'লে তেতিয়া কৃষ্ণ-ভক্তি মিহা হব। গতিকে কৃষ্ণৰ মূৰ্ত্তি প্ৰতিমা নহয়, মূৰ্ত্তি সেৱা পূজা কৰিব লাগিব। তাক প্ৰাথমিক হিচাবে প্ৰথমতে আক সেই মূৰ্ত্তিটো আনি আমি হৃদয়ত স্থাপন

কৰিব লাগিব। হৃদয়ত ধ্যান কৰিব লাগিব। এইযে গুৰুজনে "মস্তকৰ পৰা পাদ পৰ্যন্তে। ধ্বজ বজ্ৰ পঙ্কজ কথা" কৈছে, সেইবোৰ মিছা নেকি ? কিন্তু শিৰুই কৈছে—

নামত বিশ্বাস নাই।
হৰি আৰ কৈত পায় ॥

এইবোৰ আমাক কব নালাগে, বৰপেটা সত্ৰাধিকাৰকো কব নালাগে, সুন্দৰিদিয়া অধিকাৰকো কব নালাগে। শংকৰদেৱে কৃষ্ণক দেখুৱালে। কৃষ্ণই কাক দেখুৱালে ? কৃষ্ণই দেখুৱালে – মোৰ প্ৰতিমূৰ্ত্তি হৈছে 'ভকত'।

ভকতেসে মোৰ হিয়া জানিবা নিশ্চয়।
ভকত জনৰ জানা আমিসে হৃদয় ॥
মই বিনা ভকতে নিচিন্তে কিছু জ্ঞান
ভকতৰ পৰে মই নাজানোহো আন ॥

ঈশ্বৰ ভক্তি-তত্ত্ব কোৱাটো ডাঙৰ কথা। এইবোৰ কৰলৈ বহুত থাকিল। জৰাবাৰী সত্ৰৰ অধিকাৰে কৃষ্ণদেৱ আৰু শংকৰদেৱৰ বাহিৰে আনক নামানে। এইটো স্বতঃসিদ্ধি কথা। আমি মাত্ৰ কাৰো লগত কোনো ৰকমৰ কাজিয়া নকৰি নিজৰ নিজৰ পথেৰে আগবাঢ়ি যাওঁহক। ★

শ্ৰীনৰহৰি দাস : সুন্দৰীদিয়া সত্ৰ।

যাদৱ জয় যদুপতি তোমাৰ চৰণে লাগো।
শ্ৰৱণ কীৰ্ত্তন নিৰ্মল ভকতি কাকুতি কৰিয়া মাগো ॥

হে বাপ-বান্ধৱসকল ! শ্ৰীমন্ত শংকৰদেৱৰ প্ৰচাৰিত ধৰ্ম হিন্দু ধৰ্মৰ এক অংশ। তাত কোনো ভুল নাই। তেৰাৰ মূল ভেটি হ'ল কৃষ্ণত শৰণ হব লাগে বা কেনেকৈ শৰণ ললে ভক্তি বিঘিনি নোহোৱাকৈ এক শৰণ হয় সেই বিষয়ে আলোচনা কৰাটো ভাল হব বুলি ভাবি দুজনা গুৰু ৰচিত শাস্ত্ৰক ভিত্তি কৰি মোৰ জ্ঞান অনুসৰি দুআষাৰ কম বুলি আগ বাঢ়িছো। আমি সংসাৰী লোকৰ গুৰু তিনিটাৰ ভিতৰত দীক্ষা গুৰুও এজন। তেৰাৰ উপদেশমতে গুৰু, দেৱ, নাম আৰু একান্ত ভকতত শৰণ লৈছো। সেইমতে আমি দেখাত চাৰি বস্তুত শৰণ লৈছো। কিয় চাৰি ?

শৰণ লব লগা হৈছে তাৰ কাৰণ একে জাপতে গৈ কৃষ্ণক লগ নেপাওঁ। এইটো এটা প্ৰথম স্তৰ। যেনেকৈ অ, আ, ক, খ নপঢ়াকৈ গৈ একেজাপে উচ্চ শিক্ষা লাভ কৰিব নোৱাৰি। গতিকে গুৰুৰ পৰা যদি শিক্ষা নাপাওঁ তেনেহলে দেৱ কাক বোলে, নাম কি বা ভকত কাক বোলে, তাৰ একো আভাষ নাপাম। সেয়েহে প্ৰথমে গুৰু ভক্তি হ'ব ভকতৰ সঙ্গ লৈ মন শুদ্ধ সত্ব কৰিব পাৰিলেহে কৃষ্ণৰ প্ৰতি শ্ৰদ্ধা বাঢ়িব, নাম গুণ মহিমাত অনুৰাগ আহিব। তাৰ পিছত কৃষ্ণৰ প্ৰতি প্ৰেম ভক্তি বাঢ়িব। তথাপি আমি ভাবো যি পৰ্যন্ত মানুহে ইন্দ্ৰিয় বিলাকৰ ভোগ তৃষ্ণা প্ৰবৃত্তি অৰ্থাৎ কাম, ক্ৰোধ, লোভ, মোহ, হিংসা, অহংকাৰ আদি ত্যাগ কৰিব নোৱাৰে, তেতিয়ালৈকে কৃষ্ণত একান্ত শৰণ হ'ব নোৱাৰে। ৰত্নাৱলীৰ আত্ম নিবেদন বিৰচনত কৃষ্ণই উদ্ধৱক কৈছে—

উদ্ধৱক বোলন্ত শুনিয়ো মহাবল।
যি কালত নৰে কৰ্ম এড়িয়া সকল॥
মোত দেহ অৰ্পি ভৈল কৃতাৰ্থ পৰম।
নাই আন মোৰ প্ৰিয়তম তাক সম॥
কেৱল কৰিয়ো চিন্তা ভকতিক মাত্ৰ।
ভৈল সিটো মোৰ ইষ্ট কৰিবাক পাত্ৰ॥

প্ৰহ্লাদে দৈত্য শিশু সকলক কৈছিল যে ধৰ্ম-অৰ্থ-কাম মানুহৰ তিনি বৰ্গ আছে, তাৰ কাৰণে বেদত যাগ, যজ্ঞ, ধৰ্ম, কৰ্ম, তীৰ্থ, ব্ৰত, দণ্ড আদি নীতি প্ৰতি-পাদ্য হিচাবে আছে। কিন্তু সেই সকলো তিনিগুণৰ ভিতৰত পৰে। সি কেতিয়াও নিগু'ণ হ'ব নোৱাৰে। সেয়েহে নিগু'ণ হ'বলৈ হলে দেহ, মন বাক্যৰ দ্বাৰা সুদৃঢ় ভাবে কৃষ্ণত শৰণ লৈ নিজৰ শৰীৰটোও মই বা মোৰ বুলি নধৰি কৃষ্ণ চৰণত অৰ্পণ কৰিব লাগিব। ৰত্নাৱলীৰ শৰণ বিৰচনত কেৱল শৰণ বা একশৰণ নিৰূপণ কৰিছে। তাত কৈছে লোকত, বেদত যিবিলাক সাধন বা বিধি আছে সেই সকলো ত্যাগ কৰি যেতিয়া সুখ, দুখ, শীত, উষ্ণ সকলোতে সমভাৱ লৈ ভগৱন্তত কায় মন বাক্যে শৰণ লয় তেতিয়া বেদ বিহিত কৰ্ম বেদাদিৰ সেৱা আদি সকলো সিদ্ধি হয়। অইন দোষে চুব নোৱাৰে।

কৰ ভাজন সিদ্ধই নিমি ৰজাক কৈছিল, হে ৰজা মানুহ জন্মিলে পিতৃ, ভূতপতি, দেৱতা, ঋষি আৰু সুহৃদৰ ঋণ হয়। সেই ঋণ সুজিব হলে, পিতৃ ঋণ শ্ৰাদ্ধৰ দ্বাৰা, ভূত ঋণ বলিদানে, দেৱতাৰ ঋণ হোম, ঋষিৰ তৰ্পণ আৰু সুহৃদৰ

ঋণ সমভাৱে অৱলম্বন কৰি সকলো ঋণ সুজিব লাগে। তাৰ অৰ্থে মানুহে প্ৰতি-দিন পঞ্চযজ্ঞ আৰু ভূত যজ্ঞ এই সকলো কৰিব লাগে। কিন্তু যদি কায় মন বাক্যে কৃষ্ণত শৰণ লৈ দেহাদি সকলো অৰ্পণ কৰে, তেতিয়া দেৱাদি ঋণ পঞ্চ যজ্ঞ আদি নকৰিলেও সেই ভকতক কোনো দোষে স্পৰ্শ কৰিব নোৱাৰে। তাৰ উদাহৰণ স্বৰূপে গজেন্দ্ৰক ধৰি লব পাৰি।

সৰোবৰে গ্ৰাহে ধৰি আছে গজেন্দ্ৰে পীড়াক পায়া পাছে
আকাশে গৰুড় স্কন্ধে চক্ৰ ধৰি হৰি।
দেখি সুৱৰ্ণৰ পদ্ম ধৰি বোলে দুখে আৰ্তনাদ কৰি
নমো ভগৱন্ত গুৰু লয়ো দাস কৰি॥

যেতিয়া গ্ৰাহে গজেন্দ্ৰক ধৰে প্ৰথমে নিজৰ শক্তি তাৰ পিছত পুত্ৰ, ভাৰ্যা, বন্ধু-বান্ধৱ আদিৰ সহায়ত মুক্ত হবলৈ চেষ্টা কৰিলে। কিন্তু কোনো মতে গ্ৰাহৰ হাতৰ পৰা মুক্ত হব নোৱাৰিলে। সকলো চেষ্টা এৰি যেতিয়া একান্ত মনে হৰিত শৰণ ললে, তেতিয়া হৰি চক্ৰ ধৰি গ্ৰাহৰ মুখৰ পৰা গজেন্দ্ৰক ৰক্ষা কৰিলে। শ্ৰীকৃষ্ণই গীতাত অৰ্জুনক কৈছিল—

কৃষ্ণ নিগদতি সব্যসাচী পৰমাৰ্থ তত্ত্ব লৈয়ো বাছি
সুদৃঢ় বিশ্বাসে শৰণ লৈয়ো আমাত।
মোতে মাত্ৰ সদা দিয়া চিত্ত গায়ো মোৰ নামগুণ গীত
সকলো শাস্ত্ৰৰ কহিলো সাৰ সাক্ষাৎ॥

হে সখি, তুমি সুদৃঢ় বিশ্বাসে মোত শৰণ লৈ মোতে চিত্ত অৰ্পণ কৰি, মোৰ নাম গুণ গীত সদায় গোৱা, সকলো শাস্ত্ৰৰ সাৰ তত্ত্ব তোমাক কলো। যি-সকল মানুহে দেহ ধন জন পুত্ৰ ভাৰ্যা আদিৰ মোহ এৰিব পৰা নাই, তেওঁলোকে কৃষ্ণত ভক্তি কৰিলেও সেইটো সকাম ভক্তিহে। সি নিষ্কাম ভক্তি নহয়। পতিকে তাক একশৰণ ধৰ্ম বুলিব নোৱাৰি। "পূৰ্বে বীৰ কুৰুৰাজে" দ্ৰৌপদীক সভামাজে বস্ত্ৰ কাঢ়ি লৈলেক তাহাৰ। তুমি বস্ত্ৰ ৰূপ হৈয়া 'দ্ৰৌপদীক সভামাজে' লাজ সমুদ্ৰত কৈলা পাৰ।"

যেতিয়া দুঃশাসনে দ্ৰৌপদীক বস্ত্ৰ হৰণ কৰে, তেতিয়া দ্ৰৌপদীয়ে পঞ্চ স্বামীত শৰণ লয়। স্বামী সকলে ৰাখিব নোৱাৰাত নিজ শৰীৰৰ বলেৰে যুঁজিলে। তাতো বলে নোৱাৰি শ্ৰীকৃষ্ণৰ চৰণত একান্তে শৰণ ললে। তেতিয়া কৃষ্ণই অদৃশ্যভাৱে

অশেষ বস্ত্র দান কৰি দ্ৰৌপদীক লাজ সাগৰৰ পৰা ৰক্ষা কৰে। এয়ে শৰণৰ ফল।

মহাপুৰুষ শংকৰদেৱ-মাধৱদেৱৰ ধৰ্মক একশৰণ ধৰ্ম বোলে। এই ভক্তি ধৰ্ম কেৱল একনিষ্ট আৰু নিষ্কাম হব লাগে। নহলে ব্ৰহ্ম লাভ নহয়। যোৰাত লিখিছে—

মোত মাত্ৰ সদা দিয়া মন মোৰ ভক্ত হোৱা সৰ্বক্ষণ
মোকে পূজা মাত্ৰ মোকে কৰা নমস্কাৰ।
কহিলো তোমাত সত্যবাণী পাইবা মোক সুখে মহামানী
তুমি প্ৰিয়তম সুহৃদ সখি আমাৰ ॥

এই দেখি শংকৰ-মাধৱে প্ৰচাৰ কৰা ধৰ্মক একশৰণ ধৰ্ম বোলা হয়। অৰ্থাৎ পৰমেশ্বৰৰ প্ৰতি নিষ্কাম একনিষ্ঠ সুদৃঢ় ভক্তিয়েই এই ধৰ্মৰ মূল কথা। ভগৱানৰ সেৱা ৰসত মজি যিসকলৰ মহাপুৰুষৰ এই প্ৰকাৰ একান্ত ভক্তি হৃদয়ত জন্মে, তেওঁ মোক্ষ পদকো আশা নকৰি কেৱল ভক্তি ৰসতে মজি থাকে। তেনেকুৱা ভক্তইহে কায় মন বাক্যে কৃষ্ণত শৰণ লৈ ঐশ্বৰ্য বিভূতি ধন-জন, পুত্ৰ-ভাৰ্যা আনকি নিজৰ দেহকো মোৰ নুবুলি কৃষ্ণ চৰণত অৰ্পণ কৰে। যেনেকৈ উদ্ধৱে কৈছিল—

কিনো কৃপা ভৃত্যক কৰিলা। বিজ্ঞান প্ৰদীপ মোক দিলা ॥
প্ৰভু এৰি তোমাৰ পাৱক। কোন জনে ভজিবে আনক ॥
চিণ্ডিলা সুদৃঢ় মোহ পাশ। বিষয়ত ভৈলোহো উদাস ॥
দূৰ ভৈল বান্ধৱৰ স্নেহ। দেখো ভিন্ন আপোনাৰ দেহ ॥ (কীৰ্ত্তন)

এয়ে হৈছে কৃষ্ণৰ একশৰণ।

হে প্ৰভু সকল! মই শাস্ত্ৰৰ বিষয়ে একো নাজানো। তথাপি দুজনা গুৰু ৰচিত পুথি দুই এখন চাই আৰু গুৰুসকলৰ মুখত শুনা কথা মোৰ মতি অনুসাৰে ইয়াত "একশৰণ" ধৰ্মৰ বিষয়ে অলপ পাঠ কৰিলো। ভুল ত্ৰুটী মাৰ্জনীয়। মহন্তৰ ক্ষমা হে ভূষণ।

—নমস্কাৰ—

শ্ৰীঅচ্যুত কৃষ্ণ মিশ্ৰ : শ্ৰীমন্ত শংকৰদেৱৰ সংঘ।

জয় জয়ন্তে সকলোৰে চৰণত প্ৰণাম জনাইছো। হে বাপসকল আজি বৰপেটা সত্ৰই যিটো বিষয় সিদ্ধান্ত কৰিবৰ কাৰণে সকলো অনুষ্ঠান—প্ৰতিষ্ঠান আদিৰ বাপ বান্ধৱসকলক মাতি আনিছে তাৰ কাৰণে মই আদৰণি জনাইছো। যদি ইয়াৰ জৰিয়তে কিবা এটা সমাধান হৈ যায় তেনেহলে সমস্ত অসমীয়া তথা ভাৰতীয়ৰ কাৰণে ই বৰ ডাঙৰ কাম হব। ইয়াত কৈ ভাল কাম আৰু কিবা হব বুলি মই ভবা নাই। কিন্তু এটা কথা— মানৱ সমাজৰ মূল বস্তু হৈছে প্ৰজ্ঞা আৰু ধৃতি। সেই কাৰণে মহাপুৰুষ শ্ৰীমন্ত গুৰু জনে অসম, ভাৰত বা এচিয়াৰ কাৰণেই নহয় বিশ্বৰ কাৰণে একশৰণ নাম ধৰ্মৰ দোলেৰে বান্ধি পৰম সেতু নিৰ্মাণ কৰিছিল যাক জীৱনৰ মাত্ৰ দুটা উদ্দেশ্য বুলি কৈ থৈ গৈছে।

প্ৰথমতে কহোঁ গ্ৰন্থ কৰিবাৰ হেতু।
বান্ধিলা শংকৰদেৱে মহাধৰ্ম সেতু॥
কৃষ্ণ শ্ৰেষ্ঠ দেৱে তানে নাম ধৰ্ম সাৰ।
ইহাকে কৰিলা মাত্ৰ লোকত প্ৰচাৰ॥

শংকৰদেৱ মহাপুৰুষৰ উদ্দেশ্য আছিল মাত্ৰ দুটা। সেই কাৰণে সমস্ত বেদ বেদান্ত মন্থন কৰি বিশ্বৰ দৰবাৰৰ কাৰণে একশৰণ নাম ধৰ্ম দি থৈ গৈছিল। কিন্তু আজি আমি কাজিয়া কৰি গুৰু জনক চিনি নাপাই নিজে গুৰু হৈ শংকৰদেৱক পিচ কৰি থলো। শংকৰদেৱে একশৰণ হৰি নাম ধৰ্ম ভকতৰ কাৰণে দি থৈ গৈছিল। লিমি নৱ সিদ্ধ সংবাদত দিয়া আছে।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্মৰ সিদ্ধান্ত কি কৰিব? কোনে সিদ্ধান্ত কৰিব? গুৰু জনে নিজেই সিদ্ধান্ত দি গৈছে। আমাৰ শ্ৰদ্ধেয় দাস বাপ তেখেতে সমস্ত কৈয়েই গৈছে।

একশৰণ মানে এজনত মাত্ৰ শৰণ-আশ্ৰয়। কাক আশ্ৰয়? ক'ত শৰণ? শৰণ শব্দটো শৃ-ধাতুত অনট্ প্ৰত্যয় যোগ হৈ নিষ্পন্ন হৈছে। গুৰু জনে কৈ থৈ গৈছে।

তোমাৰ কটাক্ষ দৃষ্টি   পায়া নৃত্য কৰে মায়া
ভৰি তুলি মৰ্দে মোৰ মাথ।
পৰম আতুৰ হুয়া   তোমাত শৰণ লৈলো
মায়াক নিবাৰা জগন্নাথ॥

তেনেহলে একশৰণৰ কাৰণে আমি কাজিয়া কৰিব লগা একো হোৱা নাই। গুৰুজনে নিজ হাতে লিখি থৈ গৈছে।

সেহি একশৰণ ভজন অনুপাম।
নুশুনয় আন একো দেৱতাৰ নাম॥
অব্যভিচাৰিণী তাকে বুলিয় ভকতি।
নাহিকে প্ৰয়াস আত অল্পে মাধে গতি॥

তাত প্ৰশ্ন হয়টো কাৰোবাৰ হব পাৰে। আমি একশৰণ কেনেকৈ হ'ম? আমাৰ কামনা আছে, বাসনা আছে, মায়া আছে এইবোৰ থাকোতে একশৰণ আমি কেনেকৈ হ'ম। এই প্ৰশ্ন অৰ্জুনে প্ৰশ্ন কৰাত ভগৱানে উওৰ দি থৈ গৈছে।

অকামঃ সৰ্বকামো ৱা মোক্ষকাম উদাৰধীঃ।
তীৱ্ৰেন ভক্তিযোগেন যজেত পুৰুষং পৰম্॥

হে অৰ্জুন, মোৰ এই সৃষ্টিত মানুহৰ তিনিটা ভাগ। প্ৰথমটো অকাম যাৰ কোনো কামনা নাই। দ্বিতীয়টো সৰ্বকাম যাক ধন জন ঐশ্বৰ্য বিভূতি সমস্তকে লাগে, আনটো মুক্তি কাম। এই তিনিও বিধ লোকে তীব্ৰ ভাবেৰে ভজনা কৰিলে মোৰ পৰম ভক্তি লাভ কৰিব পাৰে। এতিয়া আমাৰ কাজিয়াটো হৈছে "তীৱ্ৰেন"। ইয়াত কাজিয়া কৰাৰ কোনো কাৰণ নাই। কিয় মহাপুৰুষ শ্ৰীমন্ত শংকৰগুৰু মুখ্য প্ৰিয় শিষ্য দামোদৰদেৱ, দামোদৰদেৱৰ প্ৰিয় শিষ্য ভট্টদেৱ। ভট্টদেৱৰ কথা গীতাত, কথা ভাগৱতত লিখি থৈ গৈছে "তীৱ্ৰেন" ব্যভিচাৰ দোষ শূণ্য ভকতি। এতিয়া ব্যভিচাৰ দোষ শূণ্য ভকতি কাক বোলে? তাৰ উত্তৰত তেওঁ কথা গীতাত চৈধ্য অধ্যায়ত লিখিছে।

"আহে নৰলোক দেখহ অব্যভিচাৰী ভকতি কৰিয়া কৃষ্ণক পাৱয়। অন্য দেৱতা সম্বন্ধক ব্যভিচাৰ বুলি। এতেকে অন্য দেৱ উপাসকৰ সঙ্গ মাত্ৰও নকৰিব।" ইয়েই নিৰ্মল ভকতি। বৰগীতটো একে কথাকে লিখিছে।

নাহি নাহি, ৰময়া বিনে, তাপ তাৰককোই।
পৰমানন্দ, পদ মকৰন্দ, সেবহু মন মোই॥

পদঃ তীৰিথ বৰত, তপজপ, যাগ যোগ যুগুতি।
মন্ত্ৰ পৰম, ধৰম কৰম, কৰত নাহি মুকুতি॥

মাতৃ-পিতৃ, পত্নীতনয়, জনয় সব মৰণা।
ছাৰহুধন্ধ, মানস অন্ধ, ধৰতু হৰি চৰণা॥
কৃষ্ণ কিঙ্কৰ, শংকৰ কহ, বিছুই বিষয় কামা।
ৰাম চৰণে, লেহু শৰণ, জপ গোবিন্দক নামা।

ইয়াত কিবা বুজিব লগা কথা আছে নেকি? সুন্দৰ ভাৱে কৈ গৈছে। গতিকে শৰণ মানে একশৰণ। অন্য দেৱ-দেৱতাৰ লগত কোনো সম্বন্ধ নাই। ভাগৱততো কৈছে—

অন্য দেৱী-দেৱ নকৰিবা সেৱ
নখাইবা প্ৰসাদ তাৰ।
মূৰ্ত্তিকো নচাইবা গৃহো নপশিবা
ভক্তি হৈব ব্যভিচাৰ॥
এক কৃষ্ণ দেৱ কৰিয়োক সেৱ
ধৰিয়ো তাহান নাম।
কৃষ্ণ দাস হুয়া প্ৰসাদ ভুঞ্জিয়া
হন্তে কৰা তান কাম॥
কৃষ্ণৰ স্থানক যত্নে চলিয়োক
সাক্ষিয়ো পুণ্যৰ দাম।
কৃষ্ণৰ কিঙ্কৰে কহে নিৰন্তৰে
ডাকি বোলা ৰাম ৰাম॥

ইয়াতে নো কি নুবুজা কথা আছে? অন্য দেৱী-দেৱ। যদি তাৰ আঁতটো বিচাৰি যাওঁ তেনে ভাগৱতত ব্যাসে লিখিছে যে "ওঁম্ ব্ৰহ্মায়ে নমঃ, ইন্দ্ৰায়ে নমঃ" কৰি মন্ত্ৰ মাতি থাকিলে ঈশ্বৰক নাপায়।

গতিকে আমাৰ কথা হ'ল শ্ৰীমন্তশংকৰ গুৰু জনে যিটো শুদ্ধ বস্তু দিছে সেইটো আচৰণ কৰিব লাগে। আমাৰ এতিয়া কাজিয়া খন আচৰণত। আ[illegible] [illegible]জিয়া কৰোতে কৰোতে আমাৰ পৰা মানুহ গৈ নাইকীয়া হ'ল। আনে লৈ গৈ আছে। আমি কব নোৱাৰো। তাৰ কাৰণে আমাৰ চিন্তাই নাই। গতিকে আমি সকলোৱে নিজ নিজ অভিমান ত্যাগ কৰি একশৰণ ধৰ্মৰ মন্ত্ৰ লৈ এক ভাতৃত্বৰে উদ্বুদ্ধ হৈ গুৰু জনাৰ যি উদ্দেশ্য আছিল সেই উদ্দেশ্য পূৰণৰ কাৰণে আমাৰ ধৰ্ম্মা গোটেই বিশ্বলৈ লৈ যাবলৈ প্ৰয়াস কৰো। আজি আমাতকৈ অন্য

মানুহে শংকৰদেৱৰ বিষয়ে ডাঙৰ ডাঙৰ কিতাপ লিখিছে। সেই বোৰ পঢ়িলে আমাৰ কেনে লাগে।

গতিকে আমাৰ মাজৰ আমি কাজিয়া পৰিত্যাগ কৰি একশৰণ তত্বলৈ আগবাঢ়ো আহক।

শংকৰদেৱে যিখনি শাস্ত্র দিছে— "ভক্তি প্রদীপ" মানে ভকতিৰ প্রদীপ। ভক্তি প্রদীপত একশৰণ সমন্ধে লিখিছে আৰু কীৰ্ত্তনতো লিখিছে।

পৰম বান্ধৱ হৰিৰ নাম।
যি জনে আৰু লয়ে অবিশ্রাম॥
তাৰ সাত কাৰ্য সাধিবে দেখা।
প্রতি প্রতি লোৱা সাতবো লেখা॥
প্রথমে দহিৱে পাতেকচয়।
কৰিবে মহাপূণ্য অভ্যুদয়॥
কৰাইবে বিষয়ত বিৰকতি।
কৃষ্ণত পোৱাইবে প্রেম ভকতি॥
উপজাইবে আতি বৈষ্ণৱ জ্ঞান।
মায়াকো কৰিবে দহি নির্যান॥
চৈতন্য মূৰ্ত্তি পূর্ণানন্দ হৰি।
থৈবেক তেন্তে এৰে এক কৰি॥
তেৱেসে নাম হৈবে উপশান্ত।
কহিলো পৰম তত্ত্ব একান্ত॥

প-প্রত্যয়ৰ অৰ্থ হৈছে পিতা। পিতাই পুত্ৰক ৰক্ষা কৰা আৰু পুত্ৰৰ কৰ্ত্তব্যও পিতাকৰ সেৱা কৰা— এই ভাৱেৰে যেতিয়া আমি কৃষ্ণৰ নাম লয় তেতিয়াহে সাতোটা কার্য সাধন হব। এধাঁ ঘটৰ পানীৰ দৰে যদি আমি নাম লওঁ কাম নহয়। গতিকে শৰণ হলে একান্ত ভাৱেৰে নাম লব লাগিব। মাধৱদেৱে কৈছে "যেৰে তৈজ কৃষ্ণ কথা ৰত, নিত্য-নৈমিত্তিক আদি যত, কথাৰ বিৰোধী জানিয়া সৱে তেজয়॥" শৰণ লোৱাৰ পৰা সকলো বাদ দিব লাগিব। আমাৰ চাৰি বস্তুত শৰণ দিছে মানে গুৰু, দেৱ, নাম, ভকতত শৰণ দিছে। এইয়া একে গুৰুজনৰ শৰণ আজি চাৰিটা সংহতিত কিয় ভাগ ভাগ হব লগীয়া হ'ল? কোনোৱে গুৰু, দেৱ,

নাম, ভকত। কাৰোবাৰ নাম, দেৱ, গুৰু, ভকত। বাহিৰৰ লোক এজন আহি সোধে একে মহাপুৰুষীয়া ধৰ্মত এইবোৰ বেলেগ বেলেগ কিয় ? আচলতে আমাৰ দেৱ ভকত আদি একোতে শৰণ নহয়।

গতিকে আজি আমি সিদ্ধান্ত কৰিম যেনেকৈ খৃষ্টান ধৰ্মত গুৰু বুলিলে এজন যীশুক বুজে, তেনেদৰে মুছলমান সকলেও একেজন মহম্মদক গুৰু বুলি কয়। আজি আমাৰ এজন গুৰু শংকৰদেৱ থাকোতে আমি গুৰু নিচিনি মাধৱ দেৱে চিনাই থৈ যোৱাৰ পিছতো আমি কবলৈ লওঁ—মোৰ গুৰু অমুক, মোৰ তমুক, মোৰ ভচুক বুলি। আমি কি কৰিব লাগিব— গতিকে সমস্ত কথা চালি-জাৰি চাই সকলো কথাকে এক কৰিব লাগিব। আৰু আমি কব লাগিব শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্ম হৈছে "একশৰণ হৰি, নাম ধৰম কহো কৰো ৰাজা পৰকাশ।" একশৰণ নাম ধৰ্ম। এক মানে এজনৰ বাহিৰে দ্বিতীয় হব নোৱাৰে। সেই এজন হে দেৱতা। তেওঁহে আমাৰ। তেওঁৰ বাহিৰে দ্বিতীয় আমাৰ নাই। এই ধৰ্ম পৰম ধৰ্ম, বিশ্ব দৰবাৰৰ ধৰ্ম। গুৰুজনে "ওৰা নৰলোক" বুলি কৈছে মানে সমস্ত মানৱৰ ধৰ্ম। সমস্ত মানৱৰ ধৰ্ম কৰিবলৈ যাওঁতে আমাৰ ভিতৰত কাজিয়া বাদ দিব লাগিব। বাপ সকল, কলে শেষ নহয়। সকললোকে আমন্ত্ৰণ কৰিছে সময় কম। ইয়াৰ ভিতৰতে মূল কথাখিনি আলোচনা কৰি এক ভাতৃত্বৰ ভাৱেৰে একশৰণ ধৰ্ম সমস্ত বিশ্বক দেখুৱাই দিওঁ আহক। গুৰু জনাৰ পৰম শক্তি কৃপা প্ৰাৰ্থনা কৰি ইমানতে সামৰণি মাৰিলো। ★

শ্ৰীসোণাৰাম দাস : মহাপুৰুষীয়া ধৰ্মালোচনী সভা, শংকৰ মন্দিৰ।

সকলোকে প্ৰণাম জনাই মই আমাৰ ফালৰ পৰা কেইটামান প্ৰশ্নহে আগবঢ়াব বিচাৰিছো। শৰণৰ বিষয়বস্তুটোৱে আমাৰ মাজত বিভিন্ন সংহতি এক কৰাৰ কাৰণে মই সঞ্চালক মহোদয়ক কেইটামান প্ৰশ্ন কৰিম যাতে তেখেতৰ উত্তৰৰ জৰিয়তে আমাৰ সিদ্ধান্তৰ ফালে আগ বঢ়াত সহায় হয়। সঞ্চালক মহোদয়ে আমাৰ ধৰ্মটো মহাপুৰুষীয়া ধৰ্ম কেনেকৈ হ'ল তাৰ কথা কৈছে। কিন্তু মহাপুৰুষ মাধৱদেৱে আমাৰ ধৰ্মটো "একশৰণ হৰিনাম ধৰ্ম" বুলি কৈছে। এই একেটা ধৰ্মতে

সন্তসকলে, সত্ৰাধিকাৰ প্ৰভুসকলে শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ শৰণাচাৰ্য্যসকলে (অৱশ্যে মই ভাগৱতী সমাজৰ কথা নাজানো, অন্যান্য মহাপুৰুষীয়া ধৰ্মপন্থী সমূহেও শৰণ দিওতে বেলেগ বেলেগ শৰণ দিয়ে।

একশৰণৰ কথাটোত পাৰিলে ইয়াত সমবেত হোৱা সকলোৱে এক হব লাগে। আমাৰ মিত্ৰদেৱে কৈছেই বিগ্ৰহৰ দৰবাৰত আমি একশৰণ লৈ একহৈ দেখুৱাব পাৰো। এক হোৱাৰ আপোনালোকৰ ভিতৰত ব্যৱহাৰিক কিবা যদি অভিজ্ঞতা আছে তেনেহলে জনাব লাগে। সত্ৰাধিকাৰসকলৰ মাজৰ পৰা দুজনক সত্ৰ সমূহক লগ ধৰিবলৈ দিলেই সকলো সত্ৰ আহি যাব। ভাগে ভাগে দায়িত্ব ললে হব। আমাৰ বাপে কৈ গৈছে গুৰুজন প্ৰথমতে প্ৰকাশ হোৱা নাছিল। প্ৰথমতে তেৱাই দেৱক প্ৰকাশ কৰিলে, নামক কৰিলে আৰু ভকতক কৰিলে। দেৱ মাধৱ পুৰুষে মোৰ মহাপুৰুষক প্ৰকাশ কৰিলে। গুৰু দেৱ নাম এই বিশৃংখলটো দূৰ হলে আমাৰ মাজত আপোনা আপুনি এক হৈ পৰিব।

আৰু এটা কথা লৈ আপোনালোকৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰো। পূজ্যপাদ বৰপেটা সত্ৰৰ বুঢ়া সত্ৰাধিকাৰ প্ৰভুৱে আদৰণি ভাষণত কৈছে যে সত্ৰত বিগ্ৰহৰ কথা আছে। কিন্তু আমাৰ ধৰ্মত কোনো বিগ্ৰহৰ কথা নাই। পিছত এই কথাটোকে কোনোবাই আঙুলিয়াব যে অভিৱৰ্ত্তন এখনত সেই বিগ্ৰহ থকা কথাটো বৈ গৈছে বুলি। আমাৰ শৰণৰ উপাস্য দেৱতা শ্ৰীকৃষ্ণদেৱৰ শৰণত মূৰ্ত্তি আছেনে নাই আমাৰ সঞ্চালকদেৱে কব। শৰণৰ কথা আহিলে মূৰ্ত্তিৰ কথা নাহে। তাৰ উদাহৰণত মই কায় বাক্য মনে শ্ৰীকৃষ্ণত শৰণ ললো। মই নিজকে কৃষ্ণক সকলো দিলো। ইয়াৰ পিছত অৰ্চন আৰু বন্দন আহে– মই শৰণ হৈ সকলো দিয়াৰ পিছত অৰ্চন বন্দন কৰিবলৈ একো নাথাকে। সেই কাৰণেই মহাপুৰুষীয়া ধৰ্মত মূৰ্ত্তিৰ স্থান নাই। মূৰ্ত্তিৰ কথা জৰাবাৰীৰ সত্ৰাধিকাৰ প্ৰভুৱে অলপ দৃষ্টি আকৰ্ষণ কৰিছে। মূৰ্ত্তি কেইবাটাও প্ৰকাৰৰ আছে। বাংময়, চিন্ময়, মনোময় –প্ৰভুজনে এইবোৰ কথা জানে। শৰণৰ কথাত মূৰ্ত্তিৰ কথা নাই বুলি মই অনুভৱ কৰো। এক শৰণ ধৰ্ম আলোচনাত আমাৰ যিবোৰ আসোঁৱাহ আছে সেইবোৰ এক কৰিব বুলি আশা কৰিলো। এইখিনিতে এটা কথা-শৰণ শুদ্ধি বস্তুটো আহিব নালাগে। আমাৰ এটা কথা আছে, যি কোনো কথা নাজানিলে জনা জনৰ পৰা সুধি বুজি লব লাগে। কিন্তু শুদ্ধি কৰি সাক্ষাত নতুনকৈ শৰণ কৰি লোৱা কথাটো আমাৰ সমাজৰ কাৰণেহে হৈছে। আটাইবোৰ কথা খৰচী মাৰি আলোচনা কৰি ঠিক কৰি লব

লাগে। বাপসকল, ভাৰতবৰ্ষ বৰ পিছপৰা। তাতোকৈ অসমীয়া সমাজখন আৰু পিছপৰি আছে। গতিকে আমি এৰাধৰা কৰি যদি এক হব পাৰো তেতিয়াহলে অসম কিয় ভাৰতবৰ্ষ তথা বিশ্বৰ দৰবাৰলৈ একশৰণ ধৰ্ম লৈ যাবলৈ সক্ষম হব পাৰো। ইয়াকে কৈ সামৰণি মাৰিলো। ★

শ্ৰীহেম চন্দ্ৰ কলিতা বৰমেধি : সনাতন হিন্দু সমাজ, কাকৌ।

আমি ইয়ালৈ আহিছো এটা আশা লৈ। আমি নতুন অনুষ্ঠান। ইয়াত পণ্ডিত বক্তা সকল গোট খাইছে। সেই সকলে যি আলোচনা কৰি সিদ্ধান্ত কৰে সেই সিদ্ধান্ত আমি গ্ৰহণ কৰিম। আমাৰ ফালৰ পৰা তেনে কোনো বক্তব্য নাই। ইয়াত তাকে কবলৈহে মই থিয় হৈছো। ★

শ্ৰীপ্ৰভাত দাস : শংকৰ-মাধৱ প্ৰতিভা কেন্দ্ৰ, গুৱাহাটী।

শৰণ মানে হ'ল আশ্ৰয়। শৃ মানে হিংসা কৰা। অনট (তাৰ মানে উদ্ধাৰ কৰা) = শৰণ হৈছে। কিন্তু এই শৰণ বা আশ্ৰয়ৰ প্ৰয়োজন কেতিয়া হয়? নিজ শক্তিৰে কোনো দুখ, যন্ত্ৰণা, বিপদ-আপদৰ পৰা উদ্ধাৰ পাবলৈ হলে আনৰ ওচৰত শৰণ লব লগা হয়। আমাৰ এই বিপদ কি? যাৰ কাৰণে আমি আনৰ ওচৰত শৰণ লব লগা হয়। ইয়াৰ অৰ্থ এয়ে যে আমি সকলো স্ত্ৰী-পুৰুষেই জীৱ। জীৱ হিচাবে আমি সকলোৱে ঈশ্বৰৰ অংশ।

তোমাৰেসে অংশ আমি যত জীৱ জাক।
তোমাৰ মায়ায়ে প্ৰভু মোহিলে আমাক ॥

এই মায়া আতৰ নোহোৱা লৈকে জীৱই নানা দেহত জন্ম লৈ সংসাৰত নানা দুখ-কষ্ট ভোগ কৰি ভ্ৰমণ কৰি ফুৰিব লাগে। সেয়েহে এই মায়াৰ হাত সাৰিব পাৰিলেই জীৱৰো মুক্তি হয়। মায়া তৰণৰ এক মাত্ৰ উপায় হৈছে মায়াৰ অধিপতি ভগৱানত শৰণ।

তোমাৰ কটাক্ষ দৃষ্টি পায়া নৃত্য কৰে মায়া
ভৰি তুলি মৰ্দে মোৰ মাথ।
পৰম আতুৰ হৈয়া তোমাত শৰণ লৈলো
মায়াক নিবাৰা জগন্নাথ ॥
সংসাৰ চক্ৰৰ কৰৱতে চিন্দে
নেৰে মোক শোক ভয়।
তোমাৰ চৰণে শৰণ পশিলো
ৰক্ষা কৰা কৃপাময় ॥

সেয়েহে শংকৰদেৱৰ প্ৰৱৰ্তিত পন্থত শৰণ হ'ল মূল বস্তু। শৰণ নহলে এৰাঁ ঘটৰ পানী নিগৰি ভক্তিও অন্যৰ পৰা আতৰি যায়।

ভকতিৰ বীজ শৰণেসে নিজ
প্ৰেমানন্দ তাৰ ফল।
শৰণ বিনাই ভকতি কৰয়
এৰাঁ ঘটে যেন জল ॥

গীতা ভাগৱত বেদ আদি বিভিন্ন শাস্ত্ৰ সমূহ হ'ল একশৰণৰ মূল ভেটি। ভাগৱতত ভগৱানে কোৱা নিৰ্দেশ আনি গুৰু জনাই ভক্তি ৰত্নাকৰত উদ্ধৃতি দিছে।

তস্মাত্ত্বমুদ্ধৱোসৃজ্য নোদনাং প্ৰতিনোদনাম্।
প্ৰবৃত্তিঞ্চ নিবৃত্তিঞ্চ শ্ৰোতব্য শ্ৰুতমেৱ চ ॥
মামেকমেৱ শৰণমাত্মানং সৰ্ব্ব দেহিনাম্।
যাহি সৰ্ব্বাত্মভাৱেন ময়া স্যাঃ হ্যকুতোভয়ঃ ॥

গুৰু জনাই ইয়াৰ টীকা লিখিছে—

তস্মাত্ত্বং নোদনাং শ্ৰুতিং, প্ৰতিনোদনাং স্মৃতিঞ্চ; মত্বা বিধিং নিষেধঞ্চ উৎসৃজ্য মাং শৰণং যাহি ময়ৈৱেশ্বৰেণ হেতুভূতেন আকুতোভয়ঃ স্যাঃ ভৱ।

ইয়াৰ ভাঙনি ৰামচৰণ ঠাকুৰে এইদৰে কৰিছে।

একাদশ স্কন্ধে ষোড়শ অধ্যায়ত।
কহন্ত সাক্ষাতে কৃষ্ণদেৱে উদ্ধৱত ॥
মোৰ ভজনৰ জানা প্ৰতাপ পৰম।
এতেকে উদ্ধৱ তুমি কৰিবা নিয়ম ॥

যত বিধি নিষেধ বেদৰ যত কৰ্ম।
যিবা জানি শুনি আছা আনোসবে ধৰ্ম ॥
সমস্তকে এৰি তুমি কায় বাক্য মনে।
সেবিয়োক সখি মোত পশিয়া শৰণে ॥

ততঃ সৰ্ব গীতায়ং সাৰমুক্তে—

সমস্ত গীতাৰ সাৰ উদ্ধাৰিয়া আনি কৃষ্ণই অৰ্জ্জুনক শেষ সিদ্ধান্ত দিছে।

সৰ্ব ধৰ্মান্ পৰিত্যেজ্যং মামেকং শৰণং ব্ৰজ।
অহং ত্বাং সৰ্ব পাপেভ্যো মোক্ষয়িস্যামি মা শুচঃ।

শংকৰদেৱে ইয়াৰ টীকা এনেদৰে কৰিছে—

সৰ্ব ধৰ্মান টীকা—মদভক্তৈৱ সৰ্বং ভৱিষ্যতীতি দৃঢ় বিশ্বাসেন বিধি কিংকৈৰ্যং ত্যক্ত্বা মদ একশৰণো ভৱ। এবং প্ৰৱৰ্ত্তমান কৰ্ম ত্যাগ নিমিত্তং পাপংস্যাদিতি মা শুচঃ শোকং মা কাষ্ঠীঃ। অতঃ ত্বং মাং শৰণং ব্ৰজ যাহি। মামেৱ শৰণং কুৰু। ত্বামহং সৰ্ব পাপেভ্যোমোক্ষয়িস্যামি ॥

ৰামচৰণ ঠাকুৰে ইয়াৰ পদ্যানুবাদ কৰিছে—

সমস্ত গীতাৰ সাৰ উদ্ধাৰিয়া আনি।
অৰ্জ্জুনকৃপায়ে কহন্ত চক্ৰপানি ॥
বোলন্ত অৰ্জ্জুন শুনা বান্ধৱ পৰম।
কহো গুহ্যতমতো পৰম গুহ্যতম ॥
সুদৃঢ় বিশ্বাসে হেন কৰিয়া বুদ্ধিত।
সিজয় সমস্ত ধৰ্ম মোৰ ভকতিত ॥
ত্যজি বিধি কিংকৰ যতেক ধৰ্ম গণ।
মোতেসে কেৱল এক হয়োক শৰণ ॥
কৰ্ম ত্যাগ নিমিত্তে সিজয় পাপ চয়।
ইটো শংকা নকৰিবা তুমি ধনঞ্জয় ॥
যিহেতু আমাত তুমি লৈলাহা শৰণ।
সৰ্ব পাপ হন্তে মই কৰিবো ৰক্ষণ ॥

এনেদৰে মহাপুৰুষ মাধৱ দেৱৰ লিখনিটো কেৱল কৃষ্ণত শৰণ লোৱা কথাহে পোৱা যায়। ভক্তি ৰত্নাৱলী শৰণ বিবোচনত লিখিছে বৃত্ৰাসুৰৰ লগত যুদ্ধত পৰাজয় হোৱাৰ পিছত দেৱতা সকলে ভগৱান শ্ৰীকৃষ্ণৰ ওচৰত প্ৰাৰ্থনা জনাইছে—

বৃত্ৰত হাৰিয়া যুদ্ধ স্বত দেৱ গণ।
কৰন্ত কৃষ্ণক স্তুতি পশিয়া শৰণ॥
ৰাগ আদি শূণ্য তুমি পৰম নিৰ্মল।
নাহি অহংকাৰ বিস্ময়ত কৌতূহল॥
নিজানন্দ লাভে পৰিপূৰ্ণ আত্তিশয়।
গুণৰ উপাধি পৰিচ্ছেদ নকৰয়॥
হেনয় নিৰ্গুণ তুমি পৰম ঈশ্বৰ।
মায়াৰ অধীন আমি দেৱতা অপৰ॥
তোমাক এৰিয়া লৈবে আনত শৰণ।
আত পৰে নাহিকে পৰম অজ্ঞজন॥
যেন কোনজনে কুকুৰৰ লাঞ্জে ধৰি।
যাইবাক ইচ্ছায়ে আতি সমুদ্ৰক তৰি।
তাৰ কদাচিত নুহে সমুদ্ৰতৰণ॥
এহি মতে লৈয়া অনীশ্বৰত শৰণ॥
নপাৰে তৰিবে দুঃখাৰ্ণৱ সংসাৰক।
এহিমানে থৈলোহো দেৱৰ বচনক॥

অকৌ সেই একে বিৰচণতে মহাপুৰুষ মাধৱদেৱে গ্ৰন্থৰ মুখনি মাৰি কৈছে।

কৃষ্ণৰ অভয় পদে লৈয়োক শৰণ॥
গীতাত মাধৱ কহিলন্ত অৰ্জুনত।
তেজিয়োক সখি ধৰ্ম-কৰ্ম তীৰ্থব্ৰত॥
কেৱল শৰণমোত লয়ো ধনঞ্জয়।
ৰাখিবো সবাতে মই নকৰিবা ভয়॥
লয়োক-শৰণ এক চৰণে কৃষ্ণৰ।
এহিমানে তাতপৰ্য সমস্ত শাস্ত্ৰৰ॥

এয়ে এক শৰণৰ গুঢ় তত্ব। এই শৰণকে গুৰুজনে মানৱ-সমাজৰ কাৰণে দি গ'ল। দ্বিতীয় স্কন্ধ ভাগৱতত ব্ৰহ্মাই নাৰদক কৈছে।

কপট এৰিয়া সাধু সংগ লৈয়া
সাৱধান কৰি মন।
আন দেৱ চাৰি যিটো নৰনাৰী
কৃষ্ণত লয়ে শৰণ॥

ভেবে তাসম্বে মিলয় সাক্ষাৎ
কৃষ্ণৰ কৃপা অপাৰ।
মায়া দূৰ হয় মিলে মহোদয়
সুখতে তৰে সংসাৰ ॥
কিবা কৈবো আৰ মায়া গুছিবাৰ
প্ৰত্যক্ষ পাইবা প্ৰমাণ।
কুকুৰ শৃগালে খাইবে যিটো দেহ
তাত গুচে অভিমান ॥

আকৌ—

শাস্ত্ৰবো বুজিয়া মৰ্জা সদায়ে কৃষ্ণৰ্ক ভজা
হোৱা এক শৰণ কৃষ্ণত।
কৃষ্ণক কৰিও সেৱ কৃষ্ণসে পৰম দেৱ
চিন্তা তান চৰণ মনত ॥

ভাগৱতৰ প্ৰথম স্কন্ধত—

শুনা সভাসদ পদ মহাভাগৱত।
হৃদয়ত বিচাৰি কথাৰ লৈবা তত্ত্ব ॥
ই শাস্ত্ৰত কহে এক দেৱ নাৰায়ণ।
তাহান ভকতি ফল শ্ৰৱণ কীৰ্ত্তন ॥
আক একশৰণ নিশ্চয় চিত্ত কৰি।
আতি অপ্ৰয়াসে যাতনা তাপ তৰি ॥
কৃষ্ণৰ সেৱাত কিছু নাহিকে ভাগৰ।
নাম মাত্ৰ লৈলে তৰি সংসাৰ সাগৰ ॥

বাহিৰত একশৰণ দেখুৱাই অন্তৰেৰে আন দেৱ-দেৱীক সেৱা কৰিলে, সেই জন একশৰণীয়া কেতিয়াও হব নোৱাৰে।

বচনে কেৱল মাত্ৰ হৰিত শৰণ লয়
চিত্তে আন দেৱক ভজয়।
জানিবাহা কদাচিতো সিদ্ধি সিটো নলভয়
হৰি তাৰ সন্তোষ নহয়।

এই একশৰণ লব লাগিব কায় বাক্য মনে, সুদৃঢ় বিশ্বাসে। গুৰুজনাই ৬ষ্ঠ স্কন্ধ ভাগৱতত লিখিছে—

সুদৃঢ় বিশ্বাসে যিজনে লৈলেক
কৃষ্ণত এক শৰণ।
জানি নিজ ধৰ্ম্ম যতনে মুখত
নামৰ নেৰে কীৰ্ত্তন॥
তাহান মহিমা কহিয়া নাপাও
কহিলো স্বৰূপ নৃপ।
কৰিলেক বৈশ্য অৱশ্যে কৃষ্ণক
নেৰন্ত তাৰ সমীপ॥
সিটো ভকতৰ মৰিবে নালাগে
জীৱন্তে পাইলে মুকুতি।
সমস্ত শাস্ত্ৰৰ চাৰিও বেদৰ
কহিলো তত্ব যুগুতি॥
জ্ঞানী কৰ্ম্মীজনে নাজানে নামক
ভকতৰ নৱনিধি।
পৰম ঈশ্বৰ আচন্তোক কৃষ্ণ
নামতে সমস্ত শুদ্ধি॥

এক শৰণত কৃষ্ণৰ বাহিৰে অন্য দেৱ-দেৱীৰ স্থান নাই কাৰণ—

নমো হৰি নাৰায়ণ ৰাম ৰাম ৰাম।
সৰ্বধৰ্ম্ম শিৰোমণি তুৱা গুণ নাম॥

ভক্তি ৰত্নাৱলীৰ অৰ্চণ বিৰোচনত লেখিছে—

কৃষ্ণৰ পূজায়ে সবাহাৰে পূজা হয়।
পৃথকে পূজিলে পূজা কেহো নলয়॥
দৃষ্টান্ত দ্বিতয়ে আক কৰোহো বেকত।
যেন জল দান দিলে বৃক্ষৰ মূলত॥
হোৱয় তৃপিতি ডাল পত্ৰ পুষ্প যত।
অন্যথা নুহিকে যদি সিঞ্চে প্ৰত্যেকত॥
আক যেন প্ৰাণৰ ভোজনে আতিশয়।

নিৰন্তৰে ইন্দ্ৰিয়ৰ তৃপিতি মিলয় ॥
নকৰে ভোজন ক্ষুধাতুৰ নৰে যাৰে ।
বস্ত্ৰ অলংকাৰ ফুল চন্দন পিন্ধাৰে ॥
তথাপি তৃপিতি নাই একো ইন্দ্ৰিয়ৰ ।
প্ৰাণতুষ্ট ভৈলে তুষ্ট হোৱে নিৰন্তৰ ॥
সেহিমতে কৃষ্ণক আৰাধে যিটো জন ।
ভৈল তাৰ সমস্ত দেৱক আৰাধন ॥

০ ০ ০ ০

কৃষ্ণক নুপূজি যদি পৃথকে পূজয় ।
নুহিকে কাহাৰো পূজা জানিবা নিশ্চয় ॥

৩য় স্কন্ধ ভাগৱতত শংকৰদেৱে লিখিছে –

হেনয় ঈশ্বৰ কৃষ্ণক এৰিয়া
আন দেৱতাক ভজে ।
যেন নাৱ এড়ি আপুনি অন্ধকো
সাগৰ জলত মজে ॥
কৃষ্ণৰ চৰিত্ৰ পৰম আহ্ত
আতপাৰে নাই আন ।
কোটি কোটি তীৰ্থ যজ্ঞ জপ তপ
সবেও নুহি সমান ॥
কৃষ্ণ গুণ নাম ধৰ্ম্ম অনুপাম
আক সাৰ কৰি ধৰা ।
যত দেৱ ধৰ্ম দূৰতে তেজিয়া
কৃষ্ণতে ভকতি কৰা ॥
হেন তত্ত্ব জানি চিন্তা চক্ৰপানী
অনাদৰি আন কাম ।

অন্য দেৱ-দেৱীৰ পূজা সেৱা নিষেধৰ উপৰিও কোনো ধৰণৰ তীৰ্থস্থান দৰ্শনতো একশৰণত বিৰোধ কৰি দিছে । এই বিষয়ে মাধৱদেৱে ভক্তি ৰত্নাৱলীৰ সৎসংগ বিৰচনত লিখিছে যে জলময় তীৰ্থ আৰু দেৱ প্ৰতিমাতকৈ একশৰণীয়া ভকতহে শ্ৰেষ্ঠ । কাৰণ গংগা আদি তীৰ্থবোৰে কেৱল মাত্ৰ শৰীৰৰ মলহে দূৰ

কৰিব পাৰে অন্তৰৰ পাপ দূৰ কৰিব নোৱাৰে। একমাত্র ভকতৰ দ্বাৰাহে মনৰ পাপ দূৰ কৰিব পাৰে—

নকৰে জলৰ মল কোটি তীৰ্থ স্নানে।
আৰু গঙ্গা আদি কৰি যত তীৰ্থ নিৰন্তৰ।
হৰন্ত কেৱল মাত্র পাপ শৰীৰৰ ॥
সন্ত সঙ্গে বাহিৰে ভিতৰে শুদ্ধ কৰে।
হেন সাধু সেৱা নকৰিবে কোন নৰে ॥

(ভক্তিৰত্নাৱলী)

সেয়ে গংগা আদি তীৰ্থৰ দ্বাৰা পাপী লোকৰ পাপ হৰণ নহয়—

স্বভাৱতে কলিৰ মলিন ভৈল বুদ্ধি।
দুষ্ট চিত্ত সৱক নকৰে চিত্ত শুদ্ধি ॥
শতবাৰ জলৰ পখালে যদি গাত্র।
অপবিত্র তথাপি সুৰাৰ যেন পাত্র ॥

সেয়েহে পাপ হৰণ কৰিবলৈ কোটি তীৰ্থতকৈও শ্ৰেষ্ঠ ঈশ্বৰৰ নাম লবৰ কাৰণেহে গুৰুজনাই কৈছে—

হেন দুষ্ট চিত্তে যদি হৰিক সুমৰৈ।
হৰে শুদ্ধ সমস্ত পাতক তাৰ হৰৈ ॥

(ভাগৱত)

দুষ্ট চিত্তে যদি বোলয় হৰি।
সিও জনে মহা পাতক তৰি ॥
বৈকুণ্ঠে যাইবাৰ ভৈল কাছপাৰ।
কোটি পুৰুষকো কৰি উদ্ধাৰ ॥

(কীৰ্ত্তন)

ভক্তি প্ৰদীপত শংকৰদেৱে দেখুৱাইছে যে, তীৰ্থ-দেৱ-দেৱী বোৰেও নিজকে পবিত্র কৰিবৰ বাবে ভকতৰ পিছে পিছে ঘূৰি ফুৰে।

যত তীৰ্থ দেৱ সবাকে পবিত্র
ভকতে কৰে আমাৰ।
তাৰ পাছ লাগি ফুৰে যত দেৱ
শুনা কহো নাম তাৰ।

... ...

কৌশিক সোনাৰ সৰযূ গণ্ডকী
আন যত তীৰ্থ আছ।
শুদ্ধ কৰিবাক লাগি আপোনাক
ভ্ৰমৈ ভকতৰ পাছে ॥
বোলে তীৰ্থ দেৱে কৃত কৃত ভৈলো
ভকতৰ-পায়া সংগ।
আজি সে আমাৰ সফল জীৱন
বুলি কৰে মহা ৰংগ ॥

তেনেদৰে কীৰ্ত্তনৰ ভাগৱত তাৎপৰ্য খণ্ডটো লিখিছে—

যি জনে ফুৰে হৰি নাম সেৱী।
তাৰ পাছে ফুৰে যত দেৱ-দেৱী ॥
যন্তেক তীৰ্থ তাক স্তুতি কৰৈ।
তাৰ বায়ু পাপ সমস্তে হৰৈ ॥

এক শৰণত যাগ-যজ্ঞৰ কোনো প্ৰয়োজন নাই, এইবোৰ ত্যাগ কৰি কেৱল ঈশ্বৰৰ গুণ নাম শ্ৰৱণ কীৰ্ত্তন কৰিলেই সমস্ত ধৰ্মৰ ফল পোৱা যায়।

জয় জয় কৃষ্ণ যাৰ শৰণ মঙ্গল।
যাগ-যোগাদিৰো হৰি নাম মহাফল ॥
হেনয় পৰমানন্দ মাধৱক নিতে।
সুমৰিও নৰ-নিৰন্তৰে একচিত্তে ॥
শুনা সৰ্বজন তত্ব ইটো মহা ভাগৱত
তিনিও লোকত সাৰতৰ।
যত মহা যজ্ঞ দান কোটি কোটি তীৰ্থ স্নান
কেহো যাৰ নপাৱে ওচৰ ॥ ইত্যাদি ইত্যাদি।

কিছুমানে কোৱাৰ দৰে বিষয়ীৰ একশৰণ নহয় বোলা কথাটো অসত্য। সংসাৰত আসক্ত-অনাসক্ত সকলোৰে বাবে একশৰণ। সৰ্বধৰ্ম ত্যাগ কৰি কৃষ্ণত শৰণ ললে সকলোৰে কামনা-বাসনা পূৰণ হয়।

সদায়ে এৰিল আচাৰ ধৰ্ম।
নভৈলা যাৰ কিছু জাত কৰ্ম ॥

শঠ বুদ্ধি যিটো জগতে বঞ্চে।
দম্ভ অহংকাৰ সদা নুগুছে।
সুৰা পায়ী চাতুকাব চাণ্ডাল।
নিষ্ঠুৰ বাক্য বোলৈ সৰ্বকাল॥
পুত্ৰ দাৰা ধন আতেসে ৰতি।
সবাতো অধম যি পাপমতি॥
সিসবো পাপত হোৱে তৰণ।
যদি হৰি পদে লয়ে শৰণ॥

বিষয়ৰ দোষে ভকতক বাধা দিব নোৱাৰে। উত্তম ভকতৰতো কথাই নাই, সামান্য ভকতো তৰে।

বিষয়ৰ দোষে বাধিব নোৱাৰে
ভকতি পাতেক হৰে।
আছোক উত্তম ভকতৰ কথা
সামান্য ভকতো তৰে॥ ইত্যাদি ইত্যাদি।

তন্ত্ৰ মন্ত্ৰ পূজা আদি ত্যাগ কৰি একশৰণত স্বধৰ্ম ত্যাগ কৰিলেও দোষ নহয়। শাস্ত্ৰত সকলো শ্ৰুতি স্মৃতি ত্যাগ কৰি কৃষ্ণত একশৰণ লবলৈ কৈছে। দেহ-শুদ্ধি, ইন্দ্ৰিয়-শুদ্ধি, চিত্ত-শুদ্ধি আদিও একশৰণৰ পূৰ্ব চৰ্ত্ত নহয়। একমাত্ৰ কৃষ্ণক ভজনা কৰিলে সকলো হৈ যায়। ★

শ্ৰীহৰেকৃষ্ণ মিশ্ৰ : মহাপুৰুষীয়া ধৰ্ম সংৰক্ষণ সমিতি, বৰপেটা।

শৰণ হ'ল—একশৰণ, এককৃষ্ণত শৰণ। শৰণ মানে কি? শৰণ হ'ল—

কায়বাঙ্মনসাঃ সাক্ষাৎ কৃষ্ণে পৰম পুৰুষ।
পৰিনিষ্ঠা শ্ৰয়ং দাঢ্যে শৰণং তৎ প্ৰকীৰ্ত্তিতম্॥

কায় বাক্য মনে কৃষ্ণত শৰণ। পৰিনিস্থা মানে নিশ্চয়াত্মিকা। এই শৰণ হ'ল গীতাৰ নিশ্চয়াত্মিকা বুদ্ধি।

ব্যৱসায়াত্মিকা বুদ্ধিৰেকেহ কুৰুনন্দন।
বহুশাখা হ্যনন্তাশ্চ বুদ্ধয়োহব্যবসায়িনাম্ ॥

যি জন সংসাৰৰ সকলো বিষয়ৰ পৰা আসক্তি শূণ্য একমাত্ৰ ভগৱানৰ বাহিৰে অন্য চিন্তা নাই তাকেই ব্যবসায়াত্মিকা বুদ্ধি বুলি কোৱা হৈছে। এক শৰণৰ বাধা কি?

ভোগৈশ্চৰ্যপ্ৰসক্তানাং তয়াপ্ৰহৃতচেতসাম্।
ব্যবসায়াত্মিকা বুদ্ধিঃ সমাধৌ ন বিধীয়তে ॥

ভোগ ঐশ্চৰ্যৰ প্ৰতি আসক্তি থকা লোক সকলে ভগৱানক নিশ্চয়াত্মিকা বুদ্ধি দিয়াতো সম্ভৱ নহয়।

প্ৰজাহাতি যদা কামান্ সৰ্বান্ পাৰ্থ মনোগতান্।
আত্মন্যেবাত্মনা তুষ্টঃ স্থিতপ্ৰজ্ঞস্তদোচ্যতে ॥

যেতিয়ালৈকে স্থিতপ্ৰজ্ঞ অৱস্থাত উপনীত নহয় তেতিয়ালৈকে নিগু'ণ অৱস্থা প্ৰাপ্ত নহয়। নিগু'ণ হলেহে একশৰণ হব পাৰে।

শৰণৰ তিনিটা স্তৰ আছে। প্ৰথম শৰণ হ'ল দেৱতা ত্যাগ। দেৱতাত যদি ভক্তি থাকে তেন্তে ভগৱদ্ ভক্তি ভ্ৰষ্ট হব। ভক্তি ব্যভিচাৰ হব। দেৱতাত শৰণ লয় ভোগ ঐশ্চৰ্যৰ কাৰণে, পাপ দূৰ কৰিবৰ কাৰণে আৰু সকাম কৰ্মৰ কাৰণে। এইবোৰ দূৰ কৰি নিশ্চয়াত্মিকা বুদ্ধিৰে কৃষ্ণত শৰণ লব লাগে। দেৱতাত শৰণ লোৱাতো ভক্তিবাধক কথা। সেই কাৰণে দেৱতা ত্যাগ কৰিবই লাগিব যদি ভক্তি লাগে।

দেহাসক্তি পৰিত্যাজ্যং কেৱলং জগদীশ্বৰে মন।
প্ৰবৰ্ত্ততে যততঃ শৰণং স্থিতমোত্তমম্ ॥

দেহ আদি আসক্তি পৰিত্যাগ কৰিব লাগিব মানে স্থিতপ্ৰজ্ঞ হব লাগিব। স্থিত প্ৰজ্ঞৰ বাধা কি?

যততো হ্যপি কৌন্তেয় পুৰুষস্য বিপশ্চিতঃ।
ইন্দ্ৰিয়ানি প্ৰথমাথীনি হৰন্তি প্ৰসভং মনঃ ॥

মহাপণ্ডিত সকলে বৰ যত্ন কৰিহে ইন্দ্ৰিয় সংযম কৰিব পাৰে। গতিকে

তানি সৰ্বানি সংযম্য যুক্ত অসীত মৎপৰঃ।

সকলো ভক্ত যোগীয়ে যত্ন সহকাৰে ইন্দ্ৰিয় দমন কৰি ভগৱানত শৰণ লব লাগে। ই বৰ ডাঙৰ কথা। বশেহি যসেন্দ্ৰিয়ানি তস্য প্ৰজ্ঞা প্ৰতিষ্ঠিতা ॥

এতেকে একশৰণ হবলৈ হলে নিশ্চয়াত্মিকা বুদ্ধি হব লাগিব। নিশ্চয়াত্মিকা বুদ্ধি অবিহনে নহব।

নিস্ত্ৰৈগুণ ভবাৰ্জুন। নিস্ত্ৰৈগুণ কেনেকৈ হয়? যেতিয়া স্থিত প্ৰজ্ঞ হয়।

ব্যসায়াত্মিকা বুদ্ধি আৰু দেৱতা ত্যাগ একশৰণৰ প্ৰাথমিক কথা। সৰ্ব ধৰ্ম ত্যাগ কৰিবলৈ হলে নিগু'ণ হব লাগিব। একশৰণীয়া ভকতৰ লক্ষণতেই একশৰণ পোৱা যায়। এই বিষয়ে ভাগৱতত দিছে—

তস্মাত্বমুদ্ধৱোৎ সৃজ্য নোদনাং প্ৰতিনোদনাম্।
প্ৰবৃত্তিঞ্চ নিবৃত্তিঞ্চ শ্ৰোতব্য শ্ৰুতমেব চ॥

প্ৰবৃত্তি নিবৃত্তি ত্যাগ কৰিব লাগিব। শ্ৰোতব্য আৰু শ্ৰুতমেব এইবোৰ কেনেকৈ ত্যাগ কৰিব পাৰি? নিগু'ণ নহলে এইবোৰ ত্যাগ কৰিব নোৱাৰি।

যদাতে মোহকলিলং বুৰ্দ্ধিব্যতিতৰিষ্যতি।
তদা গন্তাসি নিৰ্ব্বেদং শ্ৰোতব্যস্য শ্ৰোতস্য চ॥

যেতিয়া তোমাৰ বুদ্ধিৰ পৰা অজ্ঞানতা সম্পূৰ্ণ দূৰ হব তেতিয়াহে শুনিবলগীয়া কথা বা আগেয়ে শুনা কথাৰ প্ৰতি সম্পূৰ্ণ উদাসীন হব পাৰিবা। ভক্তিৰ দ্বাৰাইহে এই অজ্ঞানতা দূৰ হয়। সেই ভক্তি কি?

সমস্ত সুখক ত্যাজি পুৰুষোত্তমৰ প্ৰেম
ভকতিক কৰিলে আশ্ৰয়।
ভকত সবৰ এহি পুৰুষাৰ্থ মনোনিত
আনো সুখ অধিক পায়য়॥
পুৰুষোত্তমৰ প্ৰেম ভকতি সুখক মাত্ৰ
নিশ্চয় কৰিলে যিটো জন।
শৰণ কালৰ পৰা বিধিৰ কিংকৰ ত্যাজি
কৰে সদা শ্ৰৱণ কীৰ্ত্তন॥

শৰণ কাল তিনিটা— প্ৰামমিক, মধ্যম আৰু উত্তম কাল। এইটো হ'ল উত্তম শৰণ কাল। নিগু'ণ নহলে বিধিৰ কিংকৰ ত্যাগ কৰিলে বিভ্ৰান্ত হব। উত্তম শৰণ কালত বিধিৰ কিংকৰ ত্যাগ কৰিবৰ পাত্ৰ হয়। নিগু'ণ হলেহে বিধিৰ কিংকৰ শুছে। শাস্ত্ৰই কৈছে শৰণ কালৰ পৰা বিধিৰ কিংকৰ ত্যাগ কৰিবৰ হলে সমস্ত সুখক ত্যাগ কৰিব লাগিব। সমস্ত সুখৰ ভিতৰত মুক্তি সুখো পৰিব। তেতিয়াহে প্ৰেম ভক্তিক আশ্ৰয় কৰিবৰ সমৰ্থ হব। প্ৰেম ভক্তি আশ্ৰয় কৰা সকলেহে

সদায় প্ৰেমেৰে শ্ৰৱণ কীৰ্ত্তন কৰিব পাৰে। নিৰবিচিন্ন শ্ৰৱণ কীৰ্ত্তন হব পাৰে নিগু'ণ অৱস্থাত।

মদ্‌গুণ শ্ৰুতি মাত্ৰেন ময়ি সৰ্ব্ব গুহাশ্ৰয়ে।
মনোগৰ্তিৰ বিচিন্ন যথা গংগাম ভচোহম্বুধৌ॥

এইটো নিগু'ণ ভক্তিৰ কথা। ভগৱানত নিৰবিচিন্ন লাগি থকা ভক্তৰ এই অৱস্থায়ে নিগু'ণ। যেনেকৈ গংগাৰ পানী সমূদ্ৰলৈ নিৰবিচিন্ন ভাবে গতি কৰে তেনেকৈ ভক্তৰো মনৰ গতি ভগৱানত নিৰবিচিন্ন ভাৱে লাগি থাকে। তেতিয়াহে সৰ্ব কৰ্ম বাদ পৰি একশৰণ হয়। শৰণ ললো আৰু সকলো কৰ্ম ধৰ্ম বাদ দি নাম কীৰ্ত্তন কৰিলো এইটো নহয়। অবিৰক্ত ভক্তৰ লক্ষণত এইটো সম্ভৱ নহয়। বিৰক্তভক্ত হবলৈ হলে শ্ৰৱণৰ দ্বাৰা কাম, ক্ৰোধ, লোভ, মোহ আদি ত্যাগ কৰি চিত্ত শুদ্ধি হলেহে শ্ৰৱণত ৰস পায়। শৰণৰ তিনিও বিধৰ সম্পৰ্কে ঘোষাৰত্নত এনেদৰে দিয়া আছে—

প্ৰাথমিক বা প্ৰাকৃত শৰণৰ স্বৰূপ—

দেৱতাৰ আশা দূৰ কৰি পুত্ৰাদিৰ স্নেহ পৰি হৰি
কেৱল হৰিত বিশ্বাস কৰয় মাত্ৰ।
প্ৰাকৃত শৰণ তাৰ নাম . বিষয় তৃষ্ণাত তেজে কাম
সিটো পাছে প্ৰেম ভকতিৰ হোৱে পাত্ৰ॥

মধ্যম শৰণৰ স্বৰূপ—

তীৰ্থ তপে জপে আশা তেজে কায় বাক্য মনে হৰি ভজে
যথোচিত সেৱা হৰিক সদা কৰয়।
বাক্য গোবিন্দৰ নাম গাৱে মনে কদাচিতো লাগ পাৱে।
মধ্যম শৰণ তাহাকে শাস্ত্ৰে কহয়॥

উত্তম শৰণৰ স্বৰূপ—

শৰীৰৰ আশা কৰে দূৰ নাম গাৱা কৰে মন পূৰ
জগতৰ প্ৰতি ভগৱন্ত চক্ৰপাণি।
তেন্তে প্ৰেম ভক্তি ভৈল পৰ উত্তম শৰণ কহে তাক
উত্তম শৰণে সংসাৰৰ কৰে খনি॥

প্ৰকৃত আত্মা হ'ল ভগৱান, আমি কিন্তু দেহকে আত্ম বুলি ভ্ৰম কৰো।

ইয়াৰ ফলত আমি দেহৰ প্ৰতি আসক্ত হৈ পৰোঁ। এই দেহৰ প্ৰতি আসক্তি পৰিত্যাগ কৰাটোহে পৰম বিৰক্ত ভক্তৰ লক্ষণ। ভক্তি তিনি প্ৰকাৰ—শ্ৰদ্ধা, ৰতি, প্ৰেম ভক্তি। ভক্ত তিনি প্ৰকাৰ—অবিৰক্ত, বিৰক্ত; পৰম বিৰক্ত, প্ৰাকৃত, উত্তম, মধ্যম। শৰণ তিনি প্ৰকাৰ—প্ৰথম, মধ্যম, উত্তম।

ভক্তি শ্ৰদ্ধাস্তৰত শৰণৰ প্ৰথম, ভক্তৰ প্ৰাকৃত বা অবিৰক্ত। ৰতিৰ স্তৰত শৰণৰ মধ্যম, ভক্তৰ মধ্যম বা বিৰক্ত। প্ৰেমৰ স্তৰত শৰণৰ উত্তম, ভক্তৰ উত্তম বা পৰম বিৰক্ত। শৰণৰ ব্যাখ্যা শাস্ত্ৰত অন্য এক প্ৰকাৰেও পোৱা যায়। ইয়াত প্ৰথম শৰণত্বৰাহম্—মই তোমাৰ দাস স্বৰূপে আশ্ৰিত। দ্বিতীয় হ'ল ত্বংমম্—মইয়েই তোমাৰ আৰু তুমি মোৰ। অৰ্থাৎ তুমি মোৰ প্ৰেমাস্পদ, আৰু উত্তম হ'ল—আত্মত্বাশ্ৰয়—অৰ্থাৎ তুমি মোৰ পৰম আত্মা।

এতিয়া সৰ্ব ধৰ্ম পৰিত্যাগৰ কথালৈ আহোঁ। "অৰ্জুনক কলে—সৰ্ব ধৰ্মান্ পৰিত্যজ্য মামেকং শৰণং ব্ৰজ।" সৰ্ব অধৰ্মাৎ? তেনেহ'লে অধৰ্ম ত্যাগ নকৰিলেও চলে নেকি? শংকৰাচাৰ্যৰ টীকাত সৰ্ব ধৰ্মৰ পৰিত্যাগত সৰ্ব অধৰ্মৰ পৰিত্যাগৰো অন্তৰ্ভুক্ত হৈছে। এতেকে যি জনে প্ৰথমে অধৰ্ম পৰিত্যাগ কৰিব নোৱাৰে তেওঁ সৰ্ব ধৰ্মৰ পৰিত্যাগৰ অধিকাৰী কেতিয়াও হ'ব নোৱাৰে। কাম, ক্ৰোধ, লোভ, মোহ আদি পৰিত্যাগ কৰি নিজক শুদ্ধি নকৰা পৰ্যন্ত কোনো লোকে কেতিয়াও অধৰ্ম পৰিত্যাগ কৰিব নোৱাৰে। এতেকে পৰম বিৰক্ত নোহোৱালৈকে সৰ্ব ধৰ্ম পৰিত্যাগৰ অধিকাৰী কেতিয়াও হ'ব নোৱাৰে। শ্ৰদ্ধা, জ্ঞানৰূপতত্ত্ব স্বৰূপে ভগৱানক উপলব্ধি কৰিব পাৰিলেহে, একমাত্ৰ ভগৱানত সৰ্ব ধৰ্ম ত্যাগ—ৰূপ শৰণ হ'ব পাৰে।

একংমাং বা একমেবাদ্বিতীয়মাং বিধি নিষেধৰ অধীন নোহোৱাৰ অৱস্থাতহে উক্ত একশৰণ সম্ভৱ। নিৰ্গুণ বা গুণাতীত অৱস্থা নোপোৱা পৰ্যন্ত উক্ত একশৰণ সিদ্ধ হ'ব নোৱাৰে। উপৰোক্ত আলোচনাই এই সিদ্ধান্তত উপনীত হ'ব পৰা হ'ল।

★

শ্ৰীভদ্ৰকান্ত গোস্বামী ঃ সত্ৰাধিকাৰ, ধুৰাহাট বেলগুৰি সত্ৰ।

এই ভাৰতবৰ্ষৰ কথা বিষ্ণু পুৰাণত কোৱা আছে—

অত্ৰাপি ভাৰতং শ্ৰেষ্ঠ জম্বোদ্বীপে মহামুনে
যতোহি কৰ্ম ভূৰেসা হ্যতোৎন্যা ভোগ্যাভূময়ঃ॥

এই ভাৰতবৰ্ষত জন্ম হোৱা মনুষ্যসকল ধন্য, তেনেকৈ মাধৱদেৱ মহাপুৰুষে কৈছে—

ধন্য ধন্য কলিকাল ধন্য নৰ তনু ভাল
ধন্য ধন্য ভাৰত বৰিষে।

আমি যিহেতু এই ভাৰতবৰ্ষত ৰাম নাম লৈছো — ভাৰতবৰ্ষত জন্মি ৰাম নাম লোৱা কাৰণে আমি ধন্য। এই ৰাম নাম ক'ত আছিল? শ্ৰীনাৰায়ণে ব্ৰহ্মাক কৈছিল।

আমাৰ যুগটো হৈছে বৈদিক যুগ। ভাৰতবৰ্ষৰ প্ৰাচীন ধৰ্মটো হৈছে বৈদিক ধৰ্ম। এই বৈদিক ধৰ্ম ভাৰতবৰ্ষত বিৰাজমান কৰি আৰ্য্যসকলক শ্ৰেষ্ঠতৰ কৰি থৈ গৈছে। এই বৈদিক ধৰ্মত আদি নাৰায়ণে ব্ৰহ্মাক কৈছিল—

বেদাহমেতং পুৰুষং মহন্তাম্ আদিত্য বৰ্ণং তমসঃ
তমেৱ বিদিত্বাতে মৃত্যুমেতি নান্যং পন্থা।

কোনে কৈছে? যিজনে যুগে যুগে অৱতাৰ ধাৰণ কৰি মহাপুৰুষৰ লক্ষণেৰে দেখা দিছিল। কি কৈছিল?

উৰণ বুৰণ গজন দেৱ-দেৱতা আদি স্ৰজন কৰোতা জনে ব্ৰহ্মাক কৈছিল— "জ্ঞানং পৰমং গুহ্য বিজ্ঞানং" আদিৰে কলে জ্ঞান বিজ্ঞান তদং ৰহস্য এই চাৰিটা কথা কৈ মনুষ্য সকলৰ কাৰণে ব্ৰহ্মাক প্ৰচাৰ কৰিবলৈ পঠালে।

আজি নানা শাস্ত্ৰৰ উদাহৰণ লৈ নানা ভাৱ লৈ যদি আমি আহো— মহাপুৰুষে কৈছে—

"নালাগে সম্ভূত মাত্ৰ বিস্তৰ জানিবে"

গতিকে আমাক যিখিনি পৰমাৰ্থিক জ্ঞানৰ প্ৰয়োজন মহাপুৰুষে দেখুৱাই দি থৈ যোৱা পথেৰে আলোচনা কৰি এটা মীমাংসা কৰিব পৰা যায়।

আৰম্ভণিতেই কৈছে—"জ্ঞানং পৰমং গুহ্য।" এই জ্ঞান হলে মানুহৰ সকলো প্ৰকাৰৰ দুখ নাইকীয়া হয়। যিটো শ্ৰেষ্ঠ জ্ঞান কোৱা হয় সেইটোৱে পৰম জ্ঞান।

সেই পৰম জ্ঞান কোনে দিলে? পৰম পুৰুষে দিলে—সেই পৰম জ্ঞানক আশ্রয় কৰিয়েই মহাপুৰুষে ভক্তক পথৰ সন্ধান দিলে। ভাগৱতত কৈছে—

নৈমিষেহ নিমিষক্ষেত্রে ঋষয়ঃ সৌনকাদয়ঃ।

সত্রং স্বৰ্গায় লোকায় সহস্ৰসম-মাসত ॥ ১।১।৪

নৈমিষা অৰণ্যত ঋষিসকলে যি সত্র স্থাপন কৰিছিল আৰু তাত

বৈকুণ্ঠৰ কল্পতৰু ভাগৱত শাস্ত্ৰ।
ইহাৰ উত্তম ফল হৰিনাম মাত্ৰ॥
হৰিনামে হৰিনামে হৰিনামে গতি।
হৰিনামে ভকতৰ কেৱল ভকতি॥

বুলি আমি সদায় ঘোষা শাস্ত্ৰত গাই আছো। গতিকে সেই নাম বস্তু—

চাৰিও বেদৰ চাৰি অক্ষৰ
সাৰ কাঢ়ি আনি ব্ৰহ্মাদেৱে
বেকত কৰিয়া থৈলা নাৰায়ণ বাণী।
সেহি নাৰায়ণ নাম লৈয়া
শুদ্ধ কৰো আমি চিত্ত কায়া
হৰি সন্তোষৰ কাৰণ আন নজানি॥

সেই নাম বস্তু আমাক দিলে। সত্র স্থাপন কৰি নিত্য নৈমিত্তিকৰ মাজেৰেই আচৰণ কৰিবৰ কাৰণে গুৰুজনে এটা পন্থা দি গৈছে। সেইটোৰেই নৈমিষা আশ্রম সত্রৰ পন্থা।

মহাভক্ত কবি সিদ্ধি নিমি ৰজাৰ আগত এটা বচন কৈ গৈছিল—নিমি ৰজাই সিদ্ধসকলক প্ৰশ্ন কৰিছিল—হে প্ৰভুসকল ভাগৱত ধৰ্মৰ কথা কওকচোন। তেতিয়া প্ৰথমে কবি সিদ্ধে কৈছিল।

কবি নিগদিত শুনিও নৃপতি
কহো বেদান্ত তত্ত্ব।

হে মহাৰাজ তোমাক বেদান্তৰ তত্ত্ব কওঁ শুনা।

স্বভাৱে যি কৰে দান হোম ব্ৰত
আশ্ৰমৰ তীৰ্থব্ৰত॥
কায় বাক্য মনে যতেক আচৰে
লৌকিক বৈদিক কৰ্ম।

হুৱা একমত্ত ঈশ্বৰ কৃষ্ণত
অৰ্পিব সিসব ধৰ্ম্ম ॥
নিত্য নৈমিত্তিক যত জাতিধৰ্ম
আশ্ৰমৰ যত কৰ্ম ।
কৃষ্ণত অৰ্পিলে জানা সিও হোৱে
মহাভাগৱত ধৰ্ম ॥

গতিকে আজি আমি ৰাতিপুৱা শুই উঠাৰে পৰা ৰাতি শুৱালৈকে আৰু বছৰৰ বিভিন্ন সময়ত যিবোৰ কৰ্ম কৰো সেইবোৰ কৰ্ম যদি কৃষ্ণত অৰ্পণ কৰা হয় সিয়ে ভাগৱত ধৰ্ম, আৰু সেই ধৰ্মই মহাপুৰুষ গুৰুজনাই কোৱা একশৰণ ধৰ্ম।

একশৰণ হবলগীয়া হলে কি হব লাগিব আগৰ বক্তাসকলে কৈয়ে হৈছে।

গৰ্ব অহংকাৰ ত্যাজি যিটোজনে
আচৰে যদি ভকতি ।
তাতে মহাতুষ্ট হোৱা কৃষ্ণে দেন্ত
বৈকুণ্ঠ যত সম্পতি ॥

সংসাৰৰ গৰু-মহ, ঘৰ-দুৱাৰ, মটৰ-গাড়ী এইবোৰ আপুনি নাপায়। বৈকুণ্ঠৰ সম্পত্তিহে পাব। কিন্তু গৰ্ব-অহংকাৰ বিনাশ কৰি কৃষ্ণত ভকতি কৰিব লাগিব। এই ভকতি কৰিবলৈ মহাপুৰুষে সত্ৰ দিলে। মহাপুৰুষৰ আদৰ্শ, মহাপুৰুষৰ আৰ্হি আৰু মহাপুৰুষৰ যি ধৰ্মৰ ভেটি সেইটো সত্ৰবোৰে ৰক্ষা কৰি আহিছে। আমি শৰণ দিওঁতেই শিষ্যসকলক কওঁ—

অন্য দেৱী-দেৱ নকৰিবা সেৱ
গৃহে নপশিবা তাৰ ।
প্ৰসাদো নাখাইবা মূৰ্ত্তিকো নাচাইবা
ভক্তি হব ব্যভিচাৰ ॥
এক কৃষ্ণদেৱ কৰিয়োক সেৱ
ধৰিও তাহান নাম ।
কৃষ্ণ দাস হুৱা প্ৰসাদ ভুঞ্জিয়া
হস্তে কৰা তান কাম ॥

শৰণ ললে— কিন্তু ঘৰলৈ গৈ বিবাহ আদি কৰি পিছত সংসাৰৰ নানানটা লেঠাত সোমাই পৰিল। ঐশ্বৰ্য-বিভূতিৰ বশত গৰ্ব-অহংকাৰ আহি পৰাৰ ফলত

এই সৎকৰ্মৰ আচৰণ এৰিও মুখেৰে বৈষ্ণৱ বুলি কয়। কিন্তু সকলো ধৰণৰ পূজাকে আদি কৰি দেৱ-দেৱী পূজা সেৱা কৰি আছে আৰু এয়ে আজিৰ মহাপুৰুষীয়া সমাজ। সত্ৰৰ অধিকাৰ বা অন্য সন্ত সকলে ঠিকেই দিছে— যদি শিষ্যসকলে আচৰণ নকৰে— তেওঁলোকে কি কৰিব? ঘোষাত কৈছেই—

শাস্ত্ৰ গুৰুসৱে শিষ্যক কৃপায়ে
শুদ্ধ উপদেশ দিব।
শিষ্য সৱে শুদ্ধ ভাৱে নাচৰিলে
তাৰা সৱে কি কৰিব॥

যদি শুদ্ধভাৱে শিষ্যসকলে গ্ৰহণ আৰু আচৰণ কৰে তেতিয়াহলে গুৰুজনাৰ বাক্যটো সাৰ্থক হব—

"এক শৰণ হৰি নাম ধৰম কহো
বাজা কৰু পৰকাশ।"

গুৰুজনাই কৈ গৈছে একশৰণত একৰ পৰা দ্বিতীয় নাই। মহাপুৰুষীয়া ধৰ্মত একশৰণ বাদে অন্য নাই। সত্ৰ-সভা-সন্ত-মহন্ত সকলোৱে কব ই একশৰণ ধৰ্ম বুলি। একশৰণ গ্ৰহণ কৰিব লাগে বুলিও কব। এক শৰণ ধৰ্মৰ মাজতো যিবোৰ বিভেদ হৈছে—দল-উপদল হৈছে তাক এবাধৰাৰ মাজেৰে আলোচনা কৰি সমাজ এক কৰিব লাগে।

আজিনো আমি এই আলোচনা কিয় পাতিব লগীয়া হ'ল? আমাৰ মাজত বহুত দল-উপদল হোৱাৰ কাৰণে। মহাপুৰুষে আমাক এটা বস্তুহে দিছিল। জ্ঞান-বিজ্ঞান, জাতি, গুণ আদি এইবোৰ বস্তু দিছে। একৰ বাহিৰে দ্বিতীয় বস্তু নাই। কিন্তু তাৰ মাজত তথাপিও এই বিভেদ কিয় হ'ল? এই বিষয়ে সকলোৱে জানে। ভাও ধৰি শুই থকা মানুহক জগাব নোৱাৰি। আমি আচৰণ ঠিক কৰিব লাগে তাৰ কাৰণে বহুত কথা আছে। যিবোৰে আমাক বিভেদ কৰিছে তাক নিজে নিজে এৰিব লাগিব। ইয়াৰ লগতে মই অন্য এটা কথাও কব বিচাৰিছো। বৰপেটা সত্ৰই এই অভিৱৰ্তন আহ্বান কৰিছে। অসমত ৬০০খন সত্ৰ আছে। সত্ৰ সমূহৰ এখন সত্ৰ সংঘ বুলি অনুষ্ঠানো আছে। চৰকাৰৰ পৰা সেইদৰে অনুদান লৈছে। সত্ৰসংঘক অনুনয়-বিনয় কৰি আমন্ত্ৰণ জনাই কাগজ-পত্ৰ দিছিল। কিন্তু তেখেতসকলে তাত কাণসাৰ নকৰিলে। ইয়াৰ কাৰণটো কি? তেখেতসকলে জানে

আচৰণ প্ৰৱৰ্তনত ঠিক আছে নে নাই, মহাপুৰুষক মানি তেখেতসকল আছে নে নাই। মাজুলিত সত্ৰ সংঘৰ কাৰ্য নিৰ্বাহক বহিছিল। বহুত অনুনয়-বিনয়, তৰ্ক-বিতৰ্ক কৰিও ইয়ালৈ আনিবলৈ সক্ষম নহলো। আমি আজি বিদেশীৰ কাৰণে আন্দোলন কৰিছো। আমাৰ মাজতো বিভেদ হৈছে। ভাই ভাই ঠাই ঠাই হৈছে। তাক নিবৃত্তি কৰো আহক। কিন্তু আমাৰ মাজত অনুকূল, চাইবাবা বাদেই দামোদৰীয়া, হৰিদেৱী আদি সোমোৱাই এখন খেলিমেলি সৃষ্টি কৰিছে। গুৰুজনে জ্ঞান-বিজ্ঞান তদন্ত ৰহস্য কথা দিছিল। তাক আচৰণ কৰিছো নে নাই চাবলগীয়া। এতিয়া আজি আমি কেইখনমান সত্ৰ আৰু আজিৰ সভাত সমবেত হোৱা সকলে এটা সিদ্ধান্ত কৰিলে তেখেতসকলে মানি লবনে?

আমাৰ হাজাৰ হাজাৰ প্ৰজাই সত্ৰ সমূহক সেৱা জনাই আহিছে। আজিৰ সিদ্ধান্ত সেইসকলে মানিবনে নাই। আমি আলোচনা কৰিবই লাগিব। তেতিয়াহে আমাৰ জাতি, ধৰ্ম, সংস্কৃতি ৰক্ষা পৰিব। আমি সৰু সৰু কথা বাদ দি মহান বিষয়ত এৰা ধৰা কৰি চলিবলৈ অনুৰোধ জনাই মোৰ ভাষণ সামৰণি মাৰিলো।

★

শ্ৰীমদ্‌স্বামী কৃষ্ণানন্দ ব্ৰহ্মচাৰী: গোবিন্দ ভৱন, গীতাসত্ৰ মানিকপুৰ।

পূৰ্ব ৰাজ্য, উদয় ৰাজ্যৰ সমস্ত সন্ত মহন্ত লগ লৈ মহাপুৰুষৰ ধৰ্ম ৰক্ষাৰ কাৰণে যি সকল ইয়ালৈ আহিছে সমস্ত সত্ৰাধিকাৰ সকল প্ৰমুখ্য কৰি সকলো লৈকে মই প্ৰণাম জনাইছো। কিয়নো মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱে যেতিয়া ধৰ্ম প্ৰচাৰ কৰে তেতিয়া চুতীয়া, আহোম, কোচ, কছাৰী, বাৰভূঞা নানা ৰকম ৰজা আৰু ৰাজনীতিৰ দল লগ হৈ অসমক চেদেলি-ভেদেলি কৰিছিল। সেইদৰে শাক্ত শৈৱ, গাণপত্য আদি সকলো ধৰ্মই বিভেদ সৃষ্টি কৰিছিল। কিন্তু মহাপুৰুষে ঢাল নাই, তৰোৱাল নাই, বিজ্ঞানাগাৰত বহা নাই, একমাত্ৰ ধৰ্মবজৰিয়তে সমস্ত অসমখনক এক কৰি পেলাইছিল। আজি সেই সকল গুৰু ইয়াত গোট খাইছে। তেৰা সকলক মই বাৰে বাৰে প্ৰণাম কৰিছো।

আজি অসম দেশ যি সমস্যাৰ মাজত সোমাই পাৰিছে তথা ভাৰতবৰ্ষৰ

হিন্দুৰ যি গৌৰৱ, ভাৰতৰ গৌৰৱ ; বাজি, সেই হিন্দু জাতি ক্ষয়িষ্ণু হৈ আহিছে। জাতি কেতিয়া ধ্বংস হয় যেতিয়া ভেদ নীতি প্ৰয়োগ হয়। মুছলমান বিলাকে ৬৫০ বছৰ ৰাজত্ব কৰি গ'ল, বৃটিছেও অনেক বছৰ শাসন কৰি থৈ গ'ল। আমাৰ জাতিটো বেলেগ কৰি, শেষ কৰি গ'ল। পৰম পৱিত্ৰ বৈকুণ্ঠ এই বৰপেটা সত্ৰ। বৈকুণ্ঠ বস্তু ইয়াত থৈ গ'ল জনতাৰ কাৰণে। অধমক ৫০০তম জন্ম উৎসৱত এই বৰপেটা বাসীয়ে মোৰ যোগ্যতা নাই যদিও তেওঁলোকে আনি ইয়াত পাতিলে। আজি ইয়াত অধিকাৰ সন্ত মহন্ত এই সকল "পৰম ঈশ্বৰদেৱ নামন্ত তাহাক লাগ তপ-জপ তীৰ্থ ব্ৰত দানে। একান্ত ভক্তৰ পদ ৰেণু শুদ্ধ চিত্তে মাথে অভিলেষ নকৰায় মানে।"

শ্ৰীমধুদ্বিশ ঈশ্বৰৰ কীৰ্ত্তন মঙ্গল নিৰন্তৰ
যিটো ভূমি ভাগে শুদ্ধ ৰূপে হোৱে জাত।
তাৰ ধূলি যিটো শিৰে ধৰে নিশ্চয় জানিবা সিটো নৰে
কৃষ্ণৰ পৰম বল্লভ হোৱে সাক্ষাত॥

এই বৰপেটা সত্ৰত ১৪টা প্ৰসঙ্গ চলি আছে। নাম গুণ, কীৰ্ত্তন, প্ৰসঙ্গ, ভাগৱত পাঠ তৈলধাৰী দৰে এই ঠাইত ঈশ্বৰৰ নাম চলি আছে। সেই সকল ভকতৰ পদধূলি ইয়াত আছে। শংকৰদেৱ, মাধৱদেৱ, দামোদৰ দেৱ, য'ত মহাপুৰুষ ইয়াত সমবেত হৈছিল, তেওঁলোকৰো চৰণৰ ধূলি আছে। সেই কাৰণে আজি শিৰত তুলি লওঁ।

মহাপুৰুষে একমাত্ৰ ভাগৱতক আশ্ৰয় কৰিছিল। প্ৰভু সকল মোক ক্ষমা কৰক। এক মহাপুৰুষৰ নামেৰে জগত উদ্ধাৰ কৰে।

আজি সেই বুদ্ধ যুগৰ অৱস্থা আহিছে। বুদ্ধ যুগত যেনেকৈ সমস্ত লোকে নত মস্তক কৰি দিছিল। বুদ্ধৰ নামত সমস্ত প্লাবিত কৰিছিল। সেই সময়ত নগাওঁত মহাপুৰুষ শংকৰদেৱ আহি সমস্ত অসম এক কৰি নগা আদিকো ধৰ্ম দিছিল। সিদিনা নগাওঁত মোৰ ভাষণ হৈছিল। বোলো যি মহাপুৰুষে নগাৰ নৰোত্তম, মিকিৰৰ জয়হৰি, মিৰিৰ পৰমানন্দ গাৰো, ভোট, যৱন আদি সমস্তকে ধৰ্ম দি গোটেই অসম এক কৰি থৈ গ'ল, সেই নগাওঁত আজি খৃষ্টান পট্টি হৈছে। যি জন মহাপুৰুষে শংকৰদেৱ, মাধৱদেৱ, হৰিদেৱ, দামোদৰদেৱ, চাৰি জন মহাপুৰুষে ধৰ্ম প্ৰচাৰ কৰিছিল, আদৰ্শ দিছিল কিয় ? সেই দিনা পাঠশালাত বিৰাট মিটিং হৈছিল। তাত গোস্বামী, ব্ৰাহ্মণ আদি অনেক সন্ত আহিছিল।

এজন ব্ৰাহ্মণে আহি মোক প্ৰশ্ন কৰিছিল। আমাৰ মহাপুৰুষৰ লগত দামোদৰ দেৱ কিবা এক নেকি ? হয় এক। ৰামচন্দ্ৰই কৈছিল তুমি মোক জানা মই তোমাক জানিম। ভগৱানৰ কোটি ব্ৰহ্মাণ্ড আছে। সেই কথা নাজানে? গোবিন্দ গোবিন্দ গোবিন্দ গোবিন্দ গোবিন্দ ৰাম মুৰাৰি। অনন্ত কোটি ব্ৰহ্মাণ্ড হৰি অধিকাৰী সেই ভগৱান। মই ভগৱান নহয় নে। স্বৰ্গ, বিসৰ্গ সকলোতে ভগৱান আছে। ভাগৱতটো সেইয়া আছে। ভাগৱতৰ দশম স্কন্ধতো একে। তাত কৈছে—কোটি কোটি ব্ৰহ্মাণ্ড যাক আশ্ৰয় কৰি আছে। সেই কৃষ্ণ। যদি কওঁ মই ব্ৰহ্ম, কৃষ্ণ কি মোৰ নহব ?

প্ৰভু সকল মই নিন্দা কৰা নাই। স্বৰূপ বন্দন কৰিছো। আজি নগাওঁত খৃষ্টান পট্টি হৈছে। কাৰ্বি আংলঙত কাৰ্বি বিলাক খৃষ্টান হৈ গৈছে।

আমি ভাৰতীয় তাৰ পিছত হিন্দু। হিন্দু হিচাপে আমি সকলোৱে মিলি থাকিব লাগিব। যদি আমি মিলি নাথাকো তেনেহলে সকলো থান থান বান বান হব। হিন্দু ধৰ্ম ইমান দুৰ্বল নেকি ? যে আমি সকলো ভাৰতীয়ক আকোৱালি লবনোৱাৰে নেকি ? আমি ধৰ্মকলৈ কাজিয়া কৰি থাকিলো।

বৈকুণ্ঠ শাস্ত্ৰ কৃষ্ণ মুখৰ বচন।
তাৰ কি অৰ্থক জানে সেই সেই জন॥

সাধু সংগৰ জৰিয়তে এইবোৰ বুজিব লাগিব। সাধু সংগত সকলোৰে মন নিৰ্মল হয়। মই সকলোকে সেৱা জনাইছো যাতে আমি সকলোৱে লগহৈ শুদ্ধ ধৰ্ম ৰক্ষা কৰো।

★

শ্ৰীদেৱকান্ত কাকতি : শ্ৰীমন্ত শংকৰ কৃষ্টি বিকাশ সমিতি, গুৱাহাটী।

শংকৰ কৃষ্টি বিকাশ সমিতি ফালৰ পৰা মই যিখিনি কথা ক'ম সেইখিনি সাধাৰণ নগৰীয়া মানুহে একশৰণ ধৰ্ম কি, সেই বিষয়ে সেই সকল মানুহে কি দৰে ভাৱে তাকেহে ক'ম। তত্ত্ব জ্ঞান মোৰ তেনেদৰে নাই।

শংকৰদেৱ, মাধৱদেৱৰ একশৰণৰ বিচাৰেই মূল তত্ত্ব বিচাৰ। "একদেৱ, একসেৱ" এইটো হ'ল প্ৰথম কথা। দ্বিতীয় কথা কৃষ্ণৰ নাম গুণ কীৰ্ত্তন কৰা। তৃতীয় কথা শক্তি আৰু ভক্তি অনুযায়ী নিষ্কাম হোৱা। এইকেইটাই হ'ল মূখ্য কথা। আজি আমাৰ বিষয় দিয়া আছে— "মহাপুৰুষীয়া ধৰ্ম আদৰ্শমতে একশৰণ তত্ত্ব বিচাৰ।" আচলতে কব লাগিব—মহাপুৰুষীয়া নহয়—মহাপুৰুষ দুজনাৰ ধৰ্ম আদৰ্শমতে একশৰণে কি বুজায়। যদি আপোনালোকে নতুনকৈ তত্ত্ব বিচাৰ কৰিব বিচাৰে তেনেহলে তেখেতসকলে যি সিদ্ধান্তত আহিছিল তাৰ হয়তো সলনি হব পাৰে আৰু পৰিবৰ্ত্তন কিয় কৰিব লাগে, কি পৰিবৰ্ত্তন হব লাগে—তাৰ পৰ্যালোচনা কৰিব লাগিব। যেনেকৈ কমিউনিষ্ট পাৰ্টিত লেনিন আছিল, গৰ্কি আছিল—তেওঁলোকৰ এটা ব্যাখ্যা আছিল—ঠিক তেনেকৈ আমাৰ একশৰণীয়া ধৰ্মতো দুয়োজন মহাপুৰুষে দি থৈ গৈছিল। সেই বিলাককে লৈ আমি পালন কৰি আহিছো। ইয়াৰ পিছত হয়তো আপোনালোকে কব পাৰে যে সময় বদলিল ৫০০ বছৰৰ আগতে তেওঁসকলে যি কৈছিল এতিয়া আমাৰ শিক্ষা দীক্ষা হৈছে। মনত সন্দেহ—আৰু সন্দেহ নোহোৱাকৈ নথকাও নহয়। তাৰ উদাহৰণ গুৱাহাটী মহানগৰৰ আমাৰ শংকৰ কৃষ্টি বিকাশ সমিতিৰ যিসকল সভ্য—তাত বহুত মানুহ আছে। ল'ৰা-ছোৱালী, ডেকা-বুঢ়া সকলোৱে নাম কীৰ্ত্তন কৰিব আহে। ল'ৰা-ছোৱালীবোৰে কলেজত পঢ়িছে, ইংৰাজী স্কুলত পঢ়িছে। তেওঁ-লোকেও বহু ধৰ্মৰ লগত জড়িত। খৃষ্টান স্কুলবোৰতো পঢ়িছে। এই সকলৰ কাৰণে হয়তো কিবা পৰিবৰ্ত্তন কৰিব লগীয়া হবও পাৰে। কিন্তু আপোনালোকে কিবা পৰিবৰ্ত্তন কৰিব বিচাৰিছে নে নাই? এটা কথা মনত ৰাখিব লাগিব—কেইজনমান চহৰীয়া মানুহৰ মনত সন্দেহ হলেই অসমৰ বাইজক পৰিবৰ্ত্তন লাগে নে নাই? কিন্তু কিছুমান শিক্ষিত মানুহে কিবা প্ৰশ্ন কৰিলে—তাৰ কাৰণে আমি কি কি বিষয়ত সাজু হব লাগিব সেইতো তত্ত্ব বিচাৰ কৰক – যাতে শংকৰদেৱ মাধৱদেৱে যি দি গৈছিল সেইটোতে আমাৰ কাৰণে যথেষ্ট আছে সেইটো যাতে

প্ৰতীয়মান হয়। গীতাৰ পৰাও আভৰি যোৱা নাই।

একদেৱ একসেৱ। দেৱ বুলিলে আমি কৃষ্ণকে মানিছো। কিন্তু সেইসকল বৈষ্ণৱ ধৰ্মী গুৰুনানকেই দেৱ বুলিলে কৃষ্ণক নামানিছিল। সাকাৰ আৰু নিৰাকাৰ উপাসনা। আমাৰ মাজত নিৰাকাৰটো প্ৰচলিত। হয়তো সেই সময়ত মানুহবিলাকে অন্ধ শিক্ষা-দীক্ষা ব্ৰাহ্মণ বিলাকৰ পৰা অনুকৰণ কৰিছিল। তেওঁলোকে নিৰাকাৰ উপাসনা কৰিব পাৰিছিল। আমাৰ বোধকৰো সমাজৰ অৱস্থা এনেকুৱা আছিল এনে কৰাতো দৰকাৰ আছিল আৰু হয়তো সংঘৰ্ষও হৈছিল। যি সময়ত অসমত বৈষ্ণৱ ধৰ্ম প্ৰচলন হৈছিল তেতিয়া আপোনালোকে জানে যে—শাক্ত ধৰ্মৰ প্ৰভাৱ বেচি আছিল, শাক্ত মানুহৰ সংখ্যা বাঢ়ি গৈছিল। ধৰ্মৰ নামত বহুতো নকৰিব লগীয়া কাম কৰিছিল আৰু সেই কাৰণে হয়তো সাকাৰ মানিছিল।

যিকোনো কাৰণতে নহওঁক বহুতে মূৰ্ত্তিৰ কথা কয়। এতিয়া দামোদৰ পন্থীসকলে মূৰ্ত্তিৰ প্ৰশ্নতো আনে। দামোদৰীয়াসকলে দামোদৰীয়া বুলি নকওঁ—বৈষ্ণৱ ধৰ্মৰ যিসকলে দামোদৰদেৱক মানি চলে তেওঁলোকে মূৰ্ত্তিৰ কথা আনে। যি সকলে মাধৱদেৱ বা আমি যাক মহাপুৰুষীয়া বুলি কওঁ তেওঁলোকে কয় মূৰ্ত্তি নাই। যিসকলে আমাৰ কৃষ্টি বিকাশ কেন্দ্ৰ দেখিছে তাত মূৰ্ত্তি থোৱাত কি অসুবিধা আছে? তেতিয়া মই ঘপহকৈ উত্তৰ দিবলৈ টান পাওঁ। এনেধৰণৰ কথাৰ উত্তৰ কি বুলি কওঁ। এই কথাতে ভাৰতবৰ্ষৰ আটাইবোৰ বৈষ্ণৱ স্থানলৈ গলো সকলোতে মূৰ্ত্তি আছে। দ্বাৰকাতো আছে। মই সেই কাৰণে অলপ বিপাঙত পৰিছিলো। তাৰ পিচত কিতাপ পত্ৰ পঢ়িবলৈ ললো। অদ্ভুত তেনে এখন ঠাই আছে য'ত মূৰ্ত্তি নোহোৱাকৈও, আমাৰ ইয়াত যেনেকৈ নাম ঘোষা, কীৰ্ত্তন ঘোষা থাপনাত ৰাখো—মহাপুৰুষীয়া ধৰ্মৰ দৰে পুথি ৰাখে। কিন্তু আমাৰ ক্ষেত্ৰত একেবাৰে সম্পূৰ্ণ ভাৱে স্পষ্টভাৱে মাধৱদেৱে কৈছে মূৰ্ত্তি থাকিব নোৱাৰে। তাৰ বিনিময়ত নামঘোষা, কীৰ্ত্তন ঘোষা, ভাগৱত আদি ৰাখিব লাগে। ঠিক তেনেকৈ গুৰুনানকে—শিখ ধৰ্মতো গুৰু গ্ৰন্থ ৰাখিছে। একেদৰে ইচলাম ধৰ্মতো কোৰান ৰাখে। খৃষ্টান ধৰ্মত কব নোৱাৰি কোনোৱে বাইবেল কোনোৱে চেণ্ট মেৰীৰ মূৰ্ত্তি ৰাখে।

আগতে আমাৰ গুৰুসকলে যি কৰি থৈ গ'ল তাক যদি আমি কৰো তেনেহলে তাত বিমত থাকিব নোৱাৰে। ঠিক যেনেকৈ একদেৱ একসেৱ। সেৱ কেনেকৈ কৰা যায়? পূজা-পাতলৰে বহুতো নীতি নিয়মে? কিন্তু আমাৰ তুলনা

গুৰুই কৈছে যে –নাম কীৰ্ত্তনেই আটাইতকৈ ডাঙৰ সেৱা। গুৰুজনৰ বিচাৰ— কবলগীয়া একো নাই। এজন মানুহ বিশেষকৈ উঠি অহা ডেকা এজনৰ কাৰণে যথেষ্ট। এইটো কথাত বিশেষত্বও আছে।

তাৰ পিচত আহিল নিষ্কাম ভকতিৰ 'নাম'। ভকতিৰ কথাটো আপোনালোকে আলোচনা কৰিছে, সেই বিষয়ে মই কব নালাগে। কিন্তু আমাৰ আহিল নিষ্কাম ভকতিৰ কথা। নিষ্কাম ভকতি কি সেইতো মই কব নালাগিলেও একশৰণৰ লগতে কব পাৰো। একশৰণ হব লাগিলে মানুহটো ভক্তও হব লাগিব। সেইকাৰণে নিষ্কাম ভকতিৰ কথাটো আহিব। আজি বহুতবিলাক মানুহ যিসকলে নিজকে মহাপুৰুষীয়া বুলি কয়, তেওঁলোকে সত্যনাৰায়ণ পূজাও কৰে! কোনোবাই পূজা পাতল কৰে তাৰ বিষয়ে আমাৰ কবলগীয়া একো নাই।

আজি ৰাতিপুৱা সক এটা ঘটনা হৈছিল। পুৱা যেতিয়া ওলাইছো তেতিয়া এজন পকামুৰা মানুহে মাতি মোক কৈছিল—আপোনালোক আহিছে শংকৰ, মাধৱ মহাপুৰুষৰ ধৰ্ম ভাঙিবলৈ। মোৰ মুখৰ পৰা ওলাল ভাঙিবলৈনে? আমাৰ শক্তি নাই ভাঙো বা ৰাখো। মানুহজনে মোক আৰু এটা কথা কলে—ধৰ্ম ৰক্ষা আৰু শৰণ লোৱাৰ মোৰ হেনো এতিয়া বয়স হোৱা নাই। মোৰ নিচিনা এজন ভদ্ৰলোকক তেওঁ এনেদৰে কলে। বয়স? একশৰণ ধৰ্ম লোৱাত বয়সৰ কথাটো আহিব নোৱাৰে। কোনোবাই হয়তো সৰুতে ধৰ্ম লব পাৰে, কোনোবাই হয়তো পিছৰ বয়সত ধৰ্ম লব পাৰে আৰু আন কোনেবাই হয়তো একশৰণ নলবও পাৰে। কিন্তু পুথিত কোৱা হৈছে যে শৈশৱ কালতে অৰ্থাৎ সৰুতে লোৱা কথাহে। এনেধৰণে যাতে আমি ল'ৰা বা ছোৱালী সকলক এইটো মতামত আৰু অন্য মতামতৰ লগত তুলনামূলক ভাবে বুজাই দিব পাৰো। আমাৰ ব্ৰহ্মচাৰীদেৱে কৈয়ে গৈছে। বিশেষকৈ সৰুতে বুজাই আনিবলৈ সহজ হয়। ইয়াৰ পাছত আৰু এটা মই নুবুজা কথা ক'ম। যেনেকৈ আমাৰ কৃষ্ণানন্দ স্বামীদেৱে কলে—খৃষ্টানবিলাকে আমাৰ মানুহ লৈ গৈ আছে—আমাৰ হিন্দুধৰ্মৰ পৰা খৃষ্টান ধৰ্ম অৱলম্বন কৰিছে। এইটো কাকো দোষ দিবলগীয়া নাই। দোষ হৈছে আমাৰ। আমাৰ সংগঠন নাই। আমাৰ সত্ৰাধিকাৰ আছে কিন্তু তেখেত সকলৰ সংগঠন নাই। তেনেহলে তেখেতসকলে কাম কেনেকৈ কৰিব? মই এইবিষয়ে কব খোজো আমি কিছুমান এনেকুৱা ধৰণৰ মানুহ বহুমুখী প্ৰতিভা থকা বুধিয়ক আৰু একোখন সমাজ চলাৰ পৰা লোকক প্ৰচাৰক পাতিব লাগে। তেওঁলোকক আমি শৰণ

ধৰ্মৰ পৰা আৰম্ভ কৰি ধৰ্মৰ কিছুমান কথা প্ৰশিক্ষণ দিব লাগিব। যাকে তাকে ধৰ্ম প্ৰচাৰ কৰিব দিলে ধৰ্ম ব্যভিচাৰ হবই। আৰু কি প্ৰচাৰ কৰিব? তেওঁ ল'ৰা বা ছোৱালী হলেও মোৰ আপত্তি নাই। ল'ৰা বা ছোৱালীবোৰে নিজেই আহিব বিচাৰিছে। আমি তেওঁলোকক আনিব পাৰিব লাগিব। তেওঁলোক শিক্ষিত হব লাগিব। তেওঁলোকে ধৰ্ম গ্লানি নকৰিব। কাৰণ তেওঁলোক শিক্ষিত আৰু শিক্ষা আছে। তেওঁলোকে কলেজত পঢ়ে বা ডিগ্ৰী লৈছে বা চাকৰিও কৰে। আমি এতিয়া ভাবিছো যে আমাৰ এতিয়া ডিগ্ৰী নাই। আমাৰ এনে-ধৰণৰ ল'ৰা বা ছোৱালীবোৰ লগ হৈ আমি সংগঠন কৰিব লাগিব তেতিয়াহে আমি ঘৰ আৰু বাহিৰত কাম কৰিব পাৰিম।

মই শেষত সকলোকে ধন্যবাদ জনাই মোৰ ভাষণ সামৰণি মাৰিলো।

★

শ্ৰীশৰৎ মেধি : মহাপুৰুষীয়া ধৰ্মালোচনী সভা, গুৱালকুছি।

আজি একশৰণ তত্বৰ ওপৰত আলোচনা আছিল। মোৰমতে ইয়াত ইতি-পূৰ্বে যিসকল বক্তাই আলোচনা কৰি একশৰণৰ ওপৰত কৈছে, সেইমতেদি আমি একশৰণ পালোৱেই। গতিকে ইয়াৰ লগত জড়িত অন্য কেইটামান কথাহে ক'ম। কিন্তু সেই একশৰণটো আমি মানিব পাৰিছো নে নাই? অসমৰ গোটেই বৈষ্ণৱ ধৰ্মৰ মানুহবিলাকৰ যিটো সিদ্ধান্ত হয় আৰু সেই সিদ্ধান্তটো সভা-সমিতি কৰি প্ৰকাশ আৰু প্ৰচাৰৰ ব্যৱস্থা কৰিব লাগে। কথাটো হ'ল এই—ইমানখিনি মানুহ লগ হৈ আমি সিদ্ধান্ত কৰিব পাৰো। কিন্তু সেই সিদ্ধান্তটো প্ৰচাৰ কৰি বা প্ৰকাশ কৰি অসমৰ বিভিন্ন ঠাইত সভা সমিতি কৰি প্ৰচাৰৰ চেষ্টা কৰিলে তেনেকুৱা সিদ্ধান্তহে কামত আহিব পাৰে। নহলে মহাপুৰুষীয়া ধৰ্মৰ মাজতেই নহয় গোটেই হিন্দু জাতিটোত ভাৰতবৰ্ষত সংঘাত সৃষ্টি হব। আমাৰ যিটো একশৰণ তত্বৰ কথা আপোনালোকে আলোচনা কৰিছে, সমস্ত অসমতে নহলেও মোৰ ধাৰণা সক-সুৰাকৈ আমাৰ একশৰণত বাধা দিছে জাতিগত তত্বই। আমাৰ উচ্চ নীচ জাতিগোত্ৰ আছে। এতিয়াও আমাৰ মহাপুৰুষীয়া সমাজৰ পৰা তথা হিন্দু সমাজৰ পৰা জাতি ভেদ দূৰ হোৱা নাই।

এই জাতি ভেদ তত্ত্বটোৰ পৰাও একশৰণত বহুত বাধা পৰা যেন লাগে। ইয়াৰ সকলো প্ৰমাণ আমাৰ হাতত আছে আৰু আপোনালোকেও জানে।

২য় কথাটো হ'ল—আমাৰ মাজত পুৰুষ আৰু মহিলাৰ ভাব। এই পুৰুষ আৰু মহিলাৰ ভাবটোয়েও আমাৰ একশৰণত বহুত বাধাৰ সৃষ্টি কৰিছে। এই কথাটো কোৱাৰ অৰ্থ এই যে আমাৰ সমাজত থকা কিছুমান মানুহে মিত্ৰয়ে হওঁক, শত্ৰুয়ে হওঁক বা আমাৰ ধৰ্ম্ম মানি লোৱা মানুহেই হওঁক—আমাৰ মাজত পুৰুষ প্ৰকৃতি ভেদৰ সৃষ্টিৰ কথা কৈও আমাৰ যিটো ভগৱানৰ প্ৰকৃত একশৰণত বাধা জন্মোৱা বুলি মোৰ ধাৰণা হয়।

আন এটা আমাৰ একশৰণত বাধা দিয়া কথা হ'ল—আমাৰ যিটো নিত্য নৈমিত্তিক কৰ্ম। সদায় যিবোৰ আমি কৰি আহিছো পিতৃ কৰ্ম, দেৱ কৰ্ম্ম আদি বিভিন্ন কৰ্ম আছে আৰু আমি এইবোৰ পৰম্পৰা হিচাবে কৰি আহিছো। যিবোৰ কৰ্ম আমি পিতৃ কৰ্ম, দেৱ কৰ্ম বুলি ভাবো সেইবোৰ কৰ্মই আমাৰ একশৰণত বাধা দি আহিছে। প্ৰশ্ন হৈছে যিবোৰ সূত্ৰৰ পৰা এই একশৰণত আমাৰ বাধা হৈ আছে– সেই-বোৰ সূত্ৰ বিনাশ কৰিবৰ কাৰণে আমি ইয়াত যি সমৱেত হৈছো, আমি সম্ভৱ হলে আলোচনা কৰি কি ধৰণে এই নিত্য নৈমিত্তিক কৰ্ম, পিতৃকাৰ্য, দেৱকাৰ্য বা বিভিন্ন আমাৰ আগৰ পৰা পৰম্পৰা হিচবে চলি অহা এই বিলাকৰ মাজেৰে একশৰণ তত্ত্বত যিবিলাক বাধা বা বেলেগ ধৰণৰ প্ৰশ্ন আহিব পাৰে তাক কেনে ধৰণে দূৰ কৰিব পাৰি সেই কথাটোহে সিদ্ধান্ত কৰি উলিয়াই প্ৰচাৰ কৰিলে হয়তো একশৰণৰ অন্ততঃ কিছু ওচৰলৈ আহিব পাৰিব। নহলে আমাৰ যিবিলাক নিত্য নৈমিত্তিক কৰ্ম, পিতৃ, দেৱকাৰ্য যিবোৰ পৰম্পৰাগত কাৰ্য সেইখিনি বহু পৰিমাণে লৌকিক হিচাবে মানি আছো। সেইবোৰে একশৰণত বাধাৰ সৃষ্টি কৰিছে আৰু কৰিলেও একশৰণৰ পৰা ফালৰি কাটি যোৱা নাই। আমি নিত্য নৈমিত্তিক কৰ্ম কৰিলেও দেৱকাৰ্য, পিতৃকাৰ্য কৰিলেও বা অন্যান্য লৌকিক কাম কৰিলেও যিবোৰ বৰ্ত্তমান ধৰ্মাচাৰ্য বা সাহিত্যিকে লিখিছে— সেইবোৰ আমি কৰিয়েই আছো। যি কৰি আছে, সেইবোৰ কৰিব লাগে নে নাই সেই বিষয়ে এটা সিদ্ধান্ত কৰিলে তাক হয়তো বুজাপৰাৰ মাজেৰে সকলোবোৰ মহাপুৰুষীয়া ঘূৰিফুৰি যিমান পাৰি এটা এৰাধৰাৰ মাজেৰে আমি এক হিচাবে আগবাঢ়ি যাব পাৰো বা এক মহাপুৰুষীয়া পন্থা হব পাৰো। মহাপুৰুষীয়া ধৰ্মত আমাৰ বিভিন্ন সংঘ অনুষ্ঠান—গাওঁবিলাকতো বিভিন্ন সংঘ বা অনুষ্ঠান আদি আছে। বিভিন্ন সত্ৰত বিভিন্ন সংহতি, নানা ধৰণৰ

কথা দেখিবলৈ পাওঁ—সেইদৰে সংঘ বা অনুষ্ঠান বিলাকতো বিভিন্ন পন্থা। গতিকে এই সংহতি, বিভিন্ন অনুষ্ঠান সকলোবোৰে এটা সহজ সৰ্ব সন্মত পন্থা দিলে আমি সৰ্বসাধাৰণ ৰাইজে মানি লব পাৰিম। বৰ্ত্তমান শিক্ষিত ল'ৰা বিলাকেও -ধৰ্মৰ বিভিন্ন সভা সমূহত যিবোৰ প্ৰশ্ন কৰে তাৰ উত্তৰ আমি তেনেকৈয়ে দিবলৈ পাৰিম। সময়ে সকলো কৰিব। আমাৰ ধৰ্ম্মাচাৰ্য বিলাকে বা সাহিত্যিক বিলাকে মহাপুৰুষীয়া ধৰ্মত ইমান সাধনা লাগে বুলি কয়—প্ৰাকৃত ভকত, মধ্যম ভকত, অপ্ৰাকৃত ভকত। তাৰ পিছত আৰু কেনেকৈ সাধনা কৰিব লাগে—কৰিলেহে মহাপুৰুষীয়া হব পাৰি, মহান ভকত হব পাৰি - ইমান টান কথা কলে বৰ্ত্তমান ডেকা ল'ৰাবিলাকে মহাপুৰুষীয়া ধৰ্মটো টান পাব আৰু ইফালে পিঠি দিব।

আঁমাৰ পন্থা সহজ পন্থা। আপোনালোকে যি সাধনা কৰে প্ৰাকৃত ভকত হয়, অবিৰক্ত ভকত হয় হৈ থাকক। আমাৰ মতে আমি এক কৃষ্ণৰ নাম লৈ কোনো অন্য দেৱ-দেৱীৰ কথা চিন্তা নকৰাকৈ একশৰণ হব পাৰে৺। আৰু সেই একশৰণকে ডেকা ল'ৰাবিলাকে প্ৰথম স্তৰত আমাৰ ধৰ্মগুৰু সকলৰ পৰা পাব পাৰে। প্ৰথমতে যদি তেওঁলোকক এটা ভয় লগাই দিয়া যায় যে এই ধৰ্মলৈ আহিলে ইমানবোৰ সদাচাৰ মানিব লাগিব, ইমান সাধনা কৰিব লাগিব, ইমানবাৰ ভগৱানৰ নাম লব লাগিব— এনে ধৰণৰ কথাই ভয় দেখুৱাই দিয়া যায় যিটো ভয়ত বহুত ডেকা ল'ৰা পিছুৱাই যাব। মই ভাবো তেনেহলে বহু ডেকা ল'ৰাক একশৰণ তত্বত নাপাম। গতিকে কিছুমান লৌকিক আচৰণৰ কথা ল'ৰা বিলাকক বুজাই নিদি, কৃষ্ণৰ নাম ললেই, কৃষ্ণক সেৱা কৰিলেই হব। আমাৰ মহাপুৰুষসকলে যি চাৰিখন পুথি দি থৈ গৈছে— আমাৰ মতে মহাপুৰুষ শংকৰদেৱে মাধৱদেৱক কৈছে—"বঢ়াৰ পো অসম পালোহি। ভাৰতবৰ্ষত তীৰ্থসমূহৰ পৰা যি পালো আনিলো আৰু শাস্ত্ৰ সমূহৰ ভিতৰতো যি আনিব লগীয়া আছিল আনিলো।" আমাৰ এই চাৰিখন শাস্ত্ৰ —কীৰ্ত্তন, দশম, ঘোষা, ৰত্নাৱলীত সকলোখিনি মহাপুৰুষে আমাক দি থৈ গৈছে। যি চাৰিখন শাস্ত্ৰ মহাপুৰুষ সকলে দিছে—তাৰ বাহিৰে অন্য চিন্তা নকৰি, কৃষ্ণই একদেৱ আৰু শংকৰ মাধৱেই গুৰু এই ধৰণেৰে যদি আমাৰ ডেকা ল'ৰাবিলাকক আমাৰ প্ৰভুসকলে আগবঢ়াই দিলেহেঁতেন মই ভাবো— আমাৰ ডেকা ল'ৰা বিলাকেও লংপেণ্ট পিন্ধিলেও বা নানা ধৰণৰ পোছাক পিন্ধি ফুৰিলেও একশৰণ ধৰ্মটো লবলৈ টান নাপাব বা মহাপুৰুষীয়া ধৰ্ম লব। সেই কাৰণে প্ৰভুসকল একশৰণৰ নামত কোনো সাধ্য-সাধনা, তপ-জপৰ কথা কৈ

আমাৰ ডেকা ল'ৰাবিলাকক যেন একশৰণৰ পৰা বিৰত নকৰে। গতিকে প্ৰভু-সকল মই কৈছো আজি আমাৰ যি সভা হৈছে এই সভাতেই একশৰণ তত্ত্ব বা ভক্তি তত্ত্বৰ কথা বিভিন্ন ধৰণৰ কথাৰ মাজেৰে মূল কথা যিবোৰ আছে—সেইবোৰ সহজ কৰিব পাৰি, আৰু সহজ কৰি উঠি অহা ডেকা ল'ৰাবিলাকে আমাৰ একশৰণ ধৰ্মটোৰ যিখিনি লব পাৰে—সেইখিনি গ্ৰহণ কৰি টান টান কথাবোৰ মোৰ বোধেৰে প্ৰয়োজন হলে গুৰুৰ ওচৰত বা জনা মানুহৰ ওচৰত তেওঁলোকে শুধি লব। এয়ে মোৰ কৰলগীয়া। ★

অধ্যাপক—শ্ৰীভৱপ্ৰসাদ চলিহা : গুৱাহাটী বিশ্ববিদ্যালয়।

আজিৰ যিটো বিষয় আছে এই বিষয়টো যিমান জটিল সিমান সহজো। সহজ এই কাৰণে যে মহাপুৰুষে কীৰ্ত্তনত একেবাৰে অশিক্ষিত সাধাৰণ জনসাধাৰণৰ কাৰণে লিখি থৈ গৈছে। তেখেতে সেই সকলৰ কাৰণে কোনো জটিলতা কৰি থৈ যোৱা নাই। ইয়াত আমি কোনো জটিলতা বিচাৰি নাপাওঁ। কাৰণ যি সকলৰ উদ্দেশ্যে এই ধৰ্ম প্ৰচাৰ কৰি থৈ গৈছে সেইসকল অতি সাধাৰণ মানুহ। গধুৰ তত্ত্ব কথাৰে ভাৰাক্ৰান্ত কৰিব বিচৰা নাই। আন হাতেদি বিষয়টোনো কি বুজিবৰ কাৰণে নিম্নৰ মানসিকতা থাকিলে বিষয় বৰ সহজ। এই সম্পৰ্কত মহাপুৰুষে নিজে শাস্ত্ৰসমূহত নিজৰ ধৰ্মবাণী বিশ্বৰ বহুতো মহাপুৰুষৰ বিপৰীতে লিখি থৈ গৈছে। আনকি তেখেতসকলে দুৰ্বোধ্য সংস্কৃত ভাষাটো পৰিহাৰ কৰি সকলোৰে বোধগম্য ভাষাত ভাৰতৰ বেদ-বেদান্ত উপনিষদ আদি সেইসকলে বুজিব পৰা ভাষাত লিখি থৈ গৈছে। এই ধৰ্মটো তেখেতৰ ভাগৱতৰ ১ম অধ্যায়তে পাওঁ—ভাগৱত ধৰ্ম নামেৰে। নাম ধৰ্মনো কি? তেখেতৰ প্ৰপন্ন শিষ্য, গুণী শিষ্য মাধৱদেৱে গুৰুজনৰ একশৰণ হৰি নাম ধৰ্ম বুলি আখ্যা দিছে। পৰৱৰ্ত্তী কালত এই ধৰ্মক আমি মহাপুৰুষীয়া ধৰ্ম বুলি আখ্যা দিছো। মহাপুৰুষীয়া ধৰ্ম বুলি কিয় কোৱা হৈছে এই বিষয়ে নানা জনে নানা ৰকমে ব্যাখ্যা দিছে। কিন্তু এইটো স্পষ্ট কথা, যি জন আমাৰ উপাস্য দেৱতা তেওঁক মহাপুৰুষ নামে জনাজাত।

সেই শব্দৰে উপনিষদ, বেদ, যজুৰ্বেদ, ভাগৱতত পাইছো। বিভিন্ন শাস্ত্ৰত এই মহা-পুৰুষ শব্দটো আছে। সেইজন কৃষ্ণ দেৱতাক বিজন এই ধৰ্মৰ উপাস্য দেৱতা তেখেতক বিভিন্ন নামেৰে জনা গৈছে। কাৰণ ঋক বেদৰ পুৰুষ সুক্তটো পাইছো। তাৰ পিছত পৰমপুৰুষ, মহাপুৰুষ, পুৰুষোত্তম, যিখিনি নাম দিয়া আছে সেই-খিনি নাম পাইছো।

সেই জনক পৰৱৰ্ত্তী কালত বিভিন্ন নামেৰে—কেতিয়াবা হৰি, কেতিয়াবা নাৰায়ণ, কৃষ্ণ, বিষ্ণু আদি বিভিন্ন নামেৰে মতা হৈছে। সেই জনক ব্ৰহ্ম বুলিও কোৱা হৈছে। সেই ব্ৰহ্মক শ্ৰীমন্ত শংকৰদেৱে কীৰ্ত্তনৰ প্ৰথমতে—

প্ৰথমে প্ৰণামো ব্ৰহ্মৰূপী সনাতন।
সৰ্ব অৱতাৰৰ কাৰণ নাৰায়ণ ॥

বুলি সেই নাৰায়ণকে স্তুতি কৰিছে। সেই ব্ৰহ্ম আমাৰ সমস্ত বিশ্ব-ব্ৰহ্মাণ্ডৰ পিতৃ-মাতৃ। সেই ব্ৰহ্ম এক অদ্বিতীয়। এই কথাটো ঋক্ বেদটো পোৱা যায়। উপ-নিষদবো বিভিন্ন সুক্তত একে কথাকে কোৱা হৈছে। ব্ৰহ্ম যে এজন দ্বিতীয়জন নাই উপনিষদত এই কথা কোৱা হৈছে। তেওঁৰ বাহিৰে দ্বিতীয় কোনো সত্ত্বা নাই। সেই ব্ৰহ্ম আমাৰ একমাত্ৰ উপাস্য দেৱতা। ভাৰতীয় হিন্দুধৰ্মৰ এজন প্ৰবক্তা শংকৰাচাৰ্য্যই এঠাইত এই ব্ৰহ্মনো কি নানা ৰকমে আলোচনা কৰি এটা শ্লোকত কৈছে।

যদুক্তং গ্ৰন্থ কোটিভি শ্লোকাৰ্দ্ধেন প্ৰবক্ষ্যামি।
ব্ৰহ্ম সত্যং জগৎ মিথ্যা জীৱো ব্ৰহ্মৈৱ নাপৰ ॥

ইয়াত কলে ব্ৰহ্ম একমাত্ৰ সত্য। শংকৰদেৱে যি ব্ৰহ্মক আৰম্ভনিতে প্ৰণাম জনাইছে সেই ব্ৰহ্ম। জগতখন মিথ্যা আৰু অস্থায়ী বুলি কৈছে। জীৱবোৰো ব্ৰহ্মৰে অংশ। গতিকে এই ব্ৰহ্ম সত্য আৰু জগত অসত্য। ব্ৰহ্ম শব্দবোৰ দৰ্শনত সদায় আমি পাই আহিছো। এই সত্য তিনিটাই সমস্ত বিশ্বৰ সমূহ দৰ্শনকে নিজৰ ফালে লৈ আছে।

আমি চকুৰ আগত দেখিছো চাৰি প্ৰকাৰ জীৱ— উৰণ, বুৰণ, গজন, ভ্ৰমণ। এই চাৰি প্ৰকাৰ জীৱৰ বাদে অন্য কদাপি নাই। এই কেইটা সত্ত্বাৰ বাহিৰে বাকী যি আছে সেয়া মিথ্যা। এই তিনিটা সত্ত্বাৰ ওপৰতে বিশ্বৰ সকলো ধৰ্মৰ আধাৰ আৰু আমাৰো ধৰ্ম প্ৰতিষ্ঠিত। এই তিনিটাৰ ভিতৰত আমি জীৱৰ বিষয়ে যি দেখিছো সেই জীৱ জগতৰ বাহিৰেও পদাৰ্থ জগত আমি সকলোৱে

দেখিছো। আমাৰ চাৰিও ফালে এইয়া পদাৰ্থজগত। জীৱজগতৰ ভিতৰতে মানুহ পৰিছে। আমাৰ চকুৰে দেখা এইয়া জগত— আমাৰ চকুৰে নেদেখা আৰু এখন জগত আছে বুলি আমি ধৰি লৈছো। সেইয়া হৈছে দেৱতাসকলৰ জগত। তাৰ যিজন শ্ৰেষ্ঠ দেৱতা তেওঁক ব্ৰহ্ম বুলি কোৱা হৈছে। যাৰ বিষয়ে আমাৰ মহাপুৰুষে ডাঙি ধৰিছে। আমাৰ উপাস্য দেৱতা, সেই তিনিটা সত্তাৰ কথা যদি আমি বুজি পাওঁ তেতিয়াহে আমি কথাবোৰ পাম। সেই ব্ৰহ্ম একমাত্ৰ সত্তা— যি চিৰন্তন সনাতন, যি সমস্ত বিশ্ব-ব্ৰহ্মাণ্ড ধৰি আছে। তেওঁ আদি, অন্ত, সকলোৰে আত্মাত আছে।

জীৱ-জগতৰ এটা প্ৰধান ধৰ্ম হৈছে মৃত্যু। সেই সনাতন ব্ৰহ্মজন জন্ম-মৃত্যু ৰহিত। ব্ৰহ্মই সমস্ত বিশ্ব-ব্ৰহ্মাণ্ডৰ সত্তা। তেওঁকে আমি ঈশ্বৰ, ব্ৰহ্ম, নাৰায়ণ, কৃষ্ণ, হৰি আদি বুলি মাতি আহিছো। তেওঁকে মহাপুৰুষ শংকৰদেৱে আমাক বুজাব যত্ন কৰিছে যে সনাতন ব্ৰহ্ম কেনেকুৱা— সেই কৃষ্ণই চৈতন্য।

হে কৃষ্ণ তুমি মাত্ৰ চৈতন্য স্বৰূপ নিত্য
সত্য শুদ্ধ জ্ঞান অখণ্ডিত।
আৰুৰ যতেক ইটো তোমাৰ বিনোদ ৰূপ
চৰাচৰ মায়াৰ কল্পিত ॥

তেওঁ মায়াৰ শক্তিৰে চৰাচৰ জগত সৃষ্টি কৰিছে। এই মায়া শক্তিয়েই জগত। সেই জনেই একমাত্ৰ পৰম সৃষ্টিৰ মূল। তেওঁ মায়াৰো স্ৰষ্টা। সমস্ত সৃষ্টি জীৱ-জগতৰ সকলো তেওঁৰ সৃষ্টি আৰু সকলো মায়াবদ্ধ। এই সকলোৰে আদি অন্ত তেওঁ। মহাপুৰুষে কৈছে—

ব্ৰহ্মা আদি জীৱ নিৰন্তৰে ৰাম ৰাম ৰাম ৰাম ৰাম
মায়া শয্যা মাজে আছয় ঘুমটি যায়।
তুমিসে চৈতন্য সনাতন ৰাম ৰাম ৰাম ৰাম ৰাম
আমি অচেতন দিয়োক নাথ জগায় ॥

ব্ৰহ্মাকো জীৱ বুলি কৈছে। জীৱ কিয় কাৰণ আদি অন্ত আছে; এই সমস্ত জীৱ মায়াৰ মাজত আছে। একমাত্ৰ ভগৱান কৃষ্ণৰহে আদি অন্ত নাই। এই জীৱই মায়াবদ্ধ—আৰু মায়াৰ পৰা ৰক্ষা পাবলৈ ভক্তি স্তুতি কৰিছে। মায়াৰ কবলৰ পৰা ৰক্ষা পোৱাৰ উপায় হৈছে ভক্তি। জ্ঞান আৰু কৰ্মই সেই মুক্তি আনি দিব নোৱাৰে। মায়া তৰিবলৈ হলে ভক্তিৰ প্ৰয়োজন। একমাত্ৰ ভগৱানত

ভক্তি কৰিলেহে মায়া তৰণ হয়। সেই মায়া, ব্ৰহ্মা আদি কৰি সকলো ইশ্বৰৰ পৰা উৎপত্তি হোৱা বুলি কোৱা হৈছে। ব্ৰহ্মাৰ পৰৱৰ্তী কালৰ দেৱতা সকলো সেইজনৰ পৰা সৃষ্টি হৈছে আৰু সেইজনৰ মায়াত আৱদ্ধ হৈ আছে। গতিকে সেইজনৰ ভক্তি কৰিলেহে মুক্তি পাব পাৰি।

আমি কেতিয়াবা মুক্তিৰ কাৰণে অন্য দেৱতাক প্ৰাৰ্থনা কৰো। শাক্ত, শৈৱ আদি পন্থা আছে। কিন্তু ব্ৰহ্মা আদি সকলো দেৱতাই মায়া তৰণৰ কাৰণে কৃষ্ণকহে প্ৰাৰ্থনা কৰে। দেৱতাসকলৰ অৱশিষ্ট হৈছে জীৱ। সেই কাৰণে কোৱা হৈছে ব্ৰহ্মা আদি কৰি জীৱ যত। এই জীৱ মায়াবদ্ধ। মায়াৰ পৰা উদ্ধাৰৰ কাৰণে দেৱতাসকলে দিনে-ৰাতিয়ে স্তুতি কৰিছে। যিসকল দেৱতাই নিজৰ মুক্তিৰ কাৰণে স্তুতি কৰে সেই সকলে আমাক মুক্তি দিব পাৰিবনে? সেই কাৰণেই এই সকলক প্ৰাৰ্থনা কৰা নিৰৰ্থক বুলি আমাৰ মহাপুৰুষে বিভিন্ন শাস্ত্ৰত লিখি থৈ গৈছে। যিবোৰ শাস্ত্ৰ মহাপুৰুষে লিখি থৈ গৈছে সেইবোৰ বেদ-বেদান্ত, গীতা উপনিষদৰ কথা। বেদত কি আছে? বেদৰ গুপুত বিত্ত নাৰায়ণ বুলি কোৱা হৈছে। এইবোৰ কথা আপোনালোকে জানে। দুখন শাস্ত্ৰৰ কথা আমাক কৈছে—

শাস্ত্ৰত উত্তম গীতা ভাগৱত
ধৰ্মত উত্তম নাম।
দেৱত উত্তম দৈৱকী নন্দন

এই গীতা ভাগৱত শাস্ত্ৰ দুখনৰ কথালৈ আহো। বৈদিক শাস্ত্ৰৰ সাৰখিনি উপনিষদৰ সাৰখিনি গীতাত আছে।

সৰ্বোপনিষদো গাবো দোগ্ধা······বুলি উল্লেখ কৰিছে। গীতাত এটা কথাই প্ৰতীয়মান হৈছে—কৃষ্ণই তেওঁৰ পৰম ভক্ত অৰ্জুনক নানা কথাৰে বুজনি দি কৈছে—

তমেৱ শৰণং গচ্ছ সৰ্বভাৱেন ভাৰত।
তৎ প্ৰসাদাৎ পৰাং শান্তিং স্থানাং প্ৰাপ্সাসি শাশ্বতম ॥

এই ধৰণে কৈ তেওঁ যে পৰম "নিধানম" সেই পৰম জন ময়েই "মামেকং" বুলি কৈ নিজৰ ফালে আঙুলিয়াই।

অন্য এখন শাস্ত্ৰ ভাগৱত। ইয়াতো সমস্ত বেদান্তৰ সাৰ ভাগহে আছে।

"সৰ্বং বেদান্ত সাৰহি ভাগৱতম" বুলি কোৱা হৈছে। সমস্ত বেদান্তৰ সাৰখিনিহে ভাগৱতত আছে। ভাগৱততো গীতাত কোৱাৰ দৰে শেষত ভগৱান কৃষ্ণই

"মাম একং সর্ব ভাবেন" বুলি কৈছে। এই বাক্যটো যদি বুজি পাওঁ মহাপুৰুষে কোৱা কথাখিনি যদি আমি বুজি পাওঁ তেনেহলে একশৰণ বুজি পাম। এক-শৰণত সেয়ে অন্য দেৱ-দেৱতাৰ অৱস্থিতি একো নাই। তেওঁলোকো মায়াবদ্ধ জীৱ। এজন মায়াবদ্ধ জীৱই আন এজনক স্তুতি কৰা কামত নাই, তেতিয়া হলে মহা-পুৰুষে কোনো কথা কল্পনা কৰি লেখা নাই। সমস্ত শাস্ত্ৰৰ সাৰভাগহে লিখিছে। তাত তেওঁ কব বিচাৰিছে যে দেৱতা সকলো আমাৰ দৰে জীৱহে। দেৱতা আমাতকৈ শক্তিশালী যেনে পকৱাতকৈ মানুহ বেছি শক্তিশালী। ঠিক তেনে-কুৱাহে। দেৱতাসকলো জীৱ আৰু মায়াবদ্ধ। তেওঁলোকে মায়া তৰিবৰ কাৰণে ভগৱানক স্তুতি কৰি আছে। সেই দেৱতাসকলক উপাসনা কথাটো প্ৰয়োজন নাই। কামত নাহে' সেই কাৰণে মহাপুৰুষ শংকৰদেৱে অন্য দেৱতাক সেৱা কৰিবলৈ কেতিয়াও কোৱা নাই। এই দৰ্শনৰ নিয়ম অনুযায়ী বিভিন্ন সাপ, বেঙ, আদি পূজাবোৰবো কোনো কামত নাহে। এইবোৰ ঈৰ্ষাৰে কোৱা কথা নহয়। হাজাৰ হাজাৰ জীৱবোৰ একেই। চিন্তাশীল জীৱ, আৰু অন্য জীৱবোৰৰ মাজত পাৰ্থক্য এয়েই। মানুহক চিন্তা শক্তি দিছে। চিন্তা কৰি মানুহে সেইবোৰ কথা বুজি আজি কিমান ওপৰলৈ আহিছে। সেইকাৰণে মহাপুৰুষ গুৰুজনে দেখিলে চিন্তাশীল মানুহে এইবোৰ পূজা কৰা একেবাৰে নিৰৰ্থক। মই কাৰো প্ৰতি বিদ্বেষ ভাৱ ৰাখি কোৱা নাই। কিন্তু গছ, শিল, সাপক পূজা কৰাৰ কোনো অৰ্থ নাই। কোনো কামত নাই। সেই কাৰণে এইবোৰৰ পৰা বিৰত থাকিবলৈ তেৰাই কৈছে। তেৰাই ইয়াৰ পৰা আঁতৰাই আনিবৰ কাৰণে বেদ-বেদান্ত আদি শাস্ত্ৰবোৰ অতি সৰল ভাবে আমাৰ কাৰণে লিখি থৈ গৈছে। এইয়ে গুৰুজনাৰ কথা।

★

শ্ৰীবিজয়কৃষ্ণ গোস্বামী : ডেকা সত্ৰাধিকাৰ, নতুন কমলাবাৰী সত্ৰ।

প্ৰথমে মহাপুৰুষীয়া ধৰ্মনো কি জানিব লাগিব। আমি ভাবো গুৰুজনাই বৈকুণ্ঠৰ ভাগৱত শাস্ত্ৰ মন্থন কৰি অসম ভূমিত যি ধৰ্ম প্ৰবৰ্ত্তন কৰিলে সেইটোৱে মহাপুৰুষীয়া ধৰ্ম। এই ধৰ্মৰ আদৰ্শ হৈছে—

ব্ৰাহ্মণৰ চাণ্ডালৰ নিবিচাৰি কুল।
দাতাত চুৰত দৃষ্টি সমতুল॥
কুকুৰ শৃগাল গৰ্দভৰো আত্মাৰাম।
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।

সমস্ত ভূততে বিষ্ণু বুদ্ধি কৰি কায় বাক্য মনে একমাত্ৰ ভগৱানক আৰাধনা কৰাটোৱে এই ধৰ্মৰ মূল আদৰ্শ।

এতিয়া হৰিক কায় বাক্য মনে একচিত্তে আৰাধনা কৰিবলৈ যাওঁতে প্ৰথমে এক পৰমেশ্বৰ ভগৱন্ত শ্ৰীকৃষ্ণত শৰণ লব লাগিব। শৰণ মানে আশ্ৰয়। গুৰুজনাই কীৰ্তনত লিখিছে।

ত্ৰাহি দেৱ দামোদৰ যাদবা নন্দন
দীন দয়াশীল স্বামী।
কৰাহা নিস্তাৰ তোমাৰ চৰণে
শৰণ পশিলো আমি ॥"

আকৌ কংস বধত লিখিছে—

জগন্নাথ অনাথক থাপিয়ো চৰণে।
তোমাক বান্ধৱ মানি পশিলো শৰণে॥

আচাৰ্য ইলাৰাম দাস, অচ্যুৎ কৃষ্ণ মিশ্ৰ বাপে কৈছে যে - গুৰুজনাই যি ধৰ্ম প্ৰৱৰ্তন কৰি ভক্তি মাৰ্গ প্ৰৱৰ্তন কৰিলে তাৰ নিদৰ্শন ভক্তি প্ৰদীপত গুৰুজনাই লিখিলে—

জগতৰে আত্মা ব্ৰহ্মাদিৰো মই দেৱ।
জানি একচিত্তে মাত্ৰ মোক কৰা সেৱ॥
মোক এৰি আন একো নভজে দেৱক।
সেহি ভক্তি একৱাৰে সমস্তে কৰ্মক ॥
সেহি এক শৰণ ভজন অনুপাম।
নুশুনয় আন একো দেৱতাৰ নাম ॥

গুৰুজনাই ভক্তি প্ৰদীপৰ বহু ঠাইত একশৰণৰ কথা উল্লেখ কৰিছে আৰু লিখিছে—

বেদ বাক্য দেখা পাষাণৰ ৰেখা
জানিয়া দঢ়াইবা চিত্ত।
আন দেৱ তেজি মোকে মাত্ৰ ভজি
তুমি হুবা কৃতকৃত্য ॥
সভৰে সুহৃদ ঈশ্বৰ কৃষ্ণত
হুয়োক এক শৰণ।
তানে গুণ নাম লৱা অবিশ্ৰাম
চিন্তিয়ো তানে চৰণ ॥

আনদেৱ দেৱতা ত্যাগ কৰি একমাত্ৰ কৃষ্ণত শৰণ লওঁ, তাথাপি অন্য দেৱতাক পূজা কৰা হয়। ইয়াৰ প্ৰমাণ বিষ্ণুপুৰী সন্যাসীৰ ভক্তি ৰত্নাৱলীত মাধৱদেৱে লিখিছে—

ভগৱন্ত মাধৱৰ অভয় চৰণে।
আছয় শৰণ লৈয়া কায়বাক্য মনে ॥
আন দেৱাদিৰ সেৱা যদ্যপি নকৰে।
তথাপি সবাৰে সেৱা সিজে নিৰন্তৰে ॥

যদি ভগৱানক পূজা সেৱা কৰিলেই অন্য দেৱ-দেৱীৰ পূজা হয়, তেন্তে বেলেগে অন্য দেৱ-দেৱীক পূজা সেৱা কৰা কথা অমূলক। ভাগৱতৰ একাদশ স্কন্ধৰ পদ গুৰুজনে কৰিছে—

একে মোত মাত্ৰে তুমি লৈয়োক শৰণ।
নকৰিবা ভয় মই কৰিবো ৰক্ষণ ॥

গীতাত কৃষ্ণই অৰ্জুনক কৈছে—

সৰ্ব ধৰ্ম এৰি এক শৰণ সাক্ষাত।
সুদৃঢ় বিশ্বাসে সখি লৈয়োক আমাত ॥

সকলো শাস্ত্ৰই একমাত্ৰ কৃষ্ণত শৰণ লোৱাৰ কথাহে বাৰে বাৰে দৃঢ়তাৰে কৈছে। যোৱাত মাধৱদেৱে কৃষ্ণত শৰণ লোৱাৰ কথাহে কৈছে।

শাস্ত্ৰসমূহে শৰণৰ তিনিটা ভাগ কৰিছে। সেয়া হ'ল—উত্তম, মধ্যম আৰু প্ৰাকৃত শৰণ। নিজৰ পঞ্চভূতৰ দেহাটোত যাৰ আত্মা বুদ্ধি আছিল কিন্তু পিছত নিজ জীৱাত্মাই পৰমাত্মা ঈশ্বৰৰ জ্ঞান লাভ কৰি দেহৰ আসক্তি ত্যাগ কৰি

পৰমাত্মাতে আশ্ৰয় লয়। সেইটোৱে উত্তম শৰণ। নিজৰ ভাৰ্যা, ধন, জন, পুত্ৰ, গৃহ. গো, মহিষ, ভূমি আদিক নিজৰ বিপদ বুলি ভাবিছিল পিছত সকলোবোৰ ত্যাগ কৰি কৃষ্ণত শুদ্ধ চিত্তে আশ্ৰয় লয় তাকে মধ্যম শৰণ বুলি কোৱা হৈছে। যি সকলে পাপ মুক্তি বা অভিষ্ট সিদ্ধিৰ বাবে আন দেৱ-দেৱী তীৰ্থ আদিক অভিষ্ট সিদ্ধিদাতা বুলি পূজা সেৱা কৰিছিল পিছত তাক ত্যাগ কৰি কৃষ্ণত আশ্ৰয় লয় তাকে প্ৰাকৃত শৰণ বুলি কৈছে। ইয়াৰ প্ৰত্যেক ভাগৰে আকৌ তিনিটাকৈ ভাগ আছে। যেনে -- আৰ্ত্ত শৰণ, অৰ্থাৰ্থী শৰণ আৰু জিজ্ঞাসু শৰণ। বিপদৰ সময়ত উদ্ধাৰ কৰোতা কৃষ্ণ বুলি জানি আৰ্তনাদেৰে যি শৰণ লোৱা হয় তাকে আৰ্ত শৰণ বোলে। ইয়াৰ উদাহৰণ--গজেন্দ্ৰ, দ্ৰৌপদী আদি। কামনাপূৰ্বক যদি কৃষ্ণক ভজে যি কামনা পূৰ্ণ কৰাৰ অৰ্থে কৃষ্ণত শৰণ লয় তাকে অৰ্থাৰ্থী শৰণ বোলে। ইয়াৰ উদাহৰণ বিভীষণ, ধ্ৰুৱ ইত্যাদি। কৃষ্ণ ভক্তি তত্বৰ কথা সুধি জানি-বুজি লোৱাৰ পাছত একচিত্তে যি শৰণ লয় তাকে জিজ্ঞাসু শৰণ বোলে। ইয়াৰ উদাহৰণ হ'ল—অৰ্জুন, উদ্ধৱ, মৈত্ৰেয় আৰু বিদুৰ।

কলিৰ জীৱই সহজতে কৃষ্ণত শৰণ লৈয়ো ভকতি কৰি কৃষ্ণৰ গুণ নাম কীৰ্ত্তন কৰি উদ্ধাৰ হব পাৰিব। ভগৱানে সৃষ্টিতে এক হৰি নাম প্ৰৱৰ্তন কৰিছিল। কাৰণ জীৱৰ কোটি কোটি জন্মৰ অন্তত পূণ্যৰ বলত দেৱৰ দুৰ্লভ এই মানৱ জনম পূণ্য ভূমি ভাৰতবৰ্ষত লাভ কৰিব পাৰে। এই সোণালী সুযোগ পুনৰাই পোৱা নাযাব। গতিকে এই জন্মতে ভগৱন্তৰ চৰণত শৰণ তেওঁৰ গুণ নাম কীৰ্ত্তন কৰি জীৱৰ একমাত্ৰ মুক্তিৰ উপায় গ্ৰহণ কৰাটো উচিত। শৰণ দৃঢ় হব লাগিব।

বচনে কেৱল মাত্ৰ হৰিত শৰণ লয়
চিত্তে আন দেৱক ভজয়।
জানিবাহা কদাচিতো সিদ্ধি সিটো নলভয়
হৰি তাৰ সন্তোষ নহয়।

দোকানত এটা বস্তু যেনেকৈ এবাৰত এজনকহে বিক্ৰি কৰিব পাৰে ঠিক তেনেকৈ আমাৰ এই পঞ্চভূত দেহাটো কৃষ্ণত বিক্ৰি কৰাৰ পাছত আনক বিকিব নোৱাৰি। ভক্তি প্ৰদীপত কৈছে—

সমৰ্পিলো শৰীৰক কৃষ্ণৰ চৰণে।
শুনি মুণি পৰম বিস্ময় ভৈলা মনে॥

আমি শপত খাই কৃষ্ণত শৰণ লোৱাৰ পিছত আৰু অন্য দেৱতাক পূজা সেৱা

কৰিব নেৱাৰো। শৰণ গুৰু, দেৱ, নাম, ভকত এই চাৰিবস্তুত লোৱা হয়। এই চাৰি বস্তু। বেলেগ বেলেগ বস্তু নহয়।

মন্নাথ শ্ৰীজগন্নাথ শ্ৰীজগত গুৰু সদাত্মা

ভূতাত্মা তস্মৈ শ্ৰীগুৰুৱে নমঃ

অৰ্থাৎ যিজন আমাৰ নাথ, তেওঁ জগতৰে নাথ, যিজন আমাৰ গুৰু তেওঁ জগতৰে গুৰু, যিজন আমাৰ আত্মাস্বৰূপ তেওঁৱে সৰ্বভূত আত্মা, সকলো জীৱৰ আত্মা আৰু সেইজন গুৰুক নমস্কাৰ কৰো।

শ্ৰীমৎ পৰম ব্ৰহ্ম গুৰু ভজামি।

গুৰুৰূপে পৰম ব্ৰহ্ম ভগৱন্ত দেৱৰূপে দৈৱকী নন্দনদেৱ, একেই ভগৱান, সেই নাম সেই ভগৱান আৰু ভকত?

ভকত জনে যে মোৰ হৃদয়

মইয়ো ভকতৰ হিয়া নিশ্চয়।

মই বিনে ভকতে নিচিন্তে আন।

ভকত বিনে মোৰো নাহি ধ্যান।

গতিকে সেই ভকত সেই ভগবান। গতিকে এই শৰণক ব্যৱস্থাপক শৰণ বুলি কোৱা হৈছে।

আমি বাৰু কৃষ্ণত কিয় শৰণ লব লাগে? এই কথাৰ উত্তৰ দিব লাগিলে তাৰ আগতে আমি জানিব লাগিব যে— আমি ভাৰতবৰ্ষত জন্ম কিয় লৈছো? ভাগৱতত কৈছে—

কোটি কোটি জন্ম অন্তৰে যাহাৰ

আছে মহাপুণ্য ৰাশি।

সি সি কদাচিত ভাৰত বৰিষে

মনুষ্য হোৱয় আশি॥

গতিকে জীৱসকল পুনৰ ঈশ্বৰ প্ৰাপ্তি হোৱাৰ বা পুনৰ জন্ম নোহোৱাৰ বাবে ঈশ্বৰক ভক্তি কৰিবৰ বাবে এই সোণালী সুযোগ দিয়া হয়। ভাৰৰবৰ্ষ পুণ্যভূমি, ইয়াত যি সাধনা কৰা হয় সকলো সিদ্ধ হয় গতিকে—

দেৱৰো দুৰ্লভ এহেন জনম

ব্যৰ্থ কৰা কোন কামে।

গৃহতে থাকিয়া হৰিক স্মৰিয়া

মোক্ষ সাধা হৰি নামে॥

দিবে চিত্ত কৃষ্ণ গুণ নাম কীৰ্ত্তনত।
কৃষ্ণৰেসে পাদপদ্ম স্মৰিবে মনত ॥
নাৰায়ণ সুমৰ নে পৰম মঙ্গল।
এহি মানে জীৱৰ জনম সম্ফল ॥

ভাৰতবৰ্ষত জন্ম পাই যদি হৰি ভক্তি নকৰে তেনে জীৱই পুনৰ কোটি কোটি জন্ম ধৰিলেও ভগৱত প্ৰাপ্তি হব নেৱোৰে। সেই জীৱই সংসাৰ চক্ৰত ঘূৰি ফুৰিব লাগিব। গতিকে ভাৰতবৰ্ষত মনুষ্য পাওঁতেই হৰিত ভক্তি কৰি জীৱৰ মুক্তি সাধন কৰাটোৱে প্ৰধান কৰ্তব্য।

হৰি নামে হৰি নামে হৰি নামে গতি।
হৰি নাম বিনে কাৰো নাহিকে মুকুতি ॥

জীৱই হৰিত শৰণ লৈ মুক্তিৰ অৰ্থে ভকতি কৰাৰ কথাকে তুজনা গুৰুৱে সকলো শাস্ত্ৰতে লিখিছে। নাট সমূহতো একে মত প্ৰকাশ পাইছে। আমি ভাৱো এক শৰণ সম্পৰ্কেও কাৰো দ্বিমত নাই—

এক শৰণ হৰি নাম ধৰম কহো
ৰাজা কৰো পৰকাশ।

অৰ্জুন ভঞ্জণত মাধৱ পুৰুষে লিখিছে—

হে সামাজিক লোক তোৰাসৱকো হামু এক পৰম উপদেশ বোলো। শ্ৰদ্ধাৰে আদৰ কৰাহা। তোৰাসবৰো দুখ দেখিয়ে হামাৰ মনে ঘেষ জলয়। ওহি গহণ বন মাজে ব্ৰহ্মক নিতান্ত বিচাৰ কৰিতে বুদ্ধি সহিতে শৰীৰ ক্ষীণ ভেল। অব বন বিচাৰ চুৰি, গোৱাৰী যশোদাক ঘৰে সৰ্ব উপনিষদ অৰ্থ, ভগৱন্ত পৰমাত্মা ব্ৰহ্ম উক খলে নিচয় বুদ্দি হুৱা ঠিক।

গুৰুজনাই পত্নী প্ৰসাদ নাটকত লিখিছে— হে মিত্ৰ, কন্দলী, হে আচাৰ্য হে ভাৰতী, ব্ৰাহ্মণী সব শোচহীন বেদ শাস্ত্ৰ জানয়ে নাহি। পৰম ধৰ্মগুৰু সেৱা বৰ্জিত। আহ হামু সব স্ত্ৰীৰো অধম ভেলো। কৰ্ম গৰ্বে অন্ধ হুৱা কৃষ্ণক জানিতে নাহি পাৰলো। সে কৃষ্ণ সকলো যজ্ঞ মূৰ্তি বেদৰো উৰ্দ্ধত, ভূমি, লক্ষ্মী যাহাৰ চৰণ কিঙ্কৰী. আপুনি নিজ আনন্দে ব্ৰহ্মচৰ্য্য ব্ৰত ধৰি গুৰু শুশ্ৰূষা কৰিয়ে বেদ সব পঢ়ল। ইহাকো ধিক্কাৰে ৰহোক। আহ নিজ কাৰ্যে সাধিতে ভেলো। পৰ উপদেশ পণ্ডিত বোলাইছে ইহাকো ধিক্কাৰ ঠিক।

★

শ্ৰীপ্ৰফুল্ল চন্দ্ৰ মহন্ত ঃ বি-এ, বি-টি, সত্ৰাধিকাৰ, ডেকাবাপু সত্ৰ, গুৱালকুছি।

জয়জয়ন্তে দুজনা গুৰুৰ চৰণত প্ৰণাম জনাইছো। এই অভিৱৰ্ত্তণ আমাৰ সকলোৰে বৰ প্ৰয়োজন আছিল। কাৰণ আমি অসমৰ ইটো মূৰৰ পৰা সিটো মূৰ পৰ্যন্ত লগ হৈ একেলগে বহি আমাৰ মাজত থকা অমিলবোৰ দূৰ কৰিব পাৰিম। একেগুৰু শিষ্যসকলে আলোচনা কৰি আমাৰ ভিতৰৰ কথাবোৰৰ এটা মীমাংসা উলিয়াব পাৰিম। সেইবাবে মই অভিৱৰ্তনত যোদান কৰি নিজকে ধন্য মানিছো। ঈশ্বৰ মূৰ্তি সদৃশ আচাৰ্য ভক্তসকলক প্ৰণিপাত জনাইছো।

আজি আমাৰ আলোচনাৰ বিষয় আছে মহাপুৰুষীয়া ধৰ্ম্ম আদৰ্শ মতে একশৰণ তত্ত্ব বিচাৰ। এতিয়া এক নম্বৰ কথা হ'ল মহাপুৰুষীয়া ধৰ্মটো দুজনা গুৰুৰ প্ৰৱৰ্তিত, এই বিষয়ে আমি জানো, কিন্তু এই মহাপুৰুষীয়া শব্দটো ক'ৰ পৰা আহিল—তাৰ বিচাৰ কৰিব লাগিব। মহপুৰুষ মানে যে ভগৱান নিজেই এই কথা পৰিস্কাৰ ভাৱে শাস্ত্ৰত কোৱা আছে। গুৰুদুজনে নাম ধৰ্ম প্ৰৱৰ্ত্তণ কৰি গৈছে। ভাগৱতত এই কথাটো উল্লেখ কৰা আছে যে শুকদেৱে পৰিক্ষিত ৰজাক মহাপুৰুষীয়া বুলি কৈছে। ভগৱান কৃষ্ণৰ তথা মহাপুৰুষৰ গুণ গৰিমাৰ প্ৰতি তেখেত আগ্ৰহী সেই কাৰণে তেখেতক মহাপুৰুষীয়া বুলি কৈছে। সেই হিচাবে মহাপুৰুষ মানেই ভগৱান।

ব্ৰহ্মা, মহাদেৱ, লক্ষ্মীদেৱী—পৰম ভক্ত। সেই মহাদেৱক পাৰ্বতীয়ে সুধি-ছিল বোলে প্ৰভু তুমিতো জগতৰ অধিপতি। তোমাক সকলোৱে সেৱা জনায়। তুমি আকৌ এইবোৰ কি কৰি থাকা। মহাদেৱে তেতিয়া কৈছিল—মোৰ ওপৰতো আছে। আপোনালোকে জানে—মহাদেৱে এইবোৰ কথা ধৰিয়েই পাৰ্বতীৰ আগত আত্মতত্ত্ব ব্যাখ্যা কৰিছিল আৰু ঈশ্বৰৰ কথা কৈছিল।

বহু জন্ম পাৰ কৰিহে মনুষ্য জন্ম পায়। আমি যদি বেয়া কাম কৰো তেনেহলে ক'ত সহস্ৰ জন্ম অতিক্ৰম কৰিব লাগিব। সেই কাৰণে মহাপুৰুষে লিখিছে—

ধন্য ধন্য কলিকাল ধন্য নৰতনু ভাল
ধন্য ধন্য ভাৰত বৰিষ।

ধন্য ভাৰতবৰ্ষ, ধন্য নৰতনু আৰু ধন্য কলিকালত ভাতে আমি যায় নায় পাৱো ভকিব লোৱাবাত আমাৰ নিছিনা দুৰ্ভগীয়া কোন আছে?

কৰিল্লা কলিত কীৰ্তন আতি।
পায়ে বৈকুণ্ঠক চত্ৰিশ জাতি ॥

কলিকালত হৰি কীৰ্ত্তনৰ বাহিৰে আন কোনো ধৰ্ম নাই। "সকল ধৰ্মৰ ওপৰে বসিল্লা হৰিৰ নাম প্ৰকাশে।" মহাপুৰুষ শঙ্কৰদেৱে আমাক যি ধৰ্ম দিছে— আমি মূৰ্খ কাৰণে ধৰিব পৰা নাই। ই যি কোনো ঠাইতে যিকোনো লোকে ধৰিব পাৰে। কিন্তু আমি নুবুজাৰ ফলত পিচ পৰি যাওঁ।

ধৰ্মৰ দুটা ফাল। এটা শাৰীৰিক ফাল আৰু এটা আধ্যাত্মিক ফাল। আধ্যাত্মিক ফালটো সকলোতে এক। শাৰীৰিক ফালটোহে অৱস্থা ভেদে তাৰ বেলেগ। সেই ফালটো "শৰীৰম আদ্যখলুধৰ্ম সাধনম্"। সেই সময়ত সেইটো প্ৰয়োজনীয় আছিল। গতিকে সকলোৱে ধৰিব পৰাকৈ প্ৰয়োজনীয় দিশটো প্ৰচাৰৰ কাৰণে আজি বন্ধু-বান্ধৱ সকলক আগবাঢ়ি আহিবলৈ অনুৰোধ জনাই মোৰ ভাষণ সামৰণি মাৰিলো। ★

শ্ৰীগোলোক চন্দ্ৰ কাকতি : জামুগুৰিহাট।

একশৰণ ধৰ্ম্ম বুলি কওঁতে দুটা বস্তু সদায় জড়িত হৈ আছিব। এটা হৈছে ভকত, আনটো হৈছে সত্ৰ। ভকত আৰু সত্ৰ। বদৰিকা আশ্ৰমত নাৰদ ব্যাসৰ আলাপন সেইয়াও সত্ৰতেই হোৱা আলোচনা। পিছত ২৮ হেজাৰ ঋষি-মুনি লগ হৈ সুতক সত্ৰাধিকাৰ পাতি যি ধৰ্মালোচনী সভা হ'ল সেয়াও সত্ৰ। তাৰমানে ভকতৰ সমাবেশ হব লাগিব আৰু সত্য বস্তুৰো সন্ধান হব লাগিব। দুজনা গুৰুৱে মধ্য উজনি আৰু নামনিত এই তত্ত্বৰ ওপৰত ভিত্তি কৰি তিনি ভাগ সত্ৰ পাতিছিল। যত দুজনা গুৰুৰ গুণ-কীৰ্ত্তন আজিও হৈ আছে।

মহাপুৰুষীয়া ধৰ্ম কি সেইয়া আলোচনা হৈছে। বহুতৰ বহু মত আছে। এজন ভকতৰ মতে দুজনা গুৰুৰ ধৰ্ম বুলি। শংকৰদেৱ মাধৱদেৱে প্ৰচাৰ কৰা কাৰণেই এইটো মহাপুৰুষীয়া ধৰ্ম নহয়। মহাপুৰুষীয়া ধৰ্ম হৈছে মহাপুৰুষৰ যি ধৰ্ম। মহাপুৰুষ পুৰুষোত্তম পুৰুষ। পুৰুষ উত্তম যি জন সেই জনৰ ধৰ্ম। মহাপুৰুষৰ গুণ-কীৰ্ত্তন যিসকলে কৰিছে সেইসকলেই এই ধৰ্মক মহাপুৰুষৰ ধৰ্ম বুলি কৈছে।

অক্তে প্ৰৱৰ্ত্তণ কৰা ধৰ্ম্মক মহাপুৰুষীয়া ধৰ্ম বুলি এই কাৰণেই কোৱা নাই, কাৰণ সেইবোৰত এক ঈশ্বৰৰ সন্ধান দিয়া হোৱা নাই। কিন্তু মহাপুৰুষ গুৰু দুজনে এক ঈশ্বৰৰ সন্ধান দিয়া কাৰণে এই ধৰ্মক মহাপুৰুষীয়া ধৰ্ম বুলি কোৱা হৈছে।

কলি যুগৰ ধৰ্ম হৰি নাম ধৰ্ম। একশৰণ—এক ঈশ্বৰত শৰণেই একশৰণ। শ্ৰুতিস্মৃতি কি আছে তাক পালন কৰো নে নাই সেইবোৰ ইয়াত নাই। এক-শৰণ মানে এজন ঈশ্বৰত শৰণ লৈ সকলোবোৰ দেৱ-দেৱতাক বাদ দিব লাগে। সেই কথাৰ সিদ্ধান্ত হব লাগে। কোনোৱে পালন নকৰে বেলেগ কথা।
মহাপুৰুষে কৈছে—

কৃষ্ণ দেৱতাক যিটো অন্য দেৱতাৰ সম
বোলয় অধম মূঢ়মতি।

কৃষ্ণ দেৱতাক অন্য দেৱতাৰ সম বুলি কোৱাটো মূঢ়মতি বুলি কৈছে। সম কৰিলে কি হব তাৰ বিষয়ে তলৰ ফাঁকিত কোৱা আছে। এটা প্ৰশ্ন আৰু আছে। আমি কৃষ্ণ দেৱতাক শ্ৰেষ্ঠ দেৱতা বুলি ধৰিলৈ অন্য দেৱতাৰ লগত উপাসনা কৰিলে এক-শৰণ ভ্ৰষ্ট হব নেকি? হব।

মোহৰ লগত আনি দেৱতা পূজয়।
সেহি দ্ৰব্যখানি জানা উচ্ছিষ্ট হোৱয়॥

অন্য দেৱতাৰ লগত মোক পূজা নকৰিবা। যদি মোক পূজা, মোকেহে পূজিবা—
আন দেৱ কৰে যিটো মাধৱক সম।
জানিবাহা সিটোজন পাতকি অধম॥

এইবোৰ কথা আপোনালোকে জানে। কলিযুগৰ ধৰ্ম হল হৰি নাম ধৰ্ম। যিমানে আপোনালোকে পাত লুটিয়াব, যিমানে শাস্ত্ৰ চাব এইটোহে পাব। শাস্ত্ৰৰ প্ৰতিটো পাতত হৰি নাম ধৰ্মৰ কথা আছে। এতিয়া নাম ধৰ্মলো কি? এই হৰি নাম ধৰ্ম লৈ তৰিবলৈ পাৰিনে নোৱাৰি। এই বজা স্বৰূপ হৰি নাম ধৰ্ম কাৰত নাহিব নেকি? আমাৰ মনে কয় নিনিন্দিবা,

নিনিন্দিবা মানে তুমি অন্য ধৰ্মক নিন্দা নকৰিবা। তুমি যিটো ধৰ্ম লৈছা তাক বিশ্বাসেৰে পালন কৰিবা।

শান্ত মূৰ্ত্তি কৃষ্ণ অৱতাৰক ভজন্ত।
আন দেৱ সমস্তক নিন্দা নকৰন্ত॥

সুদৃঢ় বিশ্বাসে ভক্তি ভগৱন্ত ।
পৰম দুৰ্ল্ভ মোক্ষ্য পদক সাধন্ত ॥

মহাপুৰুষীয়া সকলে আন দেৱ ধৰ্মক নিন্দা নকৰে। সেই বুলি নিজৰ যিটো একশৰণ ধৰ্ম ভেজাল নকৰে। এক কৃষ্ণ আৰু নামত বিশ্বাস ৰাখি ধৰ্ম পালন কৰা কাৰণে কিছুমানে মহাপুৰুষীয়া সকলক বেদ-বেদান্ত নমনা বুলি অপৰাধী কৰিব বিচাৰে। আমাৰ প্ৰশ্ন হয় মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱক মনাটো অপৰাধ হৈছে নেকি ? একশৰণত বিশ্বাসী সকলে মহাপুৰুষ দুজনাই দেখুৱাই যোৱা কৰ্ম কৰে।

মোত চিত্ত দিয়া সিটো জনে কৰে কৰ্ম ।
তাৰ নাম যজ্ঞ সখি কৈলো ইটো মৰ্ম ॥

গতিকে ভগৱানত চিত্ত অৰ্পণ কৰি ধৰ্ম কৰিলেই যজ্ঞ কৰা আদি সমস্ত ধৰ্ম কৰা হৈ যায়। ভাগৱত ৰচনাৰ মূল উদ্দেশ্য হৈছে ভকত আৰু সত্ৰৰ সম্পৰ্ক ঘটোৱা। ব্ৰহ্মা, হৰ প্ৰমুখ্যে যিমান দেৱতা আছে এই সকলোবোৰ ঈশ্বৰৰ অধীন।

ব্ৰহ্মা হৰ পুৰন্দৰ ।
যাকেৰি চাকৰ ॥

কিন্তু ঈশ্বৰ কৃষ্ণই কৈছে—মোক যিসকলে ভজনা কৰিছে তেওঁলোক স্বাধীন। সেয়ে তেওঁলোক বিধিৰ কিংকৰ নহয়।

বিধিৰ কিংকৰ যতেক সাধন
তাক পাশ কৰি থৈয়ো ।
বিধিৰ ঈশ্বৰ হৰি গুণ নাম
তাহাতে শৰণ লৈয়ো ।

সেই কাৰণে হৰি নাম শ্ৰেষ্ঠ। একশৰণ গ্ৰহণ কৰোতে বৈৰাগ্য হব লাগে বুলি কোনো শাস্ত্ৰতে কোৱা নাই। যেনেকৈ পদুম বোকাত জন্মে কিন্তু গাত বোকা নেলাগে ঠিক সেইমতে বিষয়ৰূপী বোকাত থাকিলেও নিমজ্জ নহৈ হৰি নামত বিশ্বাসী হলে একশৰণীয়া হৈ থাকিব পাৰে। বিষয়ৰ মাজত থাকিও হৰি ভকত সকল একশৰণীয়া হব নোৱাৰা কথাটো নহয়। শুদ্ধ চিত্তে কৃষ্ণত বিশ্বাস থকাটোহে মূল কথা। সকলো মহাপুৰুষীয়াৰ বাবে এটা সাবধান বাণী আছে।

আপুনি আচৰি ধৰ্ম আনক শিকায় ।

ব্ৰহ্মাৰ গৰ্ব চুৰি কৰি ব্ৰহ্মমোহনত ঈশ্বৰ কৃষ্ণই দেখুৱাই গৈছে। সেইদৰে গোবৰ্ধন ধাৰণ কৰিও ইন্দ্ৰৰ গৰ্ব চুৰ কৰি দেখুৱাইছে। হৰমোহনত মহাদেৱৰ অৱস্থা নাইকীয়া

হৈ গ'ল। ব্ৰহ্মাৰুদ্ৰ, ইন্দ্ৰ আদি দেৱতা সকলৰ ভগৱন্ত কৃষ্ণৰ সন্মুখত কোন কুটা। এই সকল দেৱতাৰ গৰ্ব চুৰি কৰি ভগৱানে দেখুৱালে যে একমাত্ৰ কৃষ্ণক ভজনা কৰিলেহে সকলো পাব। ভক্তি মুক্তি সকলো পাব আৰু সকলো হব। এয়ে মূল কথা।

★

শ্ৰীহৰগোবিন্দ দাস : জিনকাটা সত্ৰ, কোচবেহাৰ

আমি ভাবিছিলো, আমি সকলোৱে একশৰণীয়া, এক ঈশ্বৰ বিশ্বাসী। আমাৰ শৰণৰ বাক্যত বিভুতি ঘটিছে। আমাৰ শৰণৰ বাক্য বিলাক এক নহয়। জীৱ তৰণৰ কাৰণে মহাপুৰুষ দুজনা গুৰুই আমাক যি বস্তু দিছে তাক আমি ঠিকমতে লব পৰা নাই। ফলত দুজনা গুৰুৰ শিষ্যসকল প্ৰথমও সিংহৰ দৰে সাহসী নহৈ পশুৰ দৰে হৈ পৰিছে। ইয়াৰ কাৰণ কি? দুজনা গুৰুই আমাক শুদ্ধ বস্তু দিছিল কিন্তু তাত আমি বিভুতি ঘটাইছো। সেই কাৰণেই আজিৰ এই পৰিস্থিতি। গতিকে শৰণৰ বাক্য বিশ্লেষণ কৰা দৰকাৰ হৈছে। শৰণাচাৰ্য সকলে অকলশৰে বহক আৰু শৰণৰ বাক্য ঠিক কৰক। শৰণৰ শুদ্ধ বাক্য প্ৰচাৰ নোহোৱা পৰ্যন্ত আমাৰ কাৰো নিস্তাৰ নাই। আমি মুখেৰে এক শৰণ বুলি কৈছো কিন্তু বিশ্বাস বহুতত। গুৰু দুজনাই আমাক এনে ধৰ্ম দিয়া নাছিল। সকলো সত্ৰৰ অধিকাৰ প্ৰভুসকল আৰু বাকী শৰণাচাৰ্যসকল বহি শুদ্ধ শৰণৰ বাক্য ঠিক কৰি তাৰ প্ৰচাৰ ব্যৱস্থা কৰিব লাগে।

★

শ্ৰীগদাধৰ দাস ঃ বৰপেটা।

একশৰণ বুলিলে এজন দেৱতাত শৰণ লোৱাকে বুজায়। বেদ-বেদান্ত, গীতা আৰু ভাগৱতত একশৰণৰ ব্যাখ্যা পোৱা যায়। যেনে—শ্বেতাশ্বত উপনিষদৰ ৩য় অংশ ১৮ নং সূক্তত কৈছে—

বেদাহমেতং পুৰুষং মহান্তম্ আদিত্যবৰ্ণ তমসঃ পৰস্তাৎ।
তমেৱ বিদিত্বাতি মৃত্যুমেতি নান্যঃ পন্থা বিদ্যতেহয় নায় ॥ ৩।১৮

অৰ্থাৎ— হে জিজ্ঞাসু শিষ্য, মই অজ্ঞান আন্ধাৰৰ পৰা স্বতঃ প্ৰকাশ মহাপুৰুষক জানিব পাৰিছো; সেই মহাপুৰুষকহে মাত্ৰ জানিবা, তেওঁৰ সেৱাৰ বাহিৰে অন্য পন্থা নাই।'

গতিকে সেই মহাপুৰুষক জানিবলৈ হলে তেওঁতে একান্ত শৰণ গ্ৰহণ কৰাৰ উপদেশো ৬ নং অধ্যায়ৰ ১৮ নং শ্লোকত কৈছে—

যো ব্ৰহ্মাণং বিদধাতি পূৰ্ব্বং য়ো বৈ বেদাংশ্চ প্ৰহিনোতি তস্মৈ।
তংহ দেৱমাত্ম বুদ্ধি প্ৰকশংমুমুক্ষুৰ্বৈ শৰণ মহংপ্ৰপদ্যে ॥

অৰ্থাৎ যিজনে ব্ৰহ্মাক প্ৰথমতে স্ৰজন কৰি পাছত তেওঁক বেদবাণী প্ৰকাশ কৰি উপদেশ দিছিল, যিজন আত্মাত বুদ্ধিৰ প্ৰকাশক হয়, সেইজন মহাপুৰুষৰ চৰণ কমলতেই মুক্তিকামী মই একান্ত শৰণ গ্ৰহণ কৰিছো।

গীতাৰ একশৰণ তত্বৰ কথা গুৰুজনাই একাদশ খণ্ডত ১৭৬৬।৩ আৰু ১৭৬৬।৪ নং পদত লিখিছে—

শুনা সভাসদ পদ মহা ভাগৱত।
এহি কথা কৈলা কৃষ্ণে গীতাৰ অন্তত ॥
সৰ্ব ধৰ্ম এৰি একশৰণ সাক্ষাত।
সুদৃঢ় বিশ্বাসে সখি লয়োক আমাত ॥
নকৰিবা ভয় হেৰা কৰো অঙ্গীকাৰ।
সমস্ত পাপতে মই কৰিবো নিস্তাৰ ॥
অৰ্জ্জুনতো গীতাৰ কহিলা হৰি তত্ব।
ঈশ্বৰ কৃষ্ণৰ আৱে লৈয়োক সন্মত ॥

এই একশৰণ তত্ত্বৰ বিচাৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰ গুৰুৰ পুথিসমূহত ভুৰি ভুৰি লিখি থোৱা প্ৰমাণ পোৱা যায়।

ভাগৱতৰ প্ৰথম স্কন্ধ—

শুনা সভাসদ পদ মহা ভাগৱত।
হৃদয়ত বিচাৰি কথাৰ লৈবা তত্ত্ব ॥
ই শাস্ত্ৰত কহে এক দেৱ নাৰায়ণ।
তাহান ভকতি যশ শ্ৰৱণ কীৰ্ত্তন ॥ ১৫২
আৰু এক শৰণ নিশ্চয় চিত্ত কৰি।
অতি অপ্ৰয়াসতে যাতনা তাপ তৰি ॥
কৃষ্ণৰ সেৱাত কিছু নাহিকে ভাগৰ।
নাম মাত্ৰ লৈলে তৰে দুৰ্ঘোৰ সংসাৰ ॥ ১৫৩

আন দেৱ ত্যাজি মোক মাত্ৰ ভজি
ভৈলেক এক শৰণ।
সাধু সেহিজন অৰ্জ্জুনৰ আগে
বুলিলা কৃষ্ণে বচন ॥ ২৫৮

০ ০ ০ ০

দুৰ্লভ মনুষ্য জন্ম পায়া যিটো নৰোত্তম
হোৱে একশৰণ কৃষ্ণত।
স্মৰে ৰাম নাম মুখে সংসাৰক তৰি সুখে
সি সি পাইলে বেদান্তৰো তত্ত্ব ॥ ৪২০

ষষ্ঠ স্কন্ধে—

সুদৃঢ় বিশ্বাসে যিজনে লৈলেক
কৃষ্ণত একশৰণ
জানি নিজ ধৰ্ম সততে মুখতে
নামৰ নেৰে কীৰ্ত্তন ॥ ৫৫৪৪

০ ০ ০ ০

দশম স্কন্ধে—

ইসে পৰমাৰ্থ তত্ত্ব চাৰিও বেদৰ।
সমস্ত দেৱৰ ৰাজা কৃষ্ণে সে ঈশ্বৰ ॥

সমস্ত ধৰ্ম্মৰ ৰাজা মাধৱৰ নাম ।
জানি নিৰন্তৰে নৰে বোলা ৰাম ৰাম ॥ ১০৮৬৩

শ্ৰৱণ কীৰ্ত্তনে যিটো অনুক্ষণে
ভজে মহা ভক্তি ভাবে ।
সিটো মহাজনে অপ্ৰয়াসে সুখে
হাততে মুকুতি পাৱে ॥
জানি ইটো তত্ত্ব ঈশ্বৰ কৃষ্ণত
লয়োক একশৰণ ।
গোৱা গুণ গীত কৰি এক চিত্ত
বঞ্চিয়ো যমকৰণ ॥ ১১৬৪৪

একাদশ স্কন্ধ—

পৰম তাপত পুৰে মন নোহে জুৰ ।
কৃষ্ণ কথা অমৃতত যাবে নেদে পুৰ ॥
যাৱত নলয়ে একশৰণ কৃষ্ণত ।
একো কৰ্মে নতৰয় যাতনা তাপত ॥ ১৮০৬৬

ভক্তি প্ৰদীপ—

জগতৰে আত্মা ব্ৰহ্মাদিৰো মই দেৱ ।
জানি এক চিত্তে মাত্ৰ মোক কৰা সেৱ ॥
মোক এৰি আন একো নভজে দেৱক ।
সেহি ভক্তি এৰোৱাৰে সমস্তে কৰ্ম্মক ॥
সেহি একশৰণ ভজন অনুপাম ।
নুশুনয় আন একো দেৱতাৰ নাম ॥
অব্যভিচাৰিয় তাকে বুলিয় ভকতি ।
নাহিকে প্ৰয়াস অতি অল্পে সাধগতি ॥ ২৯—৩০

শুনা সভাসদ কৃষ্ণ কথা পদ
জীৱন জনম ৰেখা ।
কৈত পৰে প্ৰাণ তাৰ নাহি থান
মৰণ এভো নেদেখা ॥

ইহেন মনুষ্য জনম বিফল
ক্ষণে ক্ষণে আয়ু যায়।
ঘোৰ পৰলোক তৈত কেন হোক
নিচিন্তা তাৰ উপায় ॥
সত্বৰে সুহৃদ ঈশ্বৰ কৃষ্ণত
হোয়োক এক শৰণ;
তানে গুণ নাম লোৱা অবিশ্ৰাম
চিন্তিয়ো তানে চৰণ ॥ ১৩৫-১৩৬

★

ডঃ মহেশ্বৰ নেওগ : সামৰণী ভাষণ।

একশৰণবাদ সম্পৰ্কে আলোচনা ইমানতে শেষ হ'ল। আজি বক্তাসকলে যি আলোচনা কৰিলে সি সম্যক আলোচনা হ'ল বুলিয়ে মই ভাবিছো। ইয়াৰ বিষয়ে সিদ্ধান্ত এটা কৰাৰ কথা নহয়, কাৰণ যি আলোচনা হৈ গ'ল তাক আৰু পুনৰুক্তি কৰি লাভ নাই। অৱশ্যে আমি আলোচনাত যিখিনি কথা পালো, সেইখিনি জুকিয়াই লিখি থ'ম আৰু সেইখিনিক আমাৰ পৰম লাভ বুলি ভাবিম। এটা কথা মনলৈ আহিছে। সংস্কৃতত এটা শ্লোক আছে, ধৰ্মস্য তত্ত্বং নিহিতং গুহয়া··· মহাজনো যেন গতঃ সঃ পন্থাঃ ॥ ধৰ্মৰ তত্ত্ব পৰ্বত গুহাত অৰ্থাৎ ক'তোবা নিভৃতে লুকাই আছে, গতিকে মহাজন অৰ্থাৎ মহন্তসকল যোৱা পথেই আমি যাব লাগে। কিন্তু মহন্ত সকলেও দেখোন আমাক বিভ্ৰান্ত কৰে, আমি পথ বিচাৰি নাপাওঁ। তদুপৰি আজিৰ জগৎখন হ'ল টকা-পইচা লৈহে চিন্তা কৰি থকা জগৎ। এই ধৰ্মৰ নিচিনা আৰু জগতত আন যিমানবোৰ সুন্দৰ বস্তু আছে, সেইবোৰ বিচৰা আজি কমেই হয়। আমাৰ বৈষ্ণৱ ধৰ্মৰ তত্ত্বৰ বিষয়ে জানিব লগীয়া হলে আমি আমাৰ প্ৰভুঈশ্বৰ-সকলৰ ওচৰলৈ নাহোঁ। যাওঁ বিলাতলৈ আৰু আজি আমাৰ ধৰ্মৰ বিষয়ে লিখা চাহাব বিলাততো নোহোৱা হোৱা গতিকে হয়তো নেদাৰ্লেণ্ডৰ মহাপণ্ডিত ডক্টৰ

স্নান খোওাৰ কাষ চাপোঁ। তেখেতে বৈষ্ণৱ ধৰ্ম, শৈৱ ধৰ্ম আৰু ভাৰতৰ সমস্ত ধৰ্মৰ বিষয়ে গভীৰ গ্ৰন্থ লিখিছে। তদুপৰি, ভাৰতৰ ধৰ্মৰ বিষয়ে ভাল আলোচনা আজি-কালিও চলিছে আমেৰিকাত। তাৰে এখনি ধৰ্মবিষয়ক আলোচনীত দিল্লীৰ পৰা পুনঃ প্ৰকাশ পোৱা মোৰ শংকৰদেৱ বিষয়ক গ্ৰন্থৰ সমালোচনা কৰোঁতে লিখিছে যে অসমৰ এই একক ধৰ্মৰ বিষয়ে তেওঁলোকে একো নাজানিছিল ; কিন্তু কিতাপখনত থকা আলোচনাৰ পৰা দেখা যায় এই বিশিষ্ট ধৰ্মৰ অধ্যয়ন তেওঁলোকৰ দেশতো হোৱা উচিত। এইদৰে যদি সাগৰৰ সিপাৰৰ দেশখনত আমাৰ ধৰ্মৰ অধ্যয়ণ হয়, হয়তো তাৰপৰা আমাৰ আজিৰ সমস্যাবোৰৰ সমাধান দিব পৰাকৈ আমাৰ কামৰ নতুন দিশৰে উন্মেষ হ'ব। কিন্তু আমাৰ নিজ দেশতো তেনে নিৰকুংশ অধ্যয়নৰ প্ৰয়োজন।

আজিৰ আলোচনাত সকলো বক্তাই নিজৰ জ্ঞানৰ ফালৰপৰা, নিজৰ দৃষ্টি কোণৰ পৰা, আৰু একান্তভাৱে নিজ নিজ বক্তব্য দাঙি ধৰিছে আৰু সেই আলোচনাৰ মাজেদি মহাপুৰুষীয়া ধৰ্মৰ একশৰণ তত্ত্বটি প্ৰকাশ পাইছে। প্ৰায় সকলো সমালোচকে একেখিনি কথাকে বক্তাৰ বেলেগ বেলেগ ভাষাত প্ৰকাশ কৰিছে। হয়তো মাত্ৰ এজন বক্তাৰ কথাৰ ভিন্ন এটি সুৰ আপোনালোকে শুনিছিল। আমাৰ অভিৱৰ্তনৰ নীতি-নিৰ্দেশনাৰ পত্ৰত এটা নীতি নিৰূপিত হৈছিল যে মহাপুৰুষৰ ধৰ্মৰ বিষয়ে আলোচনা আৰু সিদ্ধান্ত কৰোঁতে মহাপুৰুষৰ গ্ৰন্থৰ ওপৰতেহে নিৰ্ভৰ কৰা যাব। বেদেই হওক বা গীতাই হওক বা পুৰাণেই হওক, বা যিকোনো কৰ্তৃত্বশীল গ্ৰন্থ হওক, এই বিষয়ক মহাপুৰুষৰ গ্ৰন্থৰ মাধ্যমেদি তত্ত্ববিলাক আমালৈ আহিব লাগিব। তত্ত্বৰ ফালৰপৰা আৰু বিচাৰ পদ্ধতিৰ ফালৰপৰা ই এক সজ নীতি মহাপুৰুষৰ গ্ৰন্থত গৃহীত নহ'লে গীতা-ভাগৱতৰ উক্তিৰপৰা যুক্তি দিলেও স্বয়ং মহাপুৰুষৰ গ্ৰন্থকে পুৰণি শুচাই নকৈ লিখিব লাগিব বা মহাপুৰুষীয়া ধৰ্মৰ বুৰঞ্জীকে ঘূৰাই সুকীয়াকৈ লিখিব লাগিব। মহাপুৰুষীয়াসকলে মহাপুৰুষক জগৎগুৰু বুলিয়ে মানি আহিছে, আৰু জগৎগুৰুৰ অৰ্থ হ'ল স্বয়ং পৰমেশ্বৰ ; গতিকে তেওঁলোকে মহাপুৰুষত দোষ কল্পিবলৈ টান পাবই। কিন্তু বাহিৰৰপৰা যদি কোনো লোকে যুক্তিৰে মহাপুৰুষৰ সমালোচনা কৰে, তালৈও কাণ নিদিয়াকৈ থাকিব অৱশ্যে নালাগে কাৰণ অধ্যয়নত সমালোচনাৰ দৃষ্টিও লাগে। এটা কথা আৰু মন কৰিব লগীয়া ভক্তি ধৰ্মৰ তত্ত্ব আলোচনা কৰিবলৈ যাওঁতে আমাৰ অনাহক উম্মা এটাৰ উৎপত্তি হয়। বিষ্ণু ভিন্ন অন্য দেৱ পূজা কৰিব লাগে নে নালাগে? মূৰ্তি-পূজা কৰিব লাগে নে নালাগে? শ্ৰুতি-স্মৃতিৰ বিধান মানিম নে নামানিম? এইবোৰ প্ৰশ্ন আলোচনা কৰোঁতে যদি বিশ্বাসতকৈ উম্মা সৰহ হয়, তেতিয়া হ'লে ঠিক সিদ্ধান্ত

পোৱাত বাধা হয়। মোৰ ইয়াৰ পূৰ্বৰ ভাষণত এটা কথা স্পষ্ট নহ'ল বুলি এজন বক্তাই ইংগিত কৰিছে। 'শ্ৰুতি-স্মৃতি মমৈৱাজ্ঞে' ইত্যাদি শ্লোকটোৰ বিষয়ে আলোচনা কৰোঁতে মই কৈছিলো যে গোটেই শ্লোকটোৰ মূল কথাখিনি 'ভক্তোঽপি ন বৈষ্ণৱঃ' কথাটোতে সোমাই আছে। যিজনে শ্ৰুতি-স্মৃতিক উলংঘা কৰে তেওঁ 'ভক্ত হুতো বৈষ্ণৱ সিটো নোহয়' বোলা হৈছে। এজন ভক্ত বৈষ্ণৱ নহয় নেকি ? অথবা এজন বৈষ্ণৱ ভক্ত নহয় নেকি ? এই বিষয়ে তাহানিতে মোৰ শিক্ষাগুৰু ভট্টৰ কাকতিৰ লগত আলোচনা কৰিছিলো। তেখেতে কৈছিল বৈষ্ণৱজন হ'ল এজন সামাজিক প্ৰাণী, সমাজৰ নীতি-নিয়মৰ শৃংখলা মানি চলা লোক। আনফালে পৰম পুৰুষত অনুৰক্তজনেই হ'ল ভক্ত। কিন্তু ভক্ত হলে বৈষ্ণৱ হবলৈ আৰু কিবা বাকী থাকেনেকি ? ভক্ত হ'লে বৈষ্ণৱ নহ'লেও কি আহে কি যায় ? মহাপুৰুষ প্ৰৱৰ্তিত একশৰণ নামধৰ্ম এটি সৰল ধৰ্মপন্থা। বাহ্যিক আড়ম্বৰৰ ঠাইত হৃদয়-বৃত্তিৰ ধৰ্ম। একেজন পৰম পুৰুষত পৰম অনুৰক্তি স্বৰূপ ভক্তিয়েই হ'ল সেই ধৰ্মৰ মূল সূত্ৰ। ভাগৱত-পুৰাণৰ বিধানমতে সেই ভক্তি নৱবিধা হব পাৰে। মহাপুৰুষে কিন্তু ভক্তিৰ বিধৰ ভিতৰত শ্ৰৱণ আৰু কীৰ্ত্তনকহে 'অতি সাৰতৰ' কৰি মানিছে। শ্ৰৱণ-কীৰ্ত্তন মানে বিষ্ণুৰ নাম-গুণ, শ্ৰৱণ কীৰ্ত্তন। অন্য দেৱ-দেৱীৰ সেৱা ইয়াত বৰ্জিত। গতিকে ধৰ্মৰ এই বিশেষ নামটি। ভক্তিৰ অন্য বিধ বা সাধনৰ ভিতৰত পূজা বা অৰ্চন, অৰ্থাৎ বিষ্ণুৰ মূৰ্তিত জল, ফুল, তুলসীৰ সেৱা কৰাও এবিধ। তাৰ বাবে মহাপুৰুষৰ ধৰ্মত ভক্তিৰ প্ৰকাৰৰূপে স্থান থাকিলেও সি অতি নগণ্য (মাথোন প্ৰাকৃত ভক্তৰ প্ৰাথমিক স্তৰৰ বাবে ইয়াক ৰখা হৈছে; বিষ্ণুৰ প্ৰকৃত মূৰ্তিস্বৰূপ ভক্তক চিনি পালে শিল, ইটা, মাটি আদিৰে কৰা বিষ্ণুৰ মূৰ্তি পূজা নালাগে)। বিষ্ণু-প্ৰেম, পৰমেশ্বৰৰ প্ৰতি প্ৰেমেইহে ভক্তিৰ আচল স্বৰূপ।

যি বস্তুটিৰ চাবেক নামেই হ'ল একশৰণ নামধৰ্ম, সিটিৰ আদিতো একশৰণ, মধ্যতো একশৰণ আৰু অন্ততো একশৰণ হ'বই লাগিব। ধৰ্মটিৰ বিশেষ এটা স্তৰতহে একশৰণবাদ আহিব, প্ৰথমৰ স্তৰত নহয়— ই নিতান্ত অপব্যাখ্যা। শংকৰদেৱৰ ধৰ্মৰ বুৰঞ্জীলৈ লক্ষ্য কৰিলেও এই কথাটি হৃদয়ংগম কৰিব পৰা যাব। শংকৰদেৱে সকলো ভক্তৰ বাবে আনকি, বিষয়ী শিষ্যসকলৰ ক্ষেত্ৰতো একশৰণৰ নীতি অতি কঠোৰ ভাৱে প্ৰয়োগ কৰিছিল। এটি মাথোন উদাহৰণ। ব্যাসকলাই নামৰ ব্ৰাহ্মণ ভক্তগৰাকীৰ তিনিটি পুত্ৰৰ দুজনৰ বসন্ত ৰোগত মৃত্যু হ'ল; আৰু তৃতীয়

পুত্ৰ হৃদয়ানন্দৰ গাত যেতিয়া ৰোগৰ সঞ্চাৰ দেখা পালে, তেওঁ অতিশয় বিচলিত হৈ অন্য দেৱতাৰ (চপৰাৰ বুঢ়া দেৱতা নে গুটিৰোগৰ আইসকলৰ) নামত ক্ৰিয়া-কৰ্ম কৰাত গুৰুজনে তেওঁক পৰিহাৰ কৰিলে ; আনকি হৃদয়ানন্দয়ো নিশা চুঁচৰি যাই ঘৰৰ বাহিৰ ওলাই বাজতে পানীপোতাত মৰিলগৈ। এইদৰে একশৰণত তত্ত্বৰ বাজ হোৱা মানেই ধৰ্মটিৰে বাজ হোৱা বুলি স্পষ্টকৈ গণনা কৰা হৈছিল আদিৰে পৰা ।

মহাপুৰুষ শংকৰদেৱৰ ধৰ্ম অতি সৰল, জটিলতা তাৰ কতো নাই । শংকৰদেৱে যি জাতি গঢ়া নব্য আন্দোলন গঢ়ি তুলিছিল সি অতি সাধাৰণ লোকৰ আন্দোলন । তাৰ অংশীদাৰসকল মহা মহা যতি-সন্ন্যাসী, মহা মহা আচাৰ্য বা ডক্টৰ উপাধি-ধাৰী মহাপণ্ডিত নাছিল ; সেইসকল সাধাৰণভাৱে মেহনৎ কৰি খোৱা জনতাৰ একাংশহে আছিল, তাৰ কেইবাজনেও লোকৰ ঘৰত কিনা গোলাম হৈ ঘৰ-বনুৱাৰ বন কৰিছিল। সেই সকলোৰে বাবেই মহাপুৰুষে একেটি ধৰ্ম ভিত্তিক সংস্কৃতি সৃষ্টি কৰিলে ; এই সহজ-সৰল একশৰণ আৰু নামধৰ্ম হ'ল তাৰ ঘাই শ্ৰোত। ইয়াৰ কেন্দ্ৰীয় বিন্দু হ'ল বিশ্বৰ মূল শক্তি এক দেৱত প্ৰেমময় শৰণ, উপায় হ'ল নাম। চিত্তাৰ সকলো বিক্ষিপ্ততা দূৰ কৰি সেই একজনৰ চৰণতেই খামুচি ধৰা আৰু ধৰি থাকাঁ, লাগিলে তোমাৰ হাতেই ছিগি যাওক। গীতাৰ 'সৰ্বধৰ্মান্ পৰিত্যজ্য' আদি শ্লোকতো শ্ৰুতি-স্মৃতিৰ পথ ত্যাগ কৰাৰ পৰা প্ৰত্যবায় বা পাপৰ সম্ভাৱনা স্বীকাৰ কৰি, সেই পাপতো অভয় দিছে—'মা শুচ: ।' লাগে মাথোন দৃঢ়নিশ্চয় বিশ্বাস—'মদ্ভক্ত্যা এৱ সৰ্বং ভৱিষ্যতীতি নিশ্চয়েন বিধিকৈঙ্কৰ্যং ত্যক্ত্বা মদেকশৰণো ভৱ ।

★

(১৫ বহাগ। আগদিনাৰ আধকৰা বিষয় আলোচনাৰ কাৰণে সকলো প্ৰতিনিধি সমবেত হয়। সঞ্চালক বিশেষ কাৰণত থাকিব নোৱাৰাত সম্পাদক শ্ৰীপ্ৰমোদ চন্দ্ৰ দাসৰ প্ৰস্তাৱ আৰু প্ৰচাৰ বিভাগৰ সম্পাদক শ্ৰীদয়াল কৃষ্ণ বৰাৰ সমৰ্থন মৰ্মে শ্ৰীপ্ৰেম কান্ত মহন্তদেৱে সেইদিনা সঞ্চালকৰ আসনত বহে। শ্ৰীমহন্তই কোনো ধৰণৰ পাতনি নকৰি প্ৰথমতে বৰপেটা সত্ৰৰ বুঢ়া সত্ৰাধিকাৰ শ্ৰীচন্দ্ৰকান্ত মিশ্ৰ দেৱক ভাষণ দিবলৈ অনুৰোধ জনায়।)

শ্ৰীচন্দ্ৰকান্ত মিশ্ৰ: বুঢ়া সত্ৰাধিকাৰ, বৰপেটা সত্ৰ।

মহাপুৰুষীয়া ধৰ্মৰ মূলেই হৈছে এক শৰণ। এক শৰণটো মহাপুৰুষীয়া ধৰ্মৰ প্ৰাণ স্বৰূপ। তাত কৈছে—

হৰিত শৰণ লৈয়া যিটো জন
হৰিৰ চৰিত্ৰ শ্ৰৱণ কীৰ্ত্তন কৰে।
দুৰ্ঘোৰ অপাৰ সংসাৰ সাগৰে
সিটো মহাজনে আতি অপ্ৰয়াসে তৰে॥

এই এক শৰণৰ স্বৰূপ গীতাত এই ধৰণে দিছে—

ব্যৱসায়াত্মিকা বুদ্ধিৰেকেহ কুৰুনন্দন।
বহুশাখা হ্যনন্তাশ্চ বুদ্ধয়োহব্যৱসায়িনাম॥

ইয়াত ব্যৱসায়িত্মকা বুদ্ধিৰ অৰ্থ নিশ্চয়াত্মিকা বুদ্ধি। এই বুদ্ধি কি?

শ্ৰীকৃষ্ণ বচনে চৈব মম সৰ্বম ভৱিষ্যতি
নিশ্চয়াত্মিকা বুদ্ধি।

ভগৱানক ভজিলে মোৰ সকলোবোৰ প্ৰয়োজন সিদ্ধি হব এইটোৱেই। নিশ্চয়াত্মিকা বুদ্ধি। এই নিশ্চয়াত্মিকা বুদ্ধিটো কিয় নাথাকে—

ভোগৈশ্বৰ্য্য প্ৰসক্তানাং তয়াপহৃতচেতসাম।
ব্যৱসায়াত্মিকা বুদ্ধিঃ সমাধৌ ন বিধিয়তে॥

সমাধৌ অৰ্থাৎ শ্ৰীকৃষ্ণ ভগৱানত ব্যৱসায়িত্মিকা বুদ্ধি। অৰ্থাৎ আশ্ৰয় লব নোৱাৰে যিহেতু ভোগ ঐশ্বৰ্যৰ প্ৰতি প্ৰবল আসক্তি। যি সকল ভোগা সক্ত লোক অৰ্থাৎ

বেদৰ সকাম কৰ্মত বিশ্বাসী আৰু বেদ বিশ্বাসী সেই সকলে সকাম কৰ্ম আৰু বেদৰ বিধি অনুসাৰে নানা দেৱতাক ভক্তিৰে পূজা কৰি পাৰলৌকিক স্বৰ্গাদি লোক ভোগ আৰু সংসাৰৰ ধন-জন ঐশ্বৰ্য লাভ কৰে সেই সকলেও কৃষ্ণত একশৰণ লব নোৱাৰে। এই কাৰণে গীতাই এই বেদ বিশ্বাসী সকলক কৈছে—

ত্ৰৈগুণ্য বিষয়া বেদ নিস্ত্ৰৈগুণ্যো ভবাৰ্জুন।
উপদেশ দিছে নিগু'ণ হবৰ নিমিত্তে।

আনপক্ষে যি সকল ঘোৰ বিষয়া সক্ত কেৱল ধন জন পুত্ৰ ভাৰ্যা আদিলৈ ব্যতিব্যস্ত হৈ আছে সেই সকলৰ ভগৱানক শৰণ সুদুৰাপৰাহত।

ধন জন পুত্ৰ ভাৰ্যা বুলি যিটো নৰে।
নাপায় কৃষ্ণক সিটো কোটি জন্মান্তৰে॥
বিষয়ত আসকতি ভৈলা যাৰ।
কৃষ্ণক পাইবাৰ আশা নিবৰ্ত্তিল তাৰ॥

ভগৱানত শৰণ লোৱাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ নিৰ্ণয় শাস্ত্ৰই এইদৰে কৰিছে। একমাত্ৰ ভগৱান শ্ৰীকৃষ্ণইহে যে এই প্ৰয়োজন সিদ্ধ কৰিব পাৰে আনে নোৱাৰে তাকো নিশ্চয় কৰি দেখুৱাইছে—

কেৱল শৰণ্যদেৱ ঈশ্বৰ মাধৱ।
শুনিয়া কৃষ্ণক পাছে বুলিলা উদ্ধৱ॥
হে কৃষ্ণ ইটো ঘোৰ সংসাৰ পন্থত।
তিনি তাপে বিষয়ত তোৱা আছে মত॥
তয়ুপাদ পদ্ম চত্ৰ বিনে আৰ।
নাহিকে শৰণ তাৰ তাপ এৰাইবাৰ॥

ঐকান্তিকতো ঐকান্তিক নিৰ্বিত্তিহে একমাত্ৰ প্ৰয়োজন হব লাগে। আৰু এই বিষয়ে আশ্ৰয় লব লাগে পৰম দেৱতা শ্ৰীকৃষ্ণত তাক সুন্দৰকৈ ইয়াত বৰ্ণনা কৰা হৈছে।

কৃষ্ণেযে পৰম দেব জানি যিটো জনে।
তাহান চৰণে মাত্ৰ পশিয়া শৰণে॥

সংসাৰ ভৱনৰ অৰ্থাৎ মায়া নিগ্ৰহৰ পৰা উদ্ধাৰ পাবৰ বাবে ভগৱানৰ শৰণত

অন্য প্ৰয়োজন থাকিলেও মহাপুৰুষ দুজনাৰ শাস্ত্ৰত এইবোৰ অতি গৌণ স্থানহে অধিকাৰ কৰিছে। মহাপুৰুষ দুজনাই বাৰে বাৰে এই কথাহে কৈছে—

পাৰ কৰা ৰঘুনাথ সংসাৰ সাগৰে
ভৱহাৰি মুকুন্দ মুৰাৰি।
জনম মৰণ ক্লেশ সহিতে নপাৰি

এতিয়া মই গুৰুৰ কথা কম। শৰণত তিনিটা স্তৰ আছে তাকে কম—

ধৰ্মে তীৰ্থে চ দেৱে বিশ্বাসন্তাপ ভাৰণাত।
তদ্বিতা কৃষ্ণপাদাব্জে শৰণং প্ৰবিশোন্মুদা॥

যি সকল ধৰ্ম বিশ্বাসীয়ে পাপ মুক্ত হবৰ নিমিত্তে আৰু অন্যান্য কামনা সিদ্ধিৰ বাবে ধৰ্ম তীৰ্থ দেৱতাত আশ্ৰয় লয় সিবিলাকে মাত্ৰ গুৰু উপদেশ পায় উপলব্ধি কৰে যে একমাত্ৰ শ্ৰীকৃষ্ণত শৰণ ললে সৰ্ব বাসনা নাশ হয় আৰু সকলো কামনা সিদ্ধ হয়। এতিয়া তেওঁ তীৰ্থাদিৰ ওপৰত যি বিশ্বাস আছিল তাকো পৰিত্যাগ কৰি শ্ৰীকৃষ্ণত শৰণ ললেহে সকলো কামনা সিদ্ধ হব। দৃঢ় বিশ্বাসেৰে ভগৱানক আশ্ৰয় কৰে আৰু ভক্তি প্ৰতিবন্ধকৰ পৰা নিষ্কৃতি পাবৰ বাবে কাতৰ ভাৱে প্ৰাৰ্থনা কৰে। মই ভগৱানৰ দাস তেওঁ এনেদৰে ভাবে। এনে অৱস্থাত দুৰ্বাসনা পাপ প্ৰবৃত্তি মায়া আদি কবলৰ পৰা ৰক্ষা পাবৰ বাবে নিজক অসমৰ্থ বা নিঃসহায় অৱস্থা উপলব্ধি কৰে। আৰু ভগৱানৰ ওচৰত কাতৰ প্ৰাৰ্থনা কৰে। এই বিলাকৰ পৰা উদ্ধাৰ পাবৰ বাবে। শ্ৰীমাধৱদেৱ মহাপুৰুষে শ্ৰীমন্ত শংকৰ দেৱৰ লগত শাস্ত্ৰীয় বাক্য যুদ্ধত পৰাস্ত হয় শ্ৰীশংকৰ দেৱক গুৰু মানি দেৱৰ ওপৰত থকা বিশ্বাস ত্যাগ কৰি ভগৱানত একশৰণ হৈ দৃঢ়তাৰে ভগৱত ভজনা আৰম্ভ কৰিছিল। প্ৰকৃত ভকতেও দৃঢ়তাৰে অন্য দেৱতা ত্যাগ কৰি "একে প্ৰতিমাতে মাত্ৰ আৰাধে হৰিক" শ্ৰীকৃষ্ণৰ প্ৰতিমা অৱলম্বন কৰি একমাত্ৰ কৃষ্ণকহে আৰাধনা কৰে। মধ্যম শৰণ হ'ল—

কলত্ৰং পুত্ৰ মিত্ৰেষু ধন গেহ পৰাদিষু।
যন্মমত্যাশ্ৰয়ং কৃষ্ণেকৃত স্তন্মাধ্যমংস্মৃতম্॥

পুত্ৰ, ভাৰ্যা বন্ধু-বান্ধৱ ধন জনত যি মমতাশ্ৰয় অৰ্থাৎ এই বিলাকে মোক দুখ দুৰ্গতিৰ পৰা উদ্ধাৰ কৰিব এই বিশ্বাস স্থাপন কৰি সিবোৰত নিৰূপন কৰে কিন্তু এই বিলাকৰ সহায় যেতিয়া বন্ধ হয় তেতিয়া অনাশ্ৰয় হৈ ভগৱানত শৰণাপন্ন হয়। এই বিলাকো সুকৃতি সম্পন্ন আৰ্ত্ত ভকতহে অধিকাৰী।

চতুৰ্বিধা ভজন্তে মাং জনাঃ সুকৃতিনোঽৰ্জ্জুন।
আৰ্ত্তো জিজ্ঞাসুৰৰ্থাৰ্থী জ্ঞানী চ ভৰতৰ্ষভ ॥

এতিয়া এই শৰণৰ অধিকাৰীৰ উদাহৰণ হৈছে—যেনে গজেন্দ্ৰ, পাণ্ডৱ সকল, দেৱতা সকল। এই শৰণত মমতটো যে আসক্তি এইটো পৰিত্যাগ। মধ্যম ভকতৰ এইটোৱে আকুতি। তুমিয়েই মোৰ প্ৰিয়। অন্য কোনো সংসাৰত নহয় এই ভাৱ এনে ভক্ত বিলাকৰ হয়। দ্বিতীয় স্তৰৰ ভক্তৰো লক্ষণ এয়ে—

একান্তে কৰয় প্ৰেম যিটো ঈশ্বৰত।
মৈত্ৰতা আচৰে হৰি ভকত সবত ॥
অজ্ঞক করুণা ক্ষমা কৰে বিপক্ষত।
সেহিজন জানিবা মধ্যম ভাগৱত ॥

মধ্যম শৰণৰ স্তৰৰ এই ভকতৰ লক্ষণ বিশেষ ভাৱে চাবলগীয়া। এই স্তৰৰ ভক্তৰ লক্ষণ শ্ৰীমাধৱদেৱে ঘোষাত দিছে—

কৃষ্ণ পদ মাত্ৰ সেৱা কৰে সমস্ত কামনা পৰি হৰে
বেদব্যৱহাৰ কদাচিতো নলংঘয়।
কৃষ্ণপদ সেৱাসুখ মনে কৰে অনুভৱ সৰ্বক্ষণে
ইহাক মহন্ত বুলিয়া জানা নিশ্চয় ॥

শ্ৰেষ্ঠ শৰণ—

দেহাশক্তিং পৰিত্যেজ্য কেৱলং জগদীশ্বৰে
মনঃ প্ৰবৰ্ত্ততে যত্তৎ শৰণং স্মৃত মুত্তমম ॥

অনাত্মা দেহৰ ওপৰত থকা অহং ভাৱ পৰিত্যাগ কৰি ভগৱানত দেহ অৰ্পন কৰাকে শ্ৰেষ্ঠ শৰণ বোলে। দেহ ৰক্ষণা-বেক্ষণ পৰ্যন্ত ভগবানত সমস্ত ভাৰ অৰ্পন কৰি নিশ্চিন্ত ভাৱে নিৰবিচ্ছিন্ন ভাৱে ভগৱানৰ ৰূপক চিত্তত একাকাৰ কৰা অৱস্থা। এই ভক্তৰ পক্ষেহে সকলো ধৰ্ম পৰিত্যাগ হয়। এই ভক্তি নিৰ্গুণ ভক্তি। গোপী সকলৰ এনে অৱস্থাৰ কথা ভাগৱতত আছে। ভগৱানে অৰ্জুন, উদ্ধৱ আৰু মহাভক্ত প্ৰহ্লাদকো স্বধৰ্ম পালন কৰাৰ উপদেশহে দি গৈছে। ধৰ্ম ত্যাগ কৰাত অধিকাৰ দিয়া নাছিল। ভগৱানে যিসকলক অনাসক্ত হৈ কৰ্ত্তৃত্বভিমান ত্যাগ কৰি নিঃস্বাৰ্থ ভাৱে কৰ্ম অৰ্পন কৰাৰ উপদেশ দিছিল। সাধন অৱস্থাত কৰ্ম ত্যাগ কৰিলে নৰকগামী হব। সিদ্ধ অৱস্থাতহে কৰ্ম ত্যাগ কৰাৰ অধিকাৰ আছে। শ্ৰীকৃষ্ণ বৈকুণ্ঠ প্ৰয়াণ কৰাৰ সময়ত যেতিয়া অৰ্জুনৰ সকলো শক্তি হৰণ

কৰিছিল তেতিয়াই কৃষ্ণৰ স্বৰূপ জ্ঞান পায় তেওঁ একান্ত শৰণ হৈ প্ৰেম ভক্তি লাভ কৰিলে আৰু গীতাৰ জ্ঞান লাভ কৰিছিল। তেতিয়াহে নিগুৰ্ণ অৱস্থা পাই সৰ্ব কৰ্ম ত্যাগৰ অধিকাৰ পাইছিল।

এহিমতে কৃষ্ণক চিন্তন্ত মহাবীৰ।
বাঢ়িল ভকতি মল গুচিল বুদ্ধিৰ॥
পাসৰি আছিল যিটো শিখিবাৰ তত্ত্ব।
দুনাই ভৈল অৰ্জ্জুনৰ মনত বেকত॥
ভৈল ব্ৰহ্ম সম্পত্তি এৰাইলা শোক ভয়।
মনত আছিল মানে গুছিল সংশয়॥
মায়ায়ে এৰিল লিংগশৰীৰ ভাঙিল।
আপোনাৰ আত্মা পৰমাত্মাতে থাপিল॥
ভকতিৰ বলে জ্ঞান লভিলা নিগু'ণ।
জীৱন্তে মুকুত হৈ ৰহিলা অৰ্জুন॥

তেতিয়াহে তেওঁ বৈৰাগ্য পাইছিল। নিগু'ণ হৈছিল "নৈস্ত্ৰগুণ ভবাৰ্জ্জুন" বুলি যিটো তেওঁক উপদেশ দিছিল তেতিয়াহে সেইটো অৱস্থা পাইছে।

আৰু মহা মহন্ত উদ্ধৱকো গোপীভাৱ উপলব্ধি কৰিহে সৰ্ব ধৰ্ম এৰিৰলৈ কৈছিল যেনে—

আননেদেখিলো ব্ৰজ যুৱতীৰ সবি।
বৈল বন্দী উদ্ধৱ গোপীৰ প্ৰেমজৰী॥
থাকোহো সৰ্বদা সখি তাসম্বাৰ পাশে।
যেহি বোলে সেহি কৰো যেন নিজদাসে॥
এতেকে উদ্ধৱ তুমি তেজা বেদ পন্থ।
যিবা জানা শুনা সবে এৰা আন গ্ৰন্থ॥
একে মোত মাত্ৰ তুমি লৈয়োক শৰণ।
নকৰিবা ভয় মই কৰিবো ৰক্ষণ॥

তত্ত্ব ৰূপে সখি জানি মোক
তৰিয়া দুৰ্ঘোৰ শোক দুখ
অন্তকালে গৈয়া আমাত হয়ো প্ৰৱেশ॥

সত্য কৰি কহো উদ্ধৱ বান্ধৱ তুমি মৰ্ম।
মোক যেৱে নাজানয় তাৰেসে আন কৰ্ম॥
ভকতিতে তৰিবে তুমি থিৰ কৰি মতি।
লয়ো সাধুসংগ সখি সুখে সাধা গতি॥

তেওঁ সাধু সংগ লব কৈছে। এয়েহে উপদেশ দি গৈছে। মুখ্য একশৰণীয়া ভকত প্ৰহ্লাদকো কৰ্ম্ম কৰাৰ অধিকাৰহে দিছিল। তেওঁ গৃহস্থী দৈত্য ৰজা আছিল। গতিকে লোকত আদৰ্শ মানৱ স্বৰূপে কৰ্ম কৰিবলৈ ভগৱানে উপদেশ দিছিল।

ভোগ ভূঞ্জি পূণ্য কৰা ক্ষয়॥
তথাপিতো ইটো মন্বন্তৰ।
হৈয়া থাকা দৈত্যৰ ঈশ্বৰ॥
কৰিয়ো পিতৃৰ প্ৰেত কৰ্ম যেন বিধি।

ৰাজৰ্ষি জনকেও জীৱন-মুক্ত অৱস্থাতেও নিষ্কাম কৰ্মানুষ্ঠান কৰিছিল। ওপৰৰ কথা খিনিতে স্পষ্ট হৈছে যে ভগবানত তত্ব জ্ঞান আৰু আত্ম জ্ঞান হলেহে সৰ্বকৰ্ম ত্যাগৰ অধিকাৰ দিছে। অপৰাধৰ নিমিত্তে নতশিৰে আপোনালোকক প্ৰণতি জনাই মোৰ ভাষণ সামৰণি মাৰিলোঁ। ★

শ্ৰীসৰ্বানন্দ পাঠক: বৰপেটা ৰোড সত্ৰ।

একান্তে শৰণে যিটো নভজিলে হৰি।
দুৰ্ঘোৰ যাতনা ভূঞ্জিবেক মৰি মৰি॥

ইয়াৰ ব্যুৎপত্তিগত ভাৱ এয়ে যে সংসাৰৰ অনিত্য লাভৰ কামনা থাকিলেই শুদ্ধ একান্ত শৰণ ভজন নহয় আৰু সেয়ে পূণৰ জন্মৰ হেতু হৈ পৰে আৰু বাৰে বাৰে জন্ম-মৃত্যুৰ কবলত ভূঞ্জিবলগীয়া হয়।

শ্ৰীগীতাৰ ৭ম অধ্যায়ৰ ২০ নং শ্লোকত কৈছে—

কামৈস্তৈস্তৈৰ্হৃত জ্ঞানাঃ পপদ্যন্তে হণ্য দেৱতাঃ

অৰ্থাৎ স্ত্ৰী পুত্ৰ ধনমানাদি বিবিধ কামনাৰ দ্বাৰা যিসকলৰ বিবেক অপহৃত হৈছে তেওঁলোকে নিজ নিজ কামনা কলুষিত স্বভাৱৰ বশীভূত হৈ অন্য ক্ষুদ্ৰ দেৱতাৰ আৰাধনা

কৰে। কিন্তু বাস্তৱ ক্ষেত্ৰত একান্ত শৰণৰ থূলমূল ভাবে দুটা ভাগত দেখা যায়— সকামী আৰু নিষ্কামী। কৃষ্ণস্তু ভগৱান স্বয়ং। সকামী কৃষ্ণ ভক্ত আৰু নিষ্কামী কৃষ্ণভক্ত। যি সকল সকামী কৃষ্ণভক্ত তেওঁলোক হ'ল আৰ্ত, অথাৰ্থী আৰু জিজ্ঞাসু আৰু যিসকল নিষ্কামী তেওঁলোক হ'ল জ্ঞানী ভক্ত। শ্ৰীভগৱানে কৈছে জ্ঞানী ভক্তই মোৰ বেছি প্ৰিয়। সকামী ভক্তও মোৰ প্ৰিয়। সকামী ভক্ত সকলে অনিত্য কাম্য বস্তু লাভৰ কাৰণেই ভজনা কৰে অৰ্থাৎ কাম্য বস্তুত তেওঁলোকৰ প্ৰিয় আৰু কৃষ্ণত তেওঁলোক প্ৰিয় কিন্তু জ্ঞানী ভক্ত সকলৰ ঈশ্বৰত বাহিৰে অন্য বস্তুৰ কামনা নাই। সেয়ে ঈশ্বৰেই জ্ঞানী ভক্তৰ একমাত্ৰ গতি, সুহৃদ আৰু আশ্ৰয়। মহাপুৰুষীয়া একশৰণ তত্ত্ব বিচাৰত জ্ঞানী ভক্ত সকলৰ কথাকেই বিশেষকৈ নিৰ্দেশ কৰিছে। সেয়ে নাম ঘোষাৰ তাৎপৰ্যত ৫৮০ নং পদত কৈছে—

"বিষয়ৰ আশা ভংগে ভক্তৰ হৰিষ।
দেখয় বিষয় সুখ বিস্তাৰ সদৃশ ॥"

সেয়ে ভক্ত সকলক নাম ঘোষাৰ উপদেশত (৪৫৭ নং পদ) সাৱধান কৰি দিছে—

"মনে মুখে এককৰি সদা বোলা ৰাম।
লভিবা পৰমানন্দ দূৰ হৈবে কাম ॥"

ইয়াৰ বুৎপত্তিগত অৰ্থ এয়ে যে মন আৰু মুখ যেতিয়ালৈকে এক নহয় তেতিয়ালৈকে ভক্তি সাধনা আৰম্ভই হব নোৱাৰে শ্ৰীগীতাত তেনে সকলক কৈছে।

"ইন্দ্ৰিয়াৰ্থান্ বিমূঢ়াত্মা মিথ্যাচাৰঃ সউচ্যতে ॥

(অঃ শ্লোক ৩।৬) মনে মনে ইন্দ্ৰিয় বিষয় স্মৰণ কৰি বাহিৰত বিষয় লোভ ত্যাগ দেখুৱাটো মিথ্যাচাৰ মাত্ৰ। ঘোষা শাস্ত্ৰতো কৈছে—

"বচনে কেৱলে মাত্ৰ হৰিত শৰণ লয়
চিত্তে আন দেৱক ভজয়।
জানিবাহা কদাচিতো সিদ্ধি সিটো নলভয়
হৰি তাৰ সন্তোষ নহয়।"

গতিকে মহাপুৰুষীয়া একশৰণ তত্ত্ব নিষ্কাম, সকাম নহয়। মহাপুৰুষৰ এনে শুদ্ধ একশৰণৰ অধিকাৰ শাস্ত্ৰ পাণ্ডিত্যৰ দ্বাৰা বা তৰ্ক বাগীশৰ দ্বাৰা লাভ নহয়। এইয়া কৰিবলৈ হলে অহোৰাত্ৰ শুদ্ধ ভক্তি সাধনা আৰু মমত্ববুদ্ধি ত্যাগৰ দৰকাৰ। পানী পানী কৰিলেই পিয়াহ নপলায়, পানী নোখোৱা পৰ্যন্ত। ইয়াৰ ভিতৰতো

অৱশ্যে সৰ্বসাধাৰণ গৃহকৰ্মীয়ে নিষ্কাম ভক্ত হব নোৱাৰালৈকে সকাম অৱস্থাৰ পৰাও ক্ৰমে ক্ৰমে নিষ্কাম স্তৰলৈ উন্নীত হোৱাৰ কাৰণে উপদেশ দিছে এইদৰে—

কৃষ্ণৰ নামক সদা কীৰ্ত্তন কৰয় যিটো
মনে দৃঢ় কৰিয়া নিশ্চয়
নিষ্কাম হোৱেবা যদি সকাম হোৱয় তাক
কদাচিতো কলি নবাধয় ॥ (নামঘোষা, নমস্কাৰ পদ ২০)

সাধু সংগলৈ সদা সৰ্বদা হৰি কীৰ্ত্তনৰ উপদেশ দিছে। গ্ৰাম্য কথা যিমান পৰা যায় এৰি চলিবলৈ উপদেশ দিছে। নিষ্কাম ভক্ত হোৱা অধিকাৰ যাৰেতাৰে নহয়। গীতা শাস্ত্ৰত কৈছে—

মনুস্যাণাং সহস্ৰেষু কশ্চিৎ যততি সিদ্ধতে
যততামপি সিদ্ধানাং কাশ্চিন্মাং বেত্তি তত্ত্বতঃ
(শ্লোক অং ৩।৭)

সহস্ৰ সহস্ৰ মনুষ্যৰ ভিতৰত হয়তো কোনো এজনেহে মদ্বিষয়ক জ্ঞান লাভৰ কাৰণে যত্নবান হয় আৰু যি সকলে যত্ন কৰি সিদ্ধিলাভ কৰিছে তেওঁলোকৰ সহস্ৰ সহস্ৰৰ ভিতৰতো কোনোবা এজনহে মোক প্ৰকৃত ভাবে জানিব পাৰে। এইটো অতি গুপ্ত বিষয়। সেয়ে সকামী ভক্ত সকলৰ কাৰণে সাধু সকলৰ মুখেৰে শ্ৰৱণ কীৰ্ত্তণ আদিত যুক্ত হৈ থাকিবলৈ উপদেশ দিছে।

কৰ্ণ পথে ভকতৰ হিয়াত প্ৰৱেশি হৰি
দুৰ্বাসনা হৰে সমস্তয়।
জলৰ যতেক মল যেহেন শৰত কালে
স্বভাৱতে নিৰ্মল হোৱয় ॥ (নাম ঘোষা নমস্কাৰ পদ ১৫)

শ্ৰদ্ধেয় উপস্থিত মিত্ৰ সকল, মহাপুৰুষীয়া ধৰ্ম আদৰ্শ মতে একশৰণ তত্ত্ব অতি সংক্ষেপে নাইবা সংক্ষেপৰো সংক্ষেপে আমাৰ ক্ষুদ্ৰ জ্ঞানৰ দ্বাৰা প্ৰকাশ কৰা হ'ল। সজ্জন পণ্ডিত সকলক পুনঃ সেৱা জনাই আমাৰ ভুল-ত্ৰুটীৰ কাৰণে ক্ষমা বিচাৰি আমাৰ ভাষণৰ সামৰণি মাৰিব খুজিছোঁ। আমাৰমতে তামসিকতা লোভ, মোহ আদি ক্ষয় কৰি মন মুখ এক নোহোৱালৈকে ধৰ্ম সাধনাৰ আৰম্ভই নহয়। প্ৰকৃত তত্ত্ব অপ্ৰাকৃত তত্ত্ব নহয়। শুদ্ধ আচাৰ ব্যৱহাৰৰ দ্বাৰা শুভ ভক্তিয়েহে প্ৰকৃত ধৰ্মৰ সন্ধান দিব পাৰে। সেয়ে—

অন্তৰত এক ঈশ্বৰক দেখিয়োক নানা বাহিৰত
অন্তৰত বোধ বাহিৰত জড় প্ৰায়।
বুদ্ধিত সমস্তে ত্যাজিয়োক বাহিৰত সংগ দেখায়োক
এহি ভাৱে ৰাম লোকত ফুৰা বেড়াই ॥

মহাপুৰুষ দুজনাৰ উপদেশ মতে এই ভাৱকেই সাৰাগত কৰি শুদ্ধ এক-শৰণৰ ফালে ধাৱমান হ'বলৈ সাধক ভক্ত সকলক উপদেশ দিছে।

★

শ্ৰীপৱিত্ৰ কুমাৰ দাস: নগাওঁ জিলা মহাপুৰুষীয়া আদি পন্থ সমাজ

আমি বৰ সৌভাগ্যবান যে গুৰু জনাৰ ধৰ্মত দেখা দিয়া সত্য শুদ্ধ মত বিচাৰি হাবাথুৰি খাই আমি বৰ্তমান বৰপেটা সত্ৰত সকলোৱে এটা সমাধান বিচাৰি পাম বুলি আগবাঢ়ি আহিছোঁ। লগতে ইয়াকো কওঁ যে আজি অসম আৰু অসমীয়া জাতিৰ অতি দুখৰ আৰু লাজৰ বিষয় এই যে যিজনা গুৰুৱে অসমীয়া জাতিক পোহৰলৈ আনিলে, আজি তেওঁৰেই দিয়া ধৰ্মৰেই কোনটো শুদ্ধমত তাকেই বিচাৰিব লগা হৈছে। দুনাই কিবা বেলেগ ধৰ্ম প্ৰচাৰ কৰিছিল নেকি যাৰ কাৰণে আমি শুদ্ধমত বিচাৰিব লগা হৈছে?

যিহওঁক যিহেতুকে এই অভিবৰ্ত্তন সিদ্ধান্তমূলক অভিবৰ্ত্তন বুলি কোৱা হৈছে, ইয়াতে আমি শাস্ত্ৰ ভাগৱতৰ যিটো শুদ্ধমত তাকেই প্ৰকাশ কৰিব লাগিব। ইয়াত তাৰ কাৰণে বিষয়বস্তু বাছি দিয়া হৈছে। সেই বিষয়বস্তুৰ প্ৰকৃত অৰ্থ বুজি লৈ তাৰ ভিতৰতে কব লাগিব। কিন্তু যোৱাকালি যি অলপ শুনিছিলো সঞ্চালক মহোদয়ে কোৱা কথাৰ পৰা মোৰ যি ধাৰণা হৈছে তাৰ পৰা মোৰ এটা কথা ধাৰণা হৈছে আমি যেন বিষয়বস্তুটোৰ পৰা আঁতৰি গৈছো।

আজিৰ বিষয়বস্তু একশৰণ ধৰ্মৰ ক্ষেত্ৰত আমাৰ সকলোৰে একমত। কাৰো দ্বিমত থাকিব নোৱাৰে। আমি প্ৰতিজন মহাপুৰুষীয়া ধৰ্মাৱলম্বী মানুহেই হিন্দু। হিন্দু বুলি কওঁতে প্ৰতিজন মানুহে বেদৰ অন্তৰ্ভুক্ত লোক। বেদক বাদ দি আমি

চলিব নোৱাৰে। আজি ভাৰতত অনেক ভাষা-ভাষীৰ লোক আছে। আমাক সকলোকে এখন বেদতে সামৰি লৈছে। কিন্তু যি মূহুৰ্ত্ততে একশৰণৰ কথা আহি পৰে, সেই মূহুৰ্ত্ততে বেদৰ প্ৰশ্ন আহিব নোৱাৰে।

অবিৰক্ত ভকতৰ বেদ লংঘিবাৰ দোষ
জানিবাহা ইহাক নিশ্চয়।
পৰম বিৰক্ত যিটো কৃষ্ণৰ ভকত ভৈল
তাৰ একো নাহিকে নিৰ্ণয় ॥

অৰ্থাৎ বিষয় বা মায়া আদি বাদ দিব লাগিব। তেতিয়াহে আমাৰ একশৰণ হব। ই বৰ কঠিন কাম। তাৰ কাৰণে অভ্যাস লাগিব। তাক নিগুৰ্ণ কৰিবলৈ তেৰাই কৈ গৈছে। তেতিয়াহে আমি একশৰণৰ কথালৈ আহিব পাৰিম। তেৰাই কৈ গৈছে—

তাৱত কৃষ্ণৰ ভক্ত নৰে
ভক্তি অবিৰোধী কৰ্ম কৰে
কৃষ্ণৰ কথাত ৰতি যেবে নৃপজয়।
যেৱে ভৈল কৃষ্ণ কথাৰত
নিত্য নৈমিত্তিক আদি যত
কথাৰ বিৰোধী জানিয়া সবে তেজয় ॥

গতিকে কৃষ্ণত আমাৰ প্ৰেম হব লাগিব। কৃষ্ণত বিশ্বাস হব লাগিব। এই ক্ষেত্ৰত হনুমানৰ কথা এটা মই আপোনালোকৰ আগত দাঙি ধৰিছোঁ। দ্বাপৰৰ আগভাগত হনুমানক কৃষ্ণই লগ পাইছিল। কৃষ্ণই তেতিয়াই কৈছিল যে—'হনুমান, তুমিতো সদায় ৰামৰ নাম লোৱা—মোৰ নামটোও এবাৰ লোৱা"। তেতিয়া হনুমানে হাঁহি মাৰি কৈছিল—

'শ্ৰীনাথে জানকী নাথে সৰ্বেতি পৰমাত্মানি
তথাপি মম সৰ্বস্ব শ্ৰীৰামচন্দ্ৰ কমল লোচন" ॥

তেওঁ কৈছিল, "জানকী নাথ, ৰাম আৰু শ্ৰীনাথ পতি অৰ্থাৎ কৃষ্ণ আপোনালোক দুয়োজনকে মই বেলেগ নকৰো। যিহেতু সৰ্বস্ব মই শ্ৰীৰামচন্দ্ৰকহে দিছো গতিকে তেওঁৰেই নাম লৈ থাকিম। মোক আজি আৰু আপোনাৰ নাম লবলৈ নকব।" গতিকে সেয়ে শ্ৰীকৃষ্ণই হনুমানৰ মুখত তেওঁৰ নাম লোৱাবলৈ নোৱাৰিলে। সেয়েহে একশৰণ প্ৰকৃততে মই বুজাত তেনেধৰণেহে বুজিছোঁ।

গতিকে আনহাতেদি বৰ্ত্তমানত যিটো হৈছে সেই ক্ষেত্ৰতহে মই আপোনা-লোকক কৈছো। মই এখন গাওঁলৈ গৈছিলো মোক এখন সভালৈ মাতিছিল। তাত থাওঁতে তেওঁলোকে কলে যে আমিতো আৰু পূজাপাতল একো নকৰো। আমি সকলোৱে কৃষ্ণতে ভক্তি কৰো আৰু তেখেতৰ নামগুণ লৈ থাকো।

তেতিয়া মই ধেমালি কৰিয়ে সুধিলো যে আপোনালোকৰ গাওঁত জানো আইসকলে দেখা নিদিয়ে? "কেলেই দিয়ে"—। তেতিয়া কি কৰে?

বোলে তেতিয়া আৰু আইসকলে প্ৰয়োজন হলে সমবেত হৈ আমাৰ গাওঁতে আই এগৰাকী আছে, তেখেতৰ ওচৰলৈ যায়। তেখেতৰ বিধান অনুযায়ী সেই সময়ত কিবা এটা ব্যৱস্থা নিশ্চয় পালন কৰে।

যদি এয়ে একশৰণৰ ব্যাখ্যা হয় তেনেহলে তেখেতৰ একশৰণ থাকিব ক'ত? গতিকে মই ভাবো যে আজি এনেকুৱা এটা পৰিস্থিত হৈছে য'ত নেকি একশৰণৰো হয়তো বিকৃত ব্যাখ্যা হৈছে, হয়তো বুজাত ভুল কৰিছে। প্ৰকৃত যিটো অৰ্থ সেই ভাৱত হয়তো একশৰণটো লব পৰা নাই।

গুৰুজনাই নামধৰ্ম প্ৰচাৰ কৰিছিল। কিন্তু গুৰুজনাই যি নামধৰ্ম প্ৰচাৰ কৰিছিল সি ভাগৱতৰ ওপৰতহে প্ৰতিষ্ঠিত। ভাগৱতক বাদ দি তেখেতে নামধৰ্ম প্ৰচাৰ কৰা নাই। এই ভাগৱতে কিন্তু চাৰি আশ্ৰমৰ কথাও কৈছে। গুৰুজনাই চাৰি আশ্ৰম যে নাই মনা বা তাক নামানিবলৈ কৈছে— এনে ধৰণৰ কথা কতো কোৱা নাই। এই ভাগৱত যদি মই চাও, মোৰ ক্ষুদ্ৰ জ্ঞানেৰে মই এইটোৱেই বিচাৰি পাইছোঁ—ভাগৱতক আমি দুভাগে বিভক্ত কৰিব পাৰো। ১ম স্কন্ধৰ পৰা নৱম স্বন্ধলৈকে এই খিনিক যদি আমি ভাগৱত ধৰ্ম বা বৈষ্ণৱ ধৰ্মৰ সংবিধান বুলি কওঁ, মই ভাবো এইটো বৰ ভুল কৰা নহয়। আৰু ১০ম স্কন্ধৰ পৰা ১১শ স্কন্ধলৈকে শ্ৰীকৃষ্ণই মানৱ জীৱন ধাৰণ কৰি সেইখিনি কেনেধৰণে পালন কৰিব পাৰি এই কথাখিনিকে ভগৱানে দেখুৱাই থৈ গৈছে। গতিকে এই ভাগৱতৰ পৰা জীৱনত একশৰণ তত্ত্ব কেনেধৰণে লব ১১শ স্কন্ধত শ্ৰীকৃষ্ণই দেখুৱাই থৈ গৈছে। গীতাতো ঠিক তেনেকৈ শেষৰ ফালেহে একশৰণৰ কথা কৈছে।

গতিকে দেখা গ'ল যে— সেইখিনি যদি আমি বিচাৰ কৰি চাও— শ্ৰীকৃষ্ণৰ জীৱনত দশমৰ পৰা একাদশ স্কন্ধলৈ, তেনেহলে একশৰণৰ কথা কি কৈছে নকৈছে সেই কথা মই আপোনালোকক বুজাই নকলেও আপোনালোকে বুজি পাইছে।

তেখেতে তাত কৈছে মায়া বা বিষয়ভোগ বাদ দিহে এই একশৰণৰ কথা

কৈছে। সঁচা কথা কবলৈ গলে ধৰ্মীয় সভাত মই তেনেদৰে বক্তৃতা নিদিওঁৱেই, গতিকে মোৰ কোনোও কিছু ভুল হব পাৰে, তাৰ বাবে মোক ক্ষমা কৰিব। কিন্তু বিষয় সম্পূৰ্ণৰূপে জীৱনৰ পৰা আতৰাই দিব লাগিব সেই কথাও নহয়। তিতাৰ সোৱাদ যি জীৱনত এবাৰো পোৱা নাই সি মিঠাৰ সোৱাদ কি একো বুজি নাপায়। গতিকে বিষয় ভাগটো যেতিয়া বৰ বেয়া বস্তু বুলি উপলব্ধি কৰে তেতিয়াহে তেওঁৰ অন্তৰত জাগ্ৰত হয় কৃষ্ণৰ প্ৰতি একশৰণৰ ভাব বা প্ৰেম - তেওঁহে একমাত্ৰ উদ্ধাৰ কৰিব পাৰে বুলি—তাৰ আগতে জাগ্ৰত হব নোৱাৰে। গতিকে এই বিষয়টো বৰ সহজ নহয়। ইয়াক আহৰণ কৰিবলৈ হলে আমাৰ অধ্যয়নৰ কথা, সাধনাৰ কথা আছে। কিন্তু আজি একশৰণ বুলি যি শুনা যায় সি বিকৃত ব্যাখ্যা বা অপব্যৱহাৰ বুলি মই ভাবিছোঁ।

আৰু এটা ডাঙৰ কথা হৈছে যে—ধৰ্ম বুলি কলে বিশেষকৈ শিক্ষিত সমাজখনে তাক বাদ দিছে। শংকৰ গুৰুকেই আমি কেনে ভাবেৰে সেৱা কৰিছোঁ? ★

শ্ৰীসদানন্দ দাস : বৰপেটা সত্ৰ।

শৰণৰ মূল কথা হ'ল ভগৱানৰ পাদপদ্মত ভকতৰ আত্ম সমৰ্পণ। আত্ম সমৰ্পণ হলে ভকতৰ নিজত্ব বুলি একো নাথাকে। ভগবদ্ সেৱা ব্যতিৰেকে তেওঁৰ নিজৰ কোনো কৰ্মও নাথাকে। তেনে এজন ভকতৰ সমস্ত দায়িত্ব ভগৱানে অৱশ্যে গ্ৰহণ কৰে। ঈশ্বৰ এক আৰু অদ্বিতীয়। তেওঁৰ সমকক্ষ আন কোনো নাই। এই বিশ্বৰ সৃষ্টি স্থিতি আৰু প্ৰলয়ৰ কাৰণ তেওঁৱেই। সৃষ্টিৰ আগতে তেওঁৱেই আছিল আৰু সৃষ্টিৰ পাচতো তেওঁৱেই থাকিব। মহাপুৰুষ মাধৱদেৱে লিখিছে—

গোবিন্দ গোবিন্দ গোবিন্দ গোবিন্দ গোবিন্দ ৰাম মুৰাৰি।
অনন্ত কোটি ব্ৰহ্মাণ্ডৰ হৰি অধিকাৰী ॥

গতিকে জীৱই ঈশ্বৰৰ সেৱা ভক্তি কৰাই কৰ্ত্তব্য। সমস্ত ধৰ্ম আৰু দৰ্শন এই তত্বৰ ওপৰত প্ৰতিষ্ঠিত! শৰণ কাক বোলে?

অষ্ট প্ৰকাৰৰ ঐশ্বৰ্যৰ প্ৰতি কোনো ধৰণৰ লোভ নাৰাখি ঈশ্বৰত সৰ্বস্ব সমৰ্পন কৰাকে শৰণ বোলে। শৰণৰ লক্ষণ কি?

কৃষ্ণ ভক্তি অনুকূল কৰ্ম গ্ৰহণ প্ৰতিটো পদত ভগৱানে মোক লৈ যাব, মনত এনে দৃঢ় বিশ্বাস এয়ে শৰণৰ লক্ষণ। তেওঁতেই শৰণ লৈ তেওঁৰেই শুদ্ধ বুদ্ধ সমস্ত ভাব .....। চতুশ্লোকী ভাগৱতৰ জ্ঞান বিজ্ঞান তদং ৰহস্য যি শ্ৰীনাৰায়ণে ব্ৰহ্মাক কৈছিল তাতেই বিশ্বাস। তাকেই মহাপুৰুষীয়া ধৰ্মত স্থান দিছে— গুৰু, দেৱ, নাম, ভকত। ইয়াত কোনো বিধি কিংকৰৰ স্থান নাই। এক শৰণীয়া ভকতৰ পক্ষে কোনো ৰকমৰ ভক্তি, মুক্তি বাঞ্চা নকৰাটো বিধি। কোনো ধৰণৰ আশা নকৰি একান্তভাৱে ভগৱানক ভক্তি কৰাতো বিধি শুদ্ধ সত্ব ভাৱেৰে ভগৱানক ভজন। কি ভাবেৰে ভগৱানক ভজিব লাগে প্ৰহ্লাদ চৰিত্ৰত শংকৰদেৱে সুন্দৰ ভাৱে দিছে।

কৃষ্ণৰ চৰণে হুইবে যিমতে ভকতি।
শুনা সাৱধানে তাক স্থিৰকৰি মতি॥
বিষ্ণু ভকতৰ সংগ লৈব প্ৰথমতে।
গুৰুমানি শুশ্ৰূষা কৰিব ভালমতে।
লৈয়া উপদেশ মাধৱক আৰাধিব।
যতেক সুকৃতি মানে কৃষ্ণতে অৰ্পিব॥
কৃষ্ণ কথা শ্ৰৱণত শুদ্ধ হৈব মন।
সৰ্বদায় কৰিবেক কৃষ্ণৰ কীৰ্ত্তন॥
কৃষ্ণৰ চৰণ চিন্তিবেক হৃদয়ত।
আচন্ত ঈশ্বৰ হৰি সমস্ত ভূতত॥
হেন জানি প্ৰাণীক কৰিবা সতকাৰ।
তেৱেসে কৃষ্ণত ৰতি হৈবেক তোমাৰ॥

হে বাপ বান্ধৱ সকল, মহাপুৰুষীয়া ধৰ্মত একমাত্ৰ কৃষ্ণত শৰণ লৈ অৰ্থাৎ এক-শৰণৰ লৈ কৃষ্ণকহে আৰাধনা কৰিব দিছে। কৃষ্ণক পাবলৈ হলে ভকতে একমাত্ৰ কৃষ্ণকে হৃদয়ত লৈ থাকে। মহাপুৰুষ মাধৱদেৱে গীতাৰ অষ্টাদশ অধ্যায়ৰ সাৰ 'নাম ঘোষাত' লিখি থৈ গৈছে।

'ভগৱন্ত ভক্তিযুক্ত পুৰুষৰ আত্মবোধ
মাধৱৰ প্ৰসাদে মিলয়।
কৃষ্ণৰ কৃপাতে জানা গুচয় সংসাৰ বন্ধ
এহি মানে গীতাৰ নিৰ্ণয়॥

ভগৱানত একশৰণ হ'ব পাৰিলেহে তেওঁৰ কৃপা লাভ কৰিব পাৰি। আৰু সেই কৃপাৰ বলতে কোনো লোকে আত্মজ্ঞান লাভ কৰিব পাৰে। গুৰু-জনাই আকৌ লিখিছে—

পৰম দুৰ্বোধ আত্মতত্ত্ব তাৰ জ্ঞান অৰ্থে হৰি যত
লীলা অৱতাৰ ধৰা তুমি কৃপাময়।

মহাপুৰুষীয়া ধৰ্ম হ'ল গীতাত নিৰ্দেশ কৰা শ্ৰীকৃষ্ণত একশৰণ হৈ তেওঁৰ নামগুণ লীলা শ্ৰৱণ কীৰ্ত্তন কৰাটো। হৃদয়ত কৃষ্ণৰ মূৰ্ত্তি স্থাপন কৰিলে তেওঁৰ নাম গুণ গাই থাকোতে ভগৱানৰ ভক্তি অৰ্জন হয়। এই ধৰ্মই পৰম পুৰুষাৰ্থ-যাৰ বলত ধৰ্ম, অৰ্থ, কাম, মোক্ষ এই চাৰিবৰ্গ সাধন হয়। মহাপুৰুষে লেখিছে ভগৱান সকলোতে থাকিলেও তেওঁ অব্যক্ত। ব্যক্ত হ'ল ভগৱানক চিন্তি থকা ভকতৰ বাক্য। কীৰ্ত্তনত লিখিছে—

"মায়াতেসে দেখয় বিবিধ পৰিচ্ছেদ।
স্বৰূপত তোমাৰ নাহিকে কিছু ভেদ॥
চৈতন্য স্বৰূপে ব্যাপি এক নিৰঞ্জন।
তোমাক বুলিবে দ্বৈত কোন অজ্ঞজন॥
নিশ্চল নিৰ্মল সূক্ষ্মৰূপ যিটো স্বামী
দেৱে নজানন্ত তাঙ্ক কেনেজানো আমি॥
অপৰ তোমাৰ ৰূপ যাত ভুজ চাৰি।
পীত বস্ত্ৰে শোভে শংখ চক্ৰ গদাধাৰী॥
পিন্ধি আছা ৰত্নময় মুকুতাৰ হাৰ।
হিয়াত শ্ৰীবৎস জ্বলৈ বনমালা যাৰ॥
সেহিসে মূৰ্ত্তিক আৰাধন্ত দেৱগণে।
তাকেসে ভকত জনে চিন্তে সৰ্বক্ষণে॥"

গীতাত ভগৱানে কৈছে—

"আ ব্ৰহ্মভুবনাল্লোকাঃ পুনৰাবৰ্ত্তি নোহৰ্জুন।
মামুপেত্য তু কৌন্তেয় পুনৰ্জন্ম নবিদ্যতে॥" ৮।১৬

হে অৰ্জুন ব্ৰহ্ম ভুৱনলৈকে গৈ আকৌ জন্ম লব লগা হয় কিন্তু মোক ভজিলে পুনৰ্জন্ম নহয়। আমাৰ মহাপুৰুষ মাধৱদেৱে লিখিছে—

ব্ৰহ্মজ্ঞানী জনে ব্ৰহ্মচিন্তে যদি
হৰিৰ নাম নলয় ।
সিও ভ্ৰষ্ট হৈয়া সংসাৰত পৰে
চাৰিবেদে হেন কয় ॥

আকৌ লিখিছে—

মোহো কেসে জানে যিটো লোক
সততে কীৰ্ত্তন কৰে মোক
ধৰি দৃঢ় ব্ৰত কৰি যত্ন বিপৰীত ।
মোৰ সৰ্বোত্তম দুই পায়ে
কৰে নমস্কাৰ ভক্তিভাৱে
তাৰ মোৰ এৰা এৰি নাহি কদাচিত ॥

যিসকলে ভক্তিক সাৰ কৰিছে তেওঁলোকৰ একমাত্ৰ ভগৱানহে প্ৰয়োজন । যিজন ভকতে যত্ন সহকাৰে মানি লয়, নাম উচ্চাৰে তাৰ ফল পাবই ।

আমাৰ মহাপুৰুষে যি ভক্তি দি গৈছে তাৰ বাধা কি ? অহংকাৰ ত্যাগ কৰিব লাগিব । ভক্তিতেই মজি থাকিব লাগিব । সংসাৰ জলত চিত্ত নলগাকৈ থাকিব লাগে । এই দৰে ভগৱানক আৰাধনা কৰিলে পোৱা যায় । চিত্ত শুদ্ধিৰ একমাত্ৰ উপায় কি ? সাধু সংগ আৰু ভক্তি সহকাৰে ঈশ্বৰৰ নাম-গুণ, শ্ৰৱণ-কীৰ্ত্তন কৰা ।

হে বান্ধৱ সকল, আমি সকলো সংসাৰী লোক, সংসাৰ বন্ধৰ কাৰণ নহয় । মোহাদিহে হৈছে সংসাৰ বন্ধৰ কাৰণ । আসক্তি নাশ হলে একমাত্ৰ হৰিনাম কীৰ্ত্তন একনিষ্ঠ ভক্তি কৰিলেহে এক ঈশ্বৰক পায় ।

পৰম ঈশ্বৰক ভজনা কৰিবলৈ হলে অহংভাৱ দূৰ কৰিব লাগে । দাম্ভিকতা একেবাৰে অন্তৰৰ পৰা আঁতৰ কৰি নিজক আনতকৈও হীন কৰিব পাৰিলেহে ঈশ্বৰক লাভ কৰিব পাৰি । তেতিয়াহে ভক্তি হব । অন্তৰত ভক্তি নহলে নাম উচ্চাৰণৰ দ্বাৰা একো লাভ নহয় । ইয়াকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলোঁ ।

*

শ্ৰীকান্দোৰাম তালুকদাৰ ঃ বহৰি হৰিদেৱ সত্ৰ।

বিশেষকৈ কথা হ'ল চাৰিজনা মহাপুৰুষ শংকৰদেৱ, মাধৱদেৱ, হৰিদেৱ, দামোদৰদেৱ এওঁলোক যি সময়ত জন্মগ্ৰহণ কৰিছিল সকলো সমপৰ্য্যায়ৰ। হয়তো কোনোবা ডাঙৰ কোনোবা সৰু, পণ্ডিতও কোনোবা হয়তো ডাঙৰ কোনোবা সৰু। কিন্তু একে ভগৱান বিষ্ণুৰে সেৱক। বিষ্ণু সেৱা বা পূজা বহৰি সত্ৰত আদিৰে পৰা এককৃষ্ণ সেৱা চলি আহিছে। যদিও চলি আছে তাৰ ভিতৰত আমি ব্যভিচাৰ দেখিবলৈ পাইছো, পূজা-পাতলো চলি আছে যেনে— লক্ষ্মী পূজা হৈছে, শিৱ পূজা, সৰস্বতী পূজা, সত্যনাৰায়ণ ইত্যাদি পূজাবোৰ হৈ আছে। সেয়ে আমাৰ সমাজত কিছুমান ব্যভিচাৰ সোমাই পৰিছে। কিছুমান বেমেজালী কৰা কাৰ্যও চলিবলৈ ধৰিছে। এনে ধৰণৰ কিছুমান ব্যভিচাৰে স্থান লোৱাত আমাৰ সমাজৰ ঠানবান নোহোৱা হৈছে। আজিৰ সভাত এই দুৰ্নীতিবোধ দূৰ কৰিবলৈ মই প্ৰাৰ্থনা জনাইছো। আমাৰ বহৰি সত্ৰত নাম-প্ৰসঙ্গ, তিনি প্ৰসঙ্গ, বিষ্ণুপূজা গুৰুদেৱৰ দিনৰ পৰাই চলি আহিছে। গুৰুদেৱে পাটবাউসী, বৰপেটা, সুন্দৰীদিয়া আদি ঠাইলৈ গৈ চাৰিওজন লগহৈ ভাগৱত পাঠ কৰিছিল কোনোৱে অৰ্থ কৰিছিল, এনেদৰে ধৰ্মৰ বাণী প্ৰচাৰ কৰিছিল। এইবোৰ আদৰ্শ আজিও আমাৰ মাজত চলি আহিছে। আমাৰ প্ৰতি বছৰে অখণ্ড ভাগৱত পাঠ সাতদিন সাতৰাতি উদযাপন হয়।

★

শ্ৰীজিতেন্দ্ৰ নাথ দাস ঃ প্ৰাক্তন উপাচায, ডিব্ৰুগড় বিশ্ববিদ্যালয়।

মূল কথা হ'ল শংকৰদেৱৰ ধৰ্ম চাৰিটা শব্দতে কোৱা হ'ল—একশৰণ নাম ধৰ্ম, আৰু এই চাৰিটা শব্দতেই শংকৰদেৱৰ ধৰ্মৰ সমস্ত দৰ্শন সোমাই আছে। একশৰণ নাম ধৰ্ম। এইখিনি বুজিলেই সকলো বুজা। প্ৰথমে আমি ধৰ্মৰ পৰাই ধৰো। ধৰ্মৰ যিমান সূত্ৰ আছে—সংস্কৃতিৰ পৰা বা পণ্ডিতসকলে যিমানবোৰ ব্যাখ্যা দিছে সেই বিলাকলৈ যাব বিচৰা নাই। সেইবিলাক বৰ তৰ্কৰ কথা। আমি বাহিৰত

থাকি আমিনো কি বুজো—অন্য মানুহে ধৰ্মক কি বুলি ভাৱে। ধৰ্মৰ অৰ্থটো আমি এই বুলিয়ে ধৰি লৈছো স্ৰষ্টা আৰু সৃষ্টিৰ মাজত যিটো সম্বন্ধ। সৃষ্ট জীৱৰ ভিতৰত মানুহেই শ্ৰেষ্ঠ। মানুহেই মাত্ৰ এই স্ৰষ্টাৰ কথা ভাবিব পাৰে। বাকী যিবোৰ জীৱ আছে সকলোকে নিজৰ বৃত্তিয়ে তেওঁলোকক লৈ ফুৰে। মানুহেই একমাত্ৰ জীৱ যি স্ৰষ্টাৰ কথা ভাৱে। আৰু ভাৱিবৰ বাধ্য হয় এই কাৰণেই যে তাৰ জীৱন যাপনত এনেকুৱা কিছুমান মূহুৰ্ত আহি পৰে--চাৰিওফালে অন্ধকাৰ দেখে আৰু দেখি অতি মানৱ এটা শক্তিৰ আশ্ৰয় বিচাৰে। গজেন্দ্ৰৰ উপাখ্যানত তেওঁ এই কথাটোহে লিখিছে। যেতিয়া কোনো পথো যুজি বাগৰি জীয়াই থাকিব লগা হ'ল—তেতিয়া বাধ্য হৈ অতি মানৱ এটা শক্তি যে মই যেতিয়া মোৰ শক্তিয়ে নোৱাৰো, মই বৰ আন্ধৰো দেখিছো। আমাৰ জীৱনৰ সমস্যা গজেন্দ্ৰৰ নিচিনাই হয়। কেতিয়াবা আমি কোনো বাট বিচাৰি নাপাওঁ। কোনো মানুহে তাৰ উৱাদিহ দিব নোৱাৰে। আমি স্ৰষ্টাৰ ওচৰ চাপো। বাধ্য হৈ আমি অতি মানৱ শক্তিৰ ওচৰলৈ আহো। এয়ে বিবেকৰ চিন, এই স্ৰষ্টাৰ লগত মই যি সম্পৰ্ক গঢ়ি তুলিম। তাকে কোৱা হৈছে ধৰ্ম।

এতিয়া এটা প্ৰশ্ন আহে, স্ৰষ্টা বোলোতে কাৰ ওচৰত কেনেকৈ যাম। এই সন্দেহটো মই বুৰঞ্জীমূলক ভাবে কব বিচাৰিছো। এসময়ত যেতিয়া আদি মানৱ আছিল--এইয়া বেদৰ আগৰ যুগ। তেতিয়া মানুহে ভাবিছিল—তেওঁলোকো এনেকুৱা সমস্যাত উপনীত হৈছিল। তেতিয়া তেওঁলোকৰ ঈশ্বৰৰ ধাৰণাটো মঙ্গল দায়ক নহয়। তেওঁলোকে দেখিছিল যে আমাৰ জীৱনটো ইমান সুন্দৰ ভাবে চলি আছিল। হঠাতে ধুমুহা আহি গোটেই গাওঁখন উটুৱাই লৈ গ'ল। গতিকে এনে এটা শক্তি আছে যিটো শক্তি মানৱৰ বিৰোধী। এই শক্তিটোক যদি আমি কিবা উপায়েৰে সন্তুষ্ট কৰিব নোৱাৰো তেনেহলে এনেকুৱা বিপদ আমাৰ মাজে মাজে হৈ থাকিব। ঈশ্বৰক সন্তুষ্ট কৰিব লাগিলে—অন্নপনান তেজ আদি খুৱাব লাগিব। পূজা কৰিব লাগিব ইত্যাদি ইত্যাদি। সাপ, বেং আদি আজিও তিৰ্ব্বতত মুখা পিন্ধা নাচবোৰ—সেইটো দেৱতা ৰাক্ষসৰ প্ৰতীক। তাৰ কাৰণ বহুত। নৃতত্ত্ববিদ পণ্ডিত সকলে আমাক বুজাইছে -ধৰ্মৰ আদি গুৰিটো প্ৰথমে কেনেকৈ আৰম্ভ হয়—তেতিয়া মানৱে অতি মানৱ শক্তিৰ লগত সম্পৰ্ক আনিব খোজে। এই যে গোটেই বিশ্বক কিবা এটা কৰি আছে তাক আমি পূজা পাতল দি থাকিব লাগিব সন্তুষ্ট কৰিব লাগিব। Dr. S. Radhakrishnanৰ "History and Evolution of riligionত তেওঁ কৈছে—'মানৱ জাতিৰ শৈশৱ যুগ হৈছে বৈদিক যুগটো।

সেই যুগত মানুহে দেখিলে যে আমাৰ জীৱনত লগা সকলোখিনি বস্তু সূৰ্যৰ পৰা পাইছো, চন্দ্ৰৰ পৰা পাইছো, অগ্নিৰ পৰা পাইছো—তাতে কেনেকৈ বেলেগে বেলেগে আছে। কিন্তু সূৰ্যৰ ফালে প্ৰথমে দেখিছো। সেই কাৰণে বৈদিক যুগৰ বেছি ভাগ সূৰ্যক প্ৰাৰ্থনা এই প্ৰাৰ্থনাৰ ভিতৰত ধাৰণা আছে তাত দৰ্শন আছে। ধাৰণাটো এই সূৰ্যই আমাৰ জীৱন নিয়ন্ত্ৰণ কৰি আছে। সূৰ্যৰ পৰাই সকলো পায়। গতিকে সূৰ্য দেৱতা। তেনেকৈ তাৰ পিছৰ যুগত আছিল বৰুণ, মাৰুটি ইত্যাদি এনেদৰে তেত্ৰিশ কোটি দেৱতা সৃষ্টি হ'ল।" তাৰ লগে লগে কৰ্মকাণ্ডও আছিল। এইবোৰ আমাৰ হৈ গৈছে। মানৱ জাতিয়ে শৈশৱ পাৰ কৰি ডেকা হ'ল—মানৱ জাতি অলপ ওপৰলৈ আহিল। তেতিয়া উপনিষদৰ যুগত সূৰ্য, মাৰুতি, বৰুণ, অগ্নি আদি এইবিলাক প্ৰত্যেকটোৱেই একেটা বস্তুৰ পৰাই অহা যেন লাগিছে। এইবোৰ লক্ষ্য কৰোতে তেওঁলোকে দেখিলে যে এটা বস্তুৰে প্ৰকাশ—এটায়ে শক্তি বেলেগ নহয়। সেই শক্তিয়ে সূৰ্য হৈ কৰবাত তাপ দিছে। সূৰ্য বুলিয়েই নহয় মোৰ ধাৰণা—পোহৰ বোলা আন্ধাৰ বোলা, বৰষুণ বোলা এই সকলোবোৰ একেটা বস্তুৰে পৰা আহিছে। উপনিষদত তাক বহলকৈ কৈছে—তাক এটা গল্পৰ দ্বাৰাও বুজাইছে।

দেৱতাসকলে দৈত্যবোৰক যুদ্ধত পৰাজয় কৰি আহি খুউব স্ফূৰ্ত্তি কৰি নাচি বাগি আছে—এটা যক্ষ আহি প্ৰথমে অগ্নিক কলে—এডাল কুটাইদি, এই কুটা ডাল পুৰি দিয়াছোন। অগ্নিয়ে নোৱাৰিলে। তাৰ পিছত মাৰুতিক কলে—মাৰুতিয়ে ইমান বতাহ মাৰিলে—উৰুৱাব নোৱাৰিলে। পিছত ইন্দ্ৰ আহিল। ইন্দ্ৰ আহি কলে—হে ভগৱান, মই এইটো কি সমস্যাত পৰিলো। তেতিয়া যক্ষ লগে লগে অন্তৰ্ধ্যান হ'ল। তেতিয়া এই কথা ইন্দ্ৰই বুজালে যে এইটো যক্ষ নহয় - ই কিবা এটা শক্তি। তেওঁলোকে হৈমৱতীৰ ওচৰলৈ গ'ল। তেতিয়া তেওঁ কলে—তোমালোকে যুদ্ধত জিকা কাৰণে বৰ অহঙ্কাৰ কৰিছিলা। অগ্নিয়ে কৈছিল মই যুদ্ধ কৰি জিকিলো। বৰ শক্তি আছে বুলি ভাবিছিলা—কি হ'ল—কুটা ডালকে পুৰিব নোৱাৰিলা? বৰুণক কলে তুমি বানপানীদি পৃথিৱী বুৰাই পেলালা কিন্তু ঘাঁহডালকে লৰচৰ কৰিব নোৱাৰিলা। পৱনক কলে তুমি বৰ বতাহে একো কৰিব নোৱাৰিলা। কি শক্তি তোমালোকৰ—এই শক্তি তোমালোকৰ নহয়। ইন্দ্ৰই কিন্তু বুজিছিল—তেওঁ ভগৱানক প্ৰাৰ্থনা কৰিছিল—মোক আজি কি সমস্যাত পেলালা। তেওঁৰ যিটো শক্তি সেইটো তেওঁৰ নহয়। তেওঁ পাইছে অতি মানৱৰ

পৰা। এই যে তেত্রিশ কোটি দেৱতা আছে সি এটা শক্তিৰেই প্ৰকাশ। শক্তি সেইটোহে মূল শক্তি। এই কথা বহুত আলোচনা হৈছে—১০৮ খন উপনিষদ তাৰ পৰাই হৈছে। দর্শন হিচাবে এইটো ঠিকেই কথা। মানুহে ধৰ্ম হিচাবে দৈনন্দিন জীৱনৰ শোক, দুখ, দুৰ্গতিবোৰৰ কাৰণে-আমাৰ দুখৰ চকুপানী যদি ধৰ্মই মচি দিব নোৱাৰে তেনেহলে কিহৰ কাৰণে ধৰ্ম। সেই কাৰণেই আকৌ সেই প্ৰশ্নটো উঠিল—কেনেকৈ সেই শক্তিক পাব পাৰি। সেই সময়তেই ভাগৱত পুৰাণৰ কথাটো আহিল। স্ৰষ্টাক যদি তুমি এবাৰ বহুল ভাৱেৰে ভাৱিব নোৱাৰা নিৰাকাৰ নিৰ্বিকাৰ এনে ভাবেৰে— ক'ত পোৱা যায় কেনেদৰে আছে—উপনিষদত সেই-বোৰ বৰ্ণনা দিয়া আছে। মই আজি সেইবোৰলৈ নাযাওঁ—এইটো হয়তো ধাৰণা কৰিব নোৱাৰিব পাৰো। আজি যিখিনি মানৱে সামান্য বুদ্ধি পাইছো, সেই বুদ্ধিৰে কৰা ধাৰণাও এটা সীমাবদ্ধ। ধাৰণা কৰিব নোৱাৰিব পাৰো। আমি যিখিনি বুদ্ধি এতিয়ালৈকে পাইছো- তাৰ হয়তো একো নহয়। কিন্তু ভাবাতীত ধাৰণাৰে এই বিশ্বৰ মাজত প্ৰকাশিত হৈ থকা মূল ঈশ্বৰক অলপ চেষ্টা কৰিলেই বুজি পোৱা যায়। আৰু সহজ হিচাবে বুজিবলৈ বিচাৰিলে এই শ্ৰীকৃষ্ণক উপাস্য দেৱতা হিচাবে তুমি ধৰা। তেওঁ অৱতাৰ—এই সমস্ত শক্তিৰ অৱতাৰ হিচাবে তেওঁ আহিছে—মানুহ হিচাবে কাম কৰি আছে। তেওঁৱেই ভগৱান—গতিকে তেওঁক ধৰিলে তোমাৰ সকলো হব। ভাগৱতত এই কথাটোকে কৈছে আৰু মহাপুৰুষ শ্ৰীশংকৰদেৱে সকলোকে মনত লগাকৈ যুক্তি পূৰ্ণভাৱে সেইখিনি কথাকে কৈছে। মই মাত্র একশৰণ ধৰ্ম মানে—জীৱনৰ লগত অতি মানৱৰ সম্পৰ্ক কৰিব লাগিব—গতিকে এক কৰোতে সমস্ত বিশ্বত এটাই শক্তি। আজি ইছলাম বা খৃষ্টান ধৰ্মবোৰে ভাৱে এটা মূৰ্ত্তি নভবাকৈও প্ৰাৰ্থনা কৰিব পাৰো, আমাৰ দুখৰ কথাটো জনাব পাৰো। তেওঁ কেনে কি আছে তাক হয়তো নাজানো। তথাপিও তেওঁৰ ওচৰলৈ আমাৰ প্ৰাৰ্থনা যায়। আমি তাৰ উত্তৰো পাওঁ—মানুহে তাৰ উত্তৰ পাইছে—সঁচা কথা।

যি হওক আমি সিমানলৈ নাযাওঁ আৰু এটা সহজ কৰি দিছে, শৰণো তুমি লব পৰা। উপাসনা কৰিব পৰাকৈ তোমাৰ দুখ-দুৰ্গতিবোৰ ঈশ্বৰক জনাব কাৰণে এই শক্তিৰ আশ্ৰয় কৰি লোৱা সেয়ে এক শৰণ। গতিকে সেই উপাস্য দেৱতাজনক কি ধৰণে উপাসনা কৰো? ঢোল খোল বজাই কৰিম নে নাচি বাগি কৰিম নে অন্য ধৰণে কৰিম? কিছুমান আদিবাসীয়ে তেওঁলোকৰ তেজৰ উপ-

হাৰ দিছিল। সাপক গাখীৰ খুৱাইছিল—ইত্যাদি ইত্যাদি তেনেধৰণে কৰিছিল। কিন্তু এইবোৰ কৰিব নালাগে। তোমাৰ মনতো তেওঁতে ঢালি দিয়া অৰ্থাৎ নাম ধৰ্ম। নামটো মনৰ পৰা আহিব লাগিব। তুমি কিবা এটা শব্দ কলে কিবা চিন্তা কৰিহে শব্দটো কোৱা। মনটো যদি তুমি কৃষ্ণমুখী কৰি টালি দিয়া তেনেহলে সেয়ে নাম। নামটো সহজ কৰিবৰ কাৰণে আকৰ্ষণীয় কৰিবৰ কাৰণে আমি এতিয়া সঙ্গীত কৰিছো। যাক কীৰ্ত্তন বা ভজন বুলি কোৱা হয়। প্ৰত্যেক ধৰ্মতে আছে সি নামেই। শিখ বিলাকে ভজন বুলি কয়। সেই শব্দটো আকৰ্ষণীয় কৰিবৰ কাৰণে তাত যন্ত্ৰ সঙ্গীত লগ কৰা হ'ল। এটা সুৰ লগাই তাক ভজন কৰা হ'ল। তাকেই নাম কীৰ্ত্তন বোলা হয়। মহাপুৰুষ শংকৰদেৱে নানা অৰ্চন বন্দন ইত্যাদি কৰি এইটো অতি উৎকৃষ্ট পন্থা। এইখিনিয়ে মূল কথা। ইয়াত কাৰো ব্যতিক্ৰম থাকিব নোৱাৰে। ই সহজ কথা। এক ঈশ্বৰৰ বাহিৰে অন্য কোনো নাহয়েই এই কথা নতুনকৈ কোৱাৰ কোনো প্ৰয়োজন নাই। ই তৰ্ক বিষয় নহয়। সমস্ত পৃথিৱীয়ে এইটো মানি লৈছে, পৃথিৱীত শক্তি এটাই। বিজ্ঞানী সকলেও কৈছে বিজ্ঞানেও কৈছে। যিবোৰ বিজ্ঞানীয়ে ঈশ্বৰ বিশ্বাস নকৰে তেওঁলোকেও কৈছে ইলেকট্ৰন আদি এইবিলাক জড় পদাৰ্থ। চৈতন্য শক্তি নহয়। হাইড্ৰোজেনত মাত্ৰ এটা ইলেকট্ৰন থাকে, হিলিয়ামত আধাহে থাকে। কোনোটো পজেটিভ আৰু কোনোটো নিগেটিভ থাকে। এই ৰকম নানা বস্তু পৃথিৱীত আছে। এই সকলো বস্তু ৰূপান্তৰ, সেই বস্তুটো কি ইলেকট্ৰন। ইলেকট্ৰননো কি? তাৰ বিষয়ে বিজ্ঞানীসকলে কয়—সেইটো একো নহয়—ই এটা শক্তি। শক্তি মানে কি—এইটোৱেই ডাঙৰ কথা। চৈতন্য শক্তিটোৱেই তেওঁলোকে কব খোজে—ইয়াক আমি বুজাব নোৱাৰো কিন্তু কিবা এটা চৈতন্য ডাঙৰ শক্তি আছে যিটো শক্তি জড়ৰ মাজত পোৱা যায়। গতিকে আমি দেখা এই জড় শক্তিবিলাক চৈতন্য শক্তিহে। আমি জড় বুলিয়েই কৈছো। ইয়াৰ মজেৰে চৈতন্য শক্তি বৈ আছে। মানুহে আজিলৈকে এনে যন্ত্ৰ আৱিষ্কাৰ কৰা নাই যে সেইবোৰ চৈতন্য হয়নে নহয় তাক প্ৰমাণ কৰিবৰ কাৰণে। আমাৰ চৈতন্য শক্তি নাই কাৰণে তাক জড় বুলি কোৱা উচিতনে অনুচিত। গেলভেনেটৰ আদিৰেও কব নোৱাৰি। চাৰ জগদীশ বসুই বহু দিনৰ আগতেই কৈ গৈছে যে গছবোৰবো চৈতন্য শক্তি আছে। গছ-বোৰৰ যে অনুভূতি আছে তাক সকলোৱে আজিকালি জানে। তুমি তোমাৰ যন্ত্ৰ নাই কাৰণেহে নাজানা। গছে মৰম বিচাৰে। যদি গছক মৰম কৰা তেনেহলে

গছডাল তৎক্ষনাৎ বাঢ়ি যায়। মৰমটো লাগে, আমাৰ মাজত চৈতন্য শক্তি যিমান আছে হয়তো এই গছবোৰক সিমান দিয়া নাই। সেইবুলি সিহঁতৰ চৈতন্য শক্তি নাই এনে নহয়। এটা শক্তিয়ে গোটেই বিশ্ব বিয়পি আছে –তাত দ্বিমত নাই। আস্তিক নাস্তিক সকলো লোকে কৈ আছে - কিবা এটা শক্তি আছে যাৰ আমি নাম দিব নোৱাৰো। এইটো ধৰ্মৰ ক্ষেত্ৰত ডাঙৰ জয় – কাৰণ বিজ্ঞানেও আজি কৰ ধৰিছে এই যে এটা শক্তিৰ কথা। যি বেলেগ নামেৰে আৰু বেলেগ ভাবেৰে প্ৰকাশিত। বেলেগ স্তৰো, স্তৰে স্তৰে এই শক্তিটো কম বেছি। কেচুৰ চৈতন্য শক্তিতকৈ চৰাইৰ চৈতন্য শক্তি অলপ বেছি। কুকুৰৰ মানুহৰ নিছিনাই – মানে তাৰ বুদ্ধি বৃত্তি বেছি। এইবোৰ ক্ৰমবিকাশৰ দ্বাৰাই চৈতন্য শক্তিৰ স্তৰ বুজা যায়। ঈশ্বৰে মানুহৰ দ্বাৰাই তাৰ বিকাশটো কৰিব বিচাৰিছে। মানুহকো তেওঁ নিস্তেজ কৰি আনিছে। আমাৰ বাঘৰ নিছিনা নখ নাই, বল নাই। আমি তেজ নাখাওঁ। সৃষ্টিৰ উদ্দেশ্য এইটো নহয় যে সকলো শেষ কৰা। ইয়াৰ উদ্দেশ্য হৈছে স্ৰষ্টাক বুজিব যত্ন কৰা। তেওঁক বুজিব লাগিব কিমান তোমাৰ বুদ্ধি বৃত্তি আছে তাক বঢ়াব লাগিব। শৰীৰৰ কাম, ক্ৰোধ, লোভ, মোহ এইবোৰ কমাব লাগিব। শাৰীৰিক অংগবোৰ দুৰ্বল হৈ যাব। যাক কওঁ বিফাইন। শৰীৰটো এটা সৌন্দৰ্যৰ প্ৰতিমূৰ্তিহে থাকিব। এইবোৰ বহুত কথা।

মই কব বিচাৰিছো একশৰণ নাম ধৰ্মৰ এইকেইটা শব্দৰ মাজতে তেওঁৰ দৰ্শনটো সোমাই আছে আৰু সেই দৰ্শন প্ৰতিফলিত কৰিবলৈ ব্যৱহাৰিক জীৱন লাগিব। ব্যৱহাৰিক জীৱনটোও আমি ইয়াকে ভিত্তি কৰি—গঢ়ি তুলিব লাগিব। তাৰেই পৰা আচাৰ ব্যৱহাৰ, ৰীতি নীতি আদি গঢ়ি উঠিছে। সময়ৰ লগে লগে তাৰ পৰিবৰ্তনো হৈছে। সেই বিষয়ে পিছত আলোচনা হব। আজি এই বিষয়ত মই যি বুজিছো তাকে দাঙি ধৰিলো।

★

অধ্যাপক শ্ৰীউমেশ চন্দ্ৰ দাস : প্ৰাক্তন বিধায়ক, ঈশ্বৰ হাটিসত্ৰ।

দুজনা গুৰুৱে কীৰ্ত্তন, দশম, ঘোষা, ৰত্নাৱলীত তেৰা সকলৰ মত লেখি থৈ গৈছেই। সেই মতবিলাক পালন কৰাত আমি কৰৰাত কিবা বিভ্ৰান্ত ঘটাইছো নেকি? আৰু যদি কিবা বিভ্ৰান্ত ঘটাইছো এক মহাপুৰুষীয়া হিচাবে, এক গুৰু হিচাবে সদৌ অসমতে কিয় আমি একে কথাকে কব নোৱাৰো? এনে এটা সিদ্ধান্তৰ ভাৱ ধাৰাকে লৈ আমি ইয়াত সমবেত হৈছো। কালিৰে পৰা কীৰ্ত্তন, দশম, গীতা আদিৰ পৰা একশৰণৰ ওপৰত যথেষ্ট পৰিমাণে ব্যাখ্যা হৈছে। কিন্তু আমি যেনেধৰণে "কথাটো ভাবিছো হয়তো তেনেধৰণে তাৰ সমাধান পোৱা নাই। তাৰ ওপৰত ভিত্তি কৰিয়েই মই ইয়াত এটা কথা ৰাখিব বিচাৰিছো—কালিৰ পৰা যি একশৰণ তত্ত্বৰ কথা আলোচনা হৈছে, এইটোত যদি মুকলি-মুৰীয়া ভাৱে তেনে এটা সিদ্ধান্ত লোৱাত বাধা আছে তেনেহলে শৰণাচাৰ্য সকলে আৰু সত্ৰাধিকাৰ প্ৰভুসকলে ভিতৰুৱা কোঠাত বহি আলোচনা কৰি শুদ্ধ শৰণৰ ব্যৱস্থা ৰাখি সিদ্ধান্ত গ্ৰহণ কৰক।

এইখিনিতে এটা কথা কব বিচাৰিছো আমি যিখন সত্ৰৰ প্ৰতিনিধিত্ব কৰিছো—সেই সত্ৰখনে বৰপেটা সত্ৰৰ আৰ্হিতে চলি আহিছে। আমাৰ সত্ৰত অৱশ্যে মূৰ্ত্তি নাই। নাম প্ৰসংগ হৈ থাকে। এক শৰণৰ যি চাৰিবস্তু গুৰুদেৱ নাম ভকত ভাৱেই পৰা শৰণ দিয়ে। আমাৰ দুয়োজনা গুৰুৰ নাম থাকিলেও অন্য গুৰুৰ পৰম্পৰা নাই। আমাৰ গুৰু—

শ্ৰীমন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।
তাহান্ত বিনাই নাই নাই নাই
আমাৰ পৰম গুৰু॥

আমাক গুৰুৱে তেনেকৈয়ে দেখুৱাইছে। দেৱৰ ক্ষেত্ৰত কৈছে—

একেখানি মাত্ৰ শাস্ত্ৰ নিষ্ঠ
দৈৱকী নন্দনে কৈলা যাক।
দেৱো এক মাত্ৰ দৈৱকী দেৱীৰ সুত।

ঠিক তেনেকৈ—

কৃষ্ণ একদেৱ দুঃখহাৰী
কাল মায়াদিৰো অধিকাৰী
কৃষ্ণ বিনে শ্ৰেষ্ঠ দেৱ নাহি নাহি আৰ।

একেদৰে নামৰ ক্ষেত্ৰত কৈছে—

অনন্ত শকতি তুমি ৰাম লক্ষ্মণ সুগ্ৰীব বিভীষণ
হনুমন্ত আদি মহা মহা বীৰগণে।
আনি তৰু লতা পৰ্বতক কতেক যোজন সমুদ্ৰক
সেতু বান্ধি পাৰ ভৈলাহা মহা যতনে ।।
হে প্ৰাণ প্ৰভু ৰঘুপতি ৰাম ৰাম ৰাম ৰাম ৰাম
তোমাত কৰিয়া তযু গুণ নাম চাৰ।
বিনা সেতু বন্ধ কৰি নৰে ৰাম ৰাম ৰাম ৰাম ৰাম
অপাৰ সংসাৰ সমুদ্ৰৰ হোয়ে পাৰ ॥

গতিকে আমাক সেই নামকে দিছে– তাকেই আমি ধৰিছো। ভকতৰ ক্ষেত্ৰত কৈছে—

মোৰ গুৰু ভকতেসে স্বৰূপ স্বভাৱ।
যেন বায়ু আকাশৰ নাহি ভিন্ন ভাৱ ॥
সৰ্ব তত্ত্ব ভকতক মই গুৰু মানো।
ভকত গুৰুত পৰে আনক নজানো ॥

আমাৰ সত্ৰত চাৰি বস্তুৰ পৰম্পৰা এনে ধৰণে আমি পাই আহিছো। তাকেই আমি গ্ৰহণ কৰিছো।

আজি আমি সকলো একমুঠ হৈ ধৰ্ম প্ৰচাৰৰ কাৰণে সাজু হব লাগিব। আমি বিদেশী নাগৰিকৰ কথা কৈছো। ই মাত্ৰ কেইজনমান মানুহৰ ক্ষেত্ৰতেই নহয়—ইয়াত আমাৰ সমস্ত ধৰ্ম সংস্কৃতিৰ মাজত প্ৰত্ৰজন হৈছে।

আজিৰ বিষয়টো আটাইতকৈ সহজ। যদি আমি গ্ৰহণ কৰিব নোৱাৰো ইয়াত কেৰোণৰ কোনো কাৰণ নাই। আৰু যদি তুমি ডাক্তৰৰ ওচৰলৈ যোৱা কেনেকৈ তুমি একশৰণীয়া হবা আদি কথাৰ ব্যাখ্যা হয় আমাক মঙ্গল নিশ্চয় নকৰে। ইয়ে আমাৰ বিভ্ৰান্তহে আনিব। এইবোৰ কথাৰ প্ৰতি চকু দিব বুলি আশা কৰি মোৰ বক্তব্য ইমানতে সামৰণি মাৰিলো।

★

শ্ৰীভোলা হাজৰিকা : মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সমাজ।

আমাৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আৰু মাধৱদেৱৰ পুৰুষৰ যি শৰণ পদ্ধতি তাৰ বিষয়ে বিভিন্ন ধৰণেৰে কলেও আমাৰ অন্তৰে কিন্তু এটা কথা কৈছে— সকলোৰে গুৰু দেৱৰ নাম ভকত এই চাৰি বস্তুক দেখুৱাইছে আৰু একশৰণ ভাগৱতী ধৰ্ম গুৰু পুৰুষে প্ৰকাশ কৰিছে - আদি সত্য যুগত থকা হৰিনাম ধৰ্ম লুপ্ত কৰিব কাৰণে শিৱক পূৰ্ণ কৃষ্ণ ভগৱন্তই নিৰ্দেশ দিলে যে তুমি আগম মন্ত্ৰ প্ৰণয়ন কৰি মোৰ নামধৰ্ম গুপুত কৰা। তাৰ ফলত শিৱৰ কুষ্ঠৰোগ হ'ল। তেতিয়া তেওঁ ভগৱন্তক কলে, "প্ৰভু মই এতিয়া কি কৰো ?" তেতিয়া ভগৱন্তই শিৱক কলে—"তুমি দিব্য সহস্ৰ নাম জপ কৰা।" শিৱই যি নামক জপ কৰিছিল সেয়ে আমাৰ নামধৰ্ম। প্ৰভু ভগৱন্তই ইয়াত চাৰিবাৰ লোক পঠাইছিল। পিছত নিজেই গোমোস্তা হৈ আহি আমাক একশৰণ নাম ধৰ্ম দিলে— জীৱ তৰিবৰ কাৰণে। এক কয় কাক ? তেৰা আহি কুসুম্বৰৰ শিৰত ঠাই ললে—শংকৰক আৰাধি পোৱাৰ কাৰণে নাম থলে শংকৰ। তেৰাই শ্ৰুতি-স্মৃতিবোৰ মথি সমস্ত সাৰ আনি তাত ৰাখিলে। সেই কাৰণেই সমস্ত তীৰ্থলৈ গ'ল। গৈ দেখিলে ই এটা সগুণ, নিগু'ণ নহয়। ইতিমধ্যে ভক্তি ৰত্নাকৰ আৰু উদ্ধৱ সংবাদ লেখিছে। তীৰ্থৰ পৰা ঘূৰি অহা জগন্নাথৰ জগদীশ মিশ্ৰ আহি 'ভাগৱত', 'গীতা' আৰু 'বিষ্ণু সহস্ৰ নাম' এই তিনিখন শাস্ত্ৰ দিছে। এই তিনিখন শাস্ত্ৰ লৈ গুৰুজনে গীতাৰ পৰা একশৰণ, বৃহৎ বিষ্ণু সহস্ৰৰ পৰা নাম আৰু ভাগৱতৰ পৰা ভক্তি নিৰূপণ কৰিলে আৰু এই তিনিখন শাস্ত্ৰৰ পাঠ কৰিব পৰা সাধু সংগতি, কীৰ্ত্তন কৰিব পৰাকৈ গুণ লীলা মহাপুৰুষ জনে আমাক দি থৈ গ'ল।

এখেতে যেতিয়া মাধৱদেৱ মহাপুৰুষক লগ পায় তেতিয়া কৈছিল—"গছৰ গুৰিত পানী দিলে সমস্ত ডালে পাতে পায় ডালত পানী দিলে গুৰিয়ে নাপায়। দ্বিতীয়তে, পেটত ভোক থাকিলে খাবলৈ দিব লাগিব। নানা ধৰনৰ সাজ সাজন পিন্ধালে নহব। আগমক মাৰি নিগম প্ৰকাশ কৰিব কাৰণে মহাপুৰুষ শংকৰদেৱৰ আৰিৰ্ভাব হ'ল। যোৱাৰ সময়ত তেখেতৰ চাৰিজন ল'ৰা আছিল। তেওঁলোকে কোনোৱে বস্তু নুখুজিলে—তাৰ মানে ভকতৰ কাৰণে সেই বস্তু থৈ গৈছে। মাধদেৱ পুৰুষে কলে, "বাপ কৃপা কৰি সি থানৰ বস্তু অলপ দিয়ক।" তেতিয়া কলে এই সমস্ত ভকতে পাব।

শৰণৰ কথা এনে নহয় যে ভাণ্ডিপাতি সকলো ইয়াত কোৱা যায়।

শৰণ দিলে কিছু নকৰয় ঘাটি।
যেন ভূমি মুকলি কৰয় হাবি কাটি ॥

বঢ়াৰ পো মাধৱ দেৱক মাতি আনি কলে ' বঢ়াৰ পো তোমাক এটা গুঢ় তত্ব কওঁ। গুঢ় তত্ব কি? শৰণ মানে আশ্ৰয় কৰা। ব্ৰহ্মকে আশ্ৰয় কৰি অপবিত্ৰ দেহাক পবিত্ৰ কৰাকে শৰণ বোলে। এই শৰণ হ'ল—মস্তকত শৰণ, হৃদয়ত ভজন, মুখত কীৰ্ত্তন, কাণত শ্ৰৱন। শৰণ কালৰ পৰা বিধিৰ কিংকৰ শুচি কৰে সদা শ্ৰৱন কীৰ্ত্তন। আমাক যিজনে শৰণ দিছে তেখেতকো লৈছো। আজিৰ সভাপতি বহিয়েই আছে। শলগুৰি সত্ৰৰ তেখেত বুঢ়া অধিকাৰ আছিল— তাতেই আমি শৰণ লোৱা। সকলোৰে শৰণ একেই। কিন্তু ভকত সকলে যদি পালন নকৰে সেইটো কাৰ দোষ। আমি যদি সকলোবোৰ ভকত হৰলৈ বিচাৰো 'এটা গতি লও' সকলোবোৰ সেই গতিতে সোমাই পৰি ঘূৰি ফুৰিব। দশম কীৰ্ত্তন ঘোষা কীৰ্ত্তনক আগত ৰাখি যদি সেইমতে কৰি যাওঁ তেনেহলে আমাৰ সদ বস্তুবোৰ ওচৰত হয়। কাৰণ আশ্বিনী কুমাৰ, ইন্দ্ৰ আদি দেৱতা সকল পিছত হয়। তেতিয়া হলে ভজা-ধান পুৰামাটি হ'ল যি মহাপুৰুষে চাৰিবস্তুত শৰণ দেখুৱাইছে। তাকো আমাক বুজাই দিছে—শুদ্ধে অশুদ্ধে আমাৰ গোৱাও হৈছে। তিনি নাম নমাই আনি ইয়াৰ পৰা এক নাম কৰি গাবলৈ যাওঁ তেতিয়া চাৰি নাম হৈ উঠিব আৰু সিয়ে নামত শৰণ হব। ভকতৰ শৰণ শ্ৰৱন আৰু কীৰ্ত্তনত। জীৱৰ শৰণ—গুৰু, দেৱ, নাম, ভকতত। আৰু নামাচাৰ্য্যৰ শৰণ হ'ল—আচাৰ ব্যৱহাৰ নীতি নিয়মত। শৰণত কোনো খেলি মেলি আমি দেখা নাই। আমাৰ শৰণ সমাজত যি সংঘতো একে শৰণ, গোঁসাই সকলেও একে শৰণকে দি আছে।

গতিকে শৰণৰ খেলিমেলি হোৱা নাই। ভকতৰ খেলি মেলি হৈছে।

✶

আচাৰ্য শ্ৰীইলাৰাম দাস : একশৰণ ভাগৱতী সমাজ, অসম।

মহাপুৰুষৰ শৰণ সম্পৰ্কে মাধৱ পুৰুষে সিদ্ধান্ত দি গৈছে—

একশৰণ হৰি   নাম ধৰম কহু

ৰাজা কৰো পৰকাশ

আজি আমি একশৰণ সম্পৰ্কে আলোচনা কৰিম একশৰণত কোনো বেদ বিধি পূজা পাৰ্বন থাকিব নোৱাৰে। আৰু প্ৰভুজনে (হৰেকৃষ্ণ মিশ্ৰ) সিদ্ধান্ত দিছে যে একশৰণ আমি সমস্ত বিধি কিংকৰ ধৰ্ম পৰিত্যাগ কৰিব নোৱাৰিলে পাব নোৱাৰিম।

কিন্তু কালি প্ৰভুজনাই (ঐ) কিছু একশৰণৰ বিষয়ে কৈ স্থিত প্ৰজ্ঞৰ বিষয়ে কৈছে। কিন্তু সেই অৱস্থাত আছে প্ৰেম ভকতিৰ সিদ্ধান্ত। মহাপুৰুষ শংকৰ দেৱে সমস্ত কঠিন শাস্ত্ৰ একে লগে কৰি পানী কৰিলে কিন্তু ভক্তি ৰত্নাকৰ শাস্ত্ৰখনি পানীৰ পৰা বৰফ কৰি কঠিন শাস্ত্ৰ ৰচনা কৰিলে। সেই কথা আমি চিন্তা কৰিব নেলাগিব নেকি? সেই সময়ত সৰ্বভাৰতীয় পণ্ডিত সকলে ভুল কৰিলে। কাৰণ ৰাধাকৃষ্ণণে গীতা লিখিছে, গীতা লিখিছে গান্ধীজীয়ে ব্যাখ্যাও কৰিলে, একশৰণৰ ব্যৰ্থ হ'ল।

"সৰ্ব ধৰ্মান পৰিত্যজ্য" টীকা লিখিবলৈ যাওতে ভাৰতৰ সমস্ত পণ্ডিত শংকৰদেৱৰ আগত ব্যৰ্থ হৈ গৈছে। শংকৰদেৱে চেলেঞ্জ দি কৈছে—

বিধি কৈংকৰ্য্যং ত্যক্ত্বা মদেক শৰণো ভৱ।

বিধি কিংকৰ ধৰ্ম ত্যাগ কৰিহে মোৰ শৰণ লব লাগিব। এটা কথা আছে নেকি যে শৰণ লৈ বিধি কিংকৰ ধৰ্ম পৰিত্যাগ কৰিবা।

এবং প্ৰৱৰ্ত্তমানঃ কৰ্ম ত্যাগ নিমিত্তং পাপং স্যাদিতি মা শুচঃ শোকং মা কাৰ্ষো অতঃ তাংমাং শৰণং ব্ৰজ যদি ... ...।"

যদি বিধি কিংকৰ ধৰ্ম ত্যাগ কৰি মোত শৰণ লওতে কিবা দোষ হয় বুলি ভাবিছা তাত তুমি সন্দেহ নকৰিবা, যিহেতু তুমি মোত শৰণ লৈছা। আজি সেই প্ৰশ্নটোৱে চাব লগীয়া কথা। আমি সাধন মাৰ্গত যি কৰো সেইটো ভক্তি মাৰ্গৰ কথা। ভক্তি মাৰ্গৰ এটা বিশেষ কথা আছে। তাত স্তৰৰ কথা আছে। আমি আৰম্ভণিৰ কথা আলোচনা কৰাই নাই, কিন্তু চূড়ান্ত আলোচনা কৰিবলৈ গৈছো।

প্ৰভুসকল আমি খুব গভীৰ ভাৱে চিন্তা কৰিব লাগে, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে এই কাৰণে কলি যুগৰ যুগ ধৰ্ম নিৰ্ণয় কৰি দ্বাদশস্কন্ধ ভাগৱতত সিদ্ধান্ত দিছে। মহাপুৰুষ মাধৱদেৱৰ ঘোষা শাস্ত্ৰখন বিভিন্ন ভাগত অনুবাদ কৰা আছে। তাত বিভিন্ন শাস্ত্ৰত উপদেশও শংকৰ গুৰুক বুজোৱা পদ, মাধৱ দেৱৰ নিজা ধাৰাবোৰ আছে। তাত কলিযুগৰ যুগ ধৰ্ম নিৰ্ণয় কৰি এটা অধ্যায় বেলেগে লিখিছে। এতেকে গুৰু সকলে চিন্তা কৰি চাব লাগে আমাক হয়তো ঈশ্বৰে আমাৰ মায়া পৰ্দা খুলি দিয়া নাই। সেই কাৰণে আমাৰ সকলোৰে সত্য উপলব্ধি হোৱা নাই। কিন্তু আমি ঈশ্বৰক প্ৰাৰ্থনা কৰিব লাগে যে ঈশ্বৰে আমাক সত্য উপলব্ধি কৰিবলৈ নিৰ্ণয় কৰিবলৈ কৃপা কৰক। কিন্তু শৰণ লাগিব কথা চিন্তা কৰিব লাগিব। শৰণ মাৰ্গত ভক্তিৰ চূড়ান্ত কথা আছে।

এৰা বন্ধু বান্ধবৰ স্নেহ।
দেখা ভিন্ন আপোনাৰ দেহ॥

কিন্তু এনেকুৱা পদ যদি শৰণৰ আৰম্ভণীতে মাতো তেন্তে আমি বৰ বিপদত পৰিম। প্ৰেমভক্তি লাভ কৰা কথাটোত প্ৰভুজনাই কৈছে যে ভক্তি প্ৰেম কি। শৰীৰ ৰোমাঞ্চিত নহয়, তেতিয়া লৈকে একশৰণৰ উপযোগী নহয় কিন্তু এইটো ভক্তিৰ ওপৰ স্তৰৰ কথা আমি আজি প্ৰথম চিন্তাত উপনীত হব লাগে, প্ৰভুসকল আমি শৰণলৈ যাওতে কি বিশ্বাসেৰে যাম? প্ৰথমে এটা শব্দই গোটেই মহাপুৰুষীয়া ধৰ্ম নষ্ট কৰিছে, মই ভাৱো সুদৃঢ় বিশ্বাস যাৰ নাই তাৰ একো নাই।

বিশ্বাসে ভকতিৰ ৰক্ষা।
বিশ্বাস নহলে নাই ৰক্ষা॥

গতিকে বিশ্বাসৰ কথা। কৃষ্ণ সকলো দেৱতাৰ গৰাকী। আমি যেতিয়া অৰ্জুনৰ বিশ্বৰূপ দৰ্শন চাও তেতিয়া পাওঁ—

পশ্যামি দেৱাংস্তৱ দেৱ দেহে
সৰ্বাংস্তথা ভূতবিশেষ সঙ্ঘান্।
ব্ৰহ্মাণমীশং কমলাসনস্থ
ঋষীংশ্চ সৰ্বানুৰ গাংশ্চ দিব্যান

সেই অৰ্জুনে ভগৱান কৃষ্ণৰ হৃদয়ত সমস্ত দেৱতাক দেখিছে সমস্ত ঋষি গন্ধৰ্ব সৰ্প আদি সকলোকে দেখিছে। গতিকে তেওঁ সমস্তৰে বেত্তা। সকলোৰে

মালিক তেওঁ। তেওঁক পুজিলে আৰু পুজিবৰ একো বাকী নাই। কোনোবা এটা পদত আজি পণ্ডিত সকলে গুৰু সকলে আমাক বুজাওক যে বিধিকিংকৰ ধৰ্ম ত্যাগ কৰিলে শৰণ লব নোৱাৰা।

একশৰণ বুলি কওঁতে একৈলৈ অহা। "সৰ্ব ধৰ্মান পৰিত্যজ্য" সকলো ধৰ্ম পৰিত্যাগ কৰা ইয়াত ইমান জটিল কথা কেনেকৈ আহিল? এই কথাতো আগতলৈ আজি চিন্তা কৰো। ভক্তিবাদত আমি তেখেত সকলক সমৰ্থন দি যাম। ভক্তি-বাদৰ যি স্তৰ লিখিছে তাত প্ৰাকৃত ভক্ত, মধ্যম ভক্ত, উত্তম ভক্ত আদি যেতিয়া আলোচনা হব আমি তেতিয়া গুৰু সকলক সমৰ্থন দি যাম। কিন্তু আৰম্ভণীতে যদি জীৱ এটাক ঈশ্বৰৰ ওচৰলৈ যাওতে তাক এই ভয় দেখুৱাই দিও যে এতিয়া তোমাৰ কাম এই। আমি অত কালে কি কৰি আছো, আমি ক'ত মগ্ন আছো। সেঁই কাৰণে এই ধৰ্মৰ আদি স্তৰৰ পৰা শৰণৰ উপলব্ধি অৱস্থা আছে। আমি এতিয়া কৰ্ম্ম কৰিম, কৰ্ম কৰি যাওতে আমাৰ মনলৈ ভাৱ আহিব, প্ৰেম আহিব উপলব্ধি আহিব। লিংগ দেহা দহন হব তেতিয়া পৰম শান্তি পাব আৰু পৰাত্মাৰ সান্নিধ্যলৈ যাব পাৰিব। আৰম্ভণীতে সৰ্ব ধৰ্ম আগত কৰি কৃষ্ণত শৰণ লব লাগিব। এই কথাত যদি আমি সৰ্ব ধৰ্ম যোগ কৰি কওঁ ওঁ বাসু দেৱায় নমঃ গোবিন্দায় নমঃ ভৈৰবায় নমঃ অসীতানন্দায় নমঃ বুলি যদি আৰম্ভণী কৰি লও তেতিয়া কৃষ্ণ বাক্য ৰলনে শংকৰ দেৱৰ বাক্য ৰল সেই কাৰণে—

সেহি এক শৰণ ভজন অনুপাম।
কৰ্ণে নুশুনয় আন দেৱতাৰ নাম॥

গতিকে যদি একশৰণ লোৱা, ভজন লোৱাজনে ওঁ ইন্দ্ৰায় নমঃ শিৱায় নমঃ বুলি কয় তেন্তে একশৰণ ক'ত থাকিল। তাৰোপৰি কৰ্ম কাণ্ড সম্পৰ্কে যথেষ্ট জানিব লগীয়া কথা আছে। সেই বিষয়ে কবলৈ আমাৰ যথেষ্ট ব্যক্তি আছে।

আমি যদি আজিৰ কৰ্ম কাণ্ডৰ বিধিখন পাঠ কৰো সেইখন প্ৰকৃততে বেদৰ বিধি হয়নে নহয়। সেই কৰ্ম কাণ্ডৰ বিধি ক'ৰ পৰা ওলাল তাৰ ইতিহাস ওলাব নিশ্চয় এই সম্পৰ্কে পাচত আলোচনা কৰিম। গুৰু সকল এটা কথা চাওঁক এটা চোৰ যি জীৱনত মদ খায় জুৱা খেলে গোসাই ঘৰলৈ নাযায় গুৰু সেৱা নকৰে, পিতৃ মাতৃক সেৱা নকৰে। আন এজন মহন্ত যি জীৱনত পুৱাৰে পৰা বৃদ্ধ অৱস্থালৈকে হৰি সেৱা কৰি আছে। একেখন আইনেৰে দুয়োজন উদ্ধাৰ হব নে? যদি আমালোকৰ বাবে কোনো বেলেগ বিধি থাকিলহেতেন, যে শৰণ ভজন

পোৱা সকলৰ বাবে এই খন বিধি আৰু চোৰ ডকাইতৰ বাবে এইখন বিধি, তেতিয়া বিশ্বাস কৰিলোহেতেন। কিন্তু ইমান তাল বজাই নাম গাই যদি এক-তিলমানো একো নকৰা জনৰ লগত পাৰ কৰি দিব পাৰে তেন্তে আমাৰ সাধনাৰ কি প্ৰয়োজন আছে? এই কথা গুৰুতৰ ভাবে আলোচনা হব লাগিব আজি যদি প্ৰকৃত আলোচনা ৪ দিনত নহয় তেন্তে আমি অভ্যৰ্থনা সমিতিৰ লগত আলোচনা কৰি এমাহ পৰ্যন্ত আলোচনা কৰিম। প্ৰতিতো শ্লোক, শব্দ আলোচনা কৰিব লাগিব। দৰ্কাৰ হলে প্ৰত্যেক আলোচনা কৰিবগৈ। প্ৰত্যেকে পইচা তুলি এমাহ পৰ্যন্ত আলোচনা কৰিব লাগিব। ভাগৱত ধৰ্ম আলোচনা আৰম্ভ হৈ নৈমিষাৰণ্যত যেতিয়া যুগে যুগে হোম কৰাৰ পাছত শৰীৰ ক'লা পৰি গলত তেতিয়া তেওঁলোকে আহিছে ভাগৱক ধৰ্ম বিচাৰি। এই কাহিনী কি? আমি কোনোৱে পোৱা নাই? যজ্ঞ কৰি কৰি কৃষ্ণক মাতিলেও একোফল নহল। কালি প্ৰভু জনাই কৈছে, নিমি ৰজাক—

নিত্য নৈমিত্তিক যত জাতি ধৰ্ম
আশ্ৰমৰ যত কৰ্ম।
কৃষ্ণত অৰ্পিলে জানা সিয়ো হোৱে
মহাভাৱত ধৰ্ম॥

এই কথা নিমি ৰজাই মানিলেনে? নেমানিলে! তলমূৰকৈ থাকিল। সৰ্বনাশ আমিতো কেতিয়াও শুদ্ধ ভাৱে অৰ্পণ কৰিব নোৱাৰিম গতিকে আমিতো সাধাৰণ মানুহ। নিত্য নৈমিত্তিক কৰ্ম অৰ্পণত আমাৰ বাধা আহি পৰে তেতিয়া উপায় দিছে—

উপদেশ দাতা যিটো গুৰু থাকে
তাকে হৰি বুলি মানা।
ধ্যানমূলম গুৰু মূৰ্ত্তি, মন্ত্ৰ মূলম গুৰু মূৰ্ত্তি

এই কথা তুমি গুৰু জনাকেই চিন্তা কৰা। তেওঁ তাতো দোষ ধৰিলে এইটো অৰ্জুনেও পৰা নাছিল।

তোমাক ঈশ্বৰ বুলি মানিবো সদায়।
তাক নপাৰিবো নিবেদিলো যদুৰায়॥

কোনোবা সময়ত গুৰুত মানুহ বুদ্ধি হয় তেতিয়া নিমিয়ে নোৱাৰি বুলি কলে। এইটো কঠিন কৰ্ম-ভক্তিৰ মই এটা মানুহৰ শৰীৰক সদায় ঈশ্বৰ বুলি মানিব নোৱাৰিম। তেতিয়া কলে যে তুমি মনক নিয়ম কৰা। মনক যদি সংযম কৰিব পাৰা

মনে পাপ মনে পূণ্য মনেসে নৰক।
মনেসে কৰিছে ভেদ আপোন পৰক ॥

তেতিয়া নিমিয়ে কলে নহব প্ৰভু
যোগীৰো দুৰ্গম মনক নিয়ম
কৰিবে কাৰ শকতি।

যোগীয়ে যাক নিয়ম কৰিব নোৱাৰে, সেইটো মই কেনেকৈ কৰিম। তুমি যিমান বোৰ উপায় দিলা কিন্তু মই যে এটাও পালন কৰি সংসাৰৰ পাৰ পাব নোৱাৰো, তেতিয়া উপায় দিলে।

অনাদৰি আন ধৰ্ম মাধৱৰ জন্ম কৰ্ম
শুনিয়োক মহন্তৰ মুখে।
জগত প্ৰসিদ্ধ নাম কৃষ্ণ বিষ্ণু হৰিৰাম
লাজ এৰি গাইবা মহা সুখে ॥

তেতিয়া নিমিৰজাই হাঁহি মাৰি কলে যে এইটো পাৰিম। পিছত নাম মহিমাৰ কথা কৈছে। এই নামে কলৈ লৈ যাব? প্ৰভুৱে কোৱাৰদৰে এই নাম লৈ থাকোন্তে থাকোন্তে প্ৰেম ভক্তি পাবা আৰু মায়াক অতিক্ৰম কৰিবলৈ পাৰিবা এয়ে নামৰ মহিমা বুলি কৈছে এতিয়া প্ৰশ্ন হ'ল আমাৰ যি starting আমি অসমত বহুত পণ্ডিত লোকে ক্ষুদ্ৰ দেৱতা পূজা কৰি যি পাব লাগিছিল, যিমান তত্ত্ব পাব লাগিছিল তাক নাপালো। গতিকে প্ৰভু সকল চাওক কলিক শ্ৰেষ্ঠজীৱ বুলি কাক কৈছে? ব্ৰাহ্মণক কোৱা নাই ক্ষত্ৰিয়ক কোৱা নাই?

সেহিয়ে কুলীন বেদক বুজৈ।
যাহাৰ মুখে হৰি নাম সিজৈ ॥
যিটো চাণ্ডালৰ কায়বাক্য মনে
সদায়ে সুমৰৈ হৰি।
আছে বাতুব্ৰত সিতো ব্ৰাহ্মণৰ
সিসে শ্ৰেষ্ঠ আত কৰি ॥ ৪৪১ প্ৰ,চ

চাৰিও বেদক ব্ৰহ্মায়ে বিচাৰি প্ৰমাণি, ব্ৰহ্মায়ে বেদ বিচাৰি এটায়ে শব্দ পালে হৰি।

মাধৱদেৱে কলে
অহনিশি চাৰি বেদ বিচাৰি

বেকত কৰো হৰি নাম।
যাকেৰি বয়নে মিলাই গাই
পাই মনোৰথ কাম ॥

আকৌ

ভাগৱতে আছে শ্লোক ওঠৰ হাজাৰ।
সমস্তৰে মূল্য মাত্ৰ হৰি নামে সাৰ ॥

এইবোৰ ক-গীত আমাৰ বিশ্বাস নাই তাত জটিল কৰ্মকাণ্ড সুমুৱাই বহুতো বিভ্ৰান্তৰ সৃষ্টি কৰিছে। আপোনালোকে এটা কথা জনা দৰ্কাৰ। মই গুৰু সকলক সেৱা কৰি কৈছো। গুৰু জন যোৱাৰ ৫০০ বছৰ পাছত শৰণৰ ভাৰ কোনে লৈছে। শৰণ ভজন আপোনাসব সত্ৰাধিকাৰ গুৰুজনাৰ শ্ৰীচৰণতে পৰি আছে তেতিয়া এজন সুদিৰৰ ল'ৰাৰ মুখত এইদৰে সংস্কৃত শ্লোক ফুটিছিল নে? এজন ল'ৰাই এইদৰে বক্তৃতা দিব পাৰিছিল নে? বোধ হয় নোৱাৰিছিল, যিদিনাই কৰ্মকাণ্ড এৰিলে। সংস্কৃত আখৈ ফুটা ফুটিছে। কৰ্মকাণ্ড এৰি অহাৰ পাছত মই সিদিনাৰ পৰা কিবা অলপ পাইছো।

এই সত্যতো আজি অস্বিকাৰ কৰি এটা চক্ৰান্ত মূলক ভাৱি আমি বহু দূৰত্বৰ কথা হেচা মাৰি ধৰিছো সেয়ে গুৰু সকল এটা সত্য সিদ্ধান্ত লাগে; সত্য প্ৰতিস্থা হব লাগে। পিছৰ সিদ্ধান্ত পিছত কৰিম আমি জ্ঞান মাৰ্গ, ভক্তি মাৰ্গ কালি আলোচনা কৰিম এটা কথা কালি মহেশ্বৰ নেওগ ডাঙৰীয়াই কৈ গৈছে, যে প্ৰভুজন (হৰেকৃষ্ণ) তেৰাই যেতিয়া কৈছিল যে শৰণৰ তিনিটা স্তৰ আছে। শেষতকৈ প্ৰকৃত শৰণ হয়, তেতিয়া চাৰে কৈছে যে এইটো যদি শৰণৰ অৱস্থা হয়। তেতিয়া শংকৰ দেৱৰ কিতাপ পুথি সব ফালিব লাগিব। কিন্তু বৰপেটা সত্ৰাধিকাৰ প্ৰভুৰ কালি ভাষণ বাকী থাকিল। এই সিদ্ধান্ত যে শৰণৰ কোনো প্ৰাৰম্ভিক অৱস্থা নাই। গতিকে ইয়াকে কৈ সামাৰণি মাৰিছোঁ।

★

শ্ৰীহৰেকৃষ্ণ মিশ্ৰ ঃ মহাপুৰুষীয়া ধৰ্ম সংৰক্ষণ সমিতি।

আমাৰ একশৰণ সম্বন্ধে মতভেদ নাই। প্ৰথমতেই একশৰণ আৰম্ভ কৰিব লাগে—সমস্ত কৰ্ম পৰিত্যাগ কৰি একনিষ্ঠ ভাৱে ভগৱানত শৰণ হব লাগে সেইটোহে আচৰিত।

ভক্তিত ব্যভিচাৰ হব নালাগে—এইটো মৌলিক কথা হয়নে নহয়? শৰণৰ ক্ষেত্ৰত ভক্তি ব্যভিচাৰ কৰিব নালাগে। শৰণৰ মূল উদ্দেশ্য হৈছে ভক্তি। শৰণটো উদ্দেশ্য নহয়। ভক্তিহে উদ্দেশ্য। ভক্তি পোৱাৰ কাৰণেহে শৰণ। শৰণটোৱে যদি ঠিকমতে লোৱা নাযায় তেনেহলে ভক্তি পাব কেনেকৈ। শৰণৰ মূলতত্ত্ব বুজিব লাগিব। শৰণ কিয় লব লাগে, উদ্দেশ্য বুজিব লাগিব। তাৰ মাজেদি শৰণ লব লাগিব। দেৱতান্ত ত্যাগ কৰিব লাগিলে দেৱতান্তত কি কাৰণে শৰণ লোৱা হয় সেই উদ্দেশ্য বুজি বিশ্বাসেৰে শ্ৰীকৃষ্ণত শৰণ লব লাগিব। এই হৈছে শৰণৰ কথা। শৰণ কিয় লব লাগে? ভক্তিৰ বাধা হৈছে ভক্তি ব্যভিচাৰ। দেৱতান্ত ভজনেই হৈছে ব্যভিচাৰ। ভক্তিৰ প্ৰতিকুল।

এই নতুনকৈ আবিষ্কাৰ হোৱা একশৰণীয়া ধৰ্মটোত ব্ৰাহ্মণ বিলাকৰ স্থান নাই। হিন্দু বিলাকৰ তাত স্থান নাই। সৰ্বধৰ্ম ত্যাগ কৰিলে কালিলৈ যদি এয়ে সিদ্ধান্ত হয় বা নেওগ ডাঙৰীয়াই কালি যি সিদ্ধান্ত দি থৈ গৈছে সেইটোৱেই যদি একশৰণীয়া সিদ্ধান্ত হয় তেনেহলে ইয়াত ব্ৰাহ্মণ তথা হিন্দু বিলাকৰ স্থান নাই। ইয়াৰ পিছত নিত্য নৈমিত্তিক লাগে নে নালাগে নিত্য নৈমিত্তিক কি বস্তু তাৰ সমালোচনা কৰিবৰ কোনো কাৰণ নাই।

সৰ্বধৰ্ম ত্যাগ কৰিলেই হ'ল। নিত্য নৈমিত্তিক যি বিধিমতে আছে সেই মতে চলিব লাগিব। তাৰ ওপৰত আলোচনাৰ অধিকাৰ নাই।

আমাৰ সমস্যাটো হৈছে আমি হিন্দু হয়নে নহয়? নিত্য নৈমিত্তিক যদি একো নকৰো, বেদ নামানো, বেদৰ মতে চলাতো দূৰৰে কথা—তেনেহলে আমি হিন্দু কেনেকৈ হ'ম? আমি আজি একশৰণীয়া কেনেকৈ হ'ম? অথচ ভাগৱতত সকলোৱে একশৰণীয়া হব পৰা ব্যৱস্থা দিয়া আছে। এইটো মাত্ৰ এটা শ্ৰেণীৰ কাৰণেহে হ'ল। আমাৰ এইটোৱে সমস্যা—এই সমস্যা দূৰ কৰিব লাগিব। ব্ৰাহ্মণে যদি ব্ৰাহ্মণৰ কৰ্ম নকৰে, তেনেহলে ব্ৰাহ্মণ হৈ থাকিব কেনেকৈ? আজি সিদ্ধান্ত

হলে আমাৰ কাৰণে ডাঙৰ সমস্যা হব। আমিতো বাদ পৰি যাম? বাহিৰ হৈ যাম? হিন্দুবিলাক বাহিৰ হৈ যাব? নিত্য নৈমিত্তিক মাত্ৰ হিন্দুবিলাকে কৰে। হিন্দুবিলাক বাহিৰ হৈ যাব। তাৰ মানে হ'ল কি? এই একশৰণীয়া বিলাক হিন্দুৰ পৰা বাহিৰ হৈ যাব। এই একশৰণৰ বিকৃত ব্যাখ্যা কৰি ভগৱান শ্ৰীকৃষ্ণক অৱজ্ঞা কৰা হৈছে—মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱক অৱজ্ঞা কৰা হৈছে। বিকৃত ব্যাখ্যাৰ ওপৰত যদি হিন্দু ধৰ্ম প্ৰতিষ্ঠা হয় তেনেহলে শৰণৰ ব্যাখ্যা কোনেও কৰিব নালাগিব।

প্ৰথম একশৰণ হ'ল— দেৱতা ত্যাগ। দ্বিতীয় একশৰণ হ'ল সমস্ত আসক্তি ত্যাগ। শেষৰ একশৰণ হ'ল— দেহবোধ ত্যাগ। তেতিয়াহে সৰ্বধৰ্ম ত্যাগ।

সৰ্বধৰ্ম পৰিত্যাগ কিহৰ কাৰণে? একশৰণৰ টীকা ব্যাখ্যাত কি হয়? টীকা ব্যাখ্যাটো আমাক নালাগে? এইবোৰ একো নালাগে। একশৰণ বুজিব হলে—গীতা ভাগৱত বুজিব লাগিব। প্ৰবৃত্তি নিবৃত্তি বাদ দিব লাগিব। শ্ৰুতিস্মৃতিটো বাদ দিব লাগিব। প্ৰবৃত্তি নিবৃত্তি যদি বাদ দিব নোৱাৰো তেনেহলে এইবোৰ একো নহব। এক শৰণ নহব। এইবোৰ ত্যাগ কৰিবলৈ নিৰ্গুণ হব লাগিব। তাকেহে ভগৱানে একশৰণ বুলি কৈছে। পূৰ্ণত্যাগ কৰিলে নিৰ্গুণত স্থিতি লাভ কৰিব। তেতিয়া প্ৰেম ভক্তি লাভ কৰিব তেতিয়াহে একশৰণ হব পাৰিব। গুণাতীত হব নিৰ্গুণ ভক্তি লাভ কৰিব।

আমাৰ কথা হ'ল প্ৰথমে শৰণ লব লাগিব। কিন্তু সৰ্বধৰ্ম পৰিত্যাগ কৰিব নালাগে। ক্ৰমান্বয়ে দেৱতা ত্যাগ কৰিব লাগিব, পিছত পুত্ৰ-পৰিবাৰ ত্যাগ কৰিব লাগিব আৰু শেষত সমস্ত ত্যাগ কৰাৰ পিছতে নিৰ্গুণত স্থিতি লাভ কৰিলেহে সৰ্বধৰ্ম পৰিত্যাগ কৰিব পাৰিব। ★

শ্ৰীদীন নাথ ডেকা: শ্ৰীমন্ত শংকৰদেৱ সংঘ।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাই সৰ্বসাধাৰণৰ কাৰণে স্ত্ৰী, শূদ্ৰ নিৰ্বিশেষে সকলোৱে পালন কৰিব পৰাকৈ ধৰ্ম প্ৰচাৰ কৰিছিল আৰু এই মহাপুৰুষীয়া ধৰ্মৰ মূল ভেটি হ'ল—"একশৰণ"। যেনেকৈ স্কুলত পঢ়িবলৈ গলে প্ৰথমতে নাম

ভক্তি কৰিব লাগে, তাৰ পিছত পঢ়িব লাগে। পঢ়ি থাকোতে কোনোজনে এম, এ, পাচ কৰে আৰু কোনোজনে মাজ বাটতে শিক্ষা সাং কৰিব লগীয়া হয়। ঠিক তেনেকৈ মহাপুৰুষীয়া ধৰ্ম কৰিব লগা হলে স্কুলত নাম ভৰ্ত্তি কৰা কথাটো যেনেকৈ প্ৰথম কথা—ঠিক তেনেকৈ বাকী সমস্ত ধৰ্ম্ম কৰ্ম আগ কৰি এক ভগৱান কৃষ্ণকে সুদৃঢ় বিশ্বাস কৰি ভজনা কৰিব লাগে। এক উপাস্য দেৱ কৃষ্ণতহে এক শৰণ হোৱাটো মহাপুৰুষীয়া ধৰ্মৰ প্ৰথম কথা। তাৰ পিছত ধৰ্ম পৰিপক্ক নহৈ যদি ভ্ৰষ্ট হয় বা কম বয়সতে প্ৰাণ এৰিবলগা হয়, পৰজন্মত এই ধৰ্ম আকৌ আচৰণ কৰিব পাৰে।

স্বধৰ্মক ত্যজি ভজে কৃষ্ণক সম্প্ৰতি।
তাত প্ৰেম পূৰ্ণ যেবে নভৈল ভকতি॥
ভৈল ভ্ৰষ্ট যদিবা অল্পতে গৈল প্ৰাণ।
জানা নাহি তথাপি তাহাৰ অকল্যাণ॥
উৰ্দ্ধ বাহু কৰি হেৰা কৰো অঙ্গীকাৰ।
অধম জাতিটো যদি জন্ম ভৈল তাৰ॥
জ্ঞানীতো কৰ্মীতো কৰি তথাপি অধিক।
দেবৰো বাঞ্ছনী যিটো ভকতি ৰসিক॥

গতিকে পুণৰ জন্মত গৈ সেই ভক্তি আৰম্ভ হব। ভ্ৰষ্ট হব পাৰে। স্কুলত পঢ়া বিলাকে যেনেকৈ ফেইল হয়—অকৃতকাৰ্য হম বুলি কোনোবাই স্কুললৈ নাহে নেকি, প্ৰভুসকল? ভক্তিত ব্যভিচাৰ হয়, ভক্তি ৰাখিব নোৱাৰিম বুলি আমি ভক্তি নকৰিম নেকি প্ৰভুসকল? মহাপুৰুষে কৈছে—তোমালোকে লোৱা। মাধৱদেৱে কৈছিল—প্ৰথম তেখেতসকলৰ তৰ্ক যুদ্ধত—

কাম ক্ৰোধ লোভ মোহ ভাৰ্যা পুত্ৰ যত আসকতি
বলি বিশ্বদেৱ ত্যাজি ধৰ্ম কৰ্ম যায় সিটো অধোগতি॥

তেতিয়া মহাপুৰুষে কৈছে—

শংকৰে বোলন্ত হৰিক পাইবে
বিষয়ীৰো আছে গতি॥
একান্ত শৰণ সমস্তৰে ধৰ্ম
কহিবন্ত কুৰুপতি॥

তেখেতৰ ভক্তি ৰত্নাকৰ গ্ৰন্থৰ কথা ওপৰোক্ত বক্তা এজনে কৈয়ে গৈছে—ভক্তি ৰত্নাকৰ গ্ৰন্থখন যদি দেখা যায় আমাৰ পূৰ্ববৰ্তী বক্তাই কৈছিল যে— ভক্তি

ৰত্নাকৰ গ্ৰন্থত নিগু'ণা ভক্তিত একশৰণৰ কথা আছে। নিগু'ণা ভক্তিৰ ক্ষেত্ৰত একশৰণ প্ৰযোজ্য। সেইটো নহয়। নিগু'ণা ভকতি বোলোতে তেখেতে যি জটি-লতা দেখুৱাইছে, সেইটো নহয়।

তযু গুণ নাম হৰি কেৱল নিগু'ণ মাত্ৰ
আৰৰ সমস্ত গুণময়।
ইহাক জানিয়া হৰি তোমাৰ নামক মাত্ৰ
কৰিলোহো সাৰ কৃপাময় ॥

তোমাৰ গুণ নামহে নিগু'ণ বাকীবিলাক গুণময়। মহাপুৰুষৰ ভক্তি ৰত্নাকৰ গ্ৰন্থত হৰিনাৰায়ণ দত্তবৰুৱাই প্ৰকাশ কৰা শংকৰ বাক্যামৃতত ৩৮ টা মাহাত্ম্য কথা পোৱা যায়। ৩৮ টা মাহাত্ম্যত ৫ম মাহাত্ম্যৰ পৰা ৩৭তম মাহাত্ম্যলৈকে প্ৰত্যেক মাহা-ত্ম্যৰ উপসংহাৰত মহাপুৰুষে নিজহাতেৰে লিখিছে— "ইত্যাদি বাক্যানুসাৰেন কৃষ্ণক শৰণ দ্বাৰা" অমুক অমুক কৰিলেহে গতি পায়। প্ৰত্যেক মাহাত্ম্যৰ উপসংহাৰত কীৰ্ত্তন মাহাত্ম্য, শ্ৰৱণ মাহাত্ম্য, প্ৰাকৃত ভক্ত মাহাত্ম্য, মধ্যম ভক্ত মাহাত্ম্য ইত্যাদি সকলোৰে মাহাত্ম্যৰ তলত তেওঁ লিখিছে— মহাপুৰুষে যিসকলৰ কাৰণে একশৰণ দি গৈছে সেইসকলৰ বিষয়ে লিখিছে— দুৰাচাৰ অজ্ঞানী বিষয়াসক্ত অজিতেন্দ্ৰীয় সকলোৰে কাৰণে যে মহাপুৰুষে একশৰণ দি গৈছে তাকে কব বিচাৰিছো 'ভক্তি ৰত্নাকৰ' গ্ৰন্থৰ পৰা।

"ভক্তি ৰত্নাকৰৰ" অষ্টাদশ মাহাত্ম্যত ৰামচৰণ ঠাকুৰে লিখিছে—

ইত্যাদি বাক্য অনুসাৰে জানিনয়।
কৃষ্ণত কৰিয়ো একশৰণ নিশ্চয় ॥
বিষয় আসক্ত ভক্তে মুকুতি পাৱয়।
উত্তম ভক্তৰ কথা কি কৈবে লাগয় ॥

গোপালচৰণ মিশ্ৰই গদ্যত প্ৰকাশ কৰিছে—

"ইত্যাদি বচননুসাৰে একশৰণ হৈয়া বিষয়া সক্ত জনো ভক্ত হৈয়া মুকুতি পায়। উত্তম ভক্তৰ মহিমা কি কহিম। আক ভক্তি ৰত্নাকৰে নিৰ্ণয় কৰিলো।"

মহাপুৰুষৰ লেখনিৰ পিছত কোনোবাই সোমাই দিয়া বুলি ধৰিলেহঁতেন বা গোপালচৰণ মিশ্ৰৰ কথা "ভক্তি ৰত্নাকৰত" এই অনুবাদ নাথাকিলহঁতেন। এই দুয়োখনতে অনুবাদ থকাত আমি ধৰি লৈছো যে শংকৰ বাক্যামৃতত থকা ভক্তি ৰত্নাকৰৰ সংস্কৃত উপসংহাৰবোৰৰ কথা মহাপুৰুষে নিজে লিখি থৈ গৈছে।
ঊনবিংশ মহাত্ম্যাৰ —ইত্যাদি বচনানুসাৰে—

হেনয় নিৰ্ণীত ভৈল ইটোসব
বচনৰ অনুসাৰে।
কৰিয়া নিশ্চয় কেৱল শৰণ
একে কৃষ্ণ দেৱতাৰ ॥
দুৰাচাৰো ভক্তে মুকুতি পাৱয়
কহিলো ইটো নিশ্চয়।
সদাচাৰ ভক্তে মুকুতি পাইবেক
কি কৈবো আত লাগয় ॥

"এই সব বচন অনুসাৰে একশৰণ হোৱা দুৰাচাৰ ভক্তয়ো গতি পায়, সদাচাৰ ভক্তৰ মহিমা কি কহিম। তাকে ভক্তি ৰত্নাকৰে নিৰ্ণয় কৰিলো।"

দ্বাবিংশ মহাত্ম্যম—ইত্যাদি বচন অনুসাৰে তদনুশৰণে······ ।

কৃষ্ণ পাৱে এক শৰণ পশিয়া
হৰিক কৰি ভকতি।
অতি অজ্ঞানীয়ো অনায়াসে লভে
দুৰ্লভ পৰম গতি ॥
জীৱ আত্মা পৰ মাত্মা ভেদ জানি
ভকতি কৰে যি জনে।
কি কহিবা তাক পাইবে অতি সুখে
মহাগতি সিটো জনে ॥

এই সব বচন অনুসাৰে একশৰণ হোৱা। জীৱ ঈশ্বৰৰ ভেদ নামানি ভক্তি কৰিলেও পৰম গতি হয়। হেন জানি ভক্তিৰ স্বৰূপ ভক্তি ৰত্নাকৰে নিৰ্ণয় কৰিলো।"

চতুৰ্বিংশ মাহাত্ম্যম— ইত্যাদি বচন অনুসাৰেণ কৃষ্ণক শৰণ বৈৰাগ্য বিনা কেৱল ভগৱদ ভক্তি লভ্যাতে······ ।

ইত্যাদি বাক্যৰ শুনা নিৰ্ণয় যিমত।
লৈয়ো একশৰণ কৃষ্ণৰ চৰণত ॥
কেৱলে ভকতি মাত্ৰ সদায় কৰয়।
বিৰকতি বিনে মহাগতি লভয় ।

যিটো জন বিষয়ত হুয়া বিৰকতি।
কৰয় কৃষ্ণত মাত্ৰ একান্ত ভকতি ॥
তাক কিবা কৈবো সিটো পাইব মহাগতি।
বৈৰাগ্য-মাহাত্ম্য এহিমানে সমাপতি ॥

এই সব বচন অনুসাৰে একশৰণ হোৱা বৈৰাগ্য বিনা কেৱল ভক্তি মাত্ৰকে ভগৱন্তক পায়। যাৰা সবে বিষয় বিৰক্ত হৈয়া ভকতি কৰে তাৰাৰ কি মহিমা কহিম। তাকে ভক্তি ৰত্নাকৰে নিৰ্ণয় কৰিলো।

প্ৰতি পাতে পাতে মহাপুৰুষে লেখি গৈছে—আজি আমি তাক সেইবোৰ কথা আলোচনা কৰা নাই। কিন্তু নানা কৌশল কৰি আমি মানুহক বুজাবলৈ যত্ন কৰিছো যে—বিষয় ভোগ, মদ, মায়া সকলোবোৰ ত্যাগ কৰি তোমালোকে সংসাৰ ত্যাগ কৰিব পাৰিলেহে কৃষ্ণত একশৰণ হব পাৰিবা। মহাপুৰুষৰ ধৰ্মৰ প্ৰচাৰৰ ভাৰ যি সকলৰ গাত আছে—সেই সকলেই যদি এনেদৰে ৰাইজক বিভ্ৰান্ত কৰে তেনেহলে আমি ধৰি লম মহাপুৰুষৰ ধৰ্ম দুৰ্দিন উপস্থিত হৈছে। আপোনা-সকলে ভালদৰে ভাবি চাওঁক তেৰাসকলৰ যদি এই ধাৰণা বা ভাৱনা তেনেহলে অতি সোনকালে মহাপুৰুষৰ এই ধৰ্ম নোহোৱা হৈ যাব। হয়তো বিকৃত ধৰ্ম এটা থাকিব সেইটো মহাপুৰুষৰ ধৰ্ম নহয়। সকলোয়ে আমি মহাপুৰুষৰ কিতাপ পঢ়িছো—অসমীয়াতে তেৰাই থৈ যোৱা কিতাপ পঢ়াৰ পিচতো আমি কওঁ মহাপুৰুষৰ ধৰ্মত তিনিটা শৰণ আছে-এক, দুই, তিনি। আমি কওঁ মহাপুৰুষে কোনো ঠাইত মহাপুৰুষীয়া ধৰ্মত তিনিটা শৰণ থকা বুলি লিখি থৈ যোৱা নাই যদি কোনোবাই পাইছে কৈ দিব লাগিব ক'ত তিনিটা শৰণ আছে। মহাপুৰুষৰ ধৰ্মত তিনি শৰণ নাই।

স্ত্ৰী শূদ্ৰে কৰে যদি আমাত ভকতি।
তাহাত কহিবা ইটো জ্ঞান মহামতি ॥ বুলি কৈছে।

চণ্ডালীয়েও কৈছে কৃষ্ণত একশৰণ ভকতিৰ কথা। চণ্ডালনীয়েহে কৃষ্ণত একশৰণ ভকতি কৰিছে। ব্ৰাহ্মণে যি ধৰ্ম ব্যাখ্যা কৰিছে সেই ধৰ্ম একশৰণ ধৰ্ম নহয়—সেইটো বেলেগ ধৰ্ম। একশৰণ হৰিনাম ধৰ্ম, যি হৰিনাম চাৰিবেদৰ সাৰ চাৰিবেদক উদ্ধাৰি থৈলন্ত "হৰিনাম" সাৰ কৰি। কাৰ কাৰণে থৈছে? কলিৰ লোকৰ কাৰণে থৈছে। বৰ্ণ নিৰ্বিশেষে, স্ত্ৰী-চণ্ডাল নিৰ্বিশেষে হৰিনাম ধৰ্ম থৈছে। নিত্য নৈমিত্তিক থৈছে। মাধ্যমটো মাত্ৰ হৰিনাম। যিটো হৰিনাম সমস্ত বেদৰ

সাৰ। যিটো হৰিনাম তপ, জপ, তীৰ্থ, ব্ৰত সকলোৰে ওপৰত। সেই হৰিনাম হিন্দুধৰ্ম নহয় বুলি কোনে কব? সেই হৰিনাম লোৱা জনক কোনোবাই হিন্দু নহয় বুলি কব পাৰিবনে? যি গীতা উপনিষদৰ সাৰ, সেয়াই গীতাৰ একশৰণ। বেদৰ সাৰ, গীতাৰ সাৰ, উপনিষদৰ সাৰ হৰিনাম। সেই হৰিনাম সেই একশৰণ হিন্দু নহয় বুলি কোনে কব? যদি কোনোবাই কয় তেনেহলে তাত কিবা কৌশল আছে। হিন্দু বুলি কোনো বেলেগ ধৰ্ম নাই। এক মাত্ৰ কৃষ্ণত শৰণ লৈ হৰিনাম শ্ৰৱণ কীৰ্ত্তন কৰাটোৱেই সকলো জাতিৰ কাৰণে সকলো বৰ্ণৰ কাৰণে এই ধৰ্ম্ম। জাতি ভিত্তিক হৰিনাম ধৰ্ম্ম নহয়। বৰ্ণাশ্ৰম ধৰ্ম জাতি ভিত্তিক হব পাৰে। মহাপুৰুষ শ্ৰীমন্তশঙ্কৰদেৱৰ ধৰ্মত ইয়াৰ স্থান নাই।

নাহি ভকতিত জাতি বিচাৰ।
কৃষ্ণৰ ভকতিত সমস্তৰে অধিকাৰ॥

গতিকে ইয়াত বৰ্ণাশ্ৰম নাই। কিন্তু বৰ্ণাশ্ৰমক ঘৃণা কৰা নাই। ব্ৰাহ্মণক ত্যাগ কৰা নাই। মহেন্দ্ৰ কন্দলী ব্ৰাহ্মণ পণ্ডিত এক শৰণ ধৰ্ম লৈছিল। একেদৰে অনন্ত কন্দলী ব্ৰাহ্মণ পণ্ডিত একশৰণ ধৰ্ম লৈছিল। অনন্ত কন্দলীয়ে কৈছে—

হেন জানি এক চিত্তে ভজিও কৃষ্ণক।
কানতো নানিবা আন দেবৰ মন্ত্ৰক॥

আকৌ কৈছে

কৃষ্ণ বিনে যিটো আন দেৱতাক ভজে।
কৃষ্ণক সেৱে সিটো কৃষ্ণকে পূজে॥
সুখে দুখে নলয় কৃষ্ণত শৰণ।
কলিত কৈতব তাৰ ভজন।

তাৰ বাহিৰে বাকী সকলো অবৈষ্ণৱ। যিবিলাক কৃষ্ণত একশৰণ লৈ কৃষ্ণ ভজা নাই, সেই বিলাক অবৈষ্ণৱ। আন দেৱতাক ভজা সকলক অবৈষ্ণৱ পাষণ্ড বুলি কৈছে। মহাপুৰুষে কৈছে—

কলিত বহুতে ভজিব নাপাইবে—
পাষণ্ডে কৰিব বুদ্ধি ভেদ।

গতিকে প্ৰভুসকল সাৱধান হওঁক।

প্ৰভু সকল হিন্দু। Hindu law আমি পঢ়িছো, এই হিন্দু আইনত এনেকুৱা এটা কথা আছে— ইয়াত হিন্দু আইন পঢ়া বহুত আছে। হিন্দু আইনত আছে— কোনো হিন্দুই চিৰাচৰিত পৰম্পৰাগত আচাৰ বিচাৰ কিছুমান যদি এৰিও পেলায়

আৰু তেওঁ কোনো এটা ধৰ্ম্ম নিয়ম মতে গ্ৰহণ নকৰে তথাপিও তেওঁ হিন্দু হৈয়ে থাকিব। ঈশ্বৰ বিশ্বাস আদিৰ কথা নাই। এইটো হিন্দু আইনৰ কথা। হিন্দুৰ আচল ধৰ্ম্মটো কি? আমি কৰি আছো যিটো বেদৰ সাৰ ধৰ্ম্ম। চাৰি বেদৰ সাৰ নামৰিনে নাহি আৰ। নামতে সমস্ত পূণ্য সিজে। তপ, জপ, তীৰ্থ, ব্ৰত এই সমস্ত নামতে সিজে। বেদৰ সাৰ হৰিনাম ধৰ্ম্ম লোৱাজন হিন্দু নহয়নেকি? বৰঞ্চ আমি ভাল হিন্দু। যিসকলে বেদৰ সাৰ হৰিনাম ধৰ্ম্ম গ্ৰহণ কৰিব পৰা নাই সেই সকলেহে লাহে লাহে হিন্দুৰ পৰা আঁতৰি গৈছে। প্ৰভুসকল, ইমানকে কৈ মই বচাটুটাৰ বাবে ক্ষমা বিচাৰি সামৰণি মাৰিলোঁ।

*

"ভক্তি মাৰ্গ আৰু ইয়াৰ লগত জড়িত নিত্য নৈমিত্তিক কৰ্ম"

সঞ্চালক প্ৰেমকান্ত মহন্ত সঞ্চালক মহোদয়ে বিশেষ ভেনে ধৰণৰ কোনো কথাৰ পাতনি নকৰি বিষয় উদ্বোধক শ্ৰীমন্ত শংকৰ সংঘৰ প্ৰতিনিধি শ্ৰীসোণাৰাম চুতীয়া দেৱক উদ্বোধন কৰিবলৈ আহ্বান জনায়।

শ্ৰীসোনাৰাম চুতীয়া : শ্ৰীমন্ত শংকৰদেৱ সংঘ অসম।

পৰমেশ্বৰে আমাক শক্তি দিছে। চিন্তাশক্তি, কৰ্মশক্তি, অনুভৱ শক্তি। এই তিনিটা শক্তিৰ পৰাই তিনিটা যোগৰ বা তিনিটা পন্থা সৃষ্টি হৈছে। তাৰ ভিতৰত হ'ল ভগৱান শ্ৰীকৃষ্ণই উদ্ধৱৰ আগত কৈছে—

যোগাশ্ৰয়ো ময়াপ্ৰোক্তা নৃণাং শ্ৰেয়বিধিৎসয়া।
জ্ঞানং কৰ্মচ ভক্তিশ্চ নোপায়োংন্তি কুত্ৰচিত্॥

অৰ্থাৎ মনুষ্যৰ মঙ্গলৰ কাৰণে জ্ঞান যোগ কৰ্মযোগ আৰু ভক্তি যোগ। কিন্তু এই তিনিওটা যোগ একে সময়তে একেজন মানুহৰ পক্ষে নহয়। যিসকলে মনুষ্যৰ মঙ্গলৰ কাৰণে (নিজৰ কাৰণে নহয়) ধৰ্ম কৰি আছে, সেই সকলৰ কাৰণে জ্ঞান যোগ। জ্ঞান যোগো বিভিন্ননাম্ .... ১১।২০।৭ যিসকলে কৰ্ম কৰি তাৰ ফল বাঞ্চা নকৰে সেই সকলৰ কাৰণেহে এইটো। যিসকলৰ সংসাৰৰ প্ৰতি আসক্তি বেচি— সেই সকলৰ কাৰণে কৰ্মযোগ। এইয়া ভগৱন্তৰ প্ৰবৰ্ত্তিত বিজ্ঞান যোগ। ভক্তিযোগ কাৰ কাৰণে ?

যদৃচ্ছয়া মৎকথাদৌ জাত শ্ৰদ্ধয়ন্ত যঃ পুমান।
ন নিৰ্বিদো নাতি-সক্তো ভক্তি যোগোংস্য সিদ্ধিদঃ।

জন্ম জন্মান্তৰ যাৰ কোনো সুকীৰ্ত্তি বয়, ভগৱন্ত কৃষ্ণৰ গুণ কীৰ্ত্তনৰ প্ৰতি

যাৰ মন, যিবিলাক সংসাৰৰ প্ৰতি অতি আসক্তি যুক্তও নহয় আৰু আনহাতে যিবোৰে অংসাৰত্যাগ কৰিব নোৱাৰে সেইবোৰ মানুহৰ কাৰণে ভক্তি যোগ। গুৰু জনে কৈছে—

জ্ঞানৰ পথত নাহিকে সহায়
কৰ্ম্মৰ পথত ভয়।
ভক্তিৰ পথত ঈশ্বৰ ৰখী
জানিবা ৰাজা নিশ্চয় ॥

জ্ঞানৰ পথত সহায় নাই কিয় বুলিলে ? কাৰণ আমাৰ শৰীৰত থকা নৰধন দ্বাৰ আছে। গতিকে সেই জ্ঞান সম্প্ৰতি মানুহৰ কিমান পৰা হব পাৰে তাৰ হিচাব নাই।

আৰু কৰ্ম্ম যোগ ? ইয়াত নানা ধৰণৰ প্ৰক্ৰিয়া আছে। ইয়াত স্থান শুদ্ধি কাল শুদ্ধি, চিত্ত শুদ্ধি আদিৰ প্ৰয়োজন হয়। সেইবোৰ শুদ্ধ কৰাব একেবাৰে অসম্ভৱ। কিন্তু ভক্তি পথত ঈশ্বৰ ৰক্ষক। যিসকলে ভক্তি মাৰ্গ গ্ৰহন কৰে সেই বিলাকক ভগবন্তই ৰক্ষা কৰে। এই ভক্তি মাৰ্গ কোনো স্খলন নহয়। আজি সঞ্চালক প্ৰভূয়ে কৈ যোৱাৰ দৰে ভক্তি মাৰ্গত আবেগ জনিত কাৰণ আছে। সেই কাৰণে এই ভক্তিটো বিশ্বাসৰ ওপৰত নিৰ্ভৰ কৰে। এতিয়া বিশ্বাসতো কি ?

এই বিশ্বাসটোৱে হ'ল ভক্তি বাদৰ মূল কথা কালি আমি যিটো বিষয় উত্থাপন কৰিলো— সেইটো হ'ল একশৰণ। ই ভক্তি বাদৰ লগত ওতঃপ্ৰোত সম্বন্ধ আছে। কাৰণ—

গীতাৰ—

সৰ্ব ধৰ্মান পৰিত্যজ্য মামেকং শৰণং ব্ৰজ।
অহঃ ত্বাং সৰ্ব্ব পাপেভো মোক্ষয়ি স্বামীমা শুচঃ ॥

এই শ্লোকটো মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰ দেৱ আৰু ভটদেৱে প্ৰায় একে ধৰনেই ব্যাখ্যা দিছে— "মদভক্তেন সৰ্ব্বং ভবিষ্যতীতি দৃঢ় বিশ্বাসেন বিধিকৈঙ্কৰ্য্যং ত্যক্ত্বা মদেক শৰণো ভব। এবং প্ৰবৰ্ত্তমানঃ কৰ্ম্যাত্যাগনিমিত্তং পাপং স্যাদিতি মা শুচঃ শোকং ......" ইয়াৰ অনুবাদ মহাপুৰুষ মাধৱ দেৱৰ ভাগিনীয়েক ৰামচৰণ ঠাকুৰে

ভক্তি ৰত্নাকৰত এনেদৰে কৰিছে ।

সমস্ত গীতাৰ সাৰ উদ্ধাৰিয়া আনি
অৰ্জ্জুনত কৃপায়ে কহন্ত চক্ৰ পাণি ।।
শুনিও অৰ্জ্জুন তুমি বান্ধৱ পৰম ।
কহো গুহ্য তমতো পৰম গুহ্যতম্ ।।
সিজয় সকলো ধৰ্ম মোৰ ভকতিত ।
সুদৃঢ় বিশ্বাসে হেন কৰিয়া বুদ্ধিত ।।
তেজি বিধি কিংকৰৰ যতেক ধৰ্ম গণ ।
মোতে কেৱলে এক হুয়োক শৰণ ।।

এই একশৰণ ধৰ্ম কৰিবলৈ যাওঁতে কৰ্ম এৰিব লগীয়া হয় । তাৰ কাৰণে কৈছে—

কৰ্ম ত্যাগ নিমিত্তে সিজয় পাপচয় ।
ইটো শোক নকৰিবা তুমি ধনঞ্জয় ।।
যিহেতু আমাত তুমি লৈলাহা শৰণ ।
সমস্ত পাপতে মই কৰিবো ৰক্ষণ ।।

কৰ্ম ত্যাগৰ সপক্ষে মহাপুৰুষ দুজনাৰ বহুখিনি উপদেশ আছে । বৰং অনন্ত কন্দলীৰ দৰে ব্ৰাহ্মণ পণ্ডিতেও এনেদৰে কৈছে—

পাষণ্ডে কৰ্মৰ কথাকহে সৰ্বদায় ।
শুকৰে যেহেন জানা ফুৰে বিস্তা খায় ।।

আমাৰ বহুতকে কৰ্ম শব্দটোৱে আউল লগায় । কৰ্ম কৰিবলৈ যাওঁতে কায়েন মনসা বাসা— কায়ে মনো বাক্যৰে কৰিব লাগিব ।

নাহি কচিৎ ক্ষণমপি জাতু তিষ্ঠত্য কৰ্মকৃৎ ।।

ভগৱন্ত পুৰুষে কৈছে যে কৰ্ম নকৰাকৈ ক্ষণ মাত্ৰও থাকিব নোৱাৰি । কৰ্মৰ তালিকা গীতাতো দিছে । আমাৰ দেহ যেতিয়ালৈকে থাকিব তেতিয়ালৈকে আমি ইচ্ছা কৰো বা নকৰোৱেই সিহঁতে নিজৰ নিজৰ কাম কৰি থাকিব । এই বোৰ কৰ্ম সম্পৰ্কে আমাৰ শাস্ত্ৰৰ কোনো নিৰ্দেশ নাথাকে । সেই কৰ্ম সম্বন্ধে ভগৱন্তই আমাক কৈছে যে কোনেও কৰ্ম নকৰাকৈ থাকিব নোৱাৰে ।

দ্বিতীয় কথা হ'ল ঘৰ দুৱাৰ পাতা, সংসাৰ আদি কৰা সন্তান আদি পোহপাল দিয়া এই কৰ্ম বিলাকৰ বিষয়ে ভগবন্তই গীতাত কৈছে—

যৎ কৰোষি যদশ্নাসি যজ্জুহোসি দদাসি যৎ।
যৎ তপস্যাসি কৌন্তেয় তৎকুৰুত্বমদৰ্পণম্ ॥

যি কৰা এই সমস্ত কৰ্ম ভগবন্তত অৰ্পণ কৰিব লাগে। আৰু ভাগৱতত কলে—

কায় বাক্য মন স্বভাৱ পৰম্পৰা দ্বাৰা এই কৰ্মবোৰ কৰোতে নাৰায়ণক সমৰ্পণ কৰিব লাগিব। গতিকে একশৰণ হবলৈ হলে সেই সাংসাৰিক কৰ্মবোৰ ত্যাগ কৰিব লাগিব বুলি কৈ গৈছে। ভগৱন্তই কৈছে সেইটো নহয়। ভগৱানে নাৰদক এই কাৰণেই কৈছে—

তুমি পূৰ্ণব্ৰহ্ম গৃহ সন্ন্যাসী।
অপূৰ্ণ কাম আমি গৃহবাসী ॥

ভগৱন্তই নিজেই কৈছে। আমাৰ সাধাৰণ ভকতে কলে কি হ'ল হেঁতেন। তেতিয়া নাৰদে কৈছে তুমি মোক এইবোৰ কৈ প্ৰবঞ্চনা কৰিছা। সি যিকিয়েই নহওক আমি সংসাৰ কৰিবই লাগিব। ভগৱন্তৰ এইটো উদ্দেশ্য নহয় যে সকলোৱে সংসাৰ বাদ দিয়ক আৰু ১০০ বছৰৰ ভিতৰতে পৃথিবী জনশূন্য হওক।

ভগৱন্তই শৰণ দিছিল অৰ্জুনক। অৰ্জুন ঋজু শব্দৰ পৰা আহিছে। ঋজু মানে সৰল। অৰ্থাৎ ভগৱন্ত কৃষ্ণক প্ৰকৃততে সৰল অন্তৰেৰে কায়বাক্য মনেৰে অৰ্পণ কৰাটোৱেই শৰণ। ডঃ ৰাধাকৃষ্ণণে গীতাৰ চাৰিটা শ্লোকত শৰণৰ বিষয়ে ব্যাখ্যা কৰিছে—

ইতিতে জ্ঞানমাখ্যাতং গুহ্যাতৰং ময়া।
বিমৃশ্যৈতদ শেষেণ যথেচ্ছসি তথা কুৰু ॥

মই তোমাক গুহ্য গুহ্যতৰ কথা কলো এতিয়া তোমাৰ শক্তি আছে মানে তুমি চিন্তা কৰা আৰু যি ইচ্ছা তাকে কৰা। পৃথিবীৰ কোনো ধৰ্মত এই স্বাধীনতা দিয়া নাই। আনকি বুদ্ধদেৱেও তাকে কৈছে ভিক্ষুসকলক। মই তোমালোকক কোৱা কথাবোৰ তন্ন তন্নকৈ বিচাৰ কৰিহে গ্ৰহণ কৰিবা। কিন্তু অতি গোপনীয় কথা এটা অৰ্জুনৰ কাৰণে ৰাখি থৈছিল।

সৰ্ব গুহ্যতমং ভূয়ঃ শৃনুমে পৰমং বচঃ
ইষ্টোঽসি মে দৃঢ়মতি ততো বক্ষমিতে হিতম্ ॥

আটাইতকৈ যিটো গুহ্যতম সেইটো এতিয়া মই তোমাক কম। সেই গুহ্যতম কথাটো কি ?

মন্মনা ভৱ মদ্ভক্তো মদযাজী মাং নমস্কুৰু।
মামেবৈষ্যসি সত্যংতে প্ৰতিজানে প্ৰিয় অসি মে ॥

তাৰ অৰ্থ আমি দুৰলৈ যাব নালাগে—

মোক মাত্ৰ সদা দিয়া মন
মোৰ ভক্ত হোৱা সৰ্বক্ষণ
মোকে পূজামাত্ৰ মোকে কৰা নমস্কাৰ।
কহিলো তোমাত সত্যবানী
পাইবা তুমি মোক মহামানী
যিহেতু পৰম সুহৃদ সখী আমাৰ ॥

গতিকে আমাৰ জীবাত্মাবোৰ পৰমাত্মাৰ সাক্ষী। ইয়াৰ পিচতে—

সৰ্বধৰ্মান পৰিত্যজ্য মামেকং শৰণং ব্ৰজ
অহং ত্বাং সৰ্ব পাপেভ্যো মোক্ষয়ি স্বামিমাশুচঃ

ইয়াৰ আখৰে আখৰে অনুবাদ কৰিছে—

সৰ্ব ধৰ্ম এৰিএক শৰণ সাক্ষাত।
সুদৃঢ় বিশ্বাসে সখি লয়োক আমাৰ ॥
নকৰিবা ভয় হেৰা কৰো অঙ্গিকাৰ।
সমস্ত পাপত মই কৰিবো নিস্তাৰ ॥

এইটোকে সংস্কৃতত মহাপুৰুষ শংকৰদেৱে ব্যাখ্যা দিছে—

সৰ্ব ধৰ্মনীতি টীকা—মদ্ভক্তেৰ সৰ্ববং ভবিষ্যতীতি
দৃঢ় বিশ্বাযেন বিধিকৈঙ্কৰ্য্যং ত্যক্ত্বা মদেক শৰনোভৱ।

এই শ্লোকৰ অনুবাদ—

তেজি বিধি বিস্তৰ যতেক ধৰ্ম গণ।
মোতেসে কেৱল এক হুয়োক শৰণ ॥

যদি আমি কৰ্ম কাণ্ড বুলি কৈছো সেই কৰ্ম কাণ্ডৰ লগত ইয়াৰ কোনো সম্পৰ্ক নাই। আৰু ব্ৰহ্মাৰ পৰা আৰম্ভ কৰি সকলো ঋষিয়ে কৈছে ব্ৰহ্মা আদি দেৱতা সকলক জড় বুলি কৈছে। একমাত্ৰ চৈতন্য শক্তি হ'ল ভগৱন্ত কৃষ্ণ। তেওঁকো বিচাৰি যাব নালাগে। শুকদেৱে আমাক এটা সাৱধান বাণী দিছে। সেইটো হ'ল—

চাৰিও বেদৰ সাৰ মহাভাগৱত শাস্ত্ৰ
পৃথিবীত কৰিল প্ৰচাৰ।
কলিৰ মলিন লোক বুলি সবে নিস্তাৰো
অভিপ্ৰায় হেনসে আমাৰ ॥

আমাৰ নিচিনা মলিন সকলৰ কাৰণে এই ভাগৱত শাস্ত্ৰ। শুকদেৱে নিজেই কৈছে—

জগত পৰম গুৰু ঈশ্বৰ কৃষ্ণক যিটো
ব্ৰহ্মা হৰে সেৱে অৱিচ্ছেদ।
কলিৰ বহুতে আক ভজিৱেক নপাইবেক
পাষণ্ডে কৰিবে বুদ্ধি ভেদ।।

পাষণ্ডে যে আমাৰ বুদ্ধি ভেদ কৰিব তাকে গুৰুজনে বুজি পাইছিল। সেই কাৰণে পাষণ্ড মৰ্দনত লিখিছে—

কলিৰ ধৰ্ম হৰি নাম জান।
পাপীৰ নিন্দাত নিদিবা কাণ ॥

আকৌ কৈছে—

নেৰিবা কীৰ্তন দুষ্টৰ বোলে।
পৱিত্ৰ কৰা হৰি হৰি বোলে ।।

আমাৰ এই কৃষ্ণক বেলেগত বিচাৰি যাব নালাগে। "আছে হৰি সবাৰো হিয়াত।" মই সামান্য বস্তু নহয়। মই বুলিলে এটা বস্তু বুজায়। আত্মাকো বুজায়। "জীৱ অংশে তুমি প্ৰৱেশিলা গাৱে গাৱে"। গতিকে মই আত্মা আৰু তেওঁ পৰমাত্মা। আৰু যদি মই একান্তে সমৰ্পন কৰিব লাগে তেতিয়া হলে ক'ত কৰিম? যতে ততে নকৰো। মই যাৰ অংশ তাত কৰিম। ব্ৰহ্মা আদি দেৱতাসকল পৰমাত্মাৰ অংশ। আৰু এটা মই হ'ল এই নৰদেহ। সি দেৱতায়ো বাঞ্ছা কৰে। দেৱৰো বাঞ্ছনী নৰতনু। ভগৱানত এক শৰণ লবলৈ হলে কোনো কৰ্ম কাণ্ডৰ প্ৰয়োজন নাই। সেই সকলৰ কাৰণেহে কৰ্ম কাণ্ড—

কৰ্মৰো পুছিলা বাণী তাক শুনা মহামানি
যিটো নাম নলৱে আমাৰ।
জনম গোৱাই বৃথা নলৈলা আমাৰ কথা
তাৰেসে কৰ্মত অধিকাৰ ॥

এইবোৰ মানুহৰ কাৰণে কৰ্ম কাণ্ড লাগিব।

পিতৃ ভূত পতি দেৱ ঋষি সুহৃদৰ।
ওপজিলে আসম্বাৰ ঋণী হোৱে নৰ॥
হোমে দেৱ ঋণ সুজে তৰ্পণে ঋষিৰ।
বলিদানে ভূত শ্ৰাদ্ধ আদিবে পিতৃৰ॥
সম ভাবে সুহৃদ সবৰ সুজে ঋণ।
এহিমন্তে ঋণি সদা ভকতি বিহীন॥

ভকতি বিহীন সকলৰ কাৰণে ওপৰোক্ত বক্তা সকলে কৈ যোৱা কথাবোৰ লাগিব। কিন্তু—

কায় বাক্য মন কৰি নিশ্চয় যিজন।
মুকুন্দৰ চৰণত পশিল শৰণ॥
তাৰ ঋণ সুজন সবে গৈল সমস্তৰে।
নকৰিও ঋণী তাৰ নুহি সিটো নৰে॥

গতিকে বাপ সকল এই একশৰণ লব লগীয়া হলে কেনে হব লাগিব বুলি কৈছে। স্বামী বিবেকানন্দৰ দৰে লোকেও কৈছে– কৃষ্ণৰ যিটো ভক্তি মাৰ্গ সেইটোৱে এক মাত্ৰ পথ। বাকীবোৰ প্ৰভুসকল লেনাদেনা কাৰবাৰ। মই তোমাক পূজা কৰিছো তুমি তাৰ ফল দিয়া। কিন্তু ভক্তি মাৰ্গত এইবোৰ নাই। ই ককা আৰু নাতিয়েকৰ দৰে। নাতিয়েকে ককাৰ কাৰণে একো নকৰে অথচ ককাই নাতিৰ কাৰণে অত্যন্ত প্ৰীতি হয়। যদি ককাক বেছি দিন নীথাকে তথাপি দুয়ো প্ৰিয় বন্ধু। আৰু প্ৰকৃততে আমাৰো পিতৃ ঈশ্বৰ আমাক ইমান চেনেহ কৰে যে প্ৰকৃততে আমি জীয়াই থকাৰো যোগ্য নহয়। কিন্তু তেওঁ আমাক ৰক্ষা কৰি থাকে।

গতিকে বাপ সকল এইটো অন্তৰৰ কথা আবেগৰ কথা। ভক্তি মাৰ্গটোৱে আবেগৰ কথা। পৰম প্ৰেমৰ কথা। আপুনি যিমানেই তাক বাধা নিদিয়ক সেইটো নেৰে। গতিকে আমাৰ এনে এটা কথা আছে চাৰিও বৰ্ণই গ্ৰহণ কৰা বস্তুটো উলিয়াই দিব লাগিব। চাৰিও বৰ্ণই গ্ৰহণ কৰা বস্তুটো কি? "শ্ৰৱণ কীৰ্তন ধৰ্ম চাৰিও বৰ্ণৰ।" ইয়াৰ বাহিৰে আন নাই। আৰু কি? নিজ পিতৃ ইষ্ট কৃষ্ণত মাত্ৰ দেব। কোনোৱে যদি নিজৰ পিতৃৰ বাহিৰেও বেছিকৈ চিন্তা কৰিব পাৰে সেইটো বেলেগ। কিন্তু মোৰ পিতৃ এজন। তুমি নিজ পিতৃ গুৰু ইষ্ট মোৰ। মোৰ পিতৃৰো পিতৃ জন্ম জন্মান্তৰ সেৱাৰ থলি কৃষ্ণ। ইয়াতে সামৰণি মাৰিলো। ★

শ্ৰীমদ্ স্বামী কৃষ্ণানন্দ ব্ৰহ্মচাৰী : মানিকপুৰ।

সত্ৰ শব্দটো ভাগৱতত কতো নাই। নৈমিষাৰণ্য আৰু ব্ৰহ্মাৰ ওচৰত আমাৰ কি হব বুলি ঋষি সকলে কোৱাত তাতেই কলিযুগৰ লক্ষণসমূহ প্ৰকাশ কৰিছে। কৃষ্ণই জন্ম গ্ৰহণ কৰি মথুৰা বৃন্দাবন দ্বাৰকাত লীলা কৰি ১২৫ বছৰ আছিল। সূৰ্য ওলালে ভূত প্ৰেত দূৰ হোৱাৰ দৰে কৃষ্ণ উদয় হোৱাৰ লগে লগে ধৰ্মই তেওঁক আশ্ৰয় কৰিছিল। কিন্তু কৃষ্ণই বৈকুণ্ঠলৈ যোৱাত ধৰ্মই কাৰ ওচৰত থাকিল। কৃষ্ণ সূৰ্য অস্তমিত হোৱাত অপ্ৰকট বৈকুণ্ঠত থাকিল। প্ৰকটত অৱতাৰৰ মাজেৰে মৰ্তত থাকে। তাকে শিশুপাল আদিয়ে নাজানে—

অবজানন্তি মাং মূঢ়া মানুষীং তনুমাশ্ৰিতম্।
পৰং ভাৱম জানন্তো মম ভূত মহেশ্বৰম্॥

মূঢ়সকলে জানিব নোৱাৰে, মানুহ বুলিয়েই ভাবে। এইটো পৰম ৰহস্য কথা। কৃষ্ণ বৈকুণ্ঠলৈ যোৱাত ধৰ্মজ্ঞান কলি যুগত কৃষ্ণৰ পৰিৱৰ্তে ভাগৱত প্ৰকট কৈছে। এই ভাগৱত পুৰাণ বিলাকৰ সূৰ্য। ভাগৱত সাক্ষাত কৃষ্ণ। কৃষ্ণ আৰু ভাগৱত এক বস্তু।

সমস্ত ব্ৰহ্মাণ্ডত ব্ৰহ্ম অদ্বিতীয়ৰূপে আছে। সৰ্ব খল্বিদং ব্ৰহ্ম। স্বৰ্গ, বিসৰ্গ স্থান, মূৰ্তি আদি নৱম তত্ব প্ৰকাশিত হৈছে। দশমত আশ্ৰয় তত্ত্ব এয়ে ভাগৱত তত্ত্ব। বৰপেটা সত্ৰত আজি পাঁচশ বছৰে বন্তি জ্বলি আছে। এই পাঁচশ বছৰে সৰ্বদা অখণ্ড ভাবে উচ্চস্বৰে নাম-কীৰ্ত্তন চলি আছে। ভাৱৰ আদান-প্ৰদান কৰাৰ বাবে জগতৰ মংগলৰ বাবে বিৰাট বিৰাট ধৰ্ম সভাবোৰো কৰা হৈছে। গীতাত কৈছে—

"মচ্চিত্তা মদগত প্ৰাণা বোধয়ন্ত পৰস্পৰম।
কথয়ন্তশ্চ মাং নিত্যং তুষ্যান্তি চ ৰমন্তি চ॥"

মাধৱদেৱে তাৰ অনুবাদ দিছে—

মোতেসে কেবলে দিয়া চিত্ত
মোতে মাত্ৰ প্ৰাণ অৰ্পিণিত
অন্যো অন্যে মিলি মোকেসে বোধ কৰাৱে।
মোকে মাত্ৰ কহে সৰ্বক্ষণ পৰম আনন্দ লভি মন
আনন্দ সাগৰে মজি ৰহে প্ৰেম ভাবে॥

আকৌ নাম ঘোষাত কৈছে—

তাৰত কৃষ্ণৰ ভক্ত নৰে ভক্তি অবিৰোধী কৰ্ম কৰে
কৃষ্ণৰ কথাত ৰতি যেবে নুপজয়।
যেবে ভৈল কৃষ্ণ কথাৰত নিত্য নৈমিত্তিক আদি যত
কথাৰ বিৰোধী জানিয়া সৱে তেজয়।

এই কথা কথাৰ পিচতো প্ৰসঙ্গৰ সময়ত তেনেহলে কৃষ্ণ কথা কিয় বন্ধ হ'ল। যেতিয়ালৈকে কৃষ্ণ কথাত ৰতি নহয় তেতিয়ালৈকে ভক্তি অবিৰোধী কৰ্ম কৰে ঘোষাৰ এই কথা বৰপেটা সত্ৰত চলি আছে।

মহাপুৰুষ গুৰুজন অসমৰ সমস্তৰে গুৰু। এই দেশত পূৰ্বে গুৰুজনেহে ধৰ্ম বস্তু প্ৰকাশ কৰিছে। তেৰাৰ পৰাহে সকলোৱে গ্ৰহণ কৰিছে।

ভগৱান উপলব্ধিৰহে বস্তু। যিদৰে মিঠা বা সোৱাদ উপলব্ধিহে হয় দেখা নাযায়। এই ভগবৎ ৰস স্বাদত অমৃতময়। আজি অসমত মহাপুৰুষীয় ধৰ্ম সংকীৰ্ণ হৈ গৈছে। বেলুৰ মঠ, গৌড়ীয় মঠ, পৃথিৱীৰ চাৰিওফালে আগুৰি ধৰিছে। কিন্তু মহাপুৰুষীয়া ধৰ্ম বাহিৰত প্ৰচাৰ কৰিবলৈ কোনো বাহিৰলৈ নাযায় কিয় ?

মহাপুৰুষীয়া ধৰ্মত ভক্তি বিৰোধী কৰ্ম আছেনে নাই এইটো দাৰুণ প্ৰশ্ন। স্যামন্ত মণি যিয়ে অষ্টভাৰ সোণ দ্ৰৱে সেইদৰে পৰশমণি স্বৰূপে কেৱল ভক্তিৰেহে গতি হয়। ভক্তি কেতিয়া লাভ হয় ? মাধৱদেৱে নাম ঘোষাত কৈছে—

অন্তৰত এক ঈশ্বৰক দেখিয়োক নানা বাহিৰত
অন্তৰত বোধ বাহিৰত জড় প্ৰায়।
বুদ্ধিত সমস্ত তেজিওক বাহিৰত সংগ দেখাওক
এহিমতে ৰাম লোকত ফুৰা বেৰাই॥

সকলোৱে লগত মিলিজুলি থাকি প্ৰচাৰ কৰিব লাগে। যাতে কাৰো কতো ব্যাঘাত নহয়। এইদৰে লোক ব্যৱহাৰ মানি চলিব লাগে—

কৃষ্ণ পদ মাত্ৰ সেৱা কৰে সমস্ত কামনা পৰি হৰে
বেদ ব্যৱহাৰ কদাচিতো নলংঘয়।
কৃষ্ণ পদ সেৱা সুখমনে কৰে অনুভৱ সৰ্বক্ষণে
ইহাক মহন্ত বুলিয়া জানা নিশ্চয়॥

বেদ ব্যৱহাৰ মানি চলিব লাগে। সমগ্ৰ হিন্দু জাতিৰ স্বাৰ্থৰ বাবে সকলোৱে কাম কৰিব লাগে—

ভক্তি আৰু কৰ্ম কাণ্ড পৰস্পৰ বিৰোধী।
কৰ্মত বিশ্বাস যাৰ—হিয়াত থাকন্ত হৰি॥
অতিশয় দূৰ হন্ত তাৰ।
দূৰতো বিদূৰ হন্ত তাৰ॥
অহংকাৰ থাকোতেওঁ সাক্ষাতে কৃষ্ণক পাৰে
শ্ৰৱণ কীৰ্ত্তন ধৰ্ম যাৰ॥

কোনোৱে আমাৰ অবিদ্যা জনিত মায়াত আবদ্ধ থাকি কৰ্মত বিশ্বাস কৰে। কৰ্ম কাণ্ডত যাৰ বিশ্বাস আছে ভগৱন্ত তাৰ কাৰণে দূৰতো বিদূৰলৈ যায়। সেই বুলি মহাপুৰুষে কৰ্মকাণ্ড দলিয়াই দিয়াও নাই। নিজৰ নিজৰ মতত লাগি থাকিলে মীমাংসা হব নোৱাৰে। একশৰণ যেতিয়া পাবগৈ, তেতিয়া লৌকিক, বৈদিক আদি একো নাথাকে। ক্ৰিয়াকাণ্ড আছে কিন্তু থাকিলেও—

কেৱল ভকতি পুৰুষক তাৰে
সহায় কাকো নাচাৱে।
জ্ঞানকৰ্ম তাৱে তাৰিতে নপাৰে
ভকতি নাপাৱে যাবে॥
একমাত্ৰ নিষ্ঠা ভক্তিৰ দ্বাৰা তাৰিব পাৰে॥

★

আচাৰ্য ইলাৰাম দাস :

গুৰুসকল আমি এটা গধুৰ বিষয়ত বৰ্ত্তমান আহি উপনিত হৈছো। মোৰ অগ্ৰজ শ্ৰীসোণাৰাম চুতীয়াদেৱে ভক্তিবাদৰ আলোচনা মুকলি কৰি কৈছে আজি আমি প্ৰায় দুদিনেই একশৰণৰ বিষয়ে আলোচনা কৰিছো। মূল বস্তু আমাৰ ভক্তি, ভক্তি ৮১ বিধৰ ভিতৰত ন-বিধ প্ৰতিষ্ঠা হৈছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে শ্ৰৱণ, কীৰ্ত্তন, অৰ্চন, বন্দন, আদি ভক্তিৰ বিষয়ে বৰ্ণনা কৰিছে। নিগুৰ্ণ ভক্তি এবিধ। সেই নিগুৰ্ণ ভক্তিয়ে শৰণ। শৰণক নিগুৰ্ণ ভক্তি বুলি সিদ্ধান্ত দিছে।

ভক্তিৰ ষিটো সূত্ৰ ভক্তিৰ ষিটো আৰ্যা সেই আৰ্যাটো মই অলপ আলোচনা কৰিব খুজিছো। কোনে ভক্তি কৰিব পাৰে? ঈশ্বৰ কৃষ্ণৰ ভক্তি কাৰ ভাগ্যত মিলে? সেই কথা মই আলোচনা কৰিব খুজিছো। মহাপুৰুষে অসমীয়া ভাষাত সহজে বোধগম্য কৰি লিখাৰ কাৰণে আমাৰ সকলোৰে মুখস্থ, সৰু-ডাঙৰ সকলোৰে মুখস্থ গাওঁ। কিন্তু তাৰ আমি মহান ভাবাৰ্থ গ্ৰহণ কৰিব নোৱাৰো।

কোটি কোটি জন্ম অন্তৰে যাহাৰ
আছে মহাপুণ্য ৰাশি
সি সি কদাচিত মনুষ্য হোৱয়
ভাৰত বৰিষে আশি

কোটি কোটি জন্ম শব্দটো কওঁতে তেনেই সহজ। আমাৰ জন্ম ক'ত? সেই কথা দীঘলীয়াকৈ কবলৈ মোৰ সময় নাই। ভগৱন্ত কৃষ্ণই নিজেই কৈছে।

মমৈবংসো জীৱলোকে জীৱভূত সনাতনম্।
মম ষষ্ঠানীন্দ্ৰিয়ানি প্ৰকৃতিস্থানি কৰ্ষন্তি ॥

সেই পৰম ব্ৰহ্ম সনাতন বংশই জীৱ। আমি সমস্তই পৰম পিতাৰ সন্তান। সেয়েহলে আমি ইমান অচিনাকি হলো কিয়? আমি ইমানদিন ক'ত আছিলো। আজি কোটি কোটি কল্পৰ আগতে আমাৰ জন্ম সেই জীৱ ইমান দিনে ক'ত আছিল? সেই কথাৰ উত্তৰ মহাপুৰুষে চমুকৈ কৈছে—

দেৱ মনুষ্যত পশুপতংগত
জগত মধ্যত স্বামী
চৈধ্যয় ভুৱনে হেন স্থান নাই
যৈক নতু যাও আমি ॥

ভু, ভুৱ, জন, মহ, তপ, সত্য, তল, অতল, বিতল, পাতাল, মহীতল আদি ১৪ ভুৱনৰ সমষ্টিকে ব্ৰহ্মাণ্ড বুলি কৈছে। এই ১৪ ভুৱনত আমি অনন্ত কাল ঘুৰি ফুৰিলো" আমাৰ নিজৰ কৃত কৰ্মৰ দ্বাৰা স্বৰ্গলোক পাওঁ তপলোক পাওঁ।

আব্ৰহ্ম ভুৱনালোকাঃ পুনৰাবৰ্ত্তিনোহৰ্জুন।
মামুপেত্য তু কৌন্তেয় পুনৰ্জন্ম নবিদ্যতে ॥

হে অৰ্জুন কোনোবাই পুণ্য কৰ্ম কৰি ব্ৰহ্মলোক পৰ্যন্ত পায় তথাপি

পূণ্যক্ষয় হলে পুনৰপি মৰ্ত্ত ভুমিত পতিত হয়। একমাত্ৰ মোক্ষ যি ভক্তি কৰিছে তাৰ পুনৰ জনম নহয়। হে গুৰু সকল তিনিতা মহাশত্ৰু আমাৰ চাৰিওফালে আগুৰি আছে। এই তিনিশত্ৰু কি ?

যম কাল মায়া মৃত্যুৱে বেঢ়িয়া
আছে বাঘ জাল বেঢ়ি
হেনয় জীৱক কোনে তাৰিবেক
বিনে কৃপাময় হৰি ॥

অন্য কাৰবাক আমি শত্ৰু বুলি লাভ নাই। আমি ইজনে সিজনক শত্ৰু বুলি ভাবিছো। কিন্তু প্ৰকৃতাৰ্থত আমাৰ শত্ৰু যম কাল মায়া।

এই যে আমাৰ চকুৰ আগত এখন ক'লা কাপোৰ বান্ধি দিছিল। তাৰ কাৰণে আমি অন্ধকাৰত, ডুব গলো। মই মহন্ত, মই পণ্ডিত,, মই চাণ্ডাল, সি মূৰ্খ সি দৰিদ্ৰ, সি ধনী— এই যে অন্ধকাৰ, এই অন্ধকাৰ দূৰ কৰিবৰ কাৰণে হৃদয়ত ভক্তিৰ বন্তি জ্বলিব লাগিব। সেই কাৰণে কৈছে—

চৈতন্য ঈশ্বৰ আদিত্য যাহাৰ—

হে গুৰুসকল আমাক মায়াই আগুৰি আছে কাল আন্ধাৰত আমি ডুবি আছো। একো চিনি নাপাওঁ মই পণ্ডিত, মই বহুতত্তকৈ জানো, মই বহুত ধনী বহু মানী এই কথা ভাবিয়েই আমি ডুবি গলো এই কথা এয়েই যে মৰেই কেতিয়াবা ব্ৰহ্মলোকত জন্ম পাইছো। মৰেই কেতিয়াবা ব্ৰাহ্মণ, মৰেই কেতিয়াবা চাণ্ডাল, এয়ে হ'ল ভাৰতীয় দৰ্শনে বিশ্বাস কৰা জন্মান্তৰ বাদ। এই দৰে ঘূৰি ফুৰিলে অৰ্থাৎ যাতায়ত কৰি থাকিলে জীৱই ঈশ্বৰ ভক্তি কৰিব নোৱাৰে। বেদৰ দুটা ভাগ হল। এটা জ্ঞান কাণ্ড আৰু আনটো কৰ্ম কাণ্ড। মহাপুৰুষ শংকৰ দেৱ মাধব দেৱৰ লিখনীত বেদ শব্দ থকা সমস্ত পদেই লিখি আনিছিলো, মোৰ কবৰ সময় নাই। কিমান বেদ শব্দই কৰ্ম কাণ্ডক বুজাইছে, কিমান বেদ শব্দই জ্ঞান কাণ্ডক বুজাইছে তাকো মই আনিছিলো কিন্তু প্ৰকাশ কৰাৰ সুবিধা নহ'ল গতিকে এই 'বেদ' শব্দটোৱে আমাক আউল লগাইছে। জ্ঞানকাণ্ড বেদৰ অৰ্থ নি কৰ্ম কাণ্ডত লগাইছো, কৰ্ম্ম কাণ্ডক বুজোৱা বেদ শব্দক নি জ্ঞান কাণ্ডত লগাইছো, এই কাৰণে আমাৰ ভিতৰত এই আউল লাগিছে। গুৰুসকল আপোনালোক সকলোৱেই জানে, জন্ম জন্মান্তৰ ঘূৰি ফুৰিলেও আমাৰ চকুৰ

আগত লক্ষ লক্ষ মানুহ নাই হোম কৰে, নাই যজ্ঞ কৰে, নাই পূজা কৰে নাই কৃষ্ণ ভক্তি কৰে, একোকে নকৰে। চিনেমা বাইস্কোপ খেলা-ধূলা মদ মঙহ খাই, জীৱ গুচি গৈছে। তাৰমাজতে যদি আমি সংখ্যা গননা কৰি যাওঁ কৌটি কৌটি জনৰ মাজত এজনে যজ্ঞ কৰে, তেওঁ স্বৰ্গ প্ৰাপ্তিৰ কাৰণে। মহাপুৰুষে ভাগৱতত বৰ্ণনা কৰি যোৱা আৰ্যাখন মই গাইছো শুনক—

পৃথিবীৰ ধূলা পৰমানু আছে যত।
এহিসব জীৱ চয় আছে সংসাৰত।।

পৃথিবীৰ যিমান ধূলা পৰমানু আছে সিমানে জীৱ সংসাৰত আছে।

এতেকৰ মধ্যতেসে কতো শিষ্ট জনে।
ধৰ্মক আউৰে স্বৰ্গ সাধিবাক মনে॥

ধনং দেহি, পুত্ৰং দেহি ভাৰ্য্যাং মনোৰমাং দেহি স্বৰ্গং দেহি, কৌটি কৌটি জনৰ মাজত যদি অনুপাতিক সংখ্যা মিলাত কোনোৱা জনেহে এই যাগ যজ্ঞাদি কৰ্ম্ম বিলাক, বেদৰ কৰ্ম বিলাক কৰে।

তাহান মধ্যত শ্ৰেষ্ঠ কতো শিস্টচয়।
মুকুতিক যত্নে কাম্য কৰ্মক তেজয়।।

এই মুক্তি সাধন কৰোতা সহস্ৰজনৰ মাজত কেতিয়াবা এজন দেহাদি সংগত মুক্ত হয়। মুক্তি কেবা প্ৰকাৰৰ আছে। দেহমুক্তি, চিত্ত মুক্তি জীৱন মুক্তি আৰু পৰমমুক্তি। চাৰি প্ৰকাৰ মুক্তিৰ ভিতৰত কোনোৱাজনে দেহাদি সংগত মুক্তি লাভ কৰে।

মুকুতৰো মাজে হোৱে একজন।
পাৱে তত্ত্ব জ্ঞান হোৱে সিদ্ধৰ লক্ষণ।।

এই মুক্ত সকলৰ ভিতৰত কোনোৱা এজনে সিদ্ধি লাভ কৰে, এতিয়া শুনক অংকটো।

যোগসিদ্ধ তত্ত্ব জ্ঞানী কৌটিৰ মধ্যত।
কশ্চিতেসে হোৱে হৰি পদৰ ভকত।।

আজি যিজনৰ মুখত কৃষ্ণ নাম ফুটিছে সিজন মানুহে ভকতৰ ঘৰত জন্ম লৈ কৃষ্ণ বোলাৰ ভাগ্য ঘটিছে। ওপৰৰ আৰ্যা শেষ কৰি আহিব লাগিব। তেওঁ যজ্ঞ কৰি আহিব লাগিব তপ কৰি আহিব লাগিব সকলো শেষ কৰি আহিব লাগিব।

কলিযুগ ভাৰত বৰিষ হৰিনাম ।
দেৱৰ দুৰ্লভ নৰতনু অনুপাম ।
চাৰিবো সংযোগ কোটি কল্পেও নাপায় ।
সপোনৰ নিধিযেন জাগিলে হেৰায় ॥

মই সত্য যুগত, ত্ৰেতা যুগত মানুহ জন্ম পাব পাৰো কিন্তু ৰাম নাম ৰত্ন নাপাম। সত্য যুগত কোটিৰ মধ্যত কোনোজনে ব্ৰহ্ম সাধন কৰিব পাৰিছিল। মই যদি ভাৰতবৰ্ষত জন্ম নলৈ ৰাছিয়াত লওঁ, চীনত জন্ম পাওঁ, আকৌ নগালেণ্ডত জন্ম পাওঁ, ভাৰত বৰ্ষত জন্ম হলেও যদি ৰাম নাম নাপাও, গতিকে কলিযুগত ভাৰত বৰ্ষত মহাপুৰুষীয়া সমাজ এখনত বা চৈতন্য মহাপ্ৰভুৰ সমাজ এখনত জন্ম লৈ জন্মস্বত্বৰূপে কৃষ্ণ নাম জিহ্বাত আহিব। সেয়া নহলে ওপৰৰ সমস্ত কৰ্ম শেষ নকৰিলে তেওঁৰ কেতিয়াও কৃষ্ণ নাম মুখত নাহিব। তাৰ পাছতহে আমাৰ আতা সকলে কোৱা কথা খিনি আহিছে।

ভকতৰ মধ্যত শান্ত কৃষ্ণৰ বল্লভ।
কোটিৰ মধ্যত তাক পাইবাৰ দুৰ্লভ ॥

কৃষ্ণ ভক্তি সাধনাৰ ক্ৰম অনুসৰি কৃষ্ণৰ বল্লভ অৰ্থাৎ আটাইতকৈ প্ৰিয়জন সেই মধুৰ সাধনাৰ কথা আজি আমি প্ৰাৰম্ভিক স্তৰতে আলোচনা কৰিছো। কৃষ্ণ নাম লবৰ কাৰণে তেওঁৰ যাগ যজ্ঞ হোমকৰ্মৰ কোনো প্ৰয়োজন নাই। সমস্ত কৰ্ম সিদ্ধি হোৱাৰ পাছতহে ভাৰত বৰ্ষত তেওঁৰ মুখত কৃষ্ণ নাম ফুটে··· প্ৰভু সকল আপোনালোক চাওক, এই দুৰ্লভ মনুষ্য, এটা শব্দ তৃতীয়া বাপে কৈ গৈছে।

দেবৰ দুৰ্লভ এই নৰতনু।
ব্ৰহ্মাৰ দুৰ্লভ এই নৰতনু ॥

ইয়াৰ অৰ্থ কি ?

আমাৰ পৃথিবীৰ মনুষ্যৰ মুখত যি শ্লোক আহিছে, ব্ৰহ্মালোকত থকা সকলৰ, দেৱ লোকত থকা সকলৰ মুখত এই সংস্কৃত শ্লোক নাহে নেকি? আমি ইয়াত যি সুন্দৰ নাম গাইছো, গীত গাইছো, সেই নাম প্ৰসঙ্গ ব্ৰহ্মাদি দেৱতা সকলে গাব নোৱাৰে নেকি? কিয় ব্ৰহ্মাৰ বাঞ্ছনি দেবৰ বাঞ্ছনি এই মনুষ্য লোকত জন্ম লোৱাতো? সেইটো এক অদ্ভুত অংক। মনুষ্যলোকৰ বছৰেৰে ৮ কোটি ৬৪ লাখ বছৰ পাৰ হলেহে ব্ৰহ্মাৰ এদিন এৰাতি হয়। এই সৃষ্টি

থকালৈকে ব্ৰহ্মা আদি দেৱতা সকলে নিজ নিজ ঈশ্বৰৰ আজ্ঞামতে পোৱা কৰ্ম কৰিবই লাগিব। তেওঁলোক ঈশ্বৰৰ সৃষ্টিৰ লক্ষ্য কাৰ্যত সহায় কৰা অফিচাৰ চাকৰিয়াল। কিন্তু কোনো দিনেই দেৱতাক নমস্কাৰ নকৰাকৈ পৃথিৱীত মধুৰ ৰামনাম লওঁতাজনক সেই দেৱতা বিলাকেই সন্মানেৰে বৈকুণ্ঠৰ ৰথত বৈকুণ্ঠলৈ পঠিয়াৰ— তাকে দেখি দেৱ সবে আক্ষেপ কৰিছে। হে প্ৰভু আমাকো কলি যুগত মনুষ্য জন্ম কিয় নিদিলা? এই সম্বন্ধে মোৰ বৃহৎ ব্যাখ্যা আছিল। সময়ৰ অভাবত মাত্ৰ চুই গৈছো। এই পূৰ্ণ মনুষ্য জন্ম, গুৰুসকল এইটো কলিযুগ সত্য যুগত মানুহৰ পৰমায়ু ৪ হাজাৰ বছৰ আছিল। সেইটো সকলোৱে জানে কিন্তু কলিযুগত মানুহৰ পৰমায়ু ১০০ৰ পৰা ৮০ বছৰলৈ কমি গ'ল। তাতে ইমান কম আয়ুসঁৰ মাজ বাটৰ পৰাই ডায়েবেটিচ, আদ বয়সতে গেষ্টিক খাব নোৱাৰে। আদ বয়সতে বাত বিষ উঠিব নোৱাৰে এই কম আয়ুসৰ ভিতৰতে গতিকে এই যুগত জীৱৰ কাৰণে কি বস্তু দিছে। ভগৱন্ত কৃষ্ণ বৈকুণ্ঠ গামী হোৱাৰ পাছত বসুমতীয়ে কান্দিছে তাকে ভাগৱতত বৰ্ণাইছে, আপোনা সকলে জানে। যি সময়ত ভগবন্ত কৃষ্ণই পৃথিৱী এৰি গুচি গ'ল। সেই সময়ত বসুমতীয়ে কান্দিছিল।

কৃষ্ণে এৰিলাত পৃথিৱী মণ্ডল
অধৰ্মে জুৰিয়া ৰৈলা।
শ্ৰী ধৰ্ম ধৃতি সত্য শৌচ নীতি
কৃষ্ণৰ লগতে গৈলা॥
স্বধৰ্ম আচাৰ সবাকো খেদায়া
পাপে লৈল সামৰাজ।
পৃথিবীত শূণ্য একোনাথাকিল
একে হৰিনাম বাজ॥

এইটো যুগত মই সদাচাৰী হম, এইটোযুগত মই স্মৃতি শ্ৰুতি নিয়ম মানী চলিম, এইটো যুগত মই ব্ৰহ্মচৰ্য ৰক্ষা কৰিম এইটো যুগত মই পবিত্ৰ ভাৱে হোম যজ্ঞ কৰিম, এই সকলো চিন্তাই ভুৰুহ সকলো ব্যৰ্থ। কাৰণ মোৰ কলিয়ে পৃথিৱী দখল কৰিলে—

কৃষ্ণে এৰিলাত পৃথিৱী মণ্ডলে
অধৰ্মে জুৰিয়া ৰৈলা।

শ্রী ধর্ম্ম ধৃতি সত্য শৌচ নীতি
কৃষ্ণৰ লগতে গৈলা।

গতিকে যিদিনাই ভগবন্ত কৃষ্ণে পৃথিবী এৰি গৈছে সেইদিনাই পৃথিবীত ঘোৰ কলি যুগ আৰম্ভ হৈছে।

কলিত লোকৰ ধৰ্ম নাহিকে আচাৰ।
নিতে নিতে বাঢ়ে পাপ পৰ্ব্বত আকাৰ॥
কলিত পাতকে লোক হৈব জৰ্জ্জৰিত।
নুপুজিবে পাতকীৰ ভকতি কিঞ্চিত॥
দোষৰ সাগৰ কলি পৰম দুৰ্জ্জন।
পাপ নকৰান্তা আত নাহি একজন॥

পৰিক্ষিতে মহামহন্ত শুকক শুধিছিল—

কলিত অধৰ্ম হুইবে হৃষ্ট পুষ্ট ভাব!
অধৰ্ম জাগিবে সিতো দুষ্টে তিনি পাৱ।
চতুৰ্থ চৰণো পাছে কৰিবেক নষ্ট,
কলিত যতেক লোক ভৈল ধৰ্ম ভ্ৰষ্ট।
মিলিবে পৰম লোভ হুইবে অবিচাৰ।
দাৰুণ নিৰ্দয় যেন ৰাক্ষস আকাৰ॥
খাইবাক পাৰয় তৃষ্ণা বাঢ়ি যাইবে অতি
অকাৰ্যে কৰিবে বৈৰ কলহত প্ৰীতি॥
ব্ৰাহ্মণ ক্ষত্ৰিয় বৈশ্য ইটো তিনি জাতি।
নুশুনিবে হৰি ভকতিক কাণ পাতি॥

সেইখিনি আপোনালোকে জানেই মই নিজৰ কাৰণে কোৱা বুলি কব, মই নকও—

শূদ্ৰ সব অনেক কৈৱৰ্ত্ত আদিকৰি।
অন্ত্যজ পৰ্যন্ত ভজিবেক মহাহৰি॥

অন্তজ, সকলোৱে বড়ো, ৰাভা মিৰি কছাৰী কেওঁট কলিতা, দেউৰী যি সকলে যুগে যুগে ভক্তিৰ পৰা বঞ্চিত হৈ আছে। সেইসকলে কলিত ভকতি কৰিব আৰু ব্ৰাহ্মণ ক্ষত্ৰিয় বৈশ্য সকলে ভক্তিৰ পৰা বিমুখ হব।

অপ্ৰয়াসে লভিব ঈশ্বৰ মহাজ্ঞান।

এতেকে কলিত শূদ্ৰ কৈবৰ্ত্ত প্ৰধান ॥
কপট কূটনীতি নিদ্ৰা হিংসা ঘৃনা ভয়
দীন দুখ বিষাদ তামস বৃত্তিচয় ॥
পাপৰ পথক লাগি মন যায় চলি।
তেখনে জানিবা আসি পাইলে পাপী কলি ॥

এইদৰে যেতিয়া কলিৰ বৃত্তান্ত কলে—

ভাৰ্যা পুত্ৰ পিতৃ-মাতৃ কতো নেদি চিত্ত।
আপুনি জিয়োক মাত্ৰ দুৰ্ঘোৰ কলিত ॥
মিলিবে লোকত আনো অনেক বিপাক।
কতেক কহিবো দুষ্ট কলিৰ চেষ্টাক ॥
পৰম দাৰুণ কলি পাপৰ সাগৰ।
ইহাত মজিবে জ্ঞান হৰিবে লোকৰ ॥

এই কথা কোৱাৰ পিচত—

মহা কাৰুনিক শুকে লোকৰ নিকাৰ দেখি
পৰম ব্যথিত ভৈল চিত্ত।
ৰাজাক বোলন্ত চাই শুনা পৰীক্ষিত ৰায়
যেন মোৰ মন বিপৰীত ॥
বেদ ৰহস্য ইটো মহাভাগবত গ্ৰন্থ
পৃথিবীত কৰিলো প্ৰচাৰ।
কলিৰ মলিন লোকে শুনি সবে নিস্তাৰোক
অভিপ্ৰায় হেনসে আমাৰ ॥

বেদ আৰু বেলেগে জানিব নালাগে। বেদতো ৰহস্য ইটো মহাভাগৱত শাস্ত্ৰ। এই শাস্ত্ৰ পৃথিবীত প্ৰচাৰ কৰিলা। হে পৰীক্ষিত সমস্ত বেদৰ সাৰ উদ্ধাৰিয়া আনি মই এই ভাগৱত শাস্ত্ৰ ৰচনা কৰিলো। কৃষ্ণ চৰিত্ৰক প্ৰাধান্য কৰি, ইয়াকে চিন্তা কৰি কলিৰ জীৱই সততে গতি পাব।

জগত পৰম গুৰু ঈশ্বৰ কৃষ্ণৰ যিটো
ব্ৰহ্মা হৰে সেৱে অবিচ্ছেদ।

কলিত বহুতে তাংক ভজিবেক নপাৰিবে
পাষণ্ডে কৰিব বুদ্ধি ভেদ ॥

এইটো পদত কৰ্মকাণ্ডীলোক সকলক মই পাষণ্ড বুলি কোৱা নাই বাপ সকল। বৰ্তমান জড় বিজ্ঞানৰ যি স্থিতি আবৰ্ষ্টনী বিভিন্ন লীলা ৰূপ ৰং দেখুৱাই জীবক কৃষ্ণ কথাৰ পৰা বিমুখ কৰিছে এই সমস্ত সমষ্টিকে পাষণ্ড বুলি কৈছে - গোটেই ভাগবত যদি চিন্তা কৰি চাও কলি যুগৰ জীবৰ কাৰণে একো নাই, তেনেহলে শৰণ লোৱা দিনৰে পৰা মুকুতি পালো নেকি? এই প্ৰশ্ন যদি আহে, আমি শৰণৰ পিছত ভকতি কৰিব লাগিব। এজন মানুহে যেতিয়া চাকৰ থাকিবলৈ গৈ মহাজনৰ ওচৰত আত্ম সমৰ্পন কৰে— আৰু কয় চাৰ আজিৰ পৰা আপোনাৰ ওচৰত চাকৰ থাকিম। আপোনাৰ হুকুম মতে কাম কৰিম। সেইদিনাৰ পৰা নিত্য কৰ্ম নিয়মিত কৰিলেহে ভৃত্য হিচাবে তিকি থাকিব। আমাৰ নিত্য নৈমিত্তিক কৰ্ম কি বস্তু? ই ক'ৰ পৰা আহিল? এই প্ৰশ্ন যদি কৰা যায় বেদত এনে কোনো কথা নাই যি জগতত নাই। এখন হাতে সেৱা কৰিব লাগিব নে দুখন হাতে লাগিব সিও বেদৰে বিচাৰ। গোপীসকলে এখন হাতেৰে সেৱা কৰোতে কৈছিল, হে গোপীসকল—

আমি ভাল কাপোৰ এখন পিন্ধিছো মহন্ত সকলৰ কাৰণে। বেদৰ সিদ্ধান্ত বন্ধা আছে। বেদত সূৰ্যায় নমঃ ভৈৰবায় নমঃ মন্ত্ৰ আছে। এয়া সন্ত মহন্তৰ বেদ নহয়। মহন্ত সকলে নিত্য কৰ্ম কৰিব লাগিব। পাছত দিনটোৰ বাবে যি কাৰ্যসূচী সকলো বোৰকে বেদৰ কাৰ্যসূচী বোলে। অতিথি সেৱা তিথি পাৰ্বন আদি কেন্দ্ৰ কৰি এই খিনিয়েই মহন্ত সকলৰ বাবে নিত্য নৈমিত্তিক কৰ্মৰ বিচাৰ। নিত্য নৈমিত্তিক কৰ্মৰ নামত যদি কেতবোৰ ক্ষুদ্ৰ ক্ষুদ্ৰ দেৱতাকে বুজায় তেন্তে মহন্ত সকলৰ এইটো দোষৰ কথা হব। কৃষ্ণক লগ পোৱাৰ পাছত আৰু কি বস্তু পাবলৈ থাকিব পাৰে। নদী যেতিয়া সাগৰত মিলি যায় তাৰ পাচত কি গতি থাকিব পাৰে।

কৃষ্ণসে পৰম দেব জানা সাৰে সাৰ।
পাতকীয়ো তৰে মাত্ৰ নাম লৈলে যাৰ ॥

এই পদটোত মাত্ৰ শব্দটোৱে কি বুজাইছে—
Only, কেবল নে তাৰ পাছত কিবা আছে।

কৃষ্ণক এৰি যিতো আন দেব পূজে।

গুৰুজনাক মনাত অৰ্থ কি? গুৰুজনাৰ প্ৰতিতো কথা, দাবি, কমা আদি যদি সঠিককৈ কব নোৱাৰো তেনেহলে গুৰুজনাক মনাৰ গুৰুজনাক গুৰু বোলাৰ কাৰণ কি? বা অৰ্থ কি? গুৰুজনে অন্য দেৱতাৰ পূজা নিন্দা কৰি ভক্তি প্ৰদীপত গল্প ৰচনা কৰিছে—

ৰান্ধে গৰু মাংস চাণ্ডালিনী মুৰাদিয়া।
মনুষ্যৰ মুণ্ডে আছে তাহাক ঢাকিয়া।
পুছিলন্ত ইন্দ্ৰে অতি দেখি বিপৰীত।
আতকৰি কোন বস্তু আছে অপবিত্ৰ ॥
চণ্ডালিনী বোলে ইন্দ্ৰ কথা নতু বুজা।
হৰি বিনে কৰে যিতো আন দেব পূজা ॥
তাৰ চৰণৰ ধূলা পৰিবাক ডৰে ॥
জানি আনি দিলো আমি ঢাকন উপৰে
হেন শুনি ইন্দ্ৰে তাইক বচনে সাদৰি।
ৰথে চৰি লৰি গৈলা আপুন নগৰী।

চহী কৰিছে শংকৰ দেৱে.........

জানি নিৰন্তৰে নৰে এৰা আন কাম।
শঙ্কৰে ৰচিলা ডাকি বোলা ৰাম ৰাম॥

এটা ইন্দ্ৰক পূজা কৰিলে যদি সেই লোকজনৰ ব্ৰাহ্মণ কুলত জন্ম হয়, এজন কৃষ্ণক ভক্তি কৰি যদি গোমাংস ভক্ষন কৰি, মদ পান কৰি চণ্ডালিনীয়ে ইন্দ্ৰৰ লগত কথা নাপাতিলে। ঠিক তেনেদৰে যদি কৌটি কৌটি দেৱতাক নিত্য পূজা কৰি থকা লোকজনৰ লগত সংস্পৰ্শ কৰে তেন্তে আমাৰ একশৰণ কʼত ৰব। তাৰ পিছত চণ্ডালিনী গঙ্গাত ১০৮ বুৰ মাৰিলে। মনৰ পৰা সন্দেহ দুৰ হোৱা নাই। মনে মনে কৃষ্ণ কৃষ্ণ স্মৰি আছে, নাৰদে দেখি সুধিলে আই ঐ তই কি কৰি আছ? তেতিয়া চণ্ডালিনীয়ে কলে—

কৃষ্ণেসে পৰম দেৱ সংসাৰত সাৰ।
পাতকীয়ো তৰে মাত্ৰ নাম লৈলে যাৰ॥
তাংক এৰি যিতো আন দেৱতাক পূজে।

পশুক অধম সিতো একোৰে নুবুজৈ ॥
কুকুৰকো খাই যিটো মহা ম্লেছ জাতি।
তাতো কৰি অপবিত্র জানা সিতো আতি॥
হেন পাষণ্ডক মই কৰিলো আলাপ।
এতেকে সিজিল মোত অমোচন পাপ॥
হঠাতে দেখিলো আমি পাতকী দুৰ্ঘোৰ।
ভৈলা মহা অপবিত্র তনু মন মোৰ॥
তাক শুদ্ধি কৰিবাক কৰো তন্ত্র।
এক চিত্তে জপো কৃষ্ণ নাম মন্ত্র॥

এতিয়া মই কৃষ্ণ কৃষ্ণ বুলি মহা মন্ত্র জপ কৰি আছো। নাৰদে তেতিয়া কলে—

চাৰিও বেদৰ তত্ব তই আছ জানি
তই সি উত্তম জাতি তই মহা জ্ঞানী
জগতৰে পুজ্য ভৈলি ইটো কোন কথা
মোহৰ বন্দিনী তই জানিবি সৰ্ব্বথা॥

হে গুৰু সকল গুৰুজনাৰ নিৰ্যাতন যদি আমি মনত পেলাও আমি কান্দিব লাগিব। কৰ্ম কাণ্ডী সকলে চক্ৰান্তকৰী গুৰুজনাৰ জোৱায়েক হৰি জোৱাইক আহোম ৰজাৰ হতুৱাই কাটিলে, এই সকলো দুখ নিৰ্যাতন গুৰুজনাই ভুগিছিল কেবল অন্য দেৱোপাসনা আৰু কৰ্ম্ম কাণ্ড নকৰাৰ বাবে।

অন্য দেৱীদেৱ নকৰিবা সেব
প্ৰসাদ নখাইবা তাৰ।
মূৰ্ত্তিকো নচাইবা গৃহ নপশিবা
ভক্তি হৈব ব্যভিচাৰ॥
এক কৃষ্ণ দেৱ কৰিয়োক সেৱ
ধৰিয়া তাহান নাম।
কৃষ্ণ দাস হুয়া প্ৰসাদ ভুঞ্জিয়া
হন্তে কৰা তান কাম॥

এইবোৰ গুৰু জনাই ইংৰাজীত লিখি থৈ যোৱা নাছিল। সকলোৰে বুজিব পৰাকৈ সহজ সৰল অসমীয়াতেই লিখি গৈছিল। সিতো একশৰণ, এক

সত্য বস্তুৰ সাধনাই আমাক অসমীয়া জাতিক সিংহ বিক্ৰমী কৰি তুলিলে হেতেন, সেই একশৰণ ধৰ্মত ভেজাল কৰ্মকাণ্ড সুমুৱাই আমাৰ আত্মা সত্বাক দুৰ্ব্বল কৰি ভিক নিৰুৎসাহী সাজিলে। কৃষ্ণই জগদাত্মা, আমি সেই জগদাত্মাৰে স্ফুলিংগ সেই মহান কৃষ্ণ বস্তুৰ একান্ত সাধনাই একশৰণ ভক্তি পন্থা। ভক্তিৰ স্তৰ আছে। স্তৰে স্তৰে আগুৱাই যাবই লাগিব।

মিলিবে মুকুতি ভকতিৰ প্ৰসাদত।
লিংগ দেহ দহিবে অজ্ঞান প্ৰথমত॥
যেন প্ৰানী অন্ন পাণ ভুঞ্জে যত যত।
উদৰৰ বহ্নি জীৰ্ণ কৰয় সমস্ত।
বিনা যত্নে জীবন্তে মুকুতি পাৱে নৰে।

ভকতিয়ে লিংগ শৰীৰ দহন কৰাৰ পাছতে আমাৰ স্বতঃস্ফুট প্ৰকাশ ঘটিব। তাৰ কাৰণে আমাৰ সাধনা লাগিব। দৈনন্দিন নাম, জপ ৰূপ চিন্তা ঈশ্বৰ সেৱা থাকিব লাগিব।

ভাই মুখে বোলা ৰাম হৃদয়ে ধৰা ৰূপ।
এতেকে মুকুতি পাইবা কহিলো স্বৰূপ॥

ভাগবতত আমি কেইবাজনো কৃষ্ণৰ বিৱৰণ পালোঁ। চাৰিজন কৃষ্ণ। প্ৰত্যেকজনেই কৈছে মই পৰম ব্ৰহ্ম। এই কথাবোৰ সাধু সংগত বিচাৰ কৰি চালেহে একশৰণ ভাগবত ধৰ্মৰ ভিতৰ চ'ৰালৈ জীৱন সাধনাৰ বলে প্ৰবেশ কৰিব পাৰিব।

মোৰ নাম কীৰ্ত্তন কৰিব সৰ্ব্বক্ষণে।
হৃদয়ত মোৰ ৰূপ চিন্তিব যতনে॥

শঙ্কৰদেৱে অৰ্থ নুবুজোৱাকৈ অলংকাৰ স্বৰূপে ছন্দ মিলাবলৈ এটা শব্দত অনৰ্থক লিখা নাই।

পৰম বান্ধব হৰিৰ নাম।
যিজনে আক লয়ে অবিশ্ৰাম॥
তাৰ সাত কাৰ্য সাধিবে দেখা।
প্ৰতি প্ৰতি লোৱা সাতৰো লেখা॥

প্ৰথমে দহিবে পাতকচয় ।
কৰিবে মহা পুণ্য অভ্যুদয় ॥
কৰাইবে বিষয়ত বিৰকতি ।
কৃষ্ণত বঢ়াইবে প্ৰেমভকতি ॥
উপজাইবে মহা বৈষ্ণৱ জ্ঞান ।
মায়াক কৰিবে দহি নিৰ্যান ॥
চৈতন্য মূৰ্ত্তি পূৰ্ণানন্দ হৰি ।
থৈৰন্ত তেন্তে এৰে এক কৰি ॥
তেবেসে নাম হুইবে উপশান্ত ।
এহিসে নামৰ তত্ব একান্ত ॥

লোহাত মামৰ থাকিলে চুম্বকে লোহাক আকৰ্ষণ নকৰে। লোহা যেতিয়া জুইত পোৰা যায় জুইয়ে মামৰ পুৰি পেলালে পৰিষ্কাৰ মামৰ বিহীন লোহাক চুম্বকে সহজেই আকৰ্ষণ কৰে। সেই দৰে কোটি কোটি কল্প জন্ম জন্মান্তৰে ভ্ৰমি ফুৰা নানা পাপ বাসনা যুক্ত জীৱক পৰমাত্মাই বা ঈশ্বৰে আকৰ্ষন নকৰে। বাসনা যুক্ত জীৱে অবিৰাম নাম লব লাগিব। নাম ব্ৰহ্মাগ্নি জীৱৰ বাসনা পুৰি ছাই কৰি জীৱক শুদ্ধ কৰে। নাম অবিশ্ৰাম লব লাগিব। অবিশ্ৰাম শব্দৰ অৰ্থ বুজি চাওক চোন? স্বাস প্ৰশ্বাস অবিশ্ৰাম, বোৱতী নদী অবিশ্ৰাম, আমাৰ শৰীৰৰ ধমনী অবিশ্ৰাম। এইদৰে নাম অবিশ্ৰাম ললেহে কাম হব।

তেতিয়াহে জীৱৰ সমুদায় পাপ বাসনা পুৰি নামে জীৱক শুদ্ধ কৰিব আৰু পৰমত্মাই জীৱক আকৰ্ষণ কৰিব। আকৰ্ষণ কৰিলেই প্ৰেম আহিব। ...... বঢ়াইবে কৃষ্ণত প্ৰেম ভকতি।

ভগবন্ত কৃষ্ণই উদ্ধৱক সুধিছে। হে উদ্ধৱ মানুহবোৰে ভকত ভকত বুলি কয় যদি ভকতজনৰ গাত ভকতিৰ চিহ্ন নেদেখো,··· ·

শুনিয়োঁ উদ্ধৱ সখি কহো স্বৰূপত ।
ভকতিৰ চিহ্ন যাৰ নভৈল বেকত ॥
তেনে কেনমতে তাৰ লক্ষিবা ভকতি ।
বিনে ভক্তি চিত্ত শুদ্ধ নোহে মহামতি ॥
বাক্য গদ গদ কৰে প্ৰেমৰ ভৰত ।

এৰে চিত্ত স্মৰি মোৰ মহিমা মনত ॥
এত কাল ভৈলো তযু সেৱাৰে বঞ্চিত ।
এৰে পাইলো পাইলো বুলি কতো কৰোকৃত্য ॥
এহিমতে ভাৱ যাৰ মিলিল প্ৰচুৰ ।
গুছে লজ্জা মায়া আদি সবে হোৱে দূৰ ॥
জগত পৱিত্ৰ কৰে সেহিতে ভকতে ॥

আমাৰ পাণ্ডিত্যৰ অভিমান, বিদ্যাৰ অভিমান এই সকলো বোৰেই ভকতিৰ বাধক। অভিমান এৰিলেই পাণ্ডিত্য বিদ্যা হৈ পৰে ভকতিৰ অলংকাৰ স্বৰূপ। প্ৰভুসকল ভক্তিৰসৰ কথা বহুত কব লগা আছিল। আজি সময় নহব। কেতিয়াবা সুযোগ সৌভাগ্য হলেহে ভক্তি ৰসৰ ব্যাখ্যা কৰিব পৰা যাব।

বৰ্ত্তমান এইটো নিশ্চিত কথা যে মহা পুৰুষীয়া ধৰ্মত কোনো প্ৰকাৰেই নিত্য নৈমিত্তিক কৰ্মৰ নামত কৰ্ম কাণ্ড নাই, থাকিব নোৱাৰে। আজি যি নিত্য নৈমিত্তিক কৰ্মৰ নামত কৰ্ম কাণ্ড নাই। থাকিব নোৱাৰে। আজি যি নিত্য নৈমিত্তিক কৰ্মৰ নামত যি কৰ্ম্ম কাণ্ডৰ বিধিৰে মহাপুৰুষীয়া লোকক বিবাহ শ্ৰাদ্ধ আদি কৰাইছে সেই শংকৰদেৱৰ ধৰ্মত ৰাণী ফুলেশ্বৰী কুৱৰীৰ দিনত আহোম ৰজাই বংগীয় পণ্ডিতৰ সহায়ত বনোৱা কৰ্ম বিধিহে ৰজা ঘৰীয়া শাসন ব্যৱস্থাৰে জোৰকৈ সুমুৱাইদি তেতিয়াৰে পৰা আৰ্জিলৈ চলিছে। মাহ মাহ ধৰি আলোচনা হওঁক। আমি নিশ্চিত যে এই কৰ্ম কাণ্ড বিধি গুৰুজনাৰ পৰবৰ্ত্তী কালত কৌশল কৰি আহোম ৰজাই মহাপুৰুষীয়া ৰাইজৰ মাজত জোৰকৈ জাপি দিয়ে। বহুতে এই কথা জানিও নজনা ভাও ধৰিছে।

মই মাত্ৰ সত্ৰাধিকাৰ প্ৰভুসকলক কৈছো আমি গুৰু হবলৈ শৰণাচাৰ্য্য হবলৈ বিপ্লৱত নমা নাই। আপোনালোকৰ বস্তু আপোনালোককে চমজাই দিম। মাত্ৰ সত্ৰ সমাজে ঘোষণা কৰক আমি একশৰণীয়া হলো বুলি। আমি এটা বিপ্লৱ কৰিছো মাথোন।

এই আন্দোলন কৰি শংকৰদেৱৰ একশৰণ ভক্তিবাদ প্ৰচাৰ কৰি জীৱ নিজধামলৈ ঘুৰি যোৱাৰ শংকৰদেৱে উন্মোচন কৰিযোৱা সোণালী পথৰ পৰা সকলো আউল আঁতৰাবলৈ।

গীতা শাস্ত্ৰত ভগবানে অৰ্জ্জুনক কৈছিল— হে অৰ্জ্জুন ত্ৰিতাপ ক্লিষ্ট সংসাৰত কিয় আবদ্ধ থাকা ? মোক একান্ত ভাবে ভজনাকৰিলে মোৰ পৰম পবিত্ৰ ধামলৈ গতি কৰিবা। সেয়ে বৈকুণ্ঠ ধাম।

ন তদ্ভাষয়তে সূৰ্যো ন শশাঙ্কোন পাৱকঃ।

যদ্গত্বা ন নিবৰ্ত্তন্তে তদ্ধাম পৰমংমম ॥

যি ৰাজ্যত সূৰ্য্য নিস্প্ৰভ হৈ যাব যি ৰাজ্যত শোক দুখ মাৰিমৰক নাই, সেই চিৰ বসন্ত ধাম আনন্দময় ধাম— তালৈ জীৱ যোৱাৰ চেষ্টা আৰু পন্থ অবলম্বন কৰিব লাগে।

চৈধ্য ভূৱনৰ যিতো বন্দ্য স্থান।

যাক কৃষ্ণে কৰিছে নিৰ্ম্মাণ ॥

সেই বৈকুণ্ঠ ধামলৈ জীৱক নিবৰ বাবেই গুৰুজনাই লোক সংগ্ৰহ কৰিছিল।

★

শ্ৰীগোলোক চন্দ্ৰ কাকতি : শ্ৰীমন্ত শংকৰদেৱ সমাজ, অসম।

আমাৰ জগতৰ গৰাকী শ্ৰীকৃষ্ণ বৈকুণ্ঠগামী হবৰ সময়ত উদ্ধৱে কৃষ্ণক লগ ধৰি কৈছিল—তুমি গুছি গলে পৃথিৱী অধৰ্মে ধৰিব। কৰ্মকে অকৰ্ম বুলি মানুহে এৰিব, অকৰ্মকে কৰ্ম বুলি কৰিব। ধৰ্মকে অধৰ্ম বুলি এৰিব আৰু অধৰ্মকে ধৰ্ম বুলি ধৰিব। কাৰণ মায়াই বেঢ়ি ধৰিলে। এই মায়া তাৰণৰ কাৰণে কি পথ তুলি দিব খোজা ? মই তাকে শুনিব খোজো। ঈশ্বৰ কৃষ্ণই পৰম ৰহস্যকথা যাকে তাকে নকয়। যি জনক কব তেওঁৰ ওপৰত গভীৰ বিশ্বাস আছে। এই কাৰণেই এজন তেওঁৰে ভকতক তেওঁৰ সখা হিচাপে বাচনি কৰি লৈ যোৱা কথা আপোনা সবে জানে। সেই ভকতৰ মহিমা কিমান ? আমাৰ শাস্ত্ৰই কৈছে—

দেৱত তীৰ্থত কৰি ভকতেসেবৰ।
ভকতক ভজিলে শুছয় কৰ্ম্ম জড় ॥

ভকতক ভজিলে মানে সেৱা কৰিলে সকলো অপায় অমঙ্গলৰ পৰা নিস্তাৰ পাব পাৰি। আৰু সেই জন ভকত—

যি দিশত মহাভক্তসৱে   শ্ৰীমন্ত কমললোচনক
পৰম সন্তোষে কীৰ্ত্তন যিটো কৰয়।
সি দিশক নমস্কাৰ কৰি   দুৰ্ঘোৰ সংসাৰ সুখে তৰি
আপুনি অচ্যুত স্বৰূপ সিটো হোৱয় ॥

ভক্ত সকলৰ ইমান মহিমা। তেৰা সকলে যি ঠাইত বহি হৰি কীৰ্ত্তন কৰি থাকে সেই ঠাইলৈ নগ'লেও সেই ঠাইলৈ ভক্তি ভাবে সেৱা কৰিলে তেওঁ ঈশ্বৰ হৈ যাব পাৰে। কিন্তু ভক্ত সকলে ঈশ্বৰ হবলৈ কামনা নকৰি তেৰা সকলে কৈছে—

শ্ৰীমধুদ্বিষ ঈশ্বৰৰ   কীৰ্ত্তন মঙ্গল নিৰন্তৰ
যিটো ভূমিভাগে শুদ্ধৰূপে হোৱে জাত।
তাৰ ধূলি যিটো শিৰে ধৰে   নিশ্চয়ে জানিবা সিটো নৰে
কৃষ্ণৰ পৰম বল্লভ হোৱে সাক্ষাৎ ॥

কৃষ্ণই ভকতক কৈছে তুমি ঈশ্বৰ হব পাৰা। কিন্তু যিজন পৰম ভকত তেওঁ কৈছে মই ঈশ্বৰ হব নিবিচাৰো। মই ভকতো হব নিবিচাৰো, মই ভকতৰ ভৃত্য হব বিচাৰো। ভকত সকলৰ চৰণৰ ধূলি শিৰত লৈ তেৰা সকলৰ বল্লভ হব বিচাৰো। চেনেহৰ পাত্ৰ হব বিচাৰো। গতিকে ইমান ৰহস্য কথা। সেই সকলেই ভকত। ভকত সকল হ'ল কলি কালত ঈশ্বৰৰ লগত সম্বন্ধ ঘটোৱা মাধ্যম। ঈশ্বৰ কৃষ্ণই কৈছে যে—

মোতোক পাইবাৰ জানা ভকতেসে পন্থা। মোক বিচাৰি নাপাব পাৰা, ভকতৰ লগ ললেই, ভকতৰ পন্থা ললেই ভকতৰ পদ সেৱন কৰিলে মোক পাবা। এই কাৰণে ভকতৰ দ্ৰোহ আচৰণ কৰাটো মহা পাপ, অমোচন পাপ। ইয়াৰ উদাহৰণ কীৰ্তনত আছে, ভাগৱতত আছে। মহা ভক্ত বলিৰ দ্ৰোহ আচৰণ কৰাত চক্ৰই খেদি গ'ল। সেই চক্ৰৰ পৰা উদ্ধাৰ পাবলৈ ব্ৰহ্মা বিষ্ণু সকলোৰে শৰনাপন্ন হ'ল সকলোৱে কলে আমি তোমালোকক উদ্ধাৰ কৰিব নোৱাৰো। কাৰণ তোমালোকে ভকত দ্ৰোহ আচৰণ কৰিছা। গতিকে কি হ'ল ?

বুদ্ধি ভৈল চুৰি পলাইবাক পুৰী
কহিতো নপাইল খুজি।
বলিৰ চৰণে পশিল শৰণে
তুনাই সবে মান্য বুজি ॥

ভকতৰ দ্ৰোহ আচৰণ কৰিলে ঈশ্বৰ কৃষ্ণই ৰাখিব নোৱাৰে বা নাৰাখে। এনে ধৰণৰ ভকত কোন জন? সেই জন—

যিটো নাম মেৰৈ মুখে পাইলে মোক্ষ মহা সুখে
জানা কৃষ্ণ তুষ্ট ভৈলা তাৰ।

যাৰ মুখত ঈশ্বৰৰ নাম দিনে ৰাতিয়ে লাগি আছে তেওঁ। বায়ু পুজিব লাগিব, ইন্দ্ৰ পুজিব লাগিব, বাৰতা মাহত তেৰটা পূজা, তেত্ৰিচ কোটি দেৱতা পূজা এইবোৰ তেওঁ কেতিয়াও সেইসকলৰ ভক্ত বুলি কোনো শাস্ত্ৰত নাই। যাৰ মুখত কৃষ্ণৰ নাম লাগি আছে সেইজনহে গুৰু হ'ল। তেওঁৰ প্ৰতিহে কৃষ্ণ তুষ্ট হ'ল। তেওঁ এখন সমাজৰ নহয়, এজনৰ নহয় জগতৰ—

গুৰু ভৈল জগতৰে কৰিলেক সিটো নৰে
কোটি কোটি পুৰুষ উদ্ধাৰ ॥

তেনেহলে সেই সকলেই ভকত যি সকলে সকলো মায়া মোহৰ পৰা আতৰি অহংকাৰ শূণ্য হৈ এক ঈশ্বৰক ভজনা কৰিছে। এইবোৰো অহংকাৰ কোনেও প্ৰত্যয় নিবাৰ নোৱাৰিলে, শাস্ত্ৰ কথা মই দহ ঘণ্টা কব পাৰো—এই অহংকাৰো ত্যাগ কৰিব লাগিব। ধৰ্মৰ বক্তৃতাত মোক কোনেও বলে নোৱাৰে, এনেদৰে ভাবে তেন্তে তেওঁ ভকত হব নোৱাৰে। কেলেই বলি এজন মহা ভকত আছিল। এই বলিক বামনে কেনেকৈ চলনা কৰিলে আৰু চলনা কৰিবলৈ ক'ত সুযোগ পালে—ভকতকতো কোনেও চলনা কৰিব নোৱাৰে, ভকতকতো কোনেও বিপদত পেলাব নোৱাৰে। ভগৱানে তেওঁক ৰক্ষা কৰি থাকে। যিজন পৰম ভকত তেওঁৰ কোনো বিপদ নাই। বলিও এজন ভকত। তেওঁ ভাবিছিল মোৰ অগাধ সম্পত্তি আছে। এই বামন ল'ৰাটোৱে তিনি পদ ভূমি বিচাৰিছে। মই দান দিয়াৰ কি সাৰ্থক হ'ল আৰু এই অগাধ সম্পত্তিৰ গৰাকী হোৱাৰ কি অৰ্থ হ'ল। সেই অহংকাৰৰ ফলত বলিৰ দুৰ্গতি হ'ল। আৰু সেই দুৰ্গতিৰ পৰা উদ্ধাৰ পাবৰ কাৰণে তেওঁৰ পৰিবাৰে ভক্ত হিচাবে প্ৰাৰ্থনা কৰিছে। বৃন্দাৱলীয়ে নিজৰ স্বামীয়ে কোনো দোষ কৰা নাই বুলি প্ৰাৰ্থনা নকৰিলে। তেওঁ প্ৰাৰ্থনা কৰিলে হে জগদীশ্বৰ

মোৰ স্বামীয়ে ভুল কৰিলে সকলো সম্পত্তিৰ গৰাকী তুমি। কিন্তু স্বামী ভাবিলে এইবোৰৰ মালিক তেওঁহে। এই অহংকাৰৰ দোষ হ'ল তুমি ক্ষমা কৰিবা। ভকত সেৱে যিয়ে বিদ্যা, জ্ঞান, শ্ৰীকান্তি, একোৰে অহংকাৰ নকৰে মাত্ৰ, একান্ত ভাবে, নম্ৰভাবে ভকতৰ সেৱা কৰে, কেৱল ঈশ্বৰ কৃষ্ণৰ তেওঁ অহোৰাত্ৰী জপ কৰি থাকে। এই সকলৰ আশ্ৰয়তে ঈশ্বৰ কৃষ্ণক পোৱা যায়।

ভক্তি মাৰ্গ কি? ভক্ত সকলে যি পথ আচৰণ কৰি আছে সেইটোৱেই ভক্তি মাৰ্গ। ভকত সকলে যি পথেৰে গৈ আছে সেইটোৱে ভক্তি পথ। ইয়াৰ বিষয়েও শাস্ত্ৰত দিছে—

একনামে যত পাপ সংহৰিতে পাৰে
ততেক পাতকী পাপ কৰিতে নপাৰে ॥

সেই কাৰণে অজামিলে অনিচ্ছা স্বত্তেও নাৰায়ণ নাম উচ্চাৰণ কৰোতে তেওঁ গতি পালে। দকৈ চালে পোৱা যায় তেওঁ পৰম গতি মুক্ত নাৰায়ণ নাম পোৱা নাই। এই নামৰ মহিমা প্ৰকাশ কৰি বিষ্ণু দূত সকলে যম দূতৰ হাতৰ পৰা ৰক্ষা কৰিলে আৰু অজামিলেও ভক্তি পথ আৰোহণ কৰিলে। তেওঁৰ সাধনা যিমান হয় তাৰ পৰীক্ষাৰ কাৰণে বিষ্ণুদূত সকলে এৰি থৈ গৈ আৰু অজামিলে ইয়াৰ পিছত এক পৰম ঈশ্বৰক ধ্যান কৰি কৰি অহা কৰ্মৰ বাবে অনুসূচনা কৰি ভগৱানৰ যেতিয়া গুণ কীৰ্ত্তন কৰিবলৈ ললে তেতিয়াহে তেওঁ লীন গৈছে। এইটোৱে হৈছে ভকতি পথ। ভক্তি পথত বিনম্ৰ হৈ অহংকাৰ দূৰ কৰি সকলো মায়াৰ পৰা আতৰি সি কৰ্ম পন্থ নিৰ্ণয় হৈছে সেইটোৱে ভক্তি মাৰ্গ।

আমি যিবোৰ কৰ্ম কৰি আছো চাৰি আশ্ৰমৰ মাজেৰে আশ্ৰম ভুক্ত নোহোৱাকৈ কৰি আছো। এই কৰ্মবোৰ ভিতৰত পাঠ প্ৰসঙ্গৰ পৰা নিজৰ খোৱা বোৱা আদি। অন্য ধৰণৰ কৰ্ম, ল'ৰাটো পঢ়াত আগবাঢ়ি যাওঁক বুলি সৰস্বতীৰ কাৰণেও, নিজৰ ধন বিতৰ কাৰণে লক্ষ্মী পূজা, বিশ্বকৰ্মা পূজা ভাগ কৰিছো— যেনিবা মহাপুৰুষীয়া হলো কাৰণে বামুন নানি কীৰ্ত্তন পঢ়াই বা নাম কীৰ্ত্তন কৰিয়েই কৰিছো এইবোৰ ভক্তি মাৰ্গও কিমানদূৰ প্ৰয়োজন তাৰ বিচাৰৰ প্ৰয়োজন। ভকতৰ কাৰণে ভগৱন্তই গৈছে—

বেদে যাক কয় তাক শুনা প্ৰাণ সখি।
মায়াময় বেদ ধৰ্ম সবাকো উপেক্ষি ॥

হে প্ৰাণ সখি মায়াময় বেদে যিবোৰ কৈছে তাক বাদ দিয়া। তেনেহলে আমি

তেনে আচৰণ কৰিব লাগিব। আমি ঈশ্বৰৰ সেৱা ভাগ কৰিছো কোনো অভিলাস নাই, কামনা নাই। কিন্তু মোৰ ল'ৰাটোৰ জ্বৰ হ'ল তাৰ ৰক্ষাৰ কাৰণেও সকাম এভাগ পাতিছো। ইয়াতে দুটা ভক্তি অবিৰোধী কাম আনটো ভক্তি বিৰোধী কাম। ভক্তি বিৰোধী কাম হ'ল—

অনাচাৰ কৰে যিটো অপৰাধী নুহি।

অন্যদেৱ পূজে যিটো সিটো মোৰ দ্ৰোহী॥

তেনেহলে বুজা গ'ল যি সকলে অন্য দেৱতাক আশ্ৰয় কৰিছে সেই সকল ভগৱন্তৰ দ্ৰোহী আৰু অভকত। সেই সকল যদি ভকত হৈছে তথাপি বৰ্জনীয়। ব্যাস কলাইৰ দৰে। শোচকৰি গা ধুব লাগিছিল— নুধুলে সেইটো অনাচাৰ হ'ল— সেইটোও ইমান অপৰাধ নহয়। কিন্তু অন্য দেৱতা পূজা কৰা সকল, মোৰ লগত লেটি লৈ পূজা কৰা সকল, সেইজন কিন্তু মহা দ্ৰোহী ত্যাগ কৰিছো। সেই কালৰ পৰা সাহসী কামবোৰ ভক্তি অবিৰোধী। কিন্তু ঈশ্বৰ কৃষ্ণত শৰণ লৈ অন্য দেৱতালৈ। কৰিলে সেইটো ভক্তি বিৰোধী তাকে কোৱা হৈছে—

তাৰত কৃষ্ণৰ ভক্ত নৰে ভক্তি অবিৰোধী কৰ্ম কৰে

কৃষ্ণৰ কথাত ৰতি যাৰে নৃপঞ্জয়।

যেৱে ভৈল কৃষ্ণ কথা ৰত নিত্য নৈমিত্তিক আদি যত

কথাৰ বিৰোধী জানিয়া সবে তেজয়॥

ইমান সময়ে ভক্তি অবিৰোধী কৰ্মবোৰ কৰি আছিল। কিন্তু পৰম ভক্ত জনে কথাৰ বিৰোধী কথা মানে হৰি কথাই কথা। হৰি বাদ দি অন্য কথাবোৰ অকথা। যেনেকৈ ভক্তি বুলি কলে কৃষ্ণক ভজনা কৰাটোৱে ভক্তি অন্য দেৱতাক সেৱা কৰাটো ভক্তি নহয়। সেইদৰে কথা বুলি কলেই হৰি কথা— তাৰমানে এই কামবোৰ ভগৱন্তৰ কথা নহয় বুলি এৰিব। কেতিয়া এৰিব? যেতিয়া কৃষ্ণ কথাত ৰতি উপজে। ৰতি মানে কি? য'ত শ্ৰদ্ধা আছে, য'ত বিশ্বাস আছে আৰু য'ত ভক্তি আছে। মানে সকলো ভজনা বাদ দি যি ভক্তি হ'ল সেইটো হৈছে ৰতি, প্ৰেম ভক্তি। গোপিনী সকলক প্ৰথমতে ঈশ্বৰ কৃষ্ণই সংগ দিয়া নাছিল। কাৰণ তেওঁলোকৰ মায়া দূৰ হোৱা নাছিল। মায়া যেতিয়া দূৰ হ'ল যেতিয়া গোপীসকলে কৃষ্ণক হেৰুৱাই কৃষ্ণ লীলা কৰিছিল। মায়া যেতিয়ালৈকে আছিল তেতিয়া গোপী-সকলে কাত্যায়নী পূজা কৰিছিল কৃষ্ণক পাবৰ কাৰণে। তেতিয়া গোপীসকলে আৰু কোনো পূজা পাতলালৈ নগ'ল। তেওঁলোকৰ আগৰ কামখিনি ভক্তি বিৰোধী

আৰু পিছত কৰা কাম খিনি ভক্তি অবিৰোধী। সেই ভাবেৰে ভক্তি যেতিয়া উপজিব, সেইটো আচল কৃষ্ণ ভক্তি। ভক্তি ৰত্নাকৰত এই পদফাকিৰ ব্যাখ্যা এনেদৰে দিছে—

বুজিবা বিচাৰ কৰি কৰ্ম অকৰ্মক।
কোনটো কৰ্ম কোনটো অকৰ্ম বিচাৰ কৰি চাবা।
আৰু পিছত নিৰ্ণয় কৰিব পাৰিবা।
অন্যথা এৰিলে আত মহাদোষ আছে॥

তেখেতে এৰিছে কাৰণে মই এৰিছো, কিন্তু মোৰ বিশ্বাস হোৱা নাই। মোৰ মনত এটা খুকুজা থাকি গ'ল। এই ভাবে এৰিলে দোষ হব।

ইহাৰ সিদ্ধান্ত লৈও বচনে কৃষ্ণৰ॥
ইন্দ্ৰিয় ভোগে বিৰকতি ভৈল যাৰ।
নিত্য নৈমিত্তিক কৰ্ম কৰিবাক লাগে তাৰ॥
ভৈল যাৰ শ্ৰদ্ধা মোৰ কথা শ্ৰৱণত।
নিত্য নৈমিত্তিক আদি কৰ্ম আছে যত॥
কথাৰ বিৰোধী জানি তেজিবে সকল।
সমস্ত কৰ্মৰ কথা শ্ৰৱনেসে ফল॥

গতিকে বিচাৰ কৰি কৰিব লাগিব। দেখাক দেখি এৰিলে নহয়। মই আগতেই কৈছো সকামী কৰ্মবোৰ ভক্তি অবিৰোধী কৰ্ম। সকামী কৰ্মত কৃষ্ণ ভক্ত সকলে কৰি আহিছে। কিন্তু ইয়াত এটা কথা আছে। ভক্তি ধৰ্ম সম্পূৰ্ণ নিকা, শুদ্ধধৰ্ম। শুক জনে ইয়াক প্ৰকৃতিৰ লগত তুলনা কৰি কৈছে ই শৰৎ কালৰ দৰে পবিত্ৰ। বাৰিষা বা বসন্ত কালৰ লগত তুলনা নকৰি শৰৎ কালৰ লগত কিয় তুলনা কৰিছে। কাৰণ শৰৎ কালত বোকা পানী লেতেৰা আদি ত্যাগ কৰিলে। ৰাষ্টা পদূলি পৰিস্কাৰ হ'ল, মনত প্ৰফুল্লতা আহিল। জাৰ নাই জহ নাই চাৰিওফালে আনন্দ—নিৰানন্দ নাই।

আৰে ব্ৰহ্মচাৰী বেদ পঢ়িবেক
গৃহস্থে কৰিবে কৰ্ম।
আৰে বনবাসী পঙ্ক ধৰিবেক
তাৰত সন্যাস ধৰ্ম॥

এই হৰি ভক্তিত দুখ একো নাই। সকামীৰ দুখ আছে। মই সেৱা ভাগ কৰিলো।

প্ৰভুৱে মোৰ ফালে নাচালে দুখ থাকিল। কিন্তু নিষ্কাম ভকতিত দুখ নাই। শৰৎ কালতো আমাৰ ভকতি পন্থ। সেই দৰে ভক্তি অবিৰোধী কৰ্মবোৰ কৰিলে কৃষ্ণৰ খং নুঠে। কৃষ্ণত একান্ত ভাবে প্ৰেম জন্মিল। তেতিয়া সকলো কৰ্ম অৰ্পন কৰিলে। গৰু বিক্ৰি কৰিলে যেনেকৈ গৰুৰ সকলো দয়িত্ব নোহোৱা হয়। সেই দৰে যেতিয়া ঈশ্বৰ কৃষ্ণক অৰ্পন কৰি দিয়া হয় তেতিয়া গৃহস্থী পালনত সকলো দায়িত্ব কৃষ্ণৰ কামলৈ গুছি গ'ল। ঈশ্বৰে সকলোতে ৰক্ষা কৰিব। যদি কিবা বিপদত পৰিছে তেনেহলে বুজিব লাগিব কৃষ্ণ সেৱাত কিবা ব্যাঘাত হৈছে। এনেদৰে ভক্তি কৰিলেহে কোনবোৰ কাম আদৰণীয় আৰু কোনবোৰ বৰ্জনীয় ওলায় পৰিব। ★

শ্ৰীহৰগোবিন্দ দাস ঃ জিনকাটা সত্ৰ।

সচা কথা কবলৈ গলে আজিৰ যি "ভক্তিমাৰ্গ আৰু নিত্য নৈমিত্তিক কৰ্ম তাৰ ভিতৰত ৰাতিপুৱা শুই উঠাৰ পৰা ৰাতি শুৱালৈকে যিবোৰ কৰ্ম কৰা হয় এইবোৰকে নিত্য কৰ্ম। নৈমিত্তিক কৰ্মৰ ভিতৰত পুত্ৰ জন্মৰ পিচত নামকৰণ, অন্ন প্ৰাশন, চূড়াকৰণ আদি যিবোৰ কৰ্ম, তাৰোপৰি বিবাহ মৃতকৰ অৰ্থে কৰা কাৰ্য আদি যিবোৰ কৰ্ম কৰা হয় সিবোৰক নৈমিত্তিক কৰ্ম বোলে। তাকে আমাৰ মহাপুৰুষীয়া একশৰণীয়া ভকত সকলে কেনে ধৰণে কৰিব লাগে তাকেই আলোচনা কৰিবলৈ বোধহয় ইয়াৰ কাৰ্য সূচীত দিছিল। আমি মূৰ্খলোক। পণ্ডিত সকলে বৰ উৰ্চ্চভাষাত ইয়াক কৈছে আমি একো বুজি নাপাও। আজি শ্ৰীমৎস্বামী কৃষ্ণানন্দ ব্ৰহ্মচাৰীদেৱে দীঘলীয়া ভাষণ দিছে কিন্তু তেখেতে এই বিষয়ে কোনো সিদ্ধান্ত দিয়া নাই। আমি তাৰ কাৰণে দুখ পাইছো। কিয়নো তেখেতে যদি কলেহেতেন যে নিত্য নৈমিত্তিক কৰ্মবোৰ তেনেধৰণে কৰাটো ভুল এনে ধৰণে কৰাটো শুদ্ধ, তেতিয়া আমি উপকৃত হলোহেতেন। সেই দৰে আৰু কেইজনমানে মাত্ৰ ভক্তি শব্দৰ ওপৰত কৈছে। মই নিত্য নৈমিত্তিকৰ বিষয়ে যি জানো দুআষাৰ কম।

প্ৰভুসকল, আমাৰ গুৰু দুজনাই যি দিছে আমি সিটো বুজো গুৰুদেৱ নাম ভকতৰ ওচৰত অৰ্পন কৰি দিছো। তাৰ পিচত বেদৰ কৰ্মকাণ্ড মতে চলাতো উচিত

নহয়। আমাৰ কাৰণে বেদৰ কৰ্মকাণ্ড, জ্ঞান কাণ্ড সেই দুৰ্বোধ্য বিষয় সমূহ উপযুক্ত নহয় বুলি ধাৰণা হয়। মহাপুৰুষ শঙ্কৰদেৱে সমাজৰ একেবাৰে নিস্পেষিত দলিত শোষিত, একেবাৰে মূৰ্খ ধৰণৰ নিম্নস্তৰৰ লোক সকলে বুজিব পৰাকৈ সংস্কৃতৰ দুৰ্বোধ্য ভাষণৰ পৰা চমুকৈ সহজ কৰি মাতৃ ভাষাত দি থৈ গৈছে। গতিকে আজিৰ এই অভিবৰ্তনতো বেদ বেদান্তকে লৈ থাকো তেনেহলে সিদ্ধান্তলৈ অহাত কঠিন হব। আজি ভাৰত বৰ্ষতেই নহয় পৃথিবীতো চাৰিহাজাৰ বছৰে গীতাৰ ব্যাখ্যা চলি আহিছে আমাৰ সঞ্চালকদেৱে আৱস্তনীতে কৈছে যে দাক্ষিণাত্যত তেনে ধৰণৰ তৰ্ক বিতৰ্ক লাগি থাকোতে ভাৰতবৰ্ষৰ সনাতন হিন্দু ধৰ্মৰ মনুহখিনি বহিঃ-ধৰ্মলৈ গুচি গল। আজি এই অভিবৰ্তনতো তেনেধৰণে অতিবাহিত কৰো তেনেহলে এই অমূল্য সময়ৰ পৰা আমি উপকৃত নহম। মই নতশিৰে অনুৰোধ কৰিছো আমি কিছুমান কথা খোলাভাবে আলোচনা কৰিব লাগে।

নৈমিত্তিক কৰ্মৰ ক্ষেত্ৰত যিহেতু আমি কৃষ্ণভক্ত তেনেহলে এহাল ল'ৰা ছোৱালীৰ মিলন বিবাহ, বিবাহৰ যিখিনিকৰ্ম সেইখিনি ধৰ্মীয় অনুষ্ঠান নহয়। ধৰ্মৰ কথা হল আমি কেনেকৈ পৰম পিতাৰ ওচৰলৈ যাব পাৰো, তাৰ কাৰণে কৰাতোহে কৰ্ম। বিবাহৰ বেলিকা যদি ধৰ্মৰ অনুষ্ঠান হিচাবে বেদ বেদান্ত আদি কথালৈ অহা যায় তেনেহলে সমাজত এইটোৱে সুস্থিৰতা নানিব। গতিকে বিবাহ, শ্ৰাদ্ধ আদি যিবোৰ নৈমিত্তিক কৰ্ম সেইবোৰ আমাৰ দুজনা গুৰুৰ নিৰ্দেশক কৃষ্ণৰ নামেৰে কৰিব পাৰি। আন হাতেদি বিবাহত বহা ডেকা গাভৰু হালে সংস্কৃত ভাষাৰে উপকৃত হব নে, মাতৃ ভাষাত অসমীয়া ভাষাত বুজাই দি কৰিলে উপকৃত হব গুৰু দুজনাৰ যিটো লক্ষ্য, সাধাৰণ জন সাধাৰণৰ কাৰণে যি দুৰ্বোধ্য সংস্কৃত ভাষাৰ পৰা মাতৃ ভাষাত নৈমিত্তিক কৰ্মবোৰ বিধান দি গৈছে সেইটোৱেই উপযুক্ত বুলি মই ভাবো। এই ক্ষেত্ৰত সমাজৰ বন্ধন আছে সচাঁ। কিন্তু আমি সকলোৱে লগ হৈয়েইতো সমাজ। আজি আমি লগ হৈ যিটো সিদ্ধান্ত লম সেইটো সকলোৱে গ্ৰহণ কৰা উচিত। সমাজত কিবা এটা ব্যভিচাৰ বুলি যি বন্ধন আছে সিও নৰব। আমাৰ সমাজত যিবোৰ অনাচাৰ ব্যভিচাৰ আছে তাক চুৰকৰি ইয়াতেই পৰিত্যাগ কৰিব লাগে আৰু দুজনা গুৰুৰ লিখনিৰ ওপৰত সকলো ঠিক কৰিব লাগে। মই এই বিষয়ে গলবস্ত্ৰ লৈ অনুৰোধ কৰিছো দুজনা গুৰুৰ লিখনিৰ ওপৰত কিবা এটা সিদ্ধান্ত গ্ৰহণ কৰক।

*

শ্ৰীপ্ৰভাত চন্দ্ৰ দাস : শংকৰ মাধৱ প্ৰতিভা কেন্দ্ৰ : গুৱাহাটী

ইয়াৰ আগৰ বক্তা সকলে ভক্তি মাৰ্গৰ বিষয়ে কৈ গৈছে। মই ভক্তি মাৰ্গৰ বিষয়ে নকৈ একমাত্ৰ নিত্য নৈমিত্তিক কৰ্মৰ বিষয়েহে কম।

কৃষ্ণত শৰণ লৈ শ্ৰৱণ কীৰ্ত্তনেৰে তেওঁক ভক্তি কৰা ভক্ত সকলে বিধিৰ কিংকৰ ধৰ্ম কৰ্মবোৰ কৰাৰ কোনো প্ৰয়োজন নাই —

বিধিৰ কিংকৰ যতেক সাধন
তাক পাশ কৰি থৈয়ো।
বিধিৰ ঈশ্বৰ হৰি নাম গুণ
তাহাতে শৰণ লৈয়ো ।। নামঘোষা

কিন্তু আন ধৰ্মে তন্ত্ৰ মন্ত্ৰ নানা চিত্ৰ হয়।
ভাগৱত ধৰ্মে নাহি ইসব সংশয় ।।

ভক্তি পন্থৰ পথিক সকলে বেদ বিহিত কৰ্মবোৰ কৰিব নোৱাৰে—

বেদৰ বিহিত কৰ্ম কৰিবাক
ভকতৰ যোগ্য নুই।
যদি মোহ হৈয়া কৰে কৰ্ম ধৰ্ম
ভকতিত ভ্ৰষ্ট হুই ।। ভক্তি প্ৰদীপ।

কাৰণ বেদ বিহিত কৰ্মবোৰ বিধিৰ কিংকৰ বুলি মহাপুৰুষ মাধৱদেৱে নামঘোষাৰ ১৩৩ নং ঘোষাত উল্লেখ কৰি গৈছে।

ভকতনৰ একশৰণ হৰি নাম ধৰ্মত স্বধৰ্ম ত্যাগ কৰিলেও কোনো দোষ নহয় বুলি স্বয়ং কৃষ্ণৰ বাণীৰেই উদ্ধৃতি দিছে—

ভকতিসে সমস্তে পুণ্যৰো হোৱে পাত্ৰ।
জানি নিজ ধৰ্ম তেজি মোক ভজে মাত্ৰ ।।
সুদৃঢ় বিশ্বাসে মোক কৰিলেক বশ্য।
সেহি মহা সাধু সখি কহিলো ৰহস্য ।।

কাৰণ স্বধৰ্মবোৰ হৰি ভকতিৰ কিংকৰহে।

যত্তেক স্বধর্ম হৰি ভকতি কিংকৰ।
ভকতিৰ মুখ চাই থাকে নিৰন্তৰ॥

কিন্তু ভক্তিৰ কিংকৰ মানে কি বুজায়? বিধিৰ কিংকৰ, জাতিগত স্বধর্ম বেলেগ বেলেগ।

একমেব তু শূদ্রস্য প্রভুঃ কর্ম সমাদিশৎ।
এতেষামেব বর্ণানাং শুশ্রূষামান সূয়য়া॥

অর্থাৎ শূদ্রৰ একেটাই মাত্র কর্ম। সেইটোৱেই হৈছে মনত কোনো ঈর্ষা বা বেয়া ভাব নৰখাকৈ ব্রাহ্মণ, ক্ষত্রিয় আৰু বৈশ্যৰ পৰিচর্যা কৰা। আকৌ ব্রাহ্মণৰ বেদ অধ্যয়ন। এইবোৰ হ'ল বিধিৰ কিংকৰ স্বধর্ম আৰু এই স্বধর্ম ত্যাগ কৰি একমাত্র কৃষ্ণত ভক্তি কৰিবলৈকেহে কৃষ্ণই নির্দেশ দিছে। আকৌ যিহেতু কলিযুগত ব্রাহ্মণ, ক্ষত্রিয়, বৈশ্য, শূদ্র চাৰিওটা জাতিয়েই এক বর্ণত পৰিণত হব আৰু কলিযুগত হৰি নাম ধর্মহে ৰব। গতিকে কলিকালত সকলো লোকৰে স্বধর্ম হ'ল—

নবিষ্ণুৰাৰাধনাৎ অন্যৎ বিদ্যতে কর্ম বৈদিকম্। অর্থাৎ বিষ্ণুৰ আৰাধনাৰ বাহিৰে আন কোনো বৈদিক কর্ম নাই। গতিকে তস্মাৎ অনাদিত্য স্বাধ্যানমিত্যাং আৰাধন্যো হৰিং—অর্থাৎ আন সকলো বিধিৰ কিংকৰ কর্ম ত্যাগ কৰি একমাত্র হৰিক আৰাধনা কৰা, এইয়া হ'ল কলিত সকলো ধর্মৰে স্বধর্ম। মহাপুৰুষমাধৱ দেৱেও লিখিছে—

কলিত নামেসে কলিত নামেসে
নামেসে গতি লোকৰ।
মোহোৰ নামেসে জানিবা নিশ্চয়
স্বধর্ম কলি যুগৰ॥

ওপৰোক্ত কলি কালৰ সর্বলোকৰ স্বধর্ম মতে বিষ্ণুক আৰাধনা কৰিলে বেদ উলংঘা কৰা হয়। শ্রুতিস্তু বেদ বিষয়—শ্রুতি মানে বেদ, স্মৃতিবেদ নহয়। ই ধর্ম শাস্ত্রহে। বেদ বিহিত কর্ম মতে স্ত্রী, শূদ্র দ্বিজবন্ধুৰ বেদত কোনো অধিকাৰ নাই। বেদ শুনিবৰো যোগ্য নহয়, মন্ত্র পাঠ কৰিব নোৱাৰে আৰু অধিকাৰ নাই। বৈদিক কর্ম কৰাত—"স্ত্রী শূদ্রাঃ দ্বিজবন্ধুত্রয় ত্রয়ী ন শ্রুতি গোচৰা। গতিকে যি শূদ্রৰ বেদত অধিকাৰ নাই, সেই শূদ্রই শ্রুতি স্মৃতি বিহিত কর্ম নকৰিলে শ্রুতি স্মৃতি উলংঘা কৰা নুবুজায়। গতিকে শ্রুতি স্মৃতি নামানিলে শূদ্রৰ কোনো পাপ নহয়। "ন শূদ্রায় পাতকং কিঞ্চিৎ"। গতিকে—

মাধৱে বোলন্ত শ্ৰুতি স্মৃতি মোৰ আজ্ঞা বাণী জানা নিষ্ট
যিটো জনে আক উলংঘিয়া প্ৰৱৰ্ত্তয়।
হৈল সিটো মোৰ আজ্ঞাছেদী মোৰ দ্বেষ কৰিলেক আতি
মোৰ ভক্ত হন্তো বৈষ্ণৱ সিটো নোহয়॥

পণ্ডিতে মাধৱ দেৱৰ এই পদফাঁকিতে যুগ যুগ ধৰি বেদ অধ্যয়ন কৰিবলৈ এৰি দি ব্ৰাহ্মণ সকলেহে শ্ৰুতি স্মৃতি উলংঘা কৰিছে। শূদ্ৰই উলংঘা কৰা নাই। যিহেতু বেদত শূদ্ৰৰ অধিকাৰেই নাই। আকৌ শ্ৰুতি বিহিত নিত্য কৰ্ম পঞ্চ যজ্ঞ নকৰিলে কৰ্ম কাণ্ডী সকলে শ্ৰুতি অৰ্থাৎ বেদ উলংঘা কৰা হয়।

দেৱ ঋষি ভূত পিতৃ পোষ্য এসম্বাৰ।
উপজিলে লোকত পাঞ্চবো লাগে ধাৰ॥
এতেকে কিংকৰ ঋণী ভকতি বিহীন।
পঞ্চ যজ্ঞ কৰিয়া পাঞ্চবো সাধে ঋণ॥

কিন্তু একশৰণীয়া ভক্ত পন্থত চলা সকলে এই পঞ্চ ঋণ পৰিশোধ কৰিবৰ কাৰণে নিতৌ পঞ্চযজ্ঞ কৰাৰ কোনো প্ৰয়োজন নাই।

সৰ্বভাৱে শ্ৰীকৃষ্ণত যি লৈল শৰণ।
নোহে ঋণী কিংকৰ পাঞ্চৰো সিটোজন॥
এৰি আন কৃত চিত্ত দিলেক হৰিত।
হৈল কৃত্য কৃত্য সিটো এতেকে কলিত॥
কহিলো বিহিত কৰ্ম ত্যাগ ভকতৰ।
যদি প্ৰমাদত পাপ কৰে সিটোনৰ॥
তথাপি নালাগে তাৰ আন প্ৰায়শ্চিত্ত।
শুনিয়োক নিমি তুমি স্থিৰকৰি চিত্ত।

শংকৰদেৱৰ প্ৰৱৰ্ত্তিত ভক্তি মাৰ্গ এক শৰণৰ ওপৰত প্ৰতিষ্ঠিত। সেই বাবে নিত্য নৈমিত্তিক কৰ্ম বিচাৰ কৰিব লাগিলে এক শৰণৰ লগত যিবোৰ নিত্য নৈমিত্তিক কথা সঙ্গতি পূৰ্ণ হব তাকেহে কৰিব লাগিব। ভগৱানে উদ্ধৱক কৈছে—

এতেকে উদ্ধৱ তুমি তেজা বেদ পন্থ।
যিবা জানা শুনা যানে এৰা সৱেগ্ৰন্থ॥

আকৌ ভগৱানে অৰ্জুনক কৈছে—

সৰ্ব ধৰ্ম এৰি এক শৰণ সাক্ষাত।
সুদৃঢ় বিশ্বাসে সখি লৈয়োক আমাত॥

পতিকে বেদ আদি শাস্ত্র বিহিত ধর্মবোৰ একশৰণ ভকতিত আহিব নোৱাৰে। ইয়াত সৰ্ব ধৰ্ম বোলোতে লৌকিক বৈদিক বিধিৰ কিংকৰ ধৰ্মবোৰ এৰাৰ কথা কৈছে। সেই বাবেই এক একশৰণ ভক্তি মাৰ্গত বেদ আদি শাস্ত্ৰ বিধিৰ কিংকৰ হি কোনো ধৰ্ম কৰ্মবোৰ বৰ্জনীয়। কাৰণ ভক্তি ৰত্নাকৰত শ্ৰীশংকৰদেৱে এক শৰণ নিগুৰ্ণা ভক্তিৰ মাহাত্ম্যৰ আদৰ্শত কৰিছে। সেয়ে একশৰণৰ লগৰ নিৰ্গুণ শ্ৰৱণ কীৰ্ত্তন হৰি নামেহে সংগতি পূৰ্ণ হব পাৰে। পতিকে গুৰু জনাই সত্ৰত নিগুৰ্ণা ভক্তিৰ অন্তৰ্গত নাম প্ৰসঙ্গ আদি নিত্য কৰ্ম হিচাবে চলাইছিল। নিত্য নৈমিত্তিক কৰ্মৰ ভিতৰত তিথি পৰ্বত ঘোষা কীৰ্ত্তন, গীতৰ পালা আখ্যান আদি ব্যৱস্থা কৰি থৈ গৈছে। এই খিনিয়ে নাম ধৰ্মৰ অংশ স্বৰূপ।

চিত্ত শুদ্ধিৰ কাৰণে একশৰণীয়া ভকতৰ অন্য ধৰ্ম কৰ্মৰ প্ৰয়োজন নাই। ভগবানত শৰণলৈ হৰি নাম শ্ৰৱণ কীৰ্ত্তন কৰিলেই ভগৱানে হৰ্ষ চিত্ত হৈ চিত্ত শুদ্ধি কৰি থাকে। এক শৰণ ভক্তি মাৰ্গত নৈমিত্তিক কৰ্মবোৰো নাম কীৰ্ত্তনবেহে মাঙ্গলিক কৰ্মবোৰ কৰিব লাগে। বিশেষকৈ কলি যুগত এইবোৰ কৰ্ম ধৰ্ম নিস্ফল। পতিকেই কৰণীয় নহয়। মহাপুৰুষৰ প্ৰতিস্থিত সত্ৰত নিত্য নৈমিত্তিক হিচাবে বিগ্ৰহ, পূজা কৰা ব্যৱস্থা গুৰু জনাই কৰি থৈ যোৱা নাছিল। মহাপুৰুষৰ একান্ত সেৱক মথুৰা দাস বুঢ়া আতা পুৰুষে নিশ্চয় তেৰাৰ জীৱন কালতো ইয়াৰ বিৰুদ্ধে যুঁজ কৰি গৈছে। তেওঁ সত্ৰত বিগ্ৰহ পূজাৰ কোনো প্ৰচলন কৰি থৈ যোৱা নাছিল। মহাপুৰুষদ্বয় আৰু আতা পুৰুষ সকলৰ পিছত পূজাবাদী সকলে বিগ্ৰহ যে আনিলে এইটো খাতাং। মহাপুৰুষীয়া সকলে যেন খুব ভালকৈ মনত ৰাখে "ভগৱন্ত ভকতক শমন নধাৰে"—কৃষ্ণত ভকতি কৰিলে যম বজাইও, দোষ নধৰে। আৰু যেন পাহৰি নাযায়—জীৱ ঈশ্বৰৰ হে অংশ। পতিকে মৃত্যুৰ পাছত জীৱৰ গতি মুক্তি অধিকাৰী স্বয়ং ঈশ্বৰহে, জীৱৰ গতি মুক্তিৰ লগত কাউৰী, কুকুৰ, শিয়াল, মেকুৰীৰ কোনো সম্পৰ্ক নাই। পতিকে যদি নিজেও উদ্ধাৰ পাব বিচাৰিছে আৰু কুলো উদ্ধাৰ কৰিব বিচাৰিছে তেন্তে নৰসিংহই প্ৰহ্লাদক কোৱা বচন নাপাহৰে যেন—

পৰম বৈষ্ণৱ ভই পুত্ৰ ভৈলি যাৰ।
একৈশ পুৰুষ তাৰ কৰিবি উদ্ধাৰ॥

বিবাহ উপলক্ষে মহাপুৰুষীয়া একশৰণ ধৰ্মাৱলম্বী লোক সকলে হোম কৰিব নোৱাৰে। কাৰণ হোম কৰিব লাগিলে বৈদিক দীক্ষা লব লাগিব। কিন্তু গুৰু

জনাব ধৰ্মত শৰণ হে আছে দীক্ষা নাই। কৰ্ম কাণ্ডৰ হোম কৰিব লাগিলে তাত অন্য দেৱ দেৱীবো পূজা কৰা হয়। গতিকে এক শৰণীয়া সকলে হোম কৰিব নোৱাৰে। আকৌ কিছুমান মহাপুৰুষীয়াই বিয়াত বিষ্ণুৰ হোম কৰিও নিজকে গুৰু জনাৰ একান্ত সেৱক বুলি দাবী কৰে। কিন্তু বিষ্ণু হোম হলেও সেয়া ধৰ্ম নহয়। গতিকে তেওঁলোক মহাপুৰুষীয়া যদিও মহাপুৰুষ দুজনাৰ কিছু কথা মনা নাই আৰু কিছু কথা মানিছে। আকৌ হোম ৰহিত বিবাহ আইনৰ কালৰ পৰাও স্বীকৃত। ১৯৫৫ চনৰ হিন্দু আইন মতে দৰা আৰু কইনা যি কোনো এক পক্ষৰ প্ৰচলিত প্ৰথানুযায়ী ধৰ্ময়ে আচাৰ আৰু ক্ৰিয়া পদ্ধতিৰে বিয়া অনুষ্ঠিত হব লাগে। আকৌ কৰ্তৃত্ব সম্পন্ন ন্যায়ালয়ত সিদ্ধান্ত অনুসৰি যেতিয়া এটা প্ৰথা আৰম্ভ কৰা হয় আৰু সেই প্ৰথা একে বাহে ৩০ বছৰ ধৰি চলি থকা প্ৰমান হয়, তেতিয়া সেই প্ৰথাই আইনৰ দৃষ্টিত সম্পূৰ্ণ আইনগত মৰ্যদা লাভ কৰা বুলি স্বীকৃত হয়।

এক শৰণীয়া ভকত সকলে বিভিন্ন কৃতকৰ্মৰ বাবে প্ৰায়শ্চিত্ত হব লগা হলে তাৰ নৈমিত্তিক কৰ্ম পাছৰি শ্ৰৱণ কীৰ্ত্তনৰ দ্বাৰাহে কৰিব লাগিব। আইন কোনো কৰ্ম কাণ্ড কৰিব নোৱাৰে।

ব্ৰহ্ম বধ সুৰাপান অগম্যা গমন।
মহাপাপ ব্ৰাহ্মণৰ সুৱৰ্ণ হৰণ॥
মিত্ৰদ্ৰোহ কৰে মঠ মণ্ডপ দগধ।
আছে আনো জানা যত মহাপাপগণ।
সবাৰো নিষ্কৃতি হৰি নাম সংকীৰ্ত্তন॥
নাম ধৰ্ম হেনয় হৰিক কৰে বশ্য।
নামৰ মহিমা ইটো বেদৰো ৰহস্য॥
ঋষি সবে বিহি আছে প্ৰায়চিত্ত যত।
যাগ যোগ যজ্ঞ জপ তপ তীৰ্থ ব্ৰত॥
কৰিব নাপাৰে সবে নিয়ত মুক্তিক।
হৰি নামে কৰে যেন পবিত্ৰ বুদ্ধিক॥
যদি শতবাৰ কৰে প্ৰায়চিত্ত।
তথাপিতো পাপৰ পথত পৰে চিত্ত॥
মনৰ মলক কৰ্মে গুচাইবে নপাৰে।
হৰিৰ নামেসে পাপ সমূলে উভাৰে॥

আন ধৰ্ম কৰ্ম মানে কৰে মন ৰুদ্ধ।
হৰে হৰি গুণ সংকীৰ্ত্তনে চিত্ত শুদ্ধ॥
এতেকে মহন্ত জনে এৰি কৰ্ম আন।
ফুৰে গলে বান্ধি বন্ধু মাধৱৰ নাম॥

প্ৰায়চিত্ত উদ্দেশ্যত হৰিৰ গুণানুকীৰ্ত্তন কৰিলে তাৰ আগে বা পাছে অইন কোনো কৰ্মকাণ্ড কৰাৰ প্ৰয়োজন নাই। এই সম্পৰ্কে শুক দুজনাৰ লিখনিৰ উপৰিও অসমৰ ব্ৰাহ্মণ (সংস্কৃত) পণ্ডিতসকলে "অসম সংস্কৃত বৰ্ড"ৰ ষষ্ঠ বাৰ্ষিক নলবাৰীত বহা সভাত হৰি নামেৰে প্ৰায়চিত্ত হব পাৰেনে নোৱাৰে এই কথাৰ সুদীৰ্ঘ সময় আলোচনা বিলোচনা কৰাৰ পাছত চূড়ান্ত সিদ্ধান্ত দিয়ে—"হৰি নামং সৰ্বপাপক্ষয় ক্ষমনত্ব ৰস্তি, তদনন্তৰং তৎপূৰ্বতো বা প্ৰায়শ্চিত্তান্তৰস্য কৰ্ত্তব্যত্ব নাস্তাস্তি। অৰ্থাৎ হৰি নামৰ সকলো পাপ ক্ষয় কৰিব পৰা শক্তি আছে। গতিকে পাপ ক্ষয় কৰিবলৈ অৰ্থাৎ প্ৰায়শ্চিত্ত হৰি নামেৰে কৰাৰ পাছত বা আগত আন কোনো প্ৰায়শ্চিত্ত কৰাৰ প্ৰয়োজন নাই।

কহোঁ আৰো ভাগৱত ধৰ্মৰ লক্ষণ।
বিমৰষি পূৰ্ব্বত্ত আপুনি নাৰায়ণ॥
ঋষিমুখে আন ধৰ্ম কৰায়া বেকত।
কহিলে আপোন মুখে নিত্য ধৰ্মযত॥

কৃষ্ণ নিজ ধৰ্ম এক শৰণৰ বাহিৰে আন আন বিধিৰ কিংকৰ ধৰ্মবোৰ যিহেতু বিভিন্ন ঋষিমুনিসকলৰ মুখেদিয়েই ব্যক্ত কৰাইছে। গতিকে ঋষিসকলে এই ধৰ্মবোৰৰ বিধান কেনেদৰে দিছে সেই বিষয়ে আমি অলপ হলেও জানিব লাগিব। তেতিয়াহে একশৰণ হৰিনাম ধৰ্ম আৰু বিধিৰ কিংকৰ ধৰ্মবোৰৰ পাৰ্থক্য স্পষ্ট হৈ পৰিব। এই ক্ষেত্ৰত বৰ্ণাশ্ৰম ধৰ্মৰ বা হিন্দু ধৰ্মৰ আইন স্বৰূপ মনু সংহিতাৰ কথাকে আমি লব পাৰো। এই গ্ৰন্থতেই জাতি আৰু আশ্ৰমৰ কৰ্ত্তব্যবোৰৰ বিধান সোমাই আছে। ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ আৰু ব্ৰহ্মচাৰী আদি চাৰি আশ্ৰমৰ যথাবিহিত আচাৰবিলাক বেদবিহিত কৰ্মৰ অন্তৰ্গত। গতিকে বৰ্ণাশ্ৰম ধৰ্ম সাৰ্বজনীন উদাৰ ধৰ্ম নহয়।

বৰ্ণাশ্ৰম ধৰ্ম যত যাৰ যেন বিধি আছে
তাৰেহে কেৱল অধিকাৰ।
হৰি নাম কীৰ্ত্তনত নাহিকে নিয়ম একো
এতেকেসে ধৰ্ম মাজে সাৰ॥

বর্ণাশ্রম ধৰ্মত শূদ্ৰৰ কোনো ধৰ্মকাৰ্যত অধিকাৰ নাই। শূদ্ৰক কোনো ধৰ্মৰ উপদেশও দিব নোৱাৰে। উপদেশ দিওতাজনহে নৰকত পৰিব। আনহাতে শূদ্ৰই বেদ অধ্যয়ন বা শ্ৰৱন কৰিব নোৱাৰে। আকৌ বেদ অধ্যয়ন ব্ৰাহ্মণৰ প্ৰধান কাৰ্য। সেইদৰে আশ্ৰমো চাৰিটা—ব্ৰহ্মচাৰী, গৃহস্থাশ্ৰম, বানপ্ৰস্থ আৰু সন্যাস। এই চাৰি আশ্ৰমীৰ বাবে মনুৱে নীতি নিয়ম বান্ধি দিছে। সকলোবোৰ আলোচনা কৰাটো সম্ভৱ নহয়। জীৱনৰ প্ৰথম চতুৰ্থ ভাগ গুৰুগৃহত কটাব, তাৰ পাছত সমাবৃত্ত হলে জীৱনৰ ২য় ভাগত পত্নী গ্ৰহণ কৰি সংসাৰী হব। গৃহস্থাশ্ৰমত থাকি যেতিয়া শৰীৰত বাৰ্দ্ধক্যৰ চিন পৰিলক্ষিত হব তেতিয়া বনবাসলৈ যাব। কিন্তু বৰ্তমান মানৱ সমাজৰ বাবে এনেদৰে চাৰি আশ্ৰমৰ মাজেৰে জীৱন কটোৱা অসম্ভৱ আৰু নিশ্চয় কোনেও ইচ্ছা নকৰিব। গতিকে বৰ্ণাশ্ৰম ধৰ্ম নিষ্প্ৰয়োজন। সেয়ে গুৰুজনাই লিখিছে—

এৰিবে আচাৰ ধৰ্ম বেদৰ বিহিত।
কুলক্ৰিয়া একো নাথাকিবে কলিত ।।
অনেক পাষণ্ড আহি ব্যাপিবেক দেশ।
লৈবে লোকে পাষণ্ডজনৰ উপদেশ।
ধৰিবে চাৰিও জাতি আচাৰ শূদ্ৰৰ।
হুইবে অল্প প্ৰমাণ শৰীৰ মনুষ্যৰ ।।
কাহাৰো নুহিকে সাৰ তনু মন শুদ্ধ।
ছাগ সম হুইবে ধেনু এৰিবেক দুগ্ধ ।।
চাৰিও আশ্ৰমী হুইবে গৃহস্থৰ নয়।
ভাৰ্যাৰ কুটুম্বে হুইবে সুহৃদ নিশ্চয় ।।

আকৌ—

এৰিবেক দ্বিজে জাতি ধৰ্ম নিৰন্তৰ।
স্ত্ৰীধন দুইত মাত্ৰ হুইবে তৎপৰ ।।
কুটুম্বী গৃহস্থ সবে ধৰিবেক বেশ।
ছলে ভিক্ষা মাগি ভ্ৰমিবেক দেশে দেশ ।।
বনস্থ তপসী সবে হুইবে গ্ৰামবাসী।
মহাধন লোভী হুইবে যতেক সন্যাসী ।।

মহাপুৰুষ মাধৱদেৱেও জন্ম ৰহস্যত উল্লেখ কৰিছে—

ব্ৰাহ্মণ ক্ষত্ৰিয়   বৈশ্য শূদ্ৰ চাৰি
জাতি হুইবে একাকাৰ।
কলিযুগে বৰ্ণা   বৰ্ণ নজানিবে
গুচিবে লোক আচাৰ॥
সদায় কলিৰ   লোকৰ হৃদয়
মলিন হৈব অপাৰ।
পাতকী জনৰ   ধৰ্ম্মত কৰ্ম্মত
নাহিবেক অধিকাৰ।

সেয়ে, এই কলি কালৰ বাবে তৰণৰ একমাত্ৰ উপায়—

মাধৱৰ নাম গুণ   কলিত পৰম পুণ্য
থাকে যিটো দঢ়াই প্ৰতি নিতে।
শ্ৰৱণ কীৰ্ত্তন কৰে   যদিবা মনত স্মৰে
তাকে বা আসাংস যিটো চিত্তে॥
কেশৱত দঢ়াই হিয়া   যি পাবে নৈবেদ্য দিয়া
তাকে মাত্ৰ পূজে যিটো নৰ।
এতেকে হিয়াত আকি   অযুত জন্মৰ পাপ
কলিত হৰন্ত দামোদৰ।

০—০

শ্ৰীবিজয় কৃষ্ণ গোস্বামী : নতুন কমলাবাৰী সত্ৰ : ডেকা সত্ৰাধিকাৰ

উদ্ধৱক কৃষ্ণই কৈছে—

জ্ঞানে গতি কৰে বেদ লোৱা তাৰ পৰিচ্ছেদ
আছে জ্ঞান ভকতিৰ মাজে ।
ভকতি কৰন্তে জানা আপুনি উপজে জ্ঞান
যোগ চিত্তি মৰৈ মিছা কাজে ।।

গতিকে জ্ঞানত আমাৰ কাম নাই । একশৰণৰ কথা কওঁতেই ভক্তিৰ কথা আহিছে । সকলোৰে এটা কৌতূহল আছে । শংকৰদেৱৰ সংঘ, একশৰণ ভাগৱতী সমাজ আদি অনুষ্ঠানসমূহে হয়তো ভাবিছে সত্ৰসমূহত নিত্য নৈমিত্তিক কৰ্মবোৰ যেনেদৰে চলিছে তেখেতসকলে গুৰুজনাৰ আদৰ্শ মানি চলিছে কিংবা নাই চলা । তেখেতসকলে হয়তো ভাবিছে সত্ৰসমূহে গুৰুজনাৰ আদৰ্শ মানি চলা নাই । জনসমাজত গুৰুজনাৰ নাম ধৰ্ম তেৰাসকলে প্ৰচাৰ কৰিছে । তেখেতসকলে চলোৱা নিত্য নৈমিত্তিক কৰ্ম আমি চাইছো-- সত্ৰসমূহে চলোৱা নিত্য নৈমিত্তিক কৰ্ম আৰু তেৰাসকলে চলোৱা নিত্য নৈমিত্তিক কৰ্মৰ আমি কোনো প্ৰভেদ দেখা নাই । আমি কেনেদৰে চলিছো তাক জনাৰ বিচাৰিছো ।

মাধৱদেৱৰ এখন জৰাজীৰ্ণ চৰিত পুথি পাইছো । তাত কেইটামান পদ আছে । চৰিতখন দীঘলী সত্ৰত পাইছিলো । যোৱা শংকৰদেৱৰ জয়ন্তীত নামধৰ্মৰ সম্বন্ধে আলোচনা হৈছিল । মাধৱদেৱে গুৰুজনাক প্ৰশ্ন কৰিছে—

মৃত্যু ভৈল ইটো জীৱ যায় কোন স্থানে ।
যদি পিণ্ড দিয়ে ইটো খায় কোন জনে ।।
দুই চক্ষু যায় জানা চন্দ্ৰ সূৰ্য পাশে ।
অশ্বিনী কুমাৰ যায় গগন আকাশে ।।
চৰণে গজাক যাত পৱন উল্লাসে ।।
যিটো অন্তৰ্যামী হৰি আছে হৃদয়ত ।

মহাৰজে যায় সিটো বিষ্ণুৰ পূৰক ।।
সমস্ত দেৱতাগণ যায় স্থানে স্থান ।
কোন দেৱক কৰো মই পিণ্ড দান ।।

পুৰণি কাপোৰ এৰি নতুন কাপোৰ পিন্ধাৰ দৰে জীৱ এটা দেহ এৰি আন এটা দেহ লয় । কিন্তু আমাৰ সত্ৰীয়া ব্যৱস্থা মতে কেনেদৰে এই মৃতকৰ উদ্দেশ্যে কাম কৰা হয় । তাৰ উত্তৰ গুৰুজনে দিছে—

ইষ্ট মিত্ৰ বন্ধুবৰ্গ আনিবাহা মাতি ।
প্ৰসঙ্গ কৰিয়া ক্ৰিয়া কীৰ্ত্তন কৰিবা ।
তাৰ পৰে তাল খোল মৃদঙ্গ বজাইবা ।।
নগৰ মাতিয়া পাছে ওজাপালি গাইবা ।
পৰে গাৱ টংকা দিয়া সবাকো তুষিবা ।।
ব্ৰাহ্মণ বৈষ্ণৱ কুতুম্ব আদি যত ।
নিমন্ত্ৰণ কৰিবাক লাগয় সমস্ত ।।
নিজকো কৰিব জানা সত্ৰে বঙিয়াল ।
এহিমতে শ্ৰাদ্ধ কৰিবা নিৰূপণ ।।
তুষ্ট বৃত্তি আদি যত কঙালী ব্ৰাহ্মণ ।
বিনা নিমন্ত্ৰণে আসে যিবা জন ।।
সমস্তকে তুষ্ট কৰে তুষ্ট হোৱে ঈশ্বৰ ।
ধৰ্ম কৰ্ম হোৱয় লাগয় সমস্তৰ ।।
ভাওঁনা সবাহ কৰি অহোৰাত্ৰি ৰক্ষিবা ।।

ইত্যাদি শ্ৰাদ্ধৰ বিষয়ে কৈছে আৰু যিসকলে এইদৰে কৰিব নোৱাৰে যাৰ একো নাই তেওঁলোকৰ কাৰণে কৈছে—

যাহাৰ নাহিকে ধন ধান্য আদি বিভূতি ।
নাম কীৰ্ত্তন দ্বাৰা পূৰ্ণ হোৱে ভকতি ।।
নামে গতি নামে গতি নামেসে মুকুতি ।
সৰ্বজন সৰ্বকৰ্ম নামে মাত্ৰ গতি ।।
নামে নাভাবিলে আৰু আনে কিবা ভাবে ।
তাৰ কাৰ্য সমান কলিত কোন হব পাৰে ।।

পত্তিকে আমি দেখিছো আমাৰ সত্ৰসমূহত্তে প্ৰয়াত্ত অধিকাৰসকলৰ শ্ৰাদ্ধ আদি পতা হৈছে। নাম ঘৰত নাম গোৱাৰ পিছত গায়ন বায়ন গোৱা হয়, ওজাপালি উঠে, ভাওঁনা সবাহ আদি কৰি উৎসৱ কৰা হয়। ইয়াৰ পাছত আশীৰ্বাদ আদি দি নিমখ আদি বিতৰণ কৰা হয়। ইয়াত কোনো ধৰণৰ অন্য দেৱতা আদি পূজা কৰা নহয়। কিন্তু অন্য এটা কাম কৰা হয়—পৰম্পৰা হিচাবে সত্ৰৰ ভকতসকলে কৰ্ম্মকাণ্ড কৰে। কিন্তু আমি গুৰুজনাৰ বাণী দিনে ৰাতিয়ে গায় থকাৰ পিচতো আমি কিয় কৰ্মকাণ্ড কৰিব লগা হ'ল? সেইয়ে গুৰুজনে কৈছে অজ্ঞানীয়ে অৰ্থে ৰাখিলন্ত কৰ্মকাণ্ড। অজ্ঞানী কোন বাৰু? অজ্ঞানীৰ বিষয়ে সংজ্ঞা এনেদৰে দিয়া হৈছে যি কৃষ্ণক নাজানে সিয়ে অজ্ঞানী। সকলোৱে এৰাই একো নাজানিব পাৰে। কিন্তু মই কৃষ্ণত শৰণ লোৱাৰ পাছত যদি কৃষ্ণক বিশ্বাস কৰিব নোৱাৰো অন্য ফালে যাওঁ তেনেহলে সেইটো কেনেকৈ শৰণ হ'ল। কৃষ্ণত দৃঢ় বিশ্বাস। কৃষ্ণৰ বাহিৰে অন্যলৈ এখোজো নিদিয়া। যদি অন্য দেৱতা নুপুজিলে নহয় বুলি ভাবে সেই সকলৰ বাবেও—

"কৃষ্ণক পুজিলে সকলোৰে পূজা হয়।
পৃথকে পুজিলে পূজা কেহোনলয়॥ বুলি কৈছে।

আৰু এটা কথা মানুহে কেতিয়া শৰণ লব লাগে তাৰ কিবা সময় দিয়া আছে নেকি? ডেকাসকলে বা পাণ্ডুকসকলে কয় আমাৰ সময় হোৱা নাই। কিন্তু গুৰুজনে প্ৰহ্লাদ চৰিতত তাৰ বিষয়ে সুন্দৰকৈ কৈ গৈছে। ধ্ৰুৱই পাচ বছৰ বয়সতে ঈশ্বৰৰ আৰাধনা কৰিছিল। ৰামচৰণ ঠাকুৰে গীত লেখিছে—

ডেকা ভাই কিছৰ হৰিস তোৰ
চকুৰে নেদেখ আনেসে ভ্ৰমম আদি বুলি।

ইয়াৰ পিছতো আমি ডেকাবোৰে কব লাগিব নেকি যে আমাৰ কাৰণে একো দিয়া নাই! আমি নাম গাব নোৱাৰো আদি। গুৰুজনে কুমাৰ কালতে ভাগৱতী ধৰ্ম ধৰিবলৈ কৈছে। কোনোবাই যদি এইবোৰ জনাৰ পিছতো কয় যে আমি নাম লব নোৱাৰো। তেনেহলে কব লাগিব কৃষ্ণ নাম এনেয়ে কাৰো মুখত নাহে। পূৰ্ব জন্মৰ সাধনা থাকিব লাগিব। তেতিয়াহে কৃষ্ণ নাম মুখত আহিব। যিসকলে আমাৰ এতিয়াও একো হোৱা নাই বুলি কয় তেওঁলোকে মৰাৰ সময়লৈকে নোৱাৰিব। কাৰণ তেওঁলোকৰ ভাগ্যত নাই। ইয়াতোকৈ বিশেষ নকৈ মই সামৰণি মাৰিলো।

অধ্যাপক শ্ৰীভৱ প্ৰসাদ চলিহা : গুৱাহাটী বিশ্ববিদ্যালয়

কৰ্ম্ম মাৰ্গ, জ্ঞান মাৰ্গ আৰু ভক্তি মাৰ্গৰ কথা আমি জানো। ইতিমধ্যে এই বিষয়ে আলোচনা হৈছে। আজি আলোচনাৰ বিষয় কৰ্ম-মাৰ্গ আৰু জ্ঞান মাৰ্গৰ নহয়। ভক্তি মাৰ্গহে। আমি এক শৰণ ধৰ্ম আদৰ্শ মতে ভক্তি মাৰ্গ আৰু ইয়াৰ লগত নিত্য নৈমিত্তিক কৰ্মৰ কিবা সম্পৰ্ক আছেনে নাই সেই বিষয়ে আলোচনা কৰিব লাগে। ভক্তি মাৰ্গ বোলোতে ভক্তিৰ লগত জড়িত আছে এক শৰণ। ভক্তি বোলা বস্তুটোৱেই কেৱল সেই পৰম পুৰুষ কৃষ্ণক ভক্তি। ভক্তি বুলিলে আন কোনো দেৱ দেৱতাক ভক্তি কৰা নুবুজায়। সাধাৰণ ভাৱে গুৰুজনক ভক্তি কৰা, পিতৃমাতৃক ভক্তি কৰা, আৰু মান্যজনক ভক্তি কৰাও বুজায়। এইবোৰ সাধাৰণ ভাৱে বুজোৱা হয়। কিন্তু ধৰ্মীয় ক্ষেত্ৰত আধ্যাত্মিক ক্ষেত্ৰত ভক্তি বুলিলে কেৱল এক কৃষ্ণদেৱতাকহে বুজায়। এইকথাটোকে তীৰ্থ নাথ শৰ্মাদেৱে তেখেতৰ "ভক্তিবাদ" বোলা কিতাপখনত পৰিষ্কাৰ ভাৱে ডাঙি ধৰিছে। যি সকলে এক শৰণত বিশ্বাস কৰিছে। সেই সকল ভক্তি মাৰ্গৰ অধিকাৰী। গতিকে মহাপুৰুষীয়া বা এক শৰণীয়া সকলৰ এইটো সাধন মাৰ্গ। এই সাধন মাৰ্গই হৈছে ভক্তি মাৰ্গ। এই ভক্তি মাৰ্গৰ লগত নিত্য নৈমিত্তিক কৰ্ম কেনে ধৰণে জড়িত আছে।

নিত্য নৈমিত্তিক কৰ্ম বুলিলে দুটা কথা আহে। সাধাৰণ ভাৱে পুৱা শুই উঠাৰ পৰা ৰাতি বিছনাত পৰা লৈকে যিবোৰ কৰ্ম তাক নিত্য কৰ্ম বুলি কোৱা হয়। ভক্তি মাৰ্গৰ মানুহৰ কাৰণে এইটো নহয়। এক শৰণত বিশ্বাস সকলে প্ৰতি দিনে যি বোৰ ধৰ্মীয় কৰ্ম কৰে সেই বোৰকহে নিত্য কৰ্ম বুলি ধৰে। পুৱা শুই উঠাৰ পৰা ৰাতি পুৱালৈকে ধৰ্মীয় অনুষ্ঠান হিচাবে কৃষ্ণদেৱৰ কাৰণে যিবোৰ কৰ্ম কৰা হয় ভক্তি মাৰ্গত, এক শৰণ ধৰ্মত তাকহে নিত্য কৰ্ম বুলি কোৱা হৈছে। এতিয়া সেই নিত্য কৰ্মৰ সম্পৰ্ক ভক্তি মাৰ্গৰ লগত কেনেকুৱা তাক বুজায় দিয়া।

নৈমিত্তিক কৰ্ম মানে নিমিত্ত কাৰণত, যিবোৰ বিশেষ বিশেষ কাৰণত কৰ্ম কৰা হয় তাক নৈমিত্তিক কৰ্ম বোলে। এই কৰ্ম বোৰ সদায় আমি নকৰো বিশেষ বিশেষ কাৰণতহে আমি এই বোৰ কৰ্ম কৰো। নৈমিত্তিক কৰ্ম—

বিলাকৰ ভিতৰত আমাৰ সন্তান জন্ম হোৱাত কৰা কৰ্ম বোৰ, আমাৰ জীৱনত বিবাহ কৰ্ম' ইয়ো এটা নৈমিত্তিক কৰ্ম। কাৰণ সন্তান জন্ম হোৱা আৰু বিবাহ একো একোটা নিমিত্ত, তাৰ কাৰণে কৰা কৰ্ম নৈমিত্তিক কৰ্ম। সেই দৰে মৃত্যুৰ পিছত কৰা ধৰ্মীয় অনুষ্ঠান এটা নৈমিত্তিক কৰ্ম। ইয়াৰ বাদেও কিছুমান অন্য কিবা নিমিত্তিক কৰা কৰ্ম বোৰে নৈমিত্তিক কৰ্ম। এই সকলোবোৰ ধৰ্মীয় অনুষ্ঠান হিচাবে কৰা কৰ্ম। উদাহৰণস্বৰূপে ঘৰ কষ্ট কৰি এটা ঘৰ সজাইছো, ঘৰটো লবলৈ লাগে সি এটা নৈমিত্তিক কৰ্ম। সেই দৰে লৰা প্ৰথম দিনা স্কুললৈ পঠিওৱা বা পৰীক্ষাৰ কাৰণে ভগৱানৰ উদেশ্যে কৰা কৰ্ম। ব্যৱসায় আৰম্ভ কৰা আগ মূহুৰ্তত কৰা ধৰ্মীয় কৰ্ম বোৰ নৈমিত্তিক কৰ্ম। জন্ম মৃত্যু বিবাহ আদিৰ উপৰিও বিশেষ বিশেষ কাৰণত নৈমিত্তিক কৰ্ম। এই নিত্য নৈমিত্তিক কৰ্ম বোৰৰ ভিতৰত যিবোৰ ধৰ্মীয় কৰ্ম কৰো সেই বোৰহে ভক্তি মাৰ্গৰ লগত কেনেদৰে জড়িত তাৰ আলোচনা। অন্য বহু কাম আমি জীৱনত কৰিব পাৰো তাৰ বিষয়ে আলোচনা ইয়াত নাহে। এই ধৰ্মীয় অনুষ্ঠান সমূহ যি বোৰ ভক্তি মাৰ্গৰ লগত জড়িত নিত্য নৈমিত্তিক কৰ্ম সেই বোৰহে আলোচনা।

এই কথাৰ আলোচনা বৰ কঠিন নহয়। কাৰণ ভক্তি মাৰ্গ মানে কি? একশৰণীয়া যি সকল তেওঁলোকেই ভক্তি মাৰ্গৰ লোক। এক শৰণীয়া সকলৰ এক কৃষ্ণদেৱৰ বাহিৰে অন্য কোনো দেৱ-দেৱীৰ পূজা সেৱা নাই। কৰ্ম মাৰ্গত সেই বোৰৰ স্থান থাকিব পাৰে কিন্তু ভক্তি মাৰ্গত সেই বোৰৰ স্থান নাই। ভক্তি মাৰ্গ হৈছে কেৱল কৃষ্ণদেৱতা সেৱা, কৃষ্ণ দেৱ বিনে অন্য একো নাই। তেনেহলে সেই ভক্তি মাৰ্গৰ লোক সকলে নিত্য নৈমিত্তিক কৰ্ম কৰোতে সেই কামবোৰ কেনেকৈ কৰা হব? এক শৰণৰ লগত এই বোৰ কেনে ধৰণৰ সম্পৰ্ক ৰক্ষা কৰিম? নিত্য নৈমিত্তিক কৰ্মবোৰ কৰোতে এক শৰণীয়া সকলে অন্যদেৱ দেৱতা পূজা সেৱা কৰিবনে নকৰিব, কৰিলে বাঞ্চনীয় হবনে নহয় সেইটোৱেই মূল কথা। মই এক কৃষ্ণ দেৱতাক আশ্ৰয় ললো, তৈ আকৌ নিত্য নৈমিত্তিক কৰ্মৰ নামত অন্য দেৱ দেৱতা পূজা সেৱা হবনে নহয়?

আমি এক শৰণ গ্ৰহণ কৰাৰ লগে লগে বহুদেৱতা বা অন্য দেৱতা পৰি-ত্যাগ কৰিলো। এইটো স্পষ্ট কথা। ভক্তি মাৰ্গ গ্ৰহণ কৰা মানেই এক শৰণ এক কৃষ্ণ দেৱতাৰ শৰণ। এনে অৱস্থাত অন্য দেৱতা পূজা সেৱা কৰা প্ৰশ্নটো আহেনে নাই সেই কথাটো অতি সহজতে ওলাব পাৰে। কাৰণ ভগৱানে দিয়া

চিন্তা শক্তি প্ৰয়োগ কৰিলেই ওলাই পৰে। যদি মই এক শৰণ ভক্তি মাৰ্গ গ্ৰহণ কৰিলোঁৱেই। গতিকে অন্য কিবা কৰিবলৈ যাওঁতে এক শৰণ বিৰোধী কৰ্মবোৰ কৰিম নে নকৰিম? এই বোৰ কৰ্মৰ নামত যদি আমি পূজা সেৱা কৰো তেনেহলে এক শৰণত ব্যভিচাৰ আহিব। গতিকে অন্য দেৱ দেৱতাৰ নামত মই একো নকৰো। উদাহৰণ স্বৰূপে সন্তান জন্ম হ'ল। তাৰ সকলো কৰ্ম মই একশৰণ ৰক্ষা কৰি নামেৰে কৰিম। কাৰণ নামে সকলোৰে অভিলাস পূৰণ কৰে। নাম মহিমাৰ কথা সকলোৰে জানোঁৱে। গতিকে কিবা কৰিলে এক হৰি নামৰ বাহিৰে অন্য কোনো উপায় নাই, যি কৰো হ'ব নামেৰে কৰিম। এক শৰণ লৈ এক কৃষ্ণ দেৱৰ বাহিৰে আন সকলৰ উপাসনা যদি অসাৰ্থক বুলি বিশ্বাস কৰিলো তেনেহলে নৈমিত্তিক কৰ্ম কৰিবলৈ যাওঁতে সেই সকলৰ উপাসনা কৰিবই নোৱাৰো। এইবোৰ যদি কৰো তেনেহলে লগে লগে ভক্তি মাৰ্গত ব্যভিচাৰ আহিব। একশৰণীয়া সকলে সন্তান জন্ম হলে একশৰণ বিৰোধী কোনো কৰ্ম কৰিব নোৱাৰিব। যেনে অন্য দেৱ দেৱতাৰ নামত পূজা সেৱা বা যাগ-যজ্ঞ আদি কৰিব নোৱাৰিব।

বিবাহৰ দিনা? সেই দিনাও এক শৰণ মতেদি কৰ্ম কৰিব লাগিব। হৰি নামেৰে কৰিব লাগিব। সকলো সময়তে মই এক শৰণীয়া, কিন্তু বিবাহৰ দিনা মই এক শৰণীয়া নহয়। এক শৰণীয়া হলেও বিবাহৰ দিনা হোম যজ্ঞ কৰি সেই দিনা এক শৰণীয়া নহয়। কাৰণ পৰম্পৰা চলি আহিছে তাক কেনেকৈ এৰিম? জীৱনৰ যি সাধন ভজন সকলো বাদ দিলো গুৰু বাক্যও বাদ দিলো কাৰণ সেই দিনা মই পৰম্পৰাক ৰক্ষা কৰিব লাগিব তাত মোৰ মিয়েই নহওক। আনহাতে মই একশৰণীয়া প্ৰকৃততে যি সকলে এক শৰণত বিশ্বাস কৰিছে তেওঁ বিবাহ কাৰ্য কেতিয়াও এক শৰণ বিৰোধী নকৰিব। হৰি নামেৰে কৰিব।

মই এটা কথা কবলৈ ওলাইছো। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ইতিহাসটো মই জানো। আৰম্ভনী অৱস্থাত তেখেত সকলে হোম পুৰিছিল বিবাহৰ ক্ষেত্ৰত। কেইজন মান বিদগ্ধ পণ্ডিতে কৈছিল যে আপোনালোকৰ এক শৰণীয়াতো বৰ ভাল লাগিছে। কিন্তু আপোনালোকে আন কামত অন্য দেৱতা পূজা নকৰে। কিন্তু বিবাহৰ ক্ষেত্ৰত এক শৰণ বাদ দিয়ে। তেতিয়া অগ্নি দেৱতাক সাক্ষী কৰে। কিন্তু কৃষ্ণ দেৱতাক সাক্ষী কৰি বিবাহ কৰিব নোৱাৰে নেকি? ঘট

এটা পন্তাক্তকৈ ভাগৱত থন থাপনা কৰি ভাগৱতক সাক্ষী কৰি বিবাহ কৰিব নোৱাৰে নেকি ? অন্য সময়ত কৃষ্ণ দেৱতাকলৈ কৰে কিন্তু বিবাহৰ ক্ষেত্ৰত কৃষ্ণ দেৱতাকে সাক্ষী কৰি তেওঁবেই নামত কৰিব নোৱাৰি নেকি ? পৰম্পৰা বুলি যুক্তি বিৰোধী কৰ্ম কৰি আছে। সেই কথাটো তেওঁলোকে মানি ললে আৰু আজি বিবাহৰ ক্ষেত্ৰত কৃষ্ণ দেৱতাক সাক্ষী কৰি তেওঁবেই নামত কৰে। তেওঁলোকক প্ৰথমতে অনেক সমালোচনা কৰিছিল। কিন্তু এতিয়া সেইটো নাই। ঠিক সেইদৰে মৃত্যুৰ উদেশ্যেও অন্য দেৱতা পূজা সেৱা নকৰি এক কৃষ্ণ দেৱতাৰ নাম কীৰ্ত্তনেৰে শ্ৰাদ্ধ কৰে। কাৰণ ভক্তি মাৰ্গৰ এক শৰণ ধৰ্মত এক হৰিৰ বাহিৰে অন্য কৰ্ম একো কাৰ্যতে নকৰো। এইবোৰ কথা সকলোৰে বুজি লোৱা কথা। যি কোনেও নিজৰ মূৰ বিক্ৰী কৰা নাই, আৰু যদি নিজৰ বুদ্ধিক বিশ্বাস কৰে তেনেহলে একশৰনীয়া ভকতে কৃষ্ণ বাদে অন্য দেৱতা পূজা একো কৰ্মতে নকৰে। যি সকলে নিজকে ভক্তি মাৰ্গৰ লগত জড়িত কৰিছে এক শৰণ ধৰ্ম মানে তেওলোকে সকলো কৰ্মতে অন্য দেৱতাৰ পূজা সেৱা নকৰে। কোনোবাই ইয়াতো কব যে আমি নামত এক শৰণীয়া হলেও মহাপুৰুষৰ ধৰ্ম ধৰিলেও পৰম্পৰাটো এৰিব নোৱাৰো। এইবোৰ যুক্তি থাকিলেও অন্য দেৱতাক পূজা সেৱা কৰ্মবোৰ কৰিম। কাৰণ চিন্তা শীল মানুহৰ লক্ষণ হৈছে যিটো যুক্তিৰে আগৰটো ভুল বুলি জানে তাক বাদ দিয়ে আৰু শুদ্ধটো গ্ৰহন কৰে। চিন্তাশীল মানুহৰ কাৰণেই আমি যুক্তিৰ বাহিৰৰ কত পৰম্পৰা বাদ দি আহিছো। যেনে আমাৰ এই ভাৰতবৰ্ষত সতী দাহ প্ৰথা চলি আহিছিল। নিত্য নৈমিত্তিক কৰ্মৰ পৰম্পৰাৰ কথা এটা মই কব বিচাৰিছো।

যেতিয়া ৰজা ৰামমোহন ৰায়ৰ ককায়েক ঢুকায় তেতিয়া সমস্ত পণ্ডিত সকলে নিজৰ সন্মুখত বৌয়েকক জীয়াই জীয়াই পুৰি মাৰিলে। তেতিয়া তেওঁ তাৰ প্ৰতিকাৰৰ কাৰণে হাহাকাৰ কৰি উঠিল। তেওঁ বৰলাট চাহাবলৈ দৰখাস্ত কৰিলে। ইয়াৰ বিৰুদ্ধে সমাজ থিয় হ'ল। কাৰণ পৰম্পৰাৰ বিৰুদ্ধে ৰজা ৰামমোহন ৰায় গৈছে। বহুত এনে বোৱাৰী আছিল যি স্বামীৰ মুখখন দেখা নাই কিন্তু বৈধব্য মানিব লগীয়া হৈছিল। মৃত্যুও বৰণ কৰিব লাগিছিল সতীৰ নামত, ৰজা ৰামমোহন ৰায়ে যেতিয়া দৰ্খাস্ত কৰিলে তেতিয়া তেওঁ বহু অত্যাচাৰৰ সন্মুখীন হ'ল। তেতিয়া আইন নাছিল। বৰলাটে পণ্ডিত কিছুমানক মাতি তাৰ বিষয়ে সুধিলে। পণ্ডিত সকলে শাস্ত্ৰৰ যুক্তি দি কলে যে এইটো আমাৰ ধৰ্ম

বিষয় ভাত হাত দিব নোৱাৰিব। তেতিয়া আইনকৰি বৰলাটে বন্ধ কৰিলে। আজি কোনোবাই কব পাৰিবনে সতীদাহ বৰ ভাল প্ৰথা! আমাৰ শাস্ত্ৰত আছে? এইটো আমাৰ পৰম্পৰা আছিল? শাস্ত্ৰৰ সকলো কথা মানিব লাগিব বুলি কথা নাই। চিন্তাশীল মূৰ থকা মানুহে বিচাৰ কৰি মানৱৰ পক্ষে কিমান কল্যাণকৰ আৰু যুক্তি যুক্ত তাকেহে গ্ৰহন কৰিব। সেইদৰে বিবাহ পুৰুষে বাৰে বাৰে কৰিব। কিন্তু নাৰীয়ে অকালতে বৈধব্য মানি লব লাগিব। এই বিষয়টোত তেখেতে মূখ দিলে। তেখেতক সমৰ্থন কৰিলে ৰবীন্দ্ৰ নাথ ঠাকুৰ তেখেতৰ একমাত্ৰ লৰালৈ বিধবা বোৱাৰী বিয়া কৰাই আনিলে। গতিকে সকলো যুক্তিৰে গ্ৰহন কৰিব লাগে।

এক শৰণত সেইদৰে এক কৃষ্ণৰ বাহিৰে অন্য কোনো দেৱ-দেৱতাৰ কথা নাই। যি সকলে নিষ্ঠাৰে এক শৰণ বিশ্বাস কৰিছে সেই সকলকহে কৈছো আৰু যিঁ সকলে কৰা নাই তেওঁ-লোকৰ প্ৰতি কব লগীয়া একো নাই। এক শৰণ যদি নিষ্ঠাৰে বিশ্বাস কৰিছে তেনেহলে কৃষ্ণ দেৱতাৰ বাহিৰে অন্য কোনো দেৱ দেৱতাৰ স্থান নাই। সেই দৰে নিত্য নৈমিত্তিক কৰ্মবোৰতো এক কৃষ্ণ দেৱতাৰ আশ্ৰয়ত এক নাম কীৰ্ত্তনৰ সহায়ত কৰিব লাগিব।

আৰু এটা কথা কব বিচাৰিছো, আমাৰ এটা বিশ্বাস আছে যে মুক্তিৰ কাৰণে কৃষ্ণ দেৱতাক লাগে বাকী ধনৰ কাৰণে, পৰীক্ষাৰ কাৰণে লক্ষ্মী-সৰস্বতী আদি দেৱ দেৱতা লাগে। এওঁলোকৰ পৰা এইবোৰ উপকাৰ লওঁচোন। বহুতৰ ক্ষেত্ৰত এইটো দেখা যায় যে মুক্তিৰ কাৰণে কৃষ্ণ দেৱতা অন্য কৰ্মৰ কাৰণে অন্য দেৱতা। ইয়ো এটা সামান্য বুদ্ধিৰ কথা। যিজন দেৱতা সমস্ত ব্ৰহ্মাণ্ডৰ অধিকাৰী, লক্ষ্মীপতি, সমস্ত ব্ৰহ্মা আদি দেৱতাৰ স্ৰষ্টা সেই জন দেৱতাই সকলোয়ে দিয়াটোক কিয় দিব নোৱাৰিব। আমাৰ ভাগৱতত আছে—

অকাম সৰ্বকামো মোক্ষ কাম উদাৰধী।
তীব্ৰেন ভক্তি যোগেন যজেত পুৰুষং পৰমঃ॥

যি জনৰ কোনো কামনা নাই তেওঁলোকৰ কাৰণেও, যিজন সৰ্বকামী সকলো লাগে—ধনং দেহি পুত্ৰংদেহি, মনোৰমা ভাৰ্য্যাং দেহি আদি কৰি থাকে। তেওঁলোকৰ কামনাও পূৰ্ণ হয়। যদি কোনোৱে মুক্তি বিচাৰে মুক্তিও পাব। সকলো পাব। গতিকে আমাৰ পাৰিবাৰিক কামনা আদিও এই জনক ভজিলেই পূৰ্ণ হৈ যায়। ওপৰত কোৱাৰ দৰে চিন্তা কৰা সকলৰ কথাটোত শেষ হৈ যায়।

গতিকে নিত্য নৈমিত্তিক কৰ্ম আদি সকলোতে এক কৃষ্ণ দেৱতাৰ বাহিৰে অন্য কোনো দেৱ দেৱতা একশৰণ ধৰ্ম লোৱা সকলৰ ক্ষেত্ৰত কেতিয়াও নাহে।

শ্ৰীইষ্টদেৱ নবিশ : ডেকা সত্ৰীয়া, বৰপেটা সত্ৰ।

মহাপুৰুষ শংকৰদেৱে নিজৰ অভিমত সমূহত একশৰণ তত্ত্ব সম্বন্ধে কৈ গৈছে। বিভিন্ন উপাসনা সমূহ লেখিলেও তেৰাই নিজৰ মত একশৰণ সম্বন্ধে পাতে পাতে দি গৈছে। একশৰণ আৰু ভক্তি তত্ত্ব এই দুয়োটা ভিন্ন নহয়। ভক্তি মাৰ্গ আৰু নিত্য নৈমিত্তিক বহু কথা কওঁতে একশৰণ ভক্তি তত্ত্বৰ কথা আহিছে। ইতিমধ্যে কৈ যোৱা বক্তা সকলৰ কথাত এই কথাটো পৰিষ্কাৰ হৈ পৰিছে। মহাপুৰুষে ভক্তি প্ৰদীপত কৈছে—

সম্বৰে সুহৃদ ঈশ্বৰ কৃষ্ণত
দুয়োক এক শৰণ।
তানে গুননাম লোৱা অবিশ্ৰাম
চিন্তিও তানে চৰণ॥

পৰম ঈশ্বৰত শৰণ লৈ তেওঁৰ গুণ নামৰ দ্বাৰা ভক্তি কৰিব। এই কথা কীৰ্ত্তনতো লিখিছে—

একান্তে মৰৈ কৰ্ম মাত্ৰ কৰি।
হৃদয়ে থাকিয়া বিদূৰ হৰি॥
শ্ৰৱণ কীৰ্ত্তনে যাৰ অভ্যাস।
নছাৰন্ত হৰি তাহাৰ পাশ॥

আকৌ লিখিছে—

হৰিত ভকতি কৰে সৰ্বদায়
কৰিয়া কীৰ্ত্তন কৰ্ম্ম।
মনুষ্য লোকৰ এহিমানে মাত্ৰ
পুৰুষৰ শ্ৰেষ্ঠ ধৰ্ম॥

মহাপুৰুষ মাধৱদেৱে নাম ঘোষাত কৈছে—

হৰি গুণ নাম শ্ৰৱণ কীৰ্ত্তনে
ভজিও হৰি চৰণ চৰণ।
মনুষ্য হৈবাৰ এহিমানে মাত্ৰ
জানা নিজ প্ৰয়োজন॥

এক শৰণ লৈ ভক্তি কেনেকৈ কৰিব লাগে সেই বিষয়ে কৈ গৈছে। নিত্য নৈমিত্তিকৰ ক্ষেত্ৰতো ভক্তি মাৰ্গৰ লগত জড়িত নিত্য নৈমিত্তিক কৰ্ম সম্বন্ধে গুৰুজনাই ভাগৱতৰ ১ম স্কন্ধত কৈছে—

যদ্যপি ভকতি নৱ বিধ মাধৱৰ।
শ্ৰৱণ কীৰ্ত্তন আত অতি শ্ৰেষ্ঠতৰ॥
অৰ্চন বন্দন ধ্যান সমস্ততে কৰি।
যশ কীৰ্ত্তনতে অতি তুষ্ট হোৱে হৰি॥
ভকতে লৱয় যত গুণ নাম চয়।
তাৰ মালা গান্থিয়া পিন্ধত কৃপাময়॥

তদুপৰি আমাৰ সত্ৰত আপোনালোকে দেখিছে ইয়াত পূৱাৰ পৰা ৰাতিলৈকে কি চলি আছে, শ্ৰৱণ কীৰ্ত্তনৰ দ্বাৰাই ভক্তি কৰ্ম চলি আছে। নৈমিত্তিকৰ ক্ষেত্ৰতো গুৰু জনাই দি যোৱা তিনি কীৰ্ত্তন, বিহু দোমাহীত হৰি গুণ কীৰ্ত্তনৰ ব্যৱস্থা সত্ৰ বা নাম ঘৰত চলি আহিছে। এনে দৰেই নৈমিত্তিক কৰ্ম বোৰ চলি আহিছে। ভক্ত সকলে একশৰণ গ্ৰহণ কৰাৰ পাছত নিত্য নৈমিত্তিক কৰ্ম ভক্তিৰ লগত জড়িত বোৰহে কৰিব।

আমাৰ অধিকাৰ সকলে বা ধৰ্মাচাৰ্য সকলে শৰণ দিওঁতে গুৰু জনাই দ্বিতীয় স্কন্ধত লিখা কথা খিনি—

ওৰা নৰলোক হৰি ভজিওক
এৰা ইটো আলজাল।......
অন্য দেৱী দেৱ নকৰিবা সেৱ
গৃহে নপশিবা তাৰ।
প্ৰসাদো নাখাবা মূৰ্ত্তিকো নাচাবা
ভক্তি হৱ ব্যভিচাৰ॥
এক কৃষ্ণ দেৱ কৰিয়োক সেৱ
ধৰিও তানান নাম॥
কৃষ্ণ দাস হুয়া প্ৰসাদ ভুঞ্জিয়া
হুস্তে কৰা তান কাম॥

এইটো সকলো কাৰ্যতে প্ৰযোজ্য যদি অন্য দেৱ দেৱী পূজিলে ভক্তি ব্যভিচাৰ হয় তেনে নিত্য নৈমিত্তিক কাৰ্যত গণেশায় নমঃ আদি কওঁ তেনেহলে ভক্তি ব্যভিচাৰ নহব নেকি? কোনো কামত ভক্তি ব্যভিচাৰ হব নালাগিব। এক-

শৰণ লৈ ভক্তি কৰিবলগীয়া হলে এক পৰম ঈশ্বৰৰ বাদে অন্য কোনো পূজা সেৱা কৰিব নাপায়। বিধিমতে কৰিলে তাক ধৰা যাব নেকি? কেতিয়াও নহয়। আমি সকলো হিন্দু। বৌদ্ধ সকলো হিন্দু। মহাপুৰুষীয়া সকলো হিন্দু। আমি সকলোৱে হিন্দু। কোনো কাৰ্যতে একশৰণ বিৰুদ্ধ কামলৈ গলেও হিন্দু। এই-টোৱেই আদৰ্শ।

আমি ভুল কৰি কিবা কৰিলো। কিছুদিন চলি আছিল। তাকেই আমি এবাৰ নোৱাৰো সেইটো কেনেকৈ হব? কোনোবাই কি মতেৰে চলে সেইটো আমি চাবলৈ নাযাওঁ। কিন্তু মহাপুৰুষ শংকৰদেৱে কি ধৰ্ম দিলে। একশৰণ হৰিনাম ধৰ্ম। তাক আজি আলোচনা হৈছে। এই আলোচনাৰ জৰিয়তে এটা সত্য শুদ্ধ সিদ্ধান্ত হয় জেনেহলে তাক কাৰোবাৰ ওপৰত জাপি দিব নেকি? কিন্তু যি সিদ্ধান্ত হয় সি সত্য শুদ্ধ মতে হব লাগে। মহাপুৰুষৰ ধৰ্ম আদৰ্শ-মতে হব লাগে। মহাপুৰুষে এঠাইত একশৰণৰ কথাকৈ আন ঠাইত অন্য কিবা কৈছে নেকি? যত সত্র সকলোকে একেটাই কথা কৈছে। এক কৃষ্ণৰ বাদে অন্য একো কোৱা নাই।

সেহি একশৰণ ভজন অনুপম।
নুশুনিব আন একো দেৱতাৰ নাম ॥ ভক্তি প্ৰদীপ

অনাচাৰ কৰি অপৰাধী মোৰ নুহি।
আন দেৱ পূজে যিটো সেহি মোৰ দ্ৰোহী ॥

পৰম ঈশ্বৰ কৃষ্ণ দেৱতাৰ কথাই সকলোতে কৈছে। গীতাৰ নৱম অধ্যায়ত যিটো কৈছে—

অপি চেৎ সুদুৰাচাৰো ভজতে মামনন্যভাক্।
সাধুৰেব স মন্তব্যঃ সম্যগ্ব্যৱসিতো হি সঃ ॥

তাৰ অৰ্থ নামঘোষাত মহাপুৰুষ মাধৱদেৱে স্পষ্ট ভাষাত লিখিছে—

মাধৱে বোলন্ত ধনঞ্জয় মহা দুৰাচাৰো অতিশয়
আন দেৱ তেজি মোকেসে মাত্ৰ ভজয়।

ইয়াত আন দেৱতা তেজিবলৈ স্পষ্ট কৰি কৈছে—

তাঁকেসে পৰম সাধু বুলি মানিবা মনত সৰ্বক্ষণে
যিহেতু সম্যকে কৰিলে মোক নিশ্চয় ॥

মহাপুৰুষে ভাগৱতত লিখিছে—

আন শুদ্ৰ দেৱতাক যদি নেদে মতি।
মহঃ দুৰাচাৰো কৰে আমাত ভকতি॥
সেহিসে পৰম সাধু জানয় হৃদয়।
যিহেতু আমাক মাত্ৰ কৰিলে নিশ্চয়॥

উদ্ধৱে কান্দি কাতি প্ৰশ্ন কৰিছিল। ঋষিসকলৰ কিয় একমত নাই। তুমি কেৱল ভকতি কথাই কৈছা। কিন্তু নানা ঋষিয়ে নানা কথা কয়। খাটাং কৰি কৃষ্ণদেৱে কৈছে—

আনে নাজানয় ইটো বেদৰ বিচাৰ।
এতেকে ভকতি পন্থ সম্মত আমাৰ॥

পূৰ্ব সময়ত নষ্ট হোৱা বেদ উদ্ধাৰ কৰি মই প্ৰথমে ব্ৰহ্মাক কলো ব্ৰহ্মাই মনু আদি ঋষিসকলক কলে। এইদৰে আহি আহি মনুষ্যে পালে। পণ্ডিতে মানুহে—

যাৰ যেন মতি কৰে বেদক ব্যাখ্যান।
নিজ অৰ্থ তেজি ভকতিক বুজে আন॥

তাকেই কৈছে। এতেকে ভকতি পন্থ সম্মত আমাৰ। এইটো হৰিনাম ধৰ্ম বা নাম ধৰ্ম। কীৰ্ত্তনটো লিখিছে—

চাৰিও বেদক ব্ৰহ্মায়ে আনি।
বিচাৰিলা তিনিবাৰ প্ৰমাণি॥
এহিমানে মাত্ৰ কৰিলা সাৰ।
হৰি কীৰ্ত্তনে তৰৈ সংসাৰ॥

আকৌ কৈছে—

হেন জানি ব্ৰহ্মা একান্ত মনে।
কৰিলো যতন হৰি কীৰ্ত্তনে॥

এইবোৰ কথা আছে। যি হওক। সেই হৰি নাম লুপ্ত কৰি থৈছিল—

সত্য যুগে প্ৰথমত ব্ৰহ্মা আদি দেৱ যত
হৰি নাম কৰিলা গুপুত।
কিনো দয়াময় হৰি নামক বেকত কৰি
কলি পাপ কৰিলা গুপুত॥

ষিটো মহা ম্লেচ জাতি সিও শুদ্ধ হোৱে আতি
মুখে মাত্র হৰি নাম লয় ।
কলিৰ ভয়ত পৈয়া নামত শৰণ লৈয়া
ৰহিলা সমস্ত ধৰ্ম্ম চয় ॥

এইদৰে বিভিন্ন ঠাইত কৈছে—

ব্ৰহ্মবধী গুৰুবধী যতেক ।
পিতৃ-মাতৃ বধী পাপী অনেক ॥
কুকুৰ খায় হেন ম্লেচ গণে ।
সিও শুদ্ধ হোৱে হৰি কীৰ্ত্তনে ॥

পুত্ৰ নাম ধৰি উপহাস্য কৰি
হেলাত যি বোলে হৰি ।
তাহাৰ সমস্ত পাতক দহৱৈ
জানা আৰু নিষ্ট কৰি ॥

আৰু গুৰুজনে কৈছে—

অনিচ্ছাতো যদি কৃষ্ণক কহে ।
তাহাৰ সমস্ত পাতক দহৈ ॥

এতিয়া সমস্ত পাপ নাশ কৰি পৰ্য্যায়ক্ৰমে শৰণ লব হেন কথা নাই । সকলো ঠাইতে গুৰুজনে কৈছে—

দেৱৰ ঈশ্বৰ হৰি তাত মহা যত্ন কৰি
লৈয়ো এক শৰণ সাক্ষাৎ ।
যাৰ ইচ্ছা মোক্ষ পাইবে নালাগে দূৰক যাইবে
আছা হৰি সবাৰো হিয়াত ॥

প্ৰথম স্কন্ধ ভাগৱতত কৈছে—

শুনা সভাসদ পদ মহা ভাগৱত ।
হৃদয়ত বিচাৰি কথাৰ লৈবা তত্ত্ব ॥
ই শাস্ত্ৰত কহে এক দেৱ নাৰায়ণ ।
তাহান ভকতি যশ শ্ৰৱণ কীৰ্ত্তন ॥
হুৱা একশৰণ বিজনে জনে আৰু ।
পাৱে পৰম্পদ সুখে নিস্তৰে মায়াক ॥

এইবোৰ ইমান স্পষ্টকৈ কোৱাৰ পাছত আন দেৱ-দেৱীৰ প্ৰশ্ন কেনেকৈ আহে ? এইটো নিশ্চিত কথা। তাক আমি পালন কৰো নকৰো অন্য কথা। শংকৰদেৱৰ ধৰ্ম যদি আমি ধৰো নিত্য নৈমিত্তিক কোনো কাৰ্যতে আন দেৱ-দেৱী পূজা কৰা হব নোৱাৰে। কাউৰী কুকুৰক পূজা কৰা কোনো বিধিত যাব নোৱাৰে। বেদক দোহাই দিলেই নহয়। পণ্ডিতপ্ৰৱৰ দয়ানন্দ সৰস্বতীয়ে বেদৰ ধৰ্মৰ কথা কৈছে। ঈশ্বৰৰ বিনে বেদত অন্য দেৱতাৰ পূজা নাই। এই কথা কোনেও খণ্ডন কৰিব পৰা নাই।

মহাপুৰুষ শংকৰদেৱে নিত্য নৈমিত্তিক আদিৰ লগতো কোনো দেৱ দেৱতাৰ কথা কোৱা নাই। সেই আহিঁৰে সত্ৰ আদি স্থাপন কৰি গৈছে। আমি আজি নানান পেছত পৰি দুজনা গুৰু চলাৰ পিছত আৰু আতা পুৰুষসকল চলাৰ পিছত ২৫০ বছৰ মানৰ পিছত আমাৰ একশৰন ধৰ্মত এক অন্ধকাৰ নামি আহে। পুথি পাঁজিবোৰ সেৱা কৰিবলৈহে। তাকো ভয়ে ভয়ে। আমাৰ মহাপুৰুষীয়া ধৰ্মৰ মাজত জ্ঞানী মানুহবো অভাৱ হ'ল। সেই সময়ত বিৰোধী পক্ষৰ মানুহ আহি আমাৰ মাজত নানা কথা সুমুৱাই দিলে। বৌদ্ধ ধৰ্মত যেনেদৰে হীনযান মহাযান বজ্ৰযান আদি সৃষ্টি হ'ল, তেনেকৈ আমাৰ মাজতো বিৰোধী লোকে নানা কথা সুমুৱাই ভাগ ভাগ কৰি দিলে। মুঠতে একশৰণ হৰিনাম ধৰ্মত কোনো ধৰণৰ অন্য দেৱ-দেৱী সেৱা পূজা আহিব নোৱাৰে। নিত্য নৈমিত্তিক কৰ্মতো এই কথা সকলোকে জনায় মোৰ বক্তব্য সামৰণি মাৰিলো। □

শ্ৰীগৌৰীকান্ত গোস্বামী: জৰাবাৰী সত্ৰাধিকাৰ।

মহাপুৰুষীয়া সত্ৰ সমূহেও ভক্তি মিনতি নিত্য নৈমিত্তিকত প্ৰৱৰ্ত্তমান হৈ থাকিলেও বিষ্ণু পূজা সেৱা ব্যতিৰেকে অন্য দেৱ দেৱী পূজা সেৱা নকৰাকৈ পৰম্পৰাগত ভাবে চলি অহা দেখা গৈছে। সেই ভাবে সেই পথেৰে পথিক হৈ আমিও আহিছো যদি কোনো সত্ৰই কৃষ্ণ সেৱাৰ লগত অন্য দেৱতাৰ প্ৰভাৱ পেলাইছে আমি তাকো অযুগুত বুলি আহিছো আৰু যত্ন কৰি আছো। মহাপুৰুষীয়া সত্ৰ সমূহত বিষ্ণু বিগ্ৰহ পৰম্পৰাগত ভাবে ৰখা দেখা গৈছে— তাকো ভাগৱতে সন্ধান দিছে।

শ্ৰৱণং, কীৰ্ত্তনং, অৰ্চনং বিষ্ণু পদ সেৱনং আদি নৱিধ ভক্তিৰ ভিতৰত শ্ৰৱন কীৰ্ত্তন শ্ৰেষ্ঠ। তাৰ ভিতৰতে অৰ্চন-বন্দনো আছে। সত্ৰ সভাই পৰম্পৰাভাবে অৰ্চন বন্দন চলাই আহিছে। যদি কোনো সত্ৰই অন্য প্ৰভাৱত পৰিছে তাক সংস্কাৰ কৰি লোৱাটোৱে উচিত বুলি ভাবো। ত্যাগ কৰা নহয়। মহাপুৰুষৰ ধৰ্মত ত্যাগ কৰা নহয়। সংস্কাৰ কৰি চলাই লোৱাহে। কোনোৱে যদি অনুচিত কৰ্মত আকোৰ গোজকৈ কৰি থাকে আমি সেই অনুচিত কৰ্ম্মৰ পক্ষ পাতিও নহয়। একশৰণ ধৰ্ম্মত যেনেকৈ বিষ্ণু বাদে অন্য দেৱতা পূজা সেৱা নিষেধ—সেইদৰে দুখৰ বিষয় মহাপুৰুষীয়া সকলৰ মাজত পিন্ধা উৰাৰ যি ব্যভিচাৰ হৈছে—অন্যান্য হিন্দু মুছলমানে চিনিব নোৱাৰা হৈছে। তালৈ লক্ষ্য নকৰি এৰি দিলে মহাপুৰুষীয়া ধৰ্ম্ম ব্যভিচাৰ হোৱা নাইনে? ইফালে নিজকে মহাপুৰুষীয়া বুলি কয় ঠিকেই কিন্তু প্ৰায় ঘৰত অন্য দেৱতা পূজা কৰা হয়। কোনোবাই ভড়ালৰ ধানত বন্তি দি লক্ষ্মীক নমস্কাৰ কৰিছে। সেইদৰে বিশ্বকৰ্ম্মা পূজাও কৰিছে। জৰাবাৰী সত্ৰই এইবোৰ কৰিছে বা কৰি আছে—কাৰোবাৰ আকৌ ল'ৰা-ছোৱালীৰ বিপদ তাত শনি, সত্য নাৰায়ণ আদি পূজা কৰিছে, এইবোৰ কৰলৈ কাৰোবাৰ ক্ষমতা আছে নে? মই হাজাৰ টকা ঘোষণা কৰিছো তাক যদি প্ৰমান দিব পাৰে। জৰাবাৰী সত্ৰত কৃষ্ণ সেৱা বাহিৰে অন্য নাই। আমাৰ সত্ৰৰ আশে পাশে থকা গাওঁ সমূহতো অন্য দেৱতাৰ প্ৰভাৱ নপৰাকৈ আছে। এইবোৰ গাওঁত অন্য পূজা সেৱা কৰা নিষিদ্ধ।

"হৰে নাম হৰে নাম হৰে নামৈৱ কেৱলম্ ।
কলৌ নাস্ত্যেৱ নাস্ত্যেৱ নাস্ত্যেৱ গতি অন্যথা ॥"

আমি হিন্দু। এই হিন্দুৰ মাজত জগতগুৰু শ্ৰীমন্ত শঙ্কৰদেৱ, মাধৱদেৱৰ জন্ম হৈছে। সেইমতে আমি চলি আহিছো। হিন্দুধৰ্মৰ বেদবিহিত কথা কিছু ৰক্ষা কৰিলেও মহাপুৰুষৰ ধৰ্ম ধৰি চলিবলৈ সত্ৰই নিৰ্দেশ দিছে। হিন্দু ধৰ্মত নানা দেৱ দেৱী পূজা আছে।—

"বেদা বিভিন্নাঃ স্মৃতয়ো বিভিন্না।
নাসৌ মুনিৰ্যস্য মতং ন ভিন্নঃ।
ধৰ্মস্য তত্ত্বং নিহিতং গুহায়াম্
মহাজনো যেন গতঃ স পন্থাঃ॥"

ইকালে বেদান্তৰ সপ্তদশ সূত্ৰ পৰমাত্মাতি নিগুৰ্ণং ৰাঙীশ্বৰ বুলি কৈছিল। নিগুৰ্ন ব্ৰহ্মক ধৰিব নোৱাৰি। সগুণ ব্ৰহ্মক ধৰিব লাগিব। সাংখ্যাৰ ১৮।৩৭ শ্লোকত লিখিছে ভক্তি ভক্তিঞ্চ মুক্তি। ভক্তিয়ে ভক্তি দিব পাৰে কিন্তু মুক্তি দিব নোৱাৰে। ভক্তে আকৌ কৈছে যেন ফলং অমৃতং ....। সাংখ্যাত কৈছে ৰাধাকৃষ্ণক উপসনা কৰিলেও মুক্তি আছে। ৰাধাকৃষ্ণৰ যুগল মূৰ্ত্তি থাকিলেও যি স্বয়ং কৃষ্ণ তেওঁহে পূজ্য। তেওঁতে ভক্তি আৰু তেওঁতে প্ৰীতি। কিন্তু অন্যান্য ব্যৱহাৰো, যিবোৰ ব্যৱস্থাই মহাপুৰুষীয়া ধৰ্ম কলুষিত কৰিব আৰু নিজকো মুক্তিৰ পথত লোহাৰময় হেঙাৰ দিব এইটো নিষিদ্ধ কৰিছে। এইবোৰ থাকিলেও—

"যথা তৰোমূৰ্ল নিঃষেচনেন।
তৃপ্যন্তি তৎস্কন্ধভূজোপ শাখাঃ।
প্ৰাণোপহাৰাচ্চ যথেন্দ্ৰিয়ানাং।
তথাচ সৰ্ব্বাৰ্চ্চনমচ্যুতেজ্যা॥" তাৰ অনুবাদ দিছে।
কৃষ্ণৰ মূলত যেন দিলে আনি জল।
হোৱয় তৃপিতি যত পত্ৰ পুষ্প ফল॥
ডালে পাতে সিঞ্চে যদি মূলত নেদয়।
কদাচিতো ডালে পাতে সন্তুষ্ট নোহয়॥
সেহিমতে অচ্যুতক বিজনে পূজয়।

সমস্ত দেৱতা তাত সন্তুষ্ট হোৱয় ॥
কৃষ্ণক পূজিলে পূজা সমস্তৰে হয়।
পৃথকে পূজিলে পুজা কেহো নলৱয় ॥

এইকাৰণেই মহাপুৰুষ শঙ্কৰদেৱে মিঠাইত আৰু মহাপুৰুষ মাধৱদেৱে প্ৰসঙ্গ কৰি বন্তি জ্বলাইছিল—সেই কালৰ পৰা সেই সত্ৰৰ নাম জৰাবাৰী। মহাপুৰুষৰ থানত জৰাবাৰীত অন্য দেৱতাৰ প্ৰভাৱ কেতিয়াও পৰিব নোৱাৰে-পৰা নাই আৰু কত কথা আছে।

কোনোবাই হয়তো সুধিব পাৰে—আপোনালোকৰ তাত নাম কীৰ্ত্তন কৰা ভকত আছে নহয়, তেওঁলোকৰ লগত সম্বন্ধ কেনে? সমগ্ৰ নাম কীৰ্ত্তন কৰা ভকতবিলাকৰ লগত আমি চলো।

বেদৰ বিহিত কৰ্ম কৰিবাক
ভকতৰ যোগ্য নুই।
যদি মোহ হুয়া কৰে ধৰ্ম কৰ্ম
ভকতিত ভ্ৰষ্ট হুই ॥ কিন্তু

বেদৰ বিহিত কৰ্ম কতো এবে কতো কৰে।

তথাপিতো ধৰ্ম ভ্ৰষ্ট নোহে সিটো নৰে ॥ বুলি বত্নাৱলীয়ে এটা কথা কৈছে। সেইটোৱেই বিচাৰ্যৰ বিষয়। বেদে ধৰ্ম প্ৰণীত কৰিছে সচা কিন্তু সিবোৰ মহাপুৰুষীয়া ধৰ্মৰ লগত খাপ খাবনে নেখায়। যদি নেখায়—কেনেকৈ নেখায়? অন্য দেৱ দেৱী পূজা সেৱা কৰাটো মহাপুৰুষীয়া ধৰ্মত নিষিদ্ধ—সেইটো নেখায়। সেইকাৰণেই শ্ৰীমন্ত শঙ্কৰদেৱ মহাপুৰুষৰ প্ৰয়োগৰ পিছত যিখিনি বিকাৰ সোমাইছে তাক সংস্কাৰ কৰিব লাগিব। বৰ্ত্তমান ভক্তি ধৰ্মত নিত্য নৈমিত্তিক কৰ্মৰ ভিতৰত মহাপুৰুষে নিৰ্দেশ দিয়া এক বিষ্ণুৰ বাহিৰে যদি অন্য কিবা সোমাইছে সেইটো নিষিদ্ধ। তাক দুৰীকৰণ কৰি সংস্কাৰ কৰিব লাগে। আমাৰ ইয়াতে এটা বিগ্ৰহ আছে। বিষ্ণুৰ সেৱা পূজাৰ যিটো পদ্ধতি সেইমতে কৰিলে আমাৰ কোনো অঘটন নহয়। কাৰমতে? একশৰণীয়া শুদ্ধ মহাপুৰুষীয়া মতে। সেইটো এটা প্ৰাসঙ্গিক। প্ৰাসঙ্গিক কাৰণেই সকলো সত্ৰ সভাই তাক বাধি চলাই আহিছে।

বটদ্ৰৱা থানত ভকতসকলে যেতিয়া দৌল কৰিবলৈ লয়—সেই দৌলপূজাৰ কাৰণে কোৰোবা বাটৈৰ দ্বাৰাই বেলগছৰ মূৰ্ত্তি সজাই লৈছিল। সেই মূৰ্ত্তিখনতেই

দোলপূজা কৰিছিল। এইটো চৰিত পুথিৰ প্ৰমান। দোলৰ পিছত ভকতসকলে সুধিলে—"বাপ, তোমাৰ যিটো উপদেশ সেইমতেতো এইটো নহয়। তাক ভাসন দিয়া হওঁক। মানে উটুৱাই দিয়া হওঁক। তেতিয়া গুৰুজনে বোলে নহয়। মণিকূটৰ পূৰ্বৰ এটা ঘৰত থোৱা যাওঁক। তাৰ নিমিত্তে আমাৰ একশৰণীয়াৰ ভিতৰত যিসকলে ইফালে সিফালে চুয়োফালে ঘূৰি আছে— তেওঁলোকে সেৱাপূজা কৰিব। সেই মূৰ্ত্তি পৰৱৰ্ত্তী কালত মাধৱদেৱক দিলে আৰু মাধৱদেৱে বংশী-গোপালক দিলে। কুকৰাবাহী সত্ৰত আজিও সেই মদনমোহন মূৰ্ত্তি বিৰাজমান। তাৰ আহিতে সত্ৰ সভা সমূহত আজিও আছে। নিত্য কৰ্ম'ৰ ভিতৰত ৰাতিপুৱা শুই উঠাৰ পৰা সন্ধিয়া শোৱালৈকে যিবোৰ কৰা হয় তাকেই নিত্য নৈমিত্তিক কৰ্ম' বোলে। ইয়াত কোনো অন্য দেৱতাৰ প্ৰভাৱ নাই। গাধুই সূৰ্যলৈ সেৱা, অন্য নাম লোৱা বা দুখ দুৰ্গতি বোলা এইবোৰ নাই।

"শঙ্কৰো পৰমেকঃ ব্ৰহ্ম। মাধৱস্তু হলায়ুধ।
চতুৰ্ভুজ-শ্চানিৰুদ্ধশ্চ প্ৰদ্যুম্নো পুৰুষোত্তমঃ ॥

শঙ্কৰ মাধৱ দুজনা গুৰুক স্মৰণ কথাটোহে আছে। কৃষ্ণহে ভগৱান স্বয়ং। কৃষ্ণ সেৱাতহে আছে। এই নিত্য নৈমিত্তিক কৰ্ম'বোৰ কৃষ্ণৰ লগত সম্বন্ধ নাবাখি অন্যৰ লগত বাখিলে সেইবোৰ নিস্ফল হয়। দুজনাগুৰু ধৰ্ম' খেলিমেলি কৰা সকলক সংস্কাৰ কৰি লব লাগে। 'আমি আৰু থান থান বাণ বাণ হবৰ মন নাই। গুৰুজনাই এক হবলৈ কৈ গৈছে, সকলো এক হব লাগে। কিন্তু কৃষ্ণহে দেৱতা শঙ্কৰদেৱহে গুৰু তাত কোনো সন্দেহ নাই। তাত যদি কোনোৱে সন্দেহ কৰে সেইটো অমূলক। আমি সকলোৱে আকোৰ গোজ হৈ থাকিলে একো নহব। কোনো সিদ্ধান্তলৈ নাহিব। সকলোৱে মিলিজুলি এক হব লাগিব।

শ্ৰীবলভদ্ৰ অধিকাৰী : সুন্দৰীদিয়া সত্ৰ ।

মহাপুৰুষীয়া ধৰ্মত একদেৱ একসেৱহে যে আছে সেইটো স্বতঃ সিদ্ধ কথা । এই ধৰ্মৰ কৃষ্ণ উপাস্য দেৱতা । কিন্তু মহাপুৰুষ মাধৱদেৱৰ নাম ঘোষাত চাৰিটা পদ আছে । এই পদ কেইফাঁকিকলৈ বহুত দিনৰে পৰা তৰ্ক বিতৰ্ক হৈ আছে । তাৰ্কিক পণ্ডিতেই হওঁক, ভক্তি মাৰ্গৰ লোকেই হওক বা ক্ৰিয়া কাণ্ডৰ সমৰ্থন কৰাই হওঁক এই সকলে তাৰ নানা ধৰণৰ ব্যাখ্যা ডাঙি ধৰিছে । সেই ঘোষা কেইফাঁকি হল ।

(১) মাধৱে বোলন্ত শ্ৰুতি স্মৃতি মোৰ আজ্ঞা বাণীজানা নিষ্ট
যিটো জনে আক উলঙ্ঘিয়া প্ৰৱৰ্ত্তয় ।
ভৈল সিটো মোৰ আজ্ঞাচ্ছেদী মোৰদ্বেষ কৰিলেক আতি
মোৰ ভক্ত হন্তো বৈষ্ণৱ সিটো নোহয় ।।

(২) হৰিভক্তি ৰাজ মাৰ্গ শুক পদ নখ চন্দ্ৰ প্ৰকাশিত
শ্ৰুতি জননীৰ পদ পন্থ অনুসৰি ।
ফুৰো হৈয়া আমি আনন্দিত স্খলন নহিকে কদাচিত
মহাজনসবে জানিবা নিশ্চয় কৰি ।।

(৩) অবিৰক্ত ভকতৰ বেদ লঙ্ঘিবাৰ দোষ
জানিবাহা ইহাক নিশ্চয় ।
পৰম বিৰক্ত যিটো কৃষ্ণৰ ভকত ভৈল
তাৰ একো নাহিকে নিৰ্ণয় ।।

(৪) তাৱত কৃষ্ণৰ ভক্ত নৰে ভক্তি অবিৰোধী কৰ্ম কৰে
কৃষ্ণৰ কথাত ৰতি যাৱে নুপজয় ।
যেৱে ভৈল কৃষ্ণ কথা ৰত নিত্য নৈমিত্তিক আদিযত
কথাৰ বিৰোধী জানিয়া সবে তেজয় ।।

এই চাৰিটা এনে ধৰণৰ ঘোষা । নিত্য নৈমিত্তিকৰ ভিতৰত নাম কীৰ্ত্তনেই শ্ৰেষ্ঠ উপায় । নামঘৰত বা নাম কীৰ্ত্তন হোৱাৰ আগতে আমাৰ দুজনা গুৰুৰ শাস্ত্ৰ সমূহৰ এখন থাপনা কৰি লোৱা হয় । কিন্তু বিভিন্ন সত্ৰ আদিত গৌন ভাবে হলেও বিগ্ৰহ ৰখা দেখা যায় । সেই প্ৰয়োজন আছেনে নাই । তাৰ সপক্ষে বিপক্ষে দুই শ্ৰেণী লোক হয়তো আছে ।

ভক্তিত আগবঢ়াটোও দুই ধৰণে ব্যাখ্যাকৰা দুই শ্ৰেণী লোক দেখা যায়। হৰ্ষ বিষাদ, সুখ, দুখ এই সকলোকে অতিক্ৰম কৰি ভক্তি কৰিবলৈ যায় এই এক শ্ৰেণী। আৰু এক শ্ৰেণী হল বিসকলে শৰণৰ দিনাৰ পৰাই বিধি কৰ্ম সমস্ত বাদ দিয়ে।

শৰণৰ চাৰিটা ভাগ আছে। এই চাৰিটা ভাগ পাইৰ উহাৰৰ দৰে। চাৰি-ওটা বাট সুহিব লাগিব। চাৰিওটাতে একে পাখীৰকে পাব। সুদৃহ শৰণেই হওঁক ঐকান্তিক শৰণেই হওঁক, যি হওঁক শৰণ ভজন ভক্তি তিনিওটাতে ওতঃ-প্ৰোত সম্বন্ধ আছে।

"মোৰ ভক্ত হন্তো বৈষ্ণৱ সিটো নোহয়"

এই কথা খিনি সুপণ্ডিত নেওগ দেৱে কৈ গৈছে। দেখাত সৰল যেন লাগে। কিন্তু আধ্যাত্মিক দিশত তাৰ ব্যাখ্যা হব লাগে। ড° কাকতি দেৱেও কৈছে' ই বগৰিৰ দৰে ওপৰতো কোমল ভিতৰটো টান। কালি আলোচনাত কোৱা হৈছে।

ব্ৰাহ্মনৰ সুবৰ্ণক যিটো জনে হৰে।
মিত্ৰদ্ৰোহ ব্ৰহ্মবধ যিটো জনে কৰে।। ইত্যাদি

কৈ এই সমস্তৰো মূখ্য প্ৰায়শ্চিত্ত হ'ল হৰি নাম। এইটো মূখ্য প্ৰায়শ্চিত্ত। গৌন প্ৰায়শ্চিত্ত আদি মনু আজিৰ পৰা ২৭০০ বছৰৰ আগতে কৰি থৈ গৈছে। তাৰে কিছুমান হয়তো আজিৰ যুগৰ লগত খাপ নাখায়। কিন্তু কিছুমান আজিও মানিব লাগিব। যি খিনি কথা মহাপুৰুষ মাধৱদেৱে বন্তাৱলীতো গ্ৰহণ দিছে—।

মনু আদি কৰি কন্তো মহাজন
বেদ অৰ্থ বিচাৰক।
নামৰ মহিমা জানি স্থানে স্থানে
স্থাপিয়া আছে নামক।।

তথাপিতো অপ্ৰ মাণ নকৰিলে
আন প্ৰায়শ্চিত্ত যত।
যেহেন বেদত যাগ যোগ আদি
কহি আছে প্ৰথমত।।

পাছত সমস্ত কৰ্মক মদিয়া
আত্ম জ্ঞান কহিলা।
সেহিমতে আগে প্ৰায়শ্চিত্ত কহি
পাচত নাম বিহিলা॥
সকলো কৰ্মক আচৰিয়া মৰে
পাচত নাম সুমাৰে।
হৰিৰ নামেসে জানিবা নিশ্চয়
কৰ্মকো সঙ্গ কৰে॥

এঠাইত কলে হৰি নামে সকলো কৰে আন এঠাইত কলে হৰি নামে কেৱলম। অন্য ঠাইত আকৌ কৈছে কৰ্ম কৰি চিত্ত শুদ্ধি কৰিহে হৰি নাম লব লাগে। তেনেহলে আমি কি কৰিব লাগে? শাস্ত্ৰত কৈছে নামে পৰম ধন। পতিকে সকাম ভাবে হওঁক বা নিষ্কাম ভাবে হওঁক অবিশ্ৰাম নাম লব লাগে। যি সকলে কীৰ্ত্তন ঘৰলৈ আহে তেওঁলোকে কীৰ্ত্তন ঘৰৰ লগতে নামৰ সম্পৰ্ক কৰিব। আৰু যি সকলে কীৰ্ত্তন ঘৰলৈ নাহে বা আহিব নোৱাৰে তেওঁলোকে ঘৰতে অহৰ্নিশে নাম লব। এনেদৰে যদি নাম লৈ থাকে তেওঁৰ নিশ্চয় সমস্ত কাম হব। অজামিলে দহটা নামৰ ভিতৰত নাৰায়ণ নামটোহে ভাল পাইছিল। খাওঁতে শুওঁতে পুত্ৰৰ পৰা সন্ধিয়ালৈকে নাৰায়ণক মাতি আছিল। তেওঁৰ যেতিয়া মৃত্যু হ'ল তেতিয়া তেওঁ ভাবিব ধৰিলে মোক কোনে ৰক্ষা কৰিলে?

আমি নাম বস্তু গুৰু উপদেশ মতে লব লাগিব। গুৰু প্ৰতি অসীম শ্ৰদ্ধা ৰাখিব লাগিব। মোৱামৰীয়া সকলেও কৈছিল "মৰি যাওঁ মাৰি যাওঁ গুৰু ঋণ সুজি যাওঁ"। অৰ্থাৎ গুৰু বাণী আমি সকলো সময়তে বিশ্বাস ৰাখিব লাগিব। প্ৰভু সকল আমাৰ গুৰু ধৰ্ম ৰক্ষা কৰিবলৈ আমি সকলোৱে এবা ধৰা মনোবৃত্তিয়ে আগ বাঢ়িব লাগে।

শ্ৰীমহানন্দ বৰা : প্ৰাক্তন বিধায়ক : সোৱনশিৰি সেৱাশ্ৰম।

আদৰনি সমিতিয়ে চিঠিৰে জনাইছে যে দুজনা গুৰুৰ লিখনিৰ ওপৰতহে আলোচনা হব। শঙ্কৰৰ অন্য শ্লোক ইয়াত শুনিবলৈ অহা নাই। বেদৰ কথাও কৈছে। বেদ জানো কোনোবাই দেখিছে। কোনেও দেখা নাই। বেদৰ প্ৰত্যেক সংস্কৰণমতে সলনি হৈ আছে। যেনেদৰে ৰামায়ণত বাল্মিকীয়ে যি লিখিছিল তাত নোহোৱা কথা কৃত্তিবাসী ৰামায়ণত পোৱা যায়। কৃত্তিবাসে ৰামৰ হতুৱাই দুৰ্গা পূজা কৰোৱালে। কন্দই আকৌ ৰামেশ্বৰমত শিৱ লিঙ্গ প্ৰতিষ্ঠা কৰিলে। আমাৰ অসমীয়া ভাষাত লিখা মাধৱ কন্দলীৰ ৰামায়ণত এইবোৰ নাই ঠিক বেদতো সময়ৰ লগে লগে বহুত নতুন কথা সুমুৱা হৈছে। বেদৰ বিভিন্ন দেৱ দেৱতাৰ কথা মই বিশ্বাস নকৰো। বেদত এজন দেৱতাৰ কথাহে কোৱা আছে। যেতিয়া বেদত বিভিন্ন দেৱতা সোমাল তেতিয়া বেদ মনা এটা ফাল ভাৰতবৰ্ষৰ পৰা ফালৰি কাটি গ'ল। হিন্দুৰ ভিতৰতে যি সকলে বেদ মানে তাৰ দুটা ভাগ হ'ল। বেদত পিছত সোমোৱা বহুতো দেৱতাৰ বিৰুদ্ধে ফালৰি কাটি গ'ল। স্বামী দয়ানন্দ সৰস্বতীয়ে ছপা কৰা বেদৰ লগত অন্য বাকী সকলে ছপা কৰা বেদ নিমিলে। যদি বেদ এখনেই তেনেহলে বেলেগ বেলেগকৈ ওলাল কেনেকৈ। গুৰুজনে নিজেই কৈছে সমস্ত শাস্ত্ৰৰ সাৰ কাঢ়ি আনি চাৰি খন শাস্ত্ৰৰ থৈ গৈছে। আজি নিত্য নৈমিত্তিকৰ কথা আলোচনা হৈ আছে এই বোৰৰ বিষয়ে দশম কীৰ্ত্তন ঘোষা ৰত্নাৱলীত আছে নেকি? নিত্য নৈমিত্তিক কৰ্ম মানে কি? পুৱা শুই উঠি মুখ হাত ধোৱা শৌচ কৰাৰ পিচত স্নান আৰু শেষত গুৰু সেৱা আদি কৰা এইবোৰ। এইবোৰহে আচলতে মহাপুৰুষীয়া মানুহৰ নিত্য নৈমিত্তিক। পূজা আদি কৰা কথা ইয়াত নাই।

শ্ৰাদ্ধ আদি কথা বোৰ ব্যৱসায়িক কথা। আমাৰ ধৰ্মত শ্ৰাদ্ধ কথা নাই। গুৰুজনেই হওক বা মাধৱদেৱৰ দিনতে হওক ৰজাৰ আগত দিয়া সংকলো বোৰ গোচৰেই শ্ৰাদ্ধ নকৰা কাৰণে দিয়া গোচৰ। আহোম ৰজাৰ আগত গোচৰ দিওতে কৈছে যে শংকৰ নামে এটা শূদ্ৰিৰ আছে তেওঁ যিবোৰ কৰিছে দেশ তললৈ নিয়াব। ৰজাই শংকৰদেৱক মাতি আনি সুধিলে। ব্ৰাহ্মন সকলে কলে যে শংকৰদেৱে শ্ৰাদ্ধ কৰিব নিদিয়ে। তেতিয়া আহোম ৰজা চুহুংমুং আছিল

হিন্দু ধৰ্ম লোৱা নাছিল। তেওঁ শ্ৰাদ্ধ বুজি নাপায়। বজাই তেওঁক সুধিলে শ্ৰাদ্ধনো কি? বজাৰ বিষয়াই কলে মানুহ মৰিলে দহ দিনত দহা কৰে মাহত কিবা কৰে, ভাত চাউল ফল কাপোৰ কানি আদি বিবিধ দ্ৰব্য মৃতকৰ উদ্দেশ্যে আগবঢ়াই—সেইবোৰ বস্তু বামুনে নি ব্যৱহাৰ কৰে। "অ ভালেহে শংকৰে কৰিব নিদিয়ে। সিহঁতে কাউৰ কুকুৰৰ দৰে মৃতকক দিয়া বস্তু খায়। 'ইহঁতক চাৰবৈ নহয় খেদা চাণ্ডৰ পৰা'। এই বুলি ব্ৰাহ্মন সকলক খেদিলে। প্ৰথম তৰ্ক সেইটোৱে—।

দ্বিতীয়তে নৰনাৰায়ণ বজাৰ আগতো সেই একে গোচৰ "শংকৰ বুলি শূদ্ৰৰ এটাই শ্ৰাদ্ধ নকৰে — নিজেও নকৰে আনকো কৰিব নিদিয়ে", এই কথাবোৰ চৰিতত্তে আছে। আমাৰ যিখন শ্ৰাদ্ধ বিধি উৰিষ্যা বা বিহাৰ খনৰ লগত নিমিলে। যদি হিন্দু ধৰ্মত শ্ৰাদ্ধ বোলা এটা বস্তু আছে তেনেহলে একে খন বিধিয়েই হব লাগিছিল। গুৰু জনে হিন্দু ধৰ্মৰ মাজত এটা বিপ্লৱ কৰিছিল। একেশ্বৰ বাদৰ পৰা যেতিয়া বহু দেৱতাৰ কথা আহিল তেতিয়া অৰথুন্ত্ৰ বিলাকে বিপ্লৱ কৰি আতৰি গ'ল। তেওঁলোক ভাৰতবৰ্ষৰ পৰাই গুছি গল। দ্বিতীয়টো বিদ্ৰোহ কৰিলে বুদ্ধদেৱে। এই ব্ৰাহ্মণ্য বাদৰ বিৰুদ্ধে বিদ্ৰোহ দ্বিতীয়টো কৰিলে বুদ্ধই। আৰু তৃতীয়তে কৰিলে শংকৰদেৱে। সেইটো অপ্ৰয়োজনীয় বুলি বাদ দিলে। শংকৰ দেৱে শ্ৰাদ্ধ বিধিৰ কথা কোনো শাস্ত্ৰ পুথিত লিখা নাই। যি সকলে কৰি আছে তেওঁলোক গুৰু ধৰ্মৰ বিৰুদ্ধে কৰি আছে। মহাপুৰুষ মাধৱদেৱ যোৱাৰ পাছত গুৰু ধৰ্ম ওলট পালট কৰি দিলে। ... ... পিচত আকৌ সেই পুৰণি বিধি বিধান, পুৰণি শ্ৰাদ্ধ সকলো সোমাই গ'ল। আনকি অম্বুবাচী কথাটো ওলাই আমাৰ গোটেই দেশত বৰ হাহাকাৰ লগালে। অম্বুবাচী একমাত্ৰ অসমতেহে হয় নেকি? বিহাৰ, উৰিষ্যা, মধ্য প্ৰদেশ আদিবোৰত হব নালাগে নেকি? সেই বোৰ ঠাইত নাই চোন? গুৰুজনাৰ লিখনিত অম্বুবাচী কথাটো আছে নেকি? কমলা বাৰীৰ অধিকাৰ শ্ৰীনাৰায়ন গোস্বামী দেৱেও স্বীকাৰ কৰিছে যে এইবোৰ পিছত সোমোৱা অপ্ৰয়োজণীয় কথা। কিছুমান কাম কৰোতে কৰোতে আমাৰ মনত দুৰ্বলতা আছে যে এইবোৰ এৰিলে আমাৰ কিবা দোষ হব নে? কিন্তু গুৰু জনাৰ ধৰ্মত নাই। আমি আমাৰ মনৰ দুৰ্বলতাৰ কাৰণে কৰোঁ।

শংকৰদেৱৰ সময়ত বহুত লোক আহিছিল ভাৰতবৰ্ষত ধৰ্ম প্ৰচাৰৰ কাৰণে। এক মাত্ৰ শংকৰদেৱে মূৰ্ত্তি তীৰ্থ যাগ যজ্ঞৰ বিৰুদ্ধে থিয় দিছিল। ধৰ্ম প্ৰচাৰক হিচাবে অৱতাৰী পুৰুষ হিচাবে, এক মাত্ৰ শংকৰদেৱেহে তেওঁৰ সকলো

কথা নিজ হাতে লিখি থৈ গৈছে। পৃথিৱীৰ কোনো অৱতাৰতে কোনেও নিজ হাতে লিখা নাই। কোৰান খনো মহম্মদে লেখা নাই। একমাত্র শংকৰদেৱে তেওঁ শিষ্য সকলক নিজ হাতে লিখি দিহা দি থৈ গৈছে। তেওঁ কৈছে—

শুনিও মাধৱ মোৰ থাকিবাৰ থান।
কীৰ্ত্তন দশম মোৰ মূৰ্ত্তিৰ সমান॥
যোৱা নামে শাস্ত্রখনি তুমিও কৰিবা।
যোৱা বস্তাৱালী মাজে তুমিও থাকিবা॥

এনেদৰে কৈ যোৱা কোনো অৱতাৰ আজিলৈকে হোৱা নাই। বুদ্ধদেৱে বহুত জ্ঞানৰ কথা কৈছে কিন্তু বুদ্ধ অৱতাৰতো কোনো কথা লিখি থৈ যোৱা নাই। একমাত্র শংকৰদেৱেহে জ্ঞানৰ কথা, ভক্তিৰ কথা, মানুহ চলাফুৰা সকলো কথা লিখি থৈ গৈছে। আনকি আৰ্থিক কথাটোও তেওঁ কৈ গৈছে। বৰপেটাতে তাৰ প্ৰমাণ। আজি আমি বেংকবোৰ কৰিছো সেইবোৰ নচলে। কিন্তু তাহানিতে ৫০০ বছৰৰ আগতে কৰা বৰপেটা সত্ৰৰ অক্ষম ভাণ্ডাৰ আৰু বেংকবোৰ চলি আছে। একমাত্র ধৰ্মৰ কথাতে নহয় অন্যান্য দিশত চলা-ফুৰা কৰিবলৈ তুজনা গুৰুই আমাক ব্যৱস্থা দি গৈছে। এই বিষয়ে বেছি নকওঁ। সত্ৰীয়া, নাম কীৰ্ত্তনীয়া, এঘাৰ দিনীয়া আদি কথাবোৰ লাগি নাথাকি আমি সকলোৱে একেহে গুৰুজনক প্ৰচাৰৰ কাৰণে কাম কৰিব লাগিব।

শ্ৰীকৰুণাময় হৰিপদ দেৱ গোস্বামী ঃ টংলা

গুৰুজনেকৈছে—

বেদৰ কথা পণ্ডিতে নুবুজে মূৰ্খই জানো বুলি ভাবে।

ভক্তি কি বস্তু মই নুবুজো মানৱ সেৱা নকৰিলে মানৱ জন্ম নিস্ফল। এই সেৱাতে সেৱাৰস, সেৱাসুখ আৰু সেৱাভাৱ এইবোৰ উপলব্ধি কৰিবলৈ সাধু সঙ্গ প্ৰয়োজন। আজি এই বস্তু উপলব্ধি কৰিবলৈ দ্বিতীয় বৈকুণ্ঠপুৰী বৰপেটা ধামত এই মহামিলনৰ জৰিয়তে গুৰুজনাৰ পূৰ্ব সিদ্ধান্তকে প্ৰকাশ কৰিবলৈ এনে আয়োজন। গুৰু জনাৰ ধৰ্ম গোটেই পৃথিৱীলৈকে যাওক। তাৰ প্ৰচাৰৰ এটা সিদ্ধান্ত হওঁক।

শ্ৰীহৰেকৃষ্ণ মিশ্ৰ: মহাপুৰুষীয়া ধৰ্ম সংৰক্ষণী সমিতি, বৰপেটা।

আজিৰ বিষয়টো এটা ঘোষাৰে কৰ বিচাৰিছো।

তাৱত কৃষ্ণৰ ভক্ত নৱে   ভক্তি অবিৰোধী কৰ্ম কৰে
কৃষ্ণৰ কথাত ৰতি যাৰে নুপজয়।
যেৱে ভৈল কৃষ্ণ কথা ৰত   নিত্য নৈমিত্তিক আদিযত
কথাৰ বিৰোধী জানিবা সবে তেজয়॥

ইয়াৰ মূল শ্লোকটো হল —

তাবৎ কৰ্মানি কুৰ্ৱত ন নিৰ্বিদ্যেত যাৱতা।
মৎ কথা শ্ৰৱনাদৌ বা শ্ৰদ্ধা যাবন্ন জায়তে॥

ইয়াৰ সৰল অৰ্থ হ'ল সেই পৰ্যন্ত কৰ্ম কৰিব যি পৰ্য্যন্ত বৈৰাগ্য নহয়। নাইবা সেই পৰ্যন্ত কৰ্ম কৰিব যি পৰ্যন্ত কৃষ্ণ কথাত ৰতি নহয়। শ্ৰৱণ কীৰ্ত্তনত ৰতি নোহোৱালৈকে। কৰ্ম কি? মূল শ্লোকত তাৱৎ কৰ্মানি বুলি কৈছে। মহাপুৰুষ মাধৱ দেৱে তাৰ ব্যাখ্যাত যি কথা কৈছে সেই কথা বুজা কঠিন। ইয়াত তাৱত যাৱত সেই পৰ্যন্ত যি পৰ্যন্ত এইটো নহয়। ইয়াত বিশেষ মন কৰিব লগীয়া কথা হৈছে কৃষ্ণৰ ভক্ত নৱে। মানে শৰণ লৈ কৃষ্ণত ভক্তিত প্ৰৱেশ কৰা নহয়। ভক্তি কৰি আগবাঢ়ি গৈ থকা। এই ভক্তি কেনে কৈ কৰিব তাৰ বিধি। ভক্তি অবিৰোধ কৰ্ম কৰিব লাগিব। ভক্তিৰ অনুকূল কৰ্মও আছে, প্ৰতিকূল কৰ্মও আছে। ইয়াত বিশেষ কৰি জানিব লাগিব প্ৰতিকূল কৰ্ম কথা। প্ৰতিকূল বৰ্জন প্ৰথম। তাওৰ প্ৰতিকূল হ'ল কাম ক্ৰোধ লোভ মোহ আদি যিবোৰে পাপত মানুহক ৰত কৰে। ভক্তৰ প্ৰথম কৰ্ত্তব্য হ'ল পাপ বোৰ নাইকীয়া কৰা। প্ৰাকৃত ভক্তৰ লক্ষণত আছে বেদৰ নিষিদ্ধ কৰ্ম নকৰিব। বেদৰ নিষিদ্ধ কৰ্ম মানে পাপ। ভগৱানক এক নিষ্ঠ ভাবে, দৃঢ় ভাবে ভক্তি কৰা কাৰণে সাধনত ৰত থকা। তাত প্ৰণালী বিয়েই নলওঁক। প্ৰণালী তেওঁ প্ৰতিমা পূজাকো লব পাৰে থাপনাতো পূজা কৰিব পাৰে। যি প্ৰনালী নলওঁক। তেওঁ দৃঢ় নিষ্ঠা আহিব লাগিব। তাৰ কাৰণে প্ৰথম কথা হ'ল দেৱতা ত্যাগ কৰিব লাগিব। ভক্তি হৈছে প্ৰেম। অনুৰক্তি। ভগৱানৰ অনুৰক্তিত যাতে বাধা নহয়। আমি নিশ্চয়াত্মিকা বুদ্ধিত শৰণ লব লাগিব। ভক্তি অবিৰোধী কাৰ্যৰ ভিতৰত পাপ কৰ্মতো বাদ

দিব লাগিব। যিবোৰ কৰ্ম ভক্তি বিৰোধী সেই কৰ্মও বাদ দিব লাগিব। কামনাৰ কাৰণে কৰা ধৰ্ম সেই ধৰ্মও পৰিত্যাগ কৰিব লাগিব। যিবোৰ ধৰ্ম ভক্তি বিৰোধী সেই ধৰ্ম বাদ দিব লাগিব। যিবোৰ বিধান দিছে সেইবোৰ সাংসাৰিক কৰ্ম ন্যায় নীতিত থাকি কৰিব লাগিব। নিয়ত কৰ্ম কৰিব লাগিব। নিয়ত কৰ্মৰ বিধান দিছে বেদে। বেদে বিধান নিদিয়া কৰ্ম একো নাই। সংসাৰত যতবোৰ কৰ্ম আছে, সকলো বেদ কৰ্ম। তাৰ ভিতৰত আমাক সংযত কৰিব কাৰণে যিবোৰ বিধান দিছে সেইবোৰ কৰ্ম। সেইবোৰ ধৰ্ম। সেই ধৰ্মত থাকি কৰ্ম কৰা। আটাইতকৈ শ্ৰেষ্ঠ কৰ্ম হৈছে ভগবানত ভক্তি। ভগবানৰ আশ্ৰয়ত যুক্ত হব পাৰিবা, এই বন্ধনৰ পৰা মুক্ত হব পাৰিবা।

"ভক্তি অবিৰোধী কৰ্ম কৰে" ব্যক্তিগত ধৰ্মই হওক সাৰ্বজনীন ধৰ্মই হওক সেই বোৰ ভক্তি অবিৰোধী কৰ্ম কৰিব লাগিব। যেতিয়ালৈকে কৰ্ম কৰিব পাৰি? কৰ্মৰ দায়িত্ব কোনেও এৰিব নোৱাৰে। সকলোৰে আছে। বেদে বিধান কৰা কৰ্ম। নিত্য নৈমিত্তিক সমস্ত কৰ্ম। যিবোৰ ভক্তি অবিৰোধী কৰ্ম, বেদ বিহিত কৰ্ম। নিত্য নৈমিত্তিক কৰ্ম এৰিব নোৱাৰে। ই একেবাৰে শেষত এৰা যাব। কেতিয়া এৰিব পাৰিব? কৃষ্ণৰ কথাত ৰতি যাৱে নুপুজয়। তাত শ্ৰদ্ধা আছে। শ্ৰদ্ধাতকৈ ৰতি অৰ্থ বেছি বুজায়। শ্ৰদ্ধা আমি সাধাৰণ অৰ্থতে কোৱা শ্ৰদ্ধাক বুজো। ভক্তি পাবৰ কাৰণে কৰা শ্ৰদ্ধা, কৃষ্ণ কথাত ৰতি—মানে প্ৰেম ভক্তি। প্ৰেম ভক্তি নোপোৱালৈকে ভক্তি কৰিব লাগিব। যি কৰ্ম বা ধৰ্মত ভক্তিৰ অবিৰোধী হয় সেই কৰ্ম বা ভক্তি কৰিব লাগিব। নিত্য নৈমিত্তিক মানে সেই কৰ্ম।

"যেৱে ভৈল কৃষ্ণ কথা ৰত, নিত্য নৈমিত্তিক আদি যত"। নিত্য নৈমিত্তিক আদি বোলোতে বৰ গুৰুত্ব আৰোপ কৰিছে। নিত্য নৈমিত্তিক কৰ্ম সম্বন্ধে বহুতাৰলীত আছে নিমি নব সিদ্ধ সংবাদতো আছে। সকলোতে আছে। এই নিত্য নৈমিত্তিক আদি যত কৰ্ম এৰিবলৈ কৈছে। "কৰ্মনে বাধিকাৰস্তে মা ফলেসু কদাচন"। কৰ্ম কৰিব লাগিব কিন্তু কৰ্ম আশা বাদ দিব লাগিব। কৰ্ম ত্যাগ কৰিব, ব্যৱসায় কৰিব, পাপ কৰ্ম বাদ নিদিব এইটো কথা নহব। সৰ্ব ধৰ্ম কৰ্ম ত্যাগ মানে এইটো আত্ম নিবেদন ভক্তি। দেহ সম্বন্ধ সমস্ত কৰ্ম ত্যাগ। কেৱল মাত্ৰ কৰ্ম ত্যাগ কৰিলে নহয়। কৰ্মৰো বাসনা ত্যাগ কৰিব লাগিব, আকাঙ্খা ত্যাগ। কথা হ'ল মন একীকৰণ। ভক্তি হ'ল মন consentrafton একেবাৰে নিশ্চয়াত্মিকা বুদ্ধি। তেনেহলে নিত্য নৈমিত্তিক কৰ্ম কিয় লাগে? ভগৱানক পাবৰ কাৰণে লেশ-

মানো বাধা থাকিব নালাগিব। প্ৰেম ভক্তিত মগ্ন হৈ ভগৱানৰ ভক্তি লাভ কৰিবলৈ কৰা কৰ্ম বিলাক প্ৰেম ভক্তিত ব্যগ্ৰ হৈ অবিচলিত ভাবে ভগৱানত লাগি থকা মন পাবলৈ যত্ন। সৰ্বদায় অবিচলিত ভাবে ভগৱানক পাবলৈ মনটো লাগি থকা কাৰণে আপোনা আপুনি নিত্য নৈমিত্তিক কৰ্ম বোৰ বাদ পৰিব।

কথাৰ বিৰোধী কি? কথাৰ বিৰোধী অন্য কামবোৰ নহয় কৰ্ম টোহে কথাৰ বিৰোধী। সৰ্ব ধৰ্মটোহে কথাৰ বিৰোধী বা নিত্য নৈমিত্তিক কৰ্ম বোৰহে কথাৰ বিৰোধী নেকি? এইটো কেতিয়াও নহয়। ভাল কৰ্মবোৰ কথাৰ বিৰোধী আৰু বেয়া কৰ্ম বোৰ কথাৰ বিৰোধী নহয় নেকি? বেয়া কৰ্মবোৰ আমিতো স্বাভাবিকতে কৰো। কথাৰ বিৰোধী তেওঁলোকৰহে, যাৰ হৃদয়ত ভগৱানৰপ্ৰেম নিপৰিত হৈছে, তাতে মচগুল হৈ আছে অন্য কৰ্ম কৰিবলৈ লেশমাত্ৰও সময় নাই। জনাৰ্দ্দিও হৰিপদ নেৰা ভকত হব লাগিব। নিত্য নৈমিত্তিক পৰিত্যাগ কৰা সেই জনৰহে অধিকাৰ আছে। তাৰ বাহিৰে অন্য সকলে স্তৰে স্তৰে আগ বাঢ়িব লাগিব।

এইটোৰ দ্বাৰাই সৰ্ব ধৰ্ম পৰিত্যাগকৰা কথা আহে। কোনতো স্তৰত সৰ্ব ধৰ্ম পৰিত্যাগ কৰিব পাৰে? প্ৰেম লাভ হলে। নহলে সৰ্ব ধৰ্ম পৰিত্যাগ কৰাৰ কোনো অধিকাৰ নাই। সৰ্ব্বধৰ্মান্ পৰিত্যজ্য মামেকং শৰণং ব্ৰজ। অহং ত্বাং সৰ্বপাপেভ্যো মোক্ষয়িষ্যামি মাশুচঃ॥ ইয়াত সৰ্ব ধৰ্ম পৰিত্যাগ কৰি কোনটোত একশৰণ লোৱা হ'ল? মই সকলো ধৰ্ম পৰিত্যাগ কৰিলো আৰু তোমাত একশৰণ হলো। তাত মোৰ কি সুবিধা হ'ল? মোক কৃপা কৰিবা। কি কৃপা? সৰ্ব পাপেভ্যো মোক্ষয়িষ্যামি। তুমি মোক সকলো পাপৰ পৰা মুক্ত কৰিবা বুলি কৈছিলা নহয়? তেনেহলে শ্ৰীকৃষ্ণই ইয়াৰ দ্বাৰা সকলো পাপ কৰা ক্ষমতা দিছিলনে? আমি এনে অৰ্থ কৰিবলৈ যাব নোৱাৰো। অন্ততঃ কি স্তৰত সৰ্ব ধৰ্ম পৰিত্যাগ কৰিব লাগিব? কামনা বাসনা হীণ হৈছে, পাপ দূৰ হৈছে তেতিয়াহে। পাপ থকাত নহয়। ই সৰ্বজনীন হব নোৱাৰে। অন্ততঃ পাপ পৰিত্যাগ কৰিব নোৱাৰা -লৈকে ধৰ্ম পৰিত্যাগ কৰিব নোৱাৰে। শংকৰাচাৰ্যই ধৰ্মৰ লগত অধৰ্মও লগ কৰিছে। ধৰ্ম পৰিত্যাগ কৰিলেই নহয় অধৰ্মও পৰিত্যাগ কৰিব লাগিব।

অথ কেন প্ৰযুক্তোঽয়ং পাপঞ্চৰতি পুৰুষঃ।
অনিচ্ছন্নপি বাষ্ণেয়। বলাদিব নিয়োজিতঃ॥
ততো হুপি কৌন্তেয় পুৰুষস্য বিপশ্চিতঃ।

ইন্দ্ৰিয়াণি প্ৰমাথীনি হৰন্তি প্ৰসভং মনঃ ॥
তানি সৰ্বাণি সংযম্য যুক্ত আসীত মৎপৰঃ ॥

আমাৰ প্ৰথম শৰণ হব লাগিব মোৰ চিত্তৰ পৰা দুৰ্বাসনা দূৰ কৰা আৰু পাপ দূৰ কৰা প্ৰভু। কিমন্তে ভকতি কৰিবো তোমাত হৰিয়ে"...........আদি। এইদৰে এই হ'ল প্ৰথম শৰণ। তাৰ পাছত অন্য।

আৰু এটা কথা শৰণ কালৰ পৰা বিধিৰ কিংকৰ তেজি। বিধি কিংকৰ্য ত্যক্তা। বিধিৰ পৰা মুকলি হ'বলৈ পৰা তেওঁৰ ৰজ তম আদি গুণ, কাম ক্ৰোধ লোভ মোহ আদি হীন হবলৈ লাগিব। তেতিয়াহে বিধি কিংকৰ ত্যাগ হব। সকলোৱে যদি বিধি কিংকৰ ত্যাগ কৰাটো এটা উজু প্ৰণালী হয় তেনেহলে সাংঘাতিক কাম হব। শৰণ ললো বিধি এৰিলো। এইটো নহয়। সৰ্বধৰ্ম এৰিব পাৰিব লাগিব। একে বাৰে বিশ্বজনীনো এৰিব পাৰিব লাগিব। শৰণৰ কোনো গুৰ নাই? আৰম্ভ কৰিলো আৰু সৰ্বধৰ্ম ত্যাগ কৰিলো। ইয়াত অধৰ্ম ত্যাগৰ কথা নাই? মহাপুৰুষ শংকৰদেৱে মাধৱদেৱ যেনেদৰে প্ৰাৰ্থনা বোৰ দি গৈছে তেনেদৰে কাম ক্ৰোধ লোভ মোহ আদি ত্যাগ কৰিবলৈ ভগৱানত শৰণ লব লাগিব। শংকৰাচাৰ্যই সৰ্বধৰ্মৰ ঠাইত সৰ্বকৰ্ম ত্যাগ কৰা কথা কৈছে।

কথা গুৰু চৰিতত আছে একশৰণ বিচাৰ হওঁতে ভকত সকলৰ আনন্দ হৈছে। কিন্তু মহাপুৰুষ মাধদেৱৰ প্ৰশ্ন হৈছে। একশৰণৰ যি ব্যাখ্যা তাৰ ওপৰত প্ৰশ্ন। শৰণ মানে একশৰণ বা কেৱল শৰণ। ই বৰ ডাঙৰ কথা। কেৱল শৰণ পাব লাগিলে নিৰ্গুণা ভক্তি। আৰু এটা কথা শংকৰদেৱে ভক্তি ৰত্নাকৰত নিৰ্গুণ ভক্তিৰ মাহাত্ম্যত এক শৰণৰ যি দুটা শ্লোক দিছে তাত সৰ্ব পাপ পৰিত্যাগ আছে (?)। নিৰ্গুণা ভক্তি কি? ঈশ্বৰৰ চৰণত অনৱৰত মনটো লাগি থকা। সমস্ত গুণৰ অতীত হৈ যোৱা।

—×—

শ্ৰীনাৰায়ণ চন্দ্ৰ দাস : মহাপুৰুষীয়া ধৰ্মালোচনী সভা :
শ্ৰীশ্ৰীশঙ্কৰ দেৱ মন্দিৰ গুৱালকুছি ।

ভগৱন্ত ভক্তি যুক্ত কথাৰ লগত বিজনী হোৱা নিত্য নৈমিত্তিক কৰ্ম সংযোগ কৰিব লাগিব । ইয়াৰ ফলত আমাৰ মাজত থকা বিভেদো দূৰ হব । লগত সংগতি থকা যি বোৰ ক্ৰিয়া কৰ্ম দিছে তাৰ নিত্য কৰ্ম নৈমিত্তিক কৰ্মও সন্ধান আছে । এক শৰণ ভ্ৰষ্ট নোহোৱা সকলো ধৰণৰ নিত্য নৈমিত্তিক গুৰু সকলে দিছে । আজিৰ সভাই যি গ্ৰহন কৰিব তাক গুৱাল কুছি ধৰ্মালোচনী সভাই গ্ৰহন কৰিব ।

শ্ৰীপ্ৰফুল্ল চন্দ্ৰ মহন্ত : গুৱালকুছি সত্ৰ সন্মিলনী ।

আজি আমি এই অভিবৰ্ত্তনত যোগ দান কৰিছো হ'ক । আমাৰ দৰে আৰু বহুত ব্যক্তি আছে যি সকলে সমন্বয় বিচাৰে । দুজনা গুৰুৰ ধৰ্মাৱলম্বী যি সমাজ সেই সমাজৰ কাৰণে আমি ইয়াত যি সিদ্ধান্ত গ্ৰহণ কৰো তাকেই সকলোৱে গ্ৰহন কৰিব এনেদৰে ভাবিলে নহয় । আমি সিদ্ধান্ত লওতে সমন্বয় চিন্তা কৰিব লাগে । ভেতিয়াহে মঙ্গল ।

নাম ধৰ্মৰ দ্বাৰা কেনেকৈ সকলো কাম হব পাৰে ? বেদত সূৰ্যাদি দেৱতাৰ নাম আছে । দেৱতাক নুবুজায় হোম আদি বিবাহত কৰিলেও দেৱতা মানে এক পৰমেশ্বৰকে বুজোৱা হয় বুলি প্ৰাতঃস্মৰণীয় ভুবন চন্দ্ৰভূঞা দেৱে কৈছে । পণ্ডিতকে এই দিশটো চাবলগীয়া ।

শ্ৰীগজেন বৰুৱা : শ্ৰীমন্ত শঙ্কৰদেৱ সমাজ ।

প্ৰকৃতাৰ্গত গুৰু জনাৰ লিখনীত আমি কোনো, মূৰ্ত্তি থকা কথা পোৱা নাই । নিত্য নৈমিত্তিক কৰ্ম মানে জীৱন ধাৰণৰ কাৰণে কৰা প্ৰয়োজনীয় কৰ্ম সমূহ । আমি আমাৰ ভক্তিত যিবোৰ কৰ্ম কৰো সেই বোৰ একশৰণৰ লগত জড়িত থকা কৰ্ম হব লাগে । আমাৰ কাৰণে কৃষ্ণই একমাত্ৰ সাৰ শঙ্কৰ দেৱেই পৰম গুৰু । পণ্ডিতকে গুৰু জনাই নিৰ্দেশ কৰা কৰ্ম বোৰকে যদি আমি সকলোৱে কৰো তেনেহলে আমি এক পন্থৰ সেৱক হম । একশৰণত বহি হলে সেই মতেদি চলিলে বাকী নিত্য নৈমিত্তিক আদি কথাবোৰ আলোচনা নকৰাই ভাল। বেদ পন্থ পৰি হৰি একশৰণৰ মতে চলিলে নিত্য নৈমিত্তিক কৰা হব ।

শ্ৰীসদানন্দ দাস: সম্পাদক, বৰপেটা সত্ৰ।

মহাপুৰুষে কৈছে—

শ্ৰৱণ কীৰ্ত্তণ স্মৰণ বিষ্ণুৰ
অৰ্চ্চন পদ সেৱন।
দাস্য সখিত্ব বন্দন বিষ্ণুত
কৰিব দেহা অৰ্পন॥
নৱবিধ ভক্তি বিষ্ণুত আচৰে
সেহিসে পাঠ উত্তম।

সাধুৰ সংগত হৰি কথা শুনাই শ্ৰৱণ, হৰিগুণ নাম প্ৰসঙ্গই হ'ল কীৰ্ত্তণ। মনত হৰি নাম স্মৰণেই হৈছে স্মৰণ। তেনেহলে কোনো বিগ্ৰহ আদি পৰিচৰ্যা কৰিব লাগিব। ভগৱানৰ উদ্দেশ্যে জপ গুণ আদি পূজা কৰা হৈছে অৰ্চ্চণ। নিজকে কিংকৰ বুলি ভাবি সমস্ত কৰ্ম ঈশ্বৰত অৰ্পন হ'ল দাস্য। ঈশ্বৰকে পৰম সুহৃদ বুলি ভাবি তেওঁতে বিশ্বাস স্থাপন হল সখ্য। একমাত্ৰ ভগৱানতে সমস্ত অৰ্পন কৰাকে আত্ম নিবেদন কৰা বোলে। সংসাৰৰ সকলো বস্তুকে নমস্কাৰ কৰিলে মাধৱক নমস্কাৰ কৰা হয়, তাকে বন্দণ বুলি কোৱা হয়।

সমস্ত সুখক তেজি পুৰুষোত্তমৰ প্ৰেম
ভকতিক কৰিলে আশ্ৰয়।
ভকত সবৰ এহি পুৰুষাৰ্থ মনোনীত
আনো সুখ অধিক পাৱয়॥

ভক্তই কোনো সুখ নিবিচাৰে। তেওঁৰ পুৰুষাৰ্থ কেৱল ঈশ্বৰৰ প্ৰতি কৰা প্ৰেম। আকৌ লিখিছে—

দেহা ধন-জন অৰ্থ লোভে পাষণ্ড বুদ্ধিৰে যিটো লৱে
সিটো হৰি নামে ভাবিতে নিয়ে নপাৰে।
যতেক অনৰ্থ আছে সংসাৰত
তাত জিনি বিষ সাৰ।
কাম ক্ৰোধ লোভ আপোন নাশন
জানি কৰা পৰিহাৰ॥

আমি হৰি ভজনা কৰিলে এইবোৰ বাদ দিব লাগিব। ধ্যান ধাৰণাৰ দ্বাৰাই ঈশ্বৰক লাভ কৰিব আৰু তেতিয়া আত্মা সুখ হব। সেই সুখ অনন্য। মাধৱ দেৱে কৈছে—

ভাৰত কৃষ্ণৰ ভক্ত নৰে ভক্তি অবিৰোধী কৰ্ম কৰে
কৃষ্ণৰ কথাত ৰতি যাৰে নৃপজয়।
যেৱে ভৈল কৃষ্ণ কথা ৰত নিত্য নৈমিত্তিক আদি যত
কথাৰ বিৰোধী জানিয়া সবে তেজয়॥

আৰু লিখিছে—

অবিৰত ভকতৰ বেদ লঙ্ঘিবাৰ দোষ
জানি বাহা ইহাক নিশ্চয়।
পৰম বিৰক্ত যিটো কৃষ্ণৰ ভকত ভৈল
তাৰ একো নাহিকে নিৰ্ণয়॥

এক মাত্র হৰি নাম ললে নহব। কাৰণ—

হৰি নাম ধ্বজা কৰি বেদ পন্থ পৰি হৰি
ফুৰে আতি পাষণ্ড সকল।
ইহ পৰলোকে ভ্ৰষ্ট হয়া পেট পুৰি মাত্ৰ
ফুৰিবেক পৰম নিস্ফল॥

আমাৰ ভক্তি দাস্য ভক্তিৰ ভাৰতহে প্ৰতিষ্ঠিত। নাম ধৰ্ম ইমান সন্তীয়া বস্তু নহয়। শংকৰ দেৱে বৰদোৱাত মণিকূট স্থাপন কৰিব ওলাওতে মাটি খান্দোতে বিষ্ণু মূৰ্তি পাইছিল আৰু তাক স্থাপন কৰিছিল বুলি চৰিত্ৰ পুথিত পাওঁ। মহাপুৰুষ যেতিয়া বৈকুণ্ঠলৈ যায় তেতিয়া ৰামানন্দই অস্থি লৈ আহিছিল। মাধৱ দেৱৰ মাতৃ মৰোতে ৰাৰাদিত শ্ৰাদ্ধ কৰিছিল। এইবোৰ কথা পোৱা যায়। মই বিশেষ নকওঁ ইমানতে সামৰণি মাৰিলো। □

শ্ৰীসোনেশ্বৰ আতৈ ঃ শ্ৰীশ্ৰীঈশ্বৰহাটী সত্ৰ, গুৱালকুছি।

শ্ৰীশংকৰ গুৰুৰ প্ৰবৰ্ত্তিত ভক্তি মাৰ্গ একশৰণ ভক্তিৰ ওপৰত প্ৰতিষ্ঠিত। সেইবাবে মহাপুৰুষীয়া পন্থত নিত্য নৈমিত্তিক কৰ্মৰ কথা বিচাৰ কৰিব লাগিলে একশৰণৰ লগত কি নিত্য নৈমিত্তিক কথা সঙ্গতিপূৰ্ণ হব পাৰে সেই কথা বিচাৰ কৰি চাব লাগিব।

শ্ৰীমন্ত শংকৰদেৱৰমতে কলিকালত দেশ কাল পাত্ৰ দ্ৰব্য সমস্ত অপবিত্ৰ কাৰণে বৈদিক ক্ৰিয়াঁ কৰ্মৰ দ্বাৰা জীৱ ভৱ সংসাৰৰ পৰা উদ্ধাৰ হব নোৱাৰে। তপ, যজ্ঞ, পূজা, বিবিধ বিধানৰ কৰ্মবিলাক কলিৰ ধৰ্ম নহয়। নামতে সমস্ত সিদ্ধি হয়। শৰণ লোৱাৰে পৰা একশৰণ সিদ্ধ অৱস্থা পোৱালৈকে অন্য দেৱতাক সৰ্বতোভাৱে বাদ দি শ্ৰৱন-কীৰ্ত্তনৰ দ্বাৰা এক ঈশ্বৰক ভক্তি কৰিব লাগে। সৰ্ব ধৰ্ম পৰিত্যাগ কৰি একমাত্ৰ শ্ৰীকৃষ্ণত কায় বাক্য মনেৰে সুদৃঢ় বিশ্বাসেৰে আশ্ৰয় লোৱাতোকে শ্ৰীমন্ত শংকৰদেৱৰমতে একশৰণ ধৰ্ম। এই ধৰ্মত অইন দেৱ-দেৱীৰ পূজা একেবাৰে নিসিদ্ধ। এই বৈদিক শৰণ ধৰ্মত তন্ত্ৰ বিধি মতে শ্ৰীকৃষ্ণ ভগৱানৰ সহিতে সপাৰিষদৰ পূজাৰ ব্যৱস্থা নাই। এই সম্বন্ধে একাদশ স্কন্ধৰ পঞ্চম অধ্যায়ৰ নিমি ৰজাৰ প্ৰশ্নত কৰভাজনে চাৰি যুগৰ যুগধৰ্ম ব্যাখ্যা দিওতে কলিযুগত ভগৱান কি ৰূপত, কি আকাৰত অৱতাৰ হব আৰু লোকে কোন বিধি ব্যৱস্থাৰে জপ কৰিব ইয়াৰ সকলো কথা কয়—

> "কৃষ্ণবৰ্ণং ত্বিষাকৃষ্ণং সাঙ্গোপাঙ্গাস্ত্ৰপাৰ্ষদং।
> যজ্ঞৈঃ সঙ্কীৰ্ত্তন প্ৰায়ৈৰ্য্যজন্তি হি সুমেধসঃ॥

ইয়াৰ অসমীয়া ভাঙনী শ্ৰীমন্ত শংকৰদেৱে নিমি নৱসিদ্ধ সম্বাদত লিখিছে—

> "শুনা তন্ত্ৰ বিধিক কলিৰ আত পৰে॥
> কলিত প্ৰধান জানা কৃষ্ণ অৱতাৰ।
> বেদতো অধিক তন্ত্ৰ মন্ত্ৰ হোৱে যাৰ॥
> কলিত কৃষ্ণৰ মূৰ্ত্তি দেখাত নিৰ্মল।

ইয়াত কোনো ধাতুৰে নিৰ্মিত কৰা মূৰ্ত্তিৰ কথা কোৱা হোৱা নাই। এই জপতহে অৱতাৰ হৱ।

যেন ইন্দ্র নীলবত্ন পবম উজ্জল ॥
কণক কেয়ূব বঙ্গে ভুজ সদা ।
ধৰি আছো হাতে শংখ চক্র পদ্ম গদা ॥
শ্রীবৎস কৌস্তুভে শোভে হাড় হৃদয়ত ।
পীতবস্ত্রে শোভে যেন বিজুলী মেঘত ॥
কর্ণত প্রকাশ কবে মকৰ কুণ্ডল ।
তাব বশ্মি শোভে গণ্ড বদন মণ্ডল ॥
সুনন্দ কুমুদ নন্দ পাৰিষদচয় ।
দণ্ড ছত্র চামবে চৌপাশে আবাধয় ॥
হেন দিব্য মূর্ত্তিক পবম জ্ঞানীগণে ।
সদায়ে অর্চন্ত গুণ নামব কীর্ত্তনে ॥
নামেসে পবম ধর্ম জানিবা কলিত ।
কলিব স্তুতিক কহো শুনা একচিত ॥

কোনো কোনা পণ্ডিতে ইয়াব বিপৰীতে অর্থ কৰি শ্লোকৰ প্রকৃত ভাবার্থ লুপ্ত কৰি শ্রোতাৰ মন এই তত্বৰ পৰা আতৰাই ৰাখি কয় যে ওপৰোক্ত ৰূপত অৱতাৰ হব। মুহুর্মুহু হৰি কীর্ত্তন চলি থাকিব আৰু যজ্ঞ কৰি অর্চন কৰিব পাৰিষদ সহিতে। ইয়াত উক্ত ৰূপত অৱতাৰ হোৱা ভগৱানক পাৰিষদ সহিতে উপাসনা কৰা কথা কোৱা নাই। তেতিয়াহলে আমি পিছৰ ৩২, ৩৩ আৰু ৩৪ নং শ্লোক চাব লাগিব।

"এবং যুগানুৰূপাভ্যাং ভগৱান্ যুগবর্ত্তিভিঃ।
মনুজৈ বিজ্যতে ৰাজন শ্রেয়সামীশ্বৰো হৰিঃ॥
কলিং সভাজয়ন্ত্যার্যা গুণজ্ঞাঃ মাৰ ভাগিনঃ।
যত্র সঙ্কীর্ত্তনে নৈব সর্ব্বস্বার্থোঽপি লভ্যতে॥
নহ্যতঃ পৰমো লাভো দেহিনাং ভ্রাম্য তামিহ।
যতো বিন্দেত পৰমাং শান্তিং নশ্যতি সংসৃতি॥

উক্ত শ্লোকৰ অর্থ কৰি শংকৰদেৱে কৈছে—

"যুগ অনুৰূপে ৰূপ নাম অনুসৰি।
আবাধন্ত মনুষ্য সকলে মহাহৰি॥

প্ৰবন্ধেসে সাধে সিদ্ধি যিজন নিপুণ।
শুনিয়ো কলিত আছে যত মহা গুণ ॥
কলিৰ গুণক মহাজ্ঞানী যিটো জনে।
চাৰি যুগ মাজত কলিক শ্ৰেষ্ঠ মানে ॥
কলিত সততে যিটো গুণ নাম গাৱে।
এতেকে সমস্তে সিদ্ধি সিটো জনে পাৱে ॥
সত্য যুগে ধ্যান কৰি যজ্ঞত ত্ৰেতাত।
যেন ফল পাৱে নৰে দ্বাপৰে পূজাত ॥
কলিত কীৰ্ত্তন কৰি পাৱে যেন গতি।
ব্ৰহ্মা আদি দেব তাঙ্ক নপান্ত সম্প্ৰতি ॥
যত প্ৰাণী সবে সংসাৰত ভ্ৰমি মৰে।
নাহি মহা লাভ তাৰ কীৰ্ত্তনত পৰে ॥
কীৰ্ত্তনতে তৰে ইটো দুৰ্ঘোৰ সংসাৰ।
কীৰ্ত্তনতে সাধে ইটো গতি আপোনাৰ ॥

এক কৃষ্ণত একশৰণ লৈ তেওঁৰ নাম শ্ৰৱন কীৰ্ত্তন ভক্তি সাধনা কৰিব লাগে। ভক্তি কৰা ক্ষেত্ৰত বেদাদি শাস্ত্ৰ বিহিত কোনো কৰ্ম ধৰ্ম আহিব নোৱাৰে। আকৌ অৰ্জ্জুনক একশৰণৰ বাণী কওঁতে সৰ্ব্ব ধৰ্ম ত্যাগ কৰি একশৰণ লোৱাৰ উপদেশ দিছে।

সৰ্ব্ব ধৰ্ম বোলোতে বৈদিক লৌকিক সকলো প্ৰকাৰ বিধি কিঙ্কৰ ধৰ্ম কৰ্ম ত্যাগ কৰি একশৰণ লোৱাৰ কথা কৈছে। সেই কাৰণে একশৰণ ভক্তি মাৰ্গত বেদাদি শাস্ত্ৰ বিহিত বিধি কিঙ্কৰ যিকোনো ধৰ্ম কৰ্ম বৰ্জ্জনীয়।

সেয়েহে আমাৰ সত্ৰত নিত্য কৰ্ম হিচাপে তিনি বেলাৰ প্ৰসঙ্গ চলি আছে আৰু নৈমিত্তিক কৰ্ম হিচাবে গুৰু জয়ন্তী আৰু গুৰুৰ তিথিত সত্ৰাধিকাৰসকলৰ তিথিত আৰু কোনোবা গৃহস্থেও তেওঁলোকৰ কোনোবাৰ তিথি যদি সত্ৰত পাতে সেই সকলোবোৰ আমি নৈমিত্তিক কৰ্ম বুলি মানি আহিছো। এই সকলোবোৰত নাম কীৰ্ত্তনৰ বাহিৰে আনুসঙ্গিক হিচাবেও আমি কোনো কৰ্মকাণ্ড নকৰো। আমাৰ সত্ৰৰ শৰণীয়া ভকত সকলেও বা আদি সত্ৰীয়া ভকত সকলেও নিত্য কৰ্ম হিচাবে গুৰু সেৱা দৈনন্দিন প্ৰসঙ্গত যিজনে যেনেকৈ সময় পায় কৰিছে

বাত্তিপুৱা বা বাত্তিৰ আহাৰ আদি গ্ৰহন কৰা হয়। গৃহস্থৰ ল'ৰা উপজিলে নৈমিত্তিক কৰ্ম হিচাপে জন্ম দিবস আদিত নাম কীৰ্ত্তনহে কৰে। পিতৃ-মাতৃৰ শ্ৰাদ্ধ আদি কৰ্মও নাম প্ৰসঙ্গৰ দ্বাৰাহে কৰা হয়। বিবাহ সমুদায় কাৰ্য ভগৱানৰ স্তুতি প্ৰাৰ্থনাৰ দ্বাৰা কৰা হয়। যিহেতু সংস্কৃত ভাষা দুৰ্বোধ্য সেইবাবে দৰা কইনাৰ শপত গ্ৰহনও ভক্তসকলৰ সাক্ষাতত ভাগৱত শাস্ত্ৰ থাপনাৰ আগত অসমীয়া ভাষাৰে কোৱা হয়। এনেদৰে জীৱনৰ দৈনন্দিন আৰু আনুষ্ঠানিক সকলো কাৰ্যতে মাধৱৰ নাম গোৱাতো মহাপুৰুষীয়া একশৰণ গ্ৰহন কৰা জনৰ নিতান্ত আৱশ্যক; যাতে একশৰণৰ শপত গ্ৰহন স্খলন নহয়।

"মাধৱ মাধৱ নাম বচনত সুমৰয়
মাধৱ মাধৱ হৃদয়ত।
নিৰন্তৰে সাধুসবে মাধৱ মাধৱ নাম
উচ্চৰয় সমস্ত কাৰ্য্যত।।

যদি উক্ত ঘোষাৰ অৰ্থ হিচাবে মাজে মাজে আন দেৱ-দেৱীৰ, ভূত-প্ৰেত আদি পূজা কৰিব লগা হয় তেতিয়াহলে সেই জনৰ শৰণ গ্ৰহন নিষ্ফল আৰু ভগৱান সেই জনৰ কাৰ্যত সন্তুষ্ট নহয় বুলিও নামঘোষত কৈছে—

"বচনে কেৱলে মাত্ৰ হৰিত শৰণ লয়
চিত্তে আন দেৱক ভজয়।
জানিবাহা কদাচিতো সিদ্ধি সিটো নলভয়
হৰি তাৰ সন্তোষ নোহয়।।

আৰু বৰ্ত্তমান শংকৰদেৱৰ ধৰ্ম বুলি থাপনাত উক্ত ঘোষা থকা কীৰ্ত্তন নামঘোষা থাপনা কৰি দেৱ-দেৱী আদি পূজাৰ দ্বাৰা কৰ্মকাণ্ড কৰি লগতে ভগৱানক উপাসনা কৰা কাৰ্যত নিন্দনীয় আৰু দুৰ্ঘোৰ দোষযুক্ত। ফল হিচাবে চৌৰাশী নৰকহে বাস হয়।

ঈশ্বৰ কৃষ্ণক যিটো অন্য দেৱতাৰ সম
বোলয় অধম মূঢ়মতি।
চৌৰাশী নৰক ভুঞ্জি পাপৰ যোনিত সিটো
অৱশ্যে হুইবেক উতপতি।।

অৱশেষত এটা কথাৰ ওপৰত গুৰুত্ব দি কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিম।

আমি সকলো সংসাৰী লোক। সংসাৰ বন্ধনৰ কাৰণ নহয়। সংসাৰৰ আসক্তি-হে বন্ধনৰ কাৰণ। এই আসক্তিহীন হৈ সংসাৰ বন্ধন ছেদ কৰিব পাৰিব কেৱল একশৰণ ভক্তিৰ দ্বাৰাহে।

"হৰিত শৰণ লৈয়া যিটো জনে
হৰিৰ চৰিত্ৰ শ্ৰৱন কীৰ্ত্তন কৰে।
দুৰ্ঘোৰ অপাৰ সংসাৰ সাগৰে,
সিটো মহাজনে আতি অপ্ৰয়াসে তৰে॥

গদাধৰ দাস : বৰপেটা

নৈমিত্তিক কৰ্মনো কি ? সাধাৰণতে দেখা যায় দুটা নৈমিত্তিক কৰ্ম আছে। সেই দুটা হ'ল এটা বিবাহ আনটো মৃতকৰ নৈমিত্তিক কৰ্ম। যিবোৰ বিধিৰে এই কৰ্ম কৰা হয় তাক আমাৰ মহাপুৰুষীয়া একশৰণীয়াবিলাকৰ পক্ষে কৰাটো উচিত নে অনুচিত তাক বিচাৰ কৰাটো উচিত। আমাৰ যিবোৰ শ্ৰাদ্ধ কৰে তাত ১০টা পিণ্ড দিয়ে। প্ৰেতাত্মা দহখন নৰককৈ যায় কাৰণে ১০টা পিণ্ড দিয়ে। সেই নৰকবোৰ হ'ল ৰৌৰৱ আদি। কাউৰীৰ জৰিয়তে এটা পিণ্ড। আনটো কুকুৰৰ জৰিয়তে দিয়া হয়। আৰু এই পিণ্ড দিওতে কুকুৰ কাউৰীক মিনতি জনাই নৰকৰ পৰা পিতৃক উদ্ধাৰ কৰিবলৈ প্ৰাৰ্থনা জনোৱা হয়। ইয়াৰ পিচত শিব পূজা কৰা হয়। শিৱ পূজাৰ পিচত ভৈৰৱ-ভৈৰবী যখিনী-ডাইনী আদিৰ পূজা কৰা হয়। ইয়াৰ পিচত মাতৃকা পূজা। আদি মাতৃ পূজা। ইয়াৰ পিচত সাত পুৰুষৰ কাৰণে পিণ্ড দিয়া হয়।

এতিয়া কথা হ'ল এইবোৰ একশৰণ ধৰ্মাৱলম্বীসকলৰ পক্ষে যুগুতনে ? শঙ্কৰ-দেৱৰ ধৰ্মৰ একশৰণ এইবোৰ কৰাৰ পিচত ব'লনে ?

শ্ৰীপবিত্ৰ দাস ঃ নগাঁও জিলা আদি পন্থ সমাজ।

আজি আমাৰ যিটো খেলিমেলি লাগিছে সেইটো যাতে সুস্থিৰভাৱে আলোচনাৰ জৰিয়তে শেষ হয়। কোনো ধৰণৰ উচ্চ-বাচ্য নকৰিও আলোচনা কৰিব পৰা যায়। তেনে কৰিলে আমি বৰ ভাল পাম। মই ইমানকে কৈ সামৰণি মাৰিলো। :

শ্ৰীচন্দ্ৰ কান্ত মিশ্ৰ ঃ বুঢ়া সত্ৰীয়া, বৰপেটা সত্ৰ।

আমাৰ ধৰ্মটো মূল কি? আৰু ধৰ্মৰ লক্ষণ কি?

বেদাশীল ধৰ্ম মূলম স্মৃতিশীলে চ দ্‌বিদাং।
আচাৰ চৈব পাণিনাং আত্মানাং............।

ধৰ্ম হলে বেদ মূল হব লাগিব। বেদ মূল নহলে তাক ধৰ্ম বুলি গ্ৰাহ্য নহয়। আৰ্য সনাতন ধৰ্মৰ এই কথা। বেদৰ তত্বজ্ঞ পুৰুষ সকলে যিবোৰ সমাজ ব্যৱস্থাৰ কাৰণে স্মৃতি শাস্ত্ৰ সমূহ কৰিছে। চৰিত্ৰ কেনে হব লাগে এই বেদবিদ সকলে কৰিছে। ই অন্তৰৰ পৰা অহা এটা প্ৰকাশ। বেদ সকলো ধৰ্মৰ মূল।

নিত্য নৈমিত্তিক বুলি যি আলোচনা হৈছে সেইবোৰ কথা স্মৃতি সমূহত আছে। এই সাস্ত্ৰ সমূহে নিত্য কৰ্ম আৰু নৈমিত্তিক কৰ্মৰ ব্যৱস্থা দিছে। নিত্য হৈছে যিবোৰ অৱশ্য কৰ্ত্তব্য আৰু নৈমিত্তিক হল যিবোৰ সময়ে সময়ে কৰিব লগা হয়। নিত্য কৰ্ম হৈছে ব্ৰাহ্মণৰ পঞ্চ যজ্ঞ আদি কৰ্ম বোৰ। নিত্য কৰ্ম নকৰিলে প্ৰত্যায়বায়ু হয় নৈমিত্তিক কৰ্ম নকৰিলেও প্ৰত্যায় বায়ু হয় নৈমিত্তিক কৰ্ম নকৰিলেও প্ৰত্যায়বায়ু হয় মানে দোষ হয়। গতিকে নিত্য নৈমিত্তিক কৰ্ম বেদৰ কৰ্ম।

আমাৰ ভক্তিৰ ক্ষেত্ৰতো নিত্য নৈমিত্তিক কৰ্মক অধিক স্থান দিছে—

তাৰন্ত কৃষ্ণৰ ভক্ত নহে
ভক্তি অবিৰোধী কৰ্ম কৰে
কৃষ্ণৰ কথাত ৰতি যেৱে নুপুজয়।
যেৱেভৈল কৃষ্ণ কথা ৰত
নিত্য নৈমিত্তিক আদি যত
কথাৰ বিৰোধী জানিয়া সবে তেজয়।

যি সকলে নিৰবিচ্ছিন্ন ভাবে ভগৱানক ভাবে আৰু তেওঁতে একাকাৰ হৈ যায়। তেওঁ লোকৰ নিত্য কৰ্ম বাদ পৰে। অন্যথা এই নিত্য নৈমিত্তিক কৰ্ম কৰাতো ভাৰতীয় সমাজত অপৰিহাৰ্য আৰু সকলো ঠাইতে কৰিও আছে। কোনো কোনোৱে নকৰিলেও গৰিষ্ঠ এখন সমাজে কৰি আছে। আমি এইবোৰ শাস্ত্ৰ সন্মত হৈছেনে নাই তাক আলোচনা কৰাৰ কি সাধ্য আছে।

মহাকবি বিলাকে সমাজ বান্ধি দিছে। বেদৰ শাসনতে আমি আজিও আছো। আমি বেদপন্থী। প্ৰাতঃ কালৰ পৰা ৰাতি শয্যাত পৰালৈকে যিবোৰ কাম আমি কৰি আছো সেইবোৰ বেদৰ কৰ্ম। এই বোৰ বাদ দিবৰ কাৰণে মহাপুৰুষ শ্ৰীমন্তশঙ্কৰদেৱে কিবা বিধি কৰিছিলনে? তেওঁ আগৰ বোৰকে কৰি গৈছে৮ যদি তাৰ কিবা অদল-বদল তেওঁ অনুভৱ কৰিলেহেতেন তেওঁ নিশ্চয় এখন স্মৃতি শাস্ত্ৰ লিখি থৈ গ'লহেতেন। তেওঁ আগৰ তোকে বাহাল ৰাখি থৈ গৈছে।

এই সত্ৰৰ সকলো ব্যৱস্থা মথুৰাদাস বুঢ়াআতাই কৰি গৈছে। সত্ৰৰ যিবোৰ নিত্য নৈমিত্তিক কৰ্ম তেওঁ সকলোবোৰ পৰি পাটি কৰি থৈ গৈছে। সমাজ ব্যৱস্থাৰ কাৰণেও তেওঁ কোনো বিধি লেখি থৈ যোৱা নাই, ইমানকে কৈ মই সামৰণি মাৰিলো।

শ্ৰীজীতেন্দ্ৰ নাথ দাস : প্ৰাক্তন উপাচাৰ্য ডিব্ৰুগড় বিশ্ববিদ্যালয়।

শংকৰদেৱৰ ধৰ্ম যে একশৰণ নামধৰ্ম সেইটো যোৱা দুদিনৰ আলোচনাৰ পৰা বুজা গল যে তাক সকলোৱে মানি লৈছে। এই খিনি প্ৰচাৰৰ কাৰণে মহাপুৰুষে যি অনুস্থান দি থৈ গ'ল, সেই অনুস্থান হ'ল সত্ৰসমূহ। তাৰো সকলো ব্যৱস্থা গুৰু সকলে বা তাৰ পিচৰ আতাসকলে দি থৈ গৈছে। ভাৰতৰ অন্য ধৰ্ম সমূহত যিবোৰ নাই মহাপুৰুষৰ ধৰ্মত সেই খিনিও আছে। গীত মাত সাহিত্য সংস্কৃতি এই সকলোৰে জৰিয়তে মহাপুৰুষে ধৰ্ম প্ৰচাৰ কৰিবলৈ যত্ন কৰিছিল। অন্য ধৰ্মত গীত মাত নাই, ভাওনাৰ জৰিয়তে ধৰ্ম প্ৰচাৰৰ ব্যৱস্থা নাই। কিন্তু গুৰু জনে আমাক এইবোৰ দি সহজ কৰি থৈ গৈছে।

আজি আমি যি বিষয় আলোচনা কৰিছো নিত্য নৈমিত্তিক কৰ্ম আমাৰ মহাপুৰুষীয়া ধৰ্মত ই কিমান খিনি ঠাই দখল কৰে। আমাব দৈনন্দিন কৰ্মৰ ভিতৰত যিখিনি কৰিবলগীয়া সেইখিনি আমি কৰিয়ে আছো, উপাসনা প্ৰসংগ আদি কৰ্মবোৰ। এইবোৰ আমাৰ নাম ঘৰতেই হৈ যায়। কীৰ্ত্তন, ঘোষা, ৰত্নাৱলীত এইবোৰ দিয়া আছে। কোনোবাই যদি এইবোৰ বাদ দি মনে মনে চণ্ডী পাঠ কৰে, কৃষ্ণক বাদ দি দুৰ্গা পূজা কৰে তাক আমি ধৰিব নোৱাৰো কোনো বাধা নিষেধ আদি দিবও নোৱাৰো। এই বিষয়টো আমাৰ মহত্ব। ভাবিবলগীয়া কথা হৈছে ভক্তি ধৰ্মত সমাজৰ সম্পৰ্কলৈ আহিলে আমাৰ দৈনন্দিন জীৱনৰ কৰিবলগীয়া কিছুমান কৰ্ম থাকে। তাৰ ভিতৰত জন্ম মৃত্যু বিবাহ আটাইতকৈ ডাঙৰ কৰ্ম। জন্মৰ বেলিকা আমাৰ কোনো কৰ্ম নাই। ঋষি-মুনি সকলে এই বিষয়ে একো কৈও যোৱা নাই। বৰ্ত্তমান কালত পশ্চিমৰ আদৰ্শ লৈ Happy birth day কৰি এইটো আমি বাদ দিলো। বাকী দুটা কাৰ্য আমাৰ কাৰণে অতি গুৰুত্বপূৰ্ণ আলোচনাৰ বিষয়।

বিবাহৰ বেলিকা পশ্চিমৰ দেশত ধৰ্মৰ কোনো প্ৰভাৱেই নপৰে। তাত হ'ল বিবাহ এখন চুক্তি। দুজন পুৰুষ মহিলাৰ চুক্তি। আজি আমাৰ ইয়াতো তেনে ধৰণৰ হব ধৰিছে। তাত ধৰ্মৰ লগত কোনো সম্পৰ্ক নাই। আমি এই কাৰতো ধৰ্মৰ লগত সম্পৰ্ক ৰাখি কৰি আছো। এই কৰিবলৈ যাওতে মূল নীতিটোৰ ওপৰত কিয়া আঘাত পৰিব নেকি চাব লাগিব। আনহাতে

কোৱা হৈছে যে শংকৰ মাধৱ দুজনা গুৰুই কোনো ধৰণৰ নীতি নিয়ম এই ক্ষেত্ৰত বান্ধি দিয়া নাই। আমি তেওঁলোকে লিখা পুথি সমূহৰ পৰাহে ইয়াৰ যৌক্তিকতাৰ প্ৰশ্ন আনিছো। গুৰু দুজনাৰ শাস্ত্ৰৰ উপপাদ্যৰ পৰা আমি কৈছো যে এইটো ঠিক এইটো বেঠিক। মই যিটো বুজো তেওঁলোকে নিজা ৰবীয়াকৈ কোনো এখন বিধি লিখি থৈ নোযোৱা কাৰণে আমি যিবোৰ কৰ্ম কৰি আহিছো তাতনো কি দোষ আছে। অলপ আগতে আমাৰ সত্ৰাধিকাৰ প্ৰভুৱে কৈ গৈছে যে তাহানি কালতে ঋষি মুনি সকলে স্মৃতি শাস্ত্ৰ সমূহ ৰচনা কৰি থৈ গৈছে আমাৰ দৈনন্দিন কৰ্মৰ ওপৰত আৰু সামাজিক বান্ধোন কিছুমানো আনি দি গৈছে। যেতিয়ালৈকে এইবোৰে আমাৰ মূল আদৰ্শৰ ওপৰত কোনো ধৰণৰ আঘাত নাহানে তেতিয়ালৈকে এইবোৰ এৰি দিয়া কোনো যুক্তি নাই। কালি চলিহা দেৱে যিবোৰ যুক্তি দিছে এইবোৰ বৰ সুন্দৰ। কিন্তু হঠাতে এটা যদি কিছুমান বিধি সলনি কৰা হয় তেনেহলে তাৰ কিছুমান এনে ধৰণৰ বৈপ্লৱিক চিন্তাধাৰা থাকিব লাগে যি নেকি সমাজে গ্ৰহণ কৰাত কোনো অসুবিধা নহয়। আমাৰ এই পৰম্পৰাবোৰ সলনি কৰিলে হয়তো চলিত সমাজৰ লগত এটা সংঘৰ্ষ হব পাৰে। ইয়াৰ ফলত সমাজত এটা বিশৃঙ্খলতা আহিব পাৰে। মোৰ এটা নিবেদন আপোনালোকৰ ওচৰত কৰিব বিচাৰো যে আমাৰ এই উভয় কথাটোৰ কেনেদৰে মকামিলাৰে সমাধান কৰিব পাৰি তাৰ বিষয়ে আলোচনা কৰিব। আজি আমাৰ চাৰিওফালৰ পৰা আক্ৰমণ হৈ আছে। আমি হিন্দু। হিন্দুৰ ভিতৰত থকা নানা সম্প্ৰদায়বোৰে যদি এনে ধৰণৰ সংঘাত কৰি থাকে তেনেহলে আমি বাচি থাকিম কেনেকৈ? তাৰ ভিতৰতে মহাপুৰুষীয়া মানুহখিনি যদি কিছুমান ৰীতি নীতি লৈ বিৰাট সংঘৰ্ষ সৃষ্টি কৰো তেন্তে জাতিৰ পক্ষে ই এটা অকল্যাণ হব। মই নাজানো কিন্তু আজি প্ৰশ্ন হৈছে পিতৃ মাতৃ মৰিলে মুণ্ডন কৰিব নে নাই, সেন্দুৰ পিন্ধিব নে নাই আমাৰ মহিলাসকলে। কাৰণ ই এটা প্ৰতীক। এনেবোৰ কথাত লাগি থাকিলে আমাৰ কিমান উপকাৰ হব তাক আমি নাজানো। আমাৰ যিবোৰ মুখ্য কথা তাক বাদ দি যেতিয়া আমি গৌণ কথালৈ যাওঁ তেতিয়া জাতি ধ্বংসৰফালে আগবঢ়া বুলি ধৰি লব লাগিব। আৰ্ণল্ড টয় নবীয়ে গোটেই বিশ্বৰ বুৰঞ্জী অধ্যয়ন কৰি কলে যে ৰোমে নকৰা কাম নাই, নিদিয়া বস্তু নাই। যেতিয়া তেওঁলোকৰ (Original) মৌলিকতাটো নোহোৱা হ'ল তেতিয়া তেওঁলোকে তাল পাত লৈ কাজিয়া কৰিব ধৰিলে সৰু সৰু কথাত। কি কৰিব কি

নকৰিব এইবোৰ কথাত। ধৰ্মৰ কথাতে নহয় সকলোতে ই খাটে। আমি যেতিয়া মূল কথাটোৰ পৰা ফালৰি কাটি সৰু সৰু কথাত লাগো তেতিয়া আমি কল্যাণ কৰাতকৈ অকল্যাণহে বেছি কৰো। ধৰ্মৰ ক্ষেত্ৰতো খাটে। টলষ্টয়ে কৈছে যে ৰোমে যেতিয়া সৃষ্টি কৰিব নোৱাৰা হ'ল তেতিয়া Fine Arts অৰ ফালে গ'ল। তেওঁলোকে পুৰণিটোকে নানা ধৰণৰ ৰং বিৰং মিলাই যাবলৈ ধৰিলে। সি এটা মৃত্যুৰ গতি বুলি তেওঁ কৈছে। আমাৰ যাতে সেইটো নহয়। আমাৰ মূল বস্তু যাতে আমি পাহৰি নামাওঁ। মই নতুনকৈ আগবাঢ়ি অহাসকল আৰু পুৰণি পৰম্পৰাত লাগি থকা এই দুয়ো দলকে অনুৰোধ কৰিছো যাতে আমি সৰু সৰু কথাত লাগি নাথাকো আমাৰ মুখ্য বস্তুটো পাহৰি নামাওঁ। মই শ্ৰীচলিহাদেৱৰ ব্যাখ্যা মানি লৈছো। আমি এনে ধৰণেৰে এটা পথ বাহিৰ কৰিব লাগিব যাতে মহাপুৰুষৰ ধৰ্মত এই নিত্য নৈমিত্তিক কৰ্মবোৰে অন্তৰায় সৃষ্টি নকৰে। আৰু এটা কথা হৈছে পৰম্পৰাবোৰ কেনে ধৰণৰ সংস্কাৰ কৰি লব পাৰো তাৰ চেষ্টা কৰিব লাগিব। গুৰুত্বপূৰ্ণ কথা হৈছে আমি যেনে পাহাৰ পৰ্বতৰ পৰা ফালৰি কাটি আহিছো। মহাপুৰুষ আৰু পিছৰ আতাপুৰুষ সকলে এই কামটো কৰিছিল। বৰ্ত্তমান ধিৰে ধিৰে আমি সৰু সৰু কথালৈ কাজিয়া কৰিছো আৰু আনে সেইবোৰ ঠাই দখল কৰিছে। আমি যেতিয়ালৈকে তাত এটা নামঘৰো সজাব নোৱাৰো তেনেহলে আমাৰ সকলো শেষ হব। এইবোৰ কথা আমি এটা সতৰ্ক বাণী বুলি গ্ৰহণ কৰিব লাগিব। আমি ইয়াত তৰ্ক কৰি থাকোতে আমাৰ জাতি উপজাতি বেলেগে লৈ যাব। আমি এই বোৰ সকলোকে সামৰি লব লাগিব। সেইটোহে আমাৰ মুখ্য ধৰ্ম হোৱা উচিত।

ভাৰতবৰ্ষত সমভাব থকা ধৰ্ম এটাও নাই যি শংকৰদেৱৰ ধৰ্মৰ সমান হব পাৰে। তাক আমি উচ্চস্বৰে কব পাৰো। ইয়াত সকলোৱে সমান। এই সকলোৱে সমান হব পৰা ধৰ্মটোক লৈ যিসকল অবহেলিত হৈ আছে সেই সকলক আমি আমাৰ সমান কৰি লব লাগে। তেতিয়াহলে সৰ্বভাৰতীয় ক্ষেত্ৰত আমাৰ ধৰ্মক আমি শ্ৰেষ্ঠ আসনত বহুৱাব পাৰিম। মই আৰু বিশেষ নকওঁ। ইমানতে সামৰণি মাৰিলো।

❈

আচাৰ্য শ্ৰীইলাৰাম দাস : একশৰণ ভাগৱতী সমাজ, অসম

শৰণ ললেই মই ভাবো প্ৰকৃত শৰণৰ মাৰ্গত প্ৰৱেশ নকৰে। সেই বিষয়ে পৰমাৰ্থিক তত্বৰ ভিতৰ চ'ৰা আলোচনা কৰিবলৈ আগবাঢ়িছো। এতিয়া প্ৰশ্ন হ'ল ভকত। ভকত শব্দটো লৈ আজি আমাৰ মনোমালিন্য হৈছে। আপোনা-সকলে, হে গুৰুসকল University ৰ V. C. আছে Prof. আছে আৰু আমাৰ প্ৰভুজন আছে, আতাসকল আছে, এইসকল আমাৰ সেৱাৰ বস্তু। মই এজন সাধাৰণ অকনমান শিক্ষা লৈ গুৰুৰ কৃপা লৈ আপোনাসবৰ মাজলৈ আহিছো। কিন্তু মোৰ এটা প্ৰশ্ন হৈছে এই ঘোষাটোৰ সৰলাৰ্থ কৰি চাওঁচোন আমি।

অবিৰক্ত ভকতৰ বেদ লঙ্ঘিবাৰ দোষ
ইহাক জানিবা নিশ্চয়।

পৰম বিৰক্ত কোন? যিটো শব্দৰ অৰ্থ যিজন মহয়নে? পৰম বিৰক্ত যিজন কৃষ্ণ ভক্ত হ'ল তাৰ একোৱেই নিৰ্ণয় নাই। এই অৰ্থ নহবনে? নিশ্চয় জানিবা অবিৰক্ত ভকতজনে বেদ লংঘন কৰা দোষ, কিন্তু পৰম বিৰক্ত কোন জন? যিজন কৃষ্ণ ভকত হ'ল। তাৰ একো নিৰ্ণয় নাই। এতিয়া প্ৰশ্ন ভকত শব্দটো। শিৱৰ ভকত বুলিলে শিৱ ভক্তক বুজায়, কালীৰ সেৱক বুলিলে কালী ভক্তক বুজায়, দুৰ্গা সেৱক বুলিলে দুৰ্গাভক্ত বুজায়। পিছৰ শব্দটো ওপৰৰ শব্দটোত কৃষ্ণ নাই। ভকত বুলি কৈছে। তলৰ শব্দটোত কৃষ্ণ ভকত হৈছে; এইটো সিদ্ধান্ত দিছে কৃষ্ণৰ ভকত। গতিকে এই ভকত শব্দটোকে ভাগৱতৰ পৰা ব্যাখ্যা দিব খুজিছো—

আন সব দেৱতাক কোনে পাবে চিণ্ডিবাক
বিকট সংকট ভয়ংকৰ।
ব্যাঘ্ৰ সিংহ সৰ্বজান মুমৰন্তে কাম্পে প্ৰাণ
কন্ঠো মুক্ত মালা দিগম্বৰ॥

অল্পতে সন্তোষ নাই তেজ মাংস মূৰা খাই
ভকতৰ থাকে ছিদ্ৰ চাই ।
বিধি বৃত্তি নেদে যদি অনেক বিঘিনি কৰি
সপোনত ভয়ক দেখাই ॥
এতেকে মহন্ত গণে কদাচিত্তো কৃষ্ণ বিনে
অন্যত্ৰত নকৰে বিশ্বাস ।
কৃষ্ণক হৃদয়ে ধৰি শ্ৰৱন কীৰ্ত্তন কৰি
মুকুতিক তেজে অভিলাস ॥

এই শব্দটো এই যে ভকত এইয়া কৰ্মকাণ্ড ভকত, অবিৰক্ত ভকত। অবিৰক্ত মানে আসক্তিপূৰ্ণ। যাৰ কামনাৰ শেষ নাই,··· ধনং দেহী, পুত্ৰং দেহী···। কেৱল লাগে লাগে। যাৰ বাবে বিভিন্ন দেৱ দেৱতাৰ পূজা কৰে, সেই ভকত অবিৰক্ত ভকত। মই কালি কথাটো কৈছিলো। গুৰুসকলে মন নকৰিলে। নদী গৈ সমূদ্ৰত মিলি যোৱাৰ পাছত নদীৰ আৰু গতি থাকে নেকি? হিমালয়ৰ উচ্চ শৃংগৰ পৰা বৈ গৈ নদী যেতিয়া সমুদ্ৰ বক্ষত মিলি যায়, তাৰ আৰু উভতা গতি থাকে নেকি? অৰ্থাৎ যুগে যুগে যিজনে সাধনাৰ পাছত কৃষ্ণ সাক্ষাত হৈ কৃষ্ণৰ শৰণ গ্ৰহন কৰিলে, কৃষ্ণত আশ্ৰয় ললে সি কি আকৌ উভতি আহি ক্ষুদ্ৰ দেৱ দেৱী উপাসনা কৰিব পাৰে নেকি? যদি সেইজন ঈশ্বৰ পৰম কৃষ্ণ, তেৱেঁই যদি সমাসাগৰ হয়, সৰ্ব কাৰণৰ কাৰণ যিজন সকলো স্ৰষ্টা, দ্ৰষ্টা, নিয়ন্তা পুৰুষ তেওঁৰ চৰণত জীৱ আত্মা সমৰ্পণ কৰাৰ পাছত আৰু কি জীৱৰ গতি থাকে? এই কাৰণে মোৰ মহাপুৰুষ মাধৱদেৱৰ পৰম কৃপালু গুৰুজনে কৈছে— বঢ়াৰ পো আমাতকৈ তুমি বেছি উদাৰ, বেছি মৰমীয়াল, সেই কাৰণে দেৱতা পূজা কৰা লোকসকলৰ প্ৰতি অবিৰক্ত ভকতক এইটো সতৰ্কবাণীহে। হে বোপাই-হঁত সচাকৈয়ে যদি তোমালোকে সংসাৰত আসক্ত হৈ কেৱল তোমালোকে পূজা-কেই কৰিব খুজিছা, সাৱধান, তোমালোকে মতিভ্ৰম নকৰিবা। চাওঁক যেতিয়া ত্ৰষ্টা মুনিয়ে বৃত্ৰাসুৰ বধৰ যজ্ঞ পাতে এটা শব্দ "ইন্দ্ৰৰ শত্ৰু বাঢ়ক" বুলি আহুতি দিওতেই মন্ত্ৰ উচ্চাৰণত বিসৰ্গটো ইফাল সিফাল হোৱাতেই 'ইন্দ্ৰৰ শত্ৰু বাঢ়ক' ঠাইত 'ইন্দ্ৰ শত্ৰু বাঢ়ক' হ'ল। অৰ্থাৎ যিখিনি ঠাইত শব্দটোৰ উচ্চাৰণ টানকৈ হব লাগে তাৰ ঠাইত ঢিলা হ'ল, ঢিলাৰ ঠাইত টান হ'ল, "ইন্দ্ৰৰ শত্ৰু বাঢ়ক"

অর্থাৎ বৃত্রাসুৰক বিজয়ী হ'বলৈ কৈছিল। কিন্তু ইন্দ্ৰ শত্ৰুহে বাঢ়ি গ'ল, বৃত্ৰাসুৰ বধ হ'ল। আপোনাসবে জানে যে মহীৰাৱণ বধত মহীৰাৱণক যেতিয়া বেতাল চণ্ডীয়ে কিয় মাৰিলে, কিয় বধ কৰিবলগীয়া হ'ল, এটা মাখি হৈ এটা শব্দ ভুলকৈ কৈছিল। মহীৰাৱণ মৃত্যু হৈ গ'ল। এই কাৰণে অসময়ত নিদ্ৰাৱলী দেৱীক পূজা দিয়া কাৰণে মহীৰাৱণ বধ হ'ল। মহীৰাৱণে পূজা দিছিল। কিন্তু অসময়ত পূজা দিছিল। অমাৱস্যাত পূজা নকৰি পূৰ্ণিমা তিথিত কৰে তেন্তে কালীমা সন্তুষ্ট নহয়। এই কাৰণে সাৱধানবাণী শুনাইছিল। অবিৰক্ত ভকতসকল, তোমালোকে বেদবাণী উলংঘা নকৰিবা; কৰিলে তোমালোকক দোষে পাব। কিন্তু যিজন বিৰক্ত, ভকত, কৃষ্ণত মূৰ দোৱালে তাৰ আৰু নিৰ্ণয় নাই। কিন্তু পিছৰ পদ ফাঁকি কৃষ্ণৰ একান্ত ভক্তৰ বাবে টানি আনিলে। বোলে চোৱা, কৃষ্ণভক্ত সকল, যদি তোমালোকে কৃষ্ণৰ একান্ত ভকত হোৱা বুলি ভাবিছা তোমালোকৰো কাম আছে। অবিৰক্ত ভক্তৰ প্ৰতি দিয়া মহাপুৰুষৰ উপদেশ তোমালোকে বেদত থকা বিভিন্ন বিধান আদিৰে পূজা কৰিবা, যাগ-যজ্ঞ কৰিবা। যদি নকৰাকৈ থকা তেন্তে তোমালোকৰ অপৰাধ হ'বই। কিন্তু যিজন কৃষ্ণৰ ভকত হ'ল তেওঁৰ কোনো নিৰ্ণয় নাই। তাৰ পাছত জানোছা সেই শব্দটো পালে. বৈকুণ্ঠলৈ গুচি যাৱলৈ বিচাৰে, যে আমি এতিয়া কৃষ্ণত শৰণ লৈছো, তেতিয়া আমাৰ আৰু কাম নাই। তেতিয়া তেওঁলোকৰ বাবে সাৱধানবাণী শুনালে সাধন মাৰ্গৰ কথা।

তাৱত কৃষ্ণৰ ভকত নৰে ভক্তি অবিৰোধী কৰ্ম কৰে
কৃষ্ণৰ কথাত ৰতি যাৱে নোপজয়।
যেৱে ভৈল কৃষ্ণ কথা ৰত নিত্য নৈমিত্তিক আদি যত
কথাৰ বিৰোধী জানিয়া সবে তেজয়॥

এইখিনিত সাধন মাৰ্গৰ কথা আছে। কৃষ্ণভক্ত হলো বাবেই মোৰ পৃথিৱীত কোনো কামেই নাই নেকি। আমাৰ আতাসকলে নিত্য কৰ্মৰ কিছু কথা কৈছে। মই অলপ কৰলৈ খুজিছো। আমাৰ নিত্য কৰ্ম কি? আমি ৰাতিপুৱা ৪ বজাতে স্নান কৰো, শৌচ সদাচাৰ কৰো, ৪ বজাৰে পৰা আমি ঈশ্বৰৰ নাম জপ কৰো, তাৰ পাছত নাম প্ৰসঙ্গ কৰো, তাৰ পাছত শাস্ত্ৰ ভাগৱত পাঠ কৰো; পাছত আহাৰ গ্ৰহন কৰো। দুপৰীয়া প্ৰসঙ্গ কৰো, বিয়লি নাম জপ কৰো, থোৱা পাঠ কৰো, প্ৰসঙ্গ কৰো, সেইদৰে আমি গধূলি ঈশ্বৰৰ ৰূপ ধ্যান কৰি নাম জপ

কৰো। তাৰ পাছত প্ৰসঙ্গ কৰি ঈশ্বৰে যি কৰাই তাকে চেষ্টা কৰি ঈশ্বৰত সমস্ত অৰ্পণ কৰো। আমাৰ নিত্য নৈমিত্তিক কৰ্মৰ মাজতো ঈশ্বৰক আগত লৈ ঈশ্বৰ চিন্তাৰ মাজেৰে আমি কৰ্ম কৰি আছো, কিন্তু কোনখিনি কথা কৈছো? এইটো এটা ভক্তিৰ চূড়ান্ত স্তৰ। যেতিয়া মানুহৰ স্নায়ু জাগৰণ হয় তেতিয়া আপোনা আপুনি সেই অংগবোৰ ক্ৰীয়াশীল হৈ উঠে। চাৰ্ভক চাইকেল চলাওঁতে আমাৰ স্নায়ু জাগৰণ নহয়। গতিকে হেণ্ডেল পোন নহয়, ককাল পোন নহয়, পৰি পৰি যাওঁ। কিন্তু যেতিয়া আমাৰ স্নায়ু জাগি উঠে তেতিয়া আপোনা আপুনি ধমনীত তাৰ আৱাজ অহে। কৃষ্ণ কৃষ্ণ ৰাম ৰাম উচ্চাৰণ কৰোতে তাৰ স্নায়ু জাগৰণ হব আৰু কুণ্ডলনী জাগৰণ হব, তেতিয়া তাৰ আপোনা আপুনি অবিৰাম নাম আহিব। আপোনালোকে বৰপেটা সত্ৰত কৰে চৈধ্য প্ৰসঙ্গ কিন্তু শ্ৰীৰাম আতাই কৰে ১৫ প্ৰসঙ্গ। ১৫ প্ৰসঙ্গ কি? অবিৰাম কৃষ্ণ নাম তেওঁৰ ধমনীত স্পন্দন হৈ থাকে। নাম প্ৰথমতে শব্দত তাৰ পাছত এটা স্পন্দন হৈ থাকিব। ই এটা উচ্চ ভাৱৰ কথা। সেই সময়ত মানুহজনৰ কোনো নিত্য কৰ্মৰ প্ৰশ্নই নাই। স্নানৰ প্ৰশ্নই নাই। বাহিৰ ভিতৰ একে হৈ যায়। কেৱল কি হয়?

আথে মনুষ্যৰ ইন্দ্ৰিয়ৰ বৃত্তি যত।
অযত্নে প্ৰৱৰ্ত্তে যেন নানা বিষয়ত॥
সেহিমতে ইন্দ্ৰিয়ৰ বৃত্তি নিৰন্তৰে।
বিষয়ক এৰিয়া বিষ্ণুত ৰতি কৰে॥
নকৰে কামনা ভকতিক ত্যজি আন।
তাকে বুলি ভাগৱতী ভকতি প্ৰধান॥
কৰ্ণে শুনে কৃষ্ণ কথা মুখে বোলে ৰাম।
মনে পাদ পদ্ম স্মৰে হস্তে কৰে কাম॥
কৃষ্ণৰ প্ৰতিমা দেখে চক্ষুয়ে ভক্তক।
বিষ্ণু বুদ্ধি কৰি শিৰে নাম সমস্তক॥
নিৰ্ম্মাল্য তুলসী ঘ্ৰাণ লয়ে নাসিকায়।
বিষ্ণুৰ নৈবেদ্য মাত্ৰ আস্বাদে জিহ্বায়॥
পদে বিষ্ণু ক্ষেত্ৰ বৈষ্ণৱৰ ঠাইক যায়।
এহিমতে ইন্দ্ৰিয়ৰ বৃত্তি সমুদায়॥

বিষ্ণুতেসে প্ৰৱৰ্ত্তে অযত্নে যেবে জানা।
মনে একো বিষয়ক নকৰে কামনা॥

তেতিয়াহে এই অৱস্থা হব। একমাত্র গোবিন্দক স্মৰণ কৰি ক্ষুদ্র দেৱতা বাদ দি যদি মই গোবিন্দত আত্ম সমৰ্পণ নকৰো, কৃষ্ণ সেৱাত ৰত নহওঁ, সেই সাধনাত ৰত নহওঁ, তেতিয়া আমাৰ ভুলেই হৈ যাব। মোৰ যদি প্ৰথমতে ভুল হৈ যায় তেতিয়াও এই অৱস্থালৈ আহিব নোৱাৰো। এই কাৰণে পাছফালে সুন্দৰকৈ ৩ নং ঘোষাটিয়ে খুদুৱণি সন্দেহ দূৰ কৰিছে।

সমস্তে তপক আচৰোক পৰোক পৰ্বতে উঠি যত
তীৰ্থত ভ্ৰমোক পঢ়োক বেদ নিশ্চয়।
যজোক সমস্তে যজ্ঞচয় যোগক জানোক সমস্তয়
হৰি বিনে কদাচিতো মৃত্যু নটৰয়॥

গতিকে এইবিলাক বেদ কৰ্ম। বেদ দুই খণ্ড, কৰ্ম কাণ্ড বেদ এক খণ্ড আৰু জ্ঞান কাণ্ড বেদ। ঈশ্বৰৰ প্ৰতি কৰা যোগ, ঈশ্বৰৰ প্ৰতি কৰা যজ্ঞ, ঈশ্বৰৰ প্ৰতি কৰা তপ, তীৰ্থ এইখিনিয়ে তৰিব নোৱাৰে। একমাত্র তাৰক ব্ৰহ্ম, তৰক ব্ৰহ্ম হৈছে ঈশ্বৰ কৃষ্ণ। গতিকে এই পদটোলৈ আমি এটা বিশৃংখল অৱস্থাৰ সৃষ্টি কৰিছো। কৰ্ম কাণ্ড কৰা এখন বেদ যে আছে আতাসকলে কিয় খুলি নকয়। হে প্ৰভুসকল কিয় কৃপণালী কৰিছে। আমাৰ ৰাজ্যত আপোনাসবৰ দৰে শ্ৰীমন্ত পুৰুষ কিমান কাটিলে ফুলেশ্বৰী ৰাণীয়ে, এই কথা নকয় আপোনালোকে কিয় কৃপণালী কৰিছে? ৰঘুনন্দন স্মাৰ্ত্তীক বংগদেশৰ পৰা আনি স্মৃতি শাস্ত্ৰ প্ৰণয়ন কৰিলে, সেই বেদেৰে যদি তইঁতে পিতৃ শ্ৰাদ্ধ নকৰ, তৰোৱালৰ আগত তইঁতৰ জীৱন যাব। নিত্য কৰ্ম নকৰ তইঁতৰ প্ৰাণ যাব।' বাইজে মানিবলৈ বাধ্য হ'ল, ৰজাৰ হুকুম। এক পুৰুষে যেতিয়া সেই পদ্ধতি মানিলে তাৰ পাছত কাৰো আপত্তি নথকা হ'ল। এয়েই আমাৰ বেদ। পিতা মাতাই যি কৰিলে তাকে আমি কৰি আছো। কিন্তু যিখন বেদে আমাক উদ্ধাৰ কৰিবলৈ আহিছে সেই বেদখন এতিয়া আলোচনা কৰোতে দুই তিনিটা শ্লোক কোৱাত আমাক বেজাৰ পাইছে। কিয় বেজাৰ পাব লাগে? যিখন বেদে আমাক উদ্ধাৰ কৰিবলৈ গৈছে তাত প্ৰথমতে বাহিৰৰ পূজা, ভূত প্ৰেতৰ পূজা, দাইনী যখিনীৰ পূজা কৰি জীৱনটোক টানি নি ৰৌ ৰৌ, তামিস্ৰ, অন্ধ তামিস্ৰ নৰকলৈ নিয়া হৈছে। এইটো

শংকৰদেৱ মাধৱদেৱৰ কোনখিনিত লিখা আছে? গতিকে আমি কি এটা তাঙৰ অপৰাধযুক্ত কাম কৰিছো। গুৰুসকলে যদি উদাৰভাৱে চিন্তা কৰে জীৱনৰ কল্যাণাৰ্থে চিন্তা কৰে মই তেতিয়া সন্তোষ পাম। আজি প্ৰকৃতাৰ্থে যদি বেদ কৰ্ম নিৰ্ণয় কৰিব লাগে মই কৈছো গুৰুসকলক, একশৰণীয়া বান্ধৱসকলক, ধৈৰ্য ধৰিব, বৰপেটাতে সকলো বস্তু আছে। আমাৰ পিতাক উদ্ধাৰ কৰা বিধিখন পাঠ কৰক, এটা শ্লোক মাতক, শংকৰ মাধৱৰ পদ যোৱাৰ লগত মিলি আছে নে নাই চাওঁক। আমি প্ৰথমে যেতিয়া হোম পোৱা নাছিলো আমাৰ ল'ৰা-ছোৱালী বাই-ভনীবিলাকে আমাক মুছলমান বুলি কৈছিল। গান্ধীয়ে এটা কথা কৈছিল, Non co-operative when necessary আমিতো সহযোগ কৰিবই নোৱাৰিম হে প্ৰভুসকল। আজি সেই বিধিখন যদি পাঠ কৰে, শ্লোক সমূহৰ অৰ্থ কৰে, কোনো শংকৰ সংঘ নালাগে, কোনো ভাগৱতী সমাজ নালাগে, কোনো বক্তা নালাগে, আপোনালোকে নিজেই কব যে এই বিধিখন ভাল ডোঙা এটা কাটি আনি নদীত উটুৱাই দিয়া। কাৰণ শংকৰদেৱৰ এটা পদতো নাই। ওঁম নমো ভৈৰবায়ে নমঃ, শিৱায়ে নমঃ, সূৰ্যায়েঃ নমঃ, অসীঙ্গতায়ে নমঃ চামুণ্ডায়ে নমঃ আছে? নাই।

কৃষ্ণক পূজিলে পূজা সমস্তৰে হয়।
পৃথকে পূজিলে পূজা কেহো নলয়॥

হস্তীৰ খোজত গৰু, ভালুক, মহ, গাহৰিলৈকে সবে লুকায়। সেইদৰে

এহিমতে যত বিশ্ব সমস্ত।
কৃষ্ণতে জানা সবে যায় অস্ত॥

এনে কৃষ্ণ ভক্তি কৰাৰ পাছত আমাৰ কোনো ক্ষুদ্ৰ দেৱতা পূজাৰ থল নাথাকে। আন এটা যুক্তি মই আপোনালোকলৈ আগবঢ়াও। আমাৰ যিখন খেলিমেলি লাগি আছে শ্ৰুতি স্মৃতিক লৈ।

মাধৱে বোলন্ত শ্ৰুতি স্মৃতি যোৰ আজ্ঞা বাণী জানা নিষ্ঠ
যিটো জনে আক উলংঘিয়া প্ৰৱৰ্ত্তয়।
ভৈল সিটো মোৰ আজ্ঞাচ্ছেদি মোক দ্বেষ কৰিলেক আজি
মোৰ ভক্ত হন্তো বৈষ্ণৱ সিটো নোহয়॥

এই ষোষাৰ ব্যাখ্যাত যি গোণ্ডগোল লাগি আছে আমি মৰমেৰে প্ৰেমেৰে আলোচনা কৰিব লাগে। আমাৰ মাজত উত্তেজনাৰ ভাব বাদ দিব লাগে। চাওঁচোন আমি হৃদয়ত কৃষ্ণ কৃষ্ণ একমিনিট স্মৰণ কৰো। কৃষ্ণই আমাৰ হৃদয়ত প্ৰকৃত সত্যৰ জাগৃত কৰিব। এই শ্লোকটো বামন পুৰাণৰ শ্লোক। বামণৰূপী ভগৱানে কৈছিল। এইয়া কেই বছৰ আগৰ কথা, কিবা ২৫ বছৰনে ৫০ বছৰৰ? কেইবা হাজাৰ বছৰৰ। যি যুগত বামনৰূপী ভগৱান সৃষ্টিত অৱতাৰ হৈছিল, সেই যুগৰ মানুহৰ আয়ু, শ্ৰী, মেধা, স্মৃতি কেনে আছিল আৰু আজি কি হ'ল? সেই সময়ত ঋষি মুনি বিলাকে কৰা শাস্ত্ৰত কৈছিল, শ্ৰুতি মানে চাৰিখন বেদ। স্মৃতি মানে ১৮ খন স্মৃতি। মনু অগস্ত্য আদি ঋষি মুনিসকলে যি লিখিছিল, স্মৃতি বাক্য, সেই স্মৃতি অষ্টাদশ শ্ৰুতি আৰু স্মৃতি বিলাক মানি চলিলে ভকত হয়। কিন্তু কাৰ কাৰণে আছিল বাপ সব। আপোনা সকলে কৃপা কৰি চাওঁক। এই স্মৃতিৰ অধিকাৰ আজিৰ শূদ্ৰিৰ সকলৰ আছিলনে?

"নশূদ্ৰেন মতিং দদ্যাৎ" শূদিৰ সকলক তাৰ এটাও ভাল কথা নকবা। এনে বিধান আছিল। কেনেবাকৈ কোনোবা শূদিৰে চেলেকি খায়, তাৰ মেধা স্মৃতি বাঢ়িব, গতিকে গোৱৰ ঘহি আঠুৱনীয়া গাত খাণ্ডি তাক পুতি থৈ অহিবা। এনে স্মৃতি আছিল যাতে কোনো কালেই স্ত্ৰী শূদ্ৰ বৈশ্যই জ্ঞানৰ সু-সন্ধান নাপায়। যদি স্মৃতি উলংঘা কৰিলে বুলি কয় প্ৰথমতে বেলগুৰি সত্ৰাধিকাৰ বাপ আৰু মহন্তদেৱে স্মৃতি উলংঘা কৰিছে। তেখেত সকলৰ উপৰি পুৰুষে স্মৃতি উলংঘা কৰিছে। কিয় কৰিছে? এখেত সকল শূদ্ৰ বংশৰ মানুহ। এসময়ত এখেতসকল কায়স্থ বা কলিতা আছিল। এখেত সকল জন্মগত ব্ৰাহ্মণ নহয়। কিন্তু দীক্ষাদি গুৰু হবলৈ ক্ষমতা পালে ক'ত? এখেত সকলে স্মৃতি উলংঘা কৰিছে। গতিকে শংকৰদেৱে স্মৃতি উলংঘা কৰিছে, তাৰ কাৰণে কেচ হৈছিল। চাওঁক। এই কেচ দিছিল নৰনাৰায়ণৰ ৰাজ সভাত। স্মৃতি উলংঘা কৰাৰ কাৰণে শংকৰদেৱৰ ওপৰত যি কেচ হৈছিল পাঠ কৰি শুনাওঁ।

প্ৰথমতে আহোম ৰজাই হৰি জোৱাইক কাটিলে। হৰি জোৱাইক লৈ যোৱা আদালত খনত প্ৰথম এইটো গোচৰ হৈছিল।

অনন্তৰে যেন ভৈল তাক শুনিয়োক।
অসম ৰাজ্যাত খল দিলা বিপ্ৰলোক ॥
শূদ্ৰ এক গোটা নামে শংকৰ আছয়।

শ্ৰাদ্ধ বিধি কৰিবাক লোকক নেদয় ॥
পাষণ্ড আচাৰে লোক নষ্ট কৰিলেক।
নিৰন্তৰে লোকে স্বধৰ্মক এৰিলেক ॥
হেন শুনি ৰাজা শংকৰক নিয়াইলেক।
দ্বিজগণ সমেতাৰ চাঙ্গে তুলিলেক ॥
তুৰবাক বোলে কথা পুছ শংকৰত।
ৰাজ্য নষ্ট কৰিলেক কহয় দ্বিজষত ॥
তুৰৰা আনিয়া পুছিলেক শংকৰক।
বোলয় শংকৰে পুছা ব্ৰাহ্মণ সৱক ॥

শূদিৰ হৈ তেওঁ ব্ৰাহ্মণক দীক্ষা দিছিল। গতিকে বেদৰ বিধান নষ্ট কৰিলে। ব্ৰাহ্মণ স্ত্ৰীয়ো সেৱা কৰে শংকৰক। মই কিছু কথাহে আপোনাসৱৰ ওচৰত উল্লেখ কৰিছো। এইয়া আছিল শংকৰদেৱৰ ওপৰত দিয়া গোচৰ। আজি আমি কিয় ইমান মৰমত বাচিগলো সেই চক্ৰান্তই সিদিমা ৰঘুনন্দন স্মাৰ্ত্তক মাতি আনিলে। ... ।

অসমত শংকৰদেৱৰ ধৰ্মৰ সেৱক সকলৰ ব্ৰহ্মতেজ যদি নষ্ট কৰিব লাগে তেন্তে কিবা উপায় উলিওৱা। তোমাক Advocate আনিছো। বেংগল হাই-কোৰ্টৰ পৰা। তুমি বহি যোৱা। তেওঁ পণ্ডিত সকলৰে বহি লৈ শংকৰদেৱ মাধৱদেৱৰ শাস্ত্ৰ সমূহ পাত পাতকৈ চাই দেখে যে আচৰিত পণ্ডিত কেলিওতো ৰাস্তা নাই। মাত্ৰ চাৰিটা শব্দ পাইছো। এই শব্দ হ'ল, বেদ বিধি অৰ্থাৎ নিত্য নৈমিত্তিক কৰ্ম, বিধি কিংকৰ আৰু শ্ৰুতি স্মৃতি। এই চাৰিটা শব্দৰ মাজেৰে যদি একশৰণ ধৰ্মৰ সাধনাত কৰ্মকাণ্ড সুমুৱাই দিব নোৱাৰো তেন্তে অন্য উপায় নাই। ৰাম নাম এনে শক্তিশালী যি ৰাম নাম লৈ জীৱই অপাৰ সংসাৰ তৰি গুচি যায়। এই নামৰ মহিমাৰ পৰা যদি লোকক বঞ্চিত কৰিব লাগে, এবাৰ মাত্ৰ অন্য দেৱতাৰ নামত যাতে ফুল এপাহ, সেৱা এটা কৰাই দিব পৰা যায় তাৰ ৰাম নামৰ মহিমাৰ সাধন শক্তি শেষ হৈ যাব। এই কাৰণে তেওঁলোকে ১৮ খন কৌমুদি ৰচনা কৰিলে। সেই কৌমুদি শাস্ত্ৰ সমূহত এই মন্ত্ৰ বোৰ লিখা আছে। যিখন দেশৰ বেদেৰে অপোনালোকৰ পিতৃ পুৰুষ সকলৰ শ্ৰাদ্ধ কৰে। গুৰু সকল আমি বৰপেটাত আছো, বৰপেটাতে ব্ৰাহ্মণ আছে, কালিলৈ মাতক তেখেতে বিধি কেইখন পাঠ কৰক। আমি লোকৰ

অৰ্থ কৰিলে ওলাব। ইমান মহিমা যুক্ত ঈশ্বৰৰ নামত বিশ্বাস নাই। ৰাম কৃষ্ণ নামেৰে পিণ্ড দিলে কৃষ্ণ নাপাব, আমাক ক্ষুদ্ৰ কাউৰী ভূত প্ৰেত কুকুৰৰ পূজা কৰালে। আৰু এটা কথা চাওঁক আমাৰ গুৰু জনে শ্ৰাদ্ধ সম্বন্ধে কি কলে—

পুত্ৰহস্তে তবে যদি শুনি আছে শাস্ত্ৰ।
বৈষ্ণৱ পুত্ৰক প্ৰতি বুলি আছে মাত্ৰ।
অবৈষ্ণৱ পুত্ৰ যদি হোৱয় বংশত।
স্বৰ্গ পৰা পিতৃক পেলাৱে নৰকত॥
যাৰ পুত্ৰ সবে ঐত হৰিত শৰণ লৈয়া
হৰি গুণ গায়ে শুদ্ধ ভাৱে।
দধি দুগ্ধ ঘৃত মধু নদীৰ জলক পিয়া
পিতৃগণে তৃপিতিক পাৱে॥

এইয়া মাধৱদেৱৰ কলম। য'ত স্মৃতি শ্ৰুতি মাতৃ অৰ্থ কৰিছে। সেই কালৰ লোক সকলৰ কাৰণে য'ত শ্ৰুতি স্মৃতি ব্ৰাহ্মণ ক্ষত্ৰিয় সকলৰ ধৰ্ম তাত বন্ধা আছে। তাত পুত্ৰ সকলৰ বাবে কৰিব লগীয়া নীতি নিয়ম একো নাই। আজি শ্ৰুতি স্মৃতিৰ যুগ আছেনে? যি শ্ৰুতিয়ে কৈছিল, ব্ৰাহ্মণৰ অধ্যয়ণ, অধ্যাপন, যজন, যাজন এইয়ে তেৰা সকলৰ। তেতিয়া তেওঁ ব্ৰাহ্মণ হৈ থাকে। ক্ষত্ৰিয়ৰ যুদ্ধ ক্ষমতা তেওঁলোকৰ যিখিনি গুণ আছিল। আমি সেই জন ক্ষত্ৰিয় হৈছো জানো? আজি commander in chief কোনোবা মুছলমান আজি commander কোনোবা হৰিজনৰ ল'ৰা। গতিকে শ্ৰুতি স্মৃতিৰ কোনটো কাল আমি মানিছো? একো নাথাকিল, গোটেই শ্ৰুতি স্মৃতি ধ্বংস হ'ল। মাত্ৰ কাউৰী কুকুৰক পূজা দিয়াহে শ্ৰুতি স্মৃতিৰ ভিতৰত বৈ থাকিল। গতিকে এনে অৰ্থ আমি কৰিলো নিজৰ মাজত আউল আমাৰ জীৱনত শেষ নহব। ইয়াৰ উত্তৰ মাধৱদেৱে নিজেই দিছে। বিপ্ৰ সকলৰ কাৰণে শ্ৰুতি স্মৃতি এইটো কান্তিমালা টিকাত আছে—

ব্ৰাহ্মণৰ চক্ষু দুটা, এটা স্মৃতি আনটো শ্ৰুতি। এই স্মৃতি শ্ৰুতিক যদি তেৰা সকলে সদায় সুন্দৰ ভাবে পালন কৰে শ্ৰদ্ধা কৰে তেতিয়া তেওঁলোকৰ কি হব, বোলে তেওঁলোকে সদায়ে দেখিব মানে আত্মজ্ঞান দৰ্শন হব। যদি আত্মজ্ঞান নাই শ্ৰুতি স্মৃতি দুয়ো নাথাকিলে অন্ধ। আলি শূদ্ৰ সকলক অন্ধ বুলি কৈছে। এতিয়া এই শ্লোকৰ অৰ্থ কৰিছে মাধৱদেৱে।

চাওঁক—

চাৰি বেদ অষ্টাদশ স্মৃতি নিৰন্তৰ।
এই দুই চক্ষু জানা ব্ৰাহ্মণ সৱৰ॥
তাকে বুলি কণা যাৰ এক চক্ষু নাই।
দুয়োকো নাথাকিলে অন্ধ বোলে সমুদায়॥
স্মৃতিয়ো নাজানে শ্ৰুতিয়ো নাজানে সি অন্ধ।
হেন অন্ধ সবো ভাগৱত ধৰ্ম ধৰি।
লৰবি ফুৰন্তে তাৰ নিপিছলে ভৰি॥
হৰিৰ ভকতি ধৰ্ম যিজনে আচৰে।
নিত্য নৈমিত্তিক কৰ্ম কৰে কতো এৰে॥
তথাপিতো ধৰ্ম ভ্ৰষ্ট নোহে সিটোনৰ।
নকৰিয়ো পাৱে ফল সমস্তে ধৰ্মৰ॥

আৰু এঠাইত কৈছে মাধৱদেৱ পুৰুষৰ নিজৰ কলমতে, বুলিবাহা শ্ৰুতি স্মৃতি আজ্ঞা ঈশ্বৰৰ। "তান আজ্ঞা ভংগ ভৈল তাকে হৈবেদৰ" বোলে শ্ৰুতি স্মৃতি ঈশ্বৰৰ আজ্ঞা তাক নামানিলে ঈশ্বৰলৈ ভয় হব—

তাৰ আজ্ঞা ভংগ ভৈল নসিবন্ত হৰি।
ইহাৰ উত্তৰ শুনা শংকা দূৰ কৰি॥

কোনো ভয় নকৰিবা মই শংকা দূৰ কৰি কৈছো—

নধৰন্ত দোষ হৰি ভকত জনৰ।
সবাতে অধিক জানা ভক্ত প্ৰিয়তৰ॥

ভক্তৰ শ্ৰেণী বিভাগ আছে। প্ৰাকৃত ভক্ত, মধ্যম ভক্ত, উত্তম ভক্ত, মহাভাগৱত। কিন্তু ভক্তৰ কথাটো মই কৈছো আপোনাসবে বেজাৰ নাপাব গুৰু সকল চাওঁক, আমি কি সমস্যাত পৰিলো ভকত কাক কৈছে—

ইটো কৃষ্ণ নামত মহিমা আছে যত।
নবে কহিবাক তাক মুহিকে শকত॥
কৃষ্ণ কৃষ্ণ উচ্চাৰে নভজে দেৱ আন।
শুনা সখিকহো তাক কৰো যেন মান॥
মনে মনে কৃষ্ণ বোলে যদি বাৰেকত।
তথাপি সদায় ভ্ৰমো তাহাৰ পাছত॥

হা কৃষ্ণ কৃষ্ণ বুলি স্মৰে প্ৰেমভাৱে।
তাৰ পাছে ভ্ৰমো চক্ৰ ধৰি ভূমি পাৱে ॥

শেষৰ অৱস্থা দুটা বাদ দিলেও তেওঁ ভকত। মাত্ৰ বেদ কৰ্ম বাদ দিব লাগিব। গতিকে এনেকুৱা সৰল সহজ অৰ্থ থাকোতে জুলুম হৈছে আমাৰ।

হৰি নাম ধ্বজ কৰি বেদপন্থ পৰিহৰি
ফুৰে অতি পাষণ্ড সকল।
ইহ পৰলোক ভ্ৰষ্ট হৈয়া পেট পুষিমাত্ৰ
ফুৰিবেক পৰম নিস্কল" ॥

এই ঘোষাৰ অৰ্থ বিৰূপ হৈছে। কৈছে এই সকল ভকতে হৰিনাম ধ্বজ কৰি বেদপন্থ পৰিহাৰ কৰিলে, এওঁলোকে হৰি হৰি বোলে আৰু বেদ কৰ্ম নকৰি এওঁলোক পাষণ্ড হ'ল। এজনে কৈছে নহয় যি সকলে কৰ্মকাণ্ড কৰি আছে তেওঁলোকেহে বেদ পন্থ পৰিহাৰ কৰিছে। এনে অৰ্থৰ এই দুয়োটা অৰ্থ গণ্ডগোলীয়া হৈছে। ঘোষা খনত তিনিটা অৱস্থাৰ প্ৰতি লিখা আছে। (১) তৎকালীন (২) অৰ্থকালীন, (৩) ভৱিষ্যতকালীনৰে, ঘোষা খন ভাগ ভাগ হৈছে। সেই সময়ৰ অৱস্থাৰ ওপৰত ভিত্তি কৰিও কিছু কথা লিখা হৈছিল। বুদ্ধ ধৰ্মৰ অপভ্ৰংশ অৱস্থা, যিটো হীনযানপন্থ। সেই হীনযান পন্থত এনেকুৱা বিভৎস নীতি দেখা দিছিল। তেওঁলোকে সেই সময়ত তেওঁলোকৰ ভক্ত সকলে য'তে ত'তে বিক্ৰপ হাইচুলস্থূল কৰিছিল। জনজাগৰণ যেতিয়া হ'ল, তেওঁলোক জনতাৰ ভিতৰত সোমাই গ'ল। ভিতৰ সোমাই তেওঁলোকে মানুহক শুনাই হৰি নাম গাই ভিতৰত মদ মাংসৰ কাৰবাৰ। তেওঁলোকৰ মাজতো মহন্ত আছে। তেওঁলোকে সেই মহন্ত পাতি বাহিৰত শুনাই ঘোষা এটা গাই বা হৰি নাম কীৰ্ত্তন কৰে, ভিতৰত মদ মঙহ খাই তিৰোতাক লৈ আনন্দ কৰিছে। এই সকল লোকক লক্ষ্য কৰি হৰি নাম ধ্বজ কৰি ....।" ঘোষা ৰচনা কৰা হৈছিল। আপোনালোকে বংশী গোপাল চৰিত্ৰৰ পদ পঢ়ি চাব। তাত আজি সেই পন্থৰ বিভিন্ন সম্প্ৰদায়ৰ সৃষ্টি হ'ল। ৰাতি খোৱা, গোপী খেলীয়া, পূৰ্ণ ভোগীয়া থেকেৰা ফুলীয়া, নিগুণা, গোপী ধৰিয়া আদি পাষণ্ড আগমী ধৰ্মৰ সৃষ্টি হ'ল। বাহিৰৰ পৰা লোকে শুনে ইহতে হৰি সেৱা পাতিছে। ৰাতি ঠেকেৰা ফুল ফুলি মাৰ খোৱাৰ দৰে এই সেৱা সকাম বিলাক ৰাতিয়ে আৰম্ভ হৈ ৰাতিয়েই ভাগে।

মই বংশী গোপাল চৰিত্ৰৰ পদ আনিছো আপোনালোকে যদি মোক সময় নিদিয়ে মোৰ উপায় নাই। আপোনালোকে জানিব এই সকল লোকক সত্ৰাধিকাৰ প্ৰভু সমন্বিতে আতা সকলক যদি আমি তেওঁলোকক কৰ্ম বিধি মনাৰ কাৰণে পাষণ্ড বুলি আখ্যা দিওঁ আমাৰ অপৰাধ নহবনে? আৰু সংঘৰ, ভাগৱতী সমাজৰ ভক্ত সকলক যদি আন সকলে "হৰি নাম ধ্বজ কৰি বেদ পন্থ পৰিহৰি" এই সকল পাষণ্ড হ'ল। সেয়া নামাপৰাধ নহয়নে?

ইয়াত পাষণ্ড বুলি সেই বামাচাৰী সকলক লক্ষ্য কৰিহে শ্ৰীমাধৱ দেৱ পুৰুষে এই ঘোষা লিখিছিল। কিন্তু আমি তাক ভুল ব্যাখ্যা কৰি একান্ত ভক্ত সাধক সকলক কেৱল নাম কীৰ্ত্তনেৰে সকলোখিনি নৈমিত্তিক কৰ্ম সমাপন কৰা একান্ত নামৰ সাধক সকলক আৰু নামৰ লগতে কাৰ্মকাণ্ডৰো আচৰণ কাৰী সকলক লক্ষ্য কৰি এই ঘোষাটোৰ ভুল ব্যাখ্যা কৰি কৈছে। সিদলক নিন্দা কৰি আমি ভক্ত নিন্দাৰ নানাপৰাধত পৰি দেশখন, সমাজ খনকে নাম অপৰাধত পেলাইছো। মোৰ কথা হ'ল এতিয়া এই ঘোষাৰ শুদ্ধ অৰ্থ বুজি লৈ আমি সকলো নামাপৰাধ মুক্ত হব লাগে। ❈

শ্ৰীদীননাথ ডেকা : শ্ৰীমন্ত শংকৰদেৱ সংঘ

নিত্য নৈমিত্তিক কৰ্ম—কৰ্মমাৰ্গ, জ্ঞানমাৰ্গ আৰু ভক্তিমাৰ্গ তিনিওটা মাৰ্গতে আছে। কিন্তু মহাপুৰুষে ভক্তি ৰত্নাকৰত দুৰাচাৰ মাহাত্ম্যত ভক্তিনিষ্ঠ কৰা নিত্য নৈমিত্তিক কথা হে কৈছে। একেদৰে সাধাৰণ লোকে যে নিত্য নৈমিত্তিক পাৰ কৰি আহি যে ভক্তি কৰিব লাগে সেই বিষয়ে ভাগৱতৰ কথাৰে গুৰুজনে ভক্তি ৰত্নাকৰৰ ১৮ শ মাহাত্ম্যত কৈছে—

এক তাৱত কাম্য কৰ্মদেনৰ্থ হেতু স্তাত ...

ইয়াৰ অৰ্থ ৰামচৰণ ঠাকুৰে এনেদৰে কৈছে—

পঞ্চম অধ্যায়ে আৰো প্ৰথম স্কন্ধত।
নাৰদে কহন্ত বাক্য ব্যাসৰ আগত॥

কাম্য কর্ম মানে সবে হেতু অনর্থৰ।
এতেকে তেজিয়া তাক চৰিত্ৰ কৃষ্ণৰ॥
বৰ্ণাবো শাস্ত্ৰত মাত্ৰ কহিলো তোমাত।
ইদানীক কহো আৰু শুনিও সাক্ষাত॥
আছে স্বধৰ্ম যত নিত্য নৈমিত্তিক।
তাকো অনাদৰি একে হৰি ভকতিক॥
দিয়ো উপদেশ তুমি কৈলো সাৰে সাৰ।
হেনবা হৈবেক শংকা মনত তোমাৰ॥
মাধৱক ভজে যিটো তেজি স্বধৰ্মক।
হোৱে যদি তাহাৰ ভকতি পৰিপক্ক॥
হৈবেক কৃতাৰ্থ তাৰ চিন্তা নাহিকয়।
যাহাৰ ভকতি পৰিপক্ক নতু হয়॥
হেলাতে ভৈলেক ভ্ৰষ্ট নুহি মৰিলেক।
স্বধৰ্ম ত্যাগত তাৰ অনৰ্থ হইবেক॥
হেন শংকা কদাচিতো নকৰিবা মনে।
স্বধৰ্মকো ত্যাজি হৰি ভজে যিটো জনে॥
ভক্তি পৰিপক্ক নতু হোৱন্তে মৰিল।
যদি কদাচিতো' তাৰ ভকতি গুচিল॥
তথাপিতো অনৰ্থক শংকা নাহি তাৰ।
ভক্তি-ৰসিকৰ নাহি কৰ্মে অধিকাৰ॥

এইটো প্ৰাকৃত ভক্ত মাহাত্ম্যত এনেদৰে নিত্য নৈমিত্তিক এৰি আহিবলৈ কৈছে। ইয়াত উত্তম ভক্তৰ কথা কোৱা নাই। অতি সাধাৰণ স্তৰৰ ভক্তৰ কথা হে কৈছে। তাৰোপৰি ১৯ শ অধ্যায়ত দুৰাচাৰ ভক্ত মাহাত্ম্যত সাংঘাতিক কথা আছে। পঞ্চ মহাযজ্ঞত বিধি আৰু নিষেধ আছে। এই বিধি আৰু নিষেধ এৰিবলৈ সেই সকলৰ তেতিয়া অধিকাৰ হয়, যেতিয়া কৃষ্ণত একশৰণ লয়। এই কথাটো উত্তম ভক্তৰ মাহাত্ম্যত নাই। গুৰুজনে দুৰাচাৰ ভক্ত মাহাত্ম্যত লিখিছে। তাক কি বুলি লিখিছে—

একাদশো নিমিং প্ৰতিকৰভাজনম বাক্যম।
ভক্তস্য বিধি নিষেধ নিবৃত্তে কৃত কৃত দাস্যম।
দেৱৰ্ষি ভূতাপ্ত নৃনাং; পিতৃনাং ··· ···

ইয়াৰ অৰ্থটো মহাপুৰুষে এনেদৰে দিছে—

দেৱ ঋষি ভূত পিতৃ পোষ্য আসন্নাৰ।
উপজিলে লোকত পাঞ্চৰো লাগে ধাৰ ॥
এতেকে কিঙ্কৰ ঋণী ভকতি বিহীন।
পঞ্চ যজ্ঞ কৰিয়া পাঞ্চৰো শুজে ঋণ ॥
সৰ্ব ভাবে মুকুন্দত যি লৈল শৰণ।
নোহে ঋণী কিঙ্কৰ পাঞ্চৰো সিটো জন ॥
এৰি আন কৃত্য চিত্ত দিলেক হৰিত।
ভৈল কৃত্য কৃত্য সিটো এতেকে কলিত ॥

এইটো দুৰাচাৰ ভক্ত মাহাত্ম্যত হে দিছে উত্তম ভক্তত নহয়। যিবিলাকৰ নিত্য পঞ্চ যজ্ঞ কৰিবলগীয়া আছে। ক্ষুদ্ৰ বিলাকৰ নাই। এই পঞ্চ যজ্ঞ কৰা সকল যদি দুৰাচাৰো হয়, কৃষ্ণত একশৰণ হোৱাৰ লগে লগে তাৰ পৰা তেওঁলোক মুকলি হয়। অৰ্থাৎ পঞ্চ যজ্ঞ আদি নিত্য কৰ্মবোৰ কৰিবলগীয়া হয়। নিষেধৰ কৰ্মবোৰো কৰিব নালাগে। অৰ্থাৎ পাপ কৰিলে প্ৰায়শ্চিত্ত হব লাগে, কিন্তু হৰিত শৰণ ললে প্ৰায়শ্চিত্ত হব নালাগে। এই বিষয়ে গুৰুজনে কৈছে—

বিহিত কৰ্ম নিবৃত্তি যুক্তা নিষেধ নিমিত্ত প্ৰায়শ্চিত্ত নিবৃত্তি মাহ :
স্বপাদ মূলং ভজতঃ প্ৰিয়স্য ত্যক্তানং ভাৱস্য ... ...

ত্যক্তা অন্যস্মিন দেহাদৌ দেৱতান্তৰে বা ভাবৌ ... ... তথাপি হৰিধু'নীতি।

ইয়াৰ অৰ্থ হ'ল, যিবিলাকে অন্য দেৱতা ত্যাগ কৰি একমাত্ৰ হৰিতে শৰণ ললে তেওঁলোকৰ পাপ সাধাৰণতে হব নালাগে নিয়ম অনুসাৰে। কিবা কাৰণত যদি অকস্মাত হয় তেনেহলে ভগৱন্তই সেই পাপ এনেই মোচন কৰে। তেতিয়া প্ৰশ্ন উঠিল—ননু যমস্তত্ৰ মন্যেত? যম ৰজাই এই কথাটো মানি লবনে? তত্ৰাহ পৰেশ ইতি। হয় যম ৰজাই মানিব লাগিব কাৰণ ভগৱন্ত যম ৰজাৰ ওপৰত। ইয়াৰ পিছত মাধৱে বোলন্ত শ্ৰুতি স্মৃতি মোৰ আজ্ঞা বাণী জানা নিষ্ঠ ... ...
এই বোৱাৰ অৰ্থ ভকতে শ্ৰুতি স্মৃতি মানিব নে নাই তাৰ বিষয়ে গুৰুজনে নিজে অৰ্থ দিছে—ননু শ্ৰুতি স্মৃতি—মামৈ বাজ্ঞে ইতি ভগবদ বচনাতস্যাজ্ঞাভঙ্গ কঠং যহেত তেতিয়া হলে শ্ৰুতি স্মৃতি নামানিলে ভগৱানৰ আজ্ঞা ভঙ্গ হোৱা কথাটো ক'ত ৰ'ল? তত্ৰাহ প্ৰিয় স্তেতি। হয় প্ৰিয়জনক সেই দোষ নধৰে। ইয়াৰ অনুবাদ মহাপুৰুষে নিজে কৰিছে—

কহিলো বিহিত কর্ম ত্যাগ ভকতৰ ।
যদি প্ৰমাদত পাপ কৰে সিটো নৰ ॥
তথাপি নালাগে আৰ তাৰ প্ৰায়শ্চিত্ত ।
শুনিয়োকো নিমি তুমি স্থিৰ কৰি চিত্ত ॥
এৰিলেক যিটো আন দেৱত ভকতি ।
একে মাধৱক মাত্ৰ ভজে দৃঢ় মতি ॥
তাহাৰ পাতক যদি সিজে প্ৰমাদত ।
নাশ হোৱে সিয়ো ঈশ্বৰৰ প্ৰসাদত ॥
হৃদয়ত থাকি হৰি ভকত বৎসল ।
দূৰ কৰা ভৃত্যৰ যতেক পাপ মল ॥
নকৰিবা ভয় পৰলোকত যমক ।
কি কৰিবে যম যাৰ ঈশ্বৰ ৰক্ষক ॥
হেনবা বুলিবা ঈশ্বৰৰ আজ্ঞা বেদ ।
তাহাক লঙ্ঘিলে মাধৱৰ হৈবে খেদ ॥
আজ্ঞা ভঙ্গ হৈবে হেন এৰা অসন্তোষ ।
প্ৰিয়তম জনৰ নধৰে হৰি দোষ ॥

দুৰাচাৰ ভক্ত সকলে পাপ কৰ্ম কৰিলেও কোনো প্ৰায়শ্চিত্ত হব নালাগে। বিহিত ভক্ত সকলৰতো কথাই নাই, এইটো হ'ল ইয়াৰ তাৎপৰ্য।

মাধৱদেৱে ঘোষাত যিটো লিখিছিল বেদ লঙ্ঘিবাৰ দোষ। কিন্তু তাত প্ৰশ্ন আছে শূদ্ৰ বিলাকৰ বেদ পালন কৰাৰ কোনো অধিকাৰ নাই। তেওঁলোকে বেদৰ মতে চলিব নোৱাৰে। বিধিও নাই নিষেধো নাই। বেদ শুনিব নোৱাৰে, কব নোৱাৰে, পঢ়িব নোৱাৰে, একো কৰিব নালাগে। এই বেদ ব্ৰাহ্মণ সকলৰ কাৰণে হে। কোন খন বেদ? কৰ্ম কাণ্ডৰ বেদখন। শূদ্ৰ বিলাকৰ বেদ কি? মহাপুৰুষে বেদৰ দুটা ভাগ কৰিছে—এটা কৰ্মকাণ্ড আনটো ভক্তিৰ। মহাপুৰুষে কৈছিল—বেদৰ আচল ভাগটো ভক্তি হে। পূৰ্বত ব্ৰহ্মাই চাৰিও বেদক একত্ৰে তিনি বাৰ, বিচাৰিয়া ভক্তিক কৰিলেক মাত্ৰ সাৰ। ভট্টদেৱে কৈছে—ন বিষ্ণু আৰাধনাৎ অন্য নিত্যকং কৰ্ম বৈদিকম ...... নিত্যং আৰাধয়েৎ হৰিং। শূদ্ৰৰ হৰি আৰাধনাৰ বাহিৰে কোনো বৈদিক কৰ্ম নাই। মহাপুৰুষেও লিখিছিল দৈৱকী পুত্ৰৰ পদ সেৱা কৰ্ম এক এহি মানে মাত্ৰ। এই নিত্য কৰ্মত

সকলোৰে অধিকাৰ আছে। কিন্তু কৰ্মকাণ্ডৰ বেদত স্ত্ৰী আৰু শূদ্ৰৰ অধিকাৰ নাই।

আৰু এবিধ কৰ্ম আছে, বৈদিক তান্ত্ৰিক এইবোৰত একো কৰ্ম শুদ্ধ নহয়। ইয়াতো সকলোৰে অধিকাৰ নাই। এই কৰ্মবোৰত পাপ সিজে। একমাত্ৰ হৰি নামত হে শুদ্ধ হয়। হৰি নামেৰেহে সকলোৰে নিত্য কৰ্ম কৰিব লাগে। এইটোৱে হ'ল নিত্য কৰ্ম। মহাপুৰুষীয়া বিৰোধী কৰ্ম কৰিব নালাগে। বিৰোধী কৰ্ম কি ?

অন্য দেৱী দেৱ নকৰিবা সেৱ
গৃহে নপসিবা তাৰ।
মূৰ্ত্তিকো নাচাইবা প্ৰসাদো নাখাইবা
ভক্তি হৱ ব্যভিচাৰ ॥

এইটো ভক্তি বিৰোধী কৰ্ম, ইয়াৰ দ্বাৰা ভক্তি ব্যভিচাৰ হয়। ইয়াৰে নিত্য নৈমিত্তিক কৰ্ম কৰিব নোৱাৰে। তেতিয়ালৈকে হৰি নাম প্ৰসংগ পাঠ আদি কৰি থাকিব যেতিয়ালৈকে অনৰ্গল হৰি কথা আহি থকাটো নহয়। অনৰ্গল যেতিয়া নাম আহি থাকিব তেতিয়া এইবোৰৰ পৰা বেহাই পাব। ইমানেই মোৰ কবলগীয়া।

শ্ৰীভদ্ৰকান্ত গোস্বামী : বেলগুৰি সত্ৰাধিকাৰ।

পূৰ্বৰ বক্তা সকলে যিদৰে বিভিন্ন শাস্ত্ৰৰ উদ্ধৃতি দিছে সেইবোৰ আমি নামানো এনে নহয়। মানিম আৰু মানিব লাগিব। কিন্তু আমাৰ সত্ৰ সমূহত যি বোৰ নিত্য নৈমিত্তিক চলি আছে সেই বোৰো বিচাৰ কৰিব লাগিব। ভাৰত বৰ্ষৰ হিন্দু সমাজে যিবোৰ কৰি আছে তাকো চাব লাগিব। আমি ভাৰতৰ সকলো হিন্দুৰ লগত মিলি থাকিব লাগিব। মহাপুৰুষ দুজনা গুৰুই আমাক ধৰ্ম দিছে। সেই মহাপুৰুষৰ পাছতো আতা সকলে ভাগৱতৰ মতকো আশ্ৰয় লৈছিল। ভাগৱত ভক্তিৰ কাৰণেই আমাৰ সত্ৰ সমূহত চৈধ্য প্ৰসঙ্গ নিৰুপণ কৰা হৈছে। এই চৈধ্য

প্ৰসঙ্গৰ যি সকল ভকত অনুগামী হৈছে সেই সকল ভকতে নিত্য নৈমিত্তিক কৰ্ম কৰিব লাগিব। দেহ শুদ্ধি কৰিব লাগিব, আসন শুদ্ধি কৰিব লাগিব আৰু আমাৰ উপাস্য এই গুৰু আসন খনতো এগচি বন্তি জ্বলাব লাগিব। কাৰণ নিমি ৰজাৰ আগত কৰি সিদ্ধে কৈছে-

নিত্য নৈমিত্তিক যত জাতি ধৰ্ম
আশ্ৰমৰ যত কৰ্ম।
কৃষ্ণত অৰ্পিলে জানা সিয়ো হোৱে
মহাভাগৱত ধৰ্ম ॥

আমি বহু সময় বাক বিতণ্ডা কৰি আছো। আমাৰ লক্ষ্মীপুৰৰ শ্ৰীমহানন্দ বৰা দেৱে কৈছে যে এইটো বৰ সৰু কথা। যি সকলে ভাগৱত ধৰ্মত নাই সত্ৰৰ চৈধ্য প্ৰসঙ্গত নাই, সেই সকলে এইটো সৰু কাম বুলি ধৰিব। কিন্তু আমি ধৰিব পৰা নাই। আমাৰ আচাৰ্য শ্ৰীযুত ইলাৰাম দাস বাপে কৈ গৈছে, কেনে ধৰণে কৰো—

ব্ৰহ্মা আদি জীৱ নিৰন্তৰে ৰাম ৰাম ৰাম ৰাম ৰাম
মায়া শৰ্যা মাজে আছয় ঘুমতি যাই।
তুমিসে চৈতন্য সনাতন ৰাম ৰাম ৰাম ৰাম ৰাম
আমি অচেতন দিয়োৰ্ক নাথ জগাই ॥

নামৰ জৰিয়তে নিজৰ দেহ, শৰ্যা খন আৰু নিজৰ বাহাটো শুদ্ধ কৰিলো। ইয়াৰ পাছত গাধুই চৌদ্ধ প্ৰসঙ্গ কৰিলো। গা ধুৱোতে জল খিনি গুৰুৰ পদ জল বুলি আচমন কৰি ললো। এই বোৰৰ বিশেষত্ব আমাৰ আছে। কিছু পাৰমাৰ্থিক তত্ব জ্ঞান আছে তাৰ জৰিয়তে দেহ শুদ্ধি কৰিব লাগিব আৰু পিছত গোঁসাই ঘৰত সোমাই নিজৰ উপাসনা কৰিব লাগিব।

এই পদ্ধতি দিছিল কোনে? মহাপুৰুষ দুজনা গুৰুই। সেই মহাপুৰুষৰ পিছত আতা সকলে, তাৰ পাছত সাধু সকলে, তাকেই আমি আচৰণ কৰিছো। এইবোৰ সকলোৱে কৰিব লাগিব। কবি সিদ্ধই কোৱাৰদৰে যত জাতি ধৰ্ম, সকলো জাতিয়ে বাণপ্ৰস্থ আশ্ৰমী যি সকলে নিজৰ পুত্ৰ পৰিবাৰ এৰি হৰি ভজনা কৰিছে এই সকলোৱে কৰিব লাগিব। কবি সিদ্ধই কৈ যোৱা বেলগুৰি সত্ৰ, বৰপেটা সত্ৰ, মধুপুৰ সত্ৰ, কমলাবাৰী সত্ৰ, জবাবাৰী সত্ৰ, এই সকলো বোৰ সত্ৰতে এইবোৰ নিত্যকৰ্ম চলি আহিছে। ইয়াৰ বাহিৰে গুৰু আসনৰ সন্মুখত

অন্য কৰ্ম নাই। আমি নামকেই আশ্ৰয় কৰি আছো। নামৰ বিনে অন্য নাই। গুৰু আসনৰ সম্মুখত অৰ্চন বন্দন খিখিনি শৰাই শলিতা নিৰ্মালী মৃত্তিকা আদি অৰ্পণ কৰি কৰা হয়।

আপোনালোকে কব বিচাৰে যে সত্ৰত থকা মূৰ্ত্তি সেৱা পূজা নিত্য নৈমিত্তিক কৰ্মবোৰ আছেনে নাই? বেদ বেদান্ত বোৰতো নিত্য নৈমিত্তিক কৰ্ম বোৰ আছে। এই সকলো বোৰ আমাৰ মাজত স্থাপন কৰি দিছে। কি কাৰণে এজন চাকৰিয়ালে নিত্য কৰ্ম কৰিও তেওঁ চাকৰি কৰিবলগীয়া হৈছে। তেওঁলোকৰ কাৰণে এই খিনি। কাৰণ তেওঁ চাকৰি কৰিও গুৰুধৰ্ম ৰক্ষা কৰি আছে, চাকৰি নকৰিলে দেহ ৰক্ষা, পৰিয়াল ৰক্ষা নপৰে আৰু এইটো নহলে ধৰ্মও ধৰিব নোৱাৰে। বুৰঞ্জীৰ মতে আহোম ৰজাৰ ফুলেশ্বৰী কোঁৱৰীৰ দিনত গোটেই অসমত দেৱী মূৰ্ত্তি স্থাপিব আদেশ দিছিল। কিন্তু অসমৰে সৌভাগ্য পূৰ্ণানন্দ বুঢ়া গোহাই-দেৱে কলে যে অসমৰ বৈষ্ণৱ ধৰ্মত দেৱী মূৰ্ত্তি থাপনা নকৰে। গতিকে দেৱীৰ ঠাইত বিষ্ণু দেৱতাৰ মূৰ্ত্তি স্থাপিত হ'ল। কিয়নো মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱেও কৈ গৈছে নানাবিধ ভক্তিৰ মাজেৰে বিষ্ণু মূৰ্ত্তি পূজা কৰা সকল প্ৰাকৃত ভকত হয়।

> নৃপুজে ভক্তক মান্য নকৰে প্ৰাণীক।
> একে প্ৰতিমাতে মাত্ৰ আৰাধে হৰিক ।।
> সেহিজন জানিবাহা প্ৰাকৃত ভকত।
> আৰুঢ় হৈয়াছে তেহ্নো ভক্তিৰ পথত ।।
> অনুক্ৰমে উত্তম হৈবেক সিটো জন।
> একোমতে নোহে জানা নিন্দাৰ ভাজন ।।

সেইমতেদি সত্ৰ ৰক্ষাৰ বাবে সত্ৰ খন প্ৰতিস্থাৰ কাৰণে সেই বিষ্ণু মূৰ্ত্তিৰ নামত মাটি বাৰী আদি ললে। তাৰ মূৰ্ত্তিৰ নাম ৰখা হ'ল কবোবাত বাসুদেৱ কৰবাত মদন মোহন ইত্যাদি ইত্যাদি। গুৰু জনে তাক নিন্দা কৰিব মানা কৰিছে। কিন্তু যি সকলে মহাপুৰুষীয়া ধৰ্ম মতেদি শৰণ ভজন মালা মন্ত্ৰ আদি লৈছে, সেই সকলে এই মূৰ্ত্তিৰ আগত দিয়া প্ৰসাদ ভোজন নকৰে। ই স্বতঃ সিদ্ধি কথা। কিন্তু মূৰ্ত্তিটো কিয় ৰখা হৈছে? অনুষ্ঠানটো প্ৰবৰ্ত্তনৰ কাৰণে। আৰুৱো গুৰু জনে কৈছে—

> ভাই মুখে বোলা ৰাম হৃদয়ে ধৰা ৰূপ।
> এতেকে মুকুতি পাইবা কহিলো স্বৰূপ ।।

বিষ্ণুৰ মূৰ্ত্তিৰ ভবিষ্যতে যদি এই জ্ঞানটো সুমুৱাই দিয়া নাযায় তেনেহলে নহব। আমাৰ সত্ৰত সৰু সৰু ল'ৰাবোৰ অনা হৈছে ভকত কৰিবলৈ। তেওঁলোকক আমি তৎক্ষণাত শৰণ ভজনৰ কথাবোৰ সুমোৱাই দিব নোৱাৰো। এই সকল আৰু প্ৰাকৃত ভকত সকলক মূৰ্ত্তি দেখুৱাই হৃদয়ত সুমোৱাই দিব লাগিব। শৰণ ভজন মালা মন্ত্ৰ দি যেতিয়া সেই সকলক আমাৰ পাৰীত উঠাই ল'ম তেতিয়া এইবোৰ নালাগে। আমাৰ সত্ৰত তিনিও বিধ ভকত আছে। এই নিয়মৰে আমাৰ নিত্য নৈমিত্তিক কৰ্ম কৰি থকা হৈছে। আমাৰ ভাগৱতী সমাজৰ আচাৰ্য বাপে কৈছে- প্ৰভু সকল আপোনালোকে কওঁক। মই সেই কাৰণে কৈছো। ইয়াৰ ভিতৰতে বহু পাৰমাৰ্থিক কথা আছে। ভাগৱতৰ মতেদিহে আমি চলি আছো। কৃষ্ণই উদ্ধৱক কৈছে—

দাম্ভিক শঠত নকহিবা ইটো তত্ব।
সদা উপদেশ দিবা বৈষ্ণৱ জনক ॥
স্ত্ৰী শূদ্ৰে কৰৈ যদি আমাত ভকতি।
তাহাত কহিবা ইটো জ্ঞান মহামতি ॥

এই তত্ববোৰ যাকে তাকে কবলগীয়া নহয়। স্ত্ৰী শূদ্ৰে আগ বাঢ়ি আহিলে কব পাৰি। আমাৰ নিত্য নৈমিত্তকৰ মাজত থকা তত্ব বোৰৰ কাৰণেই আমি কৰি আছো। "ভাৰত হাতত আছে অনেক দোকানী। নিচিনি কিনিলে পুনু মিলিবে বিঘিনী"। চাই চিটি লব লাগিব। বাপ সকল আহক আমি সকলোৱে একাধৰা মাজেৰে এটা সিদ্ধান্ত কৰো।

শ্ৰীবিজয় কৃষ্ণ গোস্বামী : ডেকা সাত্ৰাধিকাৰ
নতুন কমলাবাৰী সত্ৰ ঃ

প্ৰভু সকল আমি ইয়াত সমবেত হোৱা লোক খিনি শাক্ত ধৰ্মৰ, শৈৱ ধৰ্মৰ নে বৈষ্ণৱ ধৰ্মৰ মানুহ। আমিতো ইয়াত কোনো শাক্ত বা শৈৱ ধৰ্মৰ মানুহ নাই। আমি সকলোৱে বৈষ্ণৱ ধৰ্মৰ মানুহ। আমাৰ মাজত ইমান অমিল হোৱাৰ কোনো কাৰণ দেখা নাপাওঁ। বেদৰ দুটা ভাগ, প্ৰবৃত্তি মাৰ্গ আৰু নিবৃত্তি মাৰ্গ। প্ৰবৃত্তি মাৰ্গত পুণৰ জন্ম লব লাগে। সেই কাৰণে গুৰু

জনে নিবৃত্তি মার্গ আনিছে। নিবৃত্তি মার্গৰ মূল বস্তু ভক্তি। ভক্তিৰ যাতে কোনো ব্যভিচাৰ নহয় গুৰুজনে সেই কাৰণে আমাক উপদেশ দিছে। নিবৃত্তিৰ ভিতৰতে থকা জ্ঞান মাৰ্গ পৰম দুস্কৰ। সেই কাৰণে আমি সৰল ভক্তি মাৰ্গৰ মানুহ। ভক্তি মাৰ্গৰ দাস্য ভক্তি আমাৰ। কৃষ্ণৰ দাস হৈ সমস্ত কাম কৰিব লাগিব। এই কাম কৰোতে সংসাৰৰ প্ৰতি বিৰক্তি আহিব। একেবাৰে পৰম বিৰক্ত আৰু ভেতিয়াই তেওঁ জীৱন্ত মুকুত হব। তেওঁ দেৱলোকলৈ উঠিব। তেতিয়া তেওঁ ভক্তিৰ স্বৰত নাথাকে। তেওঁ কৃষ্ণৰ কথাত বস্ত হৈ পৰিব।

নিত্য নৈমিত্তিক কথা আমাৰ বেলগুৰিৰ গোসায়ে কৈছে। পুৱা বিছনাত উঠি "ব্ৰহ্মা আদি কৰি জীৱ যত" গোৱাৰ পৰা ৰাতি শোৱালৈকে কোৱা হয় প্ৰভু যি গাম তোমাৰ নাম গাম, যি শুনিম তোমাৰ যশ কীৰ্ত্তণ শুনিম, যি কৰিম তোমাৰ কৰ্ম কৰিম আৰু যলৈ যাম তোমাৰ স্থান আৰু ভকতৰ সঙ্গলৈহে যাম। এইবোৰ কথা কৈছো। আকৌ গুৰুৰ সময়ত "বলি নিগদতি যদুপতি" আকৌ কৈছো প্ৰভু আজিৰ দিনটোত ভাল বেয়া যি বোৰ কৰিলো সকলো তোমাতে অৰ্পণ কৰিলো। পাপ পূণ্য সকলো তোমাতে সমালো। আমি পুৱাৰ পৰা ৰাতিলৈকে যিবোৰ কৰ্ম কৰিলো সেইবোৰ অহৈতুকী কৰ্ম। আৰু এক প্ৰকাৰৰ কৰ্ম আছে হৈতুকী। যি বোৰ কৰ্মত হেতু আছে। মোৰ বিবাহৰ হেতু মোৰ পিতৃ পুৰুষৰ হেতু, লৰা-ছোৱালীৰ হেতু, যি বোৰ কৰ্ম-কৰিলো সেইবোৰ হেতুকী কৰ্ম। সিয়েই নৈমিত্তিক কৰ্ম। ভগৱানে কৈছে যি কৰা মোতে অৰ্পণ কৰা। আমি পাপ কৰিও ভগৱানত অৰ্পণ কৰিলো পূণ্য কৰিও ভগৱানতে অৰ্পণ কৰিলো।

ভকত মানে শৰণ ললেই ভকত। যেনেকৈ এল, পি স্কুল পঢ়িলেও ছাত্ৰ, হাইস্কুল, কলেজ, বিশ্ববিদ্যালয় পঢ়িলেও ছাত্ৰ। তেনেকৈ শৰণ ললেই ভকত। তেওঁ ভক্তি কৰিবই। এই ভক্তি কৰি গলে জীৱন্ত মুকুত হব। ভকতৰ বেদৰ বিহিত কৰ্ম কৰাৰ কোনো যুক্তি নেদেখো। গুৰু জনাই কৈছে—

বেদৰ বিহীত কৰ্ম কৰিবাক
ভকতৰ যোগ্য নুই।
যদি মোহ হোৱা কৰে ধৰ্ম কৰ্ম
ভকতিত ভ্ৰষ্ট হোই॥

আৰু এটা কথা মাধৱ পুৰুষে কৈছে—

কৰ্মত বিশ্বাস যাৰ হিয়াত থাকন্ত হৰি
অতিশয় দূৰ হোন্ত তাৰ।
দূৰতো বিদূৰ হোন্ত তাৰ।
অহংকাৰ থাকন্তেও সাক্ষাতে কৃষ্ণক পায়ে
শ্ৰৱণ কীৰ্ত্তন ধৰ্ম যাৰ ॥

স্বৰ্গ পাম বুলি যি বোৰ কৰ্ম কৰা যায় সেই বোৰ কৰ্মত বিশ্বাস থকা সকলৰ অন্তৰতে ভগৱান থাকিলেও বহু দূৰলৈ যায়গৈ। দূৰতো বিদূৰ হয়। কিন্তু কৃষ্ণত শৰণ লৈ শ্ৰৱণ কীৰ্ত্তন ধৰ্ম কৰা সকলে সাক্ষাতে কৃষ্ণক পায়। তেওঁহে মানিৱ জন্ম সাৰ্থক হয়। অহংকাৰ মানে কি? মই কৃষ্ণৰ ভকত এই অহংকাৰ। ধন, জন, পুত্ৰ, পৰিবাৰ, দেহৰ অহংকাৰ নহয়। মোৰ কৃষ্ণই সৰ্বস্ব এই অহংকাৰ।

আজিৰ এই অভিৱৰ্তনত আমি এই বিষয়ে এটা শুদ্ধ সিদ্ধান্তত উপনীত হব পাৰিম বুলি আশা ৰাখি সামৰিছো। □

শ্ৰীচন্দ্ৰকান্ত মিশ্ৰ ঃ বুঢ়াসত্ৰাধিকাৰ, বৰপেটা সত্ৰ।

যদ্ যদাচৰতি শ্ৰেষ্ঠস্তত্তদেবেতৰো জনঃ।
স যৎ প্ৰমাণং কুৰুতে লোকস্তদনুবৰ্ত্ততে ॥

মহৎলোকে যি আচৰণ কৰে ইতৰ লোকে তাকে পালন কৰে। এইযে আমাৰ মহাপুৰুষীয়া সমাজখন শ্ৰীমন্ত শংকৰদেৱ মহাপুৰুষৰ দিনৰ পৰা মহাপুৰুষক আদৰ্শ কৰিহে চলি আহিছে। তেওঁলোকে যি কৰ্ম কৰিছিল সেইবোৰ কৰ্মকে আজিও কৰি আহিছে এইটো এটা খাটাং কথা। তেওঁ কৰা কৰ্ম বিলাক পৰম্পৰা হিচাপে সকলো সত্ৰতে কৰি আহিছে। তাৰ যদি কিবা পৰিবৰ্ত্তন কৰিব লাগিল হেতেন তেওঁ নিজাকৈ এখন শাস্ত্ৰ প্ৰণয়ন কৰি থৈ গ'ল হেঁতেন। মহাপুৰুষীয়া ধৰ্ম কি ভাবে চলিব, মহাপুৰুষীয়া সমাজ

খন কেনে ধৰণে চলিলে ভাল, নিত্য নৈমিত্তিক কৰ্ম্ম থাকিব লাগেনে নাই এই বিষয়ে এখন স্মৃতি শাস্ত্ৰ থাকিব লাগিছিল নে নাই? শংকৰদেৱ মাধৱদেৱে যিহেতু কোনো এখন স্মৃতি লিখি থৈ যোৱা নাই। এইটোৱে প্ৰমাণ কৰে যে আমি যিটো পৰম্পৰা হিচাপে কৰি আহিছো সেইটোৱে আছিল। মই কোনো শাস্ত্ৰৰ দ্বাৰা প্ৰমাণ কৰিব নোৱাৰো। তেওঁলোকে এইবোৰ কৰি যোৱা নাই। তেওঁ ভক্তি হে কৰি আহিছে। নাম নামেই। নামে সমস্ত পাপ ধ্বংস কৰে এক নামে। সেই নামক যদি দহা কৰা কামত লগোৱা হয় তেনেহলে নামৰ মাহাত্ম্য থাকিব নেকি? যি নামে সমস্ত পাপ ধ্বংস কৰে সেই নামেৰে এটা পাপৰ প্ৰায়শ্চিত্ত কেনেকৈ হব? গতিকে নাম প্ৰায়শ্চিত্ত কেতিয়াও হব নোৱাৰে। নাম প্ৰায়শ্চিত্ত বিৰল ভকতৰ পক্ষেহে।

হেনয় বিৰল ভকত সকলে
বিশেষ পাতক সিজে।

সেইটো বিৰল ভকতৰ কথাহে। সকলোৰে কাৰণে নহয়। মই বিশেষ নকওঁ। ☐

শ্ৰীসোনাৰাম চুতীয়া : শ্ৰীমন্ত শংকৰদেৱ সংঘ।

প্ৰভুসকল নিত্য নৈমিত্তিক কৰ্ম্ম যেন আমাৰ অসমৰ মহাপুৰুষীয়া কেইটাৰ কাৰণেহে। অন্যৰ কাৰণে নহয়। ই সকলোতে আছে আৰু সকলোৰে কাৰণে। নিত্যৌ যিবোৰ কৰ্ম্ম কৰে সেইয়া নিত্য কৰ্ম্ম আৰু নিমিত্তৰ কাৰণে যিবোৰ কাম কৰে সেইয়া নৈমিত্তিক কৰ্ম্ম। তাৰ পদ্ধতি বেলেগ বেলেগ। সেইটোৱে আলোচনা। মহাপুৰুষীয়া সকলৰ পদ্ধতিটো কি? এটা কথা লক্ষ্য কৰিছো পদ কেইফাকিমান যাতে তাৰ তলৰখিনি নামাতে। সেইটো হ'ল—

নিত্য নৈমিত্তিক যত জাতি ধৰ্ম্ম
আশ্ৰমৰ যত কৰ্ম্ম।
কৃষ্ণত অৰ্পিলে জানা সিয়ো হোৱে
মহাভাগৱত ধৰ্ম্ম ॥

ইয়াৰ পিছত নিমিয়ে কি কৰিলে—

পাছে নৃপবৰ পৰম দুষ্কৰ
শুনিলা কৰ্ম ভকতি।

এইটো কৰ্ম ভকতি। আৰু এইটো পৰম দুষ্কৰ—

যোগীৰো দুৰ্গম মনক নিয়ম
কৰিবে কাৰ শকতি॥
মাথা চপৰাই গুণে নিমিৰাই
নপাই সংসাৰৰ পাৰ॥
হাসি কৰি সিদ্ধে বোলন্ত নৃপতি
চিন্তা কৰা পৰিহাৰ।

এই দুষ্কৰ কৰ্ম ভকতি যেতিয়া ৰক্ষাই কৰিব নোৱাৰা হ'ল তেতিয়া নতুন উপায় দিছে। সেইটো হ'ল—

ভকতি সুলভ দেৱৰ দুৰ্ল্লভ
যোগীয়ো নাজানে যাক।
পৰম সুগম পথ যিটো আতি
বেকত কৰিবো তাক।
অনাদৰি আন ধৰ্ম মাধৱৰ জন্ম কৰ্ম
শুনিয়োক মহন্তৰ মুখে।
জগত প্ৰসিদ্ধ নাম কৃষ্ণ বিষ্ণু হৰি ৰাম
লাজ এৰি গাইবা মহা সুখে॥

ইমান খিনি। এই কেইটা শাৰী কোনেও নাগায়। এই ভাবে কৰিলে কেতিয়াও কল্যাণ সাধিব নোৱাৰি।

মূৰ্ত্তিৰ কথা কৈছে। জানেনে এই মূৰ্ত্তিৰ নামত হাজাৰ হাজাৰ বিঘা মাটি আছে। কিহৰ কাৰণে এই হাজাৰ হাজাৰ বিঘা মাটি দিছিল। এই মূৰ্ত্তি নোহোৱা ধৰ্মত মাটিৰ কাৰণে ৰাতে মূৰ্ত্তি ৰাখে। আটাইতকৈ মোৰ নিচিনা অধম জাতি মানুহৰ লোক কোন আহিব ইয়ালৈ? কাৰণ ভকত হৈ হে আহিব লাগিব। মই যেনিবা অকা দফলা মানুহ। তাক এটা শ্ৰেণী সজোৱা হ'ল। তেতিয়া মই কেনেকৈ আহিম? ঘাটত বহুত নাৱ থাকে। বাছি লওঁতে এখন

হে লয়। সেইখন নাৱ যদি মাজত ডুবেও তেতিয়া আমি দোৰি আহি ইখন নাৱলৈ আহিব নোৱাৰিম।

সত্ৰাধিকাৰ প্ৰভুৱে নামেৰে কৰ্ম কৰা কথা কৈ গ'ল। নামৰ বিষয়ে মহাপুৰুষে কৈছে—

সূৰ্য জুই আঙ্গনীৰ যতেক অন্তৰ।
নামৰ কৰ্মক সখি তেহ্ন পটন্তৰ।
যৈত নাহি মোৰ নাম সূৰ্যৰ উদয়।
তৈতেসে প্ৰকাশে তপ জপ যজ্ঞচয়।।
তথাপি প্ৰত্যয় যদি নাহিকে তোমাৰ।
কৰো তবে শুনা হেৰা সত্যে অঙ্গীকাৰ।
সত্যে সত্যে সত্যে সত্যে সত্যে নিষ্ঠা মানি।
সত্যে সত্যে সত্যে সত্যে সত্যে বোলো বাণী।।
দশ সত্য কৰি মই দঢ়াইলো তোমাক।
নাশ যাইবা যেৱে আত নকৰা সঙ্গাত।।

সেই কাৰণে আজি আমি নাশ গৈছো। কাৰণ ভগৱন্তই দশ সত্য কৰি কৈছে—সঙ্গাত নগলে নাশ যাইবা। আজি আমি ভগৱন্ত কৃষ্ণ বাণী যদি বিশ্বাস নকৰো, মহাপুৰুষ শংকৰদেৱৰ বাণীত বিশ্বাস নকৰো, কিহত বিশ্বাস কৰিম? প্ৰভু সকল, অন্তৰ শুদ্ধ কৰি এইবোৰ বিচাৰ কৰিব লাগিব।

মোৰ এজন ব্ৰাহ্মণ বন্ধুৱে কলে যে আপোনালোকে শংকৰদেৱৰ বাক্য নমনা হ'ল। কলো কিয়? তেতিয়া কলে—

মান্য কৰি ব্ৰাহ্মণক।
শিক্ষা দিয়া সামান্যক।।

মই কলো—ব্ৰাহ্মণক ধৰি জীৱ বাজ কৰি
বান্ধিলেক হাত তুলি।

এইটোও শংকৰদেৱে লিখিছে। তেতিয়াহে তেওঁ ঠাণ্ডা হৈছে। কাৰণ একালে চাৰি সিদ্ধ আনকালে মহাপাপী অজামিল। দুয়োটাকে তুলনা কৰক। অশ্বত্থামাক কৃষ্ণই বাৰে বাৰে হত্যা কৰিবলৈ কৈছিল-- সখি নজৰ বাক্য বাখি এওঁক বধ কৰা। সেইদৰে দ্ৰোণাচাৰ্যকো। কিহৰ কাৰণে? আজিকালি এই শ্লোকটো নাইকীয়া হ'ল—

জন্মনা জায়তে শূদ্র সংস্কাৰ উচ্যতে দ্বিজঃ।
বেদ পাঠে ব্ৰাহ্মণঃ ··· ··· ভবেৎ ॥

এইটো অত্ৰি সংহিতাৰ শ্লোক। সেই হিচাপে আমি সকলো শূদ্ৰ। যি সকলে ধন সম্পত্তি সংগ্ৰহ কৰে তেওঁলোক বৈশ্য। যি সকলে শক্তি আহৰণ কৰি যুদ্ধ বিগ্ৰহ কৰে তেওঁলোক ক্ষত্ৰিয়। আৰু যি সকলে জ্ঞান অৰ্জন কৰি জগতত পোহৰ বিলাই তেওঁলোক ব্ৰাহ্মণ। লক্ষ্মীনাথ বেজবৰুৱাও ব্ৰাহ্মণ। তেওঁ লুপ্ত হব ধৰা মহাপুৰুষীয়া ধৰ্মটো উদ্ধাৰ কৰিলে। মই বেজবৰুৱাৰ ভাষাতে কওঁ—জন্মতে যেনেকৈ মেকুৰী পোৱালীটোৰ গোফ গজি অহাৰ দৰে এতিয়া আমাবো তাঙৰ বিপদ হ'ল। মাকৰ পেটতে ব্ৰাহ্মণ হৈ অহা হ'ল, মাকৰ পেটতে মহন্ত হৈ অহা হ'ল, সন্ত মহন্ত হৈ অহা হ'ল। সন্ত, মহন্ত, ব্ৰাহ্মণ সকল আমাৰ শিৰৰ ধূলি। কিন্তু এইটো বিপদ যাতে সকলোৱে বুজে। মই আৰু বেছি নকওঁ।

শ্ৰীপ্ৰেমকান্ত মহন্ত : সঞ্চালক

যোৱা দুদিন ধৰি আমি এই বিষয়টো "ভক্তি মাৰ্গ আৰু নিত্য নৈমিত্তিক কৰ্ম" আলোচনা কৰিছো। নানা জনে নানা ধৰণে কলেও যেন দুটা দিশ ইয়াত ওলাই পৰিছে। এটা সংস্কাৰবাদী, আনটো পৰম্পৰাবাদী। শ্ৰীমন্তশংকৰদেৱ সংঘ, ভাগৱতী সমাজ আদি জন্ম হোৱা বহুতো সমাজ বা সংঘই আমাৰ সমাজ খনত এটা সংস্কাৰ বিচাৰে। এই সংস্কাৰবাদী সকলৰ মতেদি বা তেওঁলোকে দেখুওৱা শাস্ত্ৰৰ যুক্তি মতেদি কৰলৈ বিচাৰিছে যে আমি পালি অহা নিত্য নৈমিত্তিকৰ নামত কৰা কৰ্মকাণ্ড যোৰ শুদ্ধ নহয়। আৰু আন হাতেদি যি সকলে পৰম্পৰাবাদী তেখেত সকলে পৰম্পৰাক তাঙৰ অস্ত্ৰ হিচাবে গ্ৰহণ কৰিছে। পৰম্পৰাটোও একে বোৰ দলিয়াই পেলাব পৰা বিষয় নহয়। সংস্কাৰবাদী সকলেও বিয়াত হোম পুৰা শ্ৰাদ্ধত পিণ্ড দিয়া আদি বাদ দিলেও এটা কথা মন কৰিব লগীয়া। বৰ্তমানেও সেই আগৰ দৰে ১০ দিনত দহা আদি কৰ্ম কৰে সি যেনিবা কৰ্মকাণ্ডৰে নহয় নাম কীৰ্তনৰে কৰে। তেওঁলোকে এদিন বা দুদিন বা সুবিধা অনুযায়ী দিন বাৰ আদি চোৱা নাই।

মোৰ যদি ভুল হোৱা নাই এই সকলেও দহ দিনৰ অন্তত্তে কৰি আহিছে। এইটো কোনো লিখিত শাস্ত্ৰত নাই। বিবাহটোও আগৰ পৰম্পৰা মতেদি হোম আদি নকৰিও তাৰাশুদ্ধি, চন্দ্ৰশুদ্ধি আদি চাই দিন ঠিক কৰা হয়। অমুক দিনা বছৰৰ দিন আমাৰ সুবিধাজনক দিন এনে দৰে কৰা নহয়। এইটো অস্বীকাৰ কৰা নাই। যদিও নাম কীৰ্ত্তনৰে বিবাহ কৰা হয় সেইটো কিন্তু বাখিছে আমি বিবাহ কৰিছো। আমি দিনত কৰিব পাৰো কিন্তু নকৰো। এই খিনিতে নতুন আৰু পুৰণি দুয়োটা মিলিত হৈছে।

আনহাতেদি পৰম্পৰা বাদী সকলেও পৰম্পৰাক এৰি দিব পৰা নাই। কাৰণ মানসিক ভাৱে তেওঁ লোক প্ৰস্তুত নহয়, আমি কাৰো ওপৰত কোনো বস্তু জাপি দিবলৈ যত্ন কৰা উচিত নহয়। আৰু নিন্দা কৰাও উচিত নহয়। যিটো বস্তু আমি অলাগতীয়াল বুলি ভাবিছো সেইটো ক্ৰমাত এসময়ত নোহোৱা হব। তাৰ কাৰণে সময় লব। আৰু এই বিষয়ে এটা জনমত গঢ়ি উঠিছেও। তাক ধুমুহাৰ দৰে কৰিব গলে সংঘাত আহিব।

আমাৰ গাঁৱত পৰম্পৰাক মানা নামানা লৈ এটা ডাঙৰ হুলস্থুল সৃষ্টি হৈছে। আমি অসমীয়া মানুহ কেইটা ধীৰে ধীৰে অসমতে ভাগ ভাগহৈছো। ভাগ ভাগ হোৱাত আপত্তি নাই। ই পক্ষৰ মানুহে সি পক্ষৰ মানুহক আক্ৰমন কৰিছো সময় আৰু সুবিধা পালেই। আমাৰ নিজৰ মিতিৰ কুতুম্বকে আমি বৰ্জন কৰিছো। এইদৰে থকাৰ ফলত য'ত এটা কীৰ্ত্তন ঘৰ আছিল তাত দুটা হৈছে। অথচ কীৰ্ত্তন ঘৰবোৰ পালন কৰাত আমি বিমুখ হৈছো। কীৰ্ত্তন ঘৰৰ যিবোৰ নিত্য নৈমিত্তিক কৰ্ম অৰ্থাৎ বন্তি জ্বলোৱা শৰাই পতা নাম প্ৰসঙ্গ আদি নোহোৱা হৈছে। এই কীৰ্ত্তন ঘৰ বঢ়া মানে আমাৰ একতা নোহোৱা বুজায়। কোনোৱাই হয়তো কব পাৰে ভক্তি বাঢ়িছে গতিকে নাম ঘৰ বাঢ়িছে। দৰাচলতে সেইটো নহয়। কিবা আক্ৰোশ জেদ আদিৰ কাৰণতহে বাঢ়িছে। নিশ্চয় আপোনালোকেও এই বোৰ কথা উপলব্ধি কৰিছে। গতিকে আমি এনেকুৱা কৰিব নোৱাৰো নেকি ইপক্ষই সি পক্ষৰ সমাজিক যিবোৰ কাম আছে সেইবোৰ বাদ দি ধৰ্মীয় কামবোৰত এক হব নোৱাৰো নেকি? বিবাহ শ্ৰাদ্ধ আদি কাম বোৰ আমি সামাজিক কৰ্ম বুলি ধৰি লওঁ। আমি মহাপুৰুষীয়া সমাজ খন এক হব নোৱাৰো নেকি? যি সকলে সত্ৰৰ পৰম্পৰা মানি আহিছে সি যি বাবেই নহওঁক আনহাতেদি শ্ৰীমন্ত শংকৰদেৱ সমাজ, একশৰণ ভাগৱতী সমাজ

আদি সকলো বোৰ আমি একে মহাপুৰুষীয়া নহয় জানো ? আমি কাকো এইটো নকওঁ। কাৰণ মহাপুৰুষীয়া বুলি স্বীকাৰ নকৰোঁ কিংবা এইটো কৰা উচিত নহয়। আপোনালোকে জানে কোন জন আছে মোৰ মনত নাই। যেমালিতে কোনোবাই সেই আছে জনক বঙ্গদেশীয় মত লোৱা বুলি কৈছিল। যেমালিতে কওঁতেই সেই আছেজন খঙত জ্বলি উঠিল। তেওঁ কৈছিল "মোক উপহাস নকৰিবা"। গতিকে আমিও পৰস্পৰে পৰস্পৰক যেমালিতেও উপহাস কৰা উচিত নহয়। এটা কথা ঠিক যে আমি সকলো মহাপুৰুষীয়া। মোৰ বিপক্ষক লৈ শ্ৰাদ্ধ কৰিলেও তাৰ লগত জড়িত নকৰাকৈ আমি মাতো লগাব পাৰো। সেই দৰে যি সকলে কৰ্মকাণ্ড আদি নকৰে তেওঁলোকৰ বিবাহ আদিত আমি সহযোগ কৰিব পাৰো। মোৰ বিশ্বাস শ্ৰীমন্ত শংকৰদেৱ সংঘ. একশৰণ ভাগৱতী সমাজৰ ফালে যি ধুমুহাৰ গতিৰে লোক ধাবিত হৈছে এসময়ত সকলো এটাই হৈ পৰিব। সমাজৰ প্ৰশ্ন নাথাকিব, আপত্তিও নাথাকিব, এসময়ত নিজে নিজেই সকলো একহৈ যাব ভেতিয়া বেছি ভাল হয়। মই সকলোকে ক'ব বিচাৰিছো যে বৰপেটাৰ যি সকল লোকে মহাপুৰুষীয়া ধৰ্মালম্বী লোক সকলক লগ কৰি এক কৰিব বিচাৰিছে, এইটো বৰ প্ৰসংশণীয় আৰু চিৰ নমস্যকাম হৈছে। আমি তাত হাত উজান দিব লাগিব। মজ্জাগত ভাবে যি সকলে যিবোৰ কথা বিশ্বাস কৰিছে সি একে দিনাই এৰিব নোৱাৰে কিন্তু লাহে লাহে সেইবোৰ এৰি পৰিব আৰু এসময়ত সকলো এক হব।

সি যি নকৰক আমি সকলো মহাপুৰুষীয়া। তাহানি যুধিষ্ঠিৰে কোৱাৰ দৰে আনৰ লগত বিবাদ হলে আমি ১০৫ আৰু আমাৰ মাজত বিবাদ হলে আমি ৫ আৰু সিহঁত ১০০। গতিকে আমাৰ মাজত বিবাদ থাকক, মত ভেদ থাকক আমি সকলো ১০৫ হওঁ আহক। আমি সকলোৱে শ্ৰাদ্ধ কৰা নকৰা, নিত্য নৈমিত্তিক কৰ্ম কৰা নকৰা সকলো আমি এক মহাপুৰুষীয়া।

মই আন এটা কথা কব বিচাৰিছো। আমি আমাৰ শক্তি আৰু সমৰ্থ এইবোৰ কামতে খৰচ কৰিছো। আমাৰ চাহ বাগান বিলাকৰ মাজত কোনো-বাই গাই-গুটীয়াকৈ কাম কৰিলেও আমি সকলোৱে তাত শক্তি সামৰ্থলৈ যায় কাম কৰা নাই। জন-জাতি বিলাকৰ ভিতৰতো পাহাৰে পৰ্বতে গৈ আমি সকলোৱে উমৈহতীয়া ভাবে কাম কৰা নাই। যি কোনো প্ৰকাৰে এই সকল লোকক মহাপুৰুষীয়া কৰিব লাগিব। তেতিয়া অসমীয়া জাতিৰ পক্ষে বৰ মঙ্গল

জনক হব। মোৰ নিজৰে এটা উদাহৰণ দিব বিচাৰিছো' কুৰিছৰ কাল মই উত্তৰ কাছাৰ পাহাৰ জিলা জেমি নাগৰ মাজত আছিলো। তেওঁলোকক খৃষ্টান ধৰ্মৰ কবলৰ পৰা ৰক্ষা কৰিবৰ কাৰণে এটা মন্ত্ৰ শিকাইছিলো "হম্ হিন্দু হে, হম্ হিন্দু হে"। কাৰণ খৃষ্টান বিলাকে গীৰ্জা স্কুল হস্পিতাল আদি খুলি বেঢ়ি ধৰিছে। মই মোৰ শক্তিৰে তাত এই কাম কৰিছিলো। এই কথা শিকাই ৭ ঠাইত নাম ঘৰ কৰিলো। তেতিয়াৰ শ্ৰীমন্ত শংকদেৱ সংঘৰ সম্পাদক শ্ৰীবলোৰাম চলিহা দেৱলৈ পত্ৰ লিখিছিলো, ডঃ মহেশ্বৰ নেওগ দেৱলৈ পত্ৰ লিখিছিলো। তাত খৃষ্টান আৰু নন খৃষ্টান। হিন্দুতো প্ৰশ্নই নাই। সেই কাৰণে মই "হম্ লোক হিন্দুহে"। ধ্বনিয়ে কাম কৰি এটা মন্ত্ৰ শিকাইছিলো। সেইটো হ'ল "কৃষ্ণ শংকৰ গুৰু হৰি ৰাম"। এইটোৱে শৰণো মন্ত্ৰও। এই হিচাবে যাগ যজ্ঞ পূজা পাতলতো কথাই নাই। আৰু এটা কথা, তাৰ সকলো খিনি জনা বুজা লোক খৃষ্টীয়ান। মোৰ লগত থাকি যিজন গাওঁবুঢ়ালোক মোৰ কামত সহায় কৰিছিল তেওঁ নিজে খৃষ্টান। প্ৰায় ১৭ বছৰ মান আগতে খৃষ্টান হৈছে। তেওঁ আগতে হলেও বাকী সকল যাতে খৃষ্টান নহয়। এদিন মই তেওঁক সুধিছিলো, তোমালোক কিয় খৃষ্টান হ'লা ? তেওঁৰ নিজৰ ল'ৰা-ছোৱালীকো মোৰ হাতেৰে শৰণ কৰাইছিল। তেওঁক সোধোতে এটা ডাঙৰ কথা কৈছিল। সেইটো মনত থাকিবলগীয়া কথা। "হিন্দু কিয় হম—খালি পূজা খালি পূজা। ল'ৰা জন্ম হলেও পূজা, মৰিলেও পূজা, বেমাৰ আজাৰ হলেও পূজা, খালি পূজা। আমাৰ দৰে পূজা নহয়। কুকুৰা, গাহৰি কাটি কৰা পূজা। তিনি আলিত দৈ কৰিব লাগে। এইবোৰৰ পৰা নিস্কৃতি পাবৰ কাৰণে নগা সকলে খৃষ্টান ধৰ্ম লৈছিল। খৃষ্টান ধৰ্ম লোৱাৰ পৰা এটা কথা দেখিছো এখন গাৱঁত যদি ২৫ ঘৰ মানুহ আছে তাৰে ৬ ঘৰে খৃষ্টান হৈছে। তেওঁলোকৰ অৱস্থা ভাল। কিন্তু হিন্দু হৈ থকা সকলৰ অৱস্থা একেবাৰে দাল দৰিদ্ৰ। জুম খেতি কৰা সময়ত পূজা, কাটিবৰ সময়ত পূজা, খালি পূজা। গতিকে নিঃস্ব হৈ গৈছে। মই যেতিয়া কলো হিন্দু ধৰ্মত পূজা নাই, আগৰবোৰ বাদ দিয়া। একমাত্ৰ কৃষ্ণ শংকৰ গুৰু, এই মন্ত্ৰ লোৱা। মই এটা শোভাযাত্ৰা কৰিছিলো "হিন্দু হিন্দু ভাই ভাই, হমলোগ হিন্দু হে" আদি কৰি। এই কথাটোৰ পৰা মই এটা বাস্তৱ উদাহৰণ দাঙি ধৰিব বিচাৰিছো। আপোনালোকক কব বিচাৰিছো যে আমাৰ ধৰ্মটো যিমান সৰল হয় সিমান প্ৰচাৰৰ সুবিধা হয়। পৰ্বতে কন্দৰে

যদি ধৰ্ম প্ৰচাৰ কৰিব লাগে, জটিল কৰিবলৈ গ'লে ব্যৰ্থ হয়। মই কাকো সমালোচনা কৰিব বিচৰা নাই। যোৱা নবেম্বৰ মাহত ডিফুত বিশ্ব হিন্দু পৰিষদৰ জৰিয়তে গীতা জয়ন্তীৰ নামত এখন সন্মিলন হৈছিল। তালৈ মইও গৈছিলো। বিশ্ব হিন্দু পৰিষদক মই বৰ ভাল পাইছো, কিন্তু পশ্চাটোৰ কথাহে মই কব বিচাৰিছো। কোনো যাতে ক্ষুণ্ণ নহয়। তেখেতসকলে কাৰ্বি মানুহ খিনিৰ মাজত যি সুন্দৰ বেদ পাঠ কৰিছে আমাৰ কাণত বৰ মধুৰ লাগিছে। বেদৰ মধুৰ ছন্দত পাঠ কৰা হৈছে। শুনিবলৈ বৰ ভাল হৈছে। কিন্তু তাত ব্যৱহাৰিক দিশত যিবোৰ দেখুওৱা হৈছে, তাৰ সৰল কাৰ্বি মানুহখিনি ভয় খাই যাব বুলি মোৰ সন্দেহ হৈছে। যদি এইবোৰ কৰিব লাগে তেনেহলে ই বৰ দিগদাৰি দিব। আনহাতে খৃষ্টান সকলে বৰ সহজ ভাবে ধৰ্মটো দেখুৱাই লৈ গৈ আছে। গতিকে আমি এই দিশটোও চাব লাগিব। আমাৰ ধৰ্ম সৰল কৰিব লাগিব। মহাপুৰুষৰ ধৰ্ম জটিল নহয়েই। মই কালি আক্ষেপ কৰি কৈছো যে সহজ ভাবে পোৱা চাউল খিনি পিচত শিল গুটি পেলাই তাক বাচি লৈ খায়। এইটো কেনেকৈ হব ? আমি সকলো এক মহাপুৰুষীয়া। কোনোটো কামে বেয়া নহয়। যি সকলে এইটো কৰে তেওঁলোকো ভাল। কিন্তু এসময়ত গৈ আমি সকলো এক হৈ পৰিম। এইটো আশাৰে বৰপেটাৰ এই পবিত্ৰ ভূমিত আপোনাসব সকলো সজ্জন ইয়াত আছে। আপোনালোক সকলোৰে আশীৰ্বাদ কামনা কৰি কৈছো যাতে অসমীয়া জাতিৰ ধৰ্ম এই মহাপুৰুষীয়া ধৰ্মই একমাত্ৰ অসমত নহয় সমগ্ৰ ভাৰতবৰ্ষত আমাৰ এই তুজনা গুৰু প্ৰচাৰ কৰিব পাৰো— তাকে কামনা কৰো। মোৰ সঞ্চালকৰ আসনৰ পৰা দিয়া ভাষণ সামৰণি মাৰিলো।

মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ মাধৱদেৱ দুজনা গুৰু বৈকুণ্ঠ প্ৰয়াণৰ পৰৱৰ্ত্তী কালত সৃষ্টি হোৱা বিভিন্ন মতাদৰ্শৰ কাৰণ বিচাৰ আৰু প্ৰতিকাৰ ।

শ্ৰীতপোধন বায়নৰ নেতৃত্বত বৰপেটা সত্ৰৰ ভকতসকলৰ প্ৰসঙ্গেৰে সভা আৰম্ভ হয়। সঞ্চালকৰ নাম প্ৰস্তাৱ কৰে সাধাৰণ সম্পাদক শ্ৰীপ্ৰমোদ দাসে আৰু সমৰ্থন কৰে প্ৰচাৰ সম্পাদক শ্ৰীদয়াল কৃষ্ণ বৰাই ।

সঞ্চালক শ্ৰীজীতেন্দ্ৰ নাথ দাস ঃ প্ৰাক্তনউপাচাৰ্য, ডিব্ৰুগড় বিশ্ববিদ্যালয়

আজিৰ এই গুৰু দায়িত্ব লোৱাৰ মোৰ যোগ্যতা নাই । প্ৰথমতে মই মান্তি নহৈছিলো । কিন্তু যেতিয়া জানিলো যে আদৰণি সমিতিয়ে দিয়া নীতি-নিৰ্দেশনা মতেদি সঞ্চালকৰ কোনো সিদ্ধান্ত দিয়াৰ অধিকাৰ নাই তেতিয়াহে মই সঞ্চালক হবলৈ সন্মতি প্ৰদান কৰিলো । কাৰণ যিবিলাক বিষয় ইয়াত উত্থাপিত হৈছে বা হব সেইবিলাক বিষয়ত আমাৰ নিজৰ ফালৰ পৰা অৱিহণা যোগাব পৰা যোগ্যতা নাই । আজি ইয়াত যিসকল গুৰু সমৱেত হৈছে সেইসকলৰ পৰা আমাৰ জীৱন নিয়ন্ত্ৰনৰ শিক্ষা পাই আহিছো । তেখেত সকলৰ ভাবণ নিয়ন্ত্ৰণ কৰিবলৈ সচাকৈয়ে মই বৰ টান পাম । কিন্তু সভা বুলিলে কিছু নিয়ম নীতি থাকিব লাগিব । নহলে কোনো সুস্থিৰ আলোচনা হব নোৱাৰিব আৰু সুস্থিৰ ভাবে আলোচনা কৰিব নোৱাৰিলে কোনো কথাৰ সত্য উদ্ঘাটন হব নোৱাৰিব । কোনোৱে যেতিয়া আবেগিক ভাবে কথা কয় সেই আবেগে আৰু এটা নতুন আবেগ সৃষ্টি কৰে । আবেগৰ লক্ষণেই হৈছে এজনৰ আবেগে অন্য এজনৰ অন্তৰত নতুন আবেগৰ সৃষ্টি কৰা । সেই কাৰণে আবেগময় বক্তৃতাৰ বা আবেগতে কথাবোৰ কৈ থাকিলে তাৰ যুক্তি তৰ্ক আৰু সুক্ষ্ম খিবোৰ বিচাৰ তাৰ পৰা বহু সময়ত অসঙ্গত হৈয়ো পৰে । আমাৰ গুৰুসকল বহুদিনৰ অভিজ্ঞ মানুহ । সেই কাৰণে তেখেতসকলক মোৰ ফালৰ পৰা কিবা সঞ্চালন কৰিব লাগিব সেইটো ভাবিলেও মোৰ দোষ হয়, একেবাৰে উদ্যম নাইকীয়া হৈ যায় ।

আমি বিধান সভাতো দেখিছো কোনো এটা বিষয় যদি নিয়ম শৃঙ্খলাৰ মাজেৰে আলোচনা কৰিব লাগে, যিহেতু তেনেদৰে আলোচনা নকৰিলে কোনো সত্যত উপনীত হব নোৱাৰি, সেই কাৰণে এজন সঞ্চালক তাত ৰাখি থোৱা হয়। এই দিশত সকলোৱে তাত থকা নির্দেশনাখিনি মানি নিম বুলি সমবেত হয়। যদি সঞ্চালকৰ কথা নামানো বুলি সমবেত হয় তেনেহলে আলোচনা কোনো সম্ভৱেই নহয়। সেই কাৰণে আমি অনুৰোধ কৰিছো যে আপোনালোকে এই বিষয়ত আমাক সহযোগ কৰিব। ইয়াত থকাৰ দৰে ২০ মিনিট সময়ৰ কথাটোহে মই জনাব পাৰো। টিলিঙা বজাবলৈকে মোৰ ভাল নালাগে। আপোনালোকক সময়টো সোঁৱৰাই দিয়াৰ কাৰণে মই হয়তো কেতিয়াবা টিলিঙা বজাব লাগিব পাৰে। তাৰ কাৰণে যাতে কোনেও দায়-দোষ নধৰে। এইখিনি কথা কৈয়ে মই আজিৰ বিষয়লৈ আহো।

আজিৰ বিষয়টো হ'ল মহাপুৰুষ শ্ৰীশংকৰদেৱ মাধৱদেৱ দুজনা গুৰু বৈকুণ্ঠ প্ৰয়াণৰ পৰৱৰ্ত্তী কালত এই ধৰ্মত সৃষ্টি হোৱা বিভিন্ন মতাদৰ্শৰ কাৰণ বিচাৰ আৰু প্ৰতিকাৰ। [এনেতে মহাপুৰুষীয়া ধৰ্ম সংৰক্ষণী সমিতি বৰপেটাৰ প্ৰতিনিধি শ্ৰীহৰেকৃষ্ণ মিশ্ৰই মাজতে এটা অনুৰোধ জনায় আৰু তেখেতে আলোচনাৰ গটটো সলনি কৰিবলৈ কয়]

আজিৰ বিষয়টো দেখিলে বুজা যায় যে ইয়াত বহুতখিনি বুৰঞ্জীমূলক কথা আছে আৰু বৰ্ত্তমান কালৰো বহুত আছে। তাৰ যদি কিবা কাৰণ দেখা যায় তাৰ সংশোধনী মানে প্ৰতিকাৰৰ কথা আলোচনা হব। মই কব খুজিছো মহাপুৰুষ শংকৰদেৱ মাধৱদেৱৰ পাচত বহুতে কব খোজে যে এই ধৰ্মৰ মানুহবিলাক বৰ এটা সংকটৰ মাজত পৰিছিল। সেয়ে আমাৰ গুৰুজনাৰ ধৰ্মত তিনিটা ভাগ হৈ গ'ল। সেইটো এটা বুৰঞ্জীমূলক কথা। সেই পাচশ বছৰৰ আগৰ কথাটো চিন্তা চৰ্চ্চা কৰি তাক প্ৰতিকাৰ কৰা কথাটো ভৱাটো মই অবান্তৰ বুলি ভাবিছো। অবান্তৰ এই কাৰণে যে পাচশ বছৰ ধৰি কিবা এটা মতৰ ঠিক মতাদৰ্শৰ বিভিন্নতা হোৱা নাই কিবা যদি সমিলমিল কৰি গুৰু দুজনে কিবা এটা কৰিলে তাক আজি প্ৰতিকাৰ কৰাটো অবান্তৰ কথা হব। কোনোবাই যদি ভাবিছেও। সেই কাৰণেই মই কৈছো যে তেওঁলোকক টানি আনি আলোচনা কৰোতে অনিচ্ছা কৰা স্বত্বেও কিবা এটা কথা কলে তাৰেই কোনেও মনত বেদনা পাব। সেইটো আমাৰ উদ্দেশ্য নহয় কাৰো মনত বেদনা

দিয়া। এই অভিবৰ্ত্তনৰ উদ্দেশ্যই হৈছে সত্যত উপনীত হোৱা। এইবোৰ সমস্যা সমাধানৰ কাৰণে আমি সূক্ষ্ম বিচাৰ কৰা এইটোহে ইয়াৰ উদ্দেশ্য। কোনো সম্প্ৰদায়, অনুষ্ঠান বা ব্যক্তিৰ মনত বেদনা দিয়া উদ্দেশ্য নহয়। সেয়ে মই ভাবিছো মহাপুৰুষ সকলৰ পৰৱৰ্ত্তী কালতেই এনে ধৰণৰ বিভিন্ন মতাদৰ্শৰ এটা সমস্যা হয়টো হৈছিল। তাক লৈ আলোচনা কৰাটো আৰু সময় নষ্ট কৰাটো সিমান উচিত নহব। কাৰণ অবাস্তৱ কথা এটাত আমি একো কৰিব নোৱাৰো।

দ্বিতীয়তে দেখিছো এই মহাপুৰুষীয়া ধৰ্ম বিভিন্ন হৈ গ'ল। উজনিৰ ফালে এটা হ'ল নামনিৰ ফালে এটা থাকিল। এনেদৰে হোৱাৰ পৰা আমাৰ কোনো ক্ষতি হোৱা নাই। অন্ততঃ মহাপুৰুষীয়া ধৰ্ম প্ৰচাৰ প্ৰসাৰ বা পৰিচালনাৰ ক্ষেত্ৰত। কিছুমান পণ্ডিতে কোৱাৰ দৰে—যেনে আমাৰ ডিম্বেশ্বৰ নেওগদেৱে কৈছে— সংহতি চাৰিটা ভাগ হৈ গ'ল এই সংহতিৰ ভেদাভেদবোৰে আমাৰ মহাপুৰুষৰ মূল বস্তুখিনিত কোনো ব্যাঘাত জন্মোৱা নাই। চাৰি বস্তুৰ গুৰু, দেৱ, নাম ভকত এইখিনি সকলোৰে আছে। আচলতে নিত্য-নৈমিত্তিক কৰাৰ ক্ষেত্ৰত কিছু তৰ্কও হৈছে। বোধহয় এই সংহতি খিনিয়েও আমাক বিচলিত কৰিব পৰা নাই। ইয়াৰ বাহিৰেও আমি বাস্তৱিকতে অন্য কৰবাত গৈছোনেকি সেইটো হ'ল আচল কথা। যদি গৈছো তাৰ ফলত অন্যায় হৈছে। তাৰ কাৰণ বিচাৰ কৰি প্ৰতিকাৰ হব পাৰে। যদি যোৱা নাই তেনেহলে তাৰ কোনো প্ৰতিকাৰৰ প্ৰশ্ন নুঠে। নেওগ ডাঙৰীয়াৰ কথাখিনিৰ ওপৰত ভিত্তি কৰি মই কব বিচাৰো— গৌণ কথাক ইমান গুৰুভাৱে লব নেলাগে। যাৰ ফলত আমি বিভাজন হৈ বেলেগ কিবা এটা কৰিম। ইয়াৰ পৰা সমাজৰ সুস্থিৰতা নষ্ট হব নালাগে আৰু তাৰ পৰা আমাৰ সংহতি ভাঙিব নালাগে। আজি নতুন ভাৰত বহুতে কিছুমান নাম দিছে। সেই নামবোৰৰ ক্ষেত্ৰত আমি সংকিত হব নালাগে। শংকৰদেৱৰ ধৰ্মটো ৰাখি নাম দিয়াত আপত্তি কি? আমি বহুত নতুন অনুষ্ঠান কৰো। স্থান-কাল অনুসৰি কৰাতো ভয় থকাৰ কোনো কাৰণ নাই। বৰপেটা শংকৰ সমাজ বুলি লক্ষ্মীপুৰত পাতিব নোৱাৰিব। কাৰণ সেইখন বৰপেটা শংকৰ সমাজ নহয়। লক্ষ্মীপুৰহে হব। গতিকে শংকৰদেৱক লৈ কিবা এটা কৰিলে তাৰ এটা নাম দিলে সি নতুন হ'ল বুলিয়েই তাতো সংহতি হোৱাৰ কোনো কাৰণ নেথাকে। কিন্তু মৌলিক বস্তুটো যদি পৰিৱৰ্ত্তন হয় আৰু তাত শংকৰদেৱৰ ধৰ্মত কিবা আঘাট আনে তেতিয়া হলে তাক বিচাৰ কৰিবলগীয়া কথা।

কালি নিত্য-নৈমিত্তিক সম্বন্ধে যিবোৰ হৈছিল সেইবোৰ যথেষ্ট হৈছে। পৰহি আৰু তাৰ আগৰ দিনা আমি মূল তত্ত্বৰ কথা আলোচনা কৰিলো। তাত দেখিলো কোনো প্ৰভেদ নাই। সকলো সংঘ সমাজ বেলেগ বেলেগ নাম দি থলেও মূল কথাত কাৰো বিভেদেই নাই। মই দেখিছো খালি আচৰণত অলপ বেলেগ। আমাৰ সত্ৰৰ ভিতৰত যিবোৰ আচৰণ প্ৰায় সকলো ঠাইতে একে। দুটা এটা হয়টো বেলেগ। কৰবাত প্ৰসঙ্গ ১৪ বাৰ, কৰবাত ১২ বাৰ। বৰপেটাত হয়তো কীৰ্ত্তনৰ সময়ত বাসৰ গীত গায় অন্যত বাসৰ গীত নাগায় অংকীয়া নাটৰ ভাওঁনা আদিয়েই কৰে। এনে ধৰণৰ হব পাৰে, কিন্তু চলি আছে ঠিকেই। মতাদৰ্শৰ ফালৰ পৰা কোনো বিভেদ হোৱা নাই। কিন্তু আচৰণৰ ফালৰ পৰা দুটা চাৰিটা কথা হয়তো ওলাই পৰিছে তাক আমি সংস্কাৰ কৰিবৰ সময় হৈছে। সংস্কাৰ মানে গুৰুত্ব কথা সেইটো নহয়। যদি আমি মূৰ্ত্তি পূজা আৰম্ভ কৰি দিও তেনে-হলে সেইটো ডাঙৰ কথা— কাৰণ সেইটো মৌলিক কথা। সেইটো হব নোৱাৰে। সংস্কাৰে আমাৰ ব্যক্তিগট জীৱনৰ কিবা পৰিবৰ্ত্তন আনে সেইটো অবাঞ্ছনীয় বুলি কব নোৱাৰি। বৰঞ্চ আমি এইটো কথা ভাবিব লাগিব যিটো কথাই ব্যক্তিক আঘাট কৰে তাক ব্যক্তিয়েও এৰি দিয়া উচিত। কোনো সংঘ, সমাজ বা সত্ৰই সেইটো কোনো ব্যক্তিৰ ওপৰত জাপি দিয়া উচিত নহয়। তাক সংস্কাৰ কৰিব লাগে— আমাক সংস্কাৰো লাগে। কৃষ্ণক বাদ দি অন্য মূৰ্ত্তি পূজা কৰা এইটো কেতিয়াও নহয়। গুৰু, দেৱ, নাম, ভকত এইবোৰ ৰক্ষা কৰি সংস্কাৰ। খালি আমাৰ বিভেদ হ'ল নিত্য নৈমিত্তিক কৰ্মৰ ওপৰত, সিয়ো ব্যক্তিগত জীৱনৰ ওপৰতে পৰিছে। মানুহৰ ব্যক্তিগত জীৱন নিয়ন্ত্ৰণ কৰে বহুত বস্তুৱে— (১) শিক্ষা, (২) পৰম্পৰা, (৩) ধাৰণাৰ বিবেকৰ ধৰাবন্ধা কথা আছে এইখিনিয়ে। মানুহ যেতিয়া বেছি উচ্চ শিক্ষিত হয় তেতিয়া এইবিলাক একো নামানে। কোনো বাৰ্দ্ধোন নামানি তেওঁলোকে নিজা নিজা মতে চলিব। তাক দেখিছেই। গতিকে ব্যক্তিগত জীৱনৰ বহু কথা মনাটো বহু ক্ষেত্ৰত অবান্তৰ হয়।

তেনেদৰে যিবোৰ কথাই সমাজৰ জীৱনত আঘাট কৰে সেইবোৰ যেনে— বিবাহ শ্ৰাদ্ধ আদি তেতিয়া সেইবোৰৰ প্ৰতি সমাজে দৃষ্টি দিব লগা হয়। সেই-বোৰ কথা কালি আমি আলোচনা কৰিছো। বহুতে কৈছে এইবোৰ পৰম্পৰা আমি এৰিব নোৱাৰো যদিও তত্ত্বগট ভাবে শংকৰদেৱৰ পৰা অমিলো হব পাৰে। বিৰোধো হব পাৰে। কিন্তু পৰম্পৰাও আছে। এইবোৰ কথাহে আলোচনা

হব পাৰে। মহন্ত দেৱে কালি কৈছেই আমাৰ যিটো সিদ্ধান্ত আমি সকলোকে জনালো— কিন্তু জাপি নিদিও। ধৰক আজি কলো— বিবাহ এনে হব লাগিছিল— মৃতকৰ কাজ এনে হব লাগিছিল— সেইবোৰ যিসকলে লব বিচাৰে লওঁক যিবিলাকে লব নিবিচাৰে তাক জোৰ কৰিব নালাগে। যিবোৰ পৰম্পৰা মতে চলি আছে তেওঁলোককো নানা ৰকমে ব্যাখ্যা কৰি লঘু কৰাটো উচিত নহয়। সিদিনা ভৰ প্ৰসাদ চলিহাই কৈছে পৰম্পৰাত বেয়াও আছে ভালো আছে। বেয়া সংস্কাৰ কৰিব লগাত পৰিব পাৰে। কিন্তু সমিল-মিলৰে আমি আলোচনাৰ দ্বাৰা এইখিনিয়েই কৰো যে এইখিনি সঁচা এইখিনি সঁচা নহয়। কিন্তু কাকো জোৰ কৰি জাপি নিদিও। ব্যক্তিজনক সকলো এৰি দিব লাগিব— তেওঁ কোনটো মতে চলে।

পৰম্পৰা ফালৰ পৰা আৰু এটা কথা কব বিচাৰিছো। সংস্কাৰ নোহোৱাকৈ থাকিব নোৱাৰে সঁচা। আজি ৫০০ বছৰৰ পাছত আমাৰ মানুহবোৰ শিক্ষিত হৈছে। উঠি অহা ডেকা ল'ৰাবোৰে আমাৰ পুৰণি শাস্ত্ৰবোৰ পঢ়িছে তাক পুংখানুপুংখ ভাবে বিচাৰ কৰিছে আমাৰ গুৰু সকলৰো সমস্ত পুথি-পাজি ওলাইছে তাক ডেকা ল'ৰাবোৰে পঢ়িবই। তাত যিবোৰ আঁসোৱাহ দেখিছে সেই বোৰ দূৰ কৰিবৰ কাৰণে এটা সংস্কাৰ আনিবলৈ যত্ন কৰিবই। এই ভাব ধাৰাটো মতে আজিয়েই লৈ গৈ সকলো উটুৱাই দিয়া হওঁক সেইটো নহবও পাৰে। সমাজখনক হয়তো দেখুৱাব পাৰে। মই এটা সাধাৰণ উদাহৰণ কওঁ— সকলোৱে কৈছে যে হোমটো আমি কিয় কৰো— যিহেতু অগ্নিদেৱতাৰ পূজা। এই হোম নকৰাকৈয়ো আমি অগ্নি ৰাখিব পাৰো। আজি আমাৰ সন্মুখত বন্তি গছ আছে সেইটো অগ্নি। তাক পূজা নকৰাকৈয়ো ৰাখিব পাৰো। ইয়াত অক্ষয় বন্তি আছে। অক্ষয় বন্তি মানে আমি অগ্নিকতো পূজা কৰা নাই। বন্তি গছৰ পোহৰ বস্তুটো এইটো এটা এনে শুভকাৰী বস্তু— ইয়াক আমি কোনো কাম কৰাত ব্যৱহাৰ কৰো আৰু গোটেই জীৱনত আমি চলাই থাকো। সকলোতে আমি অগ্নি বিচাৰো। আজিৰ দিনত চাওঁক খেল আৰম্ভ কৰিবৰ সময়ত তেওঁলোকে জুই লৈ এটা আৰম্ভণী কৰে। অগ্নিক পূজা নকৰে। আজি সত্ৰত অক্ষয় বন্তি দিনত জ্বলি আছে। এইটো এনে এটা শুভবস্তু যিকোনো এটা শুভ কৰ্মত আমি লওঁ। মোৰ কথা হ'ল "অগ্নিয়ে নহয়" বুলি কোৱাৰ কাৰণ নাই। কোনো দেৱতাৰ নাম নলৈও অগ্নি ৰাখি বিবাহ আদি কৰিব পাৰো।

এনে ধৰণৰ সংস্কাৰ কৰিব পাৰো। আমাৰ যিবোৰ বিভেদ আছে তাক দুটা পক্ষই লগ লাগি মীমাংশা কৰিব পৰা ব্যৱস্থা আছে। মনৰ ভিতৰত যদি আমি জিদ লৈ বহি থাকো তেনেহলে কোনো কথাই সম্ভৱ নহয়। জিদ এৰি যদি আমি আলোচনা কৰো তেনেহলে পৰম্পৰাবাদীসকলেও ভাবিব হয়তো ভুইটো থাকক তাত যে তেত্ৰিশ কৌটি দেৱতাৰ নামত ফুল জল দিব লাগে তাক নিদিবও পাৰো। মই আলোচনা মুকলি কৰোতে মোৰ মনত এইখিনি কথা খেলাইছে তাকেহে মই কলো। তাৰ কাৰণে মোক দোষ নধৰিব। আপোনালোক সকলো জনা লোক। এতিয়া বৰপেটা সত্ৰৰ বুঢ়া সত্ৰাধিকাৰদেৱৰ ভাষণেৰে আজিৰ বিষয় আলোচনা হব।

): -:(

শ্ৰীচন্দ্ৰকান্ত মিশ্ৰ : বুঢ়া অধিকাৰ, বৰপেটা সত্ৰ।

আজি আৰম্ভণিতে কোৱাৰ ভাৰ মোৰ ওপৰত পৰিছে। আজিৰ বিষয় শঙ্কৰদেৱ মাধৱদেৱে ধৰ্ম্মৰ যিটো গতি প্ৰৱাহ চলাইছিল—তেৰাসকলৰ পৰবৰ্ত্তী কালৰ নানা ৰকমৰ খেলি মেলি হৈছে তাৰ আলোচনা। দুজনা গুৰুৱে এই ধৰ্ম প্ৰৱৰ্ত্তন কৰি বহুত শিষ্য তৈয়াৰ কৰিছিল। সেইসকল আতা পুৰুষ আছিল। আতা পুৰুষ সকলে অসমৰ চোকে কোণে ভ্ৰমণ কৰি সত্ৰ স্থাপন কৰি ধৰ্ম শিক্ষা দান কৰিছিল। তেওঁলোকৰ পৰৱৰ্তী কালত যেতিয়া সত্ৰ সমূহত একোজন অধিকাৰ হৈ বহিল তেতিয়া চাৰিও ফালে ঘূৰি ধৰ্ম প্ৰচাৰ কৰাটো স্থগিত হ'ল। তেওঁলোক বিশেষ ভাৱে সত্ৰতে থাকিল। ইয়াৰোপৰি ধৰ্মৰ যিটো আচৰণীয় বিষয় তাতো কিছু ব্যাঘাট হ'ল। আদৰ্শ ভ্ৰষ্ট হ'ল আৰু আদৰ্শ মানৱ নোহোৱা হ'ল। ক্ৰমে ক্ৰমে ভকত নোহোৱা হ'ল। মই আদৰ্শ তাকে কৈছো—যিটো ভক্তি তাৰ যিটো স্বাভাৱিক বৃত্তি তাৰ যিটো উন্মেষক সেইটো নোহোৱা হ'ল। কেৱল গতানুগতিকভাৱে এই আলোচনাটো কৰি থাকিল। এই আতা পুৰুষসকলে নিজে আচৰণ কৰিছিল আৰু আনকো সেই আদৰ্শৰ প্ৰতি আনিব পাৰিছিল। আদৰ্শ নহলে শিক্ষা দিয়া লাভ নহয়। কাকো উপযুক্ত-ভাৱে গঢ়িব নোৱাৰে। প্ৰথমে অধ্যয়ন কৰিব লাগিব। গুৰু মুখে শাস্ত্ৰ শিকিব লাগিব। নিজে শাস্ত্ৰ পঢ়ি কেতিয়াও ইয়াৰ তত্ব নাপায়। গুৰুত শাস্ত্ৰ শিকিব

লাগিব তাৰ পাছত সেইবোৰ মনন কৰিব লাগিব। ইয়াৰ পিছত তাৰ পৰা যিটো পাব সেইটো নিজে আচৰণ কৰিব লাগিব। আৰ্য দৰ্শনৰ এইবিলাক উপায়। এইবিলাক আমাৰ ভক্তি মাৰ্গত আছিল। এই আদৰ্শ শঙ্কৰ-মাধৱদেৱৰ পাছত যি সকল আতা পুৰুষ আছিল তেওঁলোকে এইবোৰ ৰাখি চলিছিল। পৰৱৰ্তী কালত নোহোৱা হ'ল। এই সাধন ভজনবোৰ নোহোৱা হ'ল। যি সাধন ভজন তেওঁলোকে শিকাই গৈছিল সেইবোৰ নোহোৱা হ'ল।

সত্ৰ বিলাকতো প্ৰসঙ্গৰ পিছত যি হ'বি কথা সেইবিলাক আজি নাই। সকলোৱে বহি ভক্তি তত্ত্ব বিলাক বুজাবৰ ব্যৱস্থা আছিল। সেই প্ৰধান কথা-বিলাক আজি নোহোৱা হ'ল। মাধৱদেৱে এই কাৰণে মথুৰা দাস বুঢ়া আতাক সুধিছিল।

তিনি প্ৰসঙ্গে কথা হোই মুই।
বোলে মথুৰা দাসে কৃষ্ণ কথা হুই ॥
সজ সজ ... ... ।
.. ..

এইটো এটা বৰ সুন্দৰ পদ্ধতি আছিল। আজি নাই মানে বহুত দিনৰ পৰাই নাই। নিজৰ ভক্তি বা আধ্যাত্মিক প্ৰচাৰৰ বাবে যিবোৰ লাগে সেইবোৰ নোহোৱা হৈছে। আতাসকল যেতিয়া লগ লাগিছিল তেতিয়া ভগৱন্তৰ লীলা চৰিত কথা আলোচনা হৈছিল। সেইবোৰ মুখৰ কথা বুলি কোৱা হৈছিল। মধুপুৰ আদি ঠাইত লগ হৈ আলোচনা কৰিছিল। সেইবোৰ কথা আমাৰ নোহোৱা হ'ল। নাই-কীয়া হৈ আহিল লাহে লাহে। আৰু বহুত কথা। এইবিলাকৰ পৰা আমি আঁতৰি আহিলো।

ইয়াৰ প্ৰতিকাৰ কথাটো হ'ল— সেইবোৰ পুনৰুদ্ধাৰ কৰিব লাগিব। প্ৰকৃত বস্তুটো বিচাৰি উলিয়াব লাগিব। আচল বস্তুটো হ'ল ভক্তি আৰু তাৰ সাধন মাৰ্গ। তাক প্ৰচলন কৰিব লাগিব। ভক্তি যদি 'হয় তেতিয়া বিভেদো নাথাকে। আমাৰ বিভেদ হৈছে তল খাপতহে। ভক্তি যেতিয়া আহিব সেই সময়ত আপোনা আপুনি এৰা যাব। তাতহে আমি লাগি আছো। তাতেহে আমাৰ কন্দলটো হৈছে। এতিয়া কথা হ'ল যিটো ভক্তি মাৰ্গ শঙ্কৰ-দেৱ মাধৱদেৱে আমাক দি গৈছিল সেইটো পৰিষ্কাৰ কৰি প্ৰবাহিত হলেহে কৰ্ম বিলাক প্ৰবাহিত হব। বিশেষ নকওঁ মই ইয়াকে আপোনালোকৰ আগত ব্যক্ত কৰিলো।

):–:(

আচাৰ্য ইলাৰাম দাস : একশৰণ ভাগৱতী সমাজ।

মোৰ ওপৰোক্ত সেৱাৰ বক্ত বৰপেটা সত্ৰৰ সত্ৰাধিকাৰ মহোদয়ে এটা বৰ সুন্দৰ কথা কৈছে—কাৰণ আমাৰ সাধন পদ্ধতি যেতিয়াই নাইকিয়া হ'ল তেতিয়াই আমি ক্ৰমান্বয়ে তললৈ নামি আহিলো। ই সত্য কথা। কিন্তু হ'ল কিয়? তেৰাই এটা বৰ সুন্দৰ কথা কৈছে। শাস্ত্ৰ সদায় গুৰু মুখে পঢ়িব লাগিব। সেই কথা শ্ৰীমাধৱদেৱ মহাপুৰুষে কৈছে—

গুৰু মুখে শাস্ত্ৰ পাছে আপুনি পঢ়িলো।
ভাগৱত সমুদ্ৰত পাছে বুৰ দিলো॥

কাৰণ শাস্ত্ৰই সদায় সমূহক আউল লগায়। সেই কাৰণে সাধুজনৰ মুখেৰে শাস্ত্ৰ শিকিব লাগিব। শাস্ত্ৰ শিকি লৈহে নিজে অধ্যয়ন কৰিব লাগিব। এই পৰম্পৰা নষ্ট হ'ল ঠিকেই কিন্তু ইয়াৰ গুৰিটো ক'ত আছে? এই গুৰিটো বিচৰাই আজিৰ বিষয়। প্ৰভু সকল মোক ক্ষমা কৰিব। ৰাম নামৰ যি মহা মহিমা। যি মহিমাৰ ফলত চৈতন্য সূৰ্য উদয় কৰে সেই মহিমাটো যদি নষ্ট হয় যেনেকৈ খাটি ঔষধ এপালি লগত যদি আমি বেছি পানী মিহলাই দিওঁ তেনেহলে ক্ৰিয়া নহব। বা তাত বেয়া বস্তু পেলাই দিলে তাৰ ক্ৰিয়া নহয় প্ৰতিক্ৰিয়াহে হব। ঠিক সেইদৰে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ যি সকল লোকে মহাপুৰুষীয়া ধৰ্মটো নষ্ট কৰিবলৈ জীৱন ভৰি চেষ্টা কৰিছিল সেই কৰ্মকাণ্ডী লোকসকলে ৰজাৰ সহায় লৈ কি কৰিলে তাক মই ফালি উদঙাইছো। এইটো কথা খাটাং। ভাৰতবৰ্ষৰ যিটো বৈদিক পৰম্পৰা শ্ৰুতি স্মৃতিৰ বিধান মতেদি ত্ৰেতা কিয় দ্বাপৰ যুগলৈকে চলিছিল। কলিত কোনো শ্ৰুতি স্মৃতি বিধান নাই। কলিৰ মানুহ জড় পাৰণ্ডই আগুৰি ধৰিলে—তাৰ কাৰণে কলিত একমাত্ৰ হৰি নামেই ভেটি—

এৰিলা পৃথিৱী কৃষ্ণ ধৰ্ম জানলৈ।
গৈলা বৈকুণ্ঠত অ'ত গুণ নাম থৈ॥
পূৰ্বে যত পাৱে ফল কৃষ্ণ দৰশনে।
ততোধিক পাৱে ফল কৃষ্ণ নাম গুণে॥

তপ জপ যাগ যজ্ঞ কৰি যি ফল প্ৰাপ্ত হৈছিল এই সমস্ত ফল একমাত্ৰ হৰি নামে পায়। শব্দবোৰ আমি সকলোৱে গাই গৈছো—তাৰ ক্ৰিয়াটো আমি বুজি লোৱা নাই।

একখানি মাত্ৰ শাস্ত্ৰ নিষ্ট দৈৱকী নন্দনে কৈলাযাক
দেৱ এক দেৱ দৈৱকী দেৱীৰ সুত।
কৰ্ম এক এহিমানে মাত্ৰ দৈৱকী পুত্ৰৰ পদ সেৱা
মন্ত্ৰ এক তান নাম মাত্ৰ অদভুত ॥

এই পিছৰ শব্দটো আমি বিশ্লেষণ কৰি চোৱা নাই। এই ব্ৰহ্মাণ্ডত চেৰ মন্ত্ৰ আছে। ওঁমকাৰ আছে, নানাদেৱ দেৱতাৰ মন্ত্ৰ আছে এই সংসাৰত এটাই অদ্ভুত মন্ত্ৰ আছে সেইটো হ'ল কৃষ্ণ নাম। দুটা আখৰৰ শব্দ। অন্ন শব্দ যদি আমি কৈ থাকো ভাত ভাত কৰি পেট নভৰে। টোপনি টোপনি কৰি থাকিলেও টোপনি পুৰ নহয়। কিন্তু এটা শব্দ কৃষ্ণ বা ৰাম জপ কৰি থাকোতে তাৰ সমস্ত ক্ষুধা পুৰণ হব। সকলো আসক্তি অনাশক্তি লৈ গুছি যাব। চৈতন্য প্ৰাপ্ত ব্যক্তি হব। এই নামেই আমাৰ চৈতন্য প্ৰাপ্তি পথ। এই পথটো কলুষিত কৰিবৰ কাৰণেই যেতিয়া দেখিলে যে—

আনবাৰ অৱতাৰ ধ্বংস্ত ঈশ্বৰ হৰি
খণ্ডিবাক পৃথিৱীৰ ভাৰ।
অন্ত্য জাতি পতিতৰ তাৰণ কাৰণ হেতু
ইবাৰ ভৈলন্ত অৱতাৰ ॥

এইবাৰ ভগৱন্তই আহি গাৰো, দেউৰী, মিছিমি, কাৰ্বি আদি লোকসকলক এই মন্ত্ৰ দিলে আৰু উদ্ধাৰ হ'ল। এই বস্তুটো নষ্ট কৰিবৰ কাৰণে কি বস্তু মিহলি কৰি দিলে যাৰ ফলত তাৰ শক্তি কমি যাব আৰু কাম নকৰা হব। এই কথা সেই পাৰিষদ সকলে আলোচনা কৰিবৰ ধৰিলে। তেওঁলোকে অসমৰ পণ্ডিত নাপায় বঙ্গদেশৰ হলায়ুধ পণ্ডিতৰ শিষ্য ৰঘুনন্দন স্মাৰ্ত্তীক মকবল কৰি আনিলে। তেওঁৰ হাতত শঙ্কৰদেৱৰ নথি পত্ৰবোৰ দি দিলে। কীৰ্ত্তন দশম ঘোষা ৰত্নাৱলী আদি দি দিলে। তেওঁলোকে তেওঁক ধৰিলে তুমি ডাঙৰ পণ্ডিত এই নথি পত্ৰ চাই এনে এবিধ বস্তু বাহিৰ কৰা যাতে ৰাম নামৰ শক্তি হ্ৰাস পায় যায়। তেওঁ চাই চাই কোনো ঠাই নাপালে। শব্দ পালে চাৰিটা। সেই শব্দ কেইটা কি কি? শ্ৰুতি স্মৃতি বিধি কিংকৰ বেদ শব্দ পালে, পাই বোলে এইটোৱে বাট্টা। পণ্ডিতকে কৌশল কৰি তেওঁলোকে

বিধিৰ নামত, বেদৰ নামত ওঠৰখন কৌমুদি ৰচনা কৰিলে। ৰজাৰ মাধ্যমেৰে জনায় দিলে—এইখন বিধিৰ মতে যদি শ্ৰাদ্ধ নকৰ তইঁতৰ শাস্তি হব। এই মতেদি যদি বিবাহ নকৰ তেনেহলে দণ্ড হব। আইনৰ বলেৰে ৰজাৰ শাস্তিৰ বলেৰে এইবোৰ আমাৰ মাজত প্ৰচাৰ কৰি দিলে। শৰণ লোৱা মানুহজনে পিছ দিনা শ্ৰাদ্ধত বহি কলে—ওঁম সূৰ্যায়ে নমঃ ওঁম ভৈৰবায় নমঃ—এইবোৰ যেতিয়াই গায় দিলে তেতিয়া তেওঁলোকৰ মহিমা নাইকিয়া হ'ল। ৰাম নামৰ পৰা সাধন প্ৰণালী ক্ৰমে পিছপৰি আহিল। হে প্ৰভুসকল পৰীক্ষা হলত যদি ছাত্ৰেই অপকৰ্ম কৰে প্ৰথম অপবাদ কোনে লব লাগিব? গুৰুজনে বা শিক্ষকজনে লব লাগিব নে নাই? বিদ্যুতৰ বান্বত পোহৰ কেতিয়া কমে? যেতিয়া স্থলতে কমে। যেতিয়া গুৰুসকলে সেই কৰ্মকাণ্ডক স্পৰ্শ কৰিলে লগে লগে আধ্যাত্মিক শক্তি তেৰা-সকলৰ কমি গ'ল। আৰু তেৰাসকলৰ এই আধ্যাত্মিক শক্তি কমি যোৱা লগে লগে তেৰাসকলক সেৱা কৰা শিষ্য সকলৰো শক্তি কমি গ'ল। এইটোৱে মূল কথা।

প্ৰভুসকল মোক ক্ষমা কৰিব। মই ঘটনাটোহে কৈছো। এই সংহতি ভেদ হ'ল মহাপুৰুষসকল যোৱাৰ পিছত।

শঙ্কৰসে প্ৰিয় শিষ্য মাধৱসে জানা নিষ্ট
তেহো যেবে বৈকুণ্ঠক গৈলা।
তানমত এৰি সবে তাকে ভাল কৰিলেক
স্বকিমত প্ৰৱৰ্তাইয়ে লৈলা॥

পুৰুষোত্তম ঠাকুৰে বৰ মেজাৰ কৰি এই কথা কৈছে। পুৰুষোত্তম ঠাকুৰক যদি পৰজ্ঞান কৰো ধৰ্ম থাকিব জানো? চতুৰ্ব্যূহ বিচাৰত কৈছে—

বাসুদেৱস্য শ্ৰীশঙ্কৰো মাধৱো হলায়ুধঃ।
প্ৰদ্যুম্ন পুৰুষোত্তম চ অনিৰুদ্ধ চতুৰ্ভুজ॥

এই চাৰি বস্তু পূৰ্ণ বস্তু। শ্ৰীশংকৰ শ্ৰীমাধৱ পুৰুষোত্তম আৰু চতুৰ্ভুজ। মাধৱ পুৰুষ গুৰুজনে সুধিছিল—"বাপ! তোমাৰ পাছত এই বস্তুৰ অধিকাৰী কোন হব?" বোলে—"বড়াৰপো, আমাৰ বৰবেটাৰ নাতিওহে আশা। তেতিয়া সেই চাপুকীয়া ল'ৰা পুৰুষোত্তম। যেতিয়া ধৰ্ম প্ৰচাৰ কৰিবৰ কাৰণে বাৰজন লোকক মহাপুৰুষে আজ্ঞা কৰিলে তেৰাসকলে নিজ নিজ অঞ্চলত কাম কৰি আছে। কিন্তু শেষ আজ্ঞা বুলি এটা কথা আছে। আজি আমাৰ অধিকাৰ প্ৰভুৱে শেষ আজ্ঞা যাক দিব তেওঁহে ধৰ্মৰ অধিকাৰী হব। মাধৱদেৱৰ পুৰুষক গুৰুজনে

শেষ আজ্ঞা দিছিল আৰু মাধৱ পুৰুষ বৈ আছিল সেই জনক শেষ আজ্ঞা দিবলৈ। কাক ? সেইটো বৰপেটা ওচৰতে জনিয়া থানত। পুৰুষোত্তম ঠাকুৰ যেতিয়া ডাঙৰ হ'ল তাত সকলোৰে সন্মুখত মাধৱদেৱৰ পুৰুষে সুন্দৰ এটা উপমাৰে কৈছিল-- নাৰায়ণ দাস ঠাকুৰ আতা পুৰুষ সাক্ষাৎ— হে সাধু সকল এজন মহাজন আছিল তেওঁৰ বহুতো সম্পত্তি আছিল সেই ঘৰতে এজন বৃদ্ধ চাকৰ আছিল। যিদিনাখন সেই মহাজন জন বৈকুণ্ঠগামী হবলৈ হ'ল - তেৰাই কাকো নাপায় সেই সম্পত্তি বুঢ়া চাকৰ জনৰ হাতত দি গ'ল— পৰিয়ালটোও দি গ'ল। ইঙ্গিত দি গ'ল মোৰ পৰিয়ালত যেতিয়া অধিকাৰী ডাঙৰ হব তাৰ বস্তু তাত চমজাই দিবা। সেই জনেই হ'ল শ্ৰীমন্ত শংকৰ আৰু মইয়েই আছিলো বুঢ়া চাকৰ। তেৰাৰ ওৰাবিচ আছিল তেতিয়া পুৰুষোত্তম শিশু। সেই ওৰাবিচ এতিয়া ডাঙৰ হৈছে— যাৰ বস্তু তাক মই আজি সকলোৰে বিদ্যমানে চমজাই দিলো। এই কথা যেতিয়া হ'ল সিয়েই হ'ল মহাপুৰুষীয়া ধৰ্মৰ সংহতি ভেদৰ মুখ্য কাৰণ।

তেতিয়া বাকী আতা সকলে বেজাৰ পালে। আমি ইমান বুঢ়া মানুহ থাকোতে ইমান দিন তেৰাৰ সেৱা শুশ্ৰূষা কৰিলো আমাক কাকো ধৰ্মৰ ভাৰ নিদিলে। এইয়ে প্ৰথমতে আৰম্ভ হৈ বৰপেটা সত্ৰতে এই সংহতি বিভাজন হ'ল। আপোনালোকে সকলোৰে জানে পুৰুষোত্তম ঠাকুৰে ঘোষা পুথিখন সুজি পথোৱাত নিদিলে তাৰ কাৰণে ন-ঘোষা লিখিব লগীয়া হ'ল। ইয়ে আমাৰ মাজত সংহতি বিভাজনৰ কাৰণ। কিন্তু ইয়াতো এটা ৰহস্য আছে। আমাৰ বংশীগোপাল আতা তেৰাই যি ধৰ্ম প্ৰচাৰ কৰিলে তাকো একশ্ৰেণী লোকে এটা সংহতি সলাই লৈ গুচি গ'ল। এনেকৈ ইয়াত বদলা আতা আছিল। সোৱা বদলা আতাৰ ভিঠি ইয়াত আছে। বুঢ়া আতা আৰু বদলা আতা দুয়ো আলোচনা হ'ল। ইয়াৰ পিছত এটা ডাঙৰ বিভুতি আহিল। বিভুতিতো এইয়ে ক্ষমা কৰিব আমি সেই বস্তু গ্ৰহণ কৰিছো। তথাপি তাৰ ঘটনাটো কওঁ। যুগল আহিল। সদায় কীৰ্ত্তন যুগল হব লাগিব। যুগল কাৰ লগত ? নাম আৰু গুণৰ যুগল। শংকৰদেৱৰ একাশী বছৰ বয়সত মাধৱদেৱক ভকত কৰিছে। শংকৰ দেৱে একাশী বছৰ ধৰ্ম প্ৰচাৰ কৰা নাছিল জানো ? নাম গোৱা নাছিল ? শৰণ দিয়া নাছিল ? নে ভক্তি শিকোৱা নাছিল ? সকলো কৰিছিল। সেই যুগলৰ শব্দ বোৰৰ ওপৰতে বৰপেটা সত্ৰত যুগল আৰম্ভ হ'ল নাম ছন্দৰ আৰু শৰণ ছন্দৰ যুগল। পুৰুষোত্তম ঠাকুৰে কলে—নহয় ঘোষা কীৰ্ত্তনৰহে যুগল হব

লাগিব। দুজনা গুৰুএহে যুগল। এই বুলি তেৰাই নাম আৰু কীৰ্ত্তনৰ পৰা গুণ আনি যুগল কৰিলে। পুৰুষোত্তম ঠাকুৰে যিদিনা প্ৰসঙ্গৰ আঁহি তৈয়াৰ কৰিলে তেতিয়া চতুৰ্ভুজ ঠাকুৰলৈ চাই খেদ কৰি কলে—ভাই আমাৰ এই আঁহি কোনে মানিব। তেতিয়া চতুৰ্ভুজ ঠাকুৰে কলে— ভয় নকৰিব দাদা এটা কাল আহিব নিজেই গুৰুজনে প্ৰচাৰ কৰিব। আপুনি লিখক মাত্ৰ। কব নোৱাৰা-কৈয়ে আজি বিশাল শংকৰদেৱৰ সংঘই গ্ৰহণ কৰিছে। হয়তো বুজি পোৱা নাই। সেই পুৰুষোত্তমৰ শুদ্ধ বাণী অতৰ্কিতে প্ৰকাশ হৈ গ'ল, নাম আৰু গুণৰ যুগল প্ৰচাৰ হৈ গ'ল। আমি আমাৰ সংবিধানত গুৰুজনৰ বাণীৰ কাৰণে বৰপেটাৰ যুগল আঁহিক স্থান দিছো, কিন্তু মই সংহতি ভেদৰ কাৰণটোহে কৈছো। তেনেকৈ "প্ৰত্যেক সত্ৰত স্বকীয় স্বকীয় মত আৰম্ভ কৰিবলৈ ললে। ই যিমানেই সুন্দৰকৈ নকওক আপোনাক সংস্কাৰ কৰিব নোৱাৰিলে পৃথিৱীত কোনেও সংস্কাৰ কৰিব নোৱাৰে।

হে প্ৰভুসকল আমি কোনেও কব পৰা নাই যে বৈকুণ্ঠলৈ যোৱা লাইচেঞ্চ পাইছো। সদায় কৰিছা ভক্তি শাস্ত্ৰৰ তলে নে কৰিছা ভক্তি মনৰ বলে। আমি শাস্ত্ৰৰ তলতে ভক্তি কৰিব লাগিব। আমি আত্ম বিশ্লেষণ কৰি দেখিলে দেখিম প্ৰত্যেক সংহতি বেলেগ বেলেগ হৈ গ'ল। পৰামৰ্শৰ বিচাৰ কৰাৰ আগতে মই এটা কথা কওঁ— গোটেই গীতাখন এটা কেপচুল বনাইছে শংকৰদেৱে আৰু সেইদৰে ভাগৱতখনকো এটা কেপচুল বনাইছে। গীতা ভাগৱত দুটা কেপচুলৰ মাজত সীমাবদ্ধ কৰি ৰাখিছে শংকৰদেৱে। সেই কেপচুল দুটা সাধুসকলে পান কৰিছে। সাধু পৰম্পৰা আৰু শাস্ত্ৰ পৰম্পৰা। কেতিয়াবা যদি শাস্ত্ৰ পৰম্পৰাত আউল লাগে তাৰ যদি বিৰূপ অৰ্থ হয় সাধু পৰম্পৰাই তাক উদ্ধাৰ কৰে আৰু যদি সাধু পৰম্পৰাত আচৰণ প্ৰবৰ্ত্তনত যদি কেতিয়াবা আউল লাগে শাস্ত্ৰ পৰম্পৰাই তাক ধৰি দিয়ে। যুগে যুগে এই দুটা সংহতি চলি আহিছে— সাধু পৰম্পৰা আৰু শাস্ত্ৰ পৰম্পৰা। মহাপুৰুষৰ শাস্ত্ৰৰ লগত যদি আমি ৰিজাই চাওঁ তেনেহলে দেখা পাম আমাৰ সাধু পৰম্পৰাত আউল লাগিছে। তাৰ কাৰণে দেশত আজি বিসঙ্গতি লাগিছে। জলন্ত সূৰ্য যদি আকাশত থাকে তাক সকলোৱে দেখা পাব। কোনো শক্তিমন্ত আত্মা থাকিলে তেওঁৰ আত্মাৰ পোহৰত সহস্ৰজনৰ আত্মা পোহৰ হৈ উঠিব। সাধন প্ৰণালী কেতবোৰ আচাৰ কাষ্টাকে নীতি মানি পৰমাৰ্থিক সাধনৰ পৰা খহি পৰিছে। এটা কথা কালিৰে পৰা

আমাৰ মিশ্ৰ বাপে আৰু সত্ৰাধিকাৰ প্ৰভুসকলে কৈ আছে তাৰ লগত মই এক মত। আমি যে সাধু সঙ্গ নকৰো, পাৰমাৰ্থিক আলোচনা নকৰো, কাৰো কোনোবাই নাম সেৱা পাতিলে ভাগৱত পঢ়ো আৰু গুচি আহো। কিন্তু সাধু সঙ্গৰ লগত আত্মতত্ত্ব উদ্ধাৰৰ কাৰণে আলোচনা নকৰো। এই কথা সচা কথা। কোনো সত্ৰত কিছু আছে; বাকী সকলত নাইকিয়া হৈ গ'ল। আমাৰ গাওঁ বোৰতো কিছু কিছু বৰ্ত্তমান প্ৰকাশ হৈছে। হে গুৰুসকল আজি আমি তাক প্ৰৱৰ্ত্তন কৰিব লাগিব।

এই বৰপেটাৰ ইতিহাস স্বৰূপে এটা কথা কওঁ— বৰপেটীয়া ৰাইজে এনেকৈ ভবা উচিত নহয় যে এইখন আমাৰহে। কাৰণ ই মোৰ গুৰুজনৰ ভেটি। যিদিনাখন গুৰুলাহাতী বস্তিৰ চাৰিওফালে ঘূৰিছিল বলাই মাতৃয়ে কৈছিল ই কিহৰ চিন তেতিয়া বুঢ়া আতাই কৈছিল ভয় নকৰিবা ই তিনিও ৰাজ্যৰ বন্দনী থান হব। এই তিনিও ৰাজ্যৰ বন্দনীথান হেতুকে মই সমস্তৰে চৰণত শিৰ থৈ কৈছো এই সত্ৰতে দুৰ্নীতি কেনেকৈ সৃষ্টি হ'ল। মথুৰাদাস বুঢ়াআতাৰ জন্ম হৈছিল ১৪১২ শকত, ১৫১ বছৰ তেৰা এই দেহতে আছিল। তেৰাই পৰম্পৰাগত ভাবে কাকো গুৰু ভাৰ নিদিলে। গুৰু ভাৰ নিদিয়াৰ এটা বিশেষত্ব আছিল; মথুৰা দাস বুঢ়াআতাই মাধৱদেৱ পুৰুষক সুধিছিল "বাপ আমাক যে এই ভাৰ দিয়া হ'ল আমাৰ পিছত কাক দি থৈ যাম।" গুৰুজনে বোলে "চাবা যিজন গুৰু সেৱা কৰিছে সেইজনকে দিবা যদি নোপোৱা সমূহতে এৰি থৈ যাবা। সমূহে কোনোবা এজনক বহুৱাই কৃষ্ণ কথা শুনিব।" যেতিয়া বুঢ়া আতা চলিবৰ হ'ল তেতিয়া ৮০ জন কেৱলীয়া ভকত এই বৰপেটা সত্ৰত আছিল। কিন্তু যিদিনা বুঢ়াআতাপুৰুষে শৰাই বস্তি নি এই গুৰুভাৰ সমূহক চমজাই দিছিল। ভকত সকলৰ মাজৰ পৰা সুধিলে যে আমাৰ কোনো এজনক এই ভাৰ দিবলৈ যোগ্য নেদেখিলেনেকি? বুঢ়া আতাই বোলে "গুৰু সেৱা কৰা জনকে গুৰুজনে দিবলৈ কৈছিল।" তেওঁলোকৰ পৰা কলে— "ইমান দিনে ৮০ জনৰ ভিতৰত এজনেও গুৰু সেৱা কৰা নেদেখিলেনেকি?" তেৰাই কলে "হে বাপ সকল মই আপোনা-লোকৰ মাজত কোনোবাই কামনা সেৱা কৰা দেখিছো, স্বাৰ্থক সেৱা কৰা দেখিছো কোনোবাই ভোগক সেৱা কৰা দেখিছো কিন্তু মই কাকো গুৰু সেৱা কৰা নেদেখিলো, সেই কাৰণে মই সমূহতে থলো।" এই কথা কোৱাৰ পাছত ভকত সকলৰ খং উঠিল। আৰু আক্ৰমণ কৰিছে "বোলে টকা পইচাৰ হিচাবটো"? "বোলে

দহটি টকা আছে।" তেতিয়া দুখ কৰিছে "দেহি অ' মোৰ জানো কোনোবা আছে বলাই মাত্ৰ, বলাই কেতিয়াবাই গ'ল। মই কাৰ কাৰণে ৰাখিম ?" তেতিয়া বুঢ়া আতা পুৰুষে অভিশাপ দি কলে—"যি ধনৰ কাৰণে বৰপেটীয়া বাপু সকলে মোক সন্দেহ কৰিছে সেই ধনে বৰপেটাত আউল লগাব। এতিয়াও বুঢ়া আতাৰ কীৰ্ত্তনত এই কথা আলোচনা হয়। অধমে ইয়াত কেইবাবাৰো কীৰ্ত্তন গাইছো এই কথা সচাঁ।

১৩৫৭ শকত কোনো লোকক নাপাই গোপাল মিশ্ৰক অধিকাৰ পাতিলে। মাজতে গোবৰ্দ্ধন আতৈ অধিকাৰ হয়। গোপালমিশ্ৰ অধিকাৰ হোৱালৈকে সত্ৰত মুৰ্ত্তি নাছিল। সেই চনতে কলীয়া ঠাকুৰৰ বিগ্ৰহ আহে। সত্ৰবিলাকত বিগ্ৰহ প্ৰতিষ্ঠা কৰে বজাই। বজাক সৈযান কৰিলে কোনে ? যিসকল কৰ্ম-কাণ্ডী বিপ্ৰই শংকৰ দেৱক আচামী সাজাইছিল। বজাই তেতিয়া এই বিগ্ৰহ প্ৰতিষ্ঠা কৰিলে। মাটি বাৰী যদি কাৰোবাক লাগে তেনেহলে বিগ্ৰহৰ নামতহে দিম। বিগ্ৰহ অনা মানেই তাৰ ৰীতি অনুযায়ী সদায় পূজা সেৱা কৰিব লাগিব। যিকোনো প্ৰকাৰে বিগ্ৰহ আনি যেতিয়া পূজা পাৰ্বন কৰোৱালে তাৰ ফুল জল যেতিয়া ভক্ত সকলক দিলে তাৰ ফলত লাহে লাহে আত্ম সাধন নাইকিয়া হৈ গ'ল।

আমাৰ মহাপুৰুষীয়া ধৰ্মত বিগ্ৰহ নাই। ভাৰতীয় বৈষ্ণৱ প্ৰথাত বিগ্ৰহ আছে। কিন্তু কৃষ্ণ বিগ্ৰহ দলিয়াবলৈকো 'কোৱা নাই। কিয় প্ৰয়োজন তাৰ তত্ত্ব বস্তু এই—

> নুপূজে ভক্তক মান্য নকৰে প্ৰাণীক।
> একে প্ৰতিমাতে মাত্ৰ আৰাধে হৰিক ॥
> সিটো জন জানিবাহা প্ৰাকৃত ভকত।
> আৰোহ হৈয়াছে মাত্ৰ ভক্তিৰ পথত ॥
> অনুক্ৰমে উত্তম হৈবেক সিটোজন।
> কোনোমতে নুহি জানা নিন্দাৰ ভাজন ॥

অৰ্থটো সাধুসকলে বিচাৰ কৰক। আমাৰ মহাপণ্ডিত গুৰুসকল আছে। ইয়াত আৰাধনা শব্দটো আছে। ভাৰাতীয়া লোকে পূজা কৰা পানী খালে কামত নাহে। আছে কি ? "একে প্ৰতিমাতে মাত্ৰ আৰাধে হৰিক," ৰামকৃষ্ণ পৰম হংস দেৱে কালীক আৰাধনা কৰিছিল। মা, মা মা, কৰিয়েই আৰাধনা কৰি জীৱন কটাইছিল। মীৰাবাইয়ে প্ৰথমতে কৰ্ম-ভক্তি আৰম্ভ কৰিছিল। গোব-

ৰ্দ্ধনধাৰী কৃষ্ণ মূৰ্ত্তি এটা লৈ তাতে ভোগ দীপ পূজা পাৰ্ব্বন আদিৰে অহৰ্নিশে চিন্তা কৰি আছিল। পিছত যেতিয়া মীৰাই ৰোহিদাসক সৎগুৰু লাভ কৰিলে তেতিয়া চৈতন্য উদয় হ'ল। আৰু কলে—"মূৰ্ত্তি পূজা মে হৰি মিলেতো মে পূজো পাহাৰ।" যি মন্ত্ৰই নহওক যদি অন্য পূজা সেৱা কৰা ফুল জল দিয়ে তেন্তে মানুহজন অধোগামী হব। কিন্তু প্ৰশ্ন হ'ল চক্ৰান্তমূলক ষড়যন্ত্ৰ বজাই কৰিলে। বজাই একো বুজি নাপায়, গতিকে বজাৰ জৰিয়তে কৰালে এদল ধৰ্ম্মান্ধ লোকে। তাত এদল ভাৰাতীয়া লোকে মূৰ্ত্তি পূজা কৰিব আৰু সেই মূৰ্ত্তিৰ জল এদলে খাব। আমাৰটো মূৰ্ত্তি পূজাত আৰাধনা কথাটো নিতিকল।

আৰু এটা বস্তু আছিল— য'ত চৈতন্য ভক্ত থাকে ত'ত মূৰ্ত্তিৰ কাম নাই বুলি মহাপুৰুষে কৈ গৈছে। এই সকলক জীৱন্ত মূৰ্ত্তি বুলি সেৱা কৰি আহিছো। কৈছে—যাৰ অন্তৰত নাম আছে—কেনেধৰণে কৈছে—গীতাতকৈ পবিত্ৰ মহন্ত, তীৰ্থতকৈ পবিত্ৰ মহন্ত, মূৰ্ত্তিতকৈ পবিত্ৰ মহন্ত।—

কৃষ্ণ চৰণক সম্বন্ধক কৰা নিমি।
পবিত্ৰ কৰন্ত যেবে চিৰকাল সেবি॥
সন্তৰ হিয়াত হৰি সদায় থাকন্ত।
এতেকে সবাতো কৰি পবিত্ৰ মহন্ত॥

গতিকে এই ভক্ত সকলে চৈতন্য মূৰ্ত্তিৰূপে হিয়াত বিৰাজ কৰি আছিল তাত কোনো মূৰ্ত্তি পূজা নাই। এইবোৰ আহোম ৰজাৰ আমোলৰ পৰা হয়। ইয়াত কিছু সহাসহি কৰিব লাগিব। আজি কৃষ্ণ মূৰ্ত্তিৰ বিপক্ষে আন্দোলন কৰিবলৈ মোৰ কিন্তু ব্যক্তিগতভাবে শক্তি নাই। তাৰ বিৰুদ্ধে আন্দোলন নকৰো। কিন্তু তাক কিছু সংস্কাৰ কৰিব লাগে। কোনো ভকতে যদি পূজা সেৱা কৰে কৰক। ভকতে কৰক। কৰ্ম-বিধিৰ কোনো শ্লোক পদ মাতি পূজা দিব নালাগে।

যি সকল ভকত কৃষ্ণত শৰণ ললে তেওঁলোকৰ কাৰণে কোনো মূৰ্ত্তি পূজাৰ স্থান নাই। ভাৰতীয় বৈষ্ণৱ সাধনত মূৰ্তি পূজা আছে তাক কোনোবাই কৰে কৰক। ভাৰাতীয়া লোক আনি তেওঁলোকে পূজা কৰিব আৰু তাৰ জল খালেই কোনোবাই মুক্তি পাব এইটো কেনে কথা!

এটা কথা কালি এগৰাকী বাপে কৈছে যে মানুহৰ বিশ্বাসটো আনে। অসমীয়া মানুহক অন্যে ঈশ্বৰ বিশ্বাস আনি দিব নালাগে। সকলোতে ঈশ্বৰ

আছে। ভগৱানৰ ৭টা মূৰ্ত্তি। বাংময়, শিলাময় মূৰ্ত্তি, দাৰুময় মূৰ্তি। প্ৰথম দুটা শঙ্কৰদেৱে গ্ৰহণ কৰিছে আৰু পিছৰবোৰ গ্ৰহণ কৰা নাই। বাংময় মূৰ্ত্তি হ'ল ভগৱত। নিজে কৈছে—

শুনিও মাধৱ মোৰ থাকিবাৰ থান।
কীৰ্ত্তন দশম মোৰ মূৰ্তিৰ সমান॥
দশম কীৰ্ত্তন পুথি থাকয় যথাত।
মানিবা মাধৱ মই থাকোহো সাক্ষাত॥
নিপুনে যিজনে গুৰু মোহোক বোলয়।
দশমত কীৰ্ত্তনত দেখিবা নিশ্চয়॥
ঘোষা নামে শাস্ত্ৰখনি তুমিও কৰিবা।
ৰত্নাৱলী ঘোষা মধ্যে তুমিও থাকিবা॥

এতেকে গুৰু আসনত দুজনা গুৰু বিদ্যমান। আৰু এটা ৰহস্য আছে ওঁম ভাগৱতে বাসুদেবায়। ভাগৱতখনকে বাসুদেৱ বুলি নমস্কাৰ কৰিছে। এতেকে বাংময় মূৰ্ত্তিক আমি বিশ্বাস কৰো আৰু মনোময় মূৰ্তিক বিশ্বাস কৰো।

সেয়েহে মূৰ্তিক ভকতজনে।
প্ৰত্যক অংগক চিন্তৱমনে॥

আমাৰ বাপ জনে কালি পৰহিৰ পৰা গাই গৈছে—

নিশ্চল নিৰ্মল সুখকৰ যিটো স্বামী।
দেৱে নজানন্ত তাক কেনে জানো আমি॥
অপৰ তোমাৰ ৰূপ যাত ভূজ চাৰি।
পীত বস্ত্ৰে শুভে শংখ চক্ৰ গদাধাৰী।
পিন্ধি আছা ৰত্নময় মুকুতাৰ হাৰ।
হিয়াত শ্ৰীবৎস জ্বলে বনমালা তাৰ॥
সেহিসে মূৰ্তিক আৰাধন্ত দেৱ গণে।
তাকেসে ভকতজনে চিন্তে সৰ্ব ক্ষণে॥

সেই কালৰ পৰা দেৱতা সকল আমাৰ ভাণ্ডৰ ভাই। তেওঁলোকে যি মূৰ্তি হৃদয়ত স্থাপন কৰিছে ভক্তসকলে তাকে মুহু মুহু চিন্তা কৰি আছে। আমি মনোময় মূৰ্তি হৃদয়ত স্থাপন কৰাৰ পাছত আৰু বাংময় মূৰ্তি যি ভাগৱত

চৈতন্যময়মূৰ্তি কিবা জটিল প্ৰশ্ন উদয় হলে শাস্ত্ৰই তাৰ উত্তৰ দিব। গতিকে চৈতন্য মূৰ্তি থাকোতেই জড় মূৰ্তি উপাসনা স্থান শঙ্কৰদেৱৰ ধৰ্মত নাই। হে প্ৰভুসকল ধনৰ লোভত ৰজাৰ ভয়ত, তৰোৱালৰ ভয়ত সম্পত্তিৰ ভয়ত, এই মূৰ্তি সত্ৰ সমূহত স্থাপন কৰিলে। এতিয়া মূৰ্তিৰ বিৰুদ্ধে আন্দোলন কৰি আমি এটা আহুকাল নলগাওঁ। কিন্তু তাৰ কিছু পূজা প্ৰকৰণৰ দ্বাৰা পৰিৱৰ্তন কৰিলে মই ভাবো একো অসুবিধা নহয়। কাৰণ কৃষ্ণ মূৰ্তিৰ বিৰুদ্ধে কবলৈ মোৰ নিজৰ ভয় লাগে। তেৰাই কৈ গৈছে মোৰ মূৰ্তি সাজি যদি কোনোবাই পূজা কৰে মোৰেই পূজা কৰে। গতিকে নাম অপৰাধ হয় বুলি মোৰ ভয় লাগে। কিন্তু তাৰ পৰিৱৰ্তন কৰিব লাগিব। আজি আকোৰ গজালি ধৰিবলৈ মোৰ মন নাই। মোৰ এজন খৃষ্টান বন্ধু আছিল। তেওঁ ফাদাৰ। মই তেওঁলোকক কৈছিলো যে—"বৃটিছৰ দিনতে আপোনালোকে লাখ লাখ টকা, ঘৰ, মাটি আদি কৰি ললে আপোনালোকৰ শুভ দিন হ'ল।" তেওঁ কলে—"বৃটিছৰ দিনত আমি একো কৰিব নোৱাৰিলো।" মই সুধিলো কেনেকৈ? তাৰ উত্তৰত তেওঁ কলে—বৃটিছৰ দিনত লেবাৰ পাৰ্টি ইংলেণ্ডত শাসনলৈ গলে কেথলিক বিলাকে সুবিধা পায় আৰু যদি কনজাৰভেটিভ দলে শাসন পায় তেনেহলে হয়তো প্ৰটেষ্টানবোৰে সুবিধা পায়। তাৰ ফলত আমাৰ মাজত কাজিয়া হ'ল। আমি পোপক মাতি আনিলো। ঠিক কৰিলো আমি কাকো নিন্দা নকৰো নিজৰ নিজৰ পথত যাম। তেতিয়াৰ পৰাহে আমাৰ সুবিধা হ'ল। গতিকে আমিও এই সুবিধাতে সমিল মিল নহওঁ কিয়?

এই সভাখন বহুতৰ সন্দেহ হৈছে, এই সভাখন বিশ্ব হিন্দু পৰিষদে কৰিছে। কোনোবাই নাম লৈ কৈছে আমুকাৰ সুবিধাৰ কাৰণে কৰিছে। মই কওঁ এই সভা ঈশ্বৰৰ ইচ্ছাতে হৈছে। আমি এনে সভা কৰিবলৈ পাচ বছৰ পৰ্যন্ত যত্ন কৰি আছিলো। এইয়া শুৱালকুছিয়া বাইজ আছে। তাত আদৰণি সমিতি পৰ্যন্ত পাতিছিলো। কৈছিলো আপোনালোকে কৰক। আমি মাতিলে বাইজ নাহে। মই যোৱা জানুৱাৰীত আহি অধিকাৰ (বৰপেটা) প্ৰভুজনৰ সভাপতিত্বত মুক্ত কণ্ঠে ৰাইজক কৈ গৈছো যে এই সংকটৰ সময়ত আমি সমিল মিল হৈ কাম নকৰিলে নচলিব। আমি অতীত সাবটি থাকিলে নহব। এয়াই আমাৰ সুদিন বুলি ধৰিব লাগিব। মই বিশেষ নকওঁ। ইয়ানতে সামৰণি মাৰিলো।

—):--:(—

শ্ৰীগৌৰীকান্ত গোস্বামী : জৰাবাৰী সত্ৰাধিকাৰ

কোনো কোনো আহোম ৰজাই দিয়া বিগ্ৰহত পূজা কৰা যায়। সচা কথা এইটো হৈছে। কিন্তু শংকৰদেৱৰ মহাপুৰুষৰ দিনত নাই বোলা কথাটোহে, আছিল। কিন্তু একান্ত ভকত সকলৰ কাৰণে নোহোৱো কথাটিহে আছিল। কাৰণবশত নৈমিত্তিক কাৰণ নিত্য নহয়। কিন্তু সকলোৰে পক্ষে সদৰি নহয়। শংকৰদেৱৰ বটদ্ৰৱা থানত যেতিয়া সত্ৰ পাতিবৰ হয় আমি চৰিত পুথিত পাওঁ-- এখনি বিষ্ণু মূৰ্ত্তি লাগে। এই বিষ্ণু মূৰ্ত্তিখন কোনে কৰি দিব। যেনেকৈ গায়ন বায়নৰ কাৰণে যাৰ যেনে কাম দিয়া হয় তেনেদৰে কলে এওঁ কোৰোলা বাঢ়ৈয়ে কৰিব পৰা যোগ্যতা আছে এওঁ কৰিব। কোৰোলা বাঢ়ৈক আজ্ঞা কৰিলে আৰু তেওঁ বেল গছ কাটি তাৰে এখনি মূৰ্ত্তি সাজিলে। সেই মূৰ্ত্তি যেতিয়া প্ৰাণ প্ৰতিষ্ঠা কৰিব লগা হ'ল তেতিয়া ব্ৰাহ্মণ সকলক কলে— ব্ৰাহ্মণ সকলে জনালে যে শূদ্ৰিৰে তৰি দি কটা মূৰ্ত্তি আমি প্ৰাণ প্ৰতিষ্ঠা কৰিব নোৱাৰো। তেতিয়া গুৰুজনে নোকোৱা কথা মুখৰ পৰা বাহিৰ হ'ল— যিসকলে ইয়াত প্ৰাণ প্ৰতিষ্ঠা কৰিব আহিব তেওঁলোকক সোণ-ৰূপ ইমান ইমান দিয়া হব। আৰু যদি ইয়াৰ পিছতো নকৰে আমি কাশীৰ পৰা ব্ৰাহ্মণ আনি প্ৰতিষ্ঠা কৰিম। তেতিয়া ভট্টাচাৰ্য আদি সকলে কলে— "ই কেনে কথা যদি কাশীৰ পৰা ব্ৰাহ্মণ আনে আমাৰ দুৰ্নাম হব।" তেতিয়া গুৰুজনৰ ওচৰলৈ গৈ কলে—"বাপ বোলে মূৰ্ত্তি কটা হৈছে?" "বোলে হৈছে প্ৰতিষ্ঠা কৰোতাহে নাই।" তেতিয়া কলে "বোলে আমি কৰিম" তেতিয়া শংকৰদেৱে..........এই মূৰ্ত্তি প্ৰতিষ্ঠা কৰিলে আৰু নাম দিলে 'মদন মোহন' সেই মূৰ্ত্তিৰে.........কৰিলে আৰু যেতিয়া শেষ হ'ল তেতিয়া সকলোৱে কলে "বাপ বিসৰ্জন দিয়া যাওঁক।" বৃহৎ বিষ্ণু পুৰাণৰ মতেদি সকলো দেৱতাৰ প্ৰতিমা বিসৰ্জন আছে বিষ্ণুৰ নাই। গতিকে ৰাখিলে। ৰখাৰ এটা কাৰণ আছে। যিসকল একান্ত ভকতে নাম সেৱা কৰিছে সেইসকলৰ কাৰণে এই মূৰ্ত্তি সেৱা নহয়। এইটো প্ৰাকৃত ভকতৰ কাৰণে। মাধৱদেৱৰ পুৰুষক দি কলে—"এই শাস্ত্ৰখন আৰু মূৰ্ত্তিটো তোমাক দিলো তুমি বংশীগোপালক দিবা।" বংশী গোপাল আহি যেতিয়া গুৰুজন বৈকুণ্ঠলৈ যোৱা শুনিলে তেতিয়া তেওঁ কালিন্দী

আই মাতৃৰ ওচৰত ক্ৰন্দন কৰিলে । তেতিয়া আই মাতৃয়ে কলে যে "গোপাল তুমি ক্ৰন্দন নকৰিবা । বড়াৰ পোৰ হাতত তোমাৰ বস্তু দি গৈছে । আৰু তুমি পাক কৰি ভোজন কৰা ।" তেওঁ কলে—"মাতৃ আই প্ৰসাদ লবহে আহিছো ।" এই মতে আই মাতৃয়ে ভোজন কৰাইছে আৰু মাধৱদেৱৰ তালৈ গণককুছিলৈ পঠাইছে । তেওঁ গণককুছিত গৈ মাধৱদেৱৰ ওচৰত শৰণ হবলৈ বিচাৰিছে । তেতিয়া তেৰাই কলে—"মোৰ গুৰুজন বৈকুণ্ঠলৈ যোৱাৰ কেইদিন হ'ল ? এতিয়া মই যদি শৰণ কৰাওঁ ভাল নুবুলিব । গতিকে দামোদৰদেৱক গুৰুজনে ভাগৱত দি ধৰ্মাচাৰ্য পাতিছে তেওঁৰ ওচৰলৈ গৈ শৰণ হোৱা । নহলে দামোদৰদেৱে কব যে গুৰুজন বৈকুণ্ঠত উঠাৰ পিছতে বড়াৰ পোৱে আমাক ইফাল সিফাল কৰে । গতিকে তুমি যোৱা দামোদৰৰ তাত শৰণ লোৱা । তোমাৰ ধৰ্মৰ গুৰু দামোদৰহে ।" দামোদৰদেৱৰ তালৈ এই বুলি শৰণ লবলৈ পঠাইছে । কিন্তু দামোদৰদেৱ আজি কালিৰ দামোদৰদেৱ নহয় । কোনোপধ্যে তেওঁ অন্য দেৱতা পূজা নকৰে । তেওঁ এক মাত্ৰ নাম নাম নাম । দামোদৰদেৱৰ চৰিত্ৰ পঢ়ি চাব । দামোদৰদেৱত শৰণ ধৰ্ম লৈ মাধৱদেৱৰ তাত ভজন ধৰ্ম গ্ৰহণ কৰি সেই শ্ৰীশংকৰদেৱৰ আজ্ঞাপৰ মূৰ্ত্তিখন দিলে আৰু সেই মূৰ্ত্তিখন অদ্যাবধি কুৰুৱাবাহী সত্ৰত পূজা সেৱা চলি আছে ।

মাধৱদেৱ মহাপুৰুষৰ দিনত কোনো মূৰ্ত্তি প্ৰতিস্থা নাই ; পাছত ৰজাৰ মা সম্পত্তিৰ লোভত ৰজাৰ অনুগ্ৰহ পাবলৈ সত্ৰ চলোৱাৰ কাৰণে এইখিনি মূৰ্ত্তি লৈছে ।

আমাৰ জৰাবাৰী সত্ৰৰ মূৰ্ত্তিখন আকৌ আহোম ৰজাৰ নহয় । চিলাৰায় দেৱানে কনৌজৰ পৰা অনা ব্ৰাহ্মণসকল তাৰ এৰৰ আমাৰ । এইয়া নৰনাৰায়ণ ৰজাৰ দিনৰ । তথাপি দহজন আহোম ৰজাই দান কৰা কথাটো জনাইছে । এই মূৰ্ত্তি প্ৰতিস্থা কৰা কথা ভাবা দিয়া লোকৰ কাৰণেহে কৰিছে । তোমাক আমি ১০ টকা ৫০·০০ টকা দিম তুমি আমাক এই কামটো কৰি দিয়া । যিহেতু মহাপুৰুষীয়া শুদ্ধ ধৰ্মৰ লোকে ইয়াত কাণ নকৰে ।

আমাৰ ত্যাগ কৰা কথাটো নাহে । সংশোধন কৰাহে হয় । কিবা যদি অশুৱা সোমাইছে তাক সংশোধন কৰি লব লাগে । গঙ্গে চ যমুনে চ বুলি মাত্ৰ মাতা হয় । ইয়াৰ সংশোধন কেনেকৈ হব ? হৰিপদ গঙ্গা যি গঙ্গা হৰিৰ পদৰ পৰা ওলাইছে তাক আকৌ ভগৱন্তৰ শিৰত দিয়া, এই কথা ক'ত আছে ? এইটো আছে ভূতশুদ্ধিৰ কাৰণে কৃষ্ণৰ মূৰত পানী ঢালিবৰ কাৰণে নহয় । পাছত আছে

বিষ্ণু বিষ্ণু মাধৱ হৰি সৰ্ব মঙ্গলে মাঙ্গল্য মাধৱ ॥
ইত্যাদি মন্ত্ৰেৰে হৰি ধোৱা হয়। এইয়া শুদ্ধ ৰঘুনন্দ স্মাৰ্ত্তৰ মত। এই স্মৃতি মত আমি কেতিয়াও গ্ৰহণ নকৰো যদি আমি একশৰণীয়া। বিষ্ণুৰ পূজা পদ্ধতি কৰক। কাক কৰিছে বিষ্ণুক। ইয়াত কলীয়া ঠাকুৰ আছে তাক আমি সাক্ষাৎ বিষ্ণু বুলি সেৱা কৰা হৈছে বা পূজা কৰা হৈছে। গতিকে ইয়াৰ আমি সংস্কাৰ কৰি লব লাগিব। বহুত কথা কব থাকিলেও সময় হোৱাৰ কাৰণে ইয়াতে মই সামৰণি মাৰিলো।

—:—:—

শ্ৰীমোহন চন্দ্ৰ মহন্ত : শ্ৰীমন্ত শংকৰদেৱৰ সংঘ।

ইতিমধ্যে আচাৰ্য দাস বাপে যিখিনি কৈ গৈছে তাৰ বিষয়ে মই বহলাই নকওঁ। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ শিষ্য দামোদৰদেৱে প্ৰথমতে সংহতি স্থাপন কৰে। কালক্ৰমত অসমত চাৰিটা সংহতি হয়। এই সংহতিত দামোদৰদেৱ, বংশী গোপালদেৱ আদি কোনো এজন লোকৰ তেৰাসকলৰ নীতি আদৰ্শ মানি নচলাৰ কাৰণেই আজি ধৰ্মৰ এনে এটা পৰিস্থিতিত আহি পৰিছে। মই বুৰঞ্জী মূলক কথা নকৈ আমাৰ মহাপুৰুষীয়া ধৰ্মটো কিয় এনে হ'ল মোৰ নিজৰ মুখেৰে কব খোজা নাই। অসমৰে এজন ব্ৰাহ্মণ সন্তান ৰজাঘৰীয়া সত্ৰৰ সত্ৰাধিকাৰ প্ৰয়াত পীতাম্বৰদেৱ গোস্বামীদেৱে লিখা কেইটামান কথা আপোনালোকৰ আগত পাঠ কৰি দিম। তাৰ পাছত মোৰ কবলগীয়া কথা একো নাই। আমি ভাবো সেইখিনিয়ে মহাপুৰুষীয়া ধৰ্মত বিভ্ৰান্ত সৃষ্টি হোৱাৰ কাৰণ। তেৰাই লিখিছে—

"মহাপুৰুষীয়া ধৰ্মাচাৰ্য সকলে নিজৰ পুত্ৰ বা ভতিজা ভাই ভাগিন আদি প্ৰতিষ্ঠা নকৰি ধৰ্মজ্ঞান আৰু সাধনত আৰু ঈশ্বৰ ভক্তিত যিয়ে শ্ৰেষ্ঠ আছিল সেই সকলকে ধৰ্মাচাৰ্য পাতিছিল। মহাপুৰুষৰ আদৰ্শ মানি দামোদৰদেৱ, মাধৱ দেৱ, বংশী গোপাল

দেৱ আদিয়ে নিৰপেক্ষভাবে যোগ্যবান লোকক ধৰ্মাচাৰ্য পাতি থৈ গ'ল। কিন্তু গুৰুৱে নিজৰ বংশৰ নিজৰ পো, ভাই-ভতিজা আদিক ধৰ্ম উত্তৰাধিকাৰ পাতি পূৰ্বৰ যোগ্যবান লোকক ধৰ্মাচাৰ্য পাতাৰ সলনি অযোগ্য আত্মীয় স্বজনক ধৰ্মাধিকাৰ পতাৰ নিয়ম লগাই ললে এইবাবে অযোগ্যজনৰ ওপৰত ধৰ্মৰ ভাৰ পৰি ধৰ্মপদ আৰু ধৰ্মস্থান সমূহ কলুষিত হৈ পৰিল। ধৰ্মাচাৰ্য সকল আদৰ্শ ভ্ৰষ্ট হোৱা দেখি দেশৰ শিক্ষিত আৰু শিক্ষাভিমানীসকলৰ প্ৰায় অধিকাংশই ধৰ্ম অনুষ্ঠানৰ সংশ্ৰৱৰ পৰা ক্ৰমে আতৰি যাব ধৰিলে। গুৰুসকলে মহাপুৰুষীয়া ধৰ্ম বিকৃত অৰ্থ কৰিবলৈ শিকিলে ব্ৰাহ্মণ আৰু নিজৰ ক্ষুদ্ৰ স্বাৰ্থৰ খাতিৰত ধৰ্মৰ নিয়ম বহুত পৰিবৰ্ত্তন কৰিলে।

"মহাপুৰুষ শংকৰে প্ৰবৰ্ত্তন কৰা শুদ্ধ ভাগৱতী ধৰ্মৰ মাজত কোনো সংহতি ভেদ নাছিল। পুৰুষ সংহতি, কাল সংহতি, ব্ৰহ্ম সংহতি, নিকা সংহতি আদি চাৰি সংহতি কল্পনা কৰি লোৱা হৈছে পিছৰ কালত। এই কল্পনা যুক্তি হীন আৰু মিছা। মহাপুৰুষে চাৰি প্ৰকাৰে ভক্তি প্ৰচাৰ কৰা নাছিল। গীতাৰ শৰণ আৰু ভাগৱতৰ ভজন তাৰ মাজত আকৌ ভেদ হব কেনেকৈ ? বৰং এই কল্পনা পৰিত্যাগ নকৰিলে মহাপুৰুষীয়া ধৰ্ম আমি শুদ্ধভাবে চলাব নোৱাৰিম।

"ধৰ্মজ্ঞান সাধনা আদিৰ ক্ষেত্ৰত যাকে পণ্ডিত বা শ্ৰেষ্ঠ যেন দেখিছিল সেই সকলকহে উত্তৰাধিকাৰী পাতিছিল। কিন্তু তাৰ পৰৱৰ্ত্তী কালত গুৰুসকল নিজৰ পো ভাইক উত্তৰাধিকাৰী পাতিছিল আৰু অযোগ্য লোকৰ ওপৰত ধৰ্ম প্ৰৱৰ্ত্তন কৰাৰ সম্পৰ্কত সু-ৰীতি নীতি ধ্বংস হৈ গ'ল। এতিয়া সকলো গুৰুৱে নিজৰ ভাই ভতিজাক ধৰ্মাধিকাৰ পদ দিয়াৰ নিয়ম পৰিত্যাগ কৰি ধৰ্মজ্ঞানত যিয়ে উপযুক্ত তাকে উত্তৰাধিকাৰী কৰাৰ নিয়ম সকলোৱে মানি লব লাগে।"

"মহাপুৰুষীয়া আৰু দামোদৰীয়া ভাবটো একেবাৰে মিছা ভেদ বুলি উভয় দলে এক হব লাগিব। কিয়নো শ্ৰীশংকৰৰ যি এক শৰণ দামোদৰদেৱৰো সিয়ে এক শৰণ প্ৰথাই আছিল। চৈতন্যদেৱৰ ভক্তি পন্থত শৰণ প্ৰথা নাই। গতিকে দামোদৰদেৱে চৈতন্যদেৱৰ পৰা ভক্তি লোৱাটো একেবাৰে অলিক কল্পনা মাত্ৰ। উজনীৰ চাৰি সত্ৰ দামোদৰদেৱৰ প্ৰধান শিষ্য বংশী গোপালদেৱৰ পৰাই কৰিছিল আৰু তাত শৰণ প্ৰথা আছে। মই গড়মূড় সত্ৰৰ অধিকাৰ গোস্বামী ৰূপে কওঁ যে আমাৰ শৰণ প্ৰণালী মহাপুৰুষে অনন্ত কন্দলীক যিদৰে বোলাইছিল আমাৰ সত্ৰৰ শৰণ প্ৰণালীও সেয়ে। চৈতন্যদেৱৰ উপাসনাৰ প্ৰণালীৰ

মাজত শৰণ প্ৰথা আগেও নাছিল আৰু আজিও নাই। তেনেস্থলত শৰণ প্ৰণালী ক'ৰ পৰা আহিল ?"

"শ্ৰদ্ধাস্পদ ৰাইজসকল ! মই আজি ৪০০ বছৰৰ পিছত দুজনা গুৰুৰ কথা উলিয়াই বাক বিতণ্ডা কৰিবলৈ যোৱা নাই, তেনে ইচ্ছাও নাই। মোৰ কথা হৈছে বহুত দিনৰ পৰা দুজনা গুৰুৰ কথালৈ কি বিতণ্ডা চলিছে তাৰ পৰা দেশৰ মহা অনিষ্ট ঘটিছে। অথচ সেই বিতণ্ডাৰ মূলত কোনো সত্য নাই মূল্যও নাই। গতিকে দেশৰ কল্যাণৰ অৰ্থে এই বিবাদ পৰিহাৰ কৰক— বিবাদৰ গুৰি ধৰোতা মইও এজন আছিলো, কিন্তু যুক্তি সংগত বিচাৰত মোৰ বিবেক পৰাস্ত হ'ল আৰু মই নম্ৰ ভাবে মানি ললো। সেইবাবে সত্ৰই কৰা ভুলবিলাক পৰিহাৰ কৰিবৰ কাৰণে শ্ৰীমন্ত শংকৰদেৱ সংঘ নামে অনুষ্ঠানটি গঠন কৰাত সহায় হ'ল।"

বাপসকল গড়মূৰীয়া প্ৰভু ঈশ্বৰে কোৱা কথা গালে বহুত সময় লাগিব। মোক ক্ষমা কৰিব আমাৰ সঞ্চালক বাপে কৈ গৈছে পৰম্পৰাৰ কথা। এই পৰম্পৰা বিলাকে আমাৰ বোলে অনিষ্ট কৰা নাই। কিন্তু আমি দেখিছো পৰম্পৰাবিলাকেহে মহাপুৰুষীয়া ধৰ্মত ঘাই কেৰোণৰ সৃষ্টি কৰিছে। উদাহৰণ হোম পূৰা— তেখেতে কৈ গ'ল অগ্নি থাকিলে তাক অগ্নি পূজা কৰা নহয়। এই কথা আমি মানি লৈছো। কিন্তু সেই অগ্নিক আমি সাক্ষী কৰি নলওঁ। ওঁম অগ্নিয়ে স্বাহা বুলি যেতিয়া আমি মন্ত্ৰ মাতি লওঁ তেতিয়া হলে সেইটো অগ্নি সাক্ষী নহয়— অগ্নি পূজাহে হ'ল। আৰু ইপিনে ভাগৱতত এটা কথা স্পষ্ট ভাবে লিখা আছে যে এক শৰণীয়া মানুহে কেতিয়াও অগ্নি পূজা বা অন্য দেৱতাৰ পূজা সেৱা কৰিব নাপায়। ভাগৱতত কোৱা আছে—

নৰোধয়তি মাং যোগো ন-সাংখ্যংধৰ্ম এবচ।
ন স্বাধ্যায়স্তপস্ত্যাগো নেষ্টাপূৰ্তে ন দক্ষিণা॥
ব্ৰতানি যজ্ঞশ্ছন্দাসি তীৰ্থানি নিয়মা মমাঃ।
যথা বৰুন্ধে সৎসঙ্গঃ সৰ্বসঙ্গাপহ্নীহিযাম্।

তাৰ ভাঙনি দিয়া আছে—

যাগ যোগ ধৰ্ম ত্যাগ তপ তীৰ্থ স্নান।
নিয়ম সংযম ব্ৰত যজ্ঞ মহা দান॥
অগ্নি হোত্ৰ আদি কৰি আন ধৰ্ম যত।
নোৱাৰে কৰিব বৈশ্য মোক স্বৰূপত॥

সাধু সঙ্গে আমাক যিমতে কৰে বৈশ্য।
কহিলো তোমাত ইটো পৰম ৰহস্য॥

আৰৰ দিনত দুই একুৰা সাক্ষী কৰি কোনোবাই বিয়া পাতিছে তাত আমাৰ আপত্তি একো নাই। সেই দুইকুৰাক সাক্ষী কৰি যেতিয়া ওঁম অগ্নিয়ে স্বাহা ইদং অগ্নিয়ে বুলি কৈ কৈ বিয়া হ'ল তেতিয়া এক শৰণ কেতিয়াবাই ভ্ৰষ্ট হৈ গ'ল। এইবোৰ পৰম্পৰা বুলিয়েই আমি মানি চলিব নোৱাৰো। পৰম্পৰা কওতে বহুত কথা আহে। আমি মহন্ত মানুহ। নামটো শুনিয়েই জানিছে। আমাৰ ঘৰত যেতিয়া ছোৱালী পুষ্পিতা হব তেতিয়া বিবৰ্জিতা হয়। তেওঁলোক বৰ্জনীয়। গতিকে পুষ্পিতা হোৱাৰ আগতে বিয়া দিব লাগে। সেই খিনিত পৰম্পৰাটো আমি মানা নাই। আমাৰ ঘৰত বিশ বছৰলৈকে ছোৱালী পৰি থকা হ'ল। তেতিয়া হলে এইবোৰ পৰম্পৰা আমি ত্যাগ কৰিলো কিয়? যদি পৰম্পৰা পৰম্পৰা কৰিয়েই থাকো?

আমাৰ এটা বিভ্ৰান্ত হৈছে শৰণৰ ক্ৰম। এই যে সংহতিবোৰ সৃষ্টি হৈছে ইটোয়ে কব আমাৰটো শুদ্ধ, সিটোৱে কব আমাৰটো শুদ্ধ। এনেধৰণে কৈ কোনোবাই কৰিছে নাম দেৱ গুৰু ভকত কোনোবাই দেৱ নাম গুৰু ভকত আকৌ কোনোবাই কৰিছে ভকত দেৱ গুৰু নাম আদি। কেইখনমান সত্ৰত তাত গুৰুৰ কোনো পৰিচয়েই নাই। গতিকে এইবিলাক হোৱাৰ কাৰণেই আমাৰ মহাপুৰুষীয়া ধৰ্মত বিভ্ৰাত ঘটিছে।

বাপসকল আপোনালোকে ক্ষমা কৰিব। গেইটে লিখা অসম বুৰঞ্জীখনৰ পৰা মই এটা উদ্ধৃতি দিব বিচাৰো। মহাপুৰুষীয়া ধৰ্মৰ বিভ্ৰান্তিৰ কাৰণ সম্বন্ধে। তাৰ বাবে মই জগৰীয়া নহয়। তেওঁ লিখিছে— **Sankardev nominated Madhabdev a Kayasth himself Succession. But this nomination is unanimously accepted. Many of Brahmin disciple of most of different sect of own.** গতিকে আমি এতিয়া গোটেই চৰিত্ৰ বিলাকৰ পৰা এইখিনিয়েই পাইছো। ওপৰৰ ইংৰাজী কথাখিনিৰ অৰ্থ কৰিয়ে আমি বুজি পাওঁ যে বংগদেশৰ পৰা তিনিজন ধুমকেতু আমদানি হৈছিল—ৰঘুনন্দন ভট্টাচাৰ্য, কৃষ্ণকান্ত ন্যায়বাগিশ আৰু পীতাম্বৰ ভট্টাচাৰ্য। তেওঁলোকে লিখা ওঠৰখন কৌমুদিকেই আজিৰ আমাৰ সত্ৰাধিকাৰ সকলে বেদ বেদ বুলি সকলো মানুহৰ মূৰ খাই পেলালে। প্ৰকৃততে সেই কেইখন বেদ নহয়। বিবাহ

কৌমুদী বিবাহৰ কাৰণে ৰঘুনন্দন ভট্টাচাৰ্যই লিখা। কোনো বেদৰ বাক্য তাত নাপায়। দুৰ্গাপূজা কৰিছে দুৰ্গোৎসৱ কৌমুদীৰে আৰু শ্ৰাদ্ধ পিণ্ড দিছো শ্ৰাদ্ধ কৌমুদীৰ দ্বাৰা। এইবোৰ ৰঘুনন্দন ভট্টাচাৰ্যই লিখা। এইবোৰ বৈদিক নহয়, বেদৰ নহয়। কালি মহানন্দ বৰা বাপে অতি আক্ষেপেৰে কৈছিল— বেদ বেদ কোৱা মানুহ বিলাকে বেদ দেখিছে জানো ?

মই বিশেষ নকই এই কেইটা প্ৰশ্ন সঞ্চালক বাপৰ জৰিয়তে পাবলৈ আশা কৰিছো। ইয়ে বিভাজনৰ কাৰণ। তাৰ কাৰণে এখন সত্ৰৰ নাম মই উল্লেখ কৰিছো। এই কাৰণে কৰিবলৈ বাধ্য যে ই প্ৰকৃত শুদ্ধ পথত আগবাঢ়ি যাব পাৰিম বুলি আশা কৰি মই সঞ্চালক বাপৰ জৰিয়তে এই কেইটা প্ৰশ্ন কৰিলো। এই প্ৰশ্ন কেইটাৰ উচিত উত্তৰ আশা কৰিলো।

১। বৰপেটা সত্ৰত তিনিখন গুৰু আসন কিয় প্ৰতিষ্ঠা কৰা হ'ল ?

২। মহাপুৰুষীয়া ধৰ্মত যদি মূৰ্ত্তিৰ কোনো ব্যৱস্থাই নাই তেনেহলে বৰপেটা সত্ৰত কলিয়া ঠাকুৰৰ মূৰ্ত্তি কেতিয়া স্থাপন কৰা হ'ল ?

৩। ভাগৱতৰ সন্মুখত প্ৰজ্জলিত কৰা অক্ষয় বন্তি কলিয়া ঠাকুৰৰ সন্মুখলৈ কেতিয়া লৈ যোৱা হ'ল ?

৪। আমাৰ সকলো সত্ৰতে দেখা যায় প্ৰসঙ্গৰ সময়ত ভকত সকলৰ লগত থাকি অধিকাৰ সকলে প্ৰসঙ্গ কৰে। বৰপেটাত তাৰ ব্যতিক্ৰম। গুৰু আসনৰ পিচ পিনেহে সত্ৰীয়া সকল বহি থকা দেখা যায়।

৫। বহু সংখ্যক সত্ৰত প্ৰসঙ্গৰ শেষত চাৰিজয় দিয়া নিয়ম আছে—বৰপেটা সত্ৰত মহাপুৰুষ শংকৰদেৱৰ জয় দিয়া নহয় নেকি ? বৰদোৱাত বৰফালে ছয় জয় দিয়ে, সৰুফালে চাৰিজয় দিয়ে। এইটো এটা মহাপুৰুষীয়া ধৰ্মৰ কেন্দ্ৰ বিভ্ৰাত।

৬। দৌল উৎসৱত কোনো কোনো সত্ৰত গুৰু আসনৰ সন্মুখত কিয় প্ৰসঙ্গ কৰা নহয় ? আৰু মূৰ্ত্তি পূজা কেনেকৈ কৰা হয় ? এই কেইটা প্ৰশ্ন সঞ্চালক বাপৰ জৰিয়তে কৰি সামৰণি মাৰিলো।

—):--:(—

শ্ৰীগজেন বৰুৱা : মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ সমাজ, জামুগুৰি ।

মহাপুৰুষ মাধৱদেৱে গুৰু দায়িত্ব লোৱাৰ পিছত যি সংহতি সৃষ্টি হ'ল সেই সংহতিয়ে সংহতি বিনষ্ট কৰিলে । সিয়ে স্থায়ী পালে কালক্ৰমত ।

গুৰুজনে ধন্য ধন্য কলিকাল ধন্য নৰতনু ভাল ধন্য ধন্য ভাৰত বৰিষ বুলি কৈ সমগ্ৰ ভাৰতবৰ্ষৰ কথা ভাবিছিল । আৰু শেষত ভাৰতো অতিক্ৰম কৰি বিশ্বৰ মাজলৈ যোৱাৰ কথা ভাবিছিল । এইটো মানৱ ধৰ্ম । কোনো দিনে অসমক লৈ কোনো কোৱা নাই বৃহৎ মানৱ সমাজক এক কৰাৰ কথাহে তেৰাই ভাবিছিল আৰু সেইটোহে আদৰ্শ আছিল ।

এই সংহতি ভাগ হোৱাৰ পৰা আমি বৰুৱা ভাই সকলক হেৰুৱালো নগা, গাৰো আদি ভাই সকলক হেৰুৱালো । গুৰুজনে অস্পৃশ্যতা ৰখা নাছিল । কিন্তু পৰৱৰ্ত্তী কালত যি সকলে ধৰ্মৰ গাদীত বহিল তেওঁলোকে জাতি ভেদ ৰক্ষা কৰিলে ।

অন্যান্য দিশত শংকৰদেৱ সংঘৰ শ্ৰীমোহন চন্দ্ৰ মহন্ত দেৱে কৰা প্ৰশ্ন আমাৰো । তাক দুহৰাৰ প্ৰয়োজন নাই বুলি ভাবো । আমি নতুন মানেই উগ্ৰ নিয়মৰ বশবৰ্তী নহওঁ । বৈজ্ঞানিক ভাবে বিচাৰ কৰি এটা সিদ্ধান্ত কৰিলে ভাল হয় ।

শৰণাচাৰ্য সকল শিক্ষিত আৰু জ্ঞানী ভকত হব লাগে । কাৰণ তেতিয়াহে আধুনিক কালৰ উচ্চ শিক্ষিত লোকে মুৰ দোৱাবলৈ টান নাপাব । সকলোৱে বিশেষ গঠনমুলক ভাব লৈ কাম কৰিলে ভাল হয় ।

):--:(

শ্ৰীভদ্ৰকান্ত দেৱগোস্বামী : বেলগুৰি সত্ৰাধিকাৰ ।

দামোদৰদেৱৰ পিছত বনমালীদেৱৰ দিনত ব্ৰহ্ম সংহতি সৃষ্টি হৈছিল । ইফালে অনিৰুদ্ধদেৱে কাল সংহতি প্ৰতিষ্ঠা কৰে । আতাপুৰুষ সকলৰ দিনত পুৰুষ

সংহতি সৃষ্টি হোৱা নাছিল। পুৰুষোত্তম ঠাকুৰৰ লগত পদ্মআতা, বুঢ়াআতা, গোপাল আতা সকলোৱে চলি আছিল। কোনো তাৰতম্য ৰখা নাছিল। ধৰ্মাধিকাৰ সকল মিলা-প্ৰীতিৰে বহি আলোচনা কৰিলে সকলো সমাধান হৈ যাব।

সত্ৰ সমূহত মুঠ চৰিত বুলি এটা বস্তু আছে। ই বৰ গধুৰ বস্তু। তাত থকা পাৰমাৰ্থিক তত্ত্ব সমূহ আমাৰ সকলো সত্ৰতে একে। কি কাৰণত সংহতি ভেদ হ'ল তাক বাচি বিচাৰি উলিয়াব লাগিব। এই সংহতি ভেদৰ গুৰিতে সত্ৰীয়া সাধন ভজনৰ লগত নিজৰ নিজৰ কথা সুমুৱাই দেখুওৱাব যোৱাৰ ফল। আমি সত্ৰ সংঘটো আছো। তাৰ পৰা ফালৰি কাতি হলেও আহিছো, ইয়াৰ গুৰিতে হ'ল আমাৰ মাজত মিলা-প্ৰীতিৰ বৰ প্ৰয়োজন। শুদ্ধ ভাবে আলোচনা কৰিলে সমন্বয় আহিব আৰু বিভেদৰ কাৰণবোৰো ওলাব।

):—:(

শ্ৰীডিম্বেশ্বৰ ভুঞা : শংকৰ মাধৱ প্ৰতিভা কেন্দ্ৰ, গুৱাহাটী।

শ্ৰীমন্ত শংকৰদেৱ মহাপুৰুষে যিধৰ্ম প্ৰৱৰ্ত্তন কৰিছিল তাৰ সকলো তথা পাতি, দৰ্শন, মতাদৰ্শ, আদি সম্পূৰ্ণ আৰু সুস্পষ্ট ভাবে নিজে তেৰাৰ পুথি শাস্ত্ৰত লিখি থৈ গৈছে। আৰু তেৰাৰ প্ৰধান শিষ্য মহাপুৰুষ মাধৱদেৱৰ গুৰুজনাৰ ধৰ্ম তথা মতাদৰ্শৰ সমৰ্থনত নানা পুথি ৰচনা কৰে। কিন্তু কেৱল সেই বিলাক ৰচনাৰ পৰাই তেৰাৰ পন্থৰ সম্যক কাৰ্যকৰী জ্ঞান পাব নোৱাৰি।

গুৰুজনাই তেৰাৰ নিৰ্মিত ধৰ্ম তথা মতাদৰ্শনৰ পন্থত চলাৰ কাৰণে কাৰ্যকৰী সাধন মাৰ্গ তেৰাৰ প্ৰতিষ্ঠিত সত্ৰত চলাই আঁহি দেখুৱাই থৈ গৈছে। সেই আঁহিকে মহাপুৰুষ মাধৱদেৱে তেৰাৰ প্ৰতিষ্ঠিত সত্ৰত চলাই যায়।

গুৰুজনাই সত্ৰত ভাগৱতৰ পদ পুথি থাপনাত ৰাখি তাৰ আগত হৰি প্ৰসঙ্গ তথা নাম প্ৰসঙ্গ কৰাৰ ব্যৱস্থা কৰে। থাপনাৰ এই পুথি ভগৱানৰ মুৰ্ত্তি

বা প্ৰতীক স্বৰূপে প্ৰতিষ্ঠা কৰা হোৱা নাই। সেই পুথিত ভগৱানৰ ৰূপ, গুণ, লীলা, বাণী আদিৰ বৰ্ণনা আৰু গুৰুজনাৰ উপদেশও তাত সন্নিবিষ্ট আছে কাৰণে সেই পুথি আগত ৰাখি সৰ্বব্যাপী ভগৱানক স্তুতি প্ৰাৰ্থনা আদি কৰাৰ ব্যৱস্থা দিয়া হৈছে।

ই শাস্ত্ৰত শ্ৰদ্ধা মাত্ৰকত গোবিন্দৰ পদ পংকজত
আতি শীঘ্ৰে জানা তাৰহোৱে সতীমতি ॥

এই থাপনাৰ আগতে শ্ৰীশংকৰ গুৰুই লোকক এক ভগৱানত দণ্ডৱতে শৰণ কৰোৱাৰ ব্যৱস্থা কৰে। এই এক শৰণৰ শপত বাক্য তেৰাই নিৰ্দিষ্টকৈ কৰি দিয়ে, আৰু সেই ব্যৱস্থাৰেই মহাপুৰুষ মাধৱদেৱে তেৰাৰ সত্ৰত লোকক শৰণ কৰাবলৈ লয়।

কিন্তু মহাপুৰুষ দ্বয়ৰ প্ৰয়াণৰ পিছত আৰু আতা পুৰুষ সকলে বৈকুণ্ঠগামী হোৱাত চাৰি বস্তুত শৰণ আহি পৰিল। গুৰু, দেৱ, নাম, ভকত হৈ চাৰি বস্তু আমাৰ পন্থত নিতান্ত দৰকাৰ। কিন্তু চাৰি বস্তুত শৰণ নহয়। এই চাৰি বস্তুত শৰণৰ গদ্য বাক্য কাৰ ৰচনা তাৰো নিৰ্ণয় নাই। কোনো কোনো সত্ৰত এই চাৰি বস্তু শৰণৰ বাক্যত লৈলো বোলা ক্ৰিয়া পদ নাই। অথচ নিত্য শৰণ জনাই নাম লওঁতে ঘোষা কেইটাৰ সৈতে বা বাদ দি এই ক্ৰীয়াহীন বাক্য কেইটাকে লোকে সংগোপনে দৃঢ় বিশ্বাসে লব ধৰা হ'ল।

এই ব্যৱস্থাই গুৰুজনাৰ একশৰণ সম্পূৰ্ণভাবে বিনষ্ট কৰিলে আৰু সেইবাবে অতি শ্ৰদ্ধাৰে নাম লওঁতে এই শৰণৰ বাক্য আবৃত্তি কৰিও একো ফল নোপোৱা হ'ল। এইদৰে মূলতেই শংকৰী ধৰ্মৰ পথচ্যুত কৰা হ'ল। দ্বিতীয়তে ভিন্ন ধৰ্ম বিশ্বাসী লোকে সত্ৰত আধিপত্য বিস্তাৰ কৰি প্ৰাকৃত ভকতৰ কাৰণে আৱশ্যকীয় বুলি সত্ৰত বিগ্ৰহ প্ৰতিষ্ঠা কৰিছিল।

মহাপুৰুষদ্বয়ে সত্ৰত বিগ্ৰহ প্ৰতিষ্ঠা নকৰি ধৰ্মটো অসম্পূৰ্ণ হোৱা বুলি ধৰ্মটো পুৰ্ণাংগ কৰাৰ কাৰণে বিগ্ৰহ আনি দিয়া বুলি ভিতৰুৱাকৈ কব ধৰা হ'ল।

এই বিষয়ত তেওঁলোকৰ প্ৰধান সম্বল হ'ল প্ৰাকৃত ভকতৰ প্ৰসংগ আৰু ইয়াৰ সমৰ্থনত কব ধৰা হ'ল—

নকৰে ভক্তক মান্য নকৰে প্ৰাণীক।
একে প্ৰতিমাতে মাত্ৰ আৰাধে হৰিক ॥

সেহিজনা জানিবাহা প্ৰাকৃত ভকত ।
আৰুঢ় হৈয়াছে তেহো ভক্তিৰ পথত ।।

এই ক্ষেত্ৰত আৰাধৈ হৰিক বুলি কোৱাত পূজা অৰ্চন কৰা কথা কোৱা নাই। আৰাধে মানে মনেৰে সেৱা উপাসনা কৰা কথা কৈছে। প্ৰাকৃত লোকে দুস্কৰ পূজা অৰ্চন কৰিবলৈ সমৰ্থ নহয় । সেই বাবে প্ৰশিক্ষণ প্ৰাপ্ত পূজাৰীক এই অৰ্চনৰ দায়িত্ব দিয়া হয় ।

প্ৰাকৃত শব্দটো শুনাত ভাল যদিও তাৰ অৰ্থ হ'ল অধম । এনে লোকে হৰি নাম গুণ শ্ৰৱণ কৰিয়ে ভকতি পন্থত আৰুঢ় হয় ।

শুনা সভাসদ পদ যুগুতি বচন ।
হৰি ভকতিৰ আদি জানিবা শ্ৰৱণ ।

সত্ৰত মূৰ্ত্তি আনি যোগোৱাৰ পিছত নিত্য পূজাৰ লগতে নিত্য নৈমিত্তিক পূজা আনি সত্ৰত দোলৎসৱৰ পূজা, কৃষ্ণ জন্মাষ্টমী পূজা আদিত বিষ্ণুৰ লগত আনুসংগিক ৰূপে আমাৰ পন্থত নিষিদ্ধ অন্য দেৱ-দেৱীৰ পূজা কৰিব ধৰা হ'ল— তাকো কীৰ্ত্তন ঘৰত আৰু মহাপুৰুষ মাধৱদেৱৰ ভিঠিৰ আগত। সেই সন্দৰ্ভত তেওঁলোকৰ পূজা বিধিখন পৰীক্ষা কৰি চোৱা উচিত ।

বৰপেটা সত্ৰ মথুৰাদাস বুঢ়াআতাই শ্যাম ৰায় বিগ্ৰহ অনা বুলি অপ প্ৰচাৰ কৰা হৈ থাকে । কিন্তু মহাপুৰুষ মাধৱদেৱৰ একান্ত অনুগামী বুঢ়া আতা পুৰুষে কেতিয়াও মহাপুৰুষ গুৰুজনাৰ বিৰুদ্ধে গৈ নানা বস্তু সত্ৰত আনি নোসোমায় । এই বিগ্ৰহ নিশ্চয় আতা পুৰুষৰ পৰৱৰ্তী কালত পুঁজীবাদী সকলে আনি দিয়া বস্তু । আৰু এই পূজাকে তেওঁলোকে চিৰাচৰিত বুলি চলাই আছে।

বুঢ়া আতা পুৰুষৰ বহু পিচত শিৱসিংহ ৰজাই দিয়া দানৰ ফলিত শ্যাম ৰায় বিগ্ৰহৰ নাম উল্লেখ নাই। তাত মহাপ্ৰভু বুলি পৰমেশ্বৰকেহে বুজোৱা হৈছে। আকো উক্ত ভিন্ন ধৰ্ম বিশ্বাসী লোকৰ যোগেদি মহাপুৰুষীয়া সমাজত স্মাৰ্ত্ত বিধিগত জাতিভেদ, অস্পৃশ্যতা আহি পৰাত শুদ্ধ ভাবে মহাপুৰুষীয়া ধৰ্ম গ্ৰহণ কৰা লোকক নীচ জাতি বুলি অস্পৃশ্য কৰি কীৰ্ত্তন ঘৰত প্ৰবেশাধীকাৰৰ পৰা বঞ্চিত কৰা হৈছিল। পিচত ভাৰত স্বাধীন হোৱাৰ পিচত ৰাজনৈতিক হেচাত তেওঁলোকক সেই অধিকাৰ দিয়া হয় ।

অৱশ্যে ভিন্ন ধৰ্ম বিশ্বাসী লোকৰ আধিপত্য আৰু প্ৰভাৱত আমাৰ সমাজ সংস্কাৰ কৰ্মত অন্য দেৱ-দেৱীৰ পূজা সেৱামূলক কৰ্ম-ধৰ্ম বাধ্যতামূলক কৰা

হ'ল। ইয়াৰ বিপৰীতে আজি শ্ৰীশংকৰ গুৰুৰ আদৰ্শত নতুন নতুন সত্ৰ সমাজ গঠন হব লগা হ'ল আৰু ইয়াৰ ফলতেই সমাজত বিভাজন আহি পৰা বুলি কোনো কোনোৱাই কব খোজে। এতিয়া ইয়াৰ প্ৰতিকাৰ নিশ্চয় পৰস্পৰ বিৰোধী কথা দুটাৰ গঢ় লৈ কৰিব গলে নহব। মহাপুৰুষীয়া সকলে শ্ৰীশংকৰ গুৰুৰ আদৰ্শৰ ভেটিতহে সমাজত ঐক্য স্থাপনৰ চেষ্টা কৰিব লাগিব।

কতো মন্দমতি শাস্ত্ৰ নকৰে বিচাৰ

... ...

পৰম্পৰা ৰক্ষা কৰিবলৈ হলে শাস্ত্ৰৰ মতে শংকৰদেৱে দিয়া নীতি নিৰ্দেশনা মতে কৰিব লাগিব। "কতো মন্দমতি শাস্ত্ৰ নকৰে বিচাৰ। কৰে কুল ধৰ্ম পূৰ্ব পুৰুষ আচাৰ। গতিকে শাস্ত্ৰ মত পালন কৰি যুগ ধৰ্ম ৰক্ষা কৰি নিত্য-নৈমিত্তিক কৰ্ম ধৰ্ম কৰিব লাগিব।"

মিনতি বচন বোলো সৰ্বজন
শুনিয়োঁ শাস্ত্ৰৰ মৰ্ম।
আপোন কুশল চোৱা যেবে তেৱে
নেৰিবাহা যুগ ধৰ্ম॥
সত্য যুগে ধ্যান ত্ৰেতা যুগে যজ্ঞ
দ্বাপৰ যুগত পূজা।
কলিত হৰিৰ কীৰ্ত্তন বিনাই
আৰৰ নাহিকে দুজা॥

গতিকে—
কলি যুগ ধৰ্ম হৰি নাম ধৰ্ম
মাধৱ মাধৱ নাম বচনত উচ্চৰয়
মাধৱ মাধৱ হৃদয়ত।
নিৰন্তৰে সাধুসবে মাধৱ মাধৱ নাম
উচ্চৰয় সমস্ত কাৰ্যত॥

এতেকে যিসকলে শংকৰদেৱৰ এক শৰণ ভক্তিধৰ্ম পালন কৰে শংকৰদেৱক গুৰু বিচাৰ কৰি তেতিয়া গুৰু বাক্য মতে সকলো নিত্য নৈমিত্তিক কৰ্ম ধৰ্ম মাধৱৰ নামেৰে কৰিব লাগিব। যিসকলে শংকৰদেৱক গুৰু নামানে এক শৰণ ভক্তিৰ নীতি নিৰ্দেশনা নামানে সেই সকলে যি কৰিলেও আমাৰ আপত্তি নাই। মহাপুৰুষীয়া সত্ৰতও তেনে কোনো নাম ধৰ্ম ভক্তিৰ বিৰোধ ক্ৰিয়া কৰ্ম কৰিব নোৱাৰিব।

—)::(—

শ্ৰীবিজয়কৃষ্ণ গোস্বামী : ডেকা সত্ৰাধিকাৰ, নতুন কমলাবাৰী সত্ৰ।

সংহতি ভিন্নতাই আমাক অন্যায় কৰিছে। এই সংহতি অসমীয়া সমাজৰ কাৰণে এখন কুঠাৰ। যিয়ে ভাগ ভাগ কৰিছে। পৰম্পৰাৰ কথা ইয়াত আলোচনা হৈছে। যি পৰম্পৰাই আমাক অন্যায় কৰে তাক আমি মানিব নোৱাৰিম। ভাগৱতৰ একাদশৰ গুৰু জনাই লিখিছে—শ্ৰীকৃষ্ণই উদ্ধৱৰ আগত কৈছে—

মাধৱে বোলন্ত সখি শুনিও সিদ্ধান্ত
তুমি মোৰ মহামিত্ৰ ভকত একান্ত।
পূৰ্ব প্ৰলয়ত নষ্ট ভৈল বেদ-বাণী
কহিলো ব্ৰহ্মাত মই উদ্ধাৰিয়া আনি।
বেদে যেন কয় তাক শুনা প্ৰাণ সখি
মায়ামময় বেদ ধৰ্ম সকলো উপেক্ষি।

মায়াৰ সংজ্ঞা ভাগৱতৰ প্ৰথম স্কন্ধত লিখিছে—

অবস্তুক দেখাৱয় বস্তুক আৱৰি।
এইটো কৃষ্ণৰ মায়া জানা নিষ্ঠ কৰি॥
কেৱল আমাত মাত্ৰ লৈলেক শৰণ।
হবে কৰ্মফল তেজি তেবেসে প্ৰসন্ন॥
মই বিনে বেদে কিছু আন নবখানে।
চাৰিও বেদৰ তত্ত্ব অৰ্থ এহিমান॥
মনুত প্ৰথমে ব্ৰহ্মা কহিলা হৰিষি।
পাছে জানিলন্ত বেদ সবে সপ্তঋষি॥
তাত পাছে পাইলে সুৰাসুৰ সিদ্ধ নাগ॥
অনন্তৰে বেদক মানুষ্যে পাইলে লাগ।
যাৰ যেন মতি কৰে বেদক ব্যাখ্যান॥

নিজ অৰ্থ ভকতিক তেজি বুজে আন ।
কেহ বোলে বেদে কয় যজ্ঞ ব্ৰত দানে ॥
কেহ বোলে ক্ষুদ্ৰ দেৱ পূজা তীৰ্থ স্নানে ।
কেহ বোলে বেদে কয় জ্ঞানতেসে গতি ।
গুণৰ ইচ্ছায়ে বুজে যাৰ যেন মতি ॥
কতো মণ্ডমতি শাস্ত্ৰ নকৰে বিচাৰ ।
কৰে কুল ধৰ্ম পূৰ্ব পুৰুষ আচাৰ ॥

পূৰ্বাপৰ বা পৰম্পৰাৰ ওপৰত এটা কথা কওঁ—

আমাৰ পূৰ্বপুৰুষ সকলে খালৰ ভেকুলীয়ে মুতা পানী খাইছিল, কিন্তু বৰ্তমান আমি সেই পানী নাখাওঁ । আমি এতিয়া ফিলটাৰৰ পানীহে খাওঁ । অৰ্থাৎ শুদ্ধ পানীহে খাওঁ ।

তাকো এৰি লৱে কতো পাষণ্ডৰ মতি ।
যাই মোক নপাৱে অধম অধোগতি ॥
নচাৰে কৰ্মীক শোক দুখে ৰাত্ৰি দিনে ।
জ্ঞানতো নাহিকে গতি ভকতি বিহীনে ॥
আনে নজানয় ইটো বেদৰ বিচাৰ ।
এতেকে ভকতি পন্থ সম্মতি আমাৰ ॥

ভগৱান শ্ৰীকৃষ্ণই নিজে এই সম্মতি আমাক দি থৈ গৈছে । ইয়াৰ পিছতো আমি সম্মতি বিচাৰ কৰাৰ কোনো অৰ্থ নাই । যি ধৰ্মত জাতি বিচাৰ নাছিল সেই ধৰ্মত আজি জাতি ভেদ সোমাল ।

নোহো জানা আমি চাৰি জাতি চাৰিও আশ্ৰমী নোহো আতি
নোহো ধৰ্মশীল দানব্ৰত তীৰ্থগামী ।
কিন্তু পূৰ্ণানন্দ সমুদ্ৰৰ গোপীভৰ্ত্তা পদ কমলৰ
দাসৰ দাস তান দাস ভৈলো আমি ॥
নাহি ভকতিত জাতি অজাতি বিচাৰ ।
কৃষ্ণ ভকতিত সমস্তৰে অধিকাৰ ॥
জাতি অজাতি নবাচন্ত ভগৱন্তে ।
পশু পক্ষী বৃক্ষে মোক্ষ পাৱৈ যাতহস্তে ॥

এই মহা সত্যক যেতিয়া আমি এৰিলো অস্পৃশ্যতাৰে তেতিয়াই আমাৰ মাজৰ পৰা নগাৰ নৰোত্তম বংশক হেৰুৱালো। আমি সকলোৱে অৰ্থাৎ ভাৰত-বৰ্ষত জন্ম গ্ৰহণ কৰা চাৰি মুঠি জীৱ। পৰম পিতা ভগৱানৰ সন্তান নহয় জানো? এই জ্ঞান আমাক গুৰু জনাই দি থৈ গৈছে।

আমি আমাৰ মিত্ৰ সকলক অৱহেলা কৰাৰ বাবে কিছুমান সত্ৰই গুৰুজনাক গুৰু বুলি স্বীকাৰ নকৰাৰ বাবে, ধৰ্মৰ নামত ব্যৱসায় কৰাৰ বাবে, গুৰুৰ আদৰ্শ নৰখাৰ বাবে, আজি বিভিন্ন কাৰণত অসমত বিভিন্ন গুৰু ধৰ্মৰ সংগঠন হ'ল। তাতে আকৌ হয়তো ক্ষমতাৰ বাবেও আমি ভাগ ভাগ হৈছো।

নাম ললে পাপ হয় মেৰুৰ সমান। এই নাম কি? ঈশ্বৰৰ নাম ললে কেতিয়াও বাপ সকল পাপ নহয়। ইয়াৰ প্ৰমাণ অজামিলৰ উপাখ্যানত স্পষ্ট ভাৱে দি গৈছে। এই নাম দেৱতাৰ নাম। দেৱতাৰ নাম ললে পাপ হয় মেৰুৰ সমান।

ভগৱানে অৰ্জ্জুনক ভক্তি প্ৰদীপত কৈছে—

মই নিজ পিতৃক কৰিলে অপমান।
ব্ৰহ্মাণ্ডতো নাহি পাপী তাহাৰ সমান॥

বৰপেটা সত্ৰৰ সত্ৰাধিকাৰ প্ৰভুৱে স্বীকাৰ কৰিছে, ধমৰ অৱনতি ঘটাতো। সচা কথা। গোপাল আতাই মাধৱদেৱৰ লগত থাকোতে ভক্তিৰ বলত কৃষ্ণক সাক্ষাৎ কৰাৰ কথা আছে। এতিয়াও যদি আমি শুদ্ধ ভাবে ঈশ্বৰ ভক্তি কৰো তেনে আমিও নিশ্চয় ঈশ্বৰক সাক্ষাৎ কৰিব পাৰিম।

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰতিনিধি শ্ৰীযুত মহন্ত বাপে কোৱা কথাখিনিৰ আমি বিৰুদ্ধ নহয়। মহন্ত বাপে নিশ্চয় আজিৰ সত্ৰাধিকাৰ সকলৰ বিষয়ে কোৱা নাই। আজিৰ সত্ৰাধিকাৰ সকল সংস্কাৰমুখী। তেখেতসকলে স্মৃতি সমূহকে বেদ বেদ কৰি নাথাকে। প্ৰেম মহন্তই কৈছে ব্ৰাহ্মণ সকলক হিংসা কৰা কথা ওলাইছে আমি কম ইয়াত থকা যিকেইজন ব্ৰাহ্মণ বা গুৰুজনাক গুৰু বুলি লোৱা ব্ৰাহ্মণসকলক আমি বাৰম্বাৰ প্ৰণাম জনাও। আমি ব্ৰাহ্মণ মানো কিন্তু ব্ৰাহ্মণৰ হাতত থকা কৰ্ম কাণ্ডৰ বিধিখন মানিব নোৱাৰো। যিহেতু আমি পৰম ব্ৰহ্ম ভগৱানৰ ওচৰত শৰণ আৰু ভজন লোৱা হৈছে। আমি বাৰম্বাৰ কম আমি ব্ৰাহ্মণ মানো কাৰণ ব্ৰাহ্মণ বৰ্ণ শ্ৰেষ্ঠ। সেৱা কৰো কিন্তু বিধি মানিব নোৱাৰো।

হৰি নাম কীৰ্ত্তনত নাহিকে নিয়ম একো।

মাধৱ মাধৱ নাম বচনত সুমৰয়
মাধৱ মাধৱ হৃদয়ত।
নিৰন্তৰে সাধু সবে মাধৱ মাধৱ নাম
উচ্চৰয় সমস্ত কাৰ্যত॥
মিনতি বচন বোলা সৰ্বজন
শুনিয়ো শাস্ত্ৰৰ মৰ্ম।
আপোন কুশল চোৱা যেবে তেবে
নেৰিবাহা যুগধৰ্ম॥

যোৱা কেইদিনৰ সকলো কথা আমি বিশ্লেষণ কৰিলো যদিও আমি শংকৰদেৱে যুগধৰ্মত জোৰ দি যি কথা কৈছে তাক আমি বিশ্বাস কৰা নাই। বেদৰ ক্ৰিয়া কৰ্ম কলি যুগৰ কৰ্মকাণ্ড হয়নে নহয়।

সত্য যুগে ধ্যান ত্ৰেতা যুগে যজ্ঞ
দ্বাপৰ যুগত পূজা।
কলিত হৰিৰ কীৰ্ত্তন বিনাই
আৰৰ নাহিকে দুজা॥

গতিকে আজি প্ৰতিকাৰ হিচাবে শংকৰদেৱৰ শৰণৰ নীতি নিৰ্দেশনাৰ তত্ব আৰু ভক্তি কৰিবলৈ যি নীতি নিৰ্দেশনা আছে সেই তত্ব ৰক্ষা কৰি সমাজত ঘোষণা হওঁক। আমি যদি মহাপুৰুষ শংকৰদেৱক গুৰু হিচাবে লওঁ আৰু তেওঁৰ নাম ধৰ্ম গ্ৰহণ কৰো তেতিয়া আমি সকলোৱে কৰ্মকাণ্ড ত্যাগ কৰি নামেৰে সৰ্বকাৰ্য সমাধান কৰিব লাগিব। সেই ক্ষেত্ৰত এটা সমস্যা আছে। কোনোৱাই এই তত্ব বুজি পাই কৰিব খুজিলে সমাজ বন্ধনত বা গাওঁভূইত গাওঁবুঢ়াৰ নীতি নিৰ্দেশনাৰ ভয়ত কৰিব নোৱাৰে। আজি সেইটোও প্ৰচাৰ এই অভিবৰ্ত্তনেই কৰক। সেই ঠেক গণ্ডিৰ নীতি নিৰ্দেশনা এৰি গুৰু শংকৰৰ মতত যিসকলে কৰ্মকাণ্ড ত্যাগ কৰি নাম কীৰ্ত্তনৰে সৰ্ব কাৰ্য সমাধান কৰে তাক কোনো বাধা নিষেধ কৰিব নোৱাৰিব। শংকৰদেৱৰ শৰণ ধৰ্ম নমনা মানুহে যি কৰে আমাৰ আপত্তি নাই।

):-:(

শ্ৰীহৰেকৃষ্ণ মিশ্ৰ ঃ মহাপুৰুষীয়া ধৰ্ম্ম সংৰক্ষণী সমিতি, বৰপেটা ।

আজি মোৰ এইটো বক্তৃতা আত্মৰক্ষাৰ বক্তৃতা । শংকৰদেৱৰ নামত আজি যি ধৰ্ম ওলাইছে তাক নব্য ধৰ্ম বুলি কব পাৰি । এইটোত আমাৰ স্থান নাই । কাৰণ আমি শ্ৰীশঙ্কৰদেৱৰ মতে এক শৰণীয়া নহয় । এই নব্য ধৰ্মৰ এইটো সিদ্ধান্ত । কিন্তু নিশ্চয়কৈ কব পাৰো যে আমি শ্ৰীশংকৰদেৱৰ মতে এক শৰণীয়া । আজিৰ বিষয় বস্তুলৈ আহিলে পূৰ্ব কথা কিছু কব লাগে । এই ধৰ্ম মতৰ ক'ত কেৰোণ হ'ল তেতিয়া হলে চৰিত পুথিক অৱলম্বন কৰিব লাগিব । মই শংকৰদেৱৰ ধৰ্মৰ মতৰ ভাবাদৰ্শৰ কথা কৈছো । শাস্ত্ৰৰ ওপৰত নিৰ্ভৰ কৰিলে আমাৰ ভাবাদৰ্শ বেলেগ অন্যৰ ভাবাদৰ্শ বেলেগ । এনে ধৰণৰ হ'ল । আমি কাৰ ওপৰত নিৰ্ভৰ কৰি ভাবাদৰ্শ উলিয়াম । শ্ৰীশংকৰদেৱৰ মতে । আমাৰ এটা সম্প্ৰদায়ৰ ওপৰত ভাবাদৰ্শ পৰিবৰ্তন হ'ল । কিহেৰে হ'ল । কি কাৰণত হ'ল । আমি ধৰি লব লাগিব যে শ্ৰীশংকৰদেৱৰ ধৰ্ম ধ্বংস কৰিবৰ কাৰণে এটা দল ভাবাদৰ্শলৈ আহিছে । এনেহলে বৰ বেয়া হয় ।

শ্ৰীশংকৰদেৱ যেতিয়া বৰ্ত্তমান আছিল তেতিয়াই তেওঁৰ ৰচিত ভাগৱতৰ পদৰ অপব্যাখ্যা কৰি অনাচাৰ কৰি প্ৰবৰ্ত্তালোকৰ কথা আমি পাওঁ । এই বিষয়ে দুটি এটি প্ৰমাণ তলত তুলি দিয়া হ'ল—কথা গুৰু চৰিত মতেদি—"আৰু এদিন কাৰোলাবাঢ়ে আহি সেৱা কৰিলেহি । গুৰুজনে বোলে বাঢে তুকি হুহু অনাচাৰে প্ৰৱৰ্ত্তা হয়নে ? বোলে বাপ তোমাৰে পদে দেখো কৈছে—

লোভ মোহ কাম ক্ৰোধ বিষয় আক্ৰোসে ।
মোৰ ভকতক নোচোৰে একো দোষে ॥

অনাচাৰ মানে অন্ন যোনী বিচাৰ নকৰা । "আৰু বোলা যায় । দুৰাচাৰো ভক্ত সুহি নষ্ট" শুনি গুৰু বোলে ৰামানন্দৰ মাক একাদশ শাস্ত্ৰখনি আনা । আমি পদ কৰিছো অনেক প্ৰবন্ধ কৰি জীৱ তৰিবৰ কাৰণে এইমতে বুজিলে দুখত্ৰহে পৰিব । শুচাবহে লাগে কাটি ।"

এই পদৰ প্ৰকৃত অৰ্থ হ'ল—কাৰো পক্ষে কিছু ভজন ক্ৰিয়া কৰি অহঙ্কাৰত কাম ক্ৰোধৰ বশীভূত হৈ অন্ন যোনী আদি বিচাৰ নকৰাকৈ অনাচাৰ কৰিলেও

পাপে একো কৰিব নোৱাৰে। এনেভাবে চলাই থকা দুই এজন তথাকথিত ভক্ত শ্ৰীশংকৰদেৱৰ সংস্পৰ্শত আছিল যে এইটো কৰোলা বাঢ়ৈ কথাৰে প্ৰমাণ ওপৰৰ কথাখিনি। আন এটা কাহিনী গোবিন্দ গুৰুৰ কথা—"আৰু গোবিন্দ গুৰুয়ে তিনি তিনিটা কুৰি মাছ নিয়ে একাদশীত, দেখি মহাপুৰুষ গুৰুৱে বোলে গোবিন্দ দেখো আজি একাদশী কেনে কৰি চলিছা, বোলে—বাপ তোমাৰো পদে······ দেখো কৈছে বোলে—

নাপায় একাদশী উপবাসে।
নকৰয় বশ্য যোগ সন্যাসে॥

বোলে ৰামানন্দৰ মাক একাদশ শাস্ত্ৰখন আনা, পদটো কাটি গুচাও। অ' আমি পদ কৰিলো জীৱ তৰিবৰ কাৰণে তেনেকৈহে বুজিছে দেখো। "শাস্ত্ৰৰ কথা দেখা কথাখিনিকে যদি অৰ্থ কৰা যায়—উক্ত গোবিন্দ গুৰুৰ দৰে শুদ্ধ অৰ্থৰ ঠাইত বিপৰীত অৰ্থ কৰি সাংঘাতিক অৱস্থাত পৰিব। এনেকুৱা কিছুমান কথা আছে—এটা নব্য বিচাৰ আহিলে সেইটোৱে হৈ পৰে। সিয়ে বিপৰীত কৰি দিব পাৰে।

মহাপুৰুষ শংকৰদেৱৰ নাতি পুৰুষোত্তম ঠাকুৰ তেখেতৰ নঘোষা এখন আদৰ ণীয় শাস্ত্ৰ। তাত ধৰ্ম তত্বৰ কথাও আছে—আৰু ধৰ্মৰ আচৰণ প্ৰণালীও পোৱা গৈছে। তেখেতে লিখিছে—

শাস্ত্ৰ হৰি বাসৰক হৰি মূৰ্ত্তি তামৰক
আৰু যিটো জনে হুইকৰে।
মই শংকৰৰ মত পায়া আছো কেনমত
আমাৰেক বুলি যিটো মৰে॥
গঙ্গা তীৰ্থ ভাগৱত গীতা শাস্ত্ৰ তুলসীক
ইসবক নামানে যিজন।
কহো মই সাৰে সাৰ মত ভাব গুহি সাৰ
জানিবাহা সিটো শংকৰৰ॥

ইয়াত শ্ৰাদ্ধ, হৰিবাসৰ মানে একাদশী, হৰিমূৰ্ত্তি ই ধৰ্মত নথাকা বুলি যি জনে কয়—মই তাক নিন্দা কৰি কওঁ সেইটো শংকৰদেৱৰ মত নহয়। শংকৰদেৱৰ মতত এই আছে। এইবোৰ কথা ধৰ্ম মতৰ নিৰপক্ষ লোকে বুজিব,

কোনবোৰে ধৰ্মৰ অগ্ৰগতিত বাধা দান কৰে। কাৰণ দেৱতাত শৰণ থাকিলেই নোৱাৰে যদি ভক্তি আছে। ভক্তি নিষ্ঠ হবলৈ দেৱতা শৰণ এৰিব লাগিব।

গীতা শাস্ত্ৰ ভাৰতবৰ্ষৰ অসমৰ কাৰণেই নহয়। একনাম একশৰণ লৈ দেৱতা ত্যাগ। এইটো প্ৰাথমিক কথা। এইটো তত্ত্ব আমি বুজাপৰা কেনেকৈ কৰিম। মহাপুৰুষ শংকৰদেৱক গ্লানি অনা এইবোৰ কথা। ভক্তিৰ তিনিটা স্তৰ আছে। গীতাত আগে ঋষিয়ে এক শৰণৰ কথা আছে। প্ৰথম একশৰণ, মাজত একশৰণ আৰু শেষত একশৰণ। শংকৰদেৱৰ ধৰ্মতো একে কথা। এক শৰণ ললেই সৰ্বধৰ্ম পৰিত্যাগ কৰিব লাগে। সেইটো গীতাই কেতিয়াও কোৱা নাই। আমি ব্ৰাহ্মণ কেনেকৈ হওঁ। ব্ৰাহ্মণৰ সংস্কাৰ আছে। সন্ধ্যা উপাসনা এৰিব লাগিব যদি সৰ্ব্ব ধৰ্ম পৰিত্যাগ কৰা হয়। এনেহলে মহাপুৰুষীয়া ধৰ্ম সংকীৰ্ণ হৈ পৰিব। মহাপুৰুষীয়া ধৰ্মত সকলো আহিব পাৰে। কিন্তু দেখা গ'ল যে ব্ৰাহ্মণসকল আহিব নোৱাৰিব। যিবোৰ হিন্দুয়ে সংস্কাৰ কৰিব তেওঁলোক আহিব নোৱাৰিব। ইয়াৰ উপায় সহনশীলতা, তাৰ মাজেৰে আমি এক হব লাগিব। যি সমস্যা আমাৰ সকলোৰে কাৰণে আছে তাৰ মোকাবিলা কৰিবলৈ যিয়ে যি কৰে তাৰ প্ৰতি কোনেও চকু নিদিয়াকৈ থাকি সহনশীল হোৱা।

শংকৰদেৱৰ একশৰণ ধৰ্ম বিশ্ব জনীন। "কলি যুগে পাপ পয়োধিত মৰ্জন তাহে কয়লি উদ্ধাৰ" এই ধৰ্মৰ দ্বাৰা উদ্ধাৰ হব লাগিব।

)—(

শ্ৰীমদ্ স্বামী কৃষ্ণানন্দ ব্ৰহ্মচাৰী : মানিকপুৰ গোবিন্দ ভৱন ।

মহাপুৰুষে পবিত্ৰ নিৰ্মল ধৰ্ম প্ৰচাৰ কৰিছিল। বৰ্ত্তমানে তাক বিভ্ৰান্তি কৰি প্ৰচাৰ কৰিব লাগিছে। মহাত্মা গান্ধীয়ে স্বাধীনতা আন্দোলনৰ মাধ্যমেৰে অহিংসা, সত্য, প্ৰেমৰ সন্ধান দিছিল। কিন্তু সেই আন্দোলনকাৰী কংগ্ৰেছ আজি বহুত দলত ভাগ হৈছে। চৈতন্য দেৱতকৈ শংকৰদেৱে ৩০ বছৰ আগতে ধৰ্ম প্ৰচাৰ কৰিছিল। হৰি নামৰ মহাবাণী প্ৰচাৰ কৰিলে। মহাপুৰুষৰ ধৰ্মত মতান্তৰ হব পাৰে। কিন্তু মনান্তৰ কিয় আহিল ? খৃষ্টান ধৰ্মত মনান্তৰ নাই। তেওঁলোক একে আছে। সেইদৰে ইছলাম ধৰ্মতো বহুতো দল আছে তেওঁলোকৰো মনান্তৰ নাই। সেইদৰে বৌদ্ধ, ব্ৰাহ্ম এই সকলো ধৰ্মতে ভাগ ভাগ আছে কিন্তু মনান্তৰ নাই। ইয়ে আমাৰ মাৰাত্মক হৈছে। মুছলমান আৰু খৃষ্টানে আমাক গ্ৰাস কৰি আহিছে আমি বাচিবলৈ হলে এক হব লাগিব।

——

শ্ৰীহৰগোবিন্দ দাস : জিনকটা সত্ৰ, কোচ বেহাৰ।

গুৰু দুজনা আৰু আতাপুৰুষসকলে তেওঁলোকৰ জীৱনৰ শেষ বয়সত আমাৰ কোচ ৰাজ্যতেই ধৰ্ম প্ৰচাৰ কৰিছিল। মহাৰাজ নৰনাৰায়ণৰ পৃষ্ঠপোষকতাত বহু শাস্ত্ৰও প্ৰণয়ন কৰিছিল। আপোনালোকে জানে মহাপুৰুষ শংকৰদেৱক উজনীৰ আহোম ৰজাই ব্যতিব্যস্ত কৰি তোলাত তেওঁ বাধ্য হৈ নামনিলৈ আহি আমাৰ এই পাটবাউসীতে থিতাপি লয়। সেই সময়ত পাটবাউসী কোচ ৰজাৰ অধীনত আছিল। মহাৰাজ নৰনাৰায়ণৰ ওচৰতো এই পাটবাউসীত থাকোতে তেখেতৰ ধৰ্মত বেদ কৰ্ম নকৰা, শ্ৰাদ্ধ পিণ্ড আদি উঠাই দিয়া, বেদ লংঘন কৰা আদি ইত্যাদি ধৰণৰ অপৰাধমূলক কাম কৰা বুলি ৰজাৰ ওচৰত গোচৰ দিছিল।

এইবোৰ কথা সকলোৱে জ্ঞাত। মহাৰাজ নৰনাৰায়ণ আৰু চিলাৰায় দুয়ো অগাধ পণ্ডিত আছিল। দুয়ো কাশীৰ ব্ৰহ্মানন্দ সন্যাসীৰ ছাত্ৰ আছিল। যিখন ভক্তি ৰত্নাৱলী পুথি মাধৱদেৱে অনুবাদ কৰিছে সেইখনৰ লিখক আছিল বিষ্ণুপুৰী সন্যাসী। তেওঁৰে প্ৰিয় শিষ্য অগাধ পণ্ডিত ব্ৰহ্মানন্দ সন্যাসী। বিষ্ণুপুৰী সন্যাসীয়ে বুজিছিল এদিন পূৰ্ব দিশত শংকৰদেৱ নামত ঈশ্বৰ অৱতাৰ হব আৰু তেওঁক সেই শাস্ত্ৰখন দিয়াৰ কথা কৈছিল। নিশ্চয় সেই জনৰে ছাত্ৰ হিচাবে ব্ৰহ্মানন্দ সন্যাসীয়ে শংকৰদেৱক জানিছিল। অগাধ পণ্ডিত শংকৰদেৱ আৰু তেৰাৰ সময়ৰ পণ্ডিত সকলৰ বিতৰ্কৰ ৰায় দিবলৈ নৰনাৰায়ণ উপযুক্ত ৰজা আছিল।

যিয়েই হওঁক ব্ৰাহ্মণ সকলৰ পৰা গোচৰ শুনাত ৰজাই কৈছিল - সেইজন কোন অধৰ্মী শংকৰ, তাৰ চালেৰে ভৰা চাম আৰু হাড়েৰে ভৰা কোবাম বুলি কোৱা কথা সকলোৱে জানে। অৰ্থাৎ তেৰাক মৃত্যু দণ্ড দিয়া হৈছিল। প্ৰভু সকল মন কৰক সেই ৰাজ সভাত বিদগ্ধ পণ্ডিত এচাম আছিল। মন্ত্ৰী, পাত্ৰ মন্ত্ৰীকে আদি কৰি অন্যান্য বহুত আছিল। কিন্তু এই আদেশত কোনেও হস্তক্ষেপ কৰা নাছিল। কিন্তু ভাতৃ চিলাৰায়ে কৈছিল "মহাৰাজ তুমি ৰজা, মাতৃবৎ পিতৃবৎ সকলো দস্যু ডকাইতকো বিচাৰ কৰিহে শাস্তি দিয়া। কিন্তু এই জন শংকৰক বিনা বিচাৰে শাস্তি দিলা কিয় ?', ৰজাই উপলব্ধি কৰি কৈছিল— "অ' নহয় সেইজন শংকৰক অতি শীঘ্ৰে ৰাজ সভালৈ ধৰি অনা হওঁক— বিচাৰ কৰা হওঁক আৰু শাস্তি দিয়া হওঁক।"

পৰীক্ষিতৰ আগত ভাগৱত কৈ শেষ হোৱাত ঋষি সকলে আকৌ ভাল দৰে ভাগৱত শুনিবলৈ বিচৰাত শুকদেৱে দেখুৱাই দিছিল দুৰত থকা সুত মুনিক। যেতিয়া সুতক দেখুৱাই দিলে তেতিয়া ৩২ হেজাৰ ঋষি উঠি গুচি গ'ল। এই ৩২ হেজাৰ ঋষি কোন আছিল। যিয়েনেকি জাত্যাভিমানী দল—যিয়ে সৰু জাতৰ সুতৰ পৰা ভাগৱত শুনিব নিবিচাৰে। তেওঁলোকে সুতক গুৰু হিচাবে গ্ৰহণ নকৰে। সেই উঠি যোৱা ঋষি সকলৰে বংশধৰ সিদিনা নৰনাৰায়ণৰ ৰাজ সভাতো আছিল। সেই সকলেই মহাপুৰুষ শংকৰদেৱৰ বিৰুদ্ধে গোচৰ দিছিল ই সত্য কথা। আজিও সেই সকল লোকৰে বংশধৰ ইয়াত আছে। থকাতো স্বাভাৱিক। কৃষ্ণ স্বয়ং থাকোতেও বহুত অসুৰ আছিল। তদ্ৰূপ কথা।

যি সকলে পণ্ডিত ৰজা নৰনাৰায়ণকো বিচাৰ নোহোৱাকৈ শংকৰদেৱক শাস্তি দিবলৈ সৈমান কৰাব পাৰিছিল। সেই সকলে পৰৱৰ্তী কালত শাস্ত্ৰজ্ঞ নোহোৱা দুৰ্বল ৰজা বিলাকৰ হতুৱাই মহাপুৰুষীয়া ধৰ্ম বিভ্ৰান্ত কৰিবলৈ সহজ হৈ গ'ল।

আৰু তাকে কৰিলে। ই ঐতিহাসিক কাৰণ। গুৰু দুজনা যোৱা ১২৫ / ৩০ বছৰৰ পিছতেই ৰজাক হাত কৰি পুনৰ গুৰু ধৰ্মত কৰ্মকাণ্ড আদি সোমোৱাই লৈছিল।

আপোনালোকে পৰম্পৰাৰ কথা কৈছে। এই পৰম্পৰা বেছি দিনৰ নহয়। ২০০/২৫০ বছৰৰহে। আৰু যদি পৰম্পৰাকে মানিব লাগে মোৰ এটা সাধাৰণ প্ৰশ্ন— আমাৰ ককাইতৰ দিনতে দেখিছো ৰজাৰৰ পৰা আহি ঘৰত গা ধুইহে সোমাইছিল। সেইটো পৰম্পৰা কলৈ গ'ল? আজি আমি দাইনিং টেবুলত জোতা পিন্ধি ভাত খাওঁ। মাজত ভাত লৈ দিয়া জনে সেৱা কৰি কৃষ্ণ বুলি দিয়া ভাত গ্ৰহণ নকৰো। এইবোৰত পৰম্পৰা ৰখা নাই কিয়? পৰম্পৰাটো সুবিধা মতেদি নেকি? যদি পৰম্পৰা ৰ'ব লাগে এইবোৰ সকলো ৰ'ব লাগে। আচলতে পৰম্পৰা বজায় ৰখা হৈছে। সেই সকলেই বজাই ৰাখিছে— যি সকল ৩২ হেজাৰ ঋষিৰ বংশধৰ আৰু ৰজাক গোচৰ দিয়া সকলৰ বংশধৰ। সেই কাৰণে কব বিচাৰিছো—যিসকলে পৰম্পৰাৰ দোহাই দি গুৰু ধৰ্ম শুদ্ধ ভাবে গ্ৰহণ নকৰে তেনেহলে অন্যায় কৰা হব। আমাৰো শৰণ ভ্ৰষ্ট হব।

আজি বিভিন্ন ধৰ্মীয় সংগঠন আৰম্ভ হৈছে, ইয়াৰ কাৰণ ইয়ো এটা চক্ৰান্ত। আমাৰ গুৰু ধৰ্ম ধ্বংসৰ চক্ৰান্ত। সত্ৰ সমূহে অশুদ্ধ ভাবে ধৰ্ম পালন কৰাৰ বাবেই শংকৰদেৱ সংঘ, ভাগৱতী সমাজ আদি সংগঠনবোৰ থিয় হৈছে শুদ্ধভাবে ধৰ্ম প্ৰচাৰ কৰিবলৈ। আমাৰ অধিকাৰ সকলেও পিছত বেলেগ ধৰণে চিন্তা কৰা যেন বোধ হ'ল। আমাক ঘৰত গীতা পঢ়িবলৈ মানা কৰিছিল, কৈছিল গীতা পঢ়িলে পাপ হয়। ই এটা কুসংস্কাৰ প্ৰচলন শাস্ত্ৰ সমূহ দুৰৰ পৰা সেৱাহে কৰিব পাৰিছিল। পঢ়াৰ অধিকাৰ নাছিল। গতিকে আমাৰ ধৰ্মটো সত্য শুদ্ধ বাবে প্ৰচাৰ হোৱাত বাধা হৈছিল মানে বাধা দি ৰখা হৈছিল। আজি ছপা হোৱাৰ কাৰণে সকলোৱে পঢ়িবলৈ পাইছে আৰু গুৰু ধৰ্ম শুদ্ধা শুদ্ধ বিচাৰ কৰিব পাৰিছে। এই শাস্ত্ৰ সমূহ পঢ়িব নোৱাৰাৰ কাৰণেও গুৰু ধৰ্ম বিভ্ৰান্তি হোৱা বুলি কব পাৰি।

প্ৰভুসকল আজিৰ চাম মানুহে সকলো পুঁথি পাজি পঢ়িছে গতিকে গুৰু ধৰ্মৰ বিপৰীতে কৰা কূট কৌশলবোৰ আৰু বৰ্ত্তি নাথাকিব। যোৱা কালি সন্ধ্যা-লকে কৈছে যে এনে এটা সময় আহিব সকলো শংকৰ সংঘ, ভাগৱতী সমাজৰ ফালে আহিব। তেখেতে এই কথা উপলব্ধি কৰি কৈছে। সত্য কথাক কোনেও বাধা দি ৰাখিব নোৱাৰিব। ইমানকে কৈ মই সামৰণি মাৰিলো। জয় গুৰু শংকৰ।

শ্ৰীসৰ্বানন্দ পাঠক :—বৰপেটা ৰোড, শাখা সত্ৰ

যোৱা পাঁচশ বছৰে আমি কি কৰিলো। আমাৰ এই সমস্ত বিসংগতি প্ৰেমৰ মাজেৰে দূৰ কৰিব পাৰিম। ইজনে সিজনক বুজিব পাৰিম একমাত্ৰ প্ৰেমৰ মাজেৰে।

——

আচাৰ্য—শ্ৰীইলাৰাম দাস : এক শৰণ ভাগৱতী সমাজ

শ্ৰদ্ধেয় হৰেকৃষ্ণ মিশ্ৰদেৱে ন ঘোষাৰ যি পদ মাতিছে তাৰ পিছৰ পদটো নামাতিলে—তেখেতে মতা পদবোৰে হৰি বাসৰৰ, মালা, তুলসী নমানা আদি কথা যে কৈছে—সেইয়া অভকত মানুহৰ কাৰণে কৈছে। তাৰ পাছৰ পদটো এনেদৰে দিয়া আছে—

হৰি কথা শ্ৰৱণত , হৰি কথা কীৰ্ত্তনত
ৰতি যাৰ হৰি স্মৰণত।
কহো মই সাৰতৰ জানিবাহা সবে নৰ
নমস্কাৰ তাৰ চৰণত॥
কৃষ্ণ গৈলা বৈকুণ্ঠত আছে ধৰ্ম কৰ্ম যত
কৃষ্ণৰ পাছত সবে গৈলা।
যিবা আছে ভাওধৰি নামত শৰণ পশি
নাম লৈলে তাৰ সবে ভৈলা॥

তেখেতে পিছৰ পদটো নামাতা কাৰণে এটা অপ্ৰাসঙ্গিক অৱস্থা সৃষ্টি হৈছে। সেইদৰে কথা গুৰু চৰিতৰ "কাম, ক্ৰোধ, লোভ, মোহ বিষয় আকৰ্ষণ।" আদিৰ কথা কলে তাৰ উত্তৰ ঠাকুৰ আতা প্ৰকৰে দিছে—"পাছে গুৰু বোলে কেনেকৈনো লৈছা কোৱাচোন ? বোলে বাপ লোভে ধৰিলে পৰৰ অনেক আছে ঘিউ, মৌ,

চেলী, চুৰা, ডুঙ্গ, ক্ষীৰ, লৰণু দৈ আনো উপাধি দেখিম শুনিমহে কি পাম তাক ? আপোনাৰ লাগে তিতা কেহা হ'ল তাতে হলেও নমৰো খাই পাই। আৰু মোহে ধৰিলে আপোনাৰে সোন, ৰূপ, তাম, কাহ, পিতল, বস্ত্ৰ, গো, মোহ তাক চাই সামৰা যায়। কামে ধৰিলে আপোনাৰে বিবাহিত ভাৰ্যা আছে তাতে সকলো আৰু মনৰ কামনা যি হয় অৰ্থে বিতে কৰা যায়,...... লগাই ভাঙি চিঙি। আৰু ক্ৰোধে আপোনাৰে দাসী, দাস, ভাৰ্যা, পুত্ৰ বান্ধা তাকে পালি মাৰি সাৰা যায়।" তেতিয়া গুৰুজনে সেই পদ ৰাখিছে। তেঁতিয়া গুৰুজনে বোলে বিষয়ী হলে ঠাকুৰৰ দৰে হবা আৰু কেৱলীয়া হলে মাধৱৰ দৰে হবা।" এইখনে ন ধোৱা, এইখন কথা গুৰু চৰিত। আধৰুৱাকৈ মাতিলে তাৰ অৰ্থবোধ কেনেকৈ ওলাব। হে প্ৰভুসকল আপোনালোকে বিচাৰ কৰি চাব।

শ্ৰীগোলোক কাকতি : জামুগুৰি হাট।

গুৰুজনাক যিসকলে বিৰোধ কৰিছিল সেই সকলক ব্ৰাহ্মণ বুলি মই নকওঁ— আনেও নকয়— তেওঁলোক কৰ্মকাণ্ডী আছিল। গুৰুজনে "অন্ত জাতি পতিত তাৰণ কাৰণ হেতু" এইবাৰ অৱতাৰ লৈছিল। যিসকলে বংশৰ মৰ্য্যদা, সামাজিক নেতৃত্ব এক শৰণ ধৰ্ম প্ৰচাৰ হলে যায় বুলি ভাবিছিল সেই সকলেহে গুৰুজনক বিৰোধ কৰিছিল। ব্ৰাহ্মণসকলে বা ব্ৰাহ্মণ এটা জাতি বুলি কোৱাটো উচিত নহব।

এনে ধৰণে এটা কথা কোৱা শুনা যায় যে মহাপুৰুষীয়া ধৰ্ম বিগ্ৰহ প্ৰতিষ্ঠা হোৱাতহে পূৰ্ণতা হৈছে। এইটো কেতিয়াও নহয়। মোৰ ভাবেৰে যিদিনাই মহাপুৰুষ মাধৱদেৱে শংকৰদেৱৰ লগত লগ লাগে সেই দিনাই মহাপুৰুষীয়া ধৰ্ম পূৰ্ণতা প্ৰাপ্তী হয়। দুজনা গুৰুৰ নাম আৰু গুণ যি ঠাইত প্ৰকাশ হব সেই ঠাই পূৰ্ণতা হোৱা বুলি কোৱা হয়।

কৃপালু গুৰু শ্ৰীমন্ত শংকৰদেৱক শ্ৰীমাধৱদেৱে গুৰুৰো গুৰু পৰম গুৰু বুলি

ঘোষণা দিয়াৰ পিচতো তাক আমি স্বীকাৰ কৰি নলৈ বহু সত্ৰত বিভিন্নজনক গুৰু বুলি পৰিচয় দিয়াৰ কাৰণে আমাৰ মাজত বিভ্ৰাত হ'ল। তাক আমি প্ৰতিকাৰ কৰিব লাগিব। এই কাৰণে সংহতি সৃষ্টি হ'ল।

অসমৰ বিভিন্নথন সত্ৰত গুৰু উপাসনাৰ বাবে যি গুৰু আসন প্ৰতিস্থা কৰিব লাগে— তাতো বিকাৰ জন্ম হ'ল। গুৰু আসনত গুৰুজনে কৈ যোৱাৰ দৰে গুনিও মাধৱ মোৰ থাকিবাৰ থান।

কীৰ্ত্তন দশম মোৰ মূৰ্তিৰ সমান। দশম পুথি বা ভাগৱত প্ৰতিস্থা হব লাগিছিল। তাকে নকৰি বিগ্ৰহ প্ৰতিস্থা কৰাৰ বাবেও এই মহাপুৰুষীয়া সকল বিভ্ৰাত হ'ল।

ভক্তিৰ সাধনটো লঘু কৰা হ'ল। মন্ত্ৰৰ বচন মুখস্থ থাকিলেই যেন তেওঁ এজন মহা ভক্ত হ'ল এনেদৰে ধৰি লোৱা হয়। মহাপুৰুষীয়া ধৰ্মত ভক্তিৰ সাধন আছে। শ্ৰৱণ ভজন অতি অনুপাম— এই ধৰ্মৰ ভক্তি সাধন প্ৰণালী। যিসকলে ভক্তিৰ সাধন কৰিছে শৰণাৰ্থীজন, ভক্তজন সেই সকলৰ হাতত শৰণ ভজনৰ দায়িত্ব থকা হলে মোৰ বিশ্বাস আজিৰ দৰে ধৰ্ম বিভ্ৰাত নহ'লহেঁতেন। এই ক্ষেত্ৰতেই পৰম্পৰা শব্দটো অপ্ৰয়োজন বুলি ভাবিছো। পৰম্পৰা লাগিব। কিন্তু এই ক্ষেত্ৰত প্ৰয়োজন নাই। যি পৰম্পৰাত মহাপুৰুষ শ্ৰীশংকৰদেৱে নিজৰ পুত্ৰক গুৰু নকৰি যোগ্য হিচাবে মহাপুৰুষ শ্ৰীমাধৱদেৱক বহুৱালে— সেই দৰে মাধৱদেৱে বৰপেটাত মথুৰাদাস বুঢ়া আতাক আৰু বুঢ়াআতাই দি থৈ গ'ল সমূহক। যাতে সমূহে যোগ্য এজন ব্যক্তিক বহুৱাই পৰম বস্তু পায়।

কুঁহিয়াৰ ৰসে যিদৰে অমৃত দিয়ে যদি সেই কুঁহিয়াৰৰ লগত বিষ অলপ-মান দিয়া যায় তেন্তেহলে তাৰ ক্ৰিয়া আৰম্ভ হব। সেইদৰে এক শৰণৰ লগত কৃত্তিম পন্থা দিয়া কাৰণে তাৰ ক্ৰিয়া নহয়। বহু ঠাইত নাম প্ৰসঙ্গৰ লগত ৰবি ঠাকুৰৰ গীতো আবৃত্তি হৈছে। শৰণ দিয়া হৈছে শংকৰদেৱক ঢাকি। এইবোৰ কৃতিম। আৰু এটা অতি বাস্তৱ কথা অসমত সোমাল অস্পৃশ্যতা। ই মহাব্যাধি। গুৰুজনে লোক তাৰণৰ কাৰণে আহিছিল। এইবোৰ বাদ দি "এওঁ কোন জাতৰ; কোন সম্প্ৰদায়" আমি বিচাৰ কৰাৰ ফলত বহুত লোক অসমৰ পৰা আতৰি গ'ল। দুজনা গুৰুৰ আশীৰ্ব্বাদতে ভাৰতবৰ্ষত অস্পৃশ্যতা সাংঘাতিক দুৰ্ঘটনাৰ পৰা আমি হাত সাৰিছো। তথাপি সৰু-সুৰাকৈ হলেও বৰ্ত্তমানে আছে সেইবোৰে আমাক বহুত ক্ষেত্ৰত বিপদত পেলাইছে।

এনে ধৰণৰ সভা আজিলৈকে কতো হোৱা নাই। সকলো সংহতি গোষ্ঠী লগ কৰি হোৱা এই সভাতে আমি উদাৰ ভাবে একশৰণক মাধ্যম কৰি এটা প্ৰস্তাৱ লওঁ আৰু কেইজনমান গুণি জ্ঞানী ব্যক্তিয়ে নিজৰ জীৱনৰ কিছু সময় খৰছ কৰি উদাৰ ভাবে কাম কৰিলে আমাৰ বিভেদ দূৰ হব। তাকে কৈ সামৰণি মাৰিলো।

শ্ৰীপ্ৰেমকান্ত মহন্ত : গুৱাহাটী।

আজিৰ যিটো বিষয় তুজনা গুৰুৰ বৈকুণ্ঠত স্থিত হোৱাৰ পিছত আৰু গুৰু ধৰ্মত যি মতাদৰ্শ ঘটিছে সেই বিষয়ে আলোচনা। ইয়াত যিটো কোৱা হৈছে যে ইয়াত কাৰোবাৰ চক্ৰান্ত আছে কুবুদ্ধি আছে এইটো ভবাতো স্বাভাবিক। কিন্তু মোৰ বোধেৰে এইবোৰ নহয়।

প্ৰথম কথা আমি ভাবিব লাগিব যি সময়ত ধৰ্ম প্ৰচাৰ কৰিছিল এইখন দেশত সেই সময়ত ভৌগলিক পৰিস্থিতিটো কি আছিল। এটা সৰু উদাহৰণ আপোনালোকক দিওঁ। যেতিয়া মাধৱদেৱৰ মহাপুৰুষৰ পিতৃ পত্নী বিয়োগ হোৱাত উজনিলৈ আহিল। দ্বিতীয়বাৰ বিবাহ কৰিলে মাধৱদেৱৰ জন্ম হ'ল। ৰুক্মিণী আইৰ জন্ম হ'ল ডেকা হৈ অহা পুত্ৰ মাধৱদেৱক লগত লৈ যেতিয়া ঘৰলৈ গ'ল তেতিয়া বাণ্ডুকাত থকা আগৰ জনৰ ফালৰ পুত্ৰ দামোদৰে তেওঁক সুধিছিল, "বোলে পিতা তোমাৰ লগত অহা সেইজন কোন?" "বোলে বোপাই মই আকৌ বিয়া কৰিলো নহয়—তোমাৰ ভাই।" অৰ্থাৎ কিমান বছৰৰ পিছত পুতেকে গম পালে যে পিতাকে আৰু বিয়া কৰিছে আৰু এজনী ভনীয়েক বিয়া দিয়ো আহিছে। এতিয়া সেইটো পৰিস্থিতিত যোগাযোগ কেনে আছিল? গতিকে সেই সময়ত এটা বস্তু মধুপুৰত কোনোবা এজন ভক্তই গ্ৰহণ কৰিলে তেওঁ গৈ যদি উজনী পালেগৈ সেই সময়ত যদি কিবা সলনি হলো তাক চিঠি লিখি বা

বাৰ্ত্তা পঠাই পাৰলৈ উপায় নাই । এই ভৌগলিক পৰিস্থিতিৰ কাৰণে আমাৰ বহু ক্ষেত্ৰত অমিল হ'ল ।

পৰম্পৰাটো আমাৰ বৰ নিন্দা কৰা হৈছে, পৰম্পৰা এটা সাংঘাতিক বস্তু। এটা সৰু কথা কওঁ— ইয়াতে সুন্দৰিদিয়া সত্ৰত বন্তিগছি গুৰু আসনৰ ফালে মুখ কৰি দিয়া হয় । আন আন ঠাইত বন্তি গছি দক্ষিণ মুখ কৰি দিয়া হয়। কোনোবাই যদি কয় সুন্দৰিদিয়া সত্ৰৰ এইটো ভুল । বন্তি গছি এনেকৈহে দিব লাগে—আৰু সুন্দৰিদিয়া ভকত এজনে যদি অন্যত দেখি কয় যে তেওঁলোকৰ ভুল— তেতিয়াহলে দুয়ো পক্ষৰ ভুল হব । কাৰণ সুন্দৰিদিয়া সত্ৰৰ বন্তিগছ গুৰু আসনৰ ফালে কিয় মুখ কৰিলে তাৰ এটা ঐতিহ্য আছে । সেইটো হল বৰ বিষ্ণু আতাক মহাপুৰুষ মাধৱদেৱে শৰণ কৰাইছিল, তেতিয়া তেওঁক প্ৰত্যেকবাৰেই সুধি-ছিল গুৰু আসনৰ ফালে চাই "তুমি কি দেখিছা ।" তেওঁ কলে "বোলে বাপ মই একো দেখা নাই ।" বন্তিগছ অলপমান ঘুৰাই দিলে দি সুধিলে "এতিয়া কি দেখিছা ? "বোলে বাপ মই ধেঁৱা কোৱা দেখিছো । আৰু অলপ ঘুৰাই দি সুধিলে 'কি দেখিছা" "বোলে বাপ মই তাত স্বয়ং ভগৱন্তক দেখিছো ।" সেই দিন ধৰি সুন্দৰিদিয়াত বন্তিগছ আৰু পোন নকৰিলে । ইয়াত একো দোষৰ কথা নহয় । তাত আমি কোনেও দোষ ধৰিব নালাগে । এইটো কিয় বেলেগ হব ? সকলোৰে একে হব লাগিব বুলি কব নালাগে । সেইটো তেনেকৈয়ে থাকক ।

তেনেকৈ নাম পাঠ প্ৰসঙ্গৰ ক্ষেত্ৰটো বেলেগ হ'ল । ইয়াতে হব পাৰে বলাই মাতৃৰ কথা । সুন্দৰিদিয়াত আই গোসানীৰ কথাও কয় । অন্য প্ৰসঙ্গত আন আন ঠাইত টোটয় হয় গুণমালা, লীলামালা হয় এনেদৰে হয় কৰবাত গুৰু ভটিমা পিচলৈ থাকে— আহি গোসানীয়ে কলে যে বলাই মাতৃয়ে কলে যে— "মই কাম বন কৰি আহি পাওঁ মানে গুৰু ভটিমাটি শেষ হয় । গতিকে মই গুৰু ভটিমাটি শুনিবলৈ নাপাওঁ । পিচলৈ থব নোৱাৰিনে ? "বোলে পাৰি ।" পিচলৈ থলে, সেইবোৰ ঠাইত গুৰু ভটিমা পিচত গায় কৰবাত আগতে গায় ।

এইবোৰ সৰু সুৰা কথা । ইয়াৰে আমাৰ ক্ষতি কৰা নাই । আমাৰ বিভাজনটো ক্ৰমাত কেনেকৈ হ'ল— বুৰঞ্জীমূলক বৰ সংঘাত পূৰ্ণ কথাও আছে ।

জগত গুৰু জন যেতিয়া পাটবাউসীত আছিল সেইখিনিতে দামোদৰদেৱক আনি যেতিয়া নিজে থাপিলেহি মাধৱদেৱ পুৰুষ এইখিনিত গণকফুচিত থাকে । সেই সময়ত চৰিত পুথিত আমি পাওঁ— দামোদৰদেৱক অতি মৰম কৰি তেওঁৰ

তিনি গৰাকী বিধৱা মাক, বায়েক আৰু বৈয়েক এই সংসাৰখনৰ লৈতে প্ৰতিজ্ঞা কৰিলে— অ'ৰ ত'ৰ বিশেষকৈ ব্ৰাহ্মণ ভকত আহিলে গুৰুজনে দামোদৰৰ ওচৰলৈ পঠায়। মই কাকো ক্ষুণ্ণ কৰিবলৈ কোৱা নাই যে এনে ক'তো নাই— সেইখিনিতে থকা মাধৱদেৱত শৰণ লবলৈ কাকো পঠোৱা নাই। ইয়াৰ পৰা এইটো ৰহস্য যে গুৰুজনে দামোদৰদেৱক মাধৱ পুৰুষতকৈ বেছি বুলি ভাবিছিল। তিনি গৰাকী বিধবাৰ লৈতে থকাৰ কাৰণে হয়তো গুৰুজনে তেওঁৰ অন্ন জল হওক বুলিয়েই হয়তো হব পাৰে এনেদৰে কৰিছিল। গুৰুজনে নিজে বাক্য কৰিছিল যে দামোদৰকে মোকে ভিন্ন নকৰিবা, যিয়ে মোৰে দামোদৰকে ভিন্ন দেখে তেওঁ মোৰ প্ৰতি অন্ন ব্যৱহাৰ কৰে, এনেদৰেও কৈছে। এই ক্ষেত্ৰত আমাৰ বিভাজনৰ কথা নাছিল। কিন্তু মোৰহে কথা এটা বুলি কওঁ—আৰু শংকৰদেৱ সংঘৰ শ্ৰীমোহন চন্দ্ৰ মহন্তই গেইট চাহাবৰ কথা কৈছিল। গেইট চাহাবে অতি অশুদ্ধ কথা এটা কোৱা নাই। কাৰণ গুৰুজনাৰ যেতিয়া বৃদ্ধ অৱস্থা এটা হ'ল, সেই সময়ত সকলোৰে মনত এটা কথাৰ ভাব হৈছিল যে আমি মল চকুৰে দেখি থকা গুৰুজনৰ যি মুৰ্ত্তি সি সদায় নাথাকে। গুৰুজনা দেহা এৰি গলে আমাৰ গুৰি কোনে ধৰিব। মাধৱদেৱক কেন্দ্ৰ কৰি যি সকল আছিল সেই সকলে ভাবিছিল "আৰু কাক দিব নিশ্চয় বঢ়াৰ পোকে দিব।" আৰু যিসকল লোক দামোদৰদেৱৰ তাত শৰণ লৈছিল সেই সকলে ভাবিছিল এতিয়াও যিহেতুকে শৰণ ভজন লবলৈ দামোদৰদেৱৰ ওচৰলৈ পঠায় থাকে গতিকে গুৰুজনৰ উত্তৰাধিকাৰী নিশ্চয় দামোদৰ দেৱেই হব। এনেকৈ ইয়াতো দুটা শিবিৰ তেতিয়াই গঠন হৈছিল। এইয়া মোৰ মনৰ কথাহে। গুৰুজন যেতিয়া বিহাৰলৈ গৈ বৈকুণ্ঠলৈ বুলি ওলাল—তেতিয়া চৰিত পুথিৰ মাজেদি ৰামানন্দ ঠাকুৰে কলে— "পিতা তোমাৰ সম্পত্তি মইহে একো নাপালো।" গুৰুজনে বোলে—বোপাই ইয়াত যিখিনি তামাকাহা আছে সেইয়া তোমাৰ হাতভেই আৰু বাকী তাত থকা খিনি মাৱাৰ হাতত আছে তাত গৈ লবাঁগৈ।" ঠাকুৰে বোলে "মই ইহকালৰ বিত্ত বিচৰা নাই পৰকালহে।" তেতিয়া গুৰুজনে বোলে "মোৰ সবেখিনি শক্তি ভক্তি বঢ়াৰ পোতে থৈ আহিছো তেওঁক গুৰু মানি লবা।" গুৰুজন যোৱাৰ পিছত এই কথাতো প্ৰথম প্ৰকাশ হৈছে অদ্বৈত থকা মাধৱদেৱৰ সখা নাৰায়ণ দাস ঠাকুৰ আতাৰ ঘৰত। চৰিত পুথি মতে ৰাতি আহি তাত আছে। তেতিয়া তেওঁক সুধিছে "বোলে বোপা মোৰ প্ৰাণৰ গুৰু চলাৰ সময়ত তুমি ওচৰতে আছিলা?" ঠাকুৰে কলে "হয়

আছিলো” “বোলে চলাৰ সময়ত মোৰ প্ৰাণৰ গুৰুৱে কি কলে ?” তেতিয়া তেওঁক কলে সেই কথাটো। কোৱাৰ পিছত দুয়ো আহিল পাটবাউসীলৈ। এতিয়া বহুতে সন্দেহ কৰে— দামোদৰদেৱৰ সঙ্গীসকলে সন্দেহ কৰিছে যে এইটো তেওঁৰ সখা মাধৱদেৱক উত্তৰাধিকাৰী কৰিবৰ কাৰণে নাৰায়ণ দাস ঠাকুৰ আতাই সজাইছে। এই খিনিতে মাধৱদেৱৰ যোগ্যতাৰ কথাটো অহাই নাই। কিন্তু কথাটোত সন্দেহ কৰি সেইখিনিত এটা বিভাজন হৈ উঠিল। গুৰু কীৰ্ত্তনৰ দিনা ৰামানন্দ ঠাকুৰৰ মুখেৰে কথাটো কোৱাই মাধৱদেৱক উত্তৰাধিকাৰী কৰি এই কথাটো অহুকাণে পহুকাণে গৈ যেতিয়া দামোদৰদেৱৰ কাণত পৰিল তেওঁ তেওঁৰ সঙ্গীসকল কীৰ্ত্তনলৈ আহিবলৈ অমান্তি হ'ল। বিবাদটো তাতে আৰম্ভ হৈছে। হলেও দামোদৰদেৱ শেষ কাললৈকে সদায় গুৰুজনাৰ অনুগত আছিল। তেওঁ মাধৱদেৱৰ উত্তৰাধিকাৰীটো মানিবলৈ টান পাইছে কিন্তু গুৰুজনাৰ প্ৰতি থকা শ্ৰদ্ধা আৰু গুৰুজনক গুৰু বুলি মানিবলৈ কেতিয়াও টান পোৱা নাই।

আৰু এবাৰ কথা মই নিবেদন কৰিব বিচাৰো এই ব্ৰাহ্মন সম্প্ৰদায়টো তেওঁলোকে যে গুৰুজনক বৰ অন্যায় কৰিলে, তেওঁলোকে শত্ৰুভাবে চক্ৰান্ত কৰি গুৰুজনাক বৰ বিৰোধ কৰিলে, এই কথাটো আমি সভাই সমিতিয়ে বৰকৈ কওঁ। কিন্তু মই আপোনালোকক এটা প্ৰশ্ন কৰো। কুসুম্বৰৰ পুত্ৰ শংকৰক কোনে প্ৰথমতে দেৱত্ব দান কৰিলে ? তেওঁৰ শৰীৰত দেৱত্ব শক্তি প্ৰথম কোনে দেখিলে ? তেওঁ এজন ব্ৰাহ্মণ মহেন্দ্ৰ কন্দলী। আগতে ব্ৰাহ্মণেহে দেৱ লিখিব পাৰে— মহেন্দ্ৰ কন্দলীয়ে তেওঁক দেৱ বুলি অভিহিত কৰিছিল। শংকৰদেৱ কৰিছিল। গুৰুজনৰ প্ৰথম যিসকল শিষ্য সেইসকল ব্ৰাহ্মণ। ঘাই ঘাই ব্ৰাহ্মণ। ব্ৰাহ্মন সকল আকৰ্ষিত হোৱা দেখিহে ইতৰ শ্ৰেণী সাধাৰণ লোকসকল আকৰ্ষিত হৈছিল। ভাবিছিল তেওঁৰ গাত কিবা আছে নহলে ইমান ডাঙৰ ডাঙৰ পণ্ডিত ব্ৰাহ্মণসকল কিয় তেওঁৰ তাত শৰণ লব। নিশ্চয় তেওঁৰ কথাত কিবা আছে। সেই কাৰণেই সাধাৰণ লোকসকল অধিক ভাবে গুৰুজনৰ ওচৰলৈ আহিছে। মই এইটো কবলৈ বিচৰা নাই যে ব্ৰাহ্মণসকলক দেখিহে বাকী লোক আহিছে। সেই সময়ত ব্ৰাহ্মণ লোক সকল যেতিয়া কোনো দ্বিধা নোহোৱাকৈ ঢাপলি মেলিছে তাকে দেখি অনেক সাধাৰণ লোকৰ মনত সজাগতা সৃষ্টি হৈছে। হয় শত্ৰুতা কৰিছে ব্ৰাহ্মণসকলে। সেই সকলে দামোদৰদেৱৰ বিৰুদ্ধেও কৰিছে। ৰাজ সভাত শংকৰদেৱৰ বিৰুদ্ধে গোচৰ দিলে। কিন্তু আমি কোৱা নাই সেইসকলে দামোদৰ

প্ৰেৰ বিৰুদ্ধেও দিছিল। তেওঁকো বিচাৰলৈ টানি নিছিল। এই সংঘাতটো আছিল দুটা আদৰ্শৰ। বৈষ্ণৱ আৰু শাক্ত সংঘাত। এই ব্ৰাহ্মণ বুলিয়েই কিবা চক্ৰান্ত কৰিছে এই কথাটো কোনেও ভাবিব নালাগে। কোনোবাই হয়তো পিচৰ কালত কৰিছে। সেইটো বেয়া কথা।

আমাৰ ইয়াত হোৱা সংহতিটোৰ কোনেও নামকৰণ কৰি যোৱা নাই। এইবোৰ নিজে নিজে হৈ গৈছে। কেনেকৈ হ'ল? মহাপুৰুষ মাধৱদেৱ যেতিয়া বেহাৰত আছিল তেতিয়া বদলা পদ্ম আতাক এটা কথা কৈছিল—যে "মই উজনিলৈ ধৰ্ম প্ৰচাৰ কৰিবলৈ গোপাল যদুমণিক পঠাই দিলো মানে বংশী গোপাল আৰু যদুমণি। তেওঁলোকে দুয়ো এতিয়া গুৰুজনাৰ নাম নকয়। এই বুলি সংবাদ পোৱা গৈছে।" তেওঁলোকে নিজৰ গালৈকেহে ভাবিলে গুৰুজনাৰ কথা নকয়। গতিকে তুমি যোৱা। মইয়েই যাব লাগিছিল—মোৰহে তুমি যোৱা। বদলা পদ্ম আতা যেতিয়া গ'ল তেতিয়া গোপাল যদুমণিয়ে যেনে ধৰণে ধৰ্ম প্ৰচাৰ কৰিছিল, বদলা পদ্ম আতাৰ কিছু বেলেগ হ'ল। এইয়া চৰিত পুথিৰেই কথা।

আমাৰ শ্ৰদ্ধেয় আচাৰ্য ইলাৰাম দাস বাপে এটা কথা দাঙি ধৰিছে—বৰপেটাত থাকে বুঢ়াআতা, জনিয়াত থাকে দ্বিতীয় শঙ্কৰ বুলি কোৱা গুৰুজনাৰ নাতি পুৰুষোত্তম ঠাকুৰ। পুৰুষোত্তম ঠাকুৰৰ লগত মথুৰাদাস বুঢ়াআতাৰ অলপ বিবাদ লাগিছিল। ঠাকুৰতকৈ ঠাকুৰৰ ভকতসকলৰ লগত বুলিলেহে বেছি শুৱায়। কন্দল সদায় গুৰুজনাতকৈ তেৰাৰ অনুগামী সকলৰ মাজত বেছি হয়। এতিয়াও হয়। অনুগামীসকলৰ উম্মাটো বেছি হয়। গতিকে সেই কালত দুয়োজনক কেন্দ্ৰ কৰি থকা ভকতসকলৰ মাজত বিবাদ নোহোৱা নহয়। আৰু এটা ওপৰঞ্চি কথা আছিল। পুৰুষোত্তম ঠাকুৰ যেতিয়া বেহাৰলৈ গৈছিল তাত এজন ভকত পতিত হৈ আছিল। ঠাকুৰে সেইজন ভকতক মাত বোল কৰাত আৰু ঠাই দিয়াত তেওঁক ভকতসকলে বেয়া পালে। সেই খবৰ বৰপেটালৈ আহিল। বৰপেটাৰ ভকতসকলে বেয়া পালে আৰু ঠাকুৰদেৱৰ তালৈ নোযোৱা হ'ল। ইফালে গুৰু নাতি এবিবও নোৱাৰে। তেওঁ বোলে বৰপেটাৰ ভকতসকল মোৰ তালৈ কিয় নহা হ'ল। তেতিয়া ঠাকুৰ দেৱে নিজে তাৰিখ দিলে আৰু বৰপেটালৈ আহিল। তেওঁ যেতিয়া আহিল সেইদিনা বৰপেটাৰ ভকতসকল দুৱাৰ মাৰি কবৰালৈ গুচি গ'ল। আৰু খোৱা শাস্ত্ৰ খনিক লৈ হোৱা বিবাদ, এইবোৰ হৈছে। সৰু সুৰা বিবাদ। ইয়ে অমিল আনি দিলে।

উজনিত শংকৰদেৱ মাধৱদেৱে ধৰ্ম বস্তু প্ৰকাশ কৰিব নোৱাৰিলে। মোৰ এই কথাত আপোনা সবে বেজাৰ নাপাব। তাত ৰজাৰ দাগিস্বত ৰাইজৰ দাগিষত নানা ৰকমৰ অত্যাচাৰৰ সন্মুখীন হোৱাত দুজনা গুৰু নামনিলৈ গুচি আহিল। তেৰা যেতিয়া বৰপেটালৈ আহিল সেই সময়ত উজনিৰ পৰা সকলো ভকত গুছি আহিল। নলচাৰ পৰা দামোদৰদেৱ গুচি আহিল—হৰিদেৱ গুচি আহিল। গুৰুজনৰ অনুগামী সকল তাৰ পৰা গুচি আহিল। গতিকে উজনিত ধৰ্ম নৰয়। প্ৰথমে বংশী গোপাল আৰু যদুমণিক পঠালে। তাৰ পিছত বদলা আতাক পঠালে তেতিয়াও ভাল হোৱা যেন পোৱা নাই। পিছত পুৰুষোত্তম ঠাকুৰে জনীয়াৰ পৰা ১২ জন ধৰ্মাচাৰ্য পাতিলে ৬জন ব্ৰাহ্মণ আৰু ৬জন অব্ৰাহ্মণ উজনিলৈ ধৰ্ম প্ৰচাৰ কৰিবলৈ পঠালে। তেওঁলোক গ'ল। তাতো ঠিকমতে ধৰ্ম বস্তু প্ৰকাশ হোৱা নাই বুলি ভাবি গুৰুজনাৰ সৰু নাতি চতুৰ্ভুজ ঠাকুৰে তেৰাইও ১২ জন ধৰ্মাচাৰ্য পাতিলে, ৬জন ব্ৰাহ্মণ ৬ জন অব্ৰাহ্মণ। মন কৰিবলগীয়া ৬ জন ব্ৰাহ্মণ আছেই ব্ৰাহ্মণক তেতিয়া এৰা নাই। এই সকলক লৈ যেতিয়া ধৰ্ম প্ৰচাৰ কৰিলে ধৰ্মৰ যেনে জোৱাৰ আহিব লাগিছিল তেনেদৰে তেতিয়াও অহা নাই। চতুৰ্ভুজ ঠাকুৰৰ ভাৰ্যা গুৰুজনৰ নাতি বোৱাৰী আই কনকলতা এইবাৰ সোঁশৰীৰে উজনি লৈ গ'ল। লগত ভাগিন দামোদৰক নিছিল। আই ভেটিত বাহৰ পাতি ৰবদোৱাৰ অটব্য হাবি কাটি থানখন উলিয়ালে আৰু ধৰ্ম প্ৰচাৰৰ কেন্দ্ৰস্থল পাতিলে– ৰবদোৱা। আই কনকলতাৰ দৰে সংগঠন শক্তি থকা ধৰ্ম প্ৰচাৰক আঁছি পৃথিৱীত কতো নাপায়। টঙচো ফুকনৰ ভাৰ্যাৰ জৰিয়তে ফুকনক লৈ ৰবদোৱা যেতিয়া উদ্ধাৰ কৰিলে তেতিয়া নতুন জোৱাৰ উঠি গ'ল। গুৰু-জনাৰ জন্মস্থান ৰবদোৱা সত্ৰ যেতিয়া উদ্ধাৰ হ'ল সি তেতিয়া কেন্দ্ৰ হৈ পৰিল। ৰৰজনে পতা ১২ জন আৰু সৰুজনে পতা ১২ জন ধৰ্মাচাৰ্যই সেই সময়ত এই গৰাকী মহিলা বুলি প্ৰথমতে এই ২৪ খন সত্ৰই সহযোগ কৰা নাছিল। আই কনকলতা সাংঘাতিক ক্ষমতা সম্পন্না আছিল। নিজে আকৌ ১২ জন ধৰ্মাচাৰ্য পাতিলে। ইয়াতো ৬জন ব্ৰাহ্মণ আৰু ৬ জন অব্ৰাহ্মণ। যাক কনক বাৰজনীয়া বুলি কয়। আই কনকলতাই এইবাৰ ধৰ্মৰ জোৱাৰ তুলিলে। আটাইতকৈ মন কৰিবলগীয়া এইটোৱে যে দুজনা গুৰুৱে উজনিত ধৰ্ম প্ৰচাৰ কৰিব নোৱাৰিলে। তেৰাসকলৰ বস্তু গীত, নাট আদি নামনিত নাই। বিশেষকৈ ভাওনা আদি সংস্কৃতি নামনিত নাই। ধৰ্ম বস্তু সিমান প্ৰকাশ হোৱা নাই।

ঠায়ে ঠায়ে আছে। যেনে বৰপেটা আদি ঠাইত কিন্তু উক্তজনিত এই ৩৬ জন ধৰ্মাচাৰ্যই আহি কণকলতাৰ নেতৃত্বত ধৰ্মৰ জোৱাৰ আনি দিলে। সত্ৰাধিকাৰ সকলে গাৱে গাৱে গৈ তলৌ তলৌকৈ দুখীয়া সুখীয়া সকলো মানুহকে ধৰ্ম বস্তু দিলে। আমি বৰকৈ কৈ থাকো নগাৰ নৰোত্তম, গাৰোৰ গোবিন্দ বুলি। নগাৰ নৰোত্তম গুৰুজনাৰ দিনত হোৱা নাছিল। শ্ৰীৰাম আতা নাজিৰাৰ আইত গুৰি সত্ৰৰ পিচৰ কালৰ শ্ৰীৰাম আতাই নৰোত্তমৰ ওচৰলৈ গৈছিল। তেওঁ-লোকক আনি গুৰু ধৰ্ম দিছিল। ইপিনে ইয়াত দুজনা গুৰু আছিল। তাত মানে নামনিত ভাওনা আদি নোহোৱা হ'ল। উক্তজনিত ভাওনা আদি সাংঘাতিক ধৰণে হবলৈ ধৰিলে। সেইটো আজিও আছে। সেই দুজনা নাতি পুৰুষোত্তম ঠাকুৰ আৰু চতুৰ্ভুজ ঠাকুৰ, আই কণকলতাই যিখিনি সত্ৰ পাতিলে সেই সকলে শংকৰ গুৰুক আগ স্থান দিলে আৰু নামক প্ৰাধান্য দিলে। ক্ৰমাত সি লাহে লাহে পুৰুষ সংহতি নাম পালে। নামতো পিচত অহা। যেনেকৈ সন্তান জন্ম হোৱাৰ পিচতহে নাম। নামতো ঠিক কৰি সংহতি কোনেও কৰা নাই। এই চাৰিটা সংহতি চাৰি প্ৰকাৰে যেতিয়া ভাগ হৈ গ'ল তাক চিনাক্ত কৰিবৰ কাৰণে নাম দিয়া হ'ল। এইবোৰ বুৰঞ্জী কথা। কোনেও চক্ৰান্ত কৰা নহয়।

সকলো ব্ৰাহ্মণ লোককে নধৰিব। কিছুমান লোকে শংকৰদেৱৰ যিটো মধ্যাহ্ন প্ৰতিভা তাক ঢাকিবৰ কাৰণে বহুতো চেষ্টা কৰিছিল। আনকি আপোনালোকে জানে আজিৰ পৰা ৮০ বছৰমান আগতে এইখন দেশত শ্ৰীমন্ত শংকৰদেৱৰ দেশত গুৰু কীৰ্ত্তনৰ দিনা বন্ধ নাছিল। লক্ষ্মীনাথ বেজবৰুৱা সেই পুনৰ ব্ৰাহ্মণ কমলাবাৰী সত্ৰৰ ভকত, তেওঁহে যুঁজ কৰি বোলে কি কথা— শিষ্যজনৰ তিথিত বন্ধ গুৰুজনৰ তিথিত বন্ধ নাই— সেই খিনিতে চক্ৰান্ত হৈছিল। কোনোবাই ভট্টদেৱৰ লিখা কথা ভাগৱত পুথিখনত এনেদৰে লিখিবলৈ প্ৰয়াস পাইছিল— দশমৰ মুখনিত এনেদৰে লিখা আছিল "অহে সভাসদ দেখ পূৰ্বে মহাপুৰুষ শ্ৰীমন্ত শংকৰ বিদিত ভৈল ভাগৱত শাস্ত্ৰ প্ৰচাৰ কৰিয়া লোক ভক্তি ধৰ্ম প্ৰবৰ্ত্তাইলা অৰ্থাৎ people riligion ৰ সাধাৰণ জনসাধাৰণ ধৰ্ম। এই কথাতো পৰবৰ্ত্তী কালত আমাৰ বৰবৰ পণ্ডিত ওলোৱা সকলে এনেকৈ কৈছে গৈ— ডাঙৰ কথা হ'ল শংকৰদেৱে লোক ভক্তি পন্থ প্ৰৱৰ্ত্তাইলা— আমাৰ বাকী সকল কলৈ গ'ল ? সেইটো তল পেলাবলৈ এনেদৰে লিখিলে "কতো ভক্তি পন্থ প্ৰৱৰ্ত্তাইলা" শ্ৰীমন্ত শংকৰদেৱেতো ভক্তি প্ৰচাৰ কৰিছেই সেইটো না কৰিব

নোৱাৰে গতিকে কলে কতো ধৰ্ম মানে এবিধ ধৰ্ম প্ৰচাৰ কৰিলে। এই ভাৱেৰে লৈ গৈছিল। এইবোৰ চক্ৰান্তৰ কথা। তথাপি সূৰ্যক যেনেকৈ ফটা কাপোৰেৰে ঢাকিব নোৱাৰে শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্মকো ঢাকিব নোৱাৰে।

সংহতি কেইটা যে আহিছে নামৰ অলপ পাৰ্থক্য আছে ভাৱৰ পাৰ্থক্য আছে। কৰবাত ছয় জয় কৰবাত চাৰি জয় দিয়ে, তিনি জয় দিয়ে। এইবোৰত লাগিবৰ কোনো কাৰণ নাই। যেনেকৈ সুন্দৰীদিয়াত বস্তি গছ পোনাব নোৱাৰে। তেনেকৈ সত্ৰৰ কিছুমান পদ্ধতি আছে। সেইবোৰ সলনি কৰিব নোৱাৰে। ইয়াত তেনেকৈ যুগল গায় এইটো কেইবা শ বছৰ জুৰি গায় আহিছে। এক কৰি কৰিব নোৱাৰি। শ্ৰদ্ধেয় আচাৰ্যদেৱে ভাল কথাই কৈছে আমাৰ যিটো যুগল নাম আৰু গুণ সেইটো ইয়াত কৰিব নোৱাৰি। এই যুগল শুনিও আমি ভাল পাওঁ। ইয়াত যি যুগল বান্ধিলে সেইটো উজনিলৈ নগল। কমলাবাৰীলৈ গৈছে মোৰ বোধেৰে জৰাবাৰীলৈকো, আন ঠাইত আমি নাপাওঁ। এইবোৰ আমাৰ সাংঘাতিক কিবা এটা কৰা নাই। আমাৰ মূল বস্তুটো একে আছে।

কিছুমানে পিছৰ কালত শংকৰদেৱৰ নাম নোহোৱাৰ যত্ন কৰিছিল। শৰণৰ সময়ত তেওঁৰ নামকে উল্লেখ নকৰে। সেই কথাতো কিন্তু বৰপেটাতো এসময়ত হৈছিল। তেতিয়া মথুৰাদাস বুঢ়া আতা আছিল। কোনোবাই যদি সোধে তোমাৰ গুৰু কোন মাধৱদেৱক দেখুৱাই দিয়ে। জনিয়াৰ পৰা নাৰায়ণ দাস ঠাকুৰআতা আহিল— ভৱানীপুৰৰ পৰা গোপালআতা আহিল, সকলো ভকত গোট খালে। বৰপেটাৰ সকলো ভকতকে বহুৱাই ঠাকুৰআতাই সুধি গ'ল— তোমাৰ গুৰু কোন? বোলে মাধৱদেৱ। তোমাৰ? মাধৱদেৱ! তোমাৰ? মাধৱদেৱ। তেতিয়া গোপাল আতাই বোলে ৰব বাপ আৰু মুসুধিবচোন। মোৰ ফালৰ পৰা সুধক। মোক সুধক নহলে গুৰু লুপ্ত হয়। তেনেদৰে কলত— নাৰায়ণ দাস ঠাকুৰআতাই কলে" "ঠিক আছে তোমাকে সুধো তোমাৰ গুৰু? "বোলে বাপ মোৰ গুৰু মাধৱদেৱ গুৰুৰো গুৰু পৰম গুৰু শ্ৰীমন্ত শংকৰদেৱ।" পিছৰ সকলে তেনেদৰে উত্তৰ দি গ'ল। অৰ্থাৎ ইয়াত বুঢ়াআতাৰ পৰা বঢ়া ভকত সকলে প্ৰথমতে মাধৱদেৱক ভাবিছিল। দেখাই নাছিল। কৰ্ত্তা গৰাকীক দেখা নাপায় প্ৰতিনিধি গৰাকীকে সৰ্বস্ব বুলি ভাবিছিল।

মহাপুৰুষ মাধৱদেৱৰ দিনতো এনে ঘটনা ঘটিছিল। ইয়াতে কামৰূপৰ আশে পাশে তেৱাৰ প্ৰেৰিত ভকতসকলে গৈ ধৰ্ম প্ৰচাৰ কৰিছে, তাত তেওঁকেই

সকলো বুলি ভাবিছিল। ভকত সকলে আহি কৈছে "সৰ্বনাশ বাপ, মোকেই সকলো বুলি ভাবিছে, গতিকে আপুনি যাব লাগে তালৈ।" তেতিয়া মাধৱ দেৱক লগত লৈ গৈছে। এইখিনি কথা মই এই কাৰণেই কৈছো—কোনোৱাই কৰবাত গুৰুজনক ঢাকিবৰ চেষ্টা কৰিলেও সেইটো হৈ উঠা নাই।

আমাৰ যি চাৰি সংহতিৰ কথা হৈছে—তাত নাম গুণৰ পাৰ্থক্য, শৰণৰ পাৰ্থক্য আছে। সংহতি নাথাকিলেই ভাল। যি সংহতিৰ যিজনে যেনে ভাবে পাঠ কৰে মূলত একে। আমি আপত্তি নকৰো। সকলোৱে হৰি নাম, সকলো পবিত্ৰ। গতিকে সকলো আমি গ্ৰহণ কৰিম। মোৰ মতে সেইটো সকলোৱে গ্ৰহণ কৰিব। তেওঁৰ ঠাইত মই তেনেকৈ কৰিম। এনেকৈ কৰিলে মোৰ বোধেৰে বাদ বিসম্বাদ একো নাথাকে। আঙ্গা যেনিবা চাৰিখন। কোনোবাই আগতে থৰিকাখন খাইছে, কোনোবাই টেঙাখন আৰু কোনোবাই খাৰখন পিছত খাইছে। কিন্তু কোনখন মই আগত খাওঁ আঙ্গা চাৰিখনেই। এইখিনি যদি আমি সমিল মিলেৰে কৰো, সমস্ত আপোনাসবে দেখিব ঠিক হব। কামৰূপত আছে আমাৰ সেই ফালে নাই, ইয়াত দামোদৰীয়া, হৰি দেৱীয়া ইচ্ছাকৃত ভাবে কৰিছে, উজনিত সেইবোৰ নাই। এইবোৰ ক্ৰমাত নোহোৱা হব। কাৰণ সূৰ্যক ঢাকি ৰাখিব নোৱাৰে। অলপ দিন পাৰিব। পিছত নোৱাৰিব। মই অনেক সময় কলো। সেৱা জনাই সামৰণি মাৰিলো।

—):(—

শ্ৰীহৰমোহন কাকতি: শ্ৰীশ্ৰীঈশ্বৰহাটী সত্ৰ, গুৱালকুছি

দুজনা-গুৰুই জীৱ তৰণৰ কাৰণে দি যোৱা পন্থাৰ পৰা বিচলিত হোৱাটো বৰ দুখৰ কথা॥ ইয়াৰ কাৰণবোৰ চমুকৈ এনে ধৰণে কৰিব পাৰি যে—

(১) সত্ৰ বা নামঘৰবোৰত মূৰ্ত্তি স্থাপন।

(২) সত্ৰ সমূহৰ মাজত সংহতি স্থাপন।

(৩) নিত্য নৈমিত্তিক কৰ্ম সম্পাদনত তান্ত্ৰিক মতক আশ্ৰয়।

এই তিনিটা হৈছে অসমৰ মহাপুৰুষীয়া ধৰ্মৰ অন্তৰায়। কেনেকৈ এইবোৰ দুৰ কৰিব পাৰি তাৰ বিষয়ে ইয়াত সমবেত হোৱা জ্ঞানী গুণী সন্ত মহন্ত সকলে মীমাংস কৰিব বুলি আশা কৰি মোৰ ভাষণ সামৰণি মাৰিলো।

শ্ৰীবলভদ্ৰ অধিকাৰী : সুন্দৰীদিয়া সত্ৰ ।

মহাপুৰুষীয়া ধৰ্মৰ বিভ্ৰান্তিত বহুত কাৰণ আছে । তাৰ ভিতৰত ৰাজনৈতিক, ধৰ্মনৈতিক, অৰ্থনৈতিক এইবোৰৰ বাদেও আৰু বহুত কাৰণ আছে । ধৰ্মৰ কাৰণ সমূহ ইয়াত বিসদভাবে আলোচনা হৈছে । কেনেকৈ কৃষ্ণকান্ত ভট্টাচাৰ্যই আহি ধৰ্ম বিভ্ৰান্ত কৰিলে তাৰ আলোচনা হৈছে । ইয়াৰোপৰি সংস্কৃতিৰ বিনিময়ত বিভিন্ন জাতি-উপজাতি আদি এইবোৰো কাৰণ আছে । সত্ৰ বোৰত বিভিন্ন কেৰোণ সোমোৱাইছে । তথাপি সত্ৰ সমূহে ঢিমিক ঢামাককৈ হলেও ধৰ্মটো ৰক্ষা কৰি আছে । তাক যদি দলিয়াই দিয়া হয় তেনেহলে অন্যায় হব । এইবোৰ কথাৰ মীমাংসা হব যদি কোনেও বেয়া মনোভাব লোৱা নাযায় ।

শ্ৰীপবিত্ৰ দাস : নগাওঁ জিলা আদিপন্থ সমাজ ।

যোৱা কালি সঞ্চালকদেৱে যি মন্তব্য কৰিছে তাত মই একমত আৰু ইয়াৰ পিছত কোনো আলোচনা নাই বুলি মই ভাবো ।

শ্ৰীকৃষ্ণ ৰাম দাস : মহাপুৰুষীয়া ধৰ্মালোচনী সভা, গুৱালকুছি ।
শ্ৰীশ্ৰীশংকৰদেৱ মন্দিৰ ।

বিভিন্নতাৰ উৎস বিচাৰি গলে আমাৰ মন বিলাক বিভিন্নতাৰে ভৰি পৰে । যেনেকৈ শ্ৰীকৃষ্ণক বিদ্বেষ কৰি শিশুপাল কৃষ্ণময় হৈ পৰিছিল, তেনেকৈ বিভিন্নতা দেখাৰ পিচত আমাৰ মনটো সমন্বয়ৰ পৰা আতৰি যায় । গতিকে এই বিষয়ে বিশেষ চিন্তা নকৰি আমি কেনেকৈ সমন্বয় ৰক্ষা কৰিব পাৰো তাৰ কাৰণহে চিন্তা কৰা প্ৰয়োজন বুলি মই ভাবো ।

মহাপুৰুষীয়া ধৰ্মত এই বিভিন্নতাৰ উৎস হ'ল কৰ্মকাণ্ড। কৰ্মকাণ্ড বা মূৰ্ত্তি আদি হৰি নামতকৈ মুখ্য নহয়। আমাৰ সত্ৰাধিকাৰ সকলে স্বীকাৰ কৰিছে যে ৰজাঘৰীয়া ভূ সম্প্ৰতি মোহত এই বিগ্ৰহ ৰাখিছিল। বৰ্ত্তমানে গণতান্ত্ৰিক চৰকাৰে সেই বিগ্ৰহবোৰ স-সন্মানে ওভতাই নিব পাৰে। আৰু এটা কথা মই ভাবো বিগ্ৰহটো দৰ্শন হলেই মোৰ একো সাধন ভ্ৰষ্ট নহয়।

বিভিন্নতাৰ মূলতে বংশ গৌৰৱ। একমাত্ৰ ব্ৰাহ্মণ বা কায়স্থসকলৰ ক্ষেত্ৰতেই যে এই গৌৰৱ খাটে এইটো নহয়, কোছ, কলিতা কৰি আমি ভাল পাওঁ, তাৰমানে আমাৰ বংশ গৌৰৱ আমি ৰক্ষা কৰিব বিচাৰো। একশৰণ হোৱাৰ পিচত আমি কোনো ব্ৰাহ্মণ বা কায়স্থ বা কোচ, কলিতা হৈ নাথাকো, আমি সকলো ভকত হওঁ, ঈশ্বৰৰ দাস হওঁ, এনে ধৰণে ভাৱিব পাৰিব লাগিব। তেতিয়াহে সমৰ্পণ হব।

):--:(

শ্ৰীশৰৎ চন্দ্ৰ মেধি :—মহাপুৰুষীয়া ধৰ্মালোচনী সভা
শ্ৰীশঙ্কৰদেৱ ধাম, গুৱালকুছি।

চৰিত পুথিবোৰ ইখনৰ লগত সিখন নিমিলে ইয়াৰ ফলতো বহু বিভ্ৰান্তি হোৱা দেখা যায়। মই ভাবো এখন শক্তিশালী সমিতিৰ জৰিয়তে তাক বৈজ্ঞানিক প্ৰণালীত সম্পাদনা কৰি এখন শংকৰ চৰিত পুথি উলিয়াব লাগে।

পণ্ডিত হেমচন্দ্ৰ গোস্বামীদেৱে সাঁচিপতীয়া পুথিবোৰ সংগ্ৰহ কৰি বিক্ষিপ্ত কৰিছিল। সেইবোৰ সংগ্ৰহ কৰি পুনৰ ঠিক কৰিব লাগে।

)—(

শ্ৰীৰাধাকান্ত তালুকদাৰ ঃ উপ সভাপতি, আদৰণি সমিতি ।

বিভিন্নজনৰ বিভিন্ন পৰামৰ্শক্ৰমে আমাৰ বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয় প্ৰভুৰ নিৰ্দেশক্ৰমে আমি সমূহ ভকতৰ বৈঠকত সিদ্ধান্ত কৰি এই অভিবৰ্ত্তনখন পতাৰ ব্যৱস্থা কৰিছিলো । আশা আছিল এইটোৱেই যে আমাৰ মহাপুৰুষীয়া সমাজৰ মাজত আজিৰ যিটো আলোচ্য বিষয় বিভিন্ন মতাদৰ্শ সৃষ্টি হৈ মতান্তৰেই নহয় মনান্তৰ সৃষ্টি হৈ বিভ্ৰান্তি সৃষ্টি কৰিছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অৱদানেৰে গঢ়ি উঠা এই অসমীয়া জাতিটো অকল মহাপুৰুষীয়া কেইজনৰ কাৰণেই নহয়। অসমীয়া বোলতে বিভিন্ন ধৰ্ম পন্থাৰ এই জাতি। শদীয়াৰ পৰা কোচ বেহাৰলৈ এখন বৃহৎ ৰাজ্যৰ আমি অসমীয়া জাতি । এই অসমীয়া সকলৰ কোনোৱাই ধৰ্মপন্থা হিচাবে শংকৰদেৱক নামানিলেও সংস্কৃতি হিচাবে মনা জাতি । গতিকে আমাৰ মহাপুৰুষীয়া সকলৰ মাজত কিবা বাদ বিসম্বাদ থাকিলেও তাৰ প্ৰতি-ফলন গোটেই অসমীয়া সমাজখনতে পৰে । গতিকে আমাৰ এই বাদ বিসম্বাদ আতৰিব লাগে ।

এতিয়া আমাৰ নতুন কাম, নতুন বোলোতে নতুন পুৰুষ সকল আৰু জনজাতি, চাহ বনুৱা আদি যি সকলক ঘৃণাৰে চাইছিলো তেওঁলোকক বৰ্ত্তমান আকোৱালী লবলৈ আমি হাবিয়াস কৰিছো, পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সেই সকলৰ মাজত প্ৰশ্ন জাগে কঃপন্থা ? গতিকে আমি সেই আশা কৰি আপোনা-লোক বাপ-বান্ধৱ সকলক আমন্ত্ৰণ কৰি আনিছিলো যাতে ইয়াৰ এটা সমাধা হৈ সুনিৰ্দিষ্ট পথ ঠিক হওঁক, যাতে আমি নতুন সকলক কব পাৰো এইটোৱে আমাৰ পন্থা। আজি চাৰিদিন ধৰি আলোচনা হৈছে । সময়ে সময়ে অলপ-উষ্মা প্ৰকাশ হৈছে । সেইটো নহব বুলি আমি বাঞ্ছা কৰো । আমি আশা কৰো আপোনালোকৰ সু-সিদ্ধান্তৰ জৰিয়তে আমাৰ ভবিষ্যত বংশধৰ সকলক যাতে সুপথ দেখুৱাব পাৰো । যি সকলক আকোৱালী লম সেই সকলকো কব পাৰিব ।

আজি এটা সিদ্ধান্ত হ'ল সেইটো জাপি দিয়া বস্তু নহয় । এনে কেতিয়াও হব নোৱাৰে । কিন্তু কথা হৈছে এটা সিদ্ধান্ত থকা ভাল । মহাপুৰুষ দুজনা

গুৰুৰ আদৰ্শ ভিত্তিত কিছুমান নিৰ্দিষ্ট স্পষ্ট নীত থকা ভাল। যিবোৰ মহা-পুৰুষীয়া ধৰ্মৰ মূল নীতি হিচাবে প্ৰতিস্থিত হব। আমি পৰম আশাৰে আহ্বান কৰি আপোনালোকক আনিছো। কোনো উষ্মা প্ৰকাশ নকৰি সুস্থিৰ ভাৱে সিদ্ধান্ত কৰিলে বেচি সুখী হম। ইয়াকে কৰজোৰে মিনতি জনালো।

—)::(—

শ্ৰীপ্ৰফুল্ল চন্দ্ৰ মহন্ত ঃ শ্ৰীশ্ৰীঈশ্বৰ ডেকা বাপু সত্ৰ সত্ৰাধিকাৰ গুৱালকুছি।

এটা সৰ্ব সন্মত সিদ্ধান্ত উলিয়াবৰ বাবে এখন সমিতিৰ ব্যৱস্থা কৰিব লাগে। যাতে সেই সমিতিখনে বহি এটা সিদ্ধান্ত দিব পাৰে।

)—(

শ্ৰীকৰুণাময় হৰিপদ দেব গোস্বামী ঃ ব্ৰহ্মানন্দ সেৱাশ্ৰম, টংলা।

গুৰুজনে একশৰণ ধৰ্ম প্ৰচলন কৰি কুলবধুৰ নিচিনাকৈ চলিবলৈ ভক্তিৰ ব্যৱস্থা দিছিল। আমি সেৱকৰ ভাবেৰে থাকিব লাগে। মুঠা শাস্ত্ৰৰ লেখিয়া যিবোৰ শাস্ত্ৰ বৰ্ত্তমানেও সমাজৰ মাজলৈ অহা নাই—তাক আনিব লাগে, যাতে গুৰু ধৰ্ম বুজাত সহায় হয়।

)—(

শ্ৰীযাদৱ চন্দ্ৰ দাস ঃ হাউলী।

অতীত আৰু বৰ্ত্তমান লগ কৰিছে সমাজ। সমাজত বিভেদ অহাবাবে বিশৃংখল হৈছে। একশৰণ নাম ধৰ্মত কৃষ্ণ উপাস্য দেৱতা, এই কৃষ্ণ সাকাৰ নে নিৰাকাৰ ? আমাৰ মতে সাকাৰ। উপাসনা কৰিবলৈ মূৰ্ত্তি লাগিব। প্ৰতীক লাগিব। মুখতে নাম লৈ থাকিলেই নহব।

)—(

শ্ৰীঅচ্যুৎ কৃষ্ণ মিশ্ৰ : শ্ৰীমন্ত শংকৰদেৱ সংঘ, অসম।

গুৰুজনে যি নাম ধৰ্ম ধ্বজা উৰুৱাই দিলে আজি সেই নাম ধৰ্মক কাম ধৰ্মলৈ পৰিণত কৰি বিপদ ঘটাইছে। বৰপেটা এই উদিয়মান যুৱকসকলে হেচা দি পতা অভিবৰ্ত্তনত আমি ঠিক কৰিছিলো সৰ্বনাশে সমুৎপন্নে অৰ্দ্ধ্য তেজতি পণ্ডিতঃ। ইয়াত মূৰ্ত্তিৰ বিষয়ে কল্পনা বাঢ়ৈৰ কথা আনিছে। কিন্তু ৰামচৰণ ঠাকুৰে চৰিত পুথিত এই বিষয়ে কৈছে······

মূৰ্ত্তিক থাপিবো ঐত সিদ্ধি হব কাম।
দুৰ্গা পূজা এৰি সবে লব কৃষ্ণ নাম॥

"যুগনায়ক শংকৰদেৱ"ত ভিম্বেশ্বৰ নেওগদেৱে মূৰ্ত্তি বিচাৰ বহলাই ব্যাখ্যা কৰি থৈ গৈছে। গতিকে আমি চাব লাগিব গুৰুজনৰ লিখনিত কি আছে। গুৰুজনৰ লিখনি বাদ দি আমি এডাল চুলিৰ সমানো আতৰি থাকিব নোৱাৰো।

কলিৰ ধৰ্ম হৰি নাম জান।
পাপীৰ নিন্দাত নিদিবা কাম॥

গতিকে আমাৰ এই ধৰ্মত যথেষ্ট বিকাৰ ঘটিছে। খোল তালৰ মিল নাই, সংস্কৃতিৰ বিপৰ্যয়। গুৰুজনক গুৰু নোবোলা হ'ল। আনহাতে মহাপুৰুষ শংকৰদেৱৰ নাম প্ৰসংগ বিকৃতি ঘটি বহু বিভক্ত হৈ গ'ল। শংকৰদেৱৰ সংস্কৃতি বুলি নকৈ দিল্লীত গৈ দেখুৱাব ধৰিলে—"সত্ৰীয়া সংস্কৃতি"। অসমীয়া জাতি গুৰু চিনি নাপায় নিজে গুৰু হয়।

আমি ধৰ্মক যদি ৰাখো আমাক ধৰ্মই ৰাখিব। আমি ধৰ্মক নাশ কৰিলে ধৰ্মই আমাক নাশ কৰিব। আজি শৰণ হৈছে এখন চাৰ্টিফিকেত, বিয়াৰ আগতে শৰণ কাৰণ বিয়াখন নাখায়। পিছত একো নুবুজে, জাতি বিদ্যা ধৰ্মৰ গৌৰৱত উটিভাহি ফুৰিলো। ই একশৰণ ধৰ্মৰ স্বৰূপ। আমি জাত-পাত কৰিলে লণ্ডনৰ লোকসকলে একশৰণ ধৰিলে তেওঁলোকক কোন জাতত থব? ধিক অসমীয়া জাতি! উত্তৰ পুৰুষ সকলৰ কাৰণে এটা সুপথ দি যাব পাৰিব লাগিব। আমাৰ কাজিয়া দেখি তেওঁলোক আতৰি গৈছে। নন্দ, ঠাকুৰ, বাবা সকলৰ ওচৰলৈ গৈছে। অসমৰ ইমুৰৰ পৰা সিমুৰলৈ সকলো লোক আজি আহিছে সকলোৱে

ধৈৰ্য ধৰি এবাধবাৰ মাজেৰে নতুন সেতু বান্ধো আহক। ইয়াৰ কাৰণে সকলোৱে সৰু ইচ্ছা, সৰু পৰামৰ্শ, সৰু কামনা ইয়াৰোপৰি লাগিব ত্যাগ। কাৰণ ভাৰতবৰ্ষৰ প্ৰতিটো ধূলিকণা ত্যাগেৰে বঞ্চিত। আমি লগ নহলে বিপদ হব। ডাঙৰ বিপদ আহি আছে। ভাতৃত্ব বান্ধোনেৰে বান্ধ নাখালে ৰক্ষা নহব। ইয়াক যেন সকলোৱে বুজি লয়।

(প্ৰতিনিধি সকলৰ মাজত ভুল বুজা বুজি সৃষ্টি হোৱাত আদৰণি সমিতিৰ প্ৰচাৰ বিভাগৰ সম্পাদক শ্ৰীদয়ালকৃষ্ণ বৰাই স্পষ্টীকৰণ দিয়ে আৰু সঞ্চালক মহোদয়ে আধাকৰা বিষয়খিনি পিছদিনালৈ থৈ সময় শেষ হোৱাত সভা ভংগ দিয়ে। সভাপতি মহোদয়ে এটা বিশেষ কমিটিৰ দ্বাৰা সিদ্ধান্ত গ্ৰহণ কৰিবলৈ পৰামৰ্শ প্ৰদান কৰে।)

——

আচাৰ্য - শ্ৰীইলাৰাম দাস : একশৰণ ভাগৱতী সমাজ।

আমি প্ৰত্যেকেই নিকা মনোভাৱ লৈ আহিছো। বৰপেটা সত্ৰৰ বুঢ়া অধিকাৰ প্ৰমুখ্যে কৰি সকলো কেইজন অধিকাৰৰে কথাত সুন্দৰ সমন্বয় ভৱে সৃষ্টি কৰি কৈছে। গতিকে ইয়াত আহ্বান প্ৰত্যাহ্বানৰ স্থান নাই। এটা বিষয় আলোচনা কৰিলে সপক্ষে বিপক্ষে কথা হবই, তাক ধৈৰ্যৰে শুনিব লাগিব। প্ৰত্যাহ্বান আগতেই দিয়া হৈ আছে। পণ্ডিত সকলৰ লগত তৰ্ক যুদ্ধ কৰোতে শংকৰদেৱে কৈছে।

বোলোক আসি ভাগৱত চাই।
তেবেসে বুজো তাৰ মুনিষাই ॥
মহন্তেসে জানে মাত্ৰ ভাগৱত ধৰ্ম।
বাজিয়ে জানে কি পোৱালীৰ বেথামৰ্ম ॥
বনিয়াই জানে সুবৰ্ণৰ যত বান।
অঙ্কলাক দিলে তাৰ মুবুজে প্ৰমাণ ॥

ৰাজসূয় যজ্ঞত বাৰে বাৰে শিশুপালে যেতিয়া কৃষ্ণক ধমক দিয়ে আৰু গালি পাৰে তেতিয়া শিশুপালক কৈছিল—

হেৰ শিশুপাল নহওঁ নিলগীয়া
সম্বন্ধত মই তোৰ ভাই ।
পেহীৰ পুত্ৰ হৈয়া কৰ কদৰ্থনা
কেৱলে মুখ নচাই ॥
হাতী চোৰ কৰি যায় আগে আগে
বেঙেনা চোৰক বান্ধে ।
নাক কাটিলে লাজ নালাগে
আঙুলি কাটিলে লাগে ॥

কি দুখৰ কথা হাতী চোৰটোক নাবান্ধি বেঙেনা চোৰক বান্ধে । নাক কাটিলে লাজ নালাগে আঙুলি কাটিলে লাজ লাগে । আমাৰ আজি সমাজ খনৰ অৱস্থা এইটো হৈছে । শঙ্কৰদেৱক ৰক্ষা কৰিবলৈ এটা দলে চেষ্টা কৰিছে । আনহাতে আন এটা দলে শংকৰদেৱক অপমানিত কৰিবলৈ, তেওঁ ধৰ্মটোক নষ্ট কৰিবলৈ চেষ্টা কৰিছে । হৰি জোৱাই মূৰ কাটিছে, নৰনাৰায়ণ ৰজাৰ ওচৰত তেওঁ আচামী হৈ থিয় হব লগীয়া হৈছে ।

কোনোবা এজনে উদাৰভাৱে কৈছে ; ব্ৰাহ্মণক গালি নাপাৰিব । ব্ৰাহ্মণক গালি নাপাৰো । শংকৰদেৱক কোনো সুদিৰে গুৰু চিনোৱা নাই । ব্ৰাহ্মণে গুৰু চিনাইছে । সাৰ্বভৌম ভট্টাচাৰ্যৰ দৰে পণ্ডিত তেওঁ মহাপুৰুষক কি সুন্দৰ ভাৱে প্ৰকাশ কৰিছে ।

পূৰ্ব দিশে নিজ অংশে হৰি অৱতাৰ ।
নিজ নাম ধৰ্ম বস্তু কৰিব প্ৰচাৰ ॥
নামত শংকৰদেৱ শুদ্ৰ কুলে জাত ।
ব্ৰহ্মাহৰ আদি জন্ম লভিব তথাত ॥

তেওঁ কৈছিল যদি শংকৰদেৱক কোনোবাই হৰি অৱতাৰ বুলি নকয় তেনে হলে তেওঁলোকক মই কওঁ—তেওঁ ব্ৰাহ্মণসকলক কৈছিল—

মৎস কুৰ্ম শুকৰ আদি পশু অৱতাৰ ।
কিময়তে পণ্ডিতে মানে দুষ্ট দুৰাচাৰ ॥

কলিত শংকৰদেৱক তোমালোকে মানিব নোৱাৰা তেনেকৈ তোমালোকে মাছ, কাছ, শুকৰ আদিক নামানা ? কিয় মানা তোমালোকে ?
কিন্তু শঙ্কৰৰ দৰে—“সুন্দৰ গৌড় কলেবৰ” এইজন পুৰুষক তোমালোকে ঈশ্বৰ নামানা ।

এইবোৰ মোৰ কথা নহয় বোপাইইঁত। সেইজন ব্ৰাহ্মণে কৈছে—

স্বৰ্গ খণ্ড ৰহস্যত সঞ্জাত নোজোৰা।
বশিষ্ঠ সংহিতা স্মৃত সংহিতাত ছোৰা॥
অগস্তি সংহিতা পঞ্চৰাত্ৰ জামলত।
বিষ্ণু ধৰ্মোত্তৰ স্মৃত পুণ বিচাৰত॥
যোগিনী তন্ত্ৰত ইতিহাস ভৱিষ্যত।
হৰ গৌৰী সংবাদত শিবে নাৰদত
ইসব শাস্ত্ৰত যদি বিচাৰি নাপায়।
পণ্ডিতে নিন্দিবে তেবে বুজো মুনিষাই॥

গতিকে মহাপুৰুষ গুৰুজনে সকলো প্ৰচাৰ কৰিছে। কিন্তু সেইসকলে বেদ কৰ্ম ত্যাগ কৰি আহি শংকৰদেৱক গুৰু বুলিছে। তেনেকুৱা এদল লোকে এইখন শিলা গাওঁৰ পৰাই শংকৰদেৱৰ বিৰুদ্ধে নৰনাৰয়ণৰ ওচৰত গোচৰ দিছিল। তাত শুদিব মানুহ এজনো নাই। ব্ৰাহ্মণ বুলি জাতিক ঘৃণা কৰা কথা নাই। যদি জাতিক ঘৃণা কৰো তেনেহলে গুৰুজনক নমনা হব। তেওঁ কৈ গৈছে—

ব্ৰাহ্মণৰ চাণ্ডালৰ নিবিচাৰি কুল।
দাতাত চোৰত যেন দৃষ্টি একতুল॥

আমি কৰ্মমাৰ্গৰ কথা আলোচনা কৰিছো, জাতিৰ কথা আলোচনা কৰা নাই। ব্ৰাহ্মণ সকল আমাৰ হিয়াৰ বস্তু, আমাৰ নমস্যজন।

সৎ কৰ্ম কৰি আহিছে কাৰণেই ব্ৰাহ্মণ জন্ম পাইছে। কৈছে "ব্ৰাহ্মণ ক্ষত্ৰিয় পূণ্য তনু।" পূণ্য কৰিলেহে ব্ৰাহ্মণ কুলত জন্ম পায়। ইয়াত হিংসা কৰা প্ৰশ্ন অহা নাই। কিন্তু শাস্ত্ৰৰ বাণী আজি মাতি যাওতে যদি আপোনাসকলে ভাবি লয় আমাক হিংসা কৰিছে, তেনেহলে মই বেজাৰ পাম।

আমি কোনো দুখ পোৱা নাই। জাতিৰ প্ৰতি, দেশৰ প্ৰতি, আমাৰ প্ৰেম আছে। আমাক যদি কোনোবাই এই দেশৰ প্ৰতি প্ৰেম নাই বুলি কয় তেনেহলে আমি দুখ পাম। আমি এইখন দেশৰ খাদ্য, পোষাক আদি সকলোৰে কাৰণে চিন্তা কৰিছো। সকলো আমি অসমীয়া তাৰ পাচত ভাৰতীয়। অসমৰ কৃষ্টি, ধৰ্ম, ভাষাৰ কাৰণেই আমি জীৱন পাত কৰিছো। সঞ্চালক প্ৰমুখ্য কৰি সকলো নিৰপক্ষ হওক। ভগৱান ইয়ালৈ আহি দুজনা গুৰু নামি আহি আমাক পথ দেখুৱাব। নাম জীৱন্ত বস্তু কলিৰ কাৰণে নামেই সৰ্বস্ব। নামেই সমস্ত কৰিব।

):--:(

শ্ৰীচন্দ্ৰকান্ত মিশ্ৰ ঃ বুঢ়া সত্ৰাধিকাৰ, বৰপেটা সত্ৰ।

মুৰ্ত্তি বৰপেটা সত্ৰত কেনেকৈ সোমাল তাৰ বিষয়ে মই এইখন গোপাল দেৱৰ চৰিত্ৰ তাৰ পৰা পঢ়ি শুনাওঁ।

মাধৱে পূৰ্বত যিটো সাজিলা ৰঙিলী গৃহ
সিটো ঘৰ অগ্নিয়ে দহিলা।
এহি পুৰা ভিঠাখানে কাষ্ঠক বংশক আনি
প্ৰসঙ্গৰ ঘৰক সাজিলা॥
বাহু চাউলীয়া নামে ৰাজাৰ বৰুৱা তেন্তে
সেৱক যে মাধৱদেৱৰ।
ৰঘু নৃপতিৰ আগে সমস্তক কহিলন্ত
যেন ভাবে ভৈল মাধৱৰ॥
শুনি ৰাজা বহু মানে বিষাদ কৰিলা বোলে
অপৰাধ মোহোতেসে ভৈল।
দুখ পাইয়া মোত হন্তে পৰম বৈষ্ণৱ তেন্তে
মোহৰ ৰাজ্যক ত্যাগিল॥
এহি বুলি শিলাময় এগুতি প্ৰতিমা দিল
চন্দ্ৰতাপ একখানি দিল।
আনো বস্তুযত দিয়া ভকত সবক লাগি
বাহু চাউলিয়াক পাঠাইল॥

এই কথাখিনিয়ে প্ৰমাণ কৰে যে, এইটো বুঢ়া আতাৰ দিনত হব। ৰামানন্দ দ্বিজ চৰিত্ৰ পুথিত এই কথাটো আছে।

আজি আমাৰ বিশেষ চিন্তা কৰিবলগীয়া কথা হ'ল আমি কি ভাবে চলি সকলোকে সমিল মিলেৰে থাকিব পাৰো। আমি আজি ইমান বছৰে নাম ধৰ্ম পালন কৰি চলি আহিছো। সেই নাম ধৰ্ম পালন কৰি আতা সকলে শ্ৰেষ্ঠ পদ লাভ কৰিলে। আমি আজি সেই নাম ধৰ্মকে পালন কৰিও বুঢ়া

আতা সকলৰ দৰে হব পৰা নাই। এইয়া চিন্তানীয় বিষয়। মোৰ মতে এইটো মূল কাৰণ। এই কেৰোণ দুৰ কৰিব পাৰিলেহে আমাৰ নিস্তাৰ। আতাসকলে হিত আচৰণৰ দ্বাৰা সেই অৱস্থা পাইছিলগৈ। আমাৰ বিচাৰ্য বিষয় এইটো হব নালাগেনে? আমি ভকতি বুলি কৈছো, নাম বুলি কৈছো, সেইটো আহৰণ কৰিব পাৰিছোনে নাই তাৰ বিচাৰ কৰিব লাগিব।

—)::(—

শ্ৰীপ্ৰভাত দাস: শঙ্কৰ মাধৱ প্ৰতিভা কেন্দ্ৰ, গুৱাহাটী।

বৰপেটা সত্ৰৰ বুঢ়া সত্ৰাধিকাৰে পদ মাটি দেখুৱাইছে যে মথুৰাদাস বুঢ়া আতাৰ দিনতে মূৰ্ত্তি প্ৰতিস্থা কৰা কথাটো হয়। ইয়াৰ বিপৰিতে আমি এই কথা খণ্ডন কৰি বুৰঞ্জীমূলক তথ্য এটি আপোনালোকৰ সন্মুখত দাঙি ধৰিব বিচাৰিছো। এইটো হ'ল বৰপেটা সত্ৰৰ তামৰ ফ'লিৰ নকল। ইয়াত লিখা আছে—"স্বস্তি শিৱসিংহ ভুতাৰীক গ্ৰহণাঃ সুৰশাখিকল্প:। সোমাৰ পীঠস্য পুৰন্দৰ শ্ৰীশ্ৰী স্বৰ্ণনাৰায়ণ দেৱবস্ত:। নৃপ নিকৰ কিৰীটৈ: শৈৱ্যাসানো মকত্য কুল কমল দিনেশে নীতিৰত্নৈক সিন্দু:। থিয়ক্ষৰ-হৰ-হাৰ-স্মাৰ-বিস্তাৰ-কীৰ্ত্তি:। প্ৰলয় সমৰ ভাস্বত কাঞ্চ চন্দ প্ৰতাপ:। সতী স্বৰাজস্য কমণীয়া নৰেশ্বৰী। ৰোহিনীৰ ৰতিৰূপা চছম্বিকা নৃপৱল্লভা॥ বিষ্ণু প্ৰীতিং সমুদিশ্য ভক্তানাং ভয়হাৰিনীং॥

কামৰূপ দেশৰ বৰুৱা ও বড়কায়স্থ ও চৌধুৰী ও পাটোৱাৰী ও তালুকদাৰ ও ঠাকুৰীয়া ও গয়বহ সকলো সাৱধানে জানিবা শ্ৰীশ্ৰীকৃষ্ণদেৱ পদাৰবিন্দ মকৰন্দ মধুব্ৰত শ্ৰীশংকৰ-মাধৱদেৱৰ পোড়াভিটাৰ স্বতন্ত্ৰ স্থানৰ ভকত ২৮০ ঘৰ, পাইক ১৭ ঘৰ এই সকলৰ লগতে বাউসী বৰপেটাৰ যি মাটি আছিল তাকো স্থানলৈকে দিলো। এই মাটিৰ পূৰ্ব্বপাৰ পশ্চিমে কলয়া বিল দক্ষিণে হৰিভাল উত্তৰে শ্ৰীশংকৰদেৱ নিবাস কৰা চুপপোড়াৰ বড়ি বদ। চতুৰ সীমা কৰি পূজনা দেৱতাৰ পৰমেশ্বৰ দেৱতা সুপ্ৰীতিৰ নিমিত্তে মহাপ্ৰভুলৈ দিয়া গ'ল। এই তাম্ৰ পত্ৰিকা

দিয়া হ'ল। পুত্র পৌত্রাদিক্রমে ভাগ কৰি শ্ৰবন কীৰ্ত্তন ধৰ্ম্মত থাকি তুজন দেৱতাক আশীৰ্ব্বাদ কৰি ঈশ্বৰ সেৱা কৰি থাকিব। ইয়াত কৰ কাটল পত পথ্যক বৈধ বেনাৰ চোৰ টিনালা ধুমাচ মাৰেচা তাল খুত দনত বন্ধ ৰাজ সভাই ব্যতিৰেকে সৰ্ব্বকাৰ পৰিত্যাগ হ'ল। ইয়াত...... দেৱান্তৰ ধৰ্ম্মোত্তৰ কৰি নাথাই যদিও অন্যথা কৰে দণ্ডায় হৈবেক— ভকত নিৰিসায়—

ব্ৰাহ্মণ= 0 সত্ৰাৰিয়া = 0 ডেকা সত্ৰাৰিয়া =0 ভাগতি ১ পুজাৰি ৫ ভকত ১২ কায়স্থ কলিতা ৯৬ কেওট ৫৯ শালৈ—২০ গণক ১ কুমাৰ ৭ কোচ ৮ নাপিত ৫ সুঁড়ি ৬ চমাৰ—৯ ধোৱা—৮ বুণী ২৪ হাৰী—১৪ চণ্ডাল— ৪ মুঠ=২৮০

পাইক নিৰিমাই কেওট—১ (ৰাম্নাবাই কম্মাহ) কুমাৰ—১ (ধৰাধৰ) নাপিত ১ চণ্ডাল ১৪ শিৱসিংস নৃপাসত্যেস্তৰুতা বৰফুকন তুৰবা বংশ সম্ভুতস্তমিতং সত্ৰং চিহুকং (চাব)

এই স্থানত তলৰ সত্ৰ বাৰাদি ১ খন কিপিৰাপাৰা ১ খন সাৰি ১ খন থাবলাগাৰত ১ খন দিয়া গ'ল।

ইয়াকে তথা সৰ্ব্বকৰ পৰিত্যাগ হইল। শক ১৬৫৭ সাক্ষ্য আমাৰুতাং ৪

প্ৰাচ্য শাসনাৱলী

এই কথাখিনিৰ পৰা ভিত্তি কৰি কব পাৰি বৰ্ত্তমান ১৯০৯ শক—১৫০৫ শকত বৰপেটাৰ সত্ৰ স্থাপন হয়। গতিকে আজিৰ পৰা ৪০৪ বছৰৰ আগতে বৰপেটা সত্ৰ স্থাপন হৈছিল। বুঢ়া আতা প্ৰায় ৫০ বছৰ মান বৰপেটা সত্ৰৰ সত্ৰাধিকাৰ হৈ থাকে। ১৬-৫৭ শকত শিৱসিংহৰ দিনত তামৰ ফলি আছে। গতিকে সত্ৰ স্থাপন হোৱাৰ ১৫২ বছৰ পিছত তামৰ ফলি আছে। ১৫৬৩ শকত ১৫১ বছৰ বয়সত বৈকুণ্ঠী হয়। গতিকে বুঢ়া আতা ৯৪ বছৰৰ পাছত সত্ৰত তামৰ ফলি আছে। কিন্তু ফলিত বিগ্ৰহৰ উল্লেখ নাই। সেয়ে বুঢ়া অতাৰ দিনত এই সত্ৰলৈ বিগ্ৰহ অহা নাই। সুন্দৰীদিয়া, পাটবাউসী, বৰপেটা সত্ৰত শিৱসিংহই বিগ্ৰহ দিয়া উল্লেখ নাই। তাত মাটি দান কৰা কথাহে আছে। নাম কীৰ্ত্তন ধৰ্ম, পালন কৰি থাকিবলৈ ফলিত স্পষ্ট উল্লেখ আছে। এই কথাখিনি ডঃ মহেশ্বৰ নেওগৰ প্ৰাচ্যশাসনাৱলীৰ। অসমৰ সকলো তামৰ ফলিৰ পূৰ্ণপাঠ আছে। ডঃ নেওগ দেৱে অসমৰ সকলো সত্ৰৰে তামৰ ফলি উল্লেখ কৰিছে। শিৱসিংহই য'ত বিগ্ৰহ আৰু মাটি দিছে তাত বিগ্ৰহ দিয়া বুলি উল্লেখ আছে। সেয়ে ইয়াৰ পৰা প্ৰমাণ হয় যে বুঢ়া আতাৰ দিনত বৰপেটা তথা

অসমৰ কোনো সত্ৰতে মূৰ্ত্তি অহা নাই। শিৱসিংহই মূৰ্ত্তি দিয়া নাই। আতা পুৰুষসকলৰ পিছৰ কালত কোনোবাই এই সত্ৰত বিগ্ৰহ স্থাপন কৰে।

শ্ৰীচন্দ্ৰ কান্ত মিশ্ৰ ঃ বুঢ়া সত্ৰ, বৰপেটা সত্ৰ।

মই পুথিৰ পৰাই উল্লেখ কৰিছো। তাৰোপৰি ৰমানন্দ দ্বিজৰ চৰিত পুথি তাতো আছে। এই চৰিত সমূহ অপ্ৰমানী হব পাৰে নেকি? চৰিত পুথি অপ্ৰমানী হলে সিটোও অপ্ৰমানী হব।

ফলি বহু পিছত হৈছে। তাত যিটো মহাপ্ৰভু বুলি উল্লেখ কৰিছে সেইটোৱে বিগ্ৰহ, ফলিখন বুঢ়া আতাৰো পিচৰ। এই ফলিখনত মাটি দিছে নিজৰ কল্যানৰ নিমিত্তে কোনোবাই দিব পাৰে— আজিও পাৰে।

—)::(—

শ্ৰীপ্ৰেমকান্ত মহন্ত ঃ সঞ্চালক।

এতিয়া আমি এটা কথা বুজি পালো যে বিগ্ৰহ যাৰে দিনত নহওক শ্ৰীমন্ত শংকৰদেৱৰ দিনত বা মাধৱদেৱৰ দিনত সত্ৰত মূৰ্ত্তি স্থাপন হোৱা নাই। পিচত কাৰ দিনত হৈছে সেইটো লৈ আমি চিন্তা কৰাৰ কোনো কাৰণ নাই। কোন ৰজাৰ দিনত হ'ল তাক নালাগে। এইটো ঠিক হ'ল যে দুজনা গুৰুৰ দিনত কোনো সত্ৰত মূৰ্ত্তি স্থাপন হোৱা নাই। গতিকে আজিৰ বিষয়টো ইমানতে এৰি আগৰ বিষয়টো আলোচনা কৰো।

—)::(—

"মহাপুৰুষ গুৰু দুজনাৰ আদৰ্শ আগত ৰাখি বিশাল অসম গঢ়াৰ প্ৰতিশ্ৰুতিৰে তথা মানৱ সমাজৰ কল্যান কামনাৰে এই ধৰ্মৰ সংগঠন, বহুল প্ৰচাৰৰ বাবে কাৰ্যকৰী আঁচনি গ্ৰহণ।"

ইং ২।৫।৮৭ তাৰিখ। নিৰ্ধাৰিত সঞ্চালক শ্ৰদ্ধেয় কৃষ্ণানন্দ ব্ৰহ্মচাৰীদেৱে বাৰ্দ্ধক্য জনিত কাৰণত সঞ্চালকৰ পদ গ্ৰহণ কৰিবলৈ অপাৰগ হোৱাত সভাত উপস্থিত থকা শ্ৰদ্ধেয় প্ৰেমকান্ত মহন্তৰ নামটো আদৰণি সমিতিৰ অন্যতম প্ৰচাৰ সম্পাদক শ্ৰীসাধুচৰন দাসে প্ৰস্তাৱ কৰে আৰু বিত্ত সমিতিৰ অন্যতম সম্পাদক ডঃ গুৰু চৰণ দাসে সমৰ্থন কৰে।

সঞ্চালক প্ৰেমকান্ত মহন্ত : বিশেষ কাৰণত আজিৰ আমাৰ ওপৰতেই সঞ্চালকৰ দায়িত্ব পৰিল। মই কালিৰ এটা অভিজ্ঞতাৰ পৰা সভা আৰম্ভ হোৱাৰ আগতেই কেইটামান কথা কব বিচাৰিছো। এই খন আমাৰ কোনো বিষয়ৰ তৰ্কসভা নহয়। বিধান সভা সমূহৰ দৰে কোনো এটা প্ৰস্তাৱ পাচ কৰিবলৈ উঠি পৰি লগাৰ দৰে সভাও নহয়। কোনো ৰাজনৈতিক সিদ্ধান্ত এটা লবৰ কাৰণে যত্ন কৰা সভা নহয়। এইখন তেনেই ভকত বৈষ্ণৱ সকলৰ সভা। ইয়াত যদি আমি ভকত সুলভ নম্ৰতা আৰু সহনশীলতা প্ৰদান কৰি কাৰ্য সম্পাদন কৰিব পাৰো তেতিয়া আমাৰ সভাখন সাৰ্থক হয়। আটাইতকৈ ডাঙৰ কথা হৈছে নম্ৰতা আৰু ভকত সুলভ ব্যৱহাৰৰ বৈশিষ্ট এইখিনিতেই যে অন্যান্য খিমানবোৰ পন্থা ভক্তি মাৰ্গৰ বাহিৰে, বৈষ্ণৱ মাৰ্গৰ বাহিৰে অন্যান্য খিমানবোৰ ধৰ্ম পন্থা আছে কেৱল তৰ্ক বিতৰ্ক, যুক্তি, থিয় হোৱা, হাত দঙা-দঙি পৰ্যন্ত হয়। এতিয়াও দাক্ষিনাত্য আদি ঠাইত যি সকলে দেখিছে তাত ধৰ্ম সভা আদি পাতে দস্তুৰমত পৰস্পৰে পৰস্পৰৰক যুক্তি প্ৰদৰ্শন কৰে। সেইবিলাক বৈষ্ণৱ বা ভকতৰ

সমাজ নহয়, পণ্ডিতৰ সমাজ। আমাৰ ইয়াত যি সকল পণ্ডিত সেই সকল ভকতো। আমি ইয়াত সকলো পণ্ডিত ভকত সকল গোট খাইছো সেই কাৰণে মই আশা কৰো, আমি ভকত সুলভ নম্রতা সহনশীলতা প্রদর্শন কৰিব পাৰিম। তাৰ কাৰণে ভগবন্ত বস্তুৱে সেইকন সুবুদ্ধি আমাক দিয়ক। দুনাই দুনাই ঈশ্বৰক তাকেই খাটিছো।

আজিৰ যিটো বিষয় আছে মহাপুৰুষ গুৰুজনাৰ আদর্শ আগত ৰাখি বিশাল অসম গঢ়াৰ প্রতিশ্রুতিৰে তথা মানৱ সমাজৰ কল্যাণ কামনা কৰি এই ধৰ্মৰ সংৰক্ষন, বহুল প্রচাৰ আৰু প্রসাৰৰ বাবে কার্যকৰী ব্যৱস্থা গ্রহণ।" আজিৰ বিষয়টো অধিক লাগতিয়াল। এইমূহুৰ্ত্তত অধিক প্রয়োজন। এই কেইদিন আমি যিমানবোৰ কথা আলোচনা কৰিলো তাতোকৈ কেনেকৈ দুজনা গুৰুৰ ধর্ম প্রচাৰ আৰু প্রসাৰ কৰিব পৰা যায় এইটোৱেই মূল কথা। আজিৰ এই বিষটো আলোচনা মূকলি কৰিবলৈ অভ্যর্থনা সমিতিৰ ফালৰ পৰাই বক্তব্য দাঙি ধৰিব।

(আদৰণি সমিতিৰ তৰফৰ পৰা ৪র্থ বিষয় তথা শেষ বিষয়টো দাঙি ধৰে প্রচাৰ সমিতিৰ অন্যতম সম্পাদক শ্রীদয়াল কৃষ্ণ বৰাই।)

*

শ্রীদয়াল কৃষ্ণ বৰা: প্রচাৰ সম্পাদক, আদৰণি সমিতি।

শ্রদ্ধাস্পদ সঞ্চালক ডাঙৰীয়া, গুৰু সকল, বাপুসকল আৰু বিশিষ্ট অতিথিবৃন্দ।

আমাৰ এই অভিবৰ্ত্তনখনৰ উদ্দেশ্য দুটা— প্রথম উদ্দেশ্য হ'ল— মহাপুৰুষ গুৰু দুজনাৰ যি আদর্শ এই সম্বন্ধত যি এটা বিশৃঙ্খল হোৱা বুলি জন সমাজত প্রচলিত হৈ পৰিছে তাৰ বিষয়ে আলেচেনা আৰম্ভ কৰা। দ্বিতীয় উদ্দেশ্য হ'ল— গুৰুজনাক আমি আমাৰ মাজতেই সীমাবদ্ধ নাৰাখি বাহিৰলৈ লৈ যাব পাৰো নেকি তাৰো এটা আলোচনা। ইয়াৰ কাৰণ সম্বন্ধে আদৰণি সমিতিৰ তৰফৰ পৰা মই বিতংভাৱে কবলৈ বিচাৰিছো।

মহাপুৰুষ শংকৰদেৱৰ ধৰ্মত যি কেইটা বিষয় বস্তুত খেলি মেলি হোৱা বুলি আমাৰ ধাৰণা হৈছিল— আদৰণি সমিতিত আমি বিষয় বস্তু নিৰ্দ্ধাৰণ কৰোঁতে আলোচনা হৈছিল যে একশৰণ সম্বন্ধে গোটেই অসম জুৰি এটা বিতৰ্ক চলি আছে— লগতে একশৰণৰ লগত জড়িত নিত্য নৈমিত্তিক বিভ্ৰান্তি এই কথা কেইটা আলোচনা হোৱাৰ লগতে গুৰু দুজনা মোৱাৰ পিছত তেওঁসকলৰ আদৰ্শত কি বিভ্ৰান্তি সোমাল তাবো যদি কাৰণ বিচাৰ কৰিব পৰা হয় তেনেহলে আমি এটা সংগঠন কৰিবলৈ সক্ষম হ'ম। তাৰ কাৰণেই শেষৰ ফালে আমি সংগঠনৰ কথাটো ৰাখিছিলো।

মোৰা চাৰি দিনৰ আলোচনাত দেখা গৈছে যে কিছু বিষয়ত আমি সকলোৱেই এক হৈ থিয় হৈছো। কিছু কিছু ক্ষেত্ৰত অলপ মতানৈক্য হৈছে। কেতিয়াবা এনে লাগে যেন দুটা দল হিচাবে থিয় হৈছে আৰু যেন উগ্ৰও প্ৰকাশ হৈছে। এই খিনি কথা আমি বহুত ধৈৰ্য্যৰে শুনিবলগীয়া হৈছো। হে ৰাপুসকল মই ব্যক্তিগত ভাৱে দুজনা গুৰুকে সাধনাৰ ইচ্ছাৰে হৃদয়ত লৈ আছো। কিন্তু সাংগঠনিক ভাৱে মই অন্য এটা সংগঠনৰ লগত জড়িত যি সৰ্বভাৰতীয়। যেতিয়া সৰ্বভাৰতীয় অনুষ্ঠানৰ লগত বেলেগ বেলেগ কথা আলোচনা কৰিব যাওঁ তেতিয়া কিছুমান কথাত আমাৰ মনত বৰ দুখ লাগে। কষ্ট হয়। চৈতন্য মহাপ্ৰভুৰ ধৰ্ম্ম সমস্ত পৃথিৱীতে বিয়পি গৈছে। যেতিয়া তেওঁলোকৰ লগত আলোচনা কৰিব ধৰো তেতিয়া মনত বৰ পীড়া আছে। আমাৰ গুৰু যিজন সৰ্বগুণাকৰ, যাৰ কাৰো লগত তুলনা নহয় বুলি মহাপুৰুষ মাধৱদেৱে কৈছে সেইজন মহাপুৰুষক আমি আমাৰ মাজতে ৰাখি বৰ কাজিয়া পেচাল কৰি আছো যেন মোৰ ধাৰণা হয়। একে নিচিনাকৈ হিন্দু সমাজৰ মাজত নতুন নতুন ধৰ্ম মহেশ যোগীৰ Transendentel maeditation গোটেই পৃথিৱীতেই বিয়পি পৰিছে। তেনেদৰে ক'ত কিমান সমগ্ৰ পৃথিৱী বিয়পা ধৰ্ম আমাৰ দেশৰ পৰা গৈ আছে তাৰ হিচাপেই নাই ; কিন্তু শংকৰদেৱক অসমৰ সীমাৰ ভিতৰতেই নহয় লাহে লাহে ব্ৰহ্মপুত্ৰ উপত্যকাৰ ভিতৰত সীমাৱদ্ধ কৰিবলৈ যত্ন কৰা যেন ধাৰণা হৈছে। অৱশ্যে প্ৰগতিবাদী তথা অন্যান্য সত্ৰ সকলেও প্ৰচাৰৰ কাৰণে অহোপুৰুষাৰ্থ যত্ন কৰিছে, নাই কৰা বুলি আমি কব নোৱাৰো। কিন্তু তাৰ আমি উমৈহতীয়া প্ৰচেষ্টা কৰিব পৰা নাযায় নেকি ?

চৈতন্য মহাপ্ৰভুৰ ধৰ্মতো এনে ধৰণৰ বিশৃঙ্খল হোৱা বুলি আমি শুনিছিলো। যি বিশৃঙ্খল প্ৰথম ছয় গোস্বামীত বিভক্ত হৈ পিচত ১৬।১৭।১৮ ভাগ, আউল-বাউল ক'ত কিমান ভাগহৈ বিভিন্ন উপপন্থ হৈ পৰিল। ইয়াৰ পিচত তেওঁলোক সকলোখিনি বহিল। বহুত দিন চলা আলোচনাৰ পিচত এটা সিদ্ধান্তলৈ আহিল। গৌড়ীয় মঠ প্ৰতিস্থা হৈ সেই মতেদি চৈতন্য মহাপ্ৰভুৰ ধৰ্ম গোটেই পৃথিবীলৈ লৈ গ'ল। একেদৰে খৃষ্টান ধৰ্মৰ কথা আমি জানো, পঢ়িছো তেওঁলোকৰ মাজত আজিও বিভেদ, কিমান বিভেদ তাক কৈ অন্ত কৰিব নোৱাৰি। পোপ পন্তীয়াকৈ কেথলিক, প্ৰটেষ্টাইন, চিৰিয়ান, লুঠাৰিয়ান, প্ৰচব্ৰিটেনীয়ান, মৰদান ক'ত কিমান বিভাজন আছে। সমস্ত বিভাজন তেওঁলোকে ৰক্ষা কৰিও ধৰ্ম প্ৰচাৰৰ কাৰণে বিশ্ব গীৰ্জা পৰিষদ গঠন কৰি গোটেই পৃথিৱীখন ভাগ ভাগ কৰি লৈছিল। কোনে ক'ত কেনে ধৰণে সংগঠন কৰিব, কাক কিমান টকা দিব, ইটো পন্থাই সিটোক কেনেধৰণে সহায় কৰিব সেইবোৰ ঠিক কৰি লৈছিল। তেওঁলোকৰ কথা হ'ল যিয়েই প্ৰচাৰ নহওঁক গোটেই পৃথিৱীতে তথাপি খৃষ্টান ধৰ্ম প্ৰচাৰ হওঁক।

মুছলমানৰ মাজত? তেওঁলোকৰ ধৰ্মৰ মাজত বিভাজন নাই এনে নহয়। তেওঁলোকৰ চিয়া-চুন্নীৰ কথাই নকওঁ আৰু ক'ত ৰকমৰ আহমেদীয়, ৱাহবীৰ আদি ভাগ আছে কৈ শেষ কৰিব নোৱাৰি। এই বিভাজন বিলাক থকা স্বত্বেও তেওঁ-লোকে বিশ্ব মুছলীম লীগ গঠন কৰি গোটেই পৃথিৱীতে কেনেকৈ মুছলমান ধৰ্ম প্ৰচাৰ কৰিব পাৰে তাৰ যত্নত ব্ৰতী হৈ পৰিছে।

আমি মহাপুৰুষীয়া সমাজ খনেও এনে ধৰণে ব্যৱস্থা কৰিব নোৱাৰো নেকি? কিছুমান বিষয় বা কথাত আমি একমত নহয় নেকি? কি কি কথাত নো আমি একমত তাক আমি উলিয়াব নোৱাৰো নেকি? অৱশ্যে আমাক বহুতে প্ৰশ্ন কৰিছে যে আপোনালোকে যে সভাখন আয়োজন কৰিছে এই সভাত কি সিদ্ধান্ত লৈ গুৰুজনাৰ ধৰ্ম প্ৰচাৰৰ কাৰণে যোৱাৰ কথা ভাবিছে? এই প্ৰশ্নটোত যথাৰ্থতা আছে। কাৰণ শংকৰদেৱে শ্ৰাদ্ধ কৰিবলৈ কৈছিল বুলি এদলে কলে আনদলে তাৰ বিৰোধিতা কৰি ফুৰিব, শংকৰদেৱে মালাগুটি লেখিব কৈছিল নে নাই তাক এদলে বিৰোধিতা কৰে অৰ্থাৎ এদলে কিবা কব আন এদলে তাৰ বিৰোধিতা কৰি ফুৰিব, তেতিয়া হ'লেতো আমাৰ ভিতৰতে বিভ্ৰান্তি হব। এইবোৰ

বেয়া কথা। আপোনালোক সকলোটি ইয়াত সমবেত হৈছে। আমি সমিল মিল ভাৱেৰে আমাৰ গুৰুজনক সমগ্ৰ ভাৰতবৰ্ষতে নহয় সমগ্ৰ পৃথিবীলৈ লৈ যাব পাৰো তাৰ চিন্তা কৰিব পাৰো নেকি?

এই কেইদিন আমি যিমান আলোচনা কৰিলো এই আলোচনা সমূহত যিমান উম্মা প্ৰকাশ কৰিলো তাক পৰিহাৰ কৰিব পাৰো নেকি? সকলো আমি এক হব পাৰো নেকি? এক অৰ্থ কৰোতে এক সিদ্ধান্তত উপনীত হোৱাকে ব্যৱহাৰ কৰিব বিচৰা নাই। আমাৰ প্ৰথম এইটো সিদ্ধান্ত হওঁক আমি সকলো মহাপুৰুষীয়াই এক। আমি সকলো মহাপুৰুষীয়াই এক এই খিনিলৈকে যদি আমি একমত হব পাৰো তেনেহলে মহাপুৰুষ গুৰুজনক প্ৰচাৰৰ কাৰণে এটা ডাঙৰ সুবিধা হব।

বৰপেটা বাইজে, বৰপেটা সমূহে আপোনালোকক এটা সুন্দৰ সুবিধা দিছে। সকলোকে মাতি আনি লগ কৰি দিছে। এতিয়া পিচৰ খিনি কাম আপোনালোকৰ। মই বৰপেটা সমূহৰো আৰু আদৰণি সমিতিৰো সেই দিশৰ পৰা নিজকে প্ৰসংশা কৰা হয় যদিও তাক নুই কৰিব নোৱাৰি।

বৰপেটা বাইজৰ তৰফৰ পৰা, আদৰণি সমিতিৰ তৰফৰ পৰা অনুৰোধ জনাব বিচাৰিছো আমাৰ সমিতিৰ তৰফৰ পৰা ত্ৰুটি হয়টো হৈছে— দিওঁতে থওঁতে অন্য কিবা কৰোতে যথেষ্ট ত্ৰুটি হৈছে। তাক আপোনাসৱ সন্ত মহন্তই নিজ গুণে মাৰ্জনা কৰিব। আমাৰ সমিতিক আপোনালোকে সদভাৱে গ্ৰহণ কৰক আৰু আপোনাসৱেও ইটো অনুষ্ঠানে সিটো অনুষ্ঠানক সদভাৱে গ্ৰহণ কৰি সমিল-মিলেৰে কেনেভাবে আমাৰ ধৰ্মটো বাহিৰলৈ লৈ যাব পাৰো, গুৰুজনাক কেনেকৈ প্ৰচাৰ কৰিব পাৰি তাৰ আলোচনা কৰক, তাৰ আঁচনি এখন গ্ৰহণ কৰিব পাৰি নেকি সেই উদ্দেশ্যে আজি এটা মীমাংসাত উপনিত হ'লে ভাল হয়।

আৰু এটা কথা— অন্য ধৰ্ম বিলাকত মানৱ সেৱাৰ এটা প্ৰচেষ্টা আছে। মহাপুৰুষীয়া ধৰ্মতো বিভিন্ন অনুষ্ঠানে গাই-গুটীয়াকৈ যিটো মানৱ সেৱাৰ প্ৰচেষ্টা লৈছে— আমি সকলোৱে লগ হৈ স্কুল পাতা, হস্পিটেল পাতা, অন্য কিবা কৰা আদি কাম আমি কৰিব পাৰো নে নোৱাৰো? আমি অসমীয়া সমাজ দুখীয়া

নেকি? পইছা নাই নেকি? আছে যথেষ্ট টকা-পইছা আছে। আমাৰ এটা বস্তুহে অভাৱ সেইটো মনৰ মিলৰ অভাৱ। আৰু এই মনৰ অমিলটো যদি আমাৰ দূৰ হৈ যায় তেতিয়াহলে আমাৰ সমাজখনক আমি জীয়াই ৰখা সহজ হ'ব। আহক আমি সকলোৱে লগ হওঁ। একেলগে আলোচনা কৰো। আমাৰ এই আলোচনাটো আমি ইয়াতে শেষ নকৰি পিচলৈ লৈ যাওঁ আহক।

এটা কথা আলোচনা হৈছে আমি এই পাচদিন আলোচনা কৰি ইয়াতে এটা সিদ্ধান্ত হ'ব সেই সিদ্ধান্তটো সকলতে প্ৰচাৰ হৈ যাব আৰু আমাৰ মহাপুৰুষীয়া ধৰ্মৰ যিবোৰ ভাগ আছে সকলোবোৰ সেইমতে হৈ যাব। এই আশা আমিও কৰা নাই আপোনাসৱেও নিশ্চয় কৰা নাই। আলোচনাবোৰ যাতে আমি কৰি থাকো। আজি আমি ইমানলৈকে কৰিলো ইয়াৰ পিছত আৰু আগবাঢ়ি অলোচনা কৰিম। যাতে আপোনাসৱে আমি সকলোৱে গ্ৰহণ কৰিব পৰা এটা পথ ওলায়। সময় পালে সকলো হ'ব। মই ঠিক তাৰেই সংগতি ৰাখি বেদৰ এটা মন্ত্ৰেৰে সামৰণি মাৰিলো।

ওঁ সহনাববতু সহনৌ ভূনক্তু।
সহবীৰ্যং কৰবাৱহৈ ৷
তেজস্বিনাবধীতমস্তু মা বিদ্বিষাবহৈ।
ওঁ শান্তিঃ শান্তিঃ শান্তিঃ।

★

আচাৰ্য শ্ৰীইলাৰাম দাস : একশৰণ ভাগৱতী সমাজ।

আজি অভ্যৰ্থনা সমিতিৰ তৰফৰ পৰা শ্ৰীদয়াল কৃষ্ণ বৰাই যিখিনি আগবঢ়াইছে সেইখিনি আমাৰ কথা। শ্ৰীবৰাক আমিয়েই এইখিনি কৈছিলো। প্ৰথমহ'ল অভ্যৰ্থনা সমিতিয়ে বিষয়টো আওৰাই দিলে। মই তেওঁক পৰামৰ্শ দিছিলো যে মহাপুৰুষীয়া ধৰ্মৰ বিষয়ে আলোচনা আৰু দেশ গঢ়াৰ কাৰণে সমন্বয়ৰ সিদ্ধান্ত।

তেখেত সকলে এটা বেচি শব্দ সুমুৱাই দি আমাক আউল লগাই দিলে। সিদ্ধান্ত মূলক অভিবৰ্তন। এই কথাখিনি তেখেত সকলে নিজে ঠিক কৰি লোৱা। এই শব্দটিৰ কাৰণেই আজি অসমবাসীৰ মাজত হুলস্থুলৰ সৃষ্টি হৈছে—হোৱাটো স্বাভাৱিক। কব নাইজে, কি সিদ্ধান্ত হ'ল, একো নহ'ল। শেষত কাজিয়া হ'ল। এই অভিবিক্ত শব্দটোৱে আমাক বিভ্ৰান্তত পেলাইছে। আমাৰ মতেদি হ'লহেতেন যে মহাপুৰুষীয়া ধৰ্মৰ আলোচনা আৰু সমন্বয়ৰ বিষয়ে সংগঠন তেতিয়াহলে আমাৰ একো নাছিল। যা-হওঁক আজিৰ বিষয়টোৰ বিষয়ে মই সাধু সকলৰ সন্মুখত ৰাখিলো।

বহুতৰ ধাৰণা যে আজিৰ বিষয়টি মূল বিষয়। বাকী বিষয়বোৰ গৌণ। হে প্ৰভুসকল এই কথাটো যদি আমি ভাৱো তেনেহ'লে ভগৱান শ্ৰীকৃষ্ণ প্ৰমুখ্যে ব্ৰহ্মা, শিৱ, নাৰদ প্ৰমুখ্যে, গুৰু দুজনা আৰু আতাসকলক অপমান কৰা হব। যদি আমি ৫ দিন ৫ ৰাতি ইমান দিনে আলোচনা কৰিও তাক আমি এটা সিদ্ধান্তত উপনিত হ'ব নোৱাৰিলো তেনেহলে আজিৰ বিষয়টোহে যদি আমি মুখ্য বুলি ধৰি লও তেনেহ'লে ভুল হ'ব। এই কথাটো মোৰ মনত বৰকৈ ধৰিছে।

সমন্বয়ৰ কথাটো মূলতে এই অভাজনৰ মনতে আজি ৫ বছৰমান আগতেই খেলাইছিল। মোৰ মনত এই ভাৱ এই কাৰণেই খেলাইছিল যে আজি ইচকণৰ মানুহ আহি ঘৰে ঘৰে হৰে কৃষ্ণ হৰে ৰাম কৰি ঘুৰি ফুৰিছে। আমি ইয়ালৈ অহাৰ আগদিনা ইচ্‌কণৰ মানুহ আমাৰ ঘৰতে ৰাতিটো থাকি পিচদিনা গুচি গৈছে। আমি শংকৰদেৱক কোচবেহাৰৰ সীমালৈ লৈ যাবলৈ কিয় নোৱাৰিলো। এই কথাটো চিন্তা অনাত—পাৰিলে লাহে লাহে চৰ্চ্চাও হওঁক, প্ৰমাণ হওক সত্যতা উদ্‌ঘাটন হওঁক। আজি শংকৰদেৱ অসমত কেইবাজনো হ'ল। কোনোৱা জন শংকৰদেৱে কৰ্মকাণ্ড সিদ্ধান্ত দিয়া বুলি আমি ধৰি লৈছো। কোনোবাই কৈছে কৰ্মকাণ্ড গুৰিবে পৰাই নাই। মাজতেহে সোমাইছে। কোনোবাই কৈছে বিগ্ৰহ আছে কোনোবাই কৈছে নাই। আজি বিগ্ৰহ মনা, কৰ্মকাণ্ড মনাসকলৰ পৰা কোনো এজন বিদগ্ধ পণ্ডিত বাহিৰলৈ যায় তেওঁ শঙ্কৰদেৱক প্ৰচাৰ কৰিলে বিগ্ৰহ বা কৰ্মকাণ্ডৰ প্ৰতিষ্ঠা কৰি কব। আৰু যদি তাৰ বিপৰীতে অন্য দলৰ লোক যায় তেনেহলে তেওঁলোকে তাৰ বিৰুদ্ধে কব। তেতিয়া হলে আমাৰ কাজিয়া হ'ব। সেই কাৰণেই আমি সমন্বয় চিন্তা কৰিছিলো যাতে আলোচনা অকণ বাঢ়ি যায়। মোৰ মনৰ কথা এটা কৈছো গুৰু সকলে ক্ষমা কৰিব।

হে প্ৰভুসকল অসমৰ সত্ৰ সমূহৰ প্ৰতি মোৰ এটা সদায় শ্ৰদ্ধাৰ ভাৱ আছে। এই কাৰণেই আছে যিমানেই মোৰ পিতাই লেতেৰা কাম কৰি নাযাওক তথাপি তেওঁক মই পিতা বুলি কবলৈ সুবিধা পাইছো। আজি ৫০০ বছৰে তেৰাসকলে সচাই মিছাই হলেও গাওঁবোৰক কৈ ফুৰিছে "কৃষ্ণ বোল অ' বোপাইহঁত, ঈশ্বৰৰ নাম ল" বুলি কৈ আহিছে। এই কথাখিনি আমি যদি নাপালোহেঁতেন তেনেহলে আমি কিজানি অন্য ধৰ্মলৈ গুচি গ'লোহেঁতেন। আজি তেৰাসকলো অগ্নি পৰীক্ষাৰ সম্মুখীন হৈছে। এই কথাটো ভাবিয়েই তেৰাসকলকো লৈ আমি এক সত্য উদঘাটন কৰি সত্য প্ৰতিস্থা কৰি সত্যক তেখেত সকলেও আলিঙ্গন কৰি, প্ৰকৃত সমন্বয় পথ এটা লোৱা হওঁক বুলি মোৰ তেতিয়াৰ পৰাই ভাৱ।

লগতে আৰু এটা ঘটনা হৈছে প্ৰভুসকল। আজিৰ বঙ্গত আমাতকৈ ডাঙৰ ঘটনা হৈছিল। তেওঁলোকৰ মাজতো এনে কিছুমান মানুহ ওলাইছিল যিবোৰ আমাৰ বাতি খোৱা সম্প্ৰদায়বোৰৰ দৰে বিভৎস। এইবোৰ দেখি শুনি তেওঁলোকে গৱেষণাকেন্দ্ৰ এটা আৰম্ভ কৰিলে আৰু চৰকাৰক জনালে যে আমি চৈতন্যদেৱৰ ওপৰত গৱেষণা কৰিম আমাক তোমালোকে ধন দিয়া। তাৰ চৰকাৰেও তেওঁলোকক পৃষ্ঠপোষকতা কৰিলে। কিছু বছৰ গৱেষণা কৰি তেওঁলোকে এটা সিদ্ধান্তত উপনিত হ'ল, যাৰ ফলস্বৰূপে গৌড়ীয় মঠ প্ৰতিস্থা হ'ল আৰু তাৰেই পৰা এ, চি, বেদান্ত প্ৰভু পাদ ওলাই গৈ ইচ্কণ প্ৰতিস্থা কৰিলে। আজি আমেৰিকাৰ লক্ষ লক্ষ লোকৰ মাজত ধৰ্ম প্ৰচাৰ কৰিলে। আমিও এটা গৱেষণা-গাৰৰ প্ৰস্তাৱ লব লাগিব।

বৰ্ত্তমান আমাৰ জনপ্ৰিয় চৰকাৰে কলা-সংস্কৃতি প্ৰচাৰৰ ক্ষেত্ৰত আঠ কোটি টকা দিছে। আমি চৰকাৰক কওঁ। আমাকো দিয়ক আমিও গৱেষণা কৰো। কালি প্ৰভুজনে কৈছে মুঠা শাস্ত্ৰ আছে, সকলো শাস্ত্ৰ আনি ইয়াত গৱেষণা কৰা হওঁক প্ৰকৃত শংকৰদেৱৰ ধৰ্ম কোনটো সেইটো উদ্ধাৰ হওঁক। ইয়াৰ লগতে আমি এখন বিদ্যালয় পাতো। যেনেকৈ গৌড়ীয় মঠে বিদ্যালয় পাতি মেট্ৰিকুলেট ল'ৰা-বোৰ ভৰ্ত্তি কৰি দিলে একেলগে তেওঁলোকে নাম সাধনা কৰিলে, চৰিত্ৰ গঠন হ'ল আৰু লগতে শাস্ত্ৰৰ শিক্ষা হ'ল, বেদ-বেদান্ত, ভাগৱত, আদি শিকালে। উপাধি দিলে ভক্তি বেদান্ত, বেদান্ত সৰস্বতী, বেদান্ত বিনোদ ইত্যাদি, দলে দলে পণ্ডিত আৰু ভক্ত প্ৰচাৰক জন্ম হ'ল। আমি তেনেকুৱা এটা অনুষ্ঠান পাতি একেদৰে ডেকা ডেকা ল'ৰাবোৰক আমেৰিকা, ইউৰোপ আদি ঠাইলৈ পঠিয়াব লাগে।

আমি গুৰুজনৰ চৰণত ধৰোঁৱা নহয়নে বাপ সকল? আমাৰ যি জন জগত গুৰু তেওঁক কি কৰি ৰাখিছো।

মোক ক্ষমা কৰিব। আমাৰ জৰাবাৰী অধিকাৰ প্ৰভুজনে জানে—কোচ বেহাৰলৈ মই এবাৰ গৈছিলো ৰই নদীৰ পাৰত, চান কভৰা বুলি এখন গাওঁৰ লৈ, এইয়া মোৰ লগত থোৱা জিনকাটা মানুহ আছেই—তাত গৈ মই এঘৰ মানুহ পালোগৈ—গিৰিন্দ্ৰ ভকত। তেওঁৰ ল'ৰাৰ নাম কৃষ্ণ ভকত। মোৰ সন্দেহ হ'ল। ভকত উপাধি ক'ত পালে, আপোনালোকৰ—এই পাৰাৰ নাম কি? সুধিলো—কলে ভকত পাৰা। ওচৰৰ এইখন গাও? কলে বায়ন পাৰা। এইখন? গায়ন পাৰা। তেতিয়া মই সুধিলো আপোনালোকে এইবোৰ উপাধি ক'ত পালে? তেওঁলোকে ক'লে—আমাৰা জানি না। বহু পূৰ্বে কোন একজন শঙ্কৰাচাৰ্য এইখানে আসিয়াছিলেন তিনিয়েই দিছি এই নাম, আমৰা কিছু জানি না। কথা শুনি মোৰ চকুৰে পানী বাগৰি গ'ল। জৰাবাৰী বাপে গম পায়। তাৰ পিছত মই ধৰ্মালোচনা কৰিলো, ভালেখিনি মানুহ গোটাই লৈ শংকৰদেৱৰ কথা কলে। তেওঁলোকে কলে আপুনি যদি কোচ বেহাৰত কিছুদিন থাকে তেনেহলে বহুত মানুহ আমি গোটাই দিম। কিছু লোকে শৰণ লব বিচাৰিলে। মই শৰণ দিবলৈ মন নকৰিলোঁ। পিছত সেইখিনি মানুহ আমাৰ জৰাবাৰীৰ সত্ৰাধিকাৰে শৰণ কৰাইছে। তেখেতে তাৰ গোটেই বুৰঞ্জী জানে। গতিকে গুৰুজনৰ আমি সকলো কৰিব নোৱাৰিলেও আমাৰ মনত সদায় দুখ থাকে। আমি মূৰ্খ আমাৰ ইংৰাজী জ্ঞান নাই গতিকে আমি কৰিবলৈ যাব নোৱাৰিলো। কিন্তু আমাৰ সতি সন্ততি সকলক এই শিক্ষা দিয়া উচিত, যাতে বিশ্বত গুৰুজনকলৈ যায়। পথ মুকলি হৈ গৈছে। চৈতন্য পন্থী সকলে যুগল কৃষ্ণক দেখুৱাই গৈছে। আমি এক কৃষ্ণৰ কথা কলেই হয়। এইটো মোৰ পৰামৰ্শ।

দ্বিতীয়টো পৰামৰ্শ আমি আমাৰ ভিতৰত এটা সমন্বয় সমিতি গঠন কৰি ভিতৰুৱাকৈ চাৰ্জে চলাব লাগিব। প্ৰভু সকল এখন চাহ বাগিচাত এটা নাম ঘৰ কৰি যদি ধৰ্ম প্ৰচাৰ কৰা হয় তেনেহলে সি কৰ্ম কাণ্ডই কৰক বা জ্ঞান কাণ্ডই কৰক আমাৰ পৰা ১০০ বছৰৰ পিচতো কোনোৱাই গৈ কৰগৈ গুৰুজনৰ ধৰ্মটো এনেকুৱাহে বোপাই। তাত নাম ঘৰ এটা কীৰ্ত্তন এখন থাকিব। মাহ প্ৰসাদ থাকিব। কিন্তু তাত যদি এটা গীৰ্জা ঘৰ হৈ যায় তেতিয়া আমি কলৈ যাম? আমি ঘৰতে ঘৰতে কাজিয়া কৰি আছো। এইয়া মোৰ লগত আছে ওদালগুৰি

অঞ্চলৰ মানুহ। মই তাৰ ৰাভা গাওঁ অঞ্চলত আজি থিয়ৈ উদয়াচল বিচাৰিছে, তাত ১০ দিন থাকি ২০০ ঘৰ ৰাভামানুহ হিন্দু ধৰ্মলৈ সংস্কাৰ কৰিলো। তাৰ ভিতৰত তিনিঘৰ খৃষ্টানো যেতিয়া সংস্কাৰ হ'ল তেতিয়া খৃষ্টান সকলে ৰাটত আক্ৰমণ কৰি শিলগুটি মাৰি গাড়ীৰ আইনা ভাগি খুণ্ডলা কৰিলে। সেই বুৰঞ্জী বিদ্যমান। এয়ে হ'ল আমাক ঘেৰি উঠা ৰহস্য পূৰ্ণ কথা।

আজি এখন সমন্বয় সমিতি হব লাগে, কোনে কৰি কি আছে, কৰি থাকক তাৰ মাজতে ভিতৰুৱা কিছুমান চাহ বাগানত আৰু জনজাতি গাওঁ সমূহ আমাৰ মাজলৈ আনিবলৈ যত্ন কৰিব লাগে। আমাৰ এখন আলোচনী উলিয়াব লাগে। বৰ্ত্তমান যিকেইখন খবৰ কাগজ আছে সেই কেইখন জড়বাদী কাগজ। তেওঁলোকে জড়বাদৰ কথা লিখে কিন্তু চৈতন্য বাদৰ কথা নিলিখে। এইবোৰ অন্তৰালত আৰু কথা আছে। আমি মহাপুৰুষৰ বাণী বা ভাৰতীয় দৰ্শনৰ লগত সম্পৰ্ক ৰাখি বিশ্বৰ বিভিন্ন ধৰ্মগুৰু সকলৰ বাণীৰে সৈতে এখন কাগজ হয়, খবৰ কাগজ আকাৰে নহয় তিনিমহীয়া বা ছয়মহীয়া আলোচনী আকাৰে প্ৰচাৰ কৰিবলৈ চেষ্টা কৰিব লাগে।

আৰু এটা কথা আমাৰ ধৰ্ম শিক্ষা আৰু সাধন প্ৰণালী বৰ কম হৈছে। তাৰো প্ৰশিক্ষণ ব্যৱস্থা কৰিব লাগে। এইদৰে যদি আমি সমন্বয়ৰ মাজতপৈ থাকো মই ভাবো ইয়াৰ এটা প্ৰকৃত সত্য উদ্ঘাটন হব।

এই সভাৰ সিদ্ধান্ত মূলক শব্দটোৱে আমাক বিভ্ৰান্ত কৰিছে। আমি ইয়াৰ পৰা ওলাই গ'লে ৰাইজে আমাক ধৰিব, কি কৰিলা তোমালোকে বুলি। এই কাৰণে এৰি থৈ যাব নোৱাৰো—ধৰিলেও বিপদ। কালিৰ পৰা মোৰ টোপনি অহা নাই। গুৰু সকল আপোনালোকলৈ মই অনুৰোধ কৰো আজি আমি এখন সমিতি কৰো আৰু সেই সমিতিত আমি সকলো থাকি কাকো আপত্তি নকৰি নিজৰ নিজৰ মতত ধৰি থাকি গুৰুসকলৰ সন্মানৰ কাৰণে এটা সিদ্ধান্ত কৰো আহক। সভাখনৰ, ভাগৱতৰ মৰ্যদা আৰু গুৰুসকলৰ মৰ্যদা ৰক্ষা কৰি কিবা এটা নিৰূপণ নকৰিলে আমি বৰ বিপদত পৰি যাম। আমি গোটেইবোৰ অপৰাধত পৰি যাম বুলি মই ভাবিছো। মোৰ মনৰ কথা কৈছো প্ৰভুসকল শৰণৰ কথাটো বা হৰি নামৰ কথাটোৱে কিবা এটা যদি সিদ্ধান্ত নলও তেনেহলে ইমানবোৰ পদ পুথিত কৰা আলোচনা বিফল হব।

আমাৰ মাজত সমন্বয় বৰ প্ৰয়োজন হৈছে। দেশ গ'ল আজি আমাৰ কাৰণে। নগাৰ নৰোত্তম, গাৰোৰ গোবিন্দৰ কথা আমি জানো। গুৰুজনে সকলোকে এক কৰিছিল। কিন্তু পৰৱৰ্ত্তী লোকসকলে চুলে গা ধুৱ লগাত পৰিল। এইটো মই কাকো দোষিব নাবাও ভক্তিৰ বত্তিগছ নুমাই গল মানুহে বেতিয়া দেহ বুদ্ধিৰে ভাবিব ধৰিলে—

শৰীৰক মই বুলি ভৈলো বুদ্ধি হৃত।
হিয়াতে হৰাইল হৰি খুজো বাহিৰত॥

বেতিয়া তেওঁৰ ল'ৰাটো অশৰণীয়া হলেও অভকতীয়া হলেও মেডিকেল কলেজৰ ছাত্ৰ হলেও মজিয়াতে ভাত দিয়ে। মেকুৰীটোকো দিয়ে। কিন্তু ভকত জনক একে মজিয়াতে ভাত দিব নোৱাৰা হ'ল। এইবোৰ বেজাৰতে বাহিৰৰ মানুহবোৰ আতৰি আতৰি অন্য ধৰ্মলৈ গুচি গ'ল। আজি যদি এইদৰে আমি আলোচনা কৰি থাকো তেনেহলে কালি হয়তো গুৰুজনাৰ দিনৰ দৰে কৈবৰ্ত্ত, ব্ৰাহ্মণ খায় দুগ্ধ ঘ'ত দিন হয়তো আহিব। গতিকে আমি কাৰো ওপৰত আঘাত নকৰাটো গুৰুজনাৰ বৰ্ণনাৰে অতি সাধাৰণ এটা সিদ্ধান্ত লব পাৰো। কিন্তু এইটো কথাও থাকিব লাগে যে এইটো আমি কাকো জাপি দিব বিচৰা নাই। সেই বলবৎ কৰিবলৈকো নহয় কেৱল আলোচনাৰ ওপৰত প্ৰবাহিত হোৱাৰ মতটোহে দিয়া হ'ল। এইটোৱে যদি নহয় মোৰ অধমৰ বিশ্বাস সকলো নাম অপৰাধত পৰি যাম বুলি ভাবিছো।

আমাৰ মাজত আৰু এটা বেমাৰ চলি আছে। সেইটো হ'ল পৰস্পৰ নিন্দাবাদ। আজি কোনো এজনে এঠাইত এটা বক্তৃতা দি আহিলে, কালিলৈ সত্ৰৰ আন এজন গৈ কৈ আহিব তেওঁ চণ্ডাল। সত্ৰই কিবা এটা কৈছে আমি হয়তো গৈ কৈ আহিলো তেওঁলোকে মহাপুৰুষীয়া ধৰ্ম কেতিয়াবাই ধ্বংস কৰিলে। তেওঁলোকৰ কথা নুশুনিবা এনেধৰণৰ নিন্দাবাদ আমাৰ মাজত চলি আহিছে। এইটোও পৰিহাৰ কৰিব লাগে। চাওক আমি চাপি আহি আহি কেইটামান লগ লাগি আছো। নিজকে হয়তো বিৰাট মহাপুৰুষৰ গুণ গাই আছো বুলি ভাবিছো কিন্তু সংখ্যানুপাতে যদি আমি চাওঁ অসমতে মহাপুৰুষীয়া মানুহ অতি তাকৰীয়া। তাৰ কাৰণে আমি পৰিকল্পনা কৰি ধৰ্ম প্ৰচাৰ কৰি মহাপুৰুষীয়া সমাজখন বহলাবৰ হ'ল। ইজনে সিজনক সহায় কৰিম। কোনোবাই গীত পদ ভাওনা আদিৰে সহায় কৰক, কোনোবাই ধন বিত দি, কোনোবাই মানুহ লাগি সহায় কৰক। এনে ধৰণৰ

এটা কথা ভাবিয়েই এই অভাজনে এটা সমন্বয়ৰ কাৰণে যত্ন কৰি আহিছিলোঁ। বৰপেটীয়া বাইজে এই আশাকণ কিছুপৰিমাণে পূৰণ কৰিলে। তেৰা সকল জন্মে জন্মে অমৰ হওক।

আৰু আমাৰ সত্ৰাধিকাৰ সকল, তেখেত সকল আমাৰ পিতৃপুৰুষ নহয় নেকি? তেখেত সকলৰ আমাৰ তেজৰ সম্বন্ধ নাই নেকি? তেখেত সকলে আমাক মাভক সমাজক, সংঘক সভাপাতি আমিও তেখেত সকলক মাতো। তেখেত সকলে আমাৰ মাজত কওক, এই বুলি আমি এটা সম্প্ৰীতিৰ আঁচনি নলও তেনেহলে আমি নিজে নিজে গুৰুচৰণত জহন্নামে যাব লাগিব। দেশ নাথাকিব। আপোনালোকে মনত ৰাখিব মই এটা ভবিষ্যত বাণী কৰিছো— যদি আমি শংকৰদেৱৰ বাণীৰে দেশ ৰক্ষা কৰিব নোৱাৰো তেনেহলে দেশ ৰক্ষা কৰা কোনো পথ নাই। কোনো পথ নাই। এইটো কৈ মই সামৰণি মাৰিলোঁ। ★

শ্ৰীপঞ্জেন বৰুৱা : মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ সমাজ, জামুগুৰি হাট।

একশৰণ ভাগৱতী সমাজৰ আচাৰ্য দেৱ শ্ৰদ্ধেয় দাস দেৱৰ লগত আমি একমত। বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত যেনেদৰে বিশেষ অনুষ্ঠানৰ প্ৰয়োজন, শাৰিৰিক বিকাশৰ কাৰণেও বিশেষ অনুষ্ঠান প্ৰতিষ্ঠান হলে ভাল হয়। বিশেষ পাৰদৰ্শী লোক সকলক তেনেদৰে উপাধী প্ৰদান কৰিলে ভাল হয়। ৰাজ্যিক ভিত্তিত কেন্দ্ৰ হলে আমাৰ বিশেষ উপকাৰ হব আৰু তেনে অনুষ্ঠানত যোগ্য লোকও জড়িত কৰিব লাগিব। গৱেষণাও বিজ্ঞান সন্মত হলে ভাল হয়।

★

শ্ৰীশৰৎ চন্দ্ৰ মেধি : মহাপুৰুষীয়া ধৰ্মালোচনী সভা শ্ৰীশ্ৰী শংকৰদেৱ ধাম গুৱালকুছি।

মহাপুৰুষীয়া ধৰ্মৰ ৰক্ষণা-বেক্ষণৰ দায়িত্বটো মই ভাবো আই সকলৰ হাতত আছে। আমাৰ গাওঁবোৰত মাকসকলৰ পৰা যদি ধৰ্মটো নাপাই তেনেহলে

ডেকা ল'ৰাবোৰ ক্ৰমান্বয়ে বিশৃঙ্খল হৈ পৰে। আপোনালোকে যি প্ৰকাৰৰ সমিতি কৰাৰ কথা কৈছে তাৰ ভিতৰত মহিলাৰ এটা গোট কৰি তেওঁলোকক প্ৰশিক্ষণ আদি দিলে বেছি ভাল হয়।

আমাৰ এটা প্ৰশাসনীয় গোটৰ প্ৰয়োজন। এই গোটটোৰ লোক সকলে ডাঙৰ ডাঙৰ কাৰ্যালয় বা মহাবিদ্যালয়, বিশ্ববিদ্যালয় আদিত ধৰ্ম প্ৰচাৰ কৰিব। আমাৰ সন্ত, মহন্ত সকল সেই সেই স্থানলৈ যাবলৈ সুবিধা নহব পাৰে। সেই কাৰণে এইগোটটোৰ প্ৰয়োজন।

জনজাতি লোকসকলৰ মাজত বিনামূলীয়া পাঠ্য পুথি আৰু কাপোৰ কানি বিতৰণো কৰিব লাগিব। ইয়াৰ মাধ্যমেৰে আমি ওচৰ চাপিব পাৰো।

আমাৰ সংগঠনবোৰক আৰু সত্ৰবোৰক এনেদৰে ভাগ কৰি দিব লাগে যাতে তেওঁলোকে নিজ নিজ এলেকাত ধৰ্ম প্ৰচাৰ কৰিব পাৰে। ★

শ্ৰীদেবেন্দ্ৰ চন্দ্ৰ দাস : মহাপুৰুষীয়া ধৰ্মালোচনী সভা শ্ৰীশ্ৰী শংকৰদেৱ মন্দিৰ, গুৱালকুছি।

একশৰণ ভাগৱতী সমাজৰ আচাৰ্য শ্ৰীযুত ইলাৰাম দাস দেৱৰ লগত আমিও একমত। মহাপুৰুষৰ ধৰ্ম সমগ্ৰ বিশ্বতে লৈ যাবলৈ সময় হ'ল। পিতৃৰ ধৰ্মৰ সুযোগ্য পুত্ৰই কৰিব লাগে। বিশাল অসম গঢ়াৰ কাৰণে আমি গুৰুজনৰ ধৰ্ম অসমৰ প্ৰত্যেক খন গাওঁলৈ লৈ যাব লাগে আৰু ভিতৰৰ গাওঁবোৰত কিছুমান বিদ্যালয় পাতিব লাগে। যাতে মহাপুৰুষৰ আদৰ্শ ঠিকমতে শিক্ষা হয়। ইমানকে কৈ মই সামৰণি মাৰিলো। ★

অধ্যাপক মধু ওজা : শংকৰ-মাধৱ প্ৰতিভা কেন্দ্ৰ, গুৱাহাটী।

আজি যিটো বিষয় দিয়া হৈছে বিশাল অসম মই তাৰ প্ৰতিবাদ কৰিব বিচৰা নাই। মই কব বিচাৰিছো বিশাল অসমীয়া জাতি। আন এটা কথা

হৈছে এই কেইদিনৰ আলোচনাত এটা কথা দেখা গৈছে আমি হিন্দু হিচাবে এটা বুজা পৰা হব লাগে সেই খিনি কথাত এটা কথা কব খোজো আমি যেতিয়া ৬ বছৰে যি আন্দোলন কৰিলো, কি কাৰণে কৰিলো ? সেইটো হ'ল অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষা আন্দোলন। আমি অসমীয়া হিচাবেহে ভাৰতীয় ভাৰতীয় হিচাবে অসমীয়া নহয়। যদি ভাৰতীয় হিচাবে অসমীয়া হও তেনেহলে আমাৰ সমস্ত আমি তেওঁলোকৰ মুখাপেক্ষী হব লাগিব। গুৱাহাটীৰ সকলোবোৰ মাটি অসমীয়াইতৰ পৰা নিব ধৰা দেখি চৰকাৰে এটা আইন কৰিছে যদিও আইনতো সুৰুঙা আছে নহয়। আমি যেনেকৈ অসমীয়া হিচাবে ভাৰতীয় ঠিক তেনেকৈ মহাপুৰুষীয়া হিচাবে হিন্দু। হিন্দু হিচাবে মহাপুৰুষীয়া নহয়। আমি প্ৰথমতে হিন্দু তাৰ পিচত মহাপুৰুষীয়া সেইটো হলে বিপদ আছে। আমাৰ সমস্যা এই মহাপুৰুষীয়া হিচাবেহে। আমাৰ সমস্যা যিখিনি মহাপুৰুষীয়া অসমীয়া সেই খিনিৰহে। মই প্ৰাগজ্যোতিষ মহাবিদ্যালয়ত শিক্ষকতা কৰো। মোৰ বিশ্ব হিন্দু পৰিষদৰ লগত সম্পৰ্ক আছে— আৰু ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ লগতো আছে। তেওঁলোকৰ লগত কোনো বিৰোধ নাই। মহাপুৰুষীয়া হিচাবে যিখিনি সমস্যা দেখা দিছে তাৰ কাৰণেই এইখিনি কথা কৈছো। আমি যিখিনি কৰিব লাগিব। গুৰুজনে যি দিলে সমগ্ৰ মানৱ জাতিৰ কাৰণে দিছে সেইখিনি অসমীয়া জাতি গঠনৰ সমল। অসমীয়াৰ কাৰণে, অসম 'দেশৰ কাৰণে নহয়। অসমীয়া জাতি কোঁচ ৰেহাৰতো আছে, অৰুণাচলতো আছে। নাগালেণ্ড, মণিপুৰ সকলতে আছে। শ্ৰীমন্ত শংকৰদেৱ সংঘই এইবোৰ ঠাইতো প্ৰচাৰৰ কাম চলাই আছে।

আমি সমগ্ৰ পৃথিবীতে যদি ধৰ্ম প্ৰচাৰ কৰিব লাগে কৰাটো দৰকাৰ তেনেহলে মই বৰপেটা সত্ৰৰ জৰিয়তে অস্থায়ী অনুষ্ঠান সমূহকো অনুৰোধ কৰিব বিচাৰো। আজিৰ বৰপেটা সত্ৰৰ ডেকা সত্ৰীয়া শ্ৰদ্ধেয় শ্ৰীযুত ইষ্টদেৱ নবিশ দেৱে ১৯৩৮ চনতে খৈৰাবাৰীত মিচন খুলিছিল। সি প্ৰচাৰৰ কেন্দ্ৰ আছিল। বৰ্ত্তমান সেই প্ৰচাৰৰ মিচনটো নাই। সেইটো বৰপেটা সত্ৰই কৰিব লাগিব।

প্ৰয়াত পিতাম্বৰ দেৱ গোস্বামী, নিকামুল সত্ৰ অধিকাৰ প্ৰয়াত গহন চন্দ্ৰ গোস্বামী আৰু সুন্দৰী দিয়া সত্ৰৰ অধিকাৰ প্ৰয়াত গিৰিকান্ত অধিকাৰী আদি আন আন লোক সকলৰ আহিঁৰে জনজাতি সমূহৰ মাজত আৰু চাহ

বাগানৰ বনুৱাৰ মাজত ধৰ্ম্ম প্ৰচাৰৰ ব্যৱস্থা কৰিব লাগে।

যি সকল অসমীয়া লোক কিন্তু গুৰুজনা ধৰ্মৰ ভিতৰত নহয়— তেওঁলোকক লৈ এটা সমন্বয় গঢ়িব লাগে। ইমানকে কৈ সামৰণি মাৰিলো।

★

শ্ৰীপবিত্ৰ দাস: নগাওঁ জিলা আন্দি পন্থ সমাজ।

একশৰণ ভাগৱতী সমাজৰ আচাৰ্য শ্ৰীযুত ইলাৰাম দাস দেৱে যিখিনি কথা কৈছে সেইখিনি বৰ গঠন মূলক আৰু ব্যৱহাৰিক দিশত ফল প্ৰসূ। কাৰণ তেখেতে যিখিনি কৈছে ইয়াতকৈ উত্তম কথা আৰু নাই। গতিকে মই তেখেতৰ কথাত সন্মতি প্ৰদান কৰিছো। তেখেতে যিখন সমন্বয় সমিতিৰ কথা কৈছে সেই খন যদি আজি কৰা যায় তেনেহলে বেছি ভাল। নীতিৰ ক্ষেত্ৰত আমি কিবা সিদ্ধান্ত কৰিব নোৱাৰিলেও সমন্বয় সমিতি খনেই আমাক নি সেই ঠাইত উলিয়াব গৈ। আমাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ কামত ইয়াতকৈ ভাল একো হব নোৱাৰে।

মই আৰু এটা কথা কব বিচাৰিছো— গুৰুজনৰ কথা আমি সকলোৱে কওঁ। কিন্তু নামঘৰবোৰ দেখাৰ পাচত এনে ভাব হয় যেন আমি মুখতহে কওঁ। মই বিশেষকৈ নগাওঁ জিলাৰ নামঘৰবোৰৰ কথা কৈছো, এই দিশতো আমি চকু দিব লাগিব।

★

শ্ৰীবলভদ্ৰ অধিকাৰী: সুন্দৰীদিয়া সত্ৰ।

খৃষ্টীয়ান সকলে যেনেকৈ তেওঁলোকৰ ধৰ্ম পুথিবোৰ বিনামূলীয়াকৈ বিতৰণ কৰে সেইদৰে আমাৰ নাম ঘোষা, কীৰ্ত্তন ঘোষা পুথি বিনামূলীয়াকৈ নহলেও সুলভ মূল্যত দিব পৰা ব্যৱস্থা কৰিব লাগে। অন্য ধৰ্মৰ ধৰ্ম পুথি বোৰেও মানুহক আকৰ্ষণ কৰি লৈ গৈ আছে। বিনামূলীয়াকৈ পুস্তিকা উলিয়াই বিতৰণ কৰিলে ভাল। ভাগৱতী সমাজৰ আচাৰ্য শ্ৰদ্ধেয় দাস দেৱে কোৱা সমন্বয় সমিতি

খন গঠন হলে ভাল। এই সমিতিৰ জৰিয়তে ভাওনা, গীত, মাত আদিৰ প্ৰচলন কৰিব লাগে। দেশৰ প্ৰত্যেক জন লোকৰ মাজলৈ শংকৰ গুৰু ধৰ্ম যোৱাৰ ব্যৱস্থা কৰিব লাগে। ★

শ্ৰীহৰগোবিন্দ দাস : জিনকাটা সত্ৰ, কোচবেহাৰ।

আজিৰ যিটো বিষয় দিয়া আছে— দুজনা গুৰুৰ আদৰ্শ আগত ৰাখি এইটো মন কৰিবলগীয়া কথা। দুজনা গুৰুৰ আদৰ্শ ৰাখিহে যদি আমি মানৱ সেৱা তথা সংগঠন কৰিব লাগে তেনেহলে দুজনা গুৰুৰ আদৰ্শটো কি? আজি আমি ৫ দিন বহিও একো সিদ্ধান্তত আহিব পৰা নাই। এই আদৰ্শটো নজনাকৈ তেনেহলে আমি কি প্ৰচাৰ কৰিম। সেই সম্বন্ধে মই আপোনালোকৰ দৃষ্টি গোচৰ কৰিছো।

আন হাতেদি আজি এই ৫ দিনীয়া আলোচনাত আদৰণি সমিতিয়ে সকলো সময়তে ঠেলি দিয়ে যে আপোনালোক প্ৰতিনিধি বৰ্গই কিবা এটা সিদ্ধান্ত কৰক। কিন্তু প্ৰতিনিধিৰ সভাত যদি সিদ্ধান্তৰ প্ৰস্তাৱ দিয়া হয় তাক কিন্তু গ্ৰহণ কৰা নহয়।— তেনেহলে আমি কি আদৰ্শ ল'ম। মোক বেয়া নাপাব। মই প্ৰতিনিধি সকলক কৈছো যে দুজনা গুৰুৰ আদৰ্শৰ ক্ষেত্ৰত এটা থূলমূল সিদ্ধান্তলৈ আহক। আজিৰ আলোচনাৰ প্ৰথম ভাগতে ভাগৱতী সমাজৰ শ্ৰদ্ধেয় আচাৰ্য বাপে যিখিনি কথা কৈছে— তাত আমি দ্বিমত নহয়, যি সমন্বয় সমিতিৰ কথা আচাৰ্য বাপে উঠাইছে সেইটো হোৱাটো আমি কামনা কৰো। কিন্তু প্ৰস্তাৱ দিলেই হব জানো? কালি আমি সিদ্ধান্তৰ বিষয় লৈ কেইটামান প্ৰস্তাৱ দাঙি ধৰিছিলো। সকলোয়ে পঢ়িয়েই ওভতাই দিলে। আমি যদি কিবা প্ৰস্তাৱ দিও সভাত তাক পাঠ কৰিব লাগে। সভাই তাক বাদ দিলে দিব পাৰে। এইটো সঞ্চালকৰ ক্ষেত্ৰতে সীমাবদ্ধ থাকিব নালাগে।

আজি প্ৰচাৰৰ দিশত আমাৰ অভিমত এইটোৱে যে প্ৰথমতে মহাপুৰুষীয়া আদৰ্শ মাজত যিটো গ্ৰহণ কৰিব লাগে মই যদি ঠিকেই আদৰ্শ লৈ থাকো— শৰণ ভজন ক'ত কি নাজানোৱেই তাকে লৈ আমি প্ৰচাৰ কৰো কেনেকৈ? মই এই কাৰণেই কৈছো আজি ৫৩০ ৰো অধিক সত্ৰ আৰু বিভিন্ন অনুষ্ঠান

হোৱাৰ পিচতো প্ৰচাৰ দিশত বৰ দুৰ্বল। তাৰ আলমতে আজি সত্ৰ আৰু অনুষ্ঠান সমূহ ঐক্যমতত উপনীত হব লাগিব যে গুৰু ধৰ্ম লোৱা সম্পৰ্কে তাকেই আমি প্ৰচাৰ কৰিব লাগিব। গতিকেই এটা সিদ্ধান্তত উপনীত হব লাগিব। শ্ৰদ্ধেয় আচাৰ্য বাপেও কৈ গৈছে যদি আমি একো সিদ্ধান্ত নলও তেনেহলে অসমৰ সন্মুখত অপৰাধী হব লাগিব। সম্পূৰ্ণ নহলেও থূলমূল এটা সিদ্ধান্ত গ্ৰহণ কৰিব লাগিব আৰু তাৰ আধাৰতে ধৰ্ম প্ৰচাৰ কৰিব লাগিব। শ্ৰদ্ধেয় আচাৰ্যবাপে যি সমন্বয় সমিতিৰ কথা কৈছে সেই সমিতি, আজিয়েই এই সভাতেই সংগঠন হব লাগিব। সমন্বয় সমিতিয়ে কি কৰিব তাৰো নীতি নিৰ্দ্ধাৰণ ইয়াতেই হব লাগিব। ★

অধ্যাপক শ্ৰীউমেশ চন্দ্ৰ দাস: প্ৰাক্তন বিধায়ক শ্ৰীশ্ৰীঈশ্বৰহাটী সত্ৰ, গুৱালকুছি।

বুদ্ধিজীৱি শ্ৰেণীটোৰ মাজত মহাপুৰুষীয়া ধৰ্ম প্ৰচাৰ কৰিব লাগে। ভাৰতৰ অন্য প্ৰদেশলৈ বুদ্ধিজীৱি সকলৰ মাজত ধৰ্ম প্ৰচাৰ কৰিব হলে বিশ্ব-বিদ্যালয় কেইখনক মাধ্যম কৰিব লাগিব। গতিকে ধৰ্ম প্ৰচাৰৰ কেন্দ্ৰ হিচাপে বিশ্ব-বিদ্যালয় কেইখন ব্যৱহাৰ কৰিব লাগিব। অথবা বিশ্ব-বিদ্যালয়ত প্ৰচাৰ কেন্দ্ৰ স্থাপন কৰিব লাগে। ★

শ্ৰীপ্ৰফুল্ল চন্দ্ৰ মহন্ত: অধিকাৰ, শ্ৰীশ্ৰীডেকা বাপু সত্ৰ, গুৱালকুছি।

আমি দুটা দিশ চাব লাগিব। আমাৰ ধৰ্মৰ মাজত আউল লাগিছে। নলগাহঁতেন ইমান বিভিন্নতা নহয়। আনহাতে সেইটোতে লাগি থাকিলেও নহব প্ৰচাৰ আৰু প্ৰসাৰতো মন দিব লাগিব। ধৰ্ম তত্বৰ কিছুমান আমাৰ সকলোৰে মিল আছে। কিছুমান অমিল। আচাৰ্য বাপে কোৱাৰ দৰে যদি এখন সমন্বয় সমিতি হয়, তেনেহলে ধীৰে ধীৰে আলোচনাৰ জৰিয়তে আমাৰ অমিলবোৰ দূৰ কৰিব পৰা যাব। আনহাতে গুৰু ধৰ্ম প্ৰচাৰৰ কাৰণে সৰ্বতোমুখী এটা

প্ৰক্ৰিয়া লব লাগে। গঠনমূলক দৃষ্টিভঙ্গি লব লাগিব। লগে লগে সংস্কাৰ মূলক ভাৱ লৈ প্ৰচাৰ কৰিব লাগে। অমিল থাকিলে প্ৰচাৰত অসুবিধা হয় ঠিক, কিন্তু একশৰণত আমাৰ সকলোৰে মিল আছে। অনাহকত বিভেদ। এই দিশত আমি মিল হবলৈ বিশেষ অসুবিধা নহয়। এই বিভেদ দূৰ নকৰি প্ৰচাৰ কৰাত অসুবিধা। এই কমিটি এনে বিভেদবোৰ মাৰি এক কৰি হে প্ৰচাৰত গলে ভাল হব। কমিটিৰ সদস্য লওঁতে বাস্তৱ দৃষ্টি ভঙ্গি লব লাগিব। প্ৰচাৰেই যথেষ্ট নহয়। কমিটি সৰু হলে ভাল। ★

শ্ৰীইষ্টদেৱ নবিশ: ডেকা সত্ৰাধিকাৰ, বৰপেটা সত্ৰ।

এইটো শুভ লক্ষণ যে সমন্বয় সমিতি খনত সত্ৰসংঘ, একশৰণ ভাগৱতী সমাজ, শংকৰ সংঘ প্ৰভৃতিয়ে লগ হৈ কাম কৰিব। আমি যি সকলক শৰণ দিওঁ, সেই সকলক নিজৰ বুলি ধৰি লব লাগিব। জনজাতি সকলক সত্ৰবোৰে যদিও শৰণ দিয়ে, সেই সকলে একশৰণ গ্ৰহণ কৰাৰ পাছতো যদিও এশবাৰ গা-ধুই আহে তেওঁলোকৰ হাতে নাখায়। অন্য হাতে শংকৰ সংঘ, একশৰণ ভাগৱতী সমাজ আদি অনুষ্ঠান সমূহে এই ভেদ ৰখা নাই। তাৰ ফলত প্ৰচাৰ ব্যাপক হৈ পৰিছে। কিছুমান ৰীতি যদি আমি ঠিক কৰি নলওঁ তেনেহলে প্ৰচাৰৰ ক্ষেত্ৰতো সমন্বয় সমিতি গঠন কৰিলেও সুফল হব বুলি ভাবিব নোৱাৰি। প্ৰচাৰ কৰিবলৈ যাওঁতে অনা শৰণীয়ালোক সকলৰ হাতে খোৱা-লোৱা প্ৰশ্ন আহি পৰিব। শৰণ লোৱাৰ পিছত সমান ব্যৱহাৰ কৰিব লাগিব। জন-জাতি যুৱক সকলক প্ৰশিক্ষণ আদি দি আগবঢ়াই আনিব লাগিব। ★

শ্ৰীকৰুণাময় হৰিপদ দেৱ গোস্বামী: ব্ৰহ্মানন্দ সেৱাশ্ৰম।

১। মহাপুৰুষীয়া ধৰ্ম প্ৰচাৰৰ কাৰণে মহাপুৰুষৰ জন্মোৎসৱ সমূহ উপযুক্ত ক্ষেত্ৰ। কিন্তু সেই সভাবোৰত বৰ আক্ৰমণ জনক বক্তৃতা হয়। সেইটো বন্ধ কৰা ব্যৱস্থা কৰিব লাগে।

২। সকলো শাস্ত্ৰৰ মূল কথা আনি কোমল গীত গুৰুজনে ৰচনা কৰিছিল। এই গীত যাতে সকলোতে প্ৰচাৰ হ'ব পাৰে তাৰ ব্যৱস্থা কৰিব লাগে।

৩। মহাপুৰুষ মাধৱদেৱে ত্যাগী পুৰুষ দেখি মথুৰাদাস বুঢ়াআতাক প্ৰচাৰৰ দায়িত্ব দিছিল। আমিও তেনে ধৰণৰ এচাম লোক তৈয়াৰ কৰি প্ৰচাৰৰ দায়িত্ব দিব লাগে।

৪। সমন্বয় সমিতিত সকলো সত্ৰৰ নিৰপেক্ষ লোক লব লাগে। যাতে সমন্বয় ৰক্ষা কৰাত সুবিধা হয়।

৫। আমি বনুৱা ভাই, জনজাতি, কোলমুণ্ডা আদি সকলোৰে মাজত ধৰ্ম প্ৰচাৰৰ কাৰণে আগবাঢ়ি যাব লাগে। কাকো ঘিণ কৰিব নালাগে।

৬। খৈৰাবাৰী আদি পুৰণি ধৰ্ম প্ৰচাৰৰ কেন্দ্ৰবোৰ সক্ৰিয় কৰিব লাগে। যাতে অধিক ভাৱে কাম কৰিব পাৰে। ★

শ্ৰীচন্দ্ৰকান্ত গোস্বামী : সত্ৰাধিকাৰ, বেলগুৰি সত্ৰ।

অসমত বহুতো গুণী-জ্ঞানী ধনী-মানী ব্যক্তি আছে। এই সকল যদি সকলো সমন্বয় সমিতিত যোগদান কৰে আৰু আনহাতেদি সত্ৰ সংঘকো বাৰে বাৰে অনুৰোধ কৰি হলেও যদি আনিব পৰা যায় তেতিয়া হলে বহুত কাম হ'ব। সত্ৰ সমূহে শিষ্য সকলক আকোৱালি লৈ বহি থাকিলেই কামত নাহিব। সকলোকে লগত লৈ ওলাই আহিব লাগিব। কিন্তু সত্ৰ সমূহে তেনে কামত মন দিয়া নাই যেন লাগে। এই অভিবৰ্ত্তনৰ লগত আমি আৰম্ভণিৰ পৰাই লাগি আছো। মই সত্ৰ সংঘক বাৰে বাৰে অনুৰোধ কৰিছিলো যোগদান কৰিবলৈ নাহিল। যি সকলে যোগদান নকৰিলে তেওঁলোক সকলক দোষ নিদিও কিবা অসুবিধা বশতঃ হয়তো অহা নাই। আমি বৰ্ত্তমান সকলোকে সহযোগ কৰিবলৈ মাতি আনিব লাগিব। আৰু তাৰ পাছত প্ৰচাৰ কাৰ্য কৰিলে ভাল হয়। এই অনুষ্ঠানৰ জৰিয়তে আমি প্ৰচাৰৰ কাম কৰিব পাৰো। আমি সকলো এক ঈশ্বৰবাদী। কাৰো ইয়াত দ্বিমত নাই। একমাত্ৰ কৃষ্ণ দেৱত বিশ্বাস। নিত্য নৈমিত্তিক কৰ্ম আমাৰ সকলোৰে আছে— তাতো আমি দ্বিধা নকৰো। গুৰু

দেৱ, নাম, ভকত এই চাৰি বস্তুত আমাৰ কাৰো বিভাজন নাই। এইবোৰত আমি একমত হৈ কাম কৰিব পাৰো। সকলো কথাতে লগে লগে খৰখৰ কৰিলে ভাঙি যাব।

১৯৫৯ চনত কিছুলোক লৈ বৃন্দাবনলৈ গৈছিলো। তাত সকলোৰে মন্দিৰ দেখিলো। আমাৰ শংকৰদেৱৰ একো নাই। যি আছিল তাক কোনোবাই ধ্বংস কৰিছে। এই বিষয়ে গাঁৱে-ভূঁঞে টকাও তুলিছিল। সেইবোৰ সকলো শেষ কৰিছে। মই শংকৰ সংঘ আৰু ভাগৱতী সমাজক অনুৰোধ কৰো যাতে এইটো পুনৰ উদ্ধাৰৰ কাৰণে যত্ন কৰে।

আমি এখন সৰ্ব-সম্মত সমন্বয় সমিতি গঠন কৰি আগ বাঢ়িলে ভাল দেখো। এইটো আমাৰ বহুত দিনীয়া আশা। ★

শ্ৰীগৌৰীকান্ত গোস্বামী: সত্ৰাধিকাৰ, জৰাবাৰী সত্ৰ।

ধীৰে ধীৰে পশ্চিমৰ বাঢ়নি পানীয়ে আমাক উটুৱাই নিবলৈ ধৰিছে। নিজৰ ফালে কি হৈছে—খবৰে লোৱা নাই। গতিকে লগ লাগিবৰ হল। আমি এটা সিদ্ধান্ত কৰিব লাগিব। কোনটো উচিত কোনটো অনুচিত তাক বিচাৰ কৰি থাকোতেই আমাৰ সময় পাৰ হৈ যাব। সেই বাবে ৭ জনীয়া এখন সমিতি কৰিব লাগে। এই সাতজনৰ ভিতৰত বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়াবাপ, বেলগুৰি অধিকাৰ, কমলাবাৰী ডেকা, আচাৰ্য ইলাৰাম দাস, শ্ৰীসোণাৰাম চুতীয়া, গোলোক কাকতি আৰু সঞ্চালক প্ৰেমকান্ত মহন্ত থাকক। তেখেত সকলে বহি এটা সিদ্ধান্ত কৰিলে ভাল হয়। ★

শ্ৰীবিজয়কৃষ্ণ গোস্বামী: ডেকা সত্ৰাধিকাৰ, কমলাবাৰী সত্ৰ।

মহাপুৰুষৰ আদৰ্শ হল—

কুকুৰ শৃগাল গৰ্দভৰো আত্মা ৰাম।
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম॥
দাতাত চোৰত যেন দৃষ্টি একতুল॥

এই আদর্শ আগত ৰাখি মহাপুৰুষে যিখন সমাজ গঢ়ি থৈ গৈছে সেই খন সমাজ চাওঁ চোন—ব্ৰাহ্মণৰ কেশৱ চৰণ, কায়স্থৰ হৰি চৰণ, গাৰোৰ গোবিন্দ আৰু বিভিন্ন জন। বৰ্ত্তমান আমি আগবাঢ়ি যাওঁতে ভাবিব লাগিব যে প্ৰত্যেকে দুজনা গুৰুৰ সেৱক। আমাৰ পিচফালে থকা সত্ৰ, সমাজ, সংঘ নামকৰণ আমি ত্যাগ কৰিব লাগিব। জৰাবাৰী অধিকাৰে যি কৈছে তাত মইয়ো একমত। সেই মতে কাম কৰিলেহে ভাল হব। ★

শ্ৰীযাদৱ চন্দ্ৰ দাস : হাউলী।

মহাপুৰুষে যিদৰে প্ৰচাৰ কৰিছিল আমিও সেইদৰে প্ৰচাৰৰ আহি লব লাগে। নামঘৰৰ যিটো বৈশিষ্ট্য তাক ৰক্ষা কৰিব লাগে। নামঘৰ বঢ়াবও লাগে। জনজাতিৰ মাজৰ সংস্কৃতিৰ প্ৰচাৰ কৰিব লাগে। বিশেষকৈ গাঁৱে গাঁৱে নাম গোৱা শিকালে ভাল। নামৰ প্ৰশিক্ষণৰ মাজত শৰণ দিয়া হয়। কিন্তু সংস্কৃতি প্ৰচাৰ নহয়। বৰ্ত্তমানে যি হৈ আছে ই নিতান্ত কম। ব্যাপক ভাৱে কৰিব লাগে। এই বিষয়ে সত্ৰ সমূহে সক্ৰিয় অংশ গ্ৰহণ কৰিব লাগে। প্ৰচাৰৰ অভাৱত বহুতে নাজানেই। আমি তত্ব প্ৰচাৰ কৰি শিক্ষিত সমাজক আকৰ্ষণ কৰিব লাগে।

অন্য ধৰ্মৰ প্ৰচাৰ বেছি। বঙ্গদেশত বহুত ত্যাগীলোক আছে। তেওঁ-লোকে ধৰ্মৰ নামত সকলো কৰিব পাৰে, কৰেও। কিন্তু আমাৰ হলে সেই দিশত একো নাই। ★

শ্ৰীদেহেশ্বৰ বৰা : একশৰণ ভাগৱতী সমাজ, অসম।

একশৰণীয়া, কৰ্মকাণ্ডী এই বিভাজন আমি পাহৰি যাব লাগিব। এতিয়া এইটো সাফল্য কৰিবলৈ সমন্বয় সমিতি গঠন কৰা আহক। আগন্তুক গুৰু জয়ন্তী উপলক্ষে সকলো মিলি সমাৰোহ কৰিব লাগে। সত্ৰ সমূহত ঠিকেই আছে। কিন্তু গাঁৱৰ নামঘৰ সমূহত অবিৰত ভাৱে প্ৰসঙ্গ চলা নাই। এইটোও ঠিক কৰিব লাগে। নামঘৰবোৰ যাতে নাম প্ৰসঙ্গৰ দ্বাৰা চৈতন্য হৈ থাকে। তেনেহলে তাৰ প্ৰভাৱতো প্ৰচাৰ হব। ★

শ্ৰীডিম্বেশ্বৰ ভূঞা: শংকৰ-মাধৱ প্ৰতিভা কেন্দ্ৰ, গুৱাহাটী।

১। আমি এই বৰপেটা সত্ৰৰ নিৰ্দেশ প্ৰাপ্ত ধৰ্ম প্ৰচাৰক, প্ৰচাৰৰ ক্ষেত্ৰত অসুবিধা এইটো যে একেখন সত্ৰবে প্ৰচাৰকৰ মত যদি বেলেগ বেলেগ হয়, তেনেস্থলত প্ৰচাৰিত ভকতৰ মাজত সকলো প্ৰচাৰকৰ সমান সমাদৰ নাই যিহেতু মতৰ মিল নাই। গতিকে প্ৰচাৰ কৰাৰ ক্ষেত্ৰ কি পদ্ধতি বা নীতি নিৰ্দ্দেশনা শংকৰদেৱৰ আহিঁৰে কৰিব পাৰিম তাৰ এটা সিদ্ধান্ত এই অভিৱৰ্ত্তনে দিলে প্ৰচাৰক সকলৰ সহায় হব।

২। শংকৰদেৱৰ আদৰ্শৰ মতবাদক ভিত্তি কৰি কিছুমান পুথি ছপাই বৰপেটা সত্ৰ তথা আন আন সত্ৰ, সংঘ অনুষ্ঠান আদিয়ে প্ৰচাৰক সকলৰ দ্বাৰা প্ৰচাৰ বাবেৰ বিনামূলীয়াকৈ দিয়াৰ ব্যৱস্থা কৰাত লগতে হিন্দি আৰু ইংৰাজিত শংকৰদেৱৰ শুদ্ধ মতবাদবোৰ অনুবাদ কৰি দেশ বিদেশত প্ৰচাৰ কৰাৰ ব্যৱস্থা কৰিব লাগে।

৩। ভবিষ্যত ধৰ্মজ্ঞ শিক্ষিত যুৱক গঢ়িবলৈ লগতে বিশেষকৈ (বৰপেটা সত্ৰখনত ভকত কমি আহিছে) ভকত বঢ়াবলৈ স্কুলীয়া উচ্চ শিক্ষাৰ মাজেৰে ধৰ্ম কৃষ্টি আদি শিক্ষা লৈ ওলাই যাব-পৰাকৈ ৬ বছৰীয়া অনাথ দুখীয়া ল'ৰা সংগ্ৰহ কৰি সত্ৰৰ খৰছত, সত্ৰ কম্পাউণ্ডত ৰাখি অন্তত প্ৰতিবছৰে ৫ জনকৈ অনাথ শিশুক ভৰ্ত্তি কৰি বৰপেটা সত্ৰ তথা অন্যান্য গুৰুত্বপূৰ্ণ সত্ৰ আৰু ধৰ্মীয় অনুস্থানে "শংকৰদেৱ অনাথ শিশু বিকাশ কেন্দ্ৰ নাম" দি এটি অনুস্থান গঠন কৰক। যাতে শংকৰদেৱৰ আদৰ্শটো সত্ৰৰ পৰা ৩০ বছৰ বয়স হোৱাৰ পিচত সেই ল'ৰাই যিয়েই ডিগ্ৰী নলওঁক কিয় ৩০ বছৰ বয়সৰ পিচত শংকৰ দেৱৰ আদৰ্শ দেশ বিদেশত যাতে প্ৰচাৰ কৰিব পাৰে তাৰ লগতে যাতে সত্ৰৰ ভকত বৃদ্ধি হয় তাৰ এটা ব্যৱস্থা কৰিব লাগে।

৪। মহাপুৰুষৰ ধৰ্ম লৈ শিক্ষিত উপযুক্ত লোকক আকৰ্ষণ কৰি আনি সত্ৰ অনুস্থানত প্ৰশিক্ষণ দি উক্ত প্ৰশিক্ষণত উৰ্ত্তীৰ্ণ হলে এটা ধৰ্মীয় উপাধী প্ৰদানৰ ব্যৱস্থা কৰিব লাগে আৰু উক্ত ব্যৱস্থাটো সমূহ মহাপুৰুষীয়াৰ মাজত আলোচনা ক্ৰমে সৰ্বসন্মত হব লাগে।

৫। ধৰ্ম প্ৰচাৰাৰ্থে গঠন কৰা সমন্বয় সমিতিখন গঠন কৰাৰ ভেটি হিচাপে উপযুক্ত নিয়মাৱলী গঠন কৰাৰ ব্যৱস্থা হব লাগে। এই নিয়মাৱলী সাৰ্ব্বজনীন আদৰ্শত গঠন কৰাৰ বাবে গঠন মূলক বাস্তৱ কাৰ্যসূচীৰ বাবে ৰামকৃষ্ণ মিচন, খৃষ্টান মিচন, ইচকণ আদি বৃহৎ অনুষ্ঠানৰ পৰা সংগঠনৰ আৰ্হি গ্ৰহণ কৰিব লাগে আৰু জনাৰ আদৰ্শত ব্যাঘাট নপৰাকৈ লব লাগে। সকলো আৰ্হি কিছু পৰিমানে উদাৰ হোৱাটো বাঞ্চনীয়।

৬। অসমৰ বাহিৰত প্ৰচাৰাৰ্থে মধুপুৰ বৃন্দাৱন, জগন্নাথ, পুৰী, পাঞ্জাব আৰু উৰিষ্যা আদিত সমন্বয় সমিতি আৰু সত্ৰৰ যোগে বাহিৰত যোগাযোগ কৰাৰ বাবে প্ৰচাৰ কেন্দ্ৰ স্থাপন কৰিব লাগে আৰু অসমৰ প্ৰত্যেক সত্ৰতে প্ৰচাৰ কেন্দ্ৰ খোলাৰ বাধ্যতা মূলক প্ৰস্তাৱ গৃহীত কৰিব লাগে। এই খিনি আপোনালোকৰ বিবেচনাৰবাবে আগ বঢ়ালো। ★

শ্ৰীনবীন চন্দ্ৰ ভুঞা: শ্ৰীমন্ত শংকৰদেৱ সংঘ।

মই কাৰ্বি আংলং জিলাত প্ৰচাৰকৰ দায়িত্বত আছো। তাত কাৰ্বি, লালুং, কছাৰী আদি জন-জাতিৰ মাজত ধৰ্ম প্ৰচাৰ কৰাটো এটা বিশেষ অসুবিধা হৈছে। যি সকল প্ৰচাৰকে ইতিমধ্যে তাত হিন্দু ধৰ্ম প্ৰচাৰ কৰিছে তাত যিয়েই প্ৰচাৰ নকৰক তেওঁলোকে উদ্ধাৰ কৰা বুলি কয়। এই কথাত জন-জাতি সকলৰ আপত্তি। কাৰণ উদ্ধাৰ কৰি উপাধি আদি সলনি কৰি দিয়ে। এইটো বৰ দুখ লগা কথা। পতিত লোককেহে উদ্ধাৰ কৰে। তেওঁলোকৰ কথা হ'ল "শৰণ নোলোৱালৈকে আমি পতিত মানে আমাৰ জাতিটো পতিত জাতি নেকি? তাৰ মানে হিন্দু ধৰ্ম গ্ৰহণ কৰিলে আমাৰ জাতিটোৱে লোপ পায় যায়। তেনেহলে এই ধৰ্ম লব নালাগে।" আচলতে যেতিয়ালৈকে আমি শৰণ গ্ৰহণ কৰা নাই তেতিয়ালৈকে আমি সকলোৱে পতিত তথাকথিত জন-জাতিহে পতিত এইটোতো নহয়। এনে ধৰণৰ প্ৰচাৰ কৰাৰ কাৰণে আমি কিছু সফল হৈছো। এই কাৰ্বি আংলংতেই নহয় সমগ্ৰ অসমত চিন্তা কৰি পদক্ষেপ দিব লাগিব। সকলো জন-জাতিকে অন্যান্য সকলক যি দৃষ্টিৰে চোৱা যায় তেনেধৰণে চাব লাগিব। সেই ক্ষেত্ৰত বাস্তৱ ভূমিকা গ্ৰহণ কৰিব লাগিব। প্ৰথমতে বিচাৰ তথা আৰ্থিক [illegible]

পিছত আচাৰ লৈহে প্ৰচাৰ কৰিব লাগিব। শ্ৰদ্ধেয় ইলাৰাম দাসে যিখন আঁচনি দিছে সেইমতে কাম কৰিলে ভাল হব। ★

শ্ৰীগোলোক চন্দ্ৰ কাকতিঃ জামুগুৰি হাট।

ধৰ্ম প্ৰচাৰৰ উদ্দেশ্য যদি অসমীয়া জাতি গঢ়া তেনেহলে আমি কোচ, কলিতা কেওঁট, ব্ৰাহ্মণ আদি ভাৱবোৰ এৰিব লাগিব। প্ৰচাৰ দুটা স্তৰত কৰিব লাগিব দীৰ্ঘ আৰু হ্ৰস্বম্যাদী। সমন্বয় সমিতিখন গঠনৰ বেলিকা সাধাৰণ ভাবে ঐক্যমতত উপনীত হব লাগিব। সদভাব আৰু সম্প্ৰীতি থকা সকল লগ হৈ দীৰ্ঘ ম্যাদী সংগঠনত লাগিব লাগিব।

চমু কাৰ্যসূচী হিচাবে এটা কথা কৈছো— উদাহৰণ হিচাবে কওঁ সিন্দু প্ৰদেশৰ পৰা আহি সমগ্ৰ অসম ভ্ৰমণ কৰি সত্ৰবোৰলৈ গৈ বুজিলে যে শংকৰদেৱৰ নিয়ম আদৰ্শৰ লগত বিভিন্ন সত্ৰৰ বিভিন্ন আচৰণ দেখা গ'ল, বহুতো সত্ৰই শংকৰদেৱক গুৰু বুলিয়েই দেখুৱা নাই। এনে কাম হৈ থকাৰ ফলত বহুতো বাহিৰৰ বা জ্ঞানী লোকে গুৰু আদৰ্শ গ্ৰহণ নকৰে। গতিকে প্ৰচাৰৰ কামত যাওঁতে সকলোৱে একমতত উপনীত হৈ হে আগ'বাঢ়িব লাগিব। আমি কাৰ্বি আংলং নগা পাহাৰ, অৰুণাচললৈ গৈছিলো। আমাৰ বক্তৃতাৰ পিছতে খৰচি টেৰাঙে কলে যে শংকৰদেৱৰ ধৰ্মটো বহুতে লব নিবিচাৰে— কাৰণ এইটো চুৱা চুৱা কৰা ধৰ্ম। এজন জন-জাতিলোকে শৰণ লোৱাৰ পিছত কোনোবা গুৰু আহিলে শ্ৰদ্ধাৰে দিয়া বস্তু লব নিবিচাৰে। আমাক জন-জাতি বুলি ঘৃণা কৰি নিজে ৰান্ধি খায়। তাৰ এনে উদাহৰণ আছে যে শৰণ লোৱাৰ পিচতো খৃষ্টান হৈ যায়। অৰুণাচলত আমাক কৈছিল— তোমালোকৰ ধৰ্মটো ত্ৰিশংকুৰৰ দৰে। এই ধৰ্ম লৈ আমি জন-জাতিৰ পৰাও আঁতৰি যাওঁ— আপোনালোকেও বুকুত নিজৰ বুলি নলয় চুৱা চুৱা বুলি এৰি থয়। ত্ৰিশংকুৰ হবলৈ আমি কিয় যাম। এইবোৰ অভিজ্ঞতা। তাৰ প্ৰতিকাৰ হব লাগিব।

আমি বৰ্তমানে বিচাৰ কৰিব লাগে যাতে শংকৰ সংঘৰ প্ৰচাৰকে গৈ এটা কব, ভাগৱতী সমাজৰ প্ৰচাৰকে অন্য এটা কব আৰু সত্ৰৰ প্ৰচাৰক গৈ তাৰ

ওলোটাভো কৰ ভেনেহলে কেনেধৰণে কাম কৰিব পাৰি— তাৰ এটা মীমাংসা হব লাগিব।

জাতি গঠনৰ যি প্ৰক্ৰিয়া দুজন প্ৰাতঃস্মৰণীয় ব্যক্তিয়ে কেনেধৰণে কৈছিল— কওঁ শুনক। লোক সেৱক আনজন সু-সাহিত্যিক ভিষেশ্বৰ নেওঁগদেৱ। ভূঞা চাৰে দুটা আঁচনি লৈছিল। (১) জনসেৱা, শ্ৰীমন্ত শংকৰদেৱৰ মিচন প্ৰতিষ্ঠা কৰে আৰু সেই একে দিনাই ৰমাকান্ত মুক্তিয়াৰ আতাক আনি (২) শংকৰদেৱৰ সংঘ প্ৰতিষ্ঠা কৰে। তাৰ মানে জন সেৱাও চলি থাকিব আৰু মহাপুৰুষীয়া ধৰ্মও প্ৰচাৰ হব। দুৰ্ভাগ্যৰ কথা দুয়োজন লোকৰ মাজত কাজিয়া হ'ল। ফলত ভূঞা চাৰৰ এটা কাৰ্যসূচী বন্ধ হ'ল। তেখেতে কতো দিন শংকৰদেৱৰ সংঘৰ পৰা আঁতৰি থাকিব লগীয়া হ'ল। এইবোৰ শ্ৰীযুত ইলাৰাম দাস বাপে জানে। পিছত চুতীয়া বাপ, দাস বাপ আদি সকলোৱে মিলি তেওঁৰ ভৰিত ধৰি দুয়োজন লোকক মিলন কৰি দিয়া হ'ল আৰু সেই কাৰ্যসূচীও চলিল।

অসমৰ এটা মাত্ৰ মিচন শংকৰ মিচন অসমীয়া বাইজৰ পৰা যি সহযোগ পাব লাগিছিল তাক নোপোৱা কাৰণে সেই আঁচনি আঁচনিতে থাকিল।

নেওঁগ চাৰৰ আঁচনি আছিল আমালৈ অহা প্ৰতিজন লোকে দুজনা গুৰুক মানিহে অসম সোমাব পাৰিব। কিন্তু অসমতে থকা অসমীয়াসকলে যদি দুজনা গুৰুক নামানে তেনেহলে বাহিৰৰ লোকসকলক কেনেকৈ মনাব। তেখেতৰ আঁচনি হ'ল অসমত কেইটামান প্ৰাথমিক বিদ্যালয়, উচ্চ বিদ্যালয় আৰু এখন আবাসিক মহাবিদ্যালয় হব লাগে আৰু এখন চলন্ত মহাবিদ্যালয় হৈছিল। এই বিষয়ে তেখেতৰ পৰামৰ্শতে ৩ খন বৈঠক হৈছিল। এতিয়া সেইবোৰ নাইকীয়া হ'ল। এইবোৰ কথা এখেত সকলে জানে।

ভূঞা চাৰৰ আঁচনিৰ ভিতৰত এখন ডাঙৰ চিকিৎসালয় কৰাৰ কথা আছিল। এতিয়া যিখন আছে সেইখন সৰু। সেই আদৰ্শত ৰমডিলা, পাচিঘাট, চেনোৱা আদি বিভিন্ন ঠাইত সৰু সৰু চিকিৎসালয় আছে। সেইবোৰ যেনে তেনে চলি আছে। শংকৰ সংঘত থকা manpower টোক এইবোৰ কামত লগাব লাগে তেতিয়া হলে জাতি গঠনৰ যথেষ্ট কামত আহিব। ইমানকে কৈ সামৰণি মাৰিলোঁ। ✱

শ্রীচন্দ্রকান্ত মিশ্র ঃ সত্ৰাধিকাৰ, বৰপেটা সত্ৰ।

হলধৰ ভূঞা প্ৰমুখ্যে যি সকলে কাম কৰি গ'ল তেখেত সকল বৰ প্ৰশংসনীয়। শংকৰ সংঘ, ভাগৱতী সমাজ আদি অনুষ্ঠান সমূহে যেনে দৰে প্ৰচাৰ কৰি আছে ই বৰ ভাল কাৰ্য আৰু তাক মই অভিনন্দন জনাওঁ। এই অভিবৰ্তন পতাৰ অভিপ্ৰায় আমাৰ আগতে নাছিল। বেলগুৰি অধিকাৰে এটা প্ৰস্তাৱ দিছিল যে মহাপুৰুষীয়া সত্ৰ বিলাকৰ বিশিষ্ট বিশিষ্ট লোক সকলক মাতি আনি এখন সভা পাতিব লাগে। ইয়াৰ উদ্দেশ্য আছিল আমাৰ সত্ৰ বিলাকত থকা মত দ্বৈধতা গুচাব লাগে আৰু এটা প্ৰচাৰ বিভাগ ঠিক কৰিব লাগে। কাৰণ আমাৰ প্ৰচাৰ বৰ দুৰ্বল। সেই উদ্দেশ্যে আপোনালোকৰ সন্মুখত মই এটা প্ৰস্তাৱ দিলোঁ। সাধাৰণ সভা পাতি মানুহে ঠিক কৰিলে যে সকলো অনুষ্ঠান প্ৰতিষ্ঠান মতা যাওঁক। মই বৰ আপত্তি কৰিছিলোঁ। এইটো বৰ টান কথা হব আৰু বৰ হুলুস্থূলৰ কথা হব। এই দিশত মোৰ মত নাছিল। যেতিয়া মানুহে ঠিক কৰিলে তেতিয়া উপায় নাই। তেওঁলোকে হঠাতে প্ৰস্তাৱ কৰিলে যে এইখন সিদ্ধান্ত মূলক সভা হওঁক। এইটো আৰু অসম্ভৱ কথা। ইয়াৰ সিদ্ধান্ত কৰিব নোৱাৰে। সিদ্ধান্ত কৰিব লগা হলে নিৰ্দিষ্ট ন্যায় যুক্ত পক্ষপাত শূণ্যলোক এজনেহে সিদ্ধান্ত দিব পাৰিব। এতিয়া আমি সেই একে সমস্যাত পৰিছোঁ। কেনেকৈ সিদ্ধান্ত হয়। মই যি চিন্তা কৰিছো এই বিষয়ে তাক কব খিচাৰো।

আমাৰ যিবোৰ আলোচনা হৈছে কালিলৈ যিখন সাধাৰণ সভা হয় তাত দাঙি ধৰক। ৰাইজে যি সম্ভৱ বুলি ভাৱে তাকে গ্ৰহণ কৰিব। এই মোৰ কথা। বাকীখিনি আপোনালোকে যি কৰে কৰিব।

প্ৰচাৰৰ বিষয়ে যিবোৰ কথা কৈছে সেইবোৰ মইও খিচাৰো। তেনে প্ৰচাৰৰ কাৰণে যে অনুষ্ঠান লাগে সেইটোও ঠিক। এই বিষয়ে আমাৰ সত্ৰতো মই বহুবাৰ কৈছো। আমাৰ প্ৰচাৰৰ অভাৱ। সত্ৰ বিলাকত যি উদাসীন ভকত আছে সেই সকলক প্ৰশিক্ষণ দি প্ৰচাৰক উলিয়াব লাগিব। আধুনিক শিক্ষা, সংস্কৃত শিক্ষা আৰু মহাপুৰুষ ধৰ্মৰ শিক্ষা লব পৰা অনুষ্ঠান লাগিব। তেনে অনুষ্ঠানৰ দ্বাৰা উপযুক্ত লোকক প্ৰশিক্ষণ দি উলিয়াব লাগিব। ল'ৰা কালৰ পৰা এই শিক্ষা হব লাগিব। যিসকল উপযুক্ত যুৱক সেই সকলে মাত্ৰ অধ্যয়ন কৰি আমাক সহায় কৰিব লাগিব। এইটো দুখৰ কথা আমাৰ ডেকা চাম ধৰ্ম

কর্মৰ বিষয়ে উদাসীন। অথচ গৌড়ীয় মঠ, ৰামকৃষ্ণ মিচন আদিত ঘৰ দুৱাৰ এৰি ধৰ্ম কৰ্মত লাগি গৈছে। এই প্ৰচাৰক সকলে প্ৰাচ্য প্ৰাচ্যাত্য সকলো জ্ঞান জানে। তেওঁলোকৰ কৰ্ম প্ৰসংসনীয়।

আমাক এটা শংকৰদেৱৰ ধৰ্মৰ বিষয়ে গবেষণাগাৰ লাগে। শিক্ষা মন্ত্ৰী ইয়ালৈ আহোতে মই কৈছো। এইটো গুৱাহাটীত হলে ভাল বুলি কৈছো। এই প্ৰস্তাৱটো প্ৰস্তাৱ হৈয়ে আছে। আপোনালোকৰ লগত মইয়ো সহযোগ কৰিম এই বিষয়ে।

আমি কি পৰম্পৰাত চলি আহিছো সেই বিষয়ে জনাতো আৱশ্যক বুলি ভাৱি মই নিজৰ পৰিচয়ৰ কথা কব বিচাৰিছো। আমাৰ বংশৰ প্ৰথম অধিকাৰ গোপাল মিশ্ৰ, তেওঁৰ পিতৃ কবি চন্দ্ৰ মিশ্ৰই এখন শাস্ত্ৰ ৰচনা কৰিছিল নাম হৈছে "হৰি কীৰ্ত্তনমোদনত"। হৰিকীৰ্ত্তনত সকলো ধৰ্ম আছে, নাম কীৰ্ত্তনেই প্ৰধান। সেই শাস্ত্ৰত এইবোৰ কথা আছে তাত ধৰ্ম বিলাকতকৈ বা অন্য ধৰ্মতকৈ কীৰ্ত্তন কিয় শ্ৰেষ্ঠ এই সকলোবোৰ কথা আছে। গোপাল মিশ্ৰই ১২ বছৰ তীৰ্থ ভ্ৰমণ কৰিছিল। নেপাল পৰ্যন্ত গৈছিল। তাৰ পৰা এটা বিগ্ৰহ আনিছিল। সেই বিগ্ৰহ এতিয়াও আমাৰ ঘৰত অছে। ৰজাই তেওঁৰ পাণ্ডিত্য দেখি মিশ্ৰ উপাধি দিছিল। তাৰ পৰা আমাৰ বংশৰ মিশ্ৰ উপাধি হয়। বাকী সকলৰ কথা নকওঁ আমাৰ আতা গোবিন্দ মিশ্ৰ ২৮ বছৰ ডেকা সত্ৰীয়া আছিল। আৰু ৩২ বছৰ বুঢ়া সত্ৰীয়া আছিল, ৬০ বছৰ কাল সত্ৰ চলাইছিল। তেওঁ পণ্ডিত আৰু বিষয় বৈৰাগ্য জীৱন মুক্ত পুৰুষ আছিল। এই বিষয়ে ৰবপেটা বাইজে জানে। তেওঁৰ মুখৰ পৰা নাম এৰা নাছিল। তেওঁ শংকৰদেৱক ঈশ্বৰ বুলি মানিছিল। তীৰ্থ কৰিবলৈ গৈ তেওঁ দেখিলে যে জগন্নাথত জগন্নাথ নাই তাৰ ঠাইত শংকৰদেৱ আছে। তাৰ পিচত উভতি আহিল। জগন্নাথ দৰ্শণ কৰিবলৈ নগ'ল। কাৰণ তেওঁ ধৰি লৈছিল যে জগন্নাথ দৰ্শণ হৈ গ'ল! তেওঁ এনে কাৰণত শংকৰদেৱৰ ভকত হৈছিল।

আমিও শংকৰদেৱক ঈশ্বৰ বুলি মানো। আমাৰ ওপৰত বহুতৰ এটা সন্দেহ আছে যে এই বামুণে শংকৰদেৱক নামানে। এইটো থাকিব। যিসকলে সন্দেহ কৰে তেওঁলোকতকৈ আমি শংকৰদেৱক বেছি মানো। শংকৰদেৱ শুদ্ৰ নহয়।

ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শুদ্ৰ এই বিলাক গুণৰ ওপৰত জাতি। সুত জাতিৰ ওপৰত নিগু'ণ। শংকৰদেৱ, মাধৱদেৱ কোনো জাতিৰ ভিত্তৰত নহয়, তাৰ ওপৰত বুলি আমি মান্য কৰো। যিয়ে যি নকওঁক আমি কিন্তু শংকৰদেৱৰ আদৰ্শকে লৈ আহিছো। আতাৰ বিৰুদ্ধেও এদলে উচ্চ ন্যায়ালয় পৰ্যন্ত মোকৰ্দমা কৰিছিল বৰ্খাস্ত কৰিবলৈ। তাত অভিযোগ আছিল "এই এওঁ মহাপুৰুষীয়া ধৰ্ম নাপালে, মহাপুৰুষীয়া মতে নচলে, সন্ধা উপাসনা কৰে এইবোৰ। তেওঁ এইবোৰ সহন কৰিছিল। কলিকতাত তেওঁক কান্ত বুলি কৈছিল। মানে সন্ত। ৰায় আছিল যি পৰ্যন্ত জীৱিত থাকিব তেতিয়ালৈকে কোনেও ব্যাখ্যা কৰিব নোৱাৰিব। একে নিচিনা মোকৰ্দমা ধৰ্ম নামানা বুলি মোৰ ওপৰতো আছে। তাৰ বিষয়ে নকওঁ।

আদৰণি সমিতিৰ সভাপতি হিচাবে মোৰ ফালৰ পৰা আপোনালোকৰ ওচৰত নিবেদন জনাওঁ যে আপোনাসবক নিমন্ত্ৰণ কৰি আনিছো যেনে ভাৱে সেৱা শুশ্ৰূষা কৰিব লাগিছিল তেনেধৰণে পৰা নাই। শয়ণ ভোজন আদিত অনেক অপৰাধ হৈছে। এই অপৰাধবোৰ মাৰ্জনাৰ কাৰণে নতশিৰে মই আপোনালোকৰ ওচৰত ক্ষমা বিচাৰিছোঁ। ★

শ্ৰীভদ্ৰ কান্ত গোস্বামী : সত্ৰাধিকাৰ, বেলগুৰি সত্ৰ।

ভাগৱতী সমাজৰ আচাৰ্য শ্ৰীযুত ইলাৰাম দাস দেৱে আৰম্ভণিতেই যিটো কথা বিশ্লেষনাত্মক ভাবে দাঙি ধৰিছে তাৰ লগত আমি একমত। তেখেতে যিখন সমন্বয় সমিতিৰ কথা কৈছে সেই খনৰ বহুখিনি লক্ষ্য পূৰণ কৰিবলৈ লাগিব। তাৰ কাৰণে অৰ্থৰ প্ৰয়োজন হব। এই কামটোৰ কাৰণে যদি আমি ত্যাগ স্বীকাৰ নকৰো তেনেহলে কমিটি এখন নালাগে, বহুখন হলেও 'কামত নাহিব। এই দিশত গুৰুত্ব সহকাৰে বিচাৰ কৰিব লাগিব। আমি বহু অনুষ্ঠান কৰো কিছু দিন চলাৰ পিচত ই নাইকিয়া হৈ যায়। মই কাকো সমালোচনা কৰিব বিচৰা নাই। তথাপি কও অসম শ্ৰীমন্ত শংকৰ সংঘই গুৰুজনৰ মহান অৱদান সংস্কৃতিৰ দিশটো জোৰ দিয়াটো মোৰ চকুত পৰা নাই। তেখেত সকলে ধৰ্ম প্ৰচাৰত যথেষ্ট কৰিছে। এই দিশটো সংঘই লোৱাহেঁতেন আৰু বহুত লোক আগবাঢ়ি আহিল হেতেন। আমাৰ এই অনুষ্ঠানটোৱেও এই কামটো লব লাগে। কিন্তু তাৰ কাৰণে লগা পুঁজিটো ক'ৰ পৰা আহিব? তাৰ কাৰণে আমাৰ গুণী মানী ব্যক্তি সকলক চিন্তা কৰিবলৈ মই অনুৰোধ কৰিছো। শংকৰদেৱৰ সংস্কৃতিৰ কেন্দ্ৰ সমূহৰ লগতো আমি যোগাযোগ কৰিব লাগিব। সেই মতেদি আঁচনি লব লাগিব।

শ্ৰীঅচ্যুত কৃষ্ণ মিশ্ৰ ঃ শ্ৰীমন্ত শংকৰদেৱ সংঘ।

বাপ সকল আহক – আচাৰ্য শ্ৰীদাস বাপে যি সমন্বয় সমিতিৰ কথা কৈছে তাক গঠন কৰো। আজি আমাৰ মহা আনন্দ। বিশেষকৈ দাস বাপক পাই। ইমান দিন সামান্য কথা এটাতে আঁতৰি আছিল। আজি একেলগ হোৱাত পৰম আনন্দ হৈছো।

সমন্বয় সমিতি কৰোতে আমাৰ ফালৰ পৰা এটা বিশেষ বাধা আছে। কোন প্ৰতিনিধি হব তাক আমি কাৰ্য নিৰ্বাহক বহিহে দিব পাৰিম। ★

শ্ৰীমিশ্ৰ দেৱে, ঘোষণা কৰা লগে লগে আচাৰ্য ইলাৰাম দাস দেৱে সকলোকে সমন্বয় সমিতি কৰিবলৈ আহ্বান জনায় আৰু সঞ্চালক শ্ৰীমহন্ত দেৱে সমিতি কৰিবলৈ ঘোষণা কৰে। এই সমিতিৰ নামকৰণ — মহাপুৰুষীয়া ধৰ্মনুষ্ঠান সমন্বয় সমিতি ৰাখে। সভাই সমিতিৰ কাৰণে নিম্ন লিখিত সদস্য কেইজন নিৰ্বাচন কৰে—

শ্ৰীচন্দ্ৰ কান্ত মিশ্ৰ, বুঢা সত্ৰীয়া, বৰপেটা সত্ৰ।

„ গৌৰী কান্ত গোস্বামী — জৰাবাৰী সত্ৰাধিকাৰ।

„ ভদ্ৰকান্ত গোস্বামী — বেলগুৰি সত্ৰাধিকাৰ।

„ বিজয় কৃষ্ণ গোস্বামী — কমলাবাৰী, ডেকা সত্ৰাধিকাৰ।

আচাৰ্য ইলাৰাম দাস — এক শৰণ ভাগৱতী সমাজ

শ্ৰীমন্ত শংকৰদেৱ সংঘ, অসম।

শ্ৰীপ্ৰেমকান্ত মহন্ত — গুৱাহাটী।

গোলোক চন্দ্ৰ কাকতি — জামুগুৰি হাট।

, প্ৰফুল্ল চন্দ্ৰ মহন্ত — গুৱালকুছি।

„ অধ্যাপক ভৱ প্ৰসাদ চলিহা — গুৱাহাটী।

„ সদানন্দ দাস — বৰপেটা।

„ প্ৰভাত দাস — গুৱাহাটী। আহ্বায়ক

„ প্ৰমোদ চন্দ্ৰ দাস — বৰপেটা।

শেষত আনন্দ উল্লাস আৰু হৰ্ষধ্বনীৰ মাজেৰে নাম ঘোষা গায় হৰি ধ্বনি কৰি অভিৱৰ্তনৰ সামৰণি মাৰে।

শ্ৰীমন্ত শংকৰ হৰি ভকতৰ
জানাযেন কল্পতৰু।
তাহান্ত বিনাই নাই নাই নাই
আমাৰ পৰম গুৰু॥
অপৰাধ বিনাশণ তযু নামে নাৰায়ণ
জানি নামে পশিলো শৰণে।
আন গতি নাহিকে মৰণে।
অপৰাধ ক্ষমা কৰি তুমি দয়াশীল হৰি
মোক ৰক্ষা কৰিও চৰণে।

ঃ জয় জগতগুৰু শ্ৰীমন্ত শংকৰ ঃ

সমাপ্ত